জীবন-স্মৃতি

STATE CENTRAL LIBRARY
Call No.
ASSAM

জীৱন-স্মৃতি

অমিয়কুমাৰ দাস

STATE CENTRAL LIBRARY
ASSAM

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী—৭৮১০২১

প্ৰকাশক
চন্দ্ৰপ্ৰসাদ শইকীয়া
সচিব
অসম প্ৰকাশন পৰিষদ
গুৱাহাটী—৭৮১০২১

প্ৰথম প্ৰকাশ
এপ্ৰিল, ১৯৮৩

মূল্য : ২৫.০০ টকা

মুদ্ৰক :
প্ৰেৰক
দীঘলী পুখুৰী পাৰ
গুৱাহাটী—৭৮১০০১

পাতনি

অমিয়কুমাৰ দাস অসমৰ জাতীয় জীৱনৰ এজন পৰম শ্ৰদ্ধেয় ব্যক্তি। দেশৰ স্বাধীনতা আৰু স্বতন্ত্ৰতাৰ বাবে আমাৰ দেশৰ যিসকল ব্যক্তিয়ে জীৱনৰ যথা-সৰ্বস্ব ত্যাগ কৰি অহোপুৰুষাৰ্থ কৰিছিল, সেইসকলৰ ভিতৰত তেখেত অন্যতম। তেখেতৰ জীৱন-স্মৃতিৰ মাজত আমাৰ দেশৰ, বিশেষকৈ অসমৰ, প্ৰায় ছটা দশকৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক কাহিনী উদ্ভাসিত হৈ উঠিব। সকৰেপৰা তেখেত মহাত্মা গান্ধীৰ মহান আদৰ্শেৰে অনুপ্ৰাণিত হৈ স্বাধীনতাৰ সংগ্ৰামত যোগ দিছিল আৰু কেবাবাৰো কাৰাবৰণ কৰিছিল। সংগ্ৰামত যোগ দি থাকোতেই তেখেতে গঠনমূলক কামতো নিজক নিয়োগ কৰিছিল। অসমত কংগ্ৰেছ অনুষ্ঠানৰ প্ৰতিষ্ঠা আৰু তাৰ ক্ৰমোন্নতিত তেখেতৰ অৱদান স্মৰণীয় আৰু অসমৰ স্বাধীনতা আন্দোলনৰ বিভিন্ন পৰ্যায়ত আগবঢ়োৱা তেখেতৰ ঐতিহাসিক অৱদান এদিন কিম্বদন্তীত পৰিণত হব।

অমিয়কুমাৰ দাস সেই শ্ৰেণীৰ বিৰল দেশপ্ৰেমিকৰ অন্তৰ্ভুক্ত, যিসকলে স্বাধীনতা সংগ্ৰামত সৰ্বস্ব পণ কৰিও সাহিত্য আৰু সংস্কৃতিৰ সাধনাক নিজৰ জীৱনৰ এক ওতপ্ৰোত অংশ হিচাপে গ্ৰহণ কৰিছিল। তেখেত এসময়ত তেতিয়াৰ প্ৰখ্যাত আলোচনী "বাঁহী"ৰ কেবাবছৰো ধৰি সম্পাদক আছিল। তেখেতৰ কেবাখনো গ্ৰন্থ ইতিমধ্যে প্ৰকাশিত হৈছে। তাৰ ভিতৰত মহাত্মা গান্ধীৰ আত্মজীৱনী "মাই এক্সপেৰিমেণ্ট্‌ছ্ উইথ্ ট্ৰুথ্"ৰ অসমীয়া অনুবাদ "মোৰ সত্য অন্বেষণৰ কাহিনী" সৰ্বশ্ৰেষ্ঠ। অসমত মহাত্মাৰ মহান জীৱনৰ বাণীৰ প্ৰচাৰত এই গ্ৰন্থৰ অৱদান যথেষ্ট। জীৱনৰ আৰু জাতিৰ যিখিনি মহৎ, যিখিনি সত্য আৰু সুন্দৰ, সেইখিনিয়ে দাসদেৱক সদায় আকৰ্ষণ কৰিছিল আৰু তেখেতৰ বিভিন্ন ৰচনাত তাৰ প্ৰকাশ স্পষ্ট আৰু অকৃত্ৰিম। এটা জাতিক নৈতিক আদৰ্শ, দেশপ্ৰেম, উদাৰতা, সদাচাৰ, সহিষ্ণুতা আৰু নিয়মানুবৰ্তিতাৰ আদৰ্শেৰে কেনেকৈ অহৰহ উদ্বুদ্ধ কৰিব পাৰি, এই চিন্তাকে তেখেতে সুদীৰ্ঘ জীৱনকালত কৰিছিল। মানুহৰ সততাৰ ওপৰত তেখেতৰ বিশ্বাস আছিল অগাধ। তেখেতৰ মতে, মানুহ হিচাপে প্ৰথমতে প্ৰখ্যাত হব নোৱাৰিলে, কোনেও পদবীৰ বলেৰে প্ৰখ্যাত হব নোৱাৰে।

এই জীৱন-স্মৃতিখন তেখেতে ডায়েৰী হিচাপে লেখিছিল আৰু এজন দেশ-নেতাৰ ডায়েৰী হিচাপেহে ইয়াক অধ্যয়ন কৰিব লাগিব। ডায়েৰী হিচাপে লেখা বাবেই এখন গ্ৰন্থৰ যি দৃঢ় আৰু পৰিকল্পিত গাঁথনি, সেইটো ইয়াত কেতিয়াবা হয়তো শিথিল হ'ব পাৰে। কিন্তু তথ্যৰ লগতে থকা তত্ত্বৰ কথাই এই ৰচনাক ৰসোত্তীৰ্ণ আৰু সুখপাঠ্য কৰিছে। এই ৰচনাৰ মাজেদি কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধৰ আমাৰ ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনৰ এখন দৃঢ় ছবি স্পষ্ট হৈ উঠিছে। পৰম দুখৰ বিষয় যে, দাসদেৱে নিজৰ শাৰীৰিক অসুস্থতাৰ বাবে জীৱনৰ শেষ পৰ্যন্ত নিজৰ স্মৃতি লিপিবদ্ধ কৰি যাব নোৱাৰিলে।

প্ৰায় ওঠৰ বছৰৰ আগতে আমি কিছুদিনৰ বাবে "মণিদীপ" নামৰ আলোচনীৰ সম্পাদক হৈ থাকোতে, দাসদেৱক অনুৰোধ কৰি এই জীৱন-স্মৃতিৰ প্ৰথমৰ কিছু অংশ লেখাই সেই আলোচনীত প্ৰকাশ কৰিছিলো। প্ৰথমতে তেখেতে কোনো-পধ্যেই নিজৰ জীৱনকাহিনী লেখিবলৈ ইচ্ছা কৰা নাছিল। কিন্তু আমাৰ নেৰা-নেপেৰা অনুৰোধক্ৰমে শেষত তেখেতে নিজৰ জীৱনকাহিনী লিপিবদ্ধ কৰিছিল। ইয়াৰ পৰা তেখেত কিমান আত্ম-প্ৰচাৰ বিৰোধী আৰু সৰল আছিল, অনুমান কৰিব পাৰি। তেখেতৰ সান্নিধ্যই আমাক কিদৰে উদ্বুদ্ধ কৰিছিল, সেই কথা পিছত আন ঠাইত প্ৰকাশ কৰা হ'ব।

গ্ৰন্থখনি আমাক প্ৰকাশ কৰিবলৈ দি শ্ৰদ্ধেয় দাসদেৱৰ পত্নী শ্ৰীমতী পুষ্পলতা দাস আমাৰ কৃতজ্ঞতাভাজন হৈছে।

আমাৰ একান্ত বিশ্বাস, নিজৰ জীৱন-কালত অজস্ৰ মানুহৰ জীৱনত অখণ্ড প্ৰভাৱ বিস্তাৰ কৰা দাসদেৱৰ এই জীৱন-স্মৃতিয়েও আজিৰ অসমবাসীক অনুপ্ৰাণিত কৰিব।

গুৱাহাটী
১২ এপ্ৰিল, ১৯৮৩

চন্দ্ৰপ্ৰসাদ শইকীয়া

নিকলচ্ বয় আৰু গোপীনাথ বৰদলৈৰ সৈতে অমিয় কুমাৰ দাসৰ
ভাৰতীয় গণ পৰিষদলৈ যাত্ৰা



আইন কলেজত পঢ়ি থকা অৱস্থাত

বিয়াৰ পিছত পত্নী শ্ৰীমতী পুষ্পলতা দাসৰ লগত

জৱাহৰলাল নেহৰুৰ লগত

পত্নী, কন্যা, জোৱায়েক আৰু প্ৰথম নাতিৰ লগত

প্রথম খণ্ড

জীৱন-স্মৃতি

বন্ধু-বান্ধৱৰ নেৰা-নেপেৰা অনুৰোধ জীৱন স্মৃতি লেখিব লাগে। লেখিবলৈ কাপ হাতত লৈ মনলৈ প্ৰশ্ন আহে, লেখিম কি? মোৰ জীৱনতো একো বৈচিত্ৰ্য নাই, সাধাৰণ অসমীয়া নাইবা ভাৰতীয় এজনৰ জীৱনত দাৰিদ্ৰ্যৰ লগত যি সংগ্ৰাম মোৰ জীৱনতো তাৰ ব্যতিক্ৰম হোৱা নাই। জীৱিকা উপাৰ্জন কৰা মানুহজন যেতিয়া নিয়তিৰ আহ্বানত সংসাৰৰপৰা বিদায় ল'বলগীয়া হয়, তেতিয়া তেওঁ এৰি থৈ যোৱা পৰিয়ালত যি হাহাঁকাৰ হয়, সেয়েইতো সাধাৰণ অসমীয়া গৃহস্থৰ অভিজ্ঞতা।

মোৰ মনলৈ বহুতো কথা আহে। মই কেনেকৈ নিজৰ কথা লেখোঁ? ফৰাচী মনীষী ৰুছোই স্বীকাৰোক্তিৰ মাজেদিয়েই নিজৰ জীৱনৰ কথা লেখিছে। এটা সামান্য কথাই তেওঁৰ জীৱনৰ গতি সলালে। তেওঁৰ যেতিয়া ষোল বছৰ বয়স তেতিয়া তেওঁ শিলালিপি খোদাই কৰা বাঢৈ এজনৰ তলত কাম শিকি আছিল। এদিন দেওবাৰে দুজনমান লগৰীয়াৰ লগত জেনেভা নগৰৰ বাহিৰলৈ ফুৰিবলৈ ওলাল। আঠ বজাত নগৰৰ দুৱাৰ বন্ধ হ'ব বুলি তেওঁ জানিছিল। সেইবাবে সময়মতে উলটিবলৈ বুলি লৰালৰিকৈ নগৰৰ দুৱাৰ মুখলৈ আহিল। কিন্তু সেইদিনা বিধিৰ বিধান এনে আছিল যে যিজনা চন্তৰী দুৱাৰৰখীয়া হৈ আছিল তেওঁ প্ৰণয়িনীক লগ পাবলৈ বৰ বিয়াকুল হৈ নিৰ্ধাৰিত সময়ৰ পূৰ্বতে দুৱাৰ জপালে। দুৱাৰ বন্ধ হোৱাৰ আগতে দবাৰ কোবেৰে দিয়া জাননী শুনি ৰুছো লৰি আহিল। কিন্তু কুৰি খোজমান আঁতৰত থাকোতেই চন্তৰীয়ে দুৱাৰ জপালে। দুৱাৰ জপাবলৈ বাধা দি ৰুছোই চিঞৰিবলৈ ধৰিলে। কিন্তু আকুল প্ৰণয়ী যে এক মুহূৰ্ত্তও ৰ'ব নোৱাৰে। গোটেই ৰাতি জাৰত নগৰৰ বাহিৰত পৰি থাকিবলগীয়া হ'ল। ৰুছোই লেখিছে, "মই যদি নিজৰ ধৰ্ম লৈ নিজৰ গাৱঁত পৰিয়ালৰ মাজত থাকিলোহেঁতেন, সাধাৰণ মানুহৰ দৰে মোৰ জীৱন শান্তিৰে গ'লহেঁতেন। ..... শান্তিৰে মোৰ পৰিয়ালৰ মাজত নিজৰ জীৱন অন্ত পেলাব পাৰিলোঁহেতেন" ইত্যাদি।

মহাত্মা গান্ধী গৈছিল দক্ষিণ আফ্রিকালৈ বেৰিষ্টাৰ হিচাপে, কিন্তু দক্ষিণ আফ্রিকাৰ মেৰিজবাগ ষ্টেশ্যনত ৰাতি প্ৰথম শ্ৰেণীৰ গাড়ীখনৰপৰা তেওঁক নমাই দিয়া হ'ল। প্ৰথম শ্ৰেণীৰ টিকট থকা বুলি তেওঁ আপত্তি জনালে। তেওঁ বেৰিষ্টাৰ হ'ব পাৰে, তেওঁৰ প্ৰথম শ্ৰেণীৰ টিকট থাকিব পাৰে, কিন্তু তেওঁ যে 'কুলী' বেৰিষ্টাৰ! সেই নিশা ভাৰত ষ্টেশ্যনত এইদৰে লাঞ্ছিত হৈ পৰি থাকিবলগীয়া হোৱাত তেওঁৰ মনলৈ বহুতো ভাব আহিছিল। তেওঁ এনে লাঞ্ছিত হৈ দক্ষিণ আফ্রিকাত থাকিব নে ঘৰৰ ল'ৰা ঘৰলৈ উভতিব; এইদৰে তেওঁ সত্যৰ পৰীক্ষাৰ মাজেদি তেওঁৰ জীৱনৰ অভিজ্ঞতা লেখিছে। ধন-ঐশ্বৰ্যৰ মাজত ডাঙৰ দীঘল হৈ দাৰিদ্ৰ্য নো কি তাৰ অভিজ্ঞতা অলপো নোপোৱাকৈ মহাত্মা গান্ধীৰ প্ৰেৰণাত জৱহৰলালে কোমল গাদী থকা বিচনা এৰি মজিয়াত শুবলৈ লৈ জাতীয় সংগ্ৰামৰ বাবে নিজক সাজু কৰাত লাগিল। তেওঁ জীৱনৰ অভিজ্ঞতা এটা ৰাজনৈতিক দৃষ্টি ভঙ্গীৰে বিচাৰ কৰি আত্মজীৱনী লেখিছে।

এজন ডেকা বন্ধুৱে মোক কৈছে, "আপুনি আপোনাৰ জীৱনত মূল্য নিদিব পাৰে, কিন্তু আপুনি আৰু আপোনাৰ লগৰ কিছুমানে যি সময়ৰ মাজেদি আহিবলগীয়া হৈছে, যি আদৰ্শ সমুখত ৰাখি জীৱনৰ বাটত আগবাঢ়িবলৈ যত্ন কৰিছে, তাৰ মূল্য নাইনে? আপুনি স্বাৰ্থপৰ নহ'ব। শিশু জীৱনৰেপৰা আৰম্ভ কৰি ঘৰুৱা জীৱন আৰু ৰাজহুৱা জীৱনৰ সকলো কথা জনাব লাগে।" বন্ধুৰ কথা কেইষাৰে মোৰ অন্তৰস্থল স্পৰ্শ কৰিছে। মোৰ জীৱনত একো গোপন কৰা নাই। জীৱনৰ সকলো ঘটনা দেশৰ, সমাজৰ সকলো লোকৰ সমুখতেই হৈছে। অৱশ্যে মোৰ অন্তৰৰ অনুভূতি মোৰ নিজতেই আৱদ্ধ আছে। জীৱনৰ পুৱাত ৰাঙলী বেলিৰ পোহৰত দেখা ঘটনাৱলী আজি মাৰ যাবলগীয়া বেলিৰ ৰ'দ কাঁচলিত চাবলৈ মন নোযোৱা নহয়, কেৱল যে নিজলৈ মৰমৰ ভাৱেই এই কামলৈ উদ্‌গাই এনে নহয়, যি সময়ৰ মাজেদি আগবাঢ়িবলগীয়া হ'ল সেই সময় ডোখৰত যিবিলাক ঘটনাই প্ৰেৰণা আনিছিল, যি অনুভূতি জগাই তুলিছিল, তাকে মহাত্মা গান্ধীয়ে দেখুওৱা আদৰ্শ সমুখত লৈ প্ৰকাশ কৰি ডেকা বন্ধুৰ নেৰা-নেপেৰা অনুৰোধ ৰক্ষা কৰিবলৈ কাপ হাতত ল'বলগীয়া হ'ল।

মই যি মুহূৰ্তত এই পৃথিবীলৈ আহিলোঁ সেই মুহূৰ্তটো শুভই নে অশুভই মই ভাবি নাপাওঁ। কাৰণ মোৰ জন্মৰ কিছুদিনৰ পিছত মোৰ পিতৃ বিয়োগ হয়। ময়েই ষষ্ঠ সন্তান আছিলো। চতীয়া, জামুগুৰি, কলিয়াবৰ আদিৰপৰা মোৰ আইৰ সম্পৰ্কীয় বুঢ়ী তিৰোতাসকল আহিলে মোক মৰম কৰাৰ লগতে সম্বোধন কৰে:

"বাপেৰৰ মূৰ খোৱাটো।" শিশু মনে বুজি নাপায়। মইনো কেনেকৈ দেউতাৰ মূৰ খোৱা হ'লো!

শিশু জীৱনৰ আৰু এটা ঘটনাই মোৰ মনত দকৈ সাঁচ বহুৱাইছিল। মোৰ আইয়ে ককাদেউতাক দেউতা বুলি মাতে, ময়ো লগতে দেউতা বুলি মাতোঁ। বহুত দিনৰ মূৰত এদিনা ককাদেউতা ঘৰলৈ অহাত মই লৰি ওলাই গলো দেউতা দেউতা বুলি চিঞৰি। ককাদেউতাই মোক মৰম কৰি সাৱটি ল'লে। কিন্তু পিছত আইয়ে মোক শুধৰাই দি ক'লে, "তই দেউতা নুবুলিবি: তোৰ ককাদেউতাহে।" মই সুধিলো, "মোৰ দেউতা ক'ত? মোৰ দেউতাক লাগে।" আইয়ে মোক বুকুত সাৱটি ল'লে, দুগালেদি চকুলো বৈ গ'ল। "তোৰ দেউতা ঈশ্বৰৰ কোলাত।" শিশু মনে ঈশ্বৰক খাটে দেউতাক ঘূৰাই দিব লাগে।

মোৰ জন্মৰ তাৰিখ মই সঠিককৈ নাজানো। কাৰণ সোঁৱৰণি আদিৰ কথা ব্ৰাহ্ম ধৰ্ম গ্ৰহণ কৰাৰ পিছত বৰ্জিত হৈছিল। কিন্তু মই স্কুলত ভৰ্তি হওঁতে মোমাইদেৱে লেখি দিছিল ২৫ বহাগ, ৫ মে' ১৮৯৫ চন। অৱশ্যে নিজৰ স্মৃতি শক্তিত অবিশ্বাস নকৰিলেও এই বিষয়ত মই সঠিক বুলি ডাঠি ক'ব নোৱাৰো।

মানুহক সেৱা-শুশ্ৰূষা কৰিবলৈ মোৰ আইয়ে বৰ ভাল পাইছিল। তেজপুৰ নগৰতো সেই সময়ত নাৰ্চ, মিডৱাইফ্ আদিৰ একো ব্যৱস্থা নাছিল। কেইগৰাকী-মান মহিলাই বেমাৰীক শুশ্ৰূষা কৰিবলৈ যত্ন কৰিছিল। সেইসকলৰ লগৰ মোৰ আইয়ো এগৰাকী আছিল।

সেইদিনা জামুগুৰিৰ উত্তৰে থকা মনাই বাগিচাৰ মেনেজাৰ মতিলাল হালদাৰে টাইফয়েড বেমাৰ হোৱা জীয়েকক লৈ তেজপুৰ পাইছিলহি আৰু এই বেমাৰী শুশ্ৰূষাতেই মোৰ আই ব্যস্ত থাকিবলগীয়া হৈছিল। কিন্তু ৰাতি গা বেয়া লগাত ঘৰলৈ উভতি আহিবলগা হ'ল। আৰু ইমান অকস্মাতে মই পৃথিবীলৈ আহিলো যে মোৰ মোমাইদেৱে (ব্ৰহ্মানন্দ বৰকাকতী) সাৰপাই উঠি ভাবিলে ঘৰলৈ চোৰ আহিছে। তেওঁ বন্দুক হাতত লৈ চোৰ খেদিবলৈ আহিল।

দেউতাৰ টান নৰীয়া হোৱাৰেপৰা মোৰ তত্বাৱধান আইয়ে ল'ব পৰা নাছিল দেখি ওচৰতে থকা এছিষ্টাণ্ট চাৰ্জন অতুল চন্দ্ৰ ৰায়ৰ জীয়েক শ্ৰীযুতা লাৱণ্য দেৱীয়েই সেই সময়ছোৱাত মোক চাইছিল বুলি শুনিছিলো।

মোৰ ককাদেউতা (লক্ষীকান্ত বৰকাকতী) শক্তি উপাসকৰ বংশৰ আছিল। তেওঁলোকৰ পূৰ্বপুৰুষ শিৱসাগৰৰ। মানৰ অত্যাচাৰৰ সময়ত দৰঙলৈ আহি চতীয়াত বসতি কৰিবলৈ লয়। জাহাজত কেনেকৈ মণিৰাম দেৱানক বান্ধিলৈ যায়, ককাদেউতাই

সৰুতে আমাক কৈছিল। সেই সময়ত তেওঁৰ বয়স ১৮ বছৰ। শক্তি উপাসকৰ ঘৰত জন্ম লৈ আৰু নিজেও বৰ নিষ্ঠাৰে সৈতে পূজা-পাতলত মন দিও কিয় ধৰ্ম পৰিবৰ্তন কৰিলে ? এই প্ৰশ্নৰ উত্তৰ বিচাৰি পাওঁ : তেওঁলোক যি সময়ৰ মাজেদি ডাঙৰ দীঘল হ'ব-লগীয়া হৈছিল সেই যুগৰ প্ৰভাৱেই ইয়াৰ কাৰণ। ইংৰাজ ভাৰতলৈ আহিল। ইংৰাজী শিক্ষাৰ প্ৰভাৱত নব্য ভাৰতে হিন্দু সংস্কৃতিৰ প্ৰকৃত তত্ত্ব বুজিব নোৱাৰি যীশুকেই একমাত্ৰ পৰিত্ৰাতা হিচাপে গ্ৰহণ কৰিলে। দেশত এটা নতুন পৰিস্থিতি দেখি হিন্দু সংস্কৃতিলৈ শ্ৰদ্ধাশীল ৰাজা ৰামমোহন ৰায় প্ৰমুখ্যে কিছুমানলোকে বেদান্ত, উপনিষদৰ তত্ত্বৰ ওপৰত ভিত্তি কৰি ব্ৰাহ্ম ধৰ্মৰ মত প্ৰচাৰ কৰাত লাগিল। অসমলৈকো ইয়াৰ প্ৰভাৱ আহিল। কেইজনমান অসমীয়াই—গুণাভিৰাম বৰুৱা, কনকহাঁস গোস্বামী, কমলা কান্ত ভট্টাচাৰ্য প্ৰভৃতিয়ে এই নতুন মতবাদ গ্ৰহণ কৰিলে। এই সকলৰ ভিতৰত ককাদেউতাও এজনা।

তেওঁ এই নতুন মতবাদ গ্ৰহণ কৰাত চতীয়াত থকা অওহী-বওহী সকলে খ্ৰীষ্টান হ'ল বুলি চকু পেলাইছিল। সমাজচ্যুত কৰিলেও লাহে লাহে সেই ভাৱ গ'ল। কিছুমান সম্পৰ্কীয় ল'ৰাই ককাদেউতাৰ লগত থাকি তেজপুৰত শিক্ষা লোৱাৰ সুবিধা লোৱাত সমাজৰ ফালৰপৰা একো নিষেধ হোৱা নাছিল। মহাপুৰুষ শঙ্কৰদেৱৰ শিক্ষাত অসমীয়া সমাজৰ এটা উদাৰতা আছে আৰু এই উদাৰতাই অসমীয়া সমাজৰ এটা ডাঙৰ সমল।

ককাদেউতা (লক্ষ্মীকান্ত বৰকাকতী) বৰ ধৰ্মপৰায়ণ লোক আছিল। পুৱা-গধূলি সদায় ঈশ্বৰ উপাসনা নকৰাকৈ নাথাকে। নিয়ম-কানুনৰ প্ৰতি শ্ৰদ্ধাশীল। এবাৰ এটা কথা ল'লে সহজে সেই কথা নেৰে। চাহ-বাগিচা, ষ্টীমাৰ কোম্পানী আদি অনুষ্ঠানত কাম কৰিবলগীয়া হ'লেও বৰ স্বাধীন মনৰ লোক আছিল। তেওঁ হৰিবিলাস আগৰৱালা, ভবানীচৰণ ভট্টাচাৰ্য, জয়দেৱ শৰ্মা আদিৰ লগত তেজপুৰ ৰায়ত সভাৰ সংগঠনত মন দিছিল। ১৮৫৫ চনত বোম্বেত জাতীয় মহাসভা (ভাৰতীয় কংগ্ৰেছৰ) প্ৰথম অধিবেশন বহিলত তেজপুৰ ৰায়ত সভাৰ প্ৰতিনিধি হিচাপে ককাদেউতাই যোগ দিছিল। ১৮৮৭ চনত মাদ্ৰাজত বহা কংগ্ৰেছৰ তৃতীয় অধিবেশনতো ৰাধানাথ চাংকাকতীৰে সৈতে তেওঁ যোগ দিছিল আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতা সকলৰ বক্তৃতাৰ কথা সৰুতে সদায় আমাক কৈছিল আৰু আমিও ককাদেউতাৰপৰা এনেবোৰ কথা শুনিবলৈ তেওঁক বৰ আমনি কৰিছিলোঁ। ১৮৮৭ চনত তেজপুৰে অসমৰ ৰাজহুৱা কৰ্মক্ষেত্ৰত এটা ডাঙৰ খোজ লৈছিল। সেইটো হ'ল টাউন হল আৰু লাইব্ৰেৰী সজা। এই ঘৰটো ১৯০৪ চনতহে সংৰক্ষণৰ বাবে ট্ৰাষ্টী সকলে মিউনিছিপেলেটীক শোধাব

লগীয়া হয়। ককাদেউতাও এজন ট্ৰাষ্টী আছিল। তেওঁ বিশ্বনাথৰপৰা এখন কাকত উলিয়াইও ৰাইজৰ অভাৱ অভিযোগ প্ৰকাশ কৰাত লাগিছিল। ডেপুটী কমিশ্যনাৰ হিচাপে কৰ্ণেল শ্বেৰাৰ বৰ স্বেচ্ছাচাৰী আছিল। তেওঁৰ স্বেচ্ছাচাৰিতাৰ কথাও কাকতলৈ লেখা বুলি কৈছিল। ভুটীয়াৰ আক্ৰমণত তেওঁ ডেকা হাতীগড় বাগানত হেনো কাম কৰিছিল। চাহাব মেনেজাৰ ভুটীয়াৰ ভয়ত বাগান এৰি গুচি যোৱাত বাগানখন কেনেকৈ ৰক্ষা কৰিলে আৰু কেনেকৈ নানান বিপদৰ মাজতো ৰক্ষা পৰিছিল, এনেবিলাক কথা শুনিবলৈ আমি বৰ ভাল পাইছিলো।

আমাৰ বুঢ়ী আই ঢুকাওঁতে তেওঁৰ বয়স চল্লিশৰ তলত। দুজনী সৰু ছোৱালী আৰু এটি সৰু ল'ৰা এৰি থৈ যেতিয়া বুঢ়ীআই ঢুকাল ককাদেউতাৰ বন্ধু সকলে পৰামৰ্শ দিলে যে ল'ৰা-ছোৱালীইতক চাবলৈ আৰু এবাৰ সংসাৰ পাতিব লাগে। কিন্তু এনেবিধৰ পৰামৰ্শলৈ কাণ নকৰি তেওঁ মোৰ আইক (সৰলা দেৱী) নাৱেৰে লৈ গ'ল কলিকতালৈ। বেথুন স্কুলত পঢ়ুৱাৰ দিহা কৰিলে। সেই সময়ত নাৱৰ বাহিৰে কলিকতালৈ যোৱাৰ আন ব্যৱস্থা নাছিল। নাৱেৰে যাওঁতে প্ৰায় এমাহ লাগিছিল। কেইবাটাও পৰিয়াল একেলগহে নাৱৰ দিহা কৰিছিল। গুণাভিৰাম বৰুৱাও জীয়েক স্বৰ্ণকুমাৰী দেৱীক লৈ গৈছিল। সেইবাবে মোৰ আই আৰু স্বৰ্ণকুমাৰী দেৱী দুয়ো সখী আছিল। কলিকতাত ব্ৰাহ্ম সমাজৰ কেইবাজনো নেতৃস্থানীয় লোকৰ তত্ত্বাৱধানত তেওঁলোক আছিল।

মোৰ দেউতা (উদয়ৰাম দাস) গুৱাহাটীৰ ভৰলুমুখৰ। কামাখ্যাৰাম বৰুৱা, তৰুণৰাম ফুকন প্ৰভৃতিৰ মুখৰপৰা মই দেউতাৰ নানান কথা শুনিছিলো।

গুৱাহাটীলৈ যোৱাৰ পিছত এদিনা কামাখ্যাৰাম বৰুৱাক লগ ধৰিছিলো। তেওঁ বহুতো পুৰণি কথা কোৱাৰ লগতে ক'লে, "সৌখিনিতে উদয় দাদাৰ বাৰী আছিল, মোৰ বেমাৰ হওঁতে তেওঁ চিকিৎসা কৰি ভাল কৰিছিল। মোৰ দেউতাৰ ডায়েৰীত পাওঁ, উদয় দাদাবে সৈতে তেওঁ প্ৰেছ খুলিবলৈ যত্ন কৰিছিল। ইংৰাজী বাতৰি কাকত উলিওৱাৰ কথা আছিল। উদয় দাদা বাগিচালৈ চাকৰী কৰিবলৈ গ'ল আৰু বাগিচাৰপৰাই প্ৰেছৰ বাবে টকা দি আছিল। দেউতাৰ ডায়েৰীৰপৰা জানিছো উদয় দাদাক দেউতাই হেনো ৪০০'০০ টকা দিবলৈ থাকি গ'ল : তুমি টকাখিনি লৈ মোক পিতৃ ঋণৰপৰা উদ্ধাৰ কৰিবানে ?" হাঁহি মাৰি ক'লো, "আপুনি কথাষাৰ কোৱাৰ লগে লগেই পিতৃ ঋণ শোধ হ'ল, মোক টকা নালাগে।" দেউতাক নেদেখিলেও এনেবিলাক কথাৰ মাজেদিয়েই দেউতাৰ ছবিখন মনলৈ আনো।

দেউতাও সৰুতে পিতৃহীন হৈছিল আৰু বুঢ়ী আয়ে সূতা কাটি কাপোৰ বৈ

দেউতাক হেনো গুৱাহাটীৰ হাইস্কুলত পঢ়ুৱাইছিল এণ্ট্ৰেন্সলৈকে। এণ্ট্ৰেন্সৰ পিছত চৰকাৰী বৃত্তি পাই কলিকতাৰ কেম্পবেল মেডিকেল স্কুলত পঢ়ি ডাক্তৰী পাছ কৰে। চৰকাৰী • চাকৰি নোপোৱাত বাগিচাৰ চাকৰি লয়। বেজবৰুৱাক পোন প্ৰথমতে ১৯১৪ চনত কলিকতাত লগ পাওঁতে আৰু মোৰ চিনাকি পাই বেজবৰুৱাই দেউতাৰ কথা কৈছিল। কলিকতাত ভোলা বৰুৱাৰ লগত চিনাকি হোৱাত তেখেতেও দেউতাৰ কথা কৈছিল,—"আমি একেলগে পঢ়া।"

ল'ৰাকালত এদিনা গোপীনাথ বৰদলৈৰ দেউতাক বুদ্ধেশ্বৰ বৰদলৈ আহি তেজপুৰ পালেহি। তেওঁ ককাদেউতা আৰু আইৰ লগত কি কথা পাতিছিল মোৰ মনত নাই। মোক ক'লে, "আমাৰ দিনত আমাৰ যি বন্ধুত্ব আছিল আজি কালি তেনে বন্ধুত্ব পাবলৈ নাই। দেউতাৰাৰ সৈতে আমি দুয়ো স্কুলৰেপৰা একে লগে পঢ়া। দুয়ো কেম্পবেল মেডিকেল স্কুললৈ একেলগে পঢ়িবলৈ গলো। শেহৰ বছৰটো মোৰ ভাল নহ'ল। আৰু এবছৰ দেউতাৰাই সহায় কৰি মোক পঢ়ুৱালে।" বৰদলৈ জীয়াই থকালৈকে মাজে সময়ে আহি আমাৰ খবৰ লৈছিল।

দেউতা কলিকতালৈ গৈ ব্ৰাহ্মসমাজৰ প্ৰভাৱত পৰিল আৰু এইদৰে আমি গতানুগতিক অসমীয়া সমাজৰপৰা আঁতৰিবলগীয়া হ'ল।

মোৰ পিতৃ-বিয়োগ হোৱাৰ পিছত মোৰ আই নানান আহুকালৰ মাজত পৰিব-লগীয়া হ'ল। তাৰ ভিতৰত মোৰ ককাইদেউৰ (বিনয় কুমাৰ দাস) ক'লাজ্বৰ হোৱাটো প্ৰধান। সেই সময়ত অসমত ক'লাজ্বৰে পোন প্ৰথমতে হেনো দেখা দিছিল। নতুন বেমাৰ, চিকিৎসাৰ ভাল ব্যৱস্থা নথকাত আয়ে ককাদেউতাৰ সৈতে কলিকতালৈ যাবলগীয়া হ'ল। এইবাৰ হ'লে জাহাজত গৈছিল।

আনহাতে দেউতাই মৃত্যুৰ আগতে তেওঁৰ বাইদেউকৰ পৰিয়ালটো চপাই লব লগীয়া হ'ল। বাইদেউকো ঢুকাল, ভিনিহিদেউকো ঢুকাল দুজনী ছোৱালী আৰু এটি ল'ৰা থৈ। এই পিতৃ-মাতৃ হীন ল'ৰা-ছোৱালী কেইটিৰ লগতে আমি দুটিও সৰু ল'ৰা। গোটেইবিলাক তেজপুৰলৈ আহিব লগা হ'ল। ইয়াতেই আমাৰ পৰিয়াল শেষ হোৱা নাছিল। নগাওঁৰ কেলিডেন বাগিচাত দেউতাই কাম কৰোঁতে আয়ে কেইটিমান পিতৃ-মাতৃহীন বনুৱা ল'ৰা-ছোৱালী তুলি লৈছিল। সকলোকে লৈ এখন ডাঙৰ সংসাৰেৰে সৈতে তেজপুৰলৈ আহিল। তেজপুৰতো দেউতাই ঘৰ সাজিবলৈ মাটি লৈছিল—বৰ্তমানে পুলিচ থানাৰ দক্ষিণে। এনেতে তেওঁ সংসাৰ এৰিব লগীয়া হ'ল। ঘৰ সজোৱা হৈ নুঠিল।

যিহওক সকলো আহুকালৰ মাজত ককাদেউতাৰ পৰিয়ালত আমি সোমাবলগীয়া

হ'ল। ককাদেউতাৰো পুতেকৰ (মোৰ মোমাইদেউৰ) বাহিৰে পৰিয়ালত আন কেও নাছিল। কিন্তু তেওঁ আৰু এটা পৰিয়াল চপাই লৈছিল। তেওঁৰ লগতে থকা গাৰ্ঁৰে এজনক চতীয়াৰ মালগাৰঁত বিয়া দি লগতে ৰাখিছিল। এওঁলোকৰো দুটি ল'ৰা দুজনী ছোৱালী। আইয়ে ককাই আৰু বৌ বুলি মাতে। আইৰ লগতে ময়ো ককাই আৰু বৌ বুলি মাতো। তেওঁকো জেঠাদেউতা বুলি মাতিবলৈ ধৰিলো বহুত দিন পিছত। এইদৰে ইমানখিনি মানুহ একেলগে মিলা-প্ৰীতিৰে ডাঙৰ হ'বলৈ ধৰিলো। আজি কালিৰ দৃষ্টিভঙ্গীত ভাবো আমাৰ এইটো সমবায়েই হৈছিলনেকি? স্বকীয়া গাইগুটীয়া ভাবৰ তাত ঠাই নাছিল।

মোৰ পিতৃ বিয়োগৰ পিছতেই মোমাইদেৱে কলিকতাৰ ছাত্ৰ জীৱনৰ অন্ত পেলাই তেজপুৰলৈ আহিবলগীয়া হ'ল সংসাৰৰ দায়িত্ব ল'বলৈ। দেউতাৰ কথা কওঁতে মোমাই-দেউৰ চকুলো ওলায়, কয়, "তিনিহঁতদেৱেই মোক কলিকতাত পঢ়াইছিল।" কলিকতাৰ-পৰা আহি মোমাইদেৱে ক'ত কি কাম কৰিবলগীয়া হৈছিল নাজানো। শুনো, পোনতে হাইস্কুলত শিক্ষক আছিল। কিন্তু আমি দেখিছিলো তেওঁক এডুকেশ্যন ক্লাৰ্ক হিচাপে আৰু লাহে লাহে তেওঁ পেস্কাৰ আৰু ডি. চিৰ হেড্ ক্লাৰ্ক হ'ল।

বাকী সাধিবলৈ দোকানী আহে। সোধে—"মোমাইদেউৰা আছেনে?" কওঁ, "নাই, ওলাই যোৱা দেখিছোঁ।" দোকানীয়ে কয়, "মিছা কথা কৈছা?" আচৰিত হওঁ—"মিছা কথা ক'বলৈ আয়ে হাক দিছে।" দোকানীয়ে নুবুজে। উপলুঙা কৰি গুচি যায়—"বাকী শোধ কৰাৰ ভয়ত মিছা কথা কৈছা।" ভিতৰলৈ গৈ আইক কওঁ দোকানীৰ কথা। আইৰ চকুলো বৈ যায়। কয়, "বাপুটী সৰু ল'ৰা, এই বয়সত ইমানবিলাকৰ বোজা কেনেকৈ চম্ভালে! পচিশ টকা দৰমহাৰে আতখিনি মানুহ চলিবলগীয়া হৈছে। সকলো বস্তুৰে দাম।" ককাদেউতাই সেই সময়ত তেজপুৰৰ চাৰি পাঁচ মাইল আঁতৰৰ দোলাবাৰী পামত থাকি খেতি কৰে।

ঘৰৰ অভাৱৰ ছবিখন দেখি আমাক যি খাবলৈ দিয়া হৈছিল তাতকৈ আমি বেছি বিচৰাটো অপৰাধ বুলিয়েই ভাবিছিলো।

শিশু জীৱনৰ আৰু এটা কথা মনলৈ আহিছে। সেইদিনা দেওবাৰ আছিল। ককাদেউতা দেওবাৰ হ'লেহে তেজপুৰৰ ঘৰলৈ আহে। ককাদেউতাই বাতৰি কাকত পঢ়ি থাকোতে হঠাতে উৎসাহেৰে সৈতে ক'লে, "এজন মানুহ ওলাল।" আমি ওচৰতে কেইবাজনো সৰু ল'ৰাই মাৰ্বল গুটি খেলি আছিলোঁ। ওচৰ চাপি সুধিলো—"ককাদেউতা, কি ওলাল?" ককাদেউতাই বহুতো কথা ক'লে কিন্তু একো কথা মনত নৰ'ল। কেৱল তিনিটা শব্দ মনত থাকিল: "মোহনদাস কৰমচাঁদ গান্ধী।" এই

তিনিটা শব্দ জানিবা আমাৰ জপমন্ত্ৰ হ'ল। মাৰ্বল গুটি লক্ষ্যত লগাব লাগে— এই তিনিটা শব্দ উচ্চাৰণ কৰিলে যেন লক্ষ্যত লগাব পৰা হ'ব। এইদৰে মোহনদাস কৰমচাঁদ গান্ধীৰ নামটো আমাৰ মনত দ'কৈ সোমাল।

ল'ৰাহঁতে যুদ্ধৰ আখৰা কৰে। একো একোটা গাঁত কোনে আগতে লৰি গৈ দখল কৰিব পাৰে। তাতো সেই একে মন্ত্ৰঃ "মোহনদাস কৰমচাঁদ গান্ধী।" দক্ষিণ আফ্ৰিকাৰ কথাবিলাক পিছতহে বুজা হ'লো।

কমলাকান্ত ভট্টাচাৰ্য ডিবৰুৰপৰা আহি ওলায়হি। মাতে, "আহ, তই মোৰ নাতি" বুলি চপাই লৈ চুমা খায়। কওঁ, "দাড়িয়ে বিন্ধিছে, দাড়িয়ে বিন্ধিছে।" কিন্তু তেওঁ যেতিয়া তেজপুৰৰ শিলবিলাক লৈ কবিতা শুনাব তেতিয়া ওচৰ চাপি যাওঁ শুনিবলৈ, মনলৈ যে কত ভাব আহে! এই শিলবিলাকে কত পুৰণি কথালৈ কাচাৰী ঘৰৰ ওচৰতে পৰি আছে! শিশু মনে এইবিলাক ভাবি উৰাদিহ নাপায়।

ৰুছ-জাপান যুদ্ধৰ কথাই মন উতলা কৰে। ককাদেউতাই বাতৰি কাকত পঢ়ি কয়, জাপানে ভুল কৰিলে। উঠি অহা দেশখন ৰুছ দৈত্যৰ চেপাত মৰে নেকি? জাপানলৈ সহানুভূতি। জাপান যে লাঞ্ছিত, পদানত এচিয়াৰ গৌৰৱ!

সোধোঁ— "জাপান ক'ত ককাদেউতা?" "বেলি ওলোৱা ঠাইত।" পুবৰ বেলি ওলোৱা চাওঁ জানোচা জাপান দেখোঁ। জাপানৰ কথাবিলাক, জাপানী সৈন্য বাহিনীৰ সাহ-বীৰত্বই মনলৈ কিবা এটা প্ৰেৰণা আনে। কেনেকৈ পোৰ্ট আৰ্থাৰৰ বন্দৰ জাপানী নৌ বাহিনীয়ে অৱৰোধ কৰিলে, কেনেকৈ দখল কৰিলে, মুক্‌ডেনৰ যুদ্ধত জাপানৰ সাফল্য বাতৰি কাকত পঢ়িব নোৱাৰিলেও ককাদেউতাৰপৰা শুনি মনত দকৈ সোমায়। জাপানৰ মানুহ যেন আমাৰ বুকুৰ কুটুম। এনে এটা ভাৱ মনলৈ আহে।

স্কুলত ভৰ্তি হ'লো। স্কুলত ভৰ্তি হওঁতে বহুত দিন ৰ'বলগীয়া হৈছিল। ঘৰৰ ওচৰৰ ছোৱালী স্কুলতেই পঢ়িলো। মোমাইদেৱে কয়— "স্কুলৰ তলৰ শ্ৰেণীতো ডাঙৰ ডাঙৰ ল'ৰা— বেয়া কথা শিকিবি ঘৰতে পঢ়।"

স্কুলৰ পাঠ্য-পুথি ঘৰতে পঢ়োঁ। ১৯০৬ চন। এনেতে তেজপুৰলৈ প্ৰসন্ন মুখাৰ্জী নামেৰে এগৰাকী হেডমাষ্টৰ আহিল। তেওঁ শাসনত বৰ কঠোৰ আছিল। শ্ৰেণীয়ে শ্ৰেণীয়ে গৈ দুই তিনি বছৰ প্ৰমোশ্যন নোপোৱা ছাত্ৰসকলক বাছি উলিয়াবলৈ ধৰিলে। শ্ৰেণীৰ ভিতৰতেই বেতেৰে কোবায়েই এৰা নাছিল। স্কুলত সমুখৰ চাৰি আলিতো থিয় কৰাই সকলোকে দেখুৱাই বেতেৰে কোবাব। স্কুলীয়া ল'ৰা ভয়ত ত্ৰস্তমান। এনেতে মই তেওঁৰ সমুখ হ'বলগীয়া হ'লো। অন্তৰত ভয় হ'লেও বাহিৰত আত্মবিশ্বাস আৰু সাহেৰে সৈতে তেওঁৰ সমুখ হ'লো। কেইটামান প্ৰশ্ন কৰিলে মাথোন আৰু তাতেই

সন্তুষ্ট হৈ মোক পঞ্চম শ্ৰেণীত (বৰ্তমানে ষষ্ঠ) ভৰ্তি কৰিলে। কিন্তু তেওঁ অলপ দিনতে স্কুলৰপৰা গ'ল— ডেপুটী ইন্সপেক্টৰ হ'ল আৰু কেশৱচন্দ্ৰ ফুকনেই স্কুলৰ হেডমাষ্টৰ হ'ল।

বঙ্গ বিচ্ছেদৰ পিছত অসম পূব-বঙ্গৰ লগত ছামিল হ'ল। পূব-বঙ্গৰপৰা কিছুমান বঙালী কৰ্মচাৰী তেজপুৰলৈ বদলী হৈ আহিল। এওঁলোকৰ ঘৰৰ ল'ৰাহঁতে লৈ আহিল স্বদেশী আন্দোলনৰ বতৰা। গুপ্ত সমিতিৰ কথাও লগত লৈ আহিল। লাঠীখেল, ছুৰীখেলৰ চৰ্চা ভিতৰুৱাকৈ হ'বলৈ ধৰিলে। মহাভৈৰৱ মন্দিৰৰ উত্তৰত কোনো নোযোৱা আওহতীয়া ঠাইত ল'ৰাহঁতে এইবিলাকৰ চৰ্চাত লাগিল। এদিন কথা ওলাল, ল'ৰাহঁত জাহাজ ঘাটলৈ গৈ মুটিয়াৰ কাম কৰি জাতীয় পুঁজিলৈ বৰঙণি দিব। কথাষাৰ শুনি ভাল লাগিল। কিবা যেন নতুনত্বৰ সন্ধান পোৱা হ'ল। জাহাজে উকি মৰাত গ'লো আনৰ লগত জাহাজ ঘাটলৈ। যাত্ৰীসকলৰ মাল কঢ়িয়াই ভাল লাগিল। স্কুলীয়া ল'ৰাহঁতে মাল কঢ়িওৱা দেখি মুটিয়াবিলাকৰ মুখৰ মাত হৰিল, চাই থাকিল। অৱশ্যে কেইদিন-মানলৈহে আমাৰ এই উৎসাহ আছিল।

বঙ্গ বিচ্ছেদৰ প্ৰতিবাদ কৰি মিটিং হয়, শোভাযাত্ৰা হয়, আমিও ওলাওঁ, অসমীয়া ল'ৰাও এইবিলাকত লগ হয়। এজন অসমীয়া ল'ৰাই কয়: আমাক গালি পাৰিছে— বৰ্বৰ আসামৰ লগত বঙ্গদেশ ভাগ কৰি লগাই দিছে বুলি মনলৈ বেজাৰ আহে। সকলো কথা বুজি নেপালেও কিবা উন্মাদনাত আমিও ওলাইছিলো। স্বদেশীৰ কথা অসমীয়াৰ কাৰণে নতুন নাছিল। আমি ঘৰতে কাপোৰ বৈ লওঁ। আয়ে বৈ দিয়া চুৰীয়া-চোলাৰে স্কুললৈ যাওঁ। আয়ে তাঁতশালত কাপোৰ বয়—ফুলবছা গামোছা, কলিকতালৈকো চিনাকি বন্ধু সকললৈ পঠায়। এদিনা মতিলাল হালদাৰ আহি ওলাল। তেওঁ ক'লে, "সৰলা, তোমাক এইখন দিলো, ফ্লাই শ্বাটল ইয়াৰে বেছিকৈ ব'ব পাৰিবা।" ফ্লাই শ্বাটলৰ ঠক্ ঠক্ শব্দ আমাৰো ভাল লাগে, আমিও মাকো মাৰোঁ।

এদিনাখনৰ এটা ঘটনা স্মৃতি-পটলৈ আহে। আইহঁতে চোতালত তাঁত বাটী কৰি বাঁচ চলাইছে ইমূৰৰপৰা সিমূৰলৈকে। গোটেই চোতালখন জুৰি দীঘলীয়াকৈ থোৱা আছে। আমি বাহিৰত বল খেলি আছিলো। এনেতে হঠাতে মই মৰা বল গৈ সূতাৰ ওপৰতে পৰিল। আইয়ে মোক একো ডাবি নিদিলে। কিন্তু তেওঁলোকে এইবাবে যি দুখ শাস্তি পাবলগীয়া হ'ল সেয়ে মোৰ শিক্ষা হ'ল। বুজিলো মুখেৰে মাত নিদিয়াকৈও আনক শিক্ষা দিব পাৰি।

আসাম ভেলিৰ দোকানলৈ যাওঁ, স্বদেশীৰ কথা শুনো; দেখো, বাগিচাৰ চাহাব আহে বস্তু কিনিবলৈ। তেওঁলোকে প্ৰতিটো বস্তু ইংলণ্ডত তৈয়াৰী নে চাই লয়। জাৰ্মানীত তৈয়াৰী হোৱা বস্তু নলয়। তেতিয়াৰপৰা স্বদেশীৰ অৰ্থ বুজিবলৈ চেষ্টা কৰো।

স্কুলত সোমোৱাৰ আগৰেপৰা কৰ্মবীৰ চন্দ্ৰ শৰ্মাৰ লগত চিনাকি হৈছিলো। তেওঁ স্কুলৰ বোৰ্ডিঙত থাকে। বয়সত আমাতকৈ ডাঙৰ হলেও ছাত্ৰ-বৃত্তি পাচ কৰি ইংৰাজী স্কুলৰ তল শ্ৰেণীত ভৰ্ত্তি হ'ব লগীয়া হওঁতে আমাতকৈ দুই শ্ৰেণীৰ ওপৰত আছিল। কিন্তু তেওঁ আছিল সকলো কথাতে আগৰণুৱা।

এদিন স্কুলত সভা বহিল। আনন্দৰাম বৰুৱাৰ মৃত্যু তিথি। চন্দ্ৰনাথ শৰ্মাই এটা কবিতা পঢ়িলে। তেওঁ কল্পনা কৰিলে সৰগৰপৰা অপেশ্বৰী সকলে ফুলৰ মালা লৈ আনন্দৰাম বৰুৱাক আদৰি নিবলৈ আহিছে। কবিৰ কল্পনা মই বাস্তৱত দেখা পাম বুলি ভাবি আকাশলৈ চালো। ল'ৰা কালৰ মনত সকলো কথা এনেকৈয়ে দকৈ বহে।

সকলোৰে মুখে মুখে এটা কথা: আমাৰ দুখুনী অসম! ল'ৰাহঁতৰ বেজাৰ, অসমত এম, এ পাচ কৰা মানুহ নায়েই, বি-এ পাছ কৰাৰ সংখ্যাও কম। শ্ৰেণীত বঙালী ল'ৰাই হাঁহে। মনলৈ বেজাৰ আহে—আমি কিয় পাছ পৰিবলগীয়া হ'ল নুবুজো। এনেতে শুনিলো ৰাধানাথ ফুকনৰ নাম। তেওঁ এম, এ পাছ কৰিছে। কিছুদিন পিছত ৰাধানাথ ফুকন তেজপুৰলৈ আহিল। আমাৰ ওচৰতে এটা ঘৰত থাকিবলৈ ল'লে। কেইবাজনো লগহে চাবলৈ গলো—এম, এ পাছ কৰা লোকজনো কেনেকুৱা? এনেতে শ্ৰীঈশ্বৰপ্ৰসাদ বৰুৱাৰ এম, এ পৰীক্ষাত কৃতিত্বৰ বাতৰি শুনিবলৈ পোৱা গ'ল: অসমীয়ায়ো পাৰে বুলি বুকুখন ওফন্দি উঠিল।

ল'ৰালি কালৰ এনেবিলাক স্মৃতিয়েই আজি মনলৈ আহিছে।

* * *

হাইস্কুলত ভৰ্তি হওঁতে পলম হোৱা বুলি আগতে কৈ আহিছো। হাইস্কুলত ভৰ্তি নোহোৱাকৈ ঘৰত থাকিবলগীয়া হোৱাত কি বিলাক কথাই মোৰ ল'ৰালি মনৰ ওপৰত প্ৰভাৱ পেলাইছিল সেইবোৰ মোৰ মনলৈ আহে। হাইস্কুলত সোমোৱাৰ আগতে আমাৰ ঘৰৰ ওচৰৰ এখন ছোৱালী স্কুলত দুবছৰ পঢ়িবলগীয়া হৈছিল। সেই সময়ত তেজপুৰত ছোৱালী শিক্ষাৰ বাবে সেই একেখনেই অনুষ্ঠান। কি অসমীয়া, কি বঙালী, নগৰৰ ছোৱালীয়ে তাতে পঢ়ে। ছোৱালীৰ লগতে কিছুমান ল'ৰায়ো তাত পঢ়িছিল। এইখন স্কুলত বঙালীত শিক্ষা দিয়া হৈছিল। শিক্ষাৰ্থীৰ সংখ্যা বৰ সৰহ নাছিল। তেজপুৰ নগৰৰ অসমীয়া আৰু বঙালী এক সংখ্যক লোকে লগলাগি সেই স্কুলখন চলাইছিল। ইয়াৰ বাবে অভিভাৱকসকলে এক-অনা দু-অনাকৈ মাহে মাহে

বৰঙণি দিয়াৰ কথাও মনত পৰে। কেবাজনো অসমীয়া ল'ৰা ইয়াতে প্ৰাথমিক শিক্ষাৰ বাবে ভৰ্তি হৈছিল। এইখন স্কুলত সেই সময়ত দুগৰাকী শিক্ষয়িত্ৰী আছিল। প্ৰধান শিক্ষয়িত্ৰী আছিল স্বৰ্গীয়া স্বৰ্ণলতা দত্ত। এখেতে তেজপুৰৰ এইখন স্কুললৈ অহাৰ আগতে নগাৱঁতো এখন ছোৱালী স্কুল চলাই আছিল। মোৰ আই মাতৃহীন হোৱাত ককাদেউতাই তেখেতৰ দায়িত্বত স্কুলত পঢ়ুৱাবলৈ থৈ আহিছিল। আৰু তাৰ পিছতহে কলিকতালৈ নিছিল। স্বৰ্ণলতা দত্ত এগৰাকী ধৰ্মপৰায়ণা আৰু সেৱাত যত্নশীলা বিদুষী মহিলা আছিল। তেজপুৰত তেখেতক সকলোৱে 'দিদিমা' বুলি মাতিছিল। স্কুলৰ কামৰ লগতে সকলোৰে ঘৰলৈ গৈ খা-খবৰ লোৱা, সেৱাৰ প্ৰয়োজন হ'লে সেৱাত লগা, এইদৰে তেখেতে সমাজ সেৱাত নিজক সপি দিছিল। মোৰ আয়েও তেওঁৰ লগে লগে ফুৰিছিল। ককাদেউতাই বহু আগতে আইক এই পৰিয়ালত থৈ যি সম্পৰ্ক পাতিছিল, সেই সম্পৰ্ক স্থায়ী হ'ল যেতিয়া মোমাইদেৱে তেখেতৰে জীয়েক কিৰণবালা দত্তক বিয়া কৰালে।

ছোৱালী স্কুলত পঢ়ি থাকোতে এদিন স্কুল পৰিদৰ্শন কৰিবলৈ ডিৰেক্টৰ চাহাব (মিঃ বুথ) আহিল। ডিৰেক্টৰ চাহাবে কি সোধে নোসোধে ঠিক নাই— অঙ্ক শাস্ত্ৰত অগাধ পণ্ডিত, কিন্তু অলপ চলবলীয়া বুলি সকলো ছাত্ৰ-ছাত্ৰীকে সতৰ্ক কৰি দিয়া হৈছিল। তলৰ শ্ৰেণীবিলাকলৈ জানিবা চাহাব নাহিল। ওপৰৰ শ্ৰেণীত ডাঙৰ ডাঙৰ যোগ কিছুমান দিছিল। তেওঁ হেনো বাটেদি যাওঁতেও অঙ্ক কৰি যায়— ডাঙৰ ডাঙৰ যোগ হেনো মুখতে টপ কৰি কৰে। সেই সময়ত ল'ৰাবিলাকৰ মাজত এনেবিধৰ গল্প শুনিবলৈ পোৱা গৈছিল: কেবা হেজাৰো টকা দি বুথ চাহাবৰ মূৰটো হেনো কোনোবাই কিনি থৈছে—মূৰত কিমান মগজু আছে চাবলৈ। এইবিলাক গল্প শুনি আমি আচৰিত হৈছিলো।

শিক্ষা বিভাগৰ কি চাৰ্কুলাৰ আহিল, আমি ক'ব নোৱাৰো। ছোৱালীৰ স্কুলত ল'ৰাক পঢ়ুবলৈ দিয়াটো বন্ধ হ'ল আৰু আমি যি কেইজন ল'ৰা তাত পঢ়িছিলো, ওলাবলগীয়া হ'লো। তেওঁলোক হাইস্কুলৰ তলৰ শ্ৰেণীত ভৰ্তি হ'ল। মই ঘৰতে থাকিবলগীয়া হ'ল।

হাইস্কুলত সোমাবলগীয়া নোহোৱাত বেয়া লগা নাছিল। কাৰণ শিক্ষকসকলৰ কিছুমানে সৌকাৰ ব্যৱহাৰ বৰ বেছি কৰিছিল। মোৰ লগৰীয়া এজনক শিক্ষকে "মই বাঘে ধৰা দি ধৰিম" বুলি বৰকৈ কোবালে। এইবাবে স্কুল সম্পৰ্কে মনলৈ এটি ভয়ো আছিল। স্কুলত ভৰ্তি নহ'লো যদিও মোমাইদেৱে তলৰ শ্ৰেণীৰ পাঠ্যপুথি-বিলাক যোগাৰ কৰি দিলে আৰু ছপৰীয়া যাতে অনাই-বনাই নুফুৰো তাৰ বাবে

অঙ্ক, হাতৰ লেখা, আদি কিছুমান কাম দি যায়। অৱশ্যে অঙ্কিচৰপৰা আহি মোমাইদেৱে এইবিলাক চাব নোৱাৰে। মোৰ এগৰাকী বাইদেৱে (মোৰ জেঠাইদেউৰ জীয়েক স্বৰ্গগতা নিৰ্মলা) চাইছিল। তেওঁ বৰ চোকা বুদ্ধিৰ আছিল। উচ্চ প্ৰাইমেৰী আদি পৰীক্ষাত অসম উপত্যকাত কৃতিত্বৰে উত্তীৰ্ণ হৈ শিক্ষানুষ্ঠান নথকাত ঘৰতে বহি ৰাজ ভাষাৰ সহায়েৰে ইংৰাজী পঢ়িছিল। তেজপুৰত বাণ থিয়েটাৰৰ লগতে অসমীয়া ছোৱালী স্কুল ১৯০৫ চনত খুলিলেও সৰহ দিন সেইখন স্কুল চলা নাছিল—কাৰণ এমুৰীয়া হোৱাত ল'ৰা-ছোৱালী পঠোৱাৰ অসুবিধা হৈছিল। সৰহ ছাত্ৰী নোহোৱাত তুলি দিলে। যি হওক পিছত টাউন হলৰ ঘৰটোকে লৈ অসমীয়া ছোৱালী স্কুল খোলাত তেওঁৱেই দায়িত্ব লব লগীয়া হ'ল। আৰু ১৯১৫ চনলৈকে চলাই বেমাৰ হৈ ঢুকাল। মোৰ আৰু এগৰাকী বাইদেউক (দেওঁৰ ভনীয়েক স্বৰ্গীয়া বিমলা) জানিবা উচ্চ শিক্ষাৰ বাবে ঢাকাৰ ইডেন ফিমেল স্কুললৈ পঠোৱা হৈছিল, কিন্তু উচ্চ শ্ৰেণী পাই শেষত তেওঁ বেমাৰত ঢুকাল।

ছোৱালী স্কুল এৰি আহি ঘৰত থাকিব লগীয়া হওঁতেও মোৰ শিক্ষাত একো বিঘিনি হোৱা নাছিল। কাৰণ ককাদেউতাই ল'ৰা কালত যিবিলাক কথা কৈছিল আৰু যিবিলাক কথা আমি সাধু কথাৰ দৰে শুনিছিলোঁ, সেইবিলাকেই মোৰ মনত দকৈ সাঁচ বহুৱাইছিল। আমি উমলি থাকোতে মহাত্মা গান্ধীৰ কথা কেনেকৈ শুনিবলৈ পালো আগতে কৈছো। সেইদৰে বাতৰি কাকত পঢ়ি থাকোতে ককাদেউতাই উৎসাহেৰে কংগ্ৰেছৰ কথা কয়। ককাদেউতাৰ সকলো কথা বুজি নাপালেও তেখেতৰ উৎসাহে আমাৰ অন্তৰ স্পৰ্শ কৰে আৰু আমি কংগ্ৰেছ বোলা যে কিবা এটা অনুষ্ঠান আছে আৰু তাত আমাৰ দেশৰ ডাঙৰ ডাঙৰ লোক-সকল আছে আৰু তেওঁলোকে দেশৰ কথা আলোচনা কৰে, তাকে বুজিছিলো। দাদাভাই নৌৰোজী, গোপাল কৃষ্ণ গোখেল, সুৰেন্দ্ৰনাথ বেনাৰ্জী, বাল গঙ্গাধৰ তিলককে আদি কৰি নেতা সকলৰ নাম শুনো। লোকমান্য তিলকৰ কেতিয়া কাৰাদণ্ড হৈছিল মনত নপৰিলেও মুক্তি দিয়াৰ পিছত সাধুকথাৰ দৰে তেওঁৰ কথা শুনিছিলোঁ আৰু ডাঙৰ হৈহে ছেণ্ড আৰু আয়াৰ্ষ্টৰ হত্যাৰ বাবে কেশৰী বোলা কাকতৰ প্ৰৱন্ধই উদগনি দিয়া বুলি সন্দেহ কৰি কাৰাদণ্ড দিছিল বুলি বুজিলো। এইদৰে সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে ছিভিল ছাৰ্ভিছৰপৰা পদত্যাগ কৰিবলগীয়া হৈ দেশৰ কামত লাগি এমাহৰ কাৰাদণ্ড ভোগ কৰিবলগীয়া হৈছিল বুলি শুনি এই সকল লোকলৈ শ্ৰদ্ধা উপজিল। স্বাধীনতানো কি, স্বৰাজনো কি সুস্থকৈ নুবুজিলেও পাঠ্যপুথিত লেখা কিছুমান কথাই এই ভাৱৰ উদগনি দিলে। তেজপুৰৰ টাউন হলটো ৰায়ত সভাই বহুদিন আগতেই

(১৮৮৭ চন) সজা বুলি আমি শুনিছিলো। এই টাউন হলৰ লগতে এটা ভাল লাইব্ৰেৰীও আছিল। বহুতো ভাল ভাল কিতাপ এই লাইব্ৰেৰীত আছিল। আন আন ট্ৰাষ্টীসকলৰ লগত ককাদেউতাও এজনা ট্ৰাষ্টী আছিল। লাইব্ৰেৰীৰ চাবি তেওঁৰ হাতত সেই সময়ত আছিল। বেঙ্গলী, অমৃতবাজাৰ পত্ৰিকা, সঞ্জীৱনী, বসুমতী আদি কাকত এই লাইব্ৰেৰীত আছিল আৰু এইবিলাক কাকত তেওঁ মনদি পঢ়িছিল। আমাৰ দেশত বাতৰি কাকত চলোৱা কিমান অসুবিধা, তাকে প্ৰায়েই আমাৰ আগত কৈছিল। নানান আইনৰ বাবে খোজে প্ৰতি বিপদ। অমৃতবাজাৰ পত্ৰিকা হেনো বঙালীতেই পোনতে উলিয়াইছিল কিন্তু ভাৰ্ণাকুলাৰ প্ৰেছৰ আইন হোৱাত শিশিৰকুমাৰ ঘোষ আৰু মতিলাল ঘোষ দুই ভায়েকে লাগি ৰাতিৰ ভিতৰতেই ইংৰাজীলৈ ৰূপান্তৰিত কৰিলে। এনে ধৰণৰ উৎসাহেৰে কোৱা কথাবিলাকে আমাৰ ল'ৰা মনলৈ এটা অভূতপূৰ্ব স্পন্দন আনিছিল। তেওঁলোকৰ সাহ, দৃঢ়তা আৰু ধৈৰ্যই আমাকো অনুপ্ৰাণিত কৰিছিল।

ককাদেউতা কেশৱচন্দ্ৰ সেনৰ গুণগ্ৰাহী আছিল কিন্তু তেওঁৰ দুৰ্বলতাৰ কথাও তেওঁ নোকোৱাকৈ নাছিল। হিন্দু সমাজৰ সংস্কাৰত ইমান ব্ৰতী হৈও আৰু ছোৱালীৰ বিয়াৰ বয়স ১৬ বছৰ হ'ব লাগে বুলিকৈও নিজৰ জীয়েকক ১৬ বছৰ নৌ হওতেই বিয়া দিলে—কোচবিহাৰৰ ৰজাৰ পুতেকৰ লগত বিয়াৰ সম্পৰ্ক পাতিব লগীয়া হোৱাত। এই কথাযাৰ লৈ কলিকতাত হেনো বৰ আন্দোলন হৈছিল। কেশৱচন্দ্ৰ সেনৰ বৰ সমালোচনাও হৈছিল। সকলো কথা সাধুকথাৰ দৰে আমি শুনিছিলো।

ইয়াৰ লগতে আৰু এটা কথা মনলৈ আহে। কথাটো হ'ল কেশৱচন্দ্ৰ সেনৰ ভায়েক নৰেন্দ্ৰনাথ সেনক লৈ। তেওঁ বৰ সাহিয়াল সাংবাদিক আছিল। সাহেবে সৈতে কাকত চলাই আছিল, এনেতে ভাইছৰয় লৰ্ড ডাফৰিণে তেওঁক মাতি পঠালে। গৱৰ্ণমেণ্ট হাউছলৈ যোৱাত তেওঁক বৰ কটুকথা ক'বলৈ ধৰিলে। এনেতে নৰেন্দ্ৰনাথ সেনে আগবাঢ়ি গৈ আঠুলৈ লৰ্ড ডাফৰিণৰ ককাঁলত ওলমি থকা তৰোৱালখন চুই ক'লে ; "ইওৰ এক্‌ছেলেঞ্চী, আজি মই আপোনাৰ আলহী। আপুনি মন কৰিলে মোক ইয়াত বধ কৰিব পাৰে।" সেনৰ এনে সাহ দেখি ডাফৰিণ হেনো স্তব্ধ হ'ল আৰু আলহীক বেয়া ব্যৱহাৰ কৰা বাবে ক্ষমা খুজিলে। এইজনা লোকৰ পিছৰ জীৱনত লুটি-বাগৰ দেখি বৰ বেজাৰ পাইছিলো। পূৰ্ববঙ্গ আৰু আসাম হওঁতে গৱৰ্ণমেণ্টৰ কথাবিলাক প্ৰচাৰ কৰি গুণ গান কৰিবলৈ এখন বাতৰি কাকত ঢাকাৰপৰা উলিওৱা হৈছিল। নাম বিশ্ববাৰ্তা। কিন্তু ইয়াৰ সম্পাদক হ'ল ডাফৰিণৰ লগত হোৱা ঘটনাত খ্যাত নৰেন্দ্ৰনাথ সেন। ভাৰতীয় চৰিত্ৰৰ এই দুৰ্বলতাৰ কথা কৈ ককাদেউতাই বেজাৰ কৰিছিল।

সেই সময়ত আমাৰ বয়স পাঁচ কি ছবছৰ। এনেতে এদিনা তেজপুৰত উখল-

মাখল লাগিল। ভাইছৰয় লৰ্ড কাৰ্জন হেনো তেজপুৰলৈ আহিব। সেই সময়ৰ কথাবিলাক সম্পূৰ্ণ মনত নৰ'ল। কেৱল এটা কথা মনত ৰ'ল। গুৱাহাটীৰপৰা আঠ ঘণ্টাৰ ভিতৰতে আই জি এন কোম্পানীৰ 'বাজাৰ্ড' বোলা জাহাজখনত তেওঁ তেজপুৰ পালেহি। গুৱাহাটীৰপৰা ইমান কম সময়ৰ ভিতৰত জাহাজত উজাই অহাটো সেই সময়ত এটা ডাঙৰ ঘটনা, সেইবাবে এই কথাষাৰ মনত দকৈ সোমাল। আৰু এটা কথা মনত ৰ'ল—লৰ্ড কাৰ্জনক বালীপাৰালৈ নিবলৈ টি বি ৰেলৱেৰ ইঞ্জিনৰ চালক সেইদিনা স্বয়ং মেনেজাৰ ডি টিভোলী চাহাবেই আছিল। সাধাৰণতে এনে কথা নহয় দেখি ল'ৰামনত বৰকৈ সোমাল। তেওঁনো কিয় বালীপাৰাৰ চাৰিদুৱাৰৰ ৰবৰ আৰু শালবনত দৰবাৰ পাতিছিল পিছতহে বুজিবলৈ পালো। সাম্ৰাজ্যবাদী কাৰ্জনে সাম্ৰাজ্য ৰক্ষাৰ দৃষ্টিৰে হিমালয়ৰ "সাগৰ ফেনৰ কাঁইটীয়া জেওৰা"ৰ (Himalayan Cactus Hedge) সিফালে থকা তিব্বতলৈ অভিযান পঠোৱাৰ সুবিধা অসুবিধা চোৱাটোও তেওঁৰ উদ্দেশ্য আছিল।

লৰ্ড কাৰ্জন গ'ল কিন্তু কিছুদিন পিছত তিব্বতৰ অভিযানৰ কথা বাতৰি কাকতত ওলাবলৈ ধৰিলে আৰু আমিও বয়সিয়াল লোকসকলৰ আলোচনাৰপৰা বুজি পালো নিৰস্ত্ৰ লামাসকলক কেনেকৈ গুলীয়াই মৰা হৈছিল। তিব্বত অভিযান সম্পৰ্কে যি কৌতূহল সৃষ্টি হৈছিল, সেই কৌতূহলৰ বাবে মেট্ৰিকুলেশ্যন ক্লাছত থাকোতে তিব্বত অভিযানৰ নেতা কেপ্টেইন ইয়ং হাছবেণ্ডৰ কিতাপখন লাইব্ৰেৰীলৈ অহা মাত্ৰে পঢ়িলো। পৰ্যটক ভেন হেডিনৰ কিতাপখনো একে সময়তে পঢ়িলো। তেওঁ লেখিছিল : লামাসকলৰ কথা হৈছে—"আমাক বেহা-বেপাৰ একো নালাগে, আমি তোমালোকৰ ধপাত, মদ, কানি, বন্দুক-বাৰুদ আনিবলৈ নিবিচাৰো—তোমালোকৰ সোণ ৰূপ লৈ যোৱা, কেৱল আমাক শান্তিৰে থাকিবলৈ দিয়া।" এইবিলাক কথা পঢ়ি এই ৰহস্যময়ী তিব্বত আৰু দলৈ লামাকে আদি কৰি সকলোলৈকে এটা বেলেগ ভাব হৈছিল।

বয়সীয়াল সকলে কোৱা বাতৰি কাকতৰ আৰু এটা কথা মনলৈ আহিছে। নিৰস্ত্ৰ তিব্বতীয় সকলক বধ কৰা সম্পৰ্কে কাকতে লেখিছিল : "জীৱনত চিপাহীহঁতে এনেবিধৰ লক্ষ্য আৰু দুনাই নাপাব।" এনেবিলাক কথাই আমাকো বেজাৰ দিছিল।

ডাঙৰ হৈ বোম্বেত বহা কংগ্ৰেছে (১৯০৪) এই ঘটনা নিন্দা কৰি কি প্ৰস্তাৱ লৈছিল আৰু সভাপতি ছাৰ হেনৰী কটনে কিদৰে এই সম্পৰ্কে টাইমছ কাকতত লেখিছিল, পঢ়িছিলো।

ল'ৰাকালৰ আৰু কেইটামান স্মৃতি মোৰ মনলৈ আহিছে। সেই সময়ৰ আন বহুতো সৰু ল'ৰাৰ দৰে ভুটীয়াৰ সাতৰজা তেজপুৰলৈ অহাটো আমি ৰ লাগি চাইছিলো। এইটো এটা বছৰেকীয়া উৎসৱৰ দৰে আছিল। ডফলা, আঁকাই আহি 'পছা' লয়হি। 'পছা' নো কি আমি একো নুবুজোঁ। জাক-জমকেৰে ঘোঁৰাত উঠি সাতৰজা আহে। ঘোঁৰাৰ ডিঙিত ওলমি থকা জুনুকাৰ শব্দ আঁতৰতে শুনিবলৈ পাওঁ। বাটৰ কাষত বৈ থাকো চাবলৈ। তেওঁলোকৰ পোছাক আনৰকমৰ, ডিঙিত মণি, লগত বহুতো মানুহ। আচৰিত হওঁ। মনলৈ নানান ভাব আহে আমাৰনো ৰজা কোন? শুনো আমাৰ হেনো ৰজা নাই, আমাৰ হেনো মহাৰাণী সাত-সমুদ্ৰ তেৰ-নদীৰ পাৰত থাকে—ভাবো মহাৰাণী এইদৰে অহা হলে আমি চাবলৈ পালোহেঁতেন।

এনেতে এদিন বাতৰি আহে মহাৰাণী হেনো ঢুকাল। কিছুমানে ক'লা ফিটা হাতত বান্ধে—আমাৰো মন যায় সেইদৰে ক'লা ফিটা মাৰিবলৈ। কিছুমানে কয় চৰকাৰী চাকৰিয়ালেহে মাৰিব লাগে: তহঁততো চৰকাৰী চাকৰিয়াল নহৰ।

তাৰ কিছুদিন পাছত সপ্তম এডৱাৰ্ডৰ অভিষেকত তেজপুৰত হোৱা ৰং-ধেমালি চাওঁ। বন্ধা চকুৰে কলহ ভঙা চাই ভাল লাগে। জজ্‌ঘলী চাহাবে (মিঃ কোপলেণ্ড) কলহ ভাঙিবলৈ যাওঁতে মানুহৰ গাতেই কোব মাৰিবলৈ দিহা কৰে। সকলোৰে লগত আমিও হাঁহিত যোগ দিওঁ।

লাহে লাহে অলপ ডাঙৰ হৈ লৰ্ড কাৰ্জনৰ কথা বয়সীয়াল সকলে আলোচনা কৰা শুনো। তেওঁ হেনো বৰ অহঙ্কাৰী। তেওঁ হেনো কংগ্ৰেছৰ নেতাসকলৰ স্বদেশ প্ৰেমৰ নিন্দা কৰিছে। তেওঁ হেনো কৈছে, "আপোনালোকৰ স্বদেশ প্ৰেম ছোঁডা-পানীৰ বুৰবুৰণিৰ দৰে খন্তেকীয়া।" কথাবিলাক শুনি মনতে ভাবো কেনেকৈ ইহঁতৰ স্বদেশ প্ৰেমনো বুৰবুৰণিৰ দৰে খন্তেকতে মাৰ নাযাব।

ডফলা অভিযান, আঁকা অভিযান, ভুটীয়া অভিযানৰ কত কথা ককাদেউতাৰ ওচৰত সাধু কথাৰ দৰে শুনো। ভুটীয়া অভিযানৰ সময়ত জেনেৰেল জেন্‌কিন্সনক হেনো ভাৰত গভৰ্ণমেণ্টে বৰকৈ সহায় কৰা নাছিল। তেওঁৰ হাতত হেনো এজাই গুলী মাৰিবৰ জোখাইহে গুলী আছিল। গুলী খৰচ নকৰাকৈ ভাৰতীয় চিপাহীয়ে দেখুওৱা সাহসৰ কথাবিলাক ৰ লাগি শুনো। দেৱানগিৰিৰ ওচৰত গুলী নকৰাকৈ সঙ্গীনৰ যুদ্ধৰ কথা শুনিলে আমি আচৰিত হওঁ। সূৰ্যৰ পোহৰৰ সহায়লৈ বাতৰি পঠোৱাৰ কথা শুনি আমাৰ মনলৈ নানান ভাব আহে, তেতিয়া হেনো শিলঘাটৰ পাহাৰত এখন ডাঙৰ আৰ্চী বহুৱা হৈছিল, সূৰ্যৰ ৰশ্মি সেই আৰ্চীখনত পৰিলে ঘূৰাই পঠাই তেজপুৰৰ অৱজাৰ্ভেটৰী পাহাৰত থকা আৰু এখন আৰ্চীলৈ পোলোৱা হয়

আৰু ভাৰপৰা ডফলা পাহাৰলৈ পোহৰে সংকেত দিয়া হয়। হিলিওগ্ৰাফীৰ (helio-graphy) কথা ডাঙৰ হৈহে বুজিলোঁ।

অঁকাই লক্ষ্মী পাটগিৰিক বালিপাৰাৰপৰা মিতিৰ বুলি ফুচুলাই নি পাহাৰত ইংৰাজৰ ওপৰত খং সাধিবলৈ বৰ অত্যাচাৰ কৰি বধ কৰিলে। এই পৰিয়ালটোৰ লগত ককাদেউতাইতৰ সম্পৰ্ক আছিল। দুখৰ কথা শুনি বেজাৰ লাগে। চৰকাৰে ইয়াৰ বাবে এই পৰিয়ালটোলৈ এটা বৃত্তি আগবঢ়াইছিল। ডাঙৰ হৈ বালিপাৰালৈ যোৱাত পাটগিৰিক ধৰি নিয়া ঠাই ডোখৰ দেখুৱায়। মনলৈ যে কত ভাব আহে! ওচৰেদি বৈ যোৱা মানছিৰি নৈ। ঠালৰপৰা ওলমি থকা বহুতো শিপাৰে সৈতে বৰ-গছ জোপাই নিশ্চয় এই ঘটনা দেখিছিল। তাকে মনলৈ আহে।

চাহ বাগিচালৈ ফুৰিবলৈ গৈ বনুৱাৰ দুখৰ কথা শুনো, তেওঁলোকক কি দৰে গিৰ্মিটীয়া হিচাপে আনিছিল, ইত্যাদি। চাহ-বাগিচাত আমিও সদায় সন্ত্ৰস্ত হৈ থাকিব লাগে; জানোচা চাহাবৰ খং উঠে। বাটেদি গলে ছাতি জপাব লাগে। এইবিলাকত বৰ অপমান পোৱা যেন লাগিছিল। চিফ্ কমিচনাৰ কটন চাহাবৰ কথা শুনিবলৈ পাওঁ। ইংৰাজ হলেও তেওঁ হেনো বৰ ভাল আছিল। তেওঁ হেনো চাহ-বাগিচাৰ বনুৱালৈ ন্যায়পৰায়ণ আছিল আৰু এই বাবে কাৰ্জনে তেওঁক পদত্যাগ কৰিবলৈ বাধ্য কৰালে।

কৰ্ণেল শিৱৰাম বৰাই কিদৰে সাহ দেখুৱাইছিল, তাকো সাধুকথাৰ দৰে শুনো। তেওঁ হেনো তেজপুৰত ছিভিল ছাৰ্জন হৈ থাকোতে ধেনদাই বাগিচা পৰিদৰ্শন কৰিবলৈ গৈছিল। হস্পিতেল চাওঁতে বহীত তিনিদিন আগতে মৃত্যু হোৱা এজন বনুৱাৰ কথা পালে। তেওঁৰ মনত সন্দেহ হ'ল এইটো স্বাভাৱিক মৃত্যু নহয় বুলি। সেই বাবে মাটিৰ তলৰপৰা মৰাশটো উলিয়াবলৈ দি 'পোষ্ট মৰ্টেম' পৰীক্ষাৰ বাবে তেজপুৰলৈ পঠালে। পৰীক্ষাত ওলাল মানুহটোৰ পীলাই ফাটি মৃত্যু হৈছিল। ইয়াৰ পাছত তদন্তত ওলাল মেনেজাৰ চাহাবে গোৰ মৰাতহে মৃত্যু হৈছিল। কথাষাৰত যথেষ্ট চাঞ্চল্যৰ সৃষ্টি হ'ল। অৱশ্যে বিচাৰত চাহাবৰ কি শাস্তি হৈছিল মনত নাই কিন্তু কৰ্ণেল বৰাক হেনো বদলি কৰি পঠালে। এইদৰে কৰ্ণেল জাহমুৰ আলিও অসমৰপৰা যাব-লগীয়া হৈছিল। এই কথাবিলাকে ইংৰাজৰ অন্যায় শাসনৰ প্ৰতি এটা তিক্ততাৰ ভাব আনে।

কটন চাহাবলৈ সকৰেপৰা শ্ৰদ্ধাৰ ভাব হোৱাত গুৱাহাটীলৈ গৈ কটন কলেজত ভৰ্তি হওঁতে কটন চাহাবৰ মাৰ্বল-মূৰ্তিৰ ওচৰত মোৰ অন্তৰৰ শ্ৰদ্ধা জনাওঁ। মনলৈ ভাব আহে— সুৰেন্দ্ৰনাথ বেনাৰ্জীকে আদি কৰি ভাৰতীয় নেতাসকলে লৰ্ড বিপনৰ

গাড়ীখন ঘোঁৰা নলগাই টানি নি সন্মান দেখুৱাৰ দৰে আমিও কটন চাহাবক শ্ৰদ্ধা দেখুৱাব পৰা হলে কিমান ভাল পালোহেঁতেন ! লাইব্ৰেৰীলৈ কটন চাহাবৰ সোঁৱৰণৰ কিতাপখন অহাত (India and Home Memories) আগ্ৰহেৰে পঢ়ি চাওঁ। অসমত কটন চাহাবে এইখন কলেজ পাতিলে কিন্তু পদত্যাগ কৰি যোৱাৰ পাছত গুৱাহাটীলৈ বিশেষকৈ কলেজখন চাবলৈ আহোতে প্ৰিন্সিপাল চাহাবে হেনো আদৰি আনক চাৰি পাচ দুৱাৰেদি আঁতৰি গ'ল। কংগ্ৰেছৰ সভাপতি হৈ অহা বাবে চৰকাৰ হেনো তেওঁৰ ওপৰত খৰ্গহস্ত হৈছিল। চাকৰিৰ ভয়ত প্ৰিন্সিপালেও শিষ্টাচাৰৰ কথা পাহৰি পেলাইছিল। প্ৰিন্সিপালৰ এই কথা অৱশ্যে তেওঁৰ সোঁৱৰণত লিখা নাছিল। আগৰ কিছুমান ছাত্ৰৰপৰাহে এনেবিলাক কথা শুনিবলৈ পাইছিলো। চৰকাৰে তেওঁক নেওচা দিলেও অসমৰ ৰাইজে যে তেওঁক আদৰ অভ্যৰ্থনা কৰিছিল তাৰ কথা তেওঁ উল্লেখ কৰাত ভাল পাইছিলো। তেওঁৰ সোঁৱৰণৰ আৰু এটা কথা মোৰ মনলৈ আহিছে। তেওঁ লিখিছিল, "অসমক ভাৰতৰ (cidrella) এলাগী ছোৱালী বুলি কোৱা হয়। মোৰ বেজাৰ লাগে, এই প্ৰদেশখনে এতিয়াও এই অৱস্থাতেই আছে। ..."

দুখুনী ছোৱালী এজনীয়ে লেতেৰা কাপোৰ-কানি পিন্ধি সাধুকথাৰ ৰূপকোঁৱৰলৈ বাট চাই আছে। সেই ৰূপকোঁৱৰ লৰ্ড কাৰ্জনেই হওঁক বুলি মই আশা কৰিছিলো। কিন্তু মোৰ সেই আশা পূৰণ নহ'ল। ইমান দিনৰপৰা বাট চাই থকা লৰ্ড কাৰ্জনৰ অসমলৈ আগমন ১৯০০ চনৰ মাৰ্চ মাহত হ'ল। কিন্তু এই দুখুনী ছোৱালীজনীক মৰমৰ মাত এষাৰ দিবলৈ লৰ্ড কাৰ্জনৰ অলপো সত নগ'ল। বৰঞ্চ অভিনন্দনৰ উত্তৰত ক'লে, "ভাৰত গৱৰ্ণমেণ্টে আপোনালোকক আওহেলা কৰিছে বুলি কোৱাটো উচিত নহয়। আচলতে গৱৰ্ণমেণ্টে আপোনালোকৰ উন্নতিৰ বাবে বৰ যত্ন কৰিছে। কিন্তু অসমৰ দুখৰ কাৰণ হৈছে মিঃ ডিজৰেলীয়ে (বিলাতৰ প্ৰধান মন্ত্ৰী) আয়াৰলেণ্ডৰ দুখৰ কাৰণ সম্পৰ্কে কোৱাৰ দৰে। আয়াৰলেণ্ড সদায় চকুলো বৈ থকা আকাশ এখনৰ তলত থাকিবলগীয়া হৈছে, আৰু আয়াৰলেণ্ডৰ চাৰিওফালে এখন মনমৰা সাগৰ। অসমৰ জলবায়ু হৈছে অসমৰ উন্নতিৰ বাটত বাধা। ভাৰত গৱৰ্ণমেণ্টৰ আৰ্থিক সহায়ৰ অভাৱ হোৱা বুলি আপোনালোকে আপত্তি কৰিছে কিন্তু মই বছৰেকীয়া হিচাপ পৰীক্ষা কৰি পাওঁ যে প্ৰকৃততে ই বিপৰীত।" অসম বেঙ্গল ৰেলৱেত যিটো খৰছ হ'ল আৰু এই ৰেলৰ আলি বান্ধোতে বসতি কৰা অঞ্চলৰ মাজেদি নিনি আন ফালেদি নিয়া বাবে বছৰি যিটো লোকচান হৈছে তালৈ তেওঁ আঙুলিয়াই ক'লে, "আসাম বেঙ্গল ৰেলৱে হৈছে এটা উচ্চ পৰ্যায়ৰ ৰাজনৈতিক কাম ; ইয়াত স্থানীয়

স্বাৰ্থৰ বিচাৰ অতি সামান্য।” যিয়েই হওক, জীৱনৰ এটা অৱসাদৰ মুহূৰ্ত্তত এই দুখুনী ছোৱালীজনীলৈ এটা উৎসাহপূৰ্ণ আশাৰ বাণী তেওঁৰ নাছিল। ছাৰ হেনৰী কটনে বৰ আশা কৰিছিল যে লৰ্ড কাৰ্জনে অসমক উন্নতিৰ বাটত আগবঢ়াই নিব। তেওঁ বেজাৰ কৰি লিখিছে, “মই নভবা নিচিন্তাকৈ অসমক বুজাইছিলো সাধুকথাৰ ৰূপকোঁৱৰ আহিব লাগিছে। মোৰ ভুল হ'ল। কিন্তু তাতোকৈ মোৰ এইটো দুৰ্ভাগ্য যে অসমক সাধুকথাৰ ৰূপকোঁৱৰৰ সমুখলৈ আগবঢ়াই নিব নোৱাৰিলো।”

জাতীয় আন্দোলনৰ কামত লাগি থাকোতে ভাৰত সচিবলৈ লৰ্ড কাৰ্জনে লিখা (১৯০০ চনত) চিঠিত আছিল: “আসাম এখন বৰ অদ্ভুত (peculiar) প্ৰদেশ। খেতি নকৰা আৰু খেতি কৰিব নোৱাৰা বহুতো মাটি তাত আছে। ইংৰাজ খেতিয়ক কিছুমানে তাত এখন সমাজ পাতি বহিছে। তেওঁলোক বৰ উদ্যোগী আৰু পৰিশ্ৰমীলোক। কিন্তু তেওঁলোকৰ মনত গভৰ্ণমেণ্টলৈ সন্দেহ, গভৰ্ণমেণ্টে কিবা কৰিলে তেওঁলোকে সন্দেহৰ চকুৰে চাব। স্থানীয় মানুহে যদিও পাছলৈ যোৱা নাই, তথাপিও সম্পূৰ্ণকৈ স্থিতিশীল হৈ আছে। খেতিৰ কামেই কৰক, নাইবা শিল্পৰ উদ্যোগেই কৰক, বাহিৰৰপৰা বনুৱা ননাকৈ নহয়। মেলেৰীয়া প্ৰধান জলবায়ু। তাত এজন চীফ্ কমিশ্যনাৰ আছে। তেওঁ খৰচলৈ নাচাই প্ৰদেশখনৰ উন্নতি কৰিবলৈ বিচাৰে। কিছুমান সম্ভৱ, কিছুমান অসম্ভৱো। আপুনি চাওক, এটা জটিল পৰিস্থিতিৰ সকলো উপাদান ইয়াত (অসমত) আছে। মফঃচললৈ ওলোৱা ভাইছৰয়ৰ বাবে এই পৰিস্থিতিয়ে বৰ সাৱধানৰ খোজ বিচাৰে।” অসম সম্পৰ্কে কাৰ্জনৰ মন্তব্য মনদি শুনো।

অসমৰ আৰু এটা কথা আলোচনা কৰি ছাৰ হেনৰী কটনে তেওঁৰ সোঁৱৰণীত লিখা পঢ়িছিলো: “অসমৰ শাসনৰ আঁৰত এটা ডাঙৰ আৰু স্বতন্ত্ৰবীয়া প্ৰশ্ন ভূতৰ দৰে ভুমুকি মাৰি আছে। প্ৰশ্নটো হৈছে আন প্ৰদেশৰপৰা অনা হেজাৰ হেজাৰ অসহায় বনুৱা। তেওঁলোকে চাহবাগিচাবিলাকত কাম কৰিবলৈ হেজাৰ মাইল দূৰৰপৰা ৰেল-জাহাজ আৰু কত বিধৰ যান-বাহনত আহিবলগীয়া হৈয়ো প্ৰয়োজনৰ জোখাৰে মজুৰী নাপায়। ৩০ বছৰৰ আগতে বঙ্গদেশৰ শাসন-কৰ্তা ছাৰ জৰ্জ কেম্পবেলে প্ৰাদেশিক কাউঞ্চিলৰ সভাপতি হিচাপে কবলগীয়া হৈছিল যে এই বনুৱাবিলাকক ক্ৰীতদাসৰ দৰে কামত লগোৱা হৈছে।

সৰুতে শুনা কথাবিলাক কলেজ লাইব্ৰেৰীত কটন চাহাবৰ সোঁৱৰণত পঢ়ি মনলৈ যে কত ভাব আহিছিল!

কটন কলেজ পতাৰ আগতে হেনো গুৱাহাটীৰ হাইস্কুলৰ লগতে ফাৰ্ষ্ট আৰ্টছৰ (ইণ্টাৰমিডিয়েট) দুটা শ্ৰেণী খোলা হৈছিল। কিন্তু তিনি বছৰমান চলোৱাৰ পাছত তুলি দিয়া হ'ল। তেজপুৰ ৰায়ত সভাই এনে কথাত আপত্তি জনাইছিল। এই সম্পৰ্কে তেজপুৰ ৰায়ত সভাই লিখা চিঠি কেইখনমান আমাৰ হাতত (মোৰ আৰু স্বৰ্গগত বন্ধু হেম বৰুৱাৰ) আছিল, কিন্তু আমাৰ গুৱাহাটীৰ ঘৰ কেবাবাৰো খানাতালাচ হোৱাত এই প্ৰয়োজনীয় চিঠি কেইখন হেৰাল। তেজপুৰ ৰায়ত সভাই আপত্তি জনাইছিল যে কলিকতাৰ আচহুৱা পৰিস্থিতিত অসমীয়া ছাত্ৰই পঢ়া-শুনাত উন্নতি কৰিবলৈ টান পাব। সেইবাবে গুৱাহাটী হাইস্কুলৰ লগতে চলোৱা কলেজীয়া শ্ৰেণী দুটা ৰাখিব লাগে।

স্কুলত ভৰ্তি নোহোৱাকৈও ঘৰতে বয়সীয়াল সকলৰ আলোচনা শুনিও আমাৰ মনত যিবিলাক কথাই দকৈ সাঁচ বহুৱাইছিল, আজি তাকেই মনলৈ আহিছে।

* * *

আমাৰ লৰাকালত সৰু লৰাহঁতৰ মন বিক্ষিপ্ত হবলৈ একো নাছিল। সেইবাবে বয়সীয়াল লোকসকলে যি আলোচনা কৰিছিল সেইবিলাক কথাই লৰাহঁতৰ মনত প্ৰভাব পেলাইছিল। যিসকলে চৰকাৰৰ তলত কেৰাণী কৰে তেওঁলোকৰ দৰমহা নিচেই তাকৰ। ডাক্তৰৰ দৰমহাও বৰ তাকৰ আছিল। ২৫ টকা দৰমহাত ডিব্ৰু-গড়ৰ মেডিকেল স্কুলত পঢ়ি আহি চৰকাৰী চাকৰি কৰিবলৈ টান পাই প্ৰায়েই অসমীয়া ডেকাই চাহ-বাগিচাত কাম বিচাৰি লৈছিল।

এডুকেশ্যন ক্লাৰ্ক হিচাপে মোমাইদেৱে ২৫ টকাত কাম কৰিবলগীয়া হৈছিল বুলি আগতে উল্লেখ কৰা হৈছে। এই উপাৰ্জনৰ ওপৰত আমাৰ এটা ডাঙৰ পৰিয়াল নিৰ্ভৰ কৰিবলগীয়া হৈছিল। গুৱাহাটীৰপৰা মোৰ স্বৰ্গগতা জেঠাইদেউৰ পৰিয়াল-টোও মোৰ দেউতাৰ লগলৈ আহিবলগীয়া হৈছিল আৰু দেউতাৰ মৃত্যুৰ পাছত আমি সকলো নগাঁৰৰ কেলিডেন বাগিচাৰপৰা আহি ককাদেউতাৰ আশ্ৰয় বিচাৰি তেজপুৰলৈ আহিবলগীয়া হল বুলি আগতে কোৱা হৈছে। জেঠাইদেউৰ পুতেক স্বৰ্গগত ঘনশ্যাম দাসে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত ডিব্ৰুগড়লৈ ডাক্তৰী পঢ়িবলৈ গৈছিল আৰু ডাক্তৰী পাছ কৰি অহাত তেওঁ ক'ত চাকৰি লয় সেয়ে এটা ডাঙৰ প্ৰশ্ন হ'ল। ডিব্ৰুগড়ত বেৰী হোৱাইট মেডিকেল স্কুল পতাৰ লগে লগে তেওঁ পঢ়িবলৈ গল হয়; কিন্তু ঘৰৰপৰা তেওঁক সহায় কৰাটো টান হৈছিল। সেইবাবে ডিব্ৰুগড়ত

মেডিকেল স্কুলৰ শিক্ষক, আমাৰ পৰিয়ালৰ বিশেষ বন্ধু, স্বৰ্গগত অতুল চন্দ্ৰ ৰায়ৰ ঘৰত থাকি পঢ়িবলগীয়া হৈছিল। তেওঁ চৰকাৰী চাকৰি পালেও তালৈ নগৈ আদাবাৰী চাহ বাগিচাত চাকৰি ল'লে। বনুৱাৰ মৃত্যুৰ হাৰ সৰহ হোৱাত সেই বাগিচাখন সেই সময়ত 'ব্লেক-লিষ্ট'ত আছিল।

আমি সেই সময়ত সৰু থাকিলেও বয়সীয়ালসকলৰ সকলো আলোচনাৰ বিষয় আমাৰ মনত দকৈ সোমাইছিল। চাহ-বাগিচাৰ কামত দৰমহা সৰহ হলেও প্ৰায়েই মেনেজাৰ চাহাবৰ লগত মনান্তৰ হোৱাৰ নানান কাৰণ হৈছিল। বেমাৰী বনুৱাক ছুটী দিয়া, হাস্পতালত বেমাৰীক পুষ্টায়ু পথ্য আদি দিয়া লৈ মনান্তৰ হৈছিল। বগা আৰু ক'লা মানুহৰ তাৰতম্য, গভৰ্ণমেণ্টৰ উচ্চ বিষয়াসকলৰ পক্ষপাতিতা ইত্যাদি কথা সৰুৰে পৰা শুনি দেশৰ দুৰৱস্থা সম্পৰ্কে সৰুৰেপৰা কিছুমান ভাব বদ্ধমূল হৈছিল।

ককাদেউতাই তেজপুৰৰ এজন ডেপুটী কমিশ্যনাৰৰ কথা বৰকৈ কৈছিল। আমাৰ জন্ম নৌ হওঁতেই তেওঁ হেনো তেজপুৰৰ ডেপুটী কমিশ্যনাৰ আছিল। তেওঁৰ নাম আছিল কৰ্ণেল শ্বেৰাৰ, তেওঁ হেনো বৰ মইমতালি স্বভাৱৰ লোক আছিল। তেওঁ হেনো স্বৰ্গগত হৰি বিলাস আগৰৱালাৰ ওপৰত এটা মোকৰ্দমা আনিছিল। মোকৰ্দমাটো ফৌজদাৰী হোৱাত স্বৰ্গীয় আগৰৱালাই কলিকতাৰপৰা এজনা খ্যাতনামা ইংৰাজ বেৰিষ্টাৰ আনিছিল। যি হওঁক ফৌজদাৰী মোকৰ্দমাত স্বৰ্গীয় আগৰৱালাই বহুতো খৰছ কৰি নিজক ৰক্ষা কৰিবলগীয়া হৈছিল।

অসমত চাহ-বাগিচা খোলাৰ লগে লগে চাহ চালান দিবলৈ বাকচৰ প্ৰয়োজন হ'ল। সেইবাবে অসমত কাঠৰ কল বহুৱাই কাঠৰ বাকচ চাহ-বাগিচাত যোগোৱাৰ কাৰবাৰৰ আৰম্ভণি হ'ল। স্বৰ্গীয় আগৰৱালাই কাঠৰ কল খুলিবলৈ মন দি ককাদেউতাক মেনেজাৰ পাতিছিল। এই কাৰবাৰ চলাওঁতে ওচৰ-চুবুৰীয়া চাহ-বাগিচাৰ মেনেজাৰৰ লগত প্ৰায়েই ককাদেউতাৰ সংঘৰ্ষ হোৱা বুলি সৰুতে তেওঁ কৈছিল। বনুৱা লৈয়েই মনান্তৰ। চাহ-বাগিচাৰ ইংৰাজ পৰিচালক সকলে আন প্ৰদেশৰপৰা চালানত বনুৱা আনিবলগীয়া হৈছিল আৰু এই বনুৱা অনা আৰু নিয়োগ সম্পৰ্কে কি কঠোৰ আইন আছিল ডাঙৰ হৈহে বুজিব পাৰিছিলো। এবাৰ বনুৱা 'গিৰ্মিট' দি বাগিচাত সোমালে তেওঁ যেন চিৰদিনৰ বাবে বাগিচাৰ গোলাম হ'ল আৰু যেন তাৰপৰা ওলাব নোৱাৰিব। কিন্তু সেই সময়ত আইনমতে ছবছৰৰ পাছত বনুৱাৰ গিৰ্মিটৰ মিয়াদ অন্ত পৰিছিল। এই মিয়াদৰ অন্তত বনুৱাই মুক্তি পোৱাৰ যোগ্য হৈছিল আৰু নতুনকৈ গিৰ্মিট নিদিলে তেওঁক আইন মতে কামত ৰাখিব নোৱাৰিছিল। গিৰ্মিটৰপৰা মুক্তি পোৱা বনুৱাসকলে প্ৰায়েই ভাৰতীয় কাৰবাৰীসকলৰ ওচৰলৈ যাবলৈ মন কৰিছিল, কাৰণ ভাৰতীয়সকলৰ

ওচৰত এটা প্ৰৱমিয়াল ব্যৱহাৰ পাইছিল। গিৰ্মিটৰ মিয়াদৰ অন্ত পৰা বন্দুৱা লৈয়েই সংঘৰ্ষৰ কাৰণ হৈছিল। সেই সময়ত কিছুমান ভাৰতীয় লোকেও অসমত চাহ-বাগিচা খোলাত মন দিছিল। যেনে জামুগুৰিৰ ওচৰত কলিকতাৰ বিখ্যাত বেৰিষ্টাৰ আৰু কংগ্ৰেছৰ নেতা আনন্দ মোহন বসু আৰু দেশবন্ধু চিত্তৰঞ্জন দাসৰ দেউতাকহঁতে লগ লাগি মনাই বাগিচাখন খুলিছিল। মনাই বাগিচাৰ লগতো ওচৰ-চুবুৰীয়া ইংৰাজ চাহ-বাগিচাৰ মেনেজাৰসকলৰ বন্দুৱা লৈ এনে বিধৰ খকা-খুন্দা লাগিছিল বুলি সকতে শুনিছিলো। ককাদেউতাই স্বৰ্গীয় আগৰৱালাৰ কাঠৰ কল ভৰলী নৈৰ পাৰত বামগাওঁ আৰু বুঢ়াগাওঁ বাগিচাৰ ওচৰত চলাওতে এই বাবে খকা-খুন্দা লাগিছিল বুলিও শুনিছিলো। সেই সময়ত আমাৰ দেশ পৰাধীন থকা বাবেই কি পৰিস্থিতিত সেই সময়ৰ লোকসকলে কাম কৰিবলগীয়া হৈছিল আজিৰ যুগৰ লোকে বুজি নাপাব।

এই বিষয়টো এতিয়া ইমানতে এৰি আন এটা বিষয়লৈ যাওঁ। আমাৰ আগৰ ছাত্ৰসকলৰ মনোভাৱ সম্পৰ্কে মোৰ সোঁৱৰণত অহা কিছু কথা ইয়াতেই উল্লেখ কৰিলে ভাল। মোৰ স্বৰ্গগত ককাইদেউৰ (বিনয় কুমাৰ দাস) বন্ধুসকলৰ ভিতৰত এজনৰ কথা মোৰ মনলৈ আহিছে। তেওঁ বৰ মেধাবী ছাত্ৰ আছিল। সেই সময়ত কিছুমান ছাত্ৰই মূৰত দীঘল চুলি ৰাখিছিল। বঙ্গদেশৰ কবি মাইকেল মধুসূদন দত্তক তেওঁলোকে হেনো দীঘল চুলি ৰখাত আৰু অমিত্ৰাক্ষৰ চন্দেৰে কবিতা লিখাত অনুকৰণ কৰিছিল। তেওঁলোকৰ পাছতে আমাৰ সময়তো দুই এজনে এইদৰে দীঘল চুলি ৰখা আৰু অমিত্ৰাক্ষৰ ছন্দত কবিতা লিখা পাইছিলো—সেইসকলৰ নাম এতিয়া ইয়াৰ লগত উল্লেখ নকৰো।

সেই সময়ত আমাৰ ঘৰত মোৰ আইতাহঁতৰ সম্পৰ্কীয় চতিয়াৰ কিছুমান ছাত্ৰও আছিল। কবলৈ গলে আমাৰ ঘৰটো সৰু-সুৰা এটা ছাত্ৰাবাস আছিল। মোৰ ককাই-দেউৰ বন্ধু পদ্ম শৰ্মাৰ কথাই মনলৈ আহিছে। তেওঁ জামুগুৰিৰ আছিল আৰু স্বৰ্গীয় কেশৱ নাথ ফুকনৰ ঘৰত থাকি হাইস্কুলত পঢ়িছিল। সাহিত্যকে লৈ তেওঁ-লোকে নানান কথা প্ৰায়েই আলোচনা কৰিছিল। বঙালী সাহিত্যত যি সৃষ্টিশীলতা তেওঁলোকে সেই সময়ত দেখিছিল, সেয়েই তেওঁলোকৰ আলোচ্য বিষয় আছিল আৰু তাৰ তুলনাত অসমীয়া সাহিত্যৰ উন্নতি নোহোৱাত তেওঁলোকে বেজাৰ কৰিছিল। বঙালী কবিসকলৰ কবিতা আবৃত্তি কৰি তেওঁলোকে ৰস পাইছিল। মাইকেলৰ 'মেঘনাদ বধ' আৰু নবীন সেনৰ 'পলাশীৰ যুদ্ধ' তেওঁলোকৰ মুখত শুনি শুনি আমাৰো ভাল লাগিছিল।

এনেতে পদ্মনাথ গোহাঁঞিবৰুৱাৰ 'লীলা' কাব্যখন প্ৰকাশিত হ'ল। এইখন কিতাপো তেওঁলোকে পঢ়ি আলোচনা কৰিছিল। বেজবৰুৱাৰ 'লিতিকাই' খন পঢ়ি

তেওঁলোকে যিদৰে হাঁহিছিল সেয়ে আমাকো চুইছিল। ককাইদেউৰ বন্ধুসকলৰ মাজত পদ্ম শৰ্মালৈকে মোৰ বৰ শ্ৰদ্ধা আৰু ভক্তি হৈছিল। তেওঁ অকল সাহিত্যৰ কথাই যে আলোচনা কৰিছিল এনে নহয়, ধৰ্মৰ কথাও আলোচনা কৰিছিল। ঈশ্বৰ সাকাৰ নে নিৰাকাৰ, ঈশ্বৰৰ উপাসনা সাকাৰ হিচাপে কৰা হব নে নিৰাকাৰ হিচাপে কৰা হব, এইবোৰো আলোচ্য বিষয় আছিল। ধৰ্মৰ কথাবাৰ লৈ সৰুৰেপৰা আমাৰ মনলৈ নানান ভাব আহিছিল। বাহিৰৰ সমাজখনে এটা বাট লৈছে, আমি ব্ৰাহ্ম হোৱা বাবে আন এটা বাট লবলগীয়া হৈছে। গোসাঁনী পূজাৰ সময়ত আন সকলো উলাহত মতলীয়া হয়, আমি সেইবিলাকৰপৰা আঁতৰত থাকিবলগীয়া হয়। সেইবাবে তেওঁলোকৰ আলোচনাৰ কথালৈ মন কৰিছিলোঁ। বিশেষকৈ বঙালীতে লিখা 'ধৰ্ম জিজ্ঞাসা' নামৰ এখন কিতাপ লৈয়েই তেওঁলোকে আলোচনা কৰিছিল। এইখন কিতাপত প্ৰশ্ন আৰু উত্তৰ হিচাপে সকলো কথা আলোচনা কৰা হৈছিল।

পদ্ম শৰ্মাৰ মৃত্যুত আমি বৰ বেজাৰ পালোঁ। আমাৰ ওচৰ-চুবুৰীয়া ফুকনৰ ঘৰৰপৰা তেওঁ প্ৰায়েই আমাৰ ঘৰলৈ আহে। তেওঁৰ মৰমিয়াল স্বভাৱৰ বাবে আমি তেওঁলৈ আকৃষ্ট হৈছিলো। সেই সময়ত তেজপুৰত বৰ বসন্ত বেমাৰ হৈছিল। বসন্ত বেমাৰলৈ সকলোৰে বৰ ভয় আছিল। ভয় থাকিলেও এওঁলোকে এই বেমাৰত পৰা আৰু এজন ছাত্ৰক চাবলৈ ওচৰৰ এখন গাঁৱলৈ গৈছিল—তেওঁ বেমাৰী গাবে শৰ্মাক হেনো আকোৱালি ধৰিলে। এইদৰে তেৰোঁ এই বেমাৰত পৰিবলগীয়া হ'ল। এই বেমাৰ তেওঁৰ গাত হেনো ফুটি নোলাল। শৰীৰৰ ভিতৰতে থকা বাবে তেওঁৰ বৰ টান হৈছিল আৰু কেইদিনমানতে তেওঁ প্ৰাণত্যাগ কৰিবলগীয়া হ'ল। এইজনৰ কথা মনলৈ আহিলে ইংৰাজ কবি গ্ৰে'ৰ দৰে কবলৈ মন যায়—বহুতো ফুল হাবিতে ফুলি পৃথিবীত সৌৰভ বিলাবলৈ নৌ-পাওঁতেই মৰহি যাবলগীয়া হয়। এখেতেই আছিল মোৰ সহকৰ্মী বন্ধু বিজয়চন্দ্ৰ ভাগৱতীৰ মোমায়েক। এইজনালোক জীয়াই থকা হলে তেওঁৰ প্ৰতিভাৱে আমাৰ দেশখনক আগবঢ়াই নিব পাৰিলেহেঁতেন।

আৰু এটা কথা মনলৈ আহিছে। আমি সৰু [illegible] বোধকৰো ১৯০১ চন মানত তেজপুৰ হাইস্কুলৰপৰা প্ৰফুল্ল সেনগুপ্ত নামৰ এজন ছাত্ৰই প্ৰৱেশিকা পৰীক্ষাত অসমত দ্বিতীয় ঠাই পাইছিল। সেই সময়ত শুনিবলৈ পাইছিলো আৰু এজন ছাত্ৰৰ নাম—চতিয়াৰ প্ৰভাস চন্দ্ৰ হাজৰিকা। তেওঁৰো পৰীক্ষাৰ আগতে হেনো মৃত্যু হ'ল। তেওঁ জীয়াই থকা হলে তেৰোঁ প্ৰৱেশিকা পৰীক্ষাত উচ্চ স্থান লব পাৰিলেহেঁতেন বুলি সকলোৱে কৈছিল। ভৱিষ্যতলৈ জীৱনত কৃতিত্ব দেখুৱাব পৰা ভাল ছাত্ৰ এইদৰে

অকালতে মৃত্যুৰ কৰাল গ্ৰাসত পৰাত আমাৰ মনলৈ কিবা এটা বুজাব নোৱাৰা বেজাৰ আহিছিল।

আমাৰ দেশখন যে পাছ পৰা আৰু অসমৰ ছাত্ৰই তেতিয়ালৈকে কলিকতা বিশ্ব-বিদ্যালয়ত লেখত লব পৰাকৈ কৃতিত্ব দেখুৱাব পৰা নাই আৰু বিশেষকৈ কিছুমান বঙালী ছাত্ৰৰ নিন্দাসূচক সমালোচনাত আমি বেজাৰ পোৱা বাবেই বোধকৰো এইবিলাক কথা আমাৰ মনত দকৈ সোমাইছিল। বয়সীয়াল কিছুমান লোকে অসমীয়া ছাত্ৰৰ সম্ভাৱনা সম্পৰ্কেও কৈছিল। আনন্দৰাম বৰুৱাৰ দৰে এজন মানুহ অসমীয়াৰ মাজত ওলাইছে—এই কথাষাৰে আমাক সান্ত্বনা দিলেও তেখেতৰ অকাল মৃত্যুৰ শোক পাহৰিব পৰা নাছিলো। সেই সময়ত গিলখ্ৰাইষ্ট পুৰস্কাৰ নো কি আমি জনা নাছিলো। কিন্তু ককাদেউতাই ক'লে তিনিজন অসমীয়া ছাত্ৰই প্ৰতিযোগিতাত ভাৰতৰ ভিতৰত এই পুৰস্কাৰ লাভ কৰিব পাৰিছে যেতিয়া অসমীয়া ছাত্ৰই ভবিষ্যতলৈ যে নোৱাৰিব এনে কথা হ'ব নোৱাৰে। ভাল শিক্ষানুষ্ঠান আৰু ভাল শিক্ষক হলে অসমীয়া ছাত্ৰয়ো বিশ্ব-বিদ্যালয়ত নিশ্চয় কৃতিত্ব দেখুৱাব পাৰিব। অসমীয়া ছাত্ৰই কলিকতালৈ গৈ পঢ়িবলগীয়া হৈছে। বহুতো ছাত্ৰই কলিকতাত বেয়া সঙ্গত পৰি বেয়া বাট লৈছে, অভিভাৱকৰ টকা অপব্যয় কৰা বুলিও বয়সীয়াল লোকসকলৰ আলোচনাত নুশুনা নহয়। সেইবাবে অসমত কটন কলেজ পতাত অসমীয়াৰ মনলৈ নতুন সাহ আহিল। এই কলেজখন পোনতে এফ-এ লৈকে খোলা হৈছিল। কেনেকৈ বি-এ শ্ৰেণীলৈকে খোলাব পাৰি এইবাবে বয়সীয়াল লোকসকলৰ চিন্তা হৈছিল। তেজপুৰ ৰায়ত সভাৰ পক্ষৰপৰা গভৰ্ণমেণ্টলৈ লিখা চিঠিৰ নকল ককাদেউতাৰ ওচৰত পোৱা গৈছিল আৰু মোৰ সহকৰ্মী বন্ধু স্বৰ্গগত ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাই বৰ যতনেৰে এইবিলাক চিঠি থৈছিল যদিও সদায় বৃটিছ গভৰ্ণ-মেণ্টৰ কোপদৃষ্টিত থাকিবলগীয়া হোৱাত আৰু পুলিচৰ খানাতালাছত সেই চিঠিবিলাক হেৰাল। সেই সময়ত যে তেজপুৰৰ কিছুমান নেতৃস্থানীয় লোকে (হৰিবিলাস আগৰৱালা, জয়দেৱ শৰ্মা, ভবাণীচৰণ ভট্টাচাৰ্য, লক্ষ্মীকান্ত বৰকাকতীকে আদি কৰি) দেশৰ কথা চিন্তা কৰিছিল আৰু দেশৰ হিতৰ বাবে যত্ন কৰিছিল—এই চিঠিখনেই তাৰ নিদৰ্শন আছিল। আমাৰ কিছুমানৰ এটা অহঙ্কাৰৰ ভাব আছে যেন আমাৰ যুগতেই সকলো হ'ল। বহুদিনৰেপৰা মানুহৰ অন্তৰত' উমাই থকা ভাববিলাকৰ ওপৰতহে আমি কাম কৰিব পাৰিছিলো—এই কথাষাৰ আমি কেতিয়াও পাহৰা উচিত নহয়।

তেজপুৰ নগৰত বসন্ত বেমাৰ বৰকৈ হোৱাৰ কথা আগতে উল্লেকিয়াইছো। আমাৰ ওচৰ-চুবুৰীয়া স্বৰ্গীয় কেশৱ ফুকনৰ ঘৰতো বসন্ত বেমাৰ হোৱাত মেধাবী ছাত্ৰ পদ্ম শৰ্মা ঢুকাল। ইয়াৰ পাছত আমাৰ কিছুমানক তেজপুৰ নগৰৰপৰা আঁতৰ

কৰি ক'লৈ পঠাব পাৰি, এয়ে ডাঙৰ সকলৰ চিন্তা হ'ল। অৱশ্যে আম্ৰাক আগতেই ছিটা দিয়া হৈছিল। যিহওঁক সেই সময়ত গৰমৰ বন্ধও আছিল। সেইবাবে চাহ বাগিচালৈ পঠোৱা স্থিৰ হ'ল। সেই সময়ত মোৰ এজন ককাইদেউ (স্বৰ্গীয় নিশিকান্ত দাস মোৰ জেঠাইদেউৰ পুতেক) স্কুল এৰি বামগাওঁ বাগিচাত কামত সোমাইছিল। তেওঁ সেই সময়ত হেড্‌ক্লাৰ্কৰ বাব পোৱাত তালৈকে পঠোৱা হ'ল। গৰু-মহৰ গাড়ীয়েই সেই সময়ত যান-বাহন। বাগিচাৰপৰা চাহৰ বাকচ লৈ গৰু-গাড়ী আহি থাকে। তাতে যোৱাৰ ব্যৱস্থা হল। তেজপুৰৰপৰা ম'হৰ গাড়ীত এখন নতুন ঠাইলৈ যাব পৰা হব—ইয়াতেই আমি আনন্দত তৎ নাইকিয়া হলো। ম'হৰ গাড়ীৰ সেই যাত্ৰা মোৰ আজিলৈকে মনত আছে। জোনাক নিশা। বাগিচাৰ কেইবাখনো গাড়ী লগ হৈ অগাপিছাকৈ গৈ আছে। মহৰ ডিঙিত একোটা টিলিঙা। অতবোৰ টিলিঙা একে সময়তে বাজি যি তাল-লয়ৰ সৃষ্টি কৰিছিল সি যেন আমাক কোনোবা এখন নজনা ৰাজ্যলৈ উটুৱাই নিছিল। এফালে জোনাকৰ মিঠা পৰশ আনফালে এই তাল-লয়ৰ মধুৰ আহ্বান। তিৰ্‌পাল দিয়া ছৈ খনৰ তলত গাড়ীৰ ভিতৰত থকাৰ মন নোযোৱা হলে আমি গাড়ীৰ লগত সমানে খোজ দিওঁ নাইবা লৰি গৈছিলো। এইদৰে কিছুপৰৰ পাছত ভাগৰি পুনৰ গাড়ীত উঠি শুই পৰিলো। কিমানপৰ এইদৰে শুলো ক'ব নোৱাৰো, পুৱা সাৰপাই চাওঁ বামগাওঁ বাগিচাৰ ককাইদেউৰ ঘৰ পালোহি। তেওঁ সেই সময়ত অকলশৰীয়া। বিয়া-বাৰু কৰোৱা নাছিল। আমাৰ লগতে যোৱা বাইদেউহঁতে লগ লাগি চাহ জলপান কৰাত লাগিল। আমি এই নতুন ঠাইৰ নতুনত্বৰ সন্ধানত ওলালো। কলঘৰত বাঁহী বাজিল। একো একোটা পাচি মূৰত লৈ মতা-মাইকী বনুৱা ওলাল। কলঘৰৰপৰা উটি আহে নতুন চাহ পাতৰ গোন্ধ, সেই গোন্ধে যেন প্ৰাণ মতলীয়া কৰে। তিৰোতাবিলাকৰ ভিতৰত কিছুমান আসন্ন-প্ৰসৱা দেখি বাইদেউহঁতে এইসকল তিৰোতাৰ সম্পৰ্কে নানান কথা আলোচনা কৰে, আমি বুজি নাপাও। কিন্তু মনলৈ নানান প্ৰশ্ন আহে। এই মানুহবিলাকনো ক'ৰ, ইহঁতৰ কথা যে আমাতকৈ বেলেগ। সেই সময়ত বাইদেউহঁতৰ আলোচনা বুজি নাপালেও পাছত বুজিলো এই তিৰোতাকেইজনীৰ যদি অকস্মাতে প্ৰসৱ বেদনা হয় তেন্তে কি হব, তাকে তেওঁলোকে আলোচনা কৰিছে। এনেবিলাক কথাৰ মাজতেই মানৱত্বৰ অনুভূতি সাৰ পাই উঠে।

ইমানদিন ককাইদেউ অকলশৰীয়া আছিল। "থেক" নামৰ এটা লগুৱাই তেওঁৰ অকলশৰীয়া ঘৰখন চম্ভালিছিল। এতিয়া আমি বহুতো হলো। বাইদেউহঁতক সহায় কৰিবলৈ আৰু এজনী আদহীয়া মানুহ অনা হ'ল। লাহে লাহে এই মানুহজনীৰ

লগত চিনাকি হ'লো। তাইৰ লগত চাহ-বাগিচাৰ কথা হওঁ। মানুহজনীৰ মনত এটা বেজাৰৰ ভাব; কিন্তু মন মুকলি, গোমোঠা নহয়। লাহে লাহে তাইৰ মন বুজি এদিন সুধিলো, "হেৰৌ এতৱাৰী, তই বাগিচালৈ ক'ৰপৰা আহিছি?" হুমুনিয়াহ পেলাই তাই ক'লে, "মোৰ কথা সুধিছ কি কম? মোৰ দেশ বহুত দূৰত। ঠাইখন যে ইমান ভাল আছিল! পৰ্বতত শাল গছৰ হাবিৰ মাজত কেনেকৈ মুকলিমূৰীয়া হৈ ফুৰোঁ, খৰি গোটাওঁ, পৰ্বতৰপৰা বাগৰি অহা শিলনীৰ ওপৰেদি বৈ যোৱা জুৰিৰপৰা পানী আনিছিলো, ফাগুনমহীয়া মহুৱাৰ গছবিলাক জকমকাই উঠে, আমি লাওপানী কৰো। মোৰ দেশৰ কথা কওঁতে বুকুখন ফাটি যায় যেন লাগে। লাওপানী খাই সেইদিনা যে কি হ'ল মোৰ মতাৰ লগত কাজিয়া হ'ল। মোৰ মূৰত কি বলিয়া জঁক উঠিল ক'ব নোৱাৰো, ঘৰ এৰি গুচি আহিলো। ভাবিছিলো অলপ আঁতৰত মোৰ আই-বোপাইৰ ঘৰলৈকে যাওঁ। কিন্তু গাওঁখনৰ পৰা বাহিৰ হৈ পথাৰ পাওঁতে এটা মানুহে আহি সুধিলে, "ক'লৈ যাৱ? তোৰ কি হৈছে?" মই ক'লো মোৰ বেজাৰৰ কথা। সি মিঠা কথাৰে মোক ক'লে, "আই-বোপায়ে তোক বিয়া দিলে, তোৰ লগত খৰছ-পত্ৰ কৰিলে, এতিয়া আকৌ আই-বোপায়ে তোক ঘৰত ৰাখিবনে? তেওঁলোকৰ বোজাহে হবি! এটা কথা কওঁ শুন। তোক সোণৰ দেশলৈ পঠাওঁ, তাত কিমান সোণ লাগে পাবি।" সোণৰ কথা শুনি মোৰ মন ভাল লাগিল। ভাবিলো সোণ পালে তালৈকে যাওঁ। এইদৰে কেইবাৰ ৰেল জাহাজ বদলা-বদলি কৰি আহি এইখিনি পালোহি, ক'ত আহি টিপ দি গিৰ্মিটীয়া হ'লো মনত নাই। এইদৰে চাহ-বাগিচা পালোহি। আৰকাঠীয়ে যে কিদৰে ফুচুলাই আনি ইয়াত সুমুৱাই দিলে কব নোৱাৰিলো। ইয়াতেই মোৰ জান যাব। মই আৰু আই-বোপাই, নিজৰ মানুহক লগ পাব নোৱাৰো।" চকুলোৰে তাই নিজৰ অন্তৰৰ দুখৰ কথা ক'লে। তাইৰ চকুলোত আমাৰো অন্তৰলৈ কিবা এটা ভাব আহে।

এনেবিলাক কথা ল'ৰাকালত শুনা বাবে কটন কলেজলৈ পঢ়িবলৈ গৈ লাইব্ৰেৰীত হেন্‌ৰি কটনৰ সোঁৱৰণত (Indian Home Memories) কিতাপখনে মোৰ অন্তৰত সুপ্ত থকা ভাব আৰু অনুভূতিবিলাক জগাই তুলিলে। এইদৰে জীৱনৰ শিক্ষাৰ ভেটি স্কুলতকৈ বাহিৰতেই বেছিকৈ ৰচনা হ'ল।

১৯০৬ চনৰ আগলৈকে ঘৰত কেনেকৈ পঢ়িবলগীয়া হৈছিল আগতে লিখিছো। গোনে গোনেই আহি 'ফিফ্‌থ্' ক্লাছত (এতিয়া ক্লাছ ছিক্‌ছ্) ভৰ্তি হলো। ছোৱালী স্কুলৰ পৰিবেশৰ অভিজ্ঞতাৰ পিছত হঠাতে ল'ৰাৰ স্কুললৈ আহিলো।

ছোৱালী স্কুলত ছোৱালীহঁতক সময়মতে বগৰী পাৰি দিবলগীয়া হয়। ছোৱালীহঁতে মোৰ সাহ, মোৰ কৃতিত্বত ভোল যায়। ল'ৰাৰ স্কুললৈ আহিলো। কেইজনমান ডাঙৰ ল'ৰা আছিল। তেওঁলোকে জোকাবলৈ আৰু বেয়া কথা কবলৈ সাহ কৰে। মই বৰ খঙাল স্বভাৱৰ ল'ৰা আছিলো। খং উঠিলে মই বলিয়াৰ দৰে হৈছিলো। এদিন মোতকৈ ডাঙৰ ল'ৰা এজনে শিক্ষক নথকাত মোক এটা বেয়া কথা ক'লে। মোৰ খং চুলিৰ আগ পালেগৈ। মই ক'ত আছো পাহৰিলো। বাঘে জঁপিয়াই পৰাৰ দৰে ময়ো গৈ ডাঙৰ ল'ৰাজনৰ টেটুত চেপা মাৰি ধৰি মুখৰ ওপৰত কেইবাটাও ঘোচা মাৰিলো। ছাত্ৰজন শকত আৰু বলী কাৰণে সকলোৱে তেওঁক ভয় কৰিছিল। এজন সৰু ল'ৰাৰ ওচৰত হঠাতে এইদৰে অপদস্থ হোৱাত তেওঁ জানিবা একো নামাতিলে। তেওঁ ওভোতাই মোক ধৰা হলে মোৰ যে কি হ'লহেঁতেন মই ভবা নাছিলো। মোৰ উগ্ৰ স্বভাৱৰ আৰু কেইবাটাও ঘটনা হৈছিল। সেইবিলাকৰ বাবে ১৯২১ চনৰ আন্দোলনৰ সময়ত মই অহিংস হিচাপে থাকিম বুলি পুলিচে ভবা নাছিল আৰু মোৰ উগ্ৰ স্বভাব (violent temperament) থকা বুলি মন্তব্যত লিখিছিল। স্কুলত ভৰ্তি হলো হয় আৰু নিয়মমতে প্ৰথম বছৰ প্ৰমোশ্যনো পালো, ; কিন্তু পাছৰ বছৰ বছৰেকীয়া পৰীক্ষাত মোৰ ভাল নহ'ল। আজি মোৰ হাঁহি উঠে ইংৰাজীৰ ইমান সহজ অনুবাদবিলাক কিয় পৰা নাছিলো। ঘৰত পঢ়া বাবে ইংৰাজীলৈ অনুবাদত মই দুৰ্বল আছিলো। সেই সময়ত স্বৰ্গীয় কেশৱ ফুকন হেড্‌মাষ্টৰ আছিল। তেওঁ আমাৰ ওচৰ-চুবুৰীয়া আৰু তেওঁৰ ঘৰলৈ আমাৰ অবাধ গতি আছিল। তেওঁ বৰ মৰমিয়াল স্বভাৱৰ লোক আছিল। তেওঁ মোক বুজাই ক'লে, "এবছৰ থাকিলে ভাল হব পাৰিবা।" মই প্ৰমোশ্যন নোপোৱা বাবে ঘৰতো মোক কোনেও কটু কথা কোৱা নাছিল। মনত অলপ বেয়া লাগিলেও অলপ দিনতে এই দুখ পাহৰি নতুনকৈ আগৰ শ্ৰেণীতেই পঢ়ালৈ মন দিলো।

মোৰ যিসকল শিক্ষক আছিল, যিসকলে পাঠ্য-পুথিবিলাক পঢ়াইছিল আৰু পঢ়োৱাৰ লগতে সামঞ্জস্য থকা আন বাহিৰা কথা কৈ কিতাপৰ বিষয়-বস্তু ৰসাল কৰিছিল তেওঁলোকৰ সম্পৰ্কেও পাছত কম। বৰ্তমানে আমাৰ সমসাময়িক নাইবা অলপ ওপৰৰ শ্ৰেণীত পঢ়া আৰু কিছুমান ছাত্ৰৰ কথা কম। এই সকলৰ ভিতৰত দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাৰ কথাই এতিয়া উল্লেখ কৰিম। এওঁ স্কুলৰ বোৰ্ডিঙত আছিল। স্কুলৰ বোৰ্ডিং আমাৰ ওচৰতে কাৰণে বোৰ্ডিং আৰু হেড্‌মাষ্টৰ ফুকনৰ ঘৰলৈ আমাৰ অহা যোৱা বৰ বেছি আছিল। ক'বলৈ গলে কিছুমান সময়ত

স্কুললৈ যাবলৈ বাট চমুৱাবলৈ হেড্‌মাষ্টৰৰ চোতালৰ মাজেদি বোৰ্ডিং হৈ বহুতো ছাত্ৰই গৈছিল। সেইবাবে বোৰ্ডিঙত থকা সকলো ছাত্ৰৰে লগত আমাৰ ঘনিষ্ঠতা হৈছিল। এওঁলোকৰ মাজত চন্দ্ৰনাথ শৰ্মাৰ লগত ঘনিষ্ঠতা হোৱাৰ কাৰণ হৈছে তেওঁ নেতৃত্বৰ ক্ষমতা থকা দৃঢ় মনৰ লোক আছিল। আৰু প্ৰমোশ্যন পৰীক্ষাৰ পাছত নিজৰ বাবে নলগা কিতাপ আন ছাত্ৰক দি সহায় কৰিছিল। সেইবাবে মই ক্লাছ চেভেন পোৱাৰ লগে লগে তেওঁ মোক কিছুমান কিতাপ দিলে। আৰু তেওঁ বোৰ্ডিঙত সংগঠন কৰা আলোচনী সমিতিলৈকো মোক মাতি নিলে। এনে সমিতিত কিছুমানে কবিতা লিখি পঢ়ে। মই আচৰিত হওঁ কেনেকৈনো কবিতা লিখিব পাৰে, কেনেকৈ ছন্দ মিলায়।

চন্দ্ৰনাথ শৰ্মা বিহগুৰিৰ দুখীয়া ঘৰৰ ল'ৰা আছিল। প্ৰাইমেৰী পৰীক্ষা, উচ্চ প্ৰাইমেৰী ছাত্ৰ বৃত্তি পৰীক্ষা আদি দিবলৈ ক'ৰ পৰা কোন ছাত্ৰ আহে, সকলোৰে তেওঁ খবৰ ৰাখে। আৰু কাক ক'ত থকা-মেলাৰ সুবিধা কৰি দিব পাৰে তাৰ দিহা কৰে। বৃত্তি পোৱা ছাত্ৰসকলে কেনেকৈ হাইস্কুলত পঢ়িবলৈ সুবিধা পায় তাৰ বাবেও যত্ন কৰে।

স্বৰ্গীয় পদ্মনাথ গোহাঁঞিবৰুৱাৰ ঘৰলৈ তেওঁৰ বৰ অহা-যোৱা আছিল। গোহাঁঞিবৰুৱাই সেই সময়ত 'অসম বন্তি' নামৰ এখন সাপ্তাহিক কাকত চলাইছিল আৰু লগতে 'উষা' নামৰ এখন মাহেকীয়া কাকত চলাইছিল। চন্দ্ৰনাথ শৰ্মায়ো মাজে সময়ে এইবিলাক কাকতলৈ কবিতা প্ৰবন্ধ আদি লেখিছিল। ১৯০৭ কি ১৯০৮ চনত বেজবৰুৱাৰ লগত গোহাঁঞিবৰুৱাৰ বাতৰি কাকতৰ যোগেদি এখন তৰ্ক যুদ্ধ চলে। এই তৰ্কত ছাত্ৰ চন্দ্ৰনাথেও গোহাঁঞিবৰুৱাৰ পক্ষলৈ 'উষা'ত লেখাত বেজবৰুৱাই চন্দ্ৰনাথক অসমৰ 'পিট' বুলি ব্যঙ্গ কৰে। কম বয়সীয়া হলেও যিদৰে উইলিয়াম পিটে বৃটেইনৰ প্ৰধান মন্ত্ৰীৰ বাব লৈছিল সেইদৰে ছাত্ৰ চন্দ্ৰনাথেও কম বয়সতে বয়সীয়াল লোকৰ তৰ্কৰ মাজত সোমোৱা বাবে এই ব্যঙ্গ কৰা হৈছিল। যিহওঁক বেজবৰুৱাই ধেমালিতে যি ব্যঙ্গ কৰিছিল, চন্দ্ৰনাথৰ জীৱনত সেই ব্যঙ্গ আশীৰ্বাদ হোৱাদি হ'ল। তেওঁ অসম মাতৃৰ বাবে এটা প্ৰয়োজনীয় মুহূৰ্তত নেতৃত্ব দি সেৱা কৰিলে। তেওঁ দুখীয়া হলেও তেওঁ বহুতো বাহিৰা কিতাপ নিজাকৈ কিনিছিল। মাদ্ৰাজৰ নেটিশ্যন কোম্পানীৰ দ্বাৰা প্ৰকাশিত সুৰেন্দ্ৰ নাথ বানাৰ্জীৰ বক্তৃতাৱলী, গোখেলৰ বক্তৃতাৱলী প্ৰভৃতি বহুতো কিতাপ স্কুলত পঢ়ি থাকোঁতেই তেওঁ কিনিছিল আৰু মোকো পঢ়িবলৈ দিছিল। সেই সময়ত বোৰ্ডিংত সৰহভাগ ছাত্ৰই কলিয়াবৰ অঞ্চলৰ আছিল। নগাওঁ জিলাৰ হলেও তেওঁলোকৰ তেজপুৰৰ লগতেই ঘনিষ্ঠ সম্পৰ্ক

আছিল। নগাওঁ টাউনলৈ যাবলৈ বাট দীঘলীয়া, যান-বাহনৰো অসুবিধা, অথচ তেজপুৰলৈ আহিবলৈ একো অসুবিধা নাছিল। শিলঘাটত জাহাজত উঠিলে তেজপুৰ পাওঁতে এঘণ্টাও নালাগে। সেইবাবে সেই অঞ্চলৰ ছাত্ৰসকলে তেজপুৰলৈকে আহি বোৰ্ডিংত আছিল। অৱশ্যে তেজপুৰ অঞ্চলৰ ছাত্ৰ যে বোৰ্ডিঙত নাছিল সেইটো নহয়। চতীয়া, জামুগুৰি, বিশ্বনাথ অঞ্চলৰ পৰা অহা ছাত্ৰসকলৰ বহুতেই টাউনত থকা সম্পৰ্কীয় লোকৰ ঘৰতেই আছিল।

মোৰ মনলৈ আহে ১৯০৬ চনৰ এটা কথা। সেই বছৰত কলিকতা বিশ্ব-বিদ্যালয়ৰ প্ৰবেশিকা পৰীক্ষা বৰ টান হৈছিল আৰু টান হোৱাত তেজপুৰ হাইস্কুলৰপৰা এজন ছাত্ৰহে পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তেওঁ হৈছে স্বৰ্গীয় তীৰ্থ নাথ ফুকন। মোৰ ককাইদেৱেও পৰীক্ষা দিছিল কিন্তু কৃতকাৰ্য নোহোৱাত পাছত ডাক্তৰী পঢ়িবলৈ ডিব্ৰুগড়লৈ যাবলগীয়া হ'ল। এইবাবে বহুতো ছাত্ৰই সেই সময়ত পঢ়া এৰিবলগীয়া হৈছিল।

* * *

আমাৰ ছাত্ৰ জীৱনত ছাত্ৰসকলৰ মন বিক্ষিপ্ত কৰিবলৈ চিনেমা আদিৰ দৰে একো বস্তু নাছিল বুলি আগতে কৈ আহিছোঁ। তথাপিও কেতিয়াবা তেওঁলোকৰ মনলৈ উন্মাদনা অনা বৈচিত্ৰ্যপূৰ্ণ কথা নোহোৱা নাছিল। সেই সময়ত ইংৰাজ চাহ খেতিয়কসকলৰ মাজত ঘোঁৰা দৌৰৰ এটা বছৰেকীয়া অনুষ্ঠান প্ৰচলিত আছিল। দৰং জিলাতেই ডেৰশখন ইংৰাজৰ চাহ বাগিচা ; তাৰ উপৰিও নগাওঁ, যোৰহাট, ডিব্ৰুগড় সকলো ঠাইৰপৰা ইংৰাজ চাহ খেতিয়কসকল আহি যোগ দিছিল। তেজপুৰৰ দৰে উজনিতো তেওঁলোকৰ মাজত এনে অনুষ্ঠান আছিল। এইবাবে তেজপুৰত তিনিশমান ইংৰাজ মুনিহ আৰু তিৰোতাৰ সমাবেশ হোৱাটো বছৰেকীয়া কথা আছিল। গভৰ্ণমেণ্ট হাইস্কুলৰ ওচৰে-পাঁজৰে য'ত যি মুকলি ঠাই আছিল, তাতে তেওঁলোকৰ বাবে সৰু সৰু কেম্প ঘৰ সাজি দিয়া হৈছিল। ডাকবঙলাৰ টোলটো তেওঁলোকে সামৰি লৈছিল। গভৰ্ণমেণ্ট হাইস্কুলৰ উত্তৰে থকা বৰ্তমানে নতুনকৈ সজা স্কুলৰ ঘৰবিলাকৰ ঠাইডোখৰ সেই সময়ত মুকলি আছিল। তাত তেওঁলোকৰ ঘোঁৰাশাল সজা হৈছিল। ইয়াৰ বাহিৰেও দৌৰত দিয়া ঘোঁৰাবিলাকৰ বাবে বেলেগ বন্দোবস্ত কৰা হৈছিল। বৰ্তমানে ডনবস্কো স্কুল আৰু মিশ্যন থকা টিলাটোত চাহ খেতিয়ক সকলৰ চামেৰী বঙলা আছিল। সেই ডোখৰতে তেওঁলোকৰ থকা মেলাৰ থিহা হৈছিল। হাইস্কুলৰ ফিল্ডৰ দক্ষিণলৈ গিৰ্জা আৰু ক্লাবৰ বাবে এটা সৰু ঘৰৰ বাহিৰে আন একো নাছিল। সেই কেই-

দিনলৈ এই ঠাই ডোখৰত এখন যেন সৰু নগৰ গঢ়ি উঠিছিল। তেতিয়া বিজুলী চাকি নাথাকিলেও কেৰাচিনৰ চাকিৰেই এই ঠাই ডোখৰ ৰমক জমক হৈ উঠিছিল। তেতিয়ালৈকে তেজপুৰলৈ মটৰ গাড়ী অহা নাছিল। সেইবাবে চাহ খেতিয়ক সকলৰ যান-বাহন বাগী-গাড়ীয়েই আছিল। ঘোঁৰা দৌৰৰ বাবে বাহৰ সজা আৰম্ভ কৰাৰ লগে লগে ইয়াৰ ভূ-ভা লোৱাটোও ছাত্ৰসকলৰ ডাঙৰ কথা আছিল। যিদিনা স্পিছিয়েল জাহাজত চাহাব-মেমসকল উজনিৰপৰা তেজপুৰ ঘাটত নামিবহি, সেইদিনা বহুতো ছাত্ৰই ঘাটত কিমান ঘোঁৰা-বাগীৰপৰা চাহাব-মেম নামিল তাৰে লেখ লবহি। পাছদিনা শ্ৰেণীত চাহাব-মেমহঁতৰ ৰং-ধেমালি, চিএৰ-বাখৰৰ কথাও কবহি।

ঘোঁৰাদৌৰ চাবলৈ যোৱাত জানিবা ছাত্ৰসকল অকলে নাছিল। কাছাৰীৰ কেৰেণী আৰু নগৰৰ বহুতো লোক আৰু ওচৰৰ গাঁৱলীয়া ৰাইজ মেলা-চকৰৰ চাৰিওকাষে বহি থাকিবহি। কোন ঘোঁৰাৰ কি নাম, কোন ঘোঁৰা দৌৰত জিকিব, তাকে লৈয়ে ছাত্ৰসকলৰ মাজত তৰ্ক-আলোচনা। কিছুমান 'জকী' (Jockey) ভাৰতীয় আছিল। কাৰনো কি নাম, তাকো কিছুমান ছাত্ৰৰ মুখস্থ আছিল। দৌৰত ভাৰতীয় জকী নামিলে ল'ৰাহঁতৰ মাজত অপূৰ্ব উন্মাদনা আহে। তেওঁ যেন জিকে তাৰ বাবে মানসিক সহানুভূতি! গোটেই অসমৰ ভিতৰত তেজপুৰত ঘোঁৰা দৌৰৰ বাবে ঠাইৰ সুবিধা আছিল। হাজাৰা পুখুৰীত স্বাভাৱিকতে ষ্টেডিয়াম সজা আছেই! চাৰিওটা পাৰত দৰ্শক বহে। তলত ন ফাৰ্লঙৰ ঘূৰণীয়া মেলাচকৰ। পশ্চিম পাৰৰ ভালেখিনি ঠাই ইংৰাজসকলৰ বাবে আচুতীয়াকৈ ৰখা হয়; তাত তেওঁলোক বহিবৰ বাবে ঘৰো সজা হয়। চাহ-জলপানৰো ব্যৱস্থা থাকে। তেওঁলোকৰ তলত বেণ্ড্ বজোৱা ঠাই। ইয়াৰ বাবে ঘূৰণীয়াকৈ এটা ঘৰ সজা হয়। এইবিলাক ঠাইলৈ চাহাব-মেমহঁতৰ আলপৈচান ধৰা লোকৰ বাহিৰে আন কাকো যাবলৈ দিয়া নহয়। কিছুমানে তৰ্ক কৰিব—বেণ্ড শ্বিলঙৰপৰা আহিছে, কিছুমানে কব ডিব্ৰুগড়ৰ পৰা আহিছে। যিহওক বেণ্ড বজোৱা মানুহবিলাকৰ বিশেষ সাজ-পোছাক। বেণ্ড মাষ্টাৰজনে ওখ ছালপীৰা এখনত থিয় দি সৰু মাৰি এডাল বিশেষভাৱে জোকাৰি বাদ্যযন্ত্ৰ বজাওতাসকলক নিৰ্দেশ দিয়ে, তালৈ লৰাহঁতৰ চকু। বেণ্ডৰ সুৰ লহৰীয়ে যেন তেওঁলোকৰ মনলৈ অপূৰ্ব উন্মাদনা আনে। সাত দিন ধৰি ইংৰাজসকলৰ এই উৎসৱ চলে। এদিন ঘোঁৰা দৌৰ, আন এদিন পলোখেল। পলোখেল হৈছিল বৰ্তমানৰ পলো ফিল্ডত—তাতো ইংৰাজসকলৰ বাবে বেলেগ ব্যৱস্থা। তালৈ আন কেও যাব নোৱাৰে। ঘোঁৰা দৌৰ আৰু পলো খেলত আনন্দ পালেও বগা মানুহৰ কাৰণে সুকীয়া ব্যৱস্থা, পুলিচৰ হুকা-বাধা, ইত্যাদি কথাই বোধকৰো ছাত্ৰসকলৰ

মনত স্বদেশীকতাৰ ভাব জগাই তোলে। ৰাতি চাহাব-মেমৰ বল নাচ, সিও এটা ডাঙৰ ঘটনা। ইয়াৰ বাবে বহুতো লোকৰে কৌতূহল। চামেৰী বঙলাত ইয়াৰ ব্যৱস্থা: সন্মুখৰ বাটত পুলিচৰ পহৰা। কিন্তু এবাৰ দুবাৰ নাচ হোৱাৰ পাছত, আৰু মাদকতাৰ প্ৰভাৱো বঢ়াৰ লগে লগে ৰখীয়া পুলিচ আৰু 'দৰ্শক সকলোৱেই এডেও-দুডেওকৈ ধেইদাওঁ বুলি মণিকূট পোৱাৰ দৰে, নাচঘৰৰ দুৱাৰমুখ পাবগৈ। খিৰিকী আৰু দুৱাৰত তেওঁলোকে জুম বান্ধিব। সাধাৰণতে ডিচেম্বৰ মাহতেই এই ঘোৰা দৌৰ হৈছিল। স্কুলতো সেই সময়ত বছৰেকীয়া পৰীক্ষা। পৰীক্ষা শেষ হোৱাৰ পাছত এই অনুষ্ঠান হলে লৰাহঁতৰ আনন্দৰ সীমা নাথাকে। কিছুমান ছাত্ৰই ৰাতি বল নাচ চাই নানান ৰহস্যপূৰ্ণ কথা পাছ দিনা শ্ৰেণীবিলাকত কৰহি। মোৰ লগৰীয়া বন্ধু কেইবাজনেও ৰাতি এইদৰে পলাই বলনাচ চাবলৈ গলেও আমি যোৱা নাছিলো।

ঘোৰা দৌৰৰ বাহিৰেও তিনি বছৰৰ অন্তৰে অন্তৰে তেজপুৰত 'মক ফাইট' পতাৰো ব্যৱস্থা আছিল। ইও ল'ৰাহঁতৰ কাৰণে এটি ডাঙৰ কথা আছিল। এফালে ইংৰাজ চাহ খেতিয়কৰ স্বয়ংসেৱক সৈন্যবাহিনী, আনফালে গভৰ্ণমেণ্টৰ ভাৰতীয় সৈন্য বাহিনী। এই দুয়ো দলৰ মাজত যুদ্ধৰ আখৰা হৈছিল। যুদ্ধৰ সময়ত অসমৰ চাহ খেতিকসকলে স্বয়ংসেৱক সৈন্যবাহিনী গঢ়ি তুলিছিল। পোনতে একো একোজন ডাঙৰ চাহাবৰ নামত একো একোটা দল গঢ়া হৈছিল—যেনে তেজপুৰৰ ভৰালী টী কোম্পানীৰ ছুপাৰিণ্টেণ্ডেণ্ট লামচডেনৰ নামত 'লামচডেন হৰ্ছ' দৰং টী কোম্পানীৰ ছুপাৰিণ্টেণ্ডেণ্ট স্কিনাৰ নামত 'স্কিনাৰ্ছ হৰ্ছ'—এইদৰে গোটেই অসমতে গঠিত হোৱা ইংৰাজৰ স্বয়ং সেৱক বাহিনীক লগ লগাই পাছত আসাম ভেলী লাইট হৰ্ছৰ সংগঠন হ'ল বুলি আমি শুনিছিলো। এইবাবে ইংৰাজৰ আঢ়ৈশ তিনিশৰ এটা সৈন্যবাহিনী তেজপুৰত গোট খায়হি। ঘোৰা দৌৰৰ দৰেই তেওঁলোকৰ থকা-মেলাৰ ব্যৱস্থা হয়। যুদ্ধৰ কথাবিলাকে ছাত্ৰসকলৰ মনলৈ এটা নতুন ভাব আনে। বুয়ৰ যুদ্ধ, ৰুচ-জাপান যুদ্ধৰ নানান কথা শুনিবলৈ পোৱা বাবে এই যুদ্ধৰ আখৰা চাবলৈ লৰাহঁতৰ কৌতূহল। জাপানৰ স্বদেশীকতা, জাপানী সৈন্যৰ বীৰত্ব আৰু সাহসৰ কথাবিলাকে আমাৰ ল'ৰাৰ মনলৈ কিবা এটা উন্মাদনা আনিছিল। ডাঙৰ ল'ৰাহঁতৰ মুখত বঙালী কবি নবীন সেনৰ পলাসী যুদ্ধৰ আবৃত্তি শুনি মনলৈ ভাব হৈছিল, যুদ্ধ ক্ষেত্ৰত প্ৰাণ দিয়া মোহন-লালৰ দৰে আমিও কেতিয়াবা প্ৰাণ দিব পাৰিমনে? এনে এটা প্ৰেৰণাই আমাক নিয়ে যুদ্ধনো কি জানিবলৈ, বন্দুক কামান তৰোৱালকে আদি কৰি অস্ত্ৰ-শস্ত্ৰবোৰৰ ব্যৱহাৰ চাবলৈ। 'মক ফাইট'ৰ সময় জানিবা আছিল ফেব্ৰুৱাৰী মাহ। সেইবাৰে

আমি ভাল পাইছিলোঁ—পৰীক্ষাৰ আহুকাল নাছিল বুলি। মুকলি মনেৰে চিপাহী-বিলাকৰ পাছে পাছে কুঁহিয়াৰ চোবাই দিনটো টলৌ টলৌ কৰি ঘূৰি ফুৰিবলৈ ভাল লাগিছিল।

এইবিলাকৰ মাজেদি মোৰ স্বৰ্গগত বন্ধু হেম বৰুৱাৰ (ত্যাগবীৰ) লগত মোৰ বন্ধুত্ব ডাঠ হৈ উঠিছিল। কেতিয়াবা তেজপুৰ নগৰ এটা দলে ৰক্ষা কৰিবলগীয়া হয়, আন এটা দলে আক্ৰমণ কৰিবলগীয়া হয়। ভাৰতীয় ফৌজৰ মাজত সাধাৰণতে গুৰ্খা ৰাইফলছেই এইবিলাকত অংশ লৈছিল। স্মৃতিপটলৈ অহা এটা দিনৰ কথা এইখিনিতে কবলগীয়া হ'ল। সেইদিনা গুৰ্খা বাহিনীৰ ওপৰত নগৰ ৰক্ষা কৰাৰ দায়িত্ব পৰিল। পুৱাতেই ইংৰাজ বাহিনী নগৰৰপৰা ওলাই যাবলগীয়া হ'ল। ঘোঁৰাচোৰাৰী এটা ইংৰাজ সৈন্য বাহিনী। সাজ-সজ্জা, শৃঙ্খলা, ঘোঁৰাৰে টানি নিয়া কামানৰ গাড়ী ইত্যাদি দেখি স্বাভাৱিকতে মন ভোল যায়। আমিও তেওঁলোকৰ পাছ ল'লো। ডেকাৰ গাওঁ নোপাওঁতেই সৈন্যৰ দল ভাগ ভাগ হ'ল। পথাৰৰ মাজেদি ঘোঁৰাত উঠি পূবৰ ফালে যাবলৈ ধৰিলে। আমি ভাবিলো মৰা ভৰলী নৈৰ দাঁতিত মুকলি ঠাইত যুদ্ধখন হ'ব। ইয়াকে ভাবি আমিও মৰা ভৰলীৰ ফালে খোজ ল'লো। তেওঁলোকৰ লগ এৰি গাঁৱৰ মাজেদি আহিলো। আহি দেখিলো গাঁৱলীয়া খেতিয়কৰ ঘৰৰ সমুখত গোটাই থোৱা ধান-খেৰৰ দ'ম কিছুমানত গুৰ্খা চিপাহী লুকাই আছে। কিছুমান ধানৰ পথাৰৰ খাৰৈত পেট পেলাই পৰি আছে। যিহওক আমি গুৰ্খা চিপাহীৰ পাছত ৰলো। দূৰৈত দেখিলো ইংৰাজ সৈন্য আগবাঢ়ি আহি আছে। তেওঁলোকে গুৰ্খা সৈন্যবিলাকক দেখিছিলে নে নাই ক'ব নোৱাৰো। পথাৰৰ মাজত সিচৰতি হৈ পেট পেলাই পৰি থকা চিপাহীহঁতে ইংৰাজ সৈন্য ওচৰ নোপোৱালৈকে আঁৰ লৈ থাকিল। অলপ ওচৰ পোৱা মাত্ৰে ধান-খেৰৰ দ'মৰ মাজত লুকাই থোৱা কামান গৰ্জি উঠিল। আৰু লগে লগে লেথাৰি নিচিগাকৈ বন্দুকৰ শব্দ হ'বলৈ ধৰিলে। অৱশ্যে এই গুলী মৰাপাটেৰে সজা হৈছিল বুলি আমি শুনিছিলো। কোনো লোক আহত হোৱা নাছিল। লগে লগে পথাৰত পেট পেলাই লুকাই থকা গুৰ্খা চিপাহীসকলে ঘোঁৰাচোৰাৰী ইংৰাজ সৈন্য বাহিনীক বেৰি ধৰিলে। তেওঁলোকে এইদৰে অতৰ্কিতে আক্ৰান্ত হ'ব বুলি বোধকৰো ভবা নাছিল। পিছৰ ফালেও গুৰ্খা চিপাহীৰ দল দেখি তেওঁলোকে আত্মসমৰ্পণ কৰিলে। ইংৰাজ সৈন্যৰ পৰাজয়ত আমাৰ আনন্দৰ সীমা নোহোৱা হ'ল। তেতিয়া দুপৰীয়া এঘাৰ বাজি গৈছে। আমি ঘৰলৈ উভতিবলৈ মন নকৰি আৰুনো কি হয় তাকে চাবলৈ থিয় হৈ আছিলো। গুৰ্খা বাহিনীৰ হেডকোৱাৰ্টাৰ্ছ আছিল ৰিজাৰ্ভ পুলিচ লাইন,

তাতে তথু তৰি তেওঁলোকক ৰখা হৈছিল। এই ওচৰৰ কোৱাৰ্টাৰ্চ্চৰপৰা বাৰ্তাবাহী চিপাহী এজনে কিবা বাতৰি অনা দেখি যুদ্ধৰ কৌশল সম্পৰ্কে ভূ-ভা ৰখা মোৰ বন্ধু হেম বৰুৱাই মাত দিলে, "এতিয়া হয় পাৰোৱা নহ'লে হাজাৰা পুখুৰীৰ ওচৰতেই যুদ্ধখন হ'ব !" আমি ল'ৰাৰ দলে আকৌ খোজ ল'লো—চৰকাৰী বাটেদি নহয়, গাৱঁলীয়া বাটেদি আহি পাৰোৱা পালো। সকলো ঠাইতে চিপাহীহঁতে সৰু সৰু ঘাটি কৰি বাঁহনি নাইবা জোপোহাৰ আঁৰ লৈ পহৰা দি আছে। দাধৰা পাওঁতে দেখিলো— তাতো গাৱঁৰ মাজত বাঁহ গছৰ আঁৰত গুৰ্খা চিপাহী লুকাই আছে। শুনিবলৈ পালো যে, হাজাৰা পাৰতহে কামান পাতিছে। ইয়াকে শুনি লৰালৰিকৈ হাজাৰাপাৰ পালোহি। উত্তৰ পাৰটোক আশ্ৰয় কৰি চিপাহীহঁত পেট পেলাই পৰি আছে। তাত মেশ্বিনগান (সেই সময়ত মেকছিমগান বোলা হৈছিল, কিছুমানে কৈছিল বুয়ৰ যুদ্ধতে হেনো এই বন্দুক উলিওৱা হয়) আৰু ইয়াৰ বাহিৰেও ডাঙৰ কামানো পতা হৈছিল। এতিয়া প্ৰায় আঢ়ৈ বাজিল। আমি ঘৰলৈ আহিবলৈ মন নকৰি আৰুনো কি হয় চাবলৈ কৌতূহলেৰে ৰৈ থাকিলো। এনেতে দেখা গ'ল যে সৰু সৰু দলেৰেহে ইংৰাজ সৈন্য বাহিনী আগবাঢ়িব ধৰিছে। ল'ৰাহঁতৰ কোনোবা এজনে 'বাইনোকুলাৰ' (দুৰবীণ) লৈ গৈছিল। তাৰে আমি উত্তৰ ফালৰ পথাৰবিলাকতনো কি হৈছে চাবলৈ ধৰিলো। ইংৰাজ সৈন্যবাহিনী আগবাঢ়ি থকা সত্বেও গুৰ্খা চিপাহীবিলাকে আঁৰ লৈ থাকিল। কিন্তু ইংৰাজ বাহিনীৰ ডাঙৰ দলটো পাৰ হৈ আহিল আৰু আমাৰ চকুৰ সন্মুখত থকা মেশ্বিনগান কেইটাই গুলী চলাবলৈ ধৰিলে। তেতিয়া লুকাই থকা চিপাহীবিলাকে পিছফালৰপৰা পেট চোচোৰাই আহি বন্দুকত সঙীণ লগাই ওলাই পৰিল। আগ-পিছ, বাওঁ-সোঁ দুয়ো কাষৰপৰা ইংৰাজ সৈন্যবাহিনী আক্ৰান্ত হোৱাত, গধূলি সময়ত আত্মসমৰ্পণ কৰিলে। এই বেলিও আমি আনন্দত উত্ৰাৱল হ'লো। গুৰ্খা সৈন্যবাহিনীৰ কেইবাজনো অফিচাৰ ইংৰাজ আছিল আৰু তেওঁলোকে নিৰ্দেশ দি যুদ্ধখন চলোৱা সত্বেও এই চিপাহীদল যেন আমাৰেই, এনে এটা ভাবত আমি আত্মহাৰা হৈছিলো। দিনটো লঘোণে থকা বাবে ঘৰলৈ উভতি আহি গালি-শপনি খাবলগীয়া হ'লেও আমাৰ আনন্দত একো বিঘিনি হোৱা নাছিল।

আৰু এটা নৈশ আক্ৰমণৰ স্মৃতিও ইয়াতে জনাওঁ। এদিন ৰাতি হঠাতে বন্দুকৰ শব্দ শুনি আমি উচপ খাই উঠিছিলো। পিছত শুনিবলৈ পালো যে সেইদিনা নগৰ ৰক্ষাৰ দায়িত্ব পৰিছিল, আৰ্চাম ভোলী লাইট হৰ্চৰ ইংৰাজ বাহিনীৰ ওপৰত আৰু গুৰ্খা বাহিনীৰ দায়িত্ব আছিল আক্ৰমণৰ। এই বেলি গুৰ্খা বাহিনীৰ পিছে পিছে যাবলৈ সুবিধা হোৱা নাছিল। পিছদিনা সকলো কথা শ্ৰেণীত শুনি বুজিলো যে ৰাতিৰ

এক্কাৰৰ মাজত তেজপুৰ নগৰৰ সকলো ঠাইতে থকা হোলাবিলাকেদি আঁৰ লৈ গুৰ্খা বাহিনী আহিছিল। লাইট হৰ্ছৰ হেড্‌কোৱাৰ্টাৰ্চ আছিল ডাকবঙলাৰ টোলত। গুৰ্খাৰ এটা দল মৰাভৰলীৰপৰা হোলাইদি আহি বঙালী থিয়েটাৰ হলৰ দাঁতি পাইছিল। আন এটা দল পৰোৱা বাগানৰ কাষেদি হোলাইদি বাৰহলীয়া পাৰ হৈ স্কুলৰ বোৰ্ডিঙৰ হোলা পোৱা দলটোৱে গুলী চলাবলৈ ধৰাত আন দুটা দল আগবাঢ়িল। ইংৰাজ সৈন্য বাহিনীৰ কিছুমান চামেৰী বঙলাত বল-নাচত ব্যস্ত আছিল। এইদৰে আনন্দোৎসৱৰ মাজত আক্ৰান্ত হোৱা মেমহঁতৰ চিঞৰ যেন প্ৰকৃত আতঙ্কৰ চিঞৰ। বিউগুলৰে প্ৰস্তুতিৰ নিৰ্দেশ ইত্যাদিৰে যুদ্ধৰ আখৰা সেই সময়ৰ ছাত্ৰসকলৰ বাবে বিচিত্ৰতাপূৰ্ণ কথা আছিল। এইবিলাকে ছাত্ৰসকলৰ মনলৈ বিক্ষিপ্তভা আনক ছাৱি শিক্ষাৰ সমল যোগাইছিল। ভাৰতবৰ্ষখন ইংৰাজে জয় কৰি ল'ব পৰা নাছিল। ইংৰাজ সৈন্যৰ তুলনাত ভাৰতীয় সৈন্যৰ দক্ষতা যে বেছি আছিল, এনে এটা বিশ্বাস হোৱাত সহায় কৰিছিল। 'মকফাইট'ৰ শেহৰদিনা পেৰেড পৰিদৰ্শন কৰিবলৈ আহে ইষ্টাৰ্ণ কমাণ্ডৰ মেজৰ জেনেৰেল বাওৱাৰ্চ। এওঁৱেই ১৯১১ চনত আবৰ অভিযান পৰিচালনা কৰিছিল। সৈন্যবাহিনীৰ কুচকাৱাজ অস্ত্ৰ-শস্ত্ৰৰ প্ৰদৰ্শনে আমাৰ মনলৈ আনন্দ অনাৰ লগতে আমাৰ ল'ৰা মনলৈ ভাব আনে কেনেকৈ আমি এনেবিধৰ অস্ত্ৰ-শস্ত্ৰৰ অধিকাৰী হ'ব পাৰো। এইবিলাকতে স্বাধীন ভাৰতৰ সপোনত যেন আমি উটি যাওঁ।

১৯৩০ চনত আমি অহিংস আন্দোলনৰ বাবে সেৱক সংগ্ৰহত ব্যস্ত, এনেতে চট্টগ্ৰামৰ অস্ত্ৰাগাৰ লুণ্ঠনৰ বাতৰি ওলাল। মাষ্টাৰদা সূৰ্য সেনৰ বীৰত্বপূৰ্ণ কথাবিলাক শুনিবলৈ পাই মোৰ বন্ধু স্বৰ্গগত হেম বৰুৱাই ল'ৰাকালৰ এইবিলাক কথাই সুঁৱৰিলে।

ইয়াৰ লগতে এটা আনুসঙ্গিক ঘটনা মোৰ মনলৈ আহিছে—১৯১১ চনত হোৱা 'মক ফাইট'ৰ সময়ত এই ঘটনা হৈছিল। সেই সময়ত চাহ খেতিয়কসকলে মটৰ গাড়ী লোৱা নাছিল, ঘোঁৰাৰ বাগীৰেই কাম চলাইছিল। তেজপুৰলৈ তেওঁলোকে ঘোঁৰা দৌৰ, 'মক ফাইট' আদি উপভোগ কৰিবলৈ ঘোঁৰাৰ বাগী লৈ আহিছিল। বাগী বৰ বেগাই চলোৱা বাবে আৰু বিশেষকৈ ইখন বাগীয়ে সিখনক চেৰ পেলাই আগবাঢ়িবলৈ যত্ন কৰিলে বাটৰুৱাৰ বিপদ নোহোৱাকৈ নাছিল। এনেকুৱা অৱস্থাত বাটৰুৱাই বাট এৰি কাষৰ নৰ্দমালৈ নামিবলগীয়া হৈছিল। পুলিচে যান-বাহনৰ নিয়ন্ত্ৰণ কৰাৰ কথা নাছিল। যিদিনাৰ কথা ক'বলৈ ওলাইছো, সেই দিনটো শুকুৰবাৰ আছিল আৰু সেই দিনটো পলো খেলৰ বাবে নিৰ্দ্ধাৰিত আছিল। খেল চাবলৈ দুই বজাতে স্কুল ছুটী হোৱাত আমিও পলো ফিল্ডলৈ ঢাপলি মেলিলো। থানাৰ সন্মুখত থকা পুখুৰী পাৰ হৈ অলপ আগবাঢ়ি যোৱাত দেখিলো, পিছৰপৰা আন এখন

বাগী সমুখত থকা বাগীখনক চেৰ পেলাই আগবাঢ়িবলৈ বৰ বেগাই আহিছে। আমি আগৰৱালাহঁতৰ টৌলত সোমালো, কিন্তু বাগীখনে আসাম ভ্যেলিৰ দোকানৰ কাষত থকা 'ছিলভাৰ পাইন'ৰ গছ এজোপাত খুন্দা মাৰিলে আৰু চলোৱা চাহাবজন ছিটিকি আসাম ভ্যেলিৰ পুৰণি দোকানৰ (য'ত কাপোৰ বেচা হৈছিল) সমুখৰ বাৰাণ্ডাত পৰিল। চাহাবজন তেজৰে বাঙলী হ'ল আৰু সংজ্ঞাহীন হৈ পৰি আছিল। আমাৰ চকুৰ সমুখত এইদৰে এটা দুৰ্ঘটনা হোৱাত আমি লৰি আহিলো। দাণ্ডি তুলিবলৈ মন হলেও শঙ্কা হৈছিল জানোছা এজন বগা মানুহক স্পৰ্শ কৰিলে কিবা জগৰ হয়। যিহওক পিছত অহা আন এখন বাগী হাত দাণ্ডি ৰখোৱা হ'ল আৰু তেওঁলোকে তেওঁলোকৰ বিভাগীয় হাস্পাতাললৈ এই আহত চাহাবজনক লৈ গৈছিল। আমাৰ ভাব হ'ল সেইদিনা ইমান এটা দুৰ্ঘটনাৰ পিছত খেল বন্ধ হ'ব। তথাপিও আমি পলোফিল্ড পালোগৈ। তাত নিৰ্দ্ধাৰিত সময়মতে খেল আৰম্ভ হ'ল। আগৰ দৰেই খেল চলিল। মাজতে 'পেগ ষ্টিকিং' (peg sticking, অৰ্থাৎ মাটিত থোৱা সৰু খুটি এটা পূৰ্ণ বেগৰে ঘোঁৰা চলাই যাঠীৰ আগেৰে তুলি লোৱা) চলিল। আমাৰ বাবে এইবিলাক বৰ আমোদজনক কথা আছিল। এফালে পুৰুষালিৰ নিদৰ্শন, আনফালে লক্ষ্যলৈ দৃষ্টি স্থিৰ কৰি পূৰ্ণবেগত লৰি যোৱা ঘোঁৰাৰ পিঠিত বেলেন্স ৰাখি, যাঠীডাল এনে এটা কৌশলৰে যথা সময়ত ঘূৰায়। দৰ্শক হৈও ল'ৰাহঁতে আঁতৰৰপৰা চাই কোনে পাৰিব, কোনে নোৱাৰিব তাকে লৈ তৰ্ক কৰিব। প্ৰায়েই ল'ৰাহঁতৰ ভবিষ্যদ্বাণী সঁচা হয়।

এইবিলাকত দুপৰীয়াৰ বিষাদজনক ঘটনাৰ কথা পাহৰি থাকিলেও, উভতি অহাৰ পিছত আমাৰ নানান কৌতুহল হ'ল। আমি ডাক বঙলাৰ ফালে আগবাঢ়িলো। পুলিচে বাট আগচি ধৰিলে। আহত মানুহজনৰ মৃত্যু হ'ল। তেওঁৰ শৱদেহ ৰখা ঘৰটোৰ বাহিৰত এ-ভি-লাইট হৰ্চৰ সৈন্যই পহৰা দি আছে। এনেতে ওচৰৰ এটা কেম্পৰপৰা তিৰোতাৰ বিননি শুনিবলৈ পোৱা গ'ল। পুলিচে আমাক গুচি যাবলৈ ক'লেও আমি বৈ কাণ পাতি শুনিলো। মোৰ মুখৰপৰাওলালৈ, "মেম-চাহাবে কান্দে নেকি?" হেম বৰুৱাই (ভাগবীৰ) কয়, "মেম হ'ল বুলি নাকান্দিবনে?" মই অলপ বিচুতি হোৱাদি হওঁ। মোৰ ভাব: বগা চাহাবহঁত যেন আমাৰ দৰে মানুহ নহয়। শিলৰ হিয়া আৰু হাতত চাবুক লৈ যেন ক'লা মানুহবিলাকক চলাবলৈকে আহিছে। দুখৰ অনুভূতি পোৱা এখন হিয়া আছে বুলি মোৰ মনত তেতিয়ালৈকে ভাব নাছিল। ইংৰাজী উপন্যাস তেতিয়ালৈকে মই পঢ়া নাছিলো দেখি, ইংৰাজৰ মানবীয় অনুভূতি বুজি পোৱা নাছিলো। ল'ৰাহঁতৰ মাজত খবৰ

ওলাল যে চাহাবজন নগাৱঁৰ আমলখী বাগিচাৰ। তেওঁৰ মেম-চাহাব লগত অহা নাছিল—১৮।১৯ বছৰীয়া জীয়েকহে লগত আহিছিল। পিছদিনা ৰাতিপুৱা আঠ বজাত কবৰখানাত কবৰ দিয়া হ'ব। ৰাতিপুৱা ল'ৰাহঁতে কবৰখানালৈ ঢাপলি মেলিলে, সামৰিক নীতিৰে সৈতে সন্মান দেখুৱাই কেনেকৈ শেষ ক্রিয়া কৰা হয় তাকে চাবলৈ। কবৰখানাৰ ভিতৰত সোমাবলৈ নিদিলেও, চাৰিওকাষৰ ইটাৰ দেৱাল আৰু গছ-গছনিৰ ওপৰতে ল'ৰাহঁত উঠি বহিল। কামানৰ গাড়ী এখনত কফিন অনা হ'ল, আগে-পিছে খোঁৰাচোৱাৰী সৈন্য—বেণ্ডত এটা করুণ সুৰ বাজি উঠিল। কফিন কবৰলৈ নমোৱাৰ লগে লগে আঠজন সৈন্যই আকাশলৈ চাই তিনিবাৰ গুলী মাৰি বন্দুক আৰু মূৰ তল কৰি থিয় দি থাকিল। পাদ্রীৰ প্রার্থনাৰ লগে লগে আন চাহাবহঁতে কফিনলৈ মাটিৰ চপৰা পেলাবলৈ ধৰিলে। হেম বৰুৱাই আমাৰ পাঠ্য ইংৰাজী কবিতা এটাৰ এশাৰী সুঁৱৰি ক'লে, "Slowly and sadly we laid him down." [কৰোণাৰ (স্পেইন) যুদ্ধ ক্ষেত্রত হত হোৱা চাৰ জন মূৰৰ কবৰ দিয়া সম্পর্কে লেখা ইংৰাজী কবিতাৰপৰা]

ইয়াৰ পিছতেই পলো ফিল্ডত এ-ভি-লাইট হৰ্চ আৰু গুৰ্খা ৰাইফলচ্ছৰ মিলিত পেৰেড চাবলৈ ল'ৰাহঁত লৰিল। বিষাদ আৰু আনন্দৰ মাজত সেই বছৰৰ 'মক ফাইট' শেষ হ'ল। ইংৰাজ চৰিত্ৰৰ অন্তর্নিহিত শক্তি, কর্তব্যপৰায়ণতা, নিয়মানুবর্তিতা প্রভৃতি গুণৰ প্রতি আমাৰ শ্রদ্ধা বাঢ়িল।

আমাৰ ল'ৰালি জীৱনৰ এনেবিলাক কথা শেষ কৰাৰ আগতে আৰু এটা কথা মনলৈ আহিছে। পিছলৈ এই কথাষাৰ থোৱাটো অপ্রাসঙ্গিক হ'ব পাৰে। আমাৰ সময়ত ল'ৰাহঁতক সাধাৰণতে থিয়েটাৰ চাবলৈ দিয়া নহৈছিল। নিষিদ্ধ কথা কিছুমানৰ মাজত থিয়েটাৰো আছিল। সেই সময়ত তেজপুৰত অসমীয়া আৰু বঙালী সকলোৱে লগ হৈ একেলগে থিয়েটাৰ কৰে। তাৰ নাম আছিল 'অবৈতনিক নাট্য সমাজ'। পূজাৰ সময়ত আৰু কেতিয়াবা আন কিবা উৎসৱ উপলক্ষে থিয়েটাৰ হৈছিল। বছৰেকত ৫।৬ দিনতকৈ সৰহ থিয়েটাৰ হোৱা মনত নপৰে। পূজাৰ এমাহমান আগৰেপৰা ৰিহার্চেল আৰু গানৰ আখৰা চলে। আমাৰ ওচৰতে আখৰা চলে। স্বৰ্গগত সঙ্গীতজ্ঞ লক্ষ্মীৰাম বৰুৱা, স্বৰ্গগত পৰমানন্দ আগৰৱালা (ৰূপকোঁৱৰ জ্যোতিপ্রসাদৰ দেউতাক), ফৰেষ্ট অফিচত কাম কৰা ৰাম বাগচী, কপিল চন্দ্ৰ চিমলাইকে আদি কৰি বহুতো লোকে তবলা, বেহালা, হাৰমণিয়াম প্রভৃতি যন্ত্ৰৰে ঐক্যতান বাদনৰ আখৰা কৰে। এইবিলাকত আমাৰ দৰে বহুতো সৰু ল'ৰাই আনন্দ পালেও, ৰাতি আচল থিয়েটাৰ চাবলৈ যোৱা নিষিদ্ধ আছিল। থিয়েটাৰলৈ

কি জানিবলৈ কৌতূহল হ'লেও আমি আঁতৰত থাকিবলগীয়া হৈছিল। আবেলি পৰত 'অবৈতনিক নাট্য সমাজে' প্ৰচাৰ কৰা (ৰঙা-নীলা কাকতত ছপোৱা) জাননী বুটলি অনাতেই আমাৰ আনন্দৰ অন্ত পেলাবলগীয়া হৈছিল। যিহওক, আমাক মৰম কৰা এজন লোকে এদিনা আহি (স্বৰ্গীয় ললিত মোহন ৰায়) ধৰিলে, "আজি যদুবংশ ধ্বংস নাটকখন হ'ব, ল'ৰাহঁতক যাবলৈ দিয়ক।" তেওঁ আহি আমাৰ বাবে খাটনি ধৰাত তেওঁলৈ আমাৰ শ্ৰদ্ধাৰ ভাব উপজিল। তেওঁ কম্‌প্লিমেণ্টাৰী কাৰ্ডৰ কথাও কৈছিল। সেইদিনা আমি উত্ৰাৱল হ'লো। কেতিয়ানো গধূলি হয়, কেতিয়ানো আমি থিয়েটাৰ চাবলৈ যাবলৈ পাওঁ, তাকে মনলৈ আহিছিল। যিহওক গধূলি হ'ল, তেতিয়া চিন্তা হ'ল কেতিয়ানো ভাত খোৱা হয়। যিহওক ৰাতি আঠ বজা মানত আমাক নি হলত শুমুৰাই বহুৱাই দিয়া হ'ল। দেখিলো, আন কিছুমান ল'ৰা বহি আছেই। দেখিলো আমাৰ সন্মুখত এখন ক'লা কাপোৰ। শুনিলো সেইখনৰ পিছত আৰু এখন কাপোৰ আছে। এইবিলাক দাঙিলেহে থিয়েটাৰ হ'ব। মঞ্চৰ সোঁকাষে বেৰখনত এটা সৰু বিন্ধা। সেই বিন্ধাইদি মানুহৰ চকু দেখা যায়। ল'ৰাহঁতে তাকে চাই ৰং-ধেমালি কৰে। এইটোনো কি জানিবলৈ আমাৰ মনত কৌতূহল। কিছুমানে ক'লে যে হলত মানুহ হৈছে নে নাই তাকে চাবলৈ বেৰত বিন্ধা ৰখা হৈছে, তাতে ভাৱৰীয়াসকলে সাজ পিন্ধিছে। আমাৰ সন্মুখৰ ক'লা কাপোৰখন দেখি আমনি লাগিল। লৰাহঁতে হাত-চাপৰি মাৰি কোঢ়াল লগায়। কিছুমানে ক'লে, তিনি বেলি ঘণ্টা বাজিলেহে ক'লা কাপোৰখন দাং খাব। মনতে ভাবো উস্ কি আপদ, ঘণ্টানো কেতিয়া ৰাজে! একো একোবাৰ ঘণ্টা বজাৰ লগে লগে ল'ৰাহঁতে হাত-চাপৰি মাৰি আনন্দত মতলীয়া হয়। যিহওক, তিনি বেলি ঘণ্টা বজাৰ পিছত ক'লা কাপোৰখন দাঙি তোলা হ'ল। তাৰ পিছতে আৰু এখন কাপোৰ ওলাল সেইখনত জানিবা ছবি আছিল। লগে লগে ঐকাতান বাদন আৰম্ভ হ'ল। ঐক্যতান বাদনৰ আখৰা আমি বাহিৰত শুনি থকা বাবে তালৈ মন নিদি ছবি খনতেই সকলোৰে চকু পৰিল। ছবিখন আছিল এটা ডাঙৰ সাপ। এটা পৰ্বতৰ গাত পকাই থোৱা হৈছে। দুই মূৰে মানুহ। সেইখন সাগৰ মন্থনৰ ছবি। ল'ৰাহঁত এইখন ছবিকে লৈ কিছু পৰলৈ শান্ত হৈ বহি থাকিল। কিছুমানে ক'লে, চোৱা দেৱতাসকলৰ বুদ্ধি, অসুৰবিলাকক সাপৰ মূৰৰ ফালে দি নিজে নেজত ধৰিছে। কোনজননো ইন্দ্ৰ, কোনজননো বৰুণ, ইয়াকে লৈ তৰ্ক। এইদৰে শেষত থিয়েটাৰ আৰম্ভ হ'ল। দুৰ্বাসা মুনিৰ আগত সাত্যকিক তিৰোতাৰ বেশেৰে উলিয়ালত ল'ৰাহঁতে হো-হো কৰি চিঞৰিবলৈ ধৰিলে। কোনেনো সেই ভাও লৈছে তাকো দুজনমানে ক'লে, তেওঁ কেনেকৈনো এই সাজ কৰিছে তাকো

ক'লে। আমাৰ চকুত পচাৰ নাই, জানোচা ক'ৰবাত কিবা চাবলগীয়া কথা হ'বায়। যদুবংশৰ লোকসকলৰ নিজৰ মাজতে যুঁজখন লাগিল। ল'ৰাইঁতে সেইটো কাগজৰে সজা গদা, আচল গদা নহয়, ইত্যাদি বুলি যুঁজত আনন্দ পালে। সাগৰৰ পাৰত বলৰাম ধ্যানত বহি সাপ হৈ গুচি গ'ল। তাতো ল'ৰাইঁতে ক'বলৈ ধৰিলে—সেইটো সাপ নহয়, কাগজৰ সাপ সূতাৰে বন্ধা আছে, টানি নিছে, কাপোৰ জোকাৰি সাগৰ দেখুৱাইছে।

এইদৰে নাটকখনৰ দৃশ্যাৱলী এটা এটাকৈ আমাৰ চকুৰ আগেদি পাৰ হৈ গ'ল। আমাৰ মনো যেন ক'ৰবালৈ উটি গ'ল। শেহত ব্যাধৰ শৰত কৃষ্ণই প্ৰাণ ত্যাগ কৰাত আৰু সাৰথি দাৰুকৰ বিলাপত ল'ৰাইঁতৰ মনত বেজাৰ হ'ল। ইয়াতেই ক'লা কাপোৰখন আকৌ পেলাই দিয়াত ল'ৰাইঁতে "উঠ, উঠ শেষ হ'ল" বুলি উঠিবলৈ দিহা কৰিলে। মনত এটা বেজাৰ লৈ কিছুমানৰ উঠিবলৈ মন যোৱা নাছিল। এনেতে পুনৰ ক'লা কাপোৰখন দাঙি গোলোকধামত কৃষ্ণৰ দৃশ্য দেখুৱালতহে ল'ৰাইঁতৰ মনলৈ পুনৰ এটা আনন্দৰ ভাব আহিল। পুৱতী নিশা উভতিলো। কিন্তু এই থিয়েটাৰৰপৰা মোৰ মন কেইবাদিনলৈকো আঁতৰ কৰিব পৰা নাছিলো। জীৱনৰ পুৱাতে ৰাঙলী বেলিৰ পোহৰত হোৱা থিয়েটাৰৰ অভিজ্ঞতা আজি মাৰ যাবলগীয়া বেলিৰ ৰ'দ-কাঁচলিত সুঁৱৰি নিজেই আনন্দ পাইছো।

* * *

১৯১২ চনত মেট্ৰিকুলেশ্যন পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত প্ৰশ্ন হ'ল ইয়াৰ পিছত কি কৰোঁ? কলেজত পঢ়িবলৈ যোৱাটো স্থিৰ হ'লেও মোৰ মনলৈ ভাব হ'ল ভাৰতত নতুনকৈ প্ৰতিষ্ঠিত হোৱা বানাৰছ হিন্দু বিশ্ববিদ্যালয় নাইবা আলিগড়ৰ মুছলীম বিশ্ববিদ্যালয়ত পঢ়োগৈ। কিন্তু মোৰ অভিভাৱক স্বৰ্গীয় মোমাইদেৱে (স্বৰ্গীয় ব্ৰহ্মানন্দ বৰকাকতী) ইমান আঁতৰলৈ পঠিয়াবলৈ কেতিয়াও মান্তি নহ'ল। আনকি কোচবিহাৰ কলেজৰ কথাও শুনি মোক তেজপুৰৰ পৰা বহুত গুৱাহাটীত কটন কলেজত পঢ়ুৱাৰ মন কৰিছিল। মোৰো কটন কলেজত পঢ়িবলৈ আপত্তি নাছিল, কাৰণ তেজপুৰৰ মোৰ লগৰ এটা সকলো ছাত্ৰ বন্ধুৱেই তাতেই যোৱাটো থিৰ কৰিছিল। সেইমতে জুলাই মাহৰ প্ৰথম সপ্তাহত আমাৰ সকলোৰে গুৱাহাটীলৈ যোৱাটো থিৰ হ'ল। বালিপৰা জাহাজ ধৰিবলৈ ওলোৱাৰ আগতেই স্বৰ্গীয় মোমাইদেৱে মোক তেওঁৰ আশীৰ্বাদ দিবলৈ এইখিনি কথা কৈছিল: "স্বৰ্গীয় মাজুদেউতাৰ পিছত (স্বৰ্গীয় কালিকান্ত বৰকাকতী) আমাৰ পৰিয়ালৰ মাজত আৰু কেও গ্ৰেজুৱেট হ'ব পৰা নাই। তই গ্ৰেজুৱেট হ'ব লাগিব ইত্যাদি।"

আমি জাহাজত উঠি গুৱাহাটীলৈ বাওনা হ'লো। তেজপুৰৰপৰা প্ৰায় ১৬ জন মান ছাত্ৰ সেইদিনা গুৱাহাটীলৈ গুলাইছিলোঁ। তেওঁবিলাকৰ ভিতৰত প্ৰথম বাৰ্ষিকত ভৰ্ত্তি হ'বলগীয়া ১০ জন মান আছিল। বাকী কেইগৰাকী দ্বিতীয় আৰু তৃতীয় বাৰ্ষিকৰ ছাত্ৰ আছিল। বাৰিষাৰ ব্ৰহ্মপুত্ৰৰ বুকুয়েদি আমি ভটিয়াই গৈ আছোঁ—ব্ৰহ্মপুত্ৰৰ উদ্যাম গতি আমাৰ মনতো যেন প্ৰতিফলিত হৈ উঠিল। কত আশা-আকাঙ্ক্ষা, কত কল্পনাৰ সোঁত আমাৰ মনেদি বৈ গৈ আছে। ভবিষ্যতৰ সপোন মনত আঁকিলৈ আমি ডেকাদলে জাহাজখনত হুলস্থুল কৰি গৈ আছোঁ। এনেতে আমাৰ হুলস্থুলকো চেৰ পেলাই জাহাজত আৰু এটা হুলস্থুল উঠিল—কোনোবা এজন যাত্ৰীয়ে "হাতী, হাতী" বুলি চিঞৰি উঠিল। সেই সময়ত আমি খাৰুপেটীয়া পাবলৈ অলপ দূৰ আছিল। চাই দেখো যে দুটা হাতীয়ে চাপৰিৰ নলখাগৰীৰ মাজেদি আহি এডোখৰ মুকলি ঠাই পাইছেহি। জাহাজৰ ছাৰেও ধেমালি কৰিবৰ মনেৰেই কিজানি দীঘলকৈ হুইছেল বজাই দিলে। হুইছেলৰ শব্দ শুনি হাতী দুটায়ে প্ৰাণৰ ভয়ত বিকট চিঞৰ মাৰি দৌৰিবলৈ ধৰিলে। এই ধেমালিৰ অন্তত মোৰ চকু পৰিল এটা বেগত তাত লেখা আছিল পি, ভাণ্ডাৰী এম, এ, বি, এল, লাহোৰ। এই বেগটোৰনো গৰাকী কোন আৰু তেওঁৰ লগত চিনাকি হ'বলৈ আমি কেইজনমানে বিচাৰিলোঁ। সৰহ পৰ বিচাৰিবলগীয়া নহ'ল। তেওঁ নিজেই আহি আমাৰ ওচৰ পালেহি। তেওঁৰ লগত কথাহৈ জানিলোঁ তেওঁ এম, এ, বি, এল হ'লেও আসামলৈ বেপাৰৰ কাৰণে আহিছে। তেওঁ আমাক তেজপুৰৰ ফৰেষ্ট অফিচত বিক্ৰী হোৱা হাতীৰ দাঁত, গড়ৰ খৰ্গ আদি হাবিত পোৱা বস্তু দেখুৱালে আৰু ক'লে, "ময়ো এম, এ, বি, এল কিন্তু এতিয়া বেহাবেপাৰত লাগিবলগীয়াত পৰিছোঁ। আপোনালোককো কওঁ, উচ্চ শিক্ষাতকৈ বেহা-বেপাৰৰ পিনে মন দিয়ক। আপোনালোকৰ দেশৰ হাবিত বহুতো মূল্যবান বস্তু আছে—সেইবিলাকৰ কাৰবাৰ বৰ লাভজনক। "তেওঁ কোৱা কথাবোৰ জীৱনৰ এই বয়সতো মাজে সময়ে এতিয়াও মনলৈ আহে। এইদৰে নানান ভাবৰ জুমুৰি লৈ গধূলি পৰত গুৱাহাটী পালোগৈ। গুৱাহাটীলৈ গৈ মই যে এটা বিপৰ্যয়ৰ সন্মুখীন হ'ব লাগিব কেতিয়াও ভবা নাছিলোঁ। কটন কলেজৰ নতুন হোষ্টেল (কটন কলেজত ছাত্ৰ সংখ্যা বাঢ়ি অহাত কৰ্তৃপক্ষই নতুনকৈ এটা ঘৰ সাজিছিল যাক আজি কালি ২ নং ব্লক বুলি কোৱা হয়) পোৱাত আন ল'ৰাবিলাকৰ লগতে ময়ো বিচনা পাৰি ল'লোঁ। এনেতে মই বুজিব পাৰিলোঁ হিন্দু হোষ্টেলত মোৰ বাবে যেন ঠাই নাই। দুজনমান ছাত্ৰ বন্ধুৱে আহি মোক ক'লে যে হোষ্টেলত দুজনমান ৰক্ষণশীল গোড়া ছাত্ৰ আছে। তেওঁবিলাকে আপুনি ডাইনিং

হলত খোৱাটোও আপত্তি কৰিব—আপুনি কমতেই খাবলগীয়া হ'ব। আৰু কমত খোৱাৰনো কি আপত্তি? ডাইনিং হলত চিট্ এটা পাবৰ কাৰণে লৰি ঢাপৰি গৈ হেঁচা ঠেলাকৈ বহাতকৈ কমতেই শান্তিৰে খাব পাৰি। আপোনাৰ আমাতকৈ ভালহে হ'ব। কমত মেজত বহি খাব পাৰিব। মই সকলো কথা বুজি যি দৰে সুবিধা হয় সেয়েই হ'ব বুলি কলোঁ। ৰাতি হ'ল দুটা দলে খাই আহিল, কিন্তু মোৰ খোৱা নাহিল। পলম হোৱা দেখি দুজনমান বন্ধুয়ে ৰান্ধনী ঘৰলৈ গৈ মোৰ খোৱা আহিব লাগিছে বুলি আশ্বাস দি গ'ল। মোৰ খোৱা কিন্তু সেই ৰাতি তেতিয়ালৈকে নাহিল। এনেতে মই বুজিলোঁ মোৰ কথালৈ ছাত্র দুজনমানৰ মাজত বাদানুবাদ হৈছে। যি হওক অৱশেষত তৃতীয় আৰু চতুৰ্থ বাৰ্ষিকত পঢ়া কিছুমান ছাত্রই আহি মোৰ হাতত ধৰি ক'লেহি.— "আহক আপুনি আমাৰ লগত বহি ডাইনিং হলত খাওকহি, চাওঁ কোনে আপত্তি কৰে?" মই দোমোজাত পৰিলোঁ। বয়সীয়া ছাত্রসকলৰ কথা পেলাব নোৱাৰি মই শেষত তেওঁবিলাকৰ লগতে ডাইনিং হলত খাবলৈ যাবলগীয়া হ'ল। শেষত দলত ৪০ গৰাকীমান ছাত্র আছিল। স্বৰ্গীয় কমলেশ্বৰ বৰুৱা, (ডাঃ ভুবনেশ্বৰ বৰুৱাৰ ডাঙৰ ককায়েক) স্বৰ্গীয় ধনীৰাম তালুকদাৰ প্ৰভৃতিয়ে হাতত ধৰি অনুৰোধ কৰাত নগৈ নোৱাৰিলোঁ। যিহওক সেইদৰে প্ৰথম নিশাটো গ'ল। পিছদিনা শুনিবলৈ পালোঁ যে মোৰ কটন কলেজ হোষ্টেলত চিট্ পোৱাটো টান হ'ব? আৰু হোষ্টেলত চিট্ নাপালে মই ক'ত থাকি পঢ়িম, সেইটোৱেই মোৰ কাৰণে এটা ডাঙৰ চিন্তা হ'ল। এনেতে তৃতীয় বাৰ্ষিক শ্ৰেণীৰ কেইজনমান ছাত্রই আহি মোক ক'লেহি, "ব'লক আমি মাণিক বৰুৱাদেৱৰ ঘৰলৈ যাওঁ—তেখেতক সকলো কথা জনালে তেখেতে এটা দিহা দিব পাৰিব।" এই সকলৰ ভিতৰত স্বৰ্গীয় হৰনাথ বৰুৱা; শ্ৰীযুত গোপী বেজবৰুৱা আৰু শ্ৰীযুত চন্দ্ৰনাথ বৰুৱা আছিল। আমি গৈ স্বৰ্গীয় মাণিক বৰুৱাদেৱক তেখেতৰ উজান বজাৰৰ ঘৰত লগ ধৰিলোঁগৈ। বৰুৱাদেৱ সেই সময়ত গভাৰ্নিং বডিৰ মেম্বাৰ আছিল নে নাই মই নাজানো, কিন্তু সকলো কথা শুনি তেখেতে ক'লে যে এনে কথা কেনেকৈ হ'ব পাৰে—মই এতিয়াই প্ৰিন্সিপ্যাললৈ চিঠি দিম। তাৰ পিছত মোৰ পৰিচয় সোধাত মই যেতিয়া দেউতাৰ নাম ক'লো তেখেতে কৈ উঠিল, "ডাঃ উদয়ৰাম দাসতো মোৰ পৰম বন্ধু আছিল— তুমি তেনেহ'লে তেওঁৰেই ল'ৰা।" তেখেতৰ ঘৰৰপৰা উভতি গৈ বন্ধুসকলৰ পৰামৰ্শ মতে কটন কলেজৰ অফিচত ফৰ্ম পূৰাই থৈ আহিলোঁগৈ। ইতিমধ্যে কেইগৰাকীমান বন্ধুৱে মোৰ হোষ্টেলত থকা সম্পৰ্কে মতামত সংগ্ৰহ কৰিবৰ কাৰণে কেইগৰাকীমান প্ৰফেচাৰক লগ ধৰিলেগৈ। সেই সময়ত সংস্কৃতৰ অধ্যাপক পদ্মনাথ বিদ্যা বিনোদ

মহোদয় অতি ৰক্ষণশীল গোড়া মানুহ বুলি জনাজাত আছিল। তেওঁ ক'লে তেওঁৰ আপত্তি নাই। মই জনাত অসমৰ হিন্দু সংস্কৃতিয়ে সকলোকে ঠাই দিছে। এগৰাকী অধ্যাপকে ক'লে, "চুপাৰিনটেণ্ডেণ্ট শ্ৰীযুত বনমালী বেদান্ত তীৰ্থই কিয় আপত্তি কৰিছে মই বুজি পোৱা নাই—তেওঁ 'হিন্দু ধৰ্মত স্বাধীন চিন্তা' বুলি এখন কিতাপো লেখিছে, সেই কিতাপ লেখাৰ পিছত তেওঁৰ নিচিনা মানুহৰ আপত্তিৰ কাৰণ কি থাকিব পাৰে মই বুজিব নোৱাৰো।" ইয়াৰপৰা বুজা গ'ল একমাত্ৰ বনমালী বেদান্ত তীৰ্থৰ বাহিৰে আন কোনো অধ্যাপকৰে আপত্তি নাছিল। কি কৰোঁ কি নকৰোঁ এনেবিলাক কথা গুণি গাথি থাকোঁতেই গধূলি হ'ল—এনেতে চুপাৰিনটেণ্ডেণ্ট বেদান্ত তীৰ্থই মোৰ কোঠালৈ সোমাই আহি ক'লেহি, "তুমি এতিয়াই হোষ্টেল এৰি যাব লাগে।" তেওঁৰ আদেশ শুনি মই যাবলৈ ওলোৱাত কেইগৰাকীমান মুছলমান বন্ধুৱে মোক তেওঁবিলাকৰ হোষ্টেললৈ মাতি পঠিয়ালে কিন্তু মই লগে লগে শুনিবলৈ পালোঁ যে তাতো মুছলীম-ছাত্ৰাবাসৰ চুপাৰিনটেণ্ডেণ্ট আৰবীৰ অধ্যাপক গৰাকীয়ে হেনো কৈছিল "মুছলীম ছাত্ৰাবাসত মুছলীম ল'ৰা থাকিব হিন্দু ছাত্ৰ কেনেকৈ থাকিব ?" ইয়াৰ পিছত মই পানবজাৰৰ এগৰাকী বন্ধুৰ ঘৰলৈ যোৱাটোকে ঠিক কৰিলোঁ। তেওঁৰ ঘৰলৈ গৈয়েই মই মোমাইদেউলৈ সবিশেষ জনাই টেলিগ্ৰাম দিলোঁ। টেলিগ্ৰাম পাই মোমাইদেৱে মোক কলিকতালৈ যাবলৈ হাক দি টেলিগ্ৰাম দিলে আৰু তৰুণৰাম ফুকনদেৱকো জনালে। ফুকনদেৱ আৰু বৰুৱাদেৱে প্ৰিন্সিপালৰ লগত কি কথা হ'ল নাজানোঁ কিন্তু প্ৰিন্সিপাল চুদমাৰ্চন চাহাবে মোক ভৰ্তি কৰিবলৈ আদেশ দিলে, কিন্তু এটা চৰ্ত বান্ধি দিয়া হ'ল—মই যেন হোষ্টেলত কুকুৰা চৰাইৰ কণী বা মঙহ নাখাওঁ আৰু ডাইনিং হলত নেখাই নিজৰ কোঠাতে খাওঁ। অৱশ্যে সেই সময়ত আমি ঘৰত কুকুৰা কণী খাইছিলো। পিছে মাইহে সেইদৰে নচলিছিল। যি হওঁক এই চুক্তিপত্ৰত চহী কৰি মই পুনৰ হোষ্টেলত সোমালো। কিন্তু এইবাৰ যি হোষ্টেলত থাকিলো সেই হোষ্টেল আগৰবাৰতকৈ সুকীয়া আছিল। সেইঘৰ বৰ্তমান নাই, সেই ঘৰৰ ঠাইত এতিয়া চতুৰ্থ ব্লক সজা হৈছে। আমি তিনিও গৰাকী একেলগে থাকিলো। গোলাঘাটৰ স্বৰ্গীয় গিৰিশচন্দ্ৰ বৰুৱা আৰু শিৱসাগৰৰ স্বৰ্গীয় বল্লভ হাজৰিকা। গিৰিশ বৰুৱাদেৱক আমাৰ মনিটাৰ পতা হ'ল। কিছুদিন পিছত বৰুৱাদেৱ হোষ্টেলৰপৰা যোৱাত স্বৰ্গীয় চিত্ৰমল্ল বৰুৱাদেৱক মনিটাৰ পতা হ'ল। মই যদিও কুকুৰাৰ কণী নেখাও বুলি চুক্তি-পত্ৰত চহী কৰি দিলো পিছত দেখিলো হোষ্টেলৰ বহুতো ল'ৰাই বুধবৰীয়া হাটৰপৰা সস্তাতে কণী আনি খায়। মই চুক্তি-পত্ৰৰ সন্মান ৰক্ষা কৰিবলৈ কণীকে খোৱা এৰি দিলো। এইদৰে মোৰ

বাৰেবৰণীয়া অভিজ্ঞতাৰে কলেজৰ দিনবোৰ যাবলৈ ধৰিলে। যিসকল ছাত্ৰই মোক হোষ্টেলত থাকিবলৈ দিয়াত আপত্তি কৰিছিল তেওঁবিলাকে নানা কথাৰে মোক আঘাত দিয়া সত্ত্বেও মই শিক্ষাত কেনেবাকৈ বাধা পাম বুলিয়েই সকলো সহ্য কৰি থাকিলো। এই বিষাদৰ স্মৃতিবোৰ মই আৰু মনলৈ আনিব নোখোজো। কিন্তু এই বেজীৰ খোঁচৰ দৰে আঘাতবোৰ মাজেসময়ে ইমান যন্ত্ৰণাদায়ক হৈছিল যে মই এইবোৰ কথা পাহৰিবলৈ ব্ৰহ্মপুত্ৰৰ পাৰৰ কাচাৰীঘাটত বহি থাকোগৈ—ব্ৰহ্মপুত্ৰৰ বিশাল বুকুয়েদি বৈ যোৱা পানীৰ সোঁতৰ লগতে মোৰ মনটোও যেন উটি যাব খোজে—নাৱৰীয়াবিলাকে নাও বাই যোৱা দেখি মোৰ মনলৈ বিশ্বকবি ৰবীন্দ্ৰনাথৰ "ওগো তুমি কোথা যাও কোন দূৰ দেশে" কবিতা ফাঁকি মনলৈ আহে—"সোণাৰ তৰীৰ" কবিতাবিলাকে মনত যেন লুকা-ভাকু খেলি যায়। উমানন্দৰপৰা উটি অহা শঙ্খত আকৌ সাৰ পাই উঠো।

সেই সময়ৰ মনৰ ডাৱৰীয়া দিশটো বাদ দি এতিয়া পোহৰৰ দিশলৈ আহো। অধ্যাপকসকলৰ সৰহ ভাগেই মোক মৰম আৰু চেনেহ কৰিছিল। অধ্যাপকসকলৰ কথা ক'বলৈ লওঁতে পোনতে মনলৈ আহে অধ্যাপক প্ৰফুল্লচন্দ্ৰ ৰায়ৰ কথা— তেওঁৰ সহধৰ্মিণী শ্ৰীযুতা লতিকা ৰায় মোৰ মাৰ বন্ধু স্বৰ্ণময়ীৰ (স্বৰ্গীয় গুণাভিৰাম বৰুৱাৰ ডাঙৰ জীয়েক) কন্যা আছিল। সেই কাৰণে তেওঁবিলাক মোৰ অভিভাৱকো আছিল। অভিভাৱক হিচাপে প্ৰায় প্ৰতি দেওবাৰে তেখেতসকলে মোক ভাত খাবলৈ নিমন্ত্ৰণ কৰিছিল। অধ্যাপক ৰায়ে আমাৰ শ্ৰেণীৰ পঢ়া আৰম্ভ কৰাৰ প্ৰথম দিনা টেনিশ্যনৰ 'লকছ্লী হল' (Locksley Hall) বোলা কবিতাটো যিদৰে আবৃত্তি কৰি শুনাইছিল তাৰ কথা আজিও পাহৰা নাই। এই আবৃত্তিয়ে অকল মোৰেই মনত যে সাঁচ বহুৱাইছিল এনে নহয় সিদিনা অলপতে অধ্যাপক ৰায় ঢকুৱাৰ পিছত শ্ৰীযুত দেৱেশ্বৰ শৰ্মাদেৱেও মোক একেদৰেই কৈছিল। সেই সময়ত অধ্যাপক সকলৰ কিছুমানে পঢ়া আৰম্ভ কৰাৰ আগতে একোটি ভাষণ দি পঢ়া আৰম্ভ কৰিছিল আৰু সেই ভাষণ ইমান প্ৰাণস্পৰ্শী আছিল যে তাৰ প্ৰভাব ল'ৰাবিলাকৰ মনত দকৈ পৰিছিল। বুৰঞ্জী মোৰ পাঠ্যৰ বিষয়ৰ ভিতৰত নাছিল, কিন্তু মোৰ দ্বিতীয় বাৰ্ষিকত পঢ়া বন্ধু এজনে ক'লে, "আজি অধ্যাপক ভুৱনমোহন সেনে ফৰাছী বিপ্লৱৰ ওপৰত বক্তৃতা দিব তুমিও শুনিবাগৈ।" সেইমতে মই বুৰঞ্জীৰ শ্ৰেণীত যোগ দিলো। আগৰেপৰা মই ফৰাছী বিপ্লৱৰ কথাবোৰ শুনি বৰ ভাল পাইছিলো— বিশেষকৈ আমাৰ শিক্ষক স্বৰ্গীয় গুৰুপ্ৰসাদ বৰুৱাদেৱৰপৰা যেতিয়া শুনিছিলো যে তেওঁ ৰিপন কলেজৰ ইংৰাজীৰ অধ্যাপক সুৰেন্দ্ৰনাথ বেনাৰ্জীৰ বাৰ্কৰ ফৰাছী বিপ্লৱৰ কিতাপখন পঢ়ুৱা শুনিবলৈ প্ৰেচিডেন্সি কলেজৰপৰা নাম কটাই গৈ

বিপন কলেজত ভৰ্তি হৈছিলগৈ। সেইবাবে অধ্যাপক সেনৰ ভাষণ শুনিবলৈ মই উদগ্ৰীৱ হৈ উঠিছিলো। সেই ভাষণৰ কথা মই আজিও পাহৰা নাই।

ৰসায়নৰ অধ্যাপক চুনীলাল দেয়েও সেইদৰে যেতিয়া আণৱিক মতবাদৰ ওপৰত ভাষণ দিছিল সেই ভাষণো অতি হৃদয়গ্ৰাহী আছিল। অধ্যাপক দেৱ বৰ ধৰ্মপৰায়ণ লোক আছিল—সেইবাবে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ গুৰিত অণুপৰমাণুৰ কথা কৈ তাৰ আঁৰত ভগৱানৰ অস্তিত্ব বুজাবলৈ যত্ন কৰিছিল। তেওঁ অতি আবেগেৰে ইয়াকেই প্ৰতিপন্ন কৰিব খুজিছিল যে বিজ্ঞানে ভগৱানৰ অস্তিত্বক অস্বীকাৰ কৰিব নোৱাৰে।

ৰসায়ন বিভাগৰ অধ্যাপক মিষ্টাৰ মৈশ্যনে পঢ়া আৰম্ভ কৰাৰ পোন প্ৰথম দিনা গুৱাহাটীৰ পানী কলটোৱে কিদৰে ব্ৰহ্মপুত্ৰৰ পানী চাফা কৰি নগৰবাসীক যোগান দিছে তাকেই বুজালে। গোটেই বছৰটো ধৰি তেখেতে পানীকলৰ এই ব্যৱস্থাবিলাকৰ ওপৰতে বক্তৃতা দিলে—আমাৰ বহুতৰে শঙ্কা হৈছিল বিশ্ববিদ্যালয়ে ধৰি দিয়া পাঠ্যক্ৰম এখেতে সময়মতে শেষ কৰিব পাৰিব নে নোৱাৰে? মাজে মাজে তেখেতে ছাত্ৰসকলক পানীকললৈ লৈ গৈ পানীকলৰ ব্যৱস্থাবোৰ প্ৰত্যক্ষভাৱে বুজাই দিছিল। তেখেতৰ আৰু এটি কথাই ছাত্ৰবিলাকক বৰ আনন্দ দিছিল, সেইটো হৈছে প্ৰায় দেওবাৰে তেওঁ ল'ৰাবিলাকক লৈ গুৱাহাটীৰ ওচৰৰ পৰ্বতবিলাকলৈ ফুৰাবলৈ লৈ গৈছিল আৰু সেইপৰ্বতত থকা বনৰীয়া বন পাত গোটাই লৈ উদ্ভিদ জগতৰ লগত আমাক চিনাকি কৰি দিবলৈ যত্ন কৰিছিল—এইদৰেই আমি প্ৰকৃতিৰ উদ্ভিদ বিজ্ঞানৰ প্ৰাথমিক কথা কিছু শিকাৰ সুবিধা পাইছিলো। এইখিনিতেই কৈ থোৱা ভাল হ'ব যে আমাৰ পাঠ্যক্ৰম মৈশ্যন চাহাবে শেষ কৰিব পৰা নাছিল। অধ্যাপক দে মহোদয়েহে শেষ কৰিবলগীয়া হৈছিল। প্ৰিঞ্চিপ্যাল চুদমাৰ্চন চাহাবে ইংৰাজী পাঠ্যক্ৰমৰ কেৱল এখন কিতাপহে লৈছিল—সেইখন হৈছে ইংৰাজ কবি কাউপাৰৰ (Cowper) টাস্ক্ (Task) বোলা কবিতা পুথিখন। এইখন কিতাপ পঢ়াওঁতে তেওঁ অঙ্গি-ভঙ্গিৰে পঢ়াইছিল বাবে আমি হাঁহি সামৰিব পৰা নাছিলো। কবি কাউপাৰে আমি বহা চকীখনৰ ক্ৰমবিকাশৰ ওপৰতে ধেমেলীয়া কবিতা পুথি লেখিছিল। কবিয়ে চকীখনৰ ক্ৰমবিকাশ বৰ্ণনা কৰি গোটা টান কাঠ এটুকুৰাৰ ওপৰত মানুহ পোনতে কেনেকৈ ওলোমাই বহিবলগীয়া হৈ অসুবিধা পাইছিল তাকে বুজাইছিল—এই কথাষাৰকে বুজাবলৈ প্ৰিঞ্চিপ্যালে জাপ মাৰি টেবুলখনৰ ওপৰত ভৰি ওলোমাই বহি নানা অঙ্গি-ভঙ্গিৰে আমাক সেই অৱস্থাটো বুজাবলৈ চেষ্টা কৰিছিল। ছেক্সপীয়েৰে পঢ়াওঁতেও হেনো তেওঁ এই একেদৰেই পঢ়াইছিল। পঢ়াওঁতে নাটকৰ চৰিত্ৰবিলাকৰ

লগত তেওঁ একাকীভূত হৈ গৈছিল। প্ৰিন্সিপ্যাল চুদমাৰ্চনৰ কথা সোঁৱৰিলে আৰু বহু কথা মনলৈ আহে। তেওঁৰ ছাত্ৰসকললৈ অতি মৰম আছিল। সেইসময়ত ঘটা এটি ঘটনাৰ পৰা তেখেতে কিদৰে ছাত্ৰসকলৰ পক্ষ লৈছিল এই প্ৰসঙ্গতে কোৱাটো ভাল হ'ব। আমি কলেজত সোমোৱাৰ দুবছৰমান আগতে হোৱা ঘটনাটো ঘটিছিল এইদৰে— এটা দেওবাৰে কেইজনমান ছাত্ৰ বশিষ্ঠাশ্ৰমৰপৰা উভতি অহাৰ বাটত কেইজনমান ইংৰাজ বিষয়াৰ লগত সংঘৰ্ষ লাগিছিল। ছাত্ৰসকল খোজকাঢ়ি আহিছিল আৰু ইংৰাজসকল বাইচাইকেলত আহিছিল। ছাত্ৰসকল আহোঁতে গোটেই বাটতো আগুৰি আহিছিল। ছাত্ৰসকলৰ ভিতৰত স্বৰ্গীয় চিত্ৰমল্ল বৰুৱা আৰু ধনীৰাম তালুকদাৰ প্ৰভৃতি আছিল। তেওঁবিলাকে কথাপাতি আহোঁতে ইংৰাজ কৰ্মচাৰীসকলৰ বাইচাইকেলৰ ধ্বনি বোধাকৰোঁ শুনা নাছিল কাৰণে বাট এৰি দিয়া নাছিল। তেওঁবিলাকে বাট এৰি নিদিয়াত এগৰাকী ইংৰাজ কৰ্মচাৰী এজন ছাত্ৰৰ গাত লাগি বাটত পৰি গ'ল। পিছত এই ঘটনাটোকে লৈ সংঘৰ্ষ হ'ল। ছাত্ৰসকলৰ ভিতৰত ধনীৰাম তালুকদাৰ বৰ বলী মানুহ আছিল— ওখই ৭ ফুট আৰু বলিষ্ঠ দেহ গঠনেৰে তেওঁক আনে সহজে বলে পৰাতো টান আছিল। তাৰোপৰি তেওঁৰ হাতত এডাল গছৰ ঠাল আছিল। তেওঁ চাহাবজনক মাৰি মাৰি পথাৰত পেলাই দিলে। তাৰপিছত দুয়ো দল দিহাদিহি গুচি আহিল— কিন্তু কথাষাৰ ইয়াতেই অন্ত নপৰিল। সেই সময়ৰ ৰাজনৈতিক পৰিপ্ৰেক্ষিতত ঘটনা-টোৱে ডাঙৰ ৰূপ ধাৰণ কৰিবৰ সম্ভাৱনা হ'ল। সেই সময়ৰ বৈপ্লবিক বাতাবৰণৰ কাৰণে ডেকাসকলৰ মন ইংৰাজ বিৰোধী হৈ আছিল বিশেষকৈ কলিকতাৰ ঘটনা-ৱলীয়ে অসমৰ ডেকাসকলৰ মনতো প্ৰভাৱ পেলাইছিল। এই সময়তে মাণিকতলা ষড়যন্ত্ৰৰ মকৰ্দমা কলিকতাত চলি আছিল আৰু শ্বহীদ খুদীৰামৰ ফাঁচীও এই সময়তে হৈছিল। এইবাবে ইংৰাজ কৰ্মচাৰীসকলৰ মনত এই ঘটনাই অলপ আশঙ্কাৰ সৃষ্টি কৰিছিল। যিহওক ছাত্ৰসকলে বশিষ্ঠাশ্ৰমৰপৰা উভতি আহিয়েই প্ৰিন্সিপ্যালক সকলো কথা জনাইছিলহি। প্ৰিন্সিপ্যাল চুদমাৰ্চনেও ল'ৰাবিলাকৰপৰা কথাষাৰ শুনি এইটো যে এটা ব্যক্তিগত ঘটনা বুজি পালে আৰু তেওঁ ইংৰাজ কৰ্মচাৰীসকলক এই কথাষাৰত গুৰুত্ব নিদিবলৈ অনুৰোধ কৰি ছাত্ৰসকলক লৈ এদিন য়ুৰোপীয়ান ক্লাবলৈ গৈ সকলো কথা মিট-মাট কৰাই দিলে। ব্যক্তিগতভাৱে তেওঁ এজনা উদাৰমনৰ মানুহ হ'লেও কলেজৰ বিকাশ সাধনৰ কথাত তেওঁ সিমান গুৰুত্ব দিয়া নাছিল। সেই সময়ৰ চীফ কমিচনাৰ চাৰ আৰ্চডেল আৰ্লে (Sir Archdale Earle) শিক্ষাৰ উন্নতিৰ কাৰণে বিশেষকৈ কটন কলেজৰ উন্নতিৰ কাৰণে চেষ্টা

কৰা সত্ত্বেও প্ৰিন্সিপাল চুদমাৰ্চন চাহাবে সেই সহানুভূতিৰ সুযোগ নলৈ খৰচৰ বোজা কাঢ়িব বুলি অলপ কৃপণালি কৰিছিল। বহু প্ৰয়োজনীয় বিভাগ খোলাত অযথা পলম হোৱাৰ কাৰণে আমৰ ছাত্ৰসকলে বাধ্য হৈ কলিকতালৈ যাবলগীয়া হৈছিল।

সাধাৰণতে ভাৰতীয় ছাত্ৰসকল স্বাস্থ্যনীতিৰ কথাবিলাকৰ কাৰণে বৰ সজাগ নহয়। য'তে ত'তে ঠাই অপৰিষ্কাৰ কৰি ফুৰাটো যেন তেওঁবিলাকৰ এটা স্বভাৱ আছিল। চুদমাৰ্চন চাহাবে এইবিলাক কথাত চকু দিছিল। তেখেতে মাজে মাজে হোষ্টেললৈ আহি ল'ৰাবিলাকক স্বাস্থ্যনীতিৰ এই কথাবোৰ বুজাইছিলহি।

দৰ্শন বিভাগৰ অধ্যাপক বনমালী বেদান্ত তীৰ্থই আমাক লজিক পঢ়াইছিল। প্ৰথম দিনা শ্ৰেণী ল'বলৈ আহিয়েই তেওঁ আমাক এটা প্ৰশ্ন সুধিলে, "ভবিষ্যত তোমালোকে কোনে কি হবলৈ বিচাৰিছা কোৱা?" এই প্ৰশ্নৰ উত্তৰত কেইজন মানে কৈছিল তেওঁবিলাকে স্কুল পৰিদৰ্শক হ'বলৈ বিচাৰে। আন কেইজনমানে কৈছিল তেওঁবিলাকে পুলিচ বিভাগত চাব্ ইন্সপেক্টৰ হ'বলৈ বিচাৰে। পিছৰ জীৱনত আমি তেওঁবিলাকৰ আকাঙ্ক্ষা পূৰ হোৱা দেখিছিলো। আন কেইজনমানে অৱশ্যে ওকালতি কৰিব বুলি কৈছিল— আৰু তেওঁবিলাকে উকিলৰ জীৱনকেই বাছি লৈছিল। মোৰ ওচৰলৈ অহাত মই ক'লো—মোৰ ডাক্তৰী পঢ়িবৰ প্ৰবল ইচ্ছা। সকলোৰে কল্পনাই ৰূপ পালে কিন্তু মোৰ কল্পনাই ৰূপ নাপালে। আন এদিনা তেওঁ আৰু এটি প্ৰশ্ন সুধিছিল— "Are we happier now than two hundred years ago". 'দুশ বছৰৰ আগতকৈ আমি সুখীনে'— এই প্ৰশ্নৰ উত্তৰ বিচাৰি ল'ৰাবিলাকে অলপ বিবুদ্ধিত পৰিছিল। তথাপিও কিছুমানে ক'লে দুশ বছৰৰ আগতে আমি যিবিলাক বস্তু পাম বুলি ভবা নাছিলো সেইবিলাক আজি উপভোগ কৰিব পাৰিছো। মোৰ পিনৰপৰা উত্তৰত ইয়াকে কৈছিলো যে এই প্ৰশ্নৰ উত্তৰ নিৰ্ভৰ কৰে মূল্যবোধৰ ওপৰত। ৰেল, জাহাজ, টেলিগ্ৰাফ আদি হৈ আমাৰ সুবিধা হৈছে সঁচা কিন্তু তাৰ লগে লগে আমাৰ মনবোৰ ডাঙৰ হৈছে নে নাই সেইটো এটা ডাঙৰ প্ৰশ্ন। যিহওক তেওঁ এইদৰে আমাৰ মনবিলাক বুজিবলৈ যেন যত্ন কৰিছিল। আৰু এদিনাখন তেওঁ ক'লে, "মই দেওবাৰে তোমালোকক নীতি শিক্ষাৰ ওপৰত কিছু কথা ক'ম।" আৰু সেইমতে তেওঁ দেওবাৰে কলেজলৈ আহিছিল। এই শ্ৰেণীলৈ সকলো ছাত্ৰ নাহিলেও কিছু ছাত্ৰ আহিছিল— ময়ো তাৰ ভিতৰত এজন আছিলো। তেওঁ মোক দেখি আচৰিত হৈছিল। আৰু সুধিছিল মই ব্ৰাহ্ম-সমাজৰ এজন হৈও কিয় আহিছো। মই উত্তৰত কৈছিলো, "মই ভাগৱত

গীতাখন পঢ়িবলৈ যত্ন কৰি আছো আৰু আপোনাৰ ওচৰত ভালদৰে বুজিবলৈ আহিছো।” তেওঁ সেই সময়ত দেখিলো ভাগৱত গীতাখনকে পঢ়ুৱাবলৈ লৈছিল। সেই সময়ত স্বদেশী আন্দোলনৰ প্ৰভাৱত বিশেষকৈ গঙ্গাধৰ তিলকৰ গীতাৰ ভাষ্যৰ কথাবোৰ শুনি ডেকাসকলৰ গীতাৰ গূঢ় অৰ্থ বুজিবৰ কাৰণে এটা হেপাহ হৈছিল— নৈতিকতাৰ অবিহনে জাতি এটা যে মুক্ত হ'ব নোৱাৰে সেই কথাও ডেকাসকলে উপলব্ধি কৰিছিল। তেওঁ এইদৰে তিনিটামান শ্ৰেণী লোৱাৰ পিছত এদিন হঠাতে খবৰ পালো যে তেওঁ শ্ৰীনগৰ কলেজৰ অধ্যক্ষ হিচাপে বদলিহৈ যাবলগীয়া হৈছে। তেখেত যোৱাৰ লগে লগে আমাৰ নীতি-শিক্ষাৰ শ্ৰেণীও বন্ধ হ'ল। এই শ্ৰেণী হ'লেও আমাৰ কিছুমানে গীতাখন বুজিবলৈ যত্ন কৰি থাকিল। সেই সময়ত অসমীয়া পঢ়োৱাৰ কি ব্যৱস্থা আছিল সেই কথাও মোৰ মনলৈ আহে। অসমীয়া পঢ়ুৱাবলৈ সুকীয়া কোনো অধ্যাপক নাছিল। কটন কলেজিয়েট স্কুলৰ শিক্ষক এজনৰ ওপৰতেই ইয়াৰ দায়িত্ব দিয়া হৈছিল। তেওঁ সপ্তাহত এদিন কেতিয়াবা দুদিন অসমীয়া পঢ়ুৱা-বলৈ আহিছিল। আমি স্বৰ্গীয় লক্ষ্মীনাথ শৰ্মাদেৱক আমাৰ অসমীয়াৰ অধ্যাপক হিচাপে পাইছিলো। তেওঁ সংস্কৃতৰ এম. এ আছিল। তেওঁ শ্ৰেণীলৈ আহি ছাত্ৰ-সকলৰ উপস্থিতি লোৱাৰ পিছতেই সৰহভাগ ছাত্ৰই তেওঁৰপৰা বাহিৰলৈ যোৱাৰ অনুমতি লৈ ওলাই গৈছিল— ছাত্ৰসকলৰ কাৰণে এইটো যেন আজৰিৰ হে শ্ৰেণী। মুঠতে অসমীয়া শিক্ষালৈ কৰ্তৃপক্ষ যেনেকুৱা উদাসীন আছিল ছাত্ৰসকলো সমানেই উদাসীন আছিল। শ্ৰেণীত দহ বাৰজন ছাত্ৰতকৈ সৰহ নাথাকিছিল। এইদৰে কিছুদিন যোৱাত স্বৰ্গীয় সত্যনাথ বৰাদেৱক অসমীয়াৰ অধ্যাপকৰ পদত নিযুক্তি দিয়া হ'ল। তেওঁৰ সময়তো ছাত্ৰসকলৰ মনৰ বিশেষ পৰিৱৰ্তন হোৱা নাছিল।

সংস্কৃতৰ কাৰণে আমি দুগৰাকী অধ্যাপক পাইছিলো। এগৰাকী আছিল পদ্মনাথ বিদ্যাবিনোদ আৰু আন গৰাকী আছিল শ্যামা দাস ভট্টাচাৰ্য। সংস্কৃত বিভাগতো আমি আন শ্ৰেণীবিলাকৰ দৰেই সংস্কৃত সাহিত্যৰ ওপৰত কোনো ভাষণেৰে শ্ৰেণী আৰম্ভ হ'ব বুলি ভাবিছিলো— কিন্তু আমি ভবা মতে হোৱা নাছিল। অৱশ্যে লেকচাৰ শ্যামদাস ভট্টাচাৰ্যদেৱে ৰঘুবংশ পঢ়াবলৈ লওঁতে কালিদাসৰ কাব্য প্ৰতিভা সম্পৰ্কে কিছু কথা বৰ চমুকৈ কৈছিল। কিন্তু তেওঁ কিছুদিন পিছতে কটন কলেজৰপৰা বদলি হৈ গ'ল। তেওঁ যোৱাৰ পিছতে আমি তেওঁৰ ঠাইত লক্ষ্মীনাথ চট্টোপাধ্যায়দেৱক পালোঁ। এখেতে শ্ৰেণীবোৰ বৰ ৰসাল কৰি তুলিছিল। খ্ৰীষ্টান মিশ্যনাৰীসকলৰ লগত মোৰ যোগাযোগ কেনেকৈ হৈছিল সেইকথা ইয়াতেই কৈ থোৱা বোধকৰো ভাল হ'ব। কেইগৰাকীমান বন্ধুৰপৰা শুনিবলৈ পাইছিলো

যে খ্ৰীষ্টান মিশ্চনাৰীসকলেও এটা হোষ্টেল খোলাৰ সংকল্প কৰিছে— মোৰ হোষ্টেলৰ তিক্ত অভিজ্ঞতাবিলাকে এওঁবিলাকৰ লগত যোগাযোগ কৰিবলৈ ধাউতি আনিলে। এদিনাখন মই বন্ধু এগৰাকীৰ সৈতে ৰেভাৰেণ্ড টাট্‌লৰ (Rev. Tutle) লগত দেখা কৰিলোঁগৈ। ৰেভাৰেণ্ড টাট্‌লে মোক জনালে যে হোষ্টেল খোলাৰ সম্ভাৱনা আছে যদিও খোলাত পলম হ'ব। যিহওক তেওঁ মাজে মাজে আমাক তেওঁৰ ওচৰলৈ গৈ থাকিবলৈ ক'লে। আমিও সেইদৰে মাজে সময়ে তেওঁৰ ওচৰলৈ গৈ আছিলো। ডিচেম্বৰ মাহৰ এদিনাখন কটন কলেজ হোষ্টেলৰ ল'ৰাবিলাকে ৰেভাৰেণ্ড টাট্‌লৰপৰা মিশ্চন কম্পাউণ্ডলৈ চাহৰ বাবে নিমন্ত্ৰণ জনোৱা এখন চিঠি পালে। কহিমাৰপৰা সপৰিয়ালে উভতি অহা ৰেভাৰেণ্ড উইটিয়াৰৰ (Rev. Wittier) সম্মানাৰ্থে এই চাহমেলৰ আয়োজন কৰা হৈছিল। ৰেভাৰেণ্ড টাট্‌লে মোৰ সম্পৰ্কে ৰেভাৰেণ্ড উইটিয়াৰক কি কৈছিল মই নাজানো কিন্তু তেওঁ মোক ৰেভাৰেণ্ড উইটিয়াৰৰ লগত চিনাকি কৰি দিলে। ৰেভাৰেণ্ড গৰাকীৰ লগত তেওঁৰ সহধৰ্মিণী মিচেচ উইটিয়াৰো আছিল। ইয়াৰ আগতে আমি বাইবেল ছোছাইটিৰপৰা একোখনি বাইবেল উপহাৰ স্বৰূপে পাইছিলো। সেই সময়ত হেনো কলেজৰ প্ৰত্যেক লৰাই একোখনি বাইবেল উপহাৰ পোৱাটো নিয়ম আছিল। ৰেভাৰেণ্ড উইটিয়াৰে আন কথা সোধাৰ লগতে সুধিলে বাইবেলখন পঢ়িছানে? মই ক'লো, "মই পঢ়িবলৈ আৰম্ভ কৰিছো আৰু বাইবেলৰ ভাষা বৰ সহজ বুলিও ক'লো।" তেখেতে আকৌ সুধিলে, "কোন কথাষাৰ তোমাৰ ভাল লাগিছে?" মই ক'লো, "পৰ্বতৰ ওপৰত যীশুৱে দিয়া উপদেশৰ কথাখিনি মই বৰ ভাল পাইছো আৰু লগতে ক'লো এই কথাবোৰ পালন কৰিবলৈহে বৰ টান। এই কথাষাৰ খ্ৰীষ্টানলোক সকলেও পালন কৰিবলৈ টান পাই যেন লাগে।" যিহওক এই সম্পৰ্কে তেওঁ আৰু মোক একো নুসুধিলে। মাথোন ক'লে, "ইয়াত বাস্কেট বল খেলিবলৈ ব্যৱস্থা আছে। তোমালোক খেলিবলৈ আহিবাহঁক। এই খেল আমেৰিকাত বৰ জনপ্ৰিয়।" সেইদিনা ইয়াতকৈ বেছি আৰু একো কথা হোৱা নাছিলো। আমি চাহ জলপান খাই গুচি আহিলো। ইয়াৰ পিছত মাজে সময়ে মই মিশ্চন কম্পাউণ্ডলৈ অহা-যোৱা কৰি আছিলো। এদিনাখন মিচেচ্ উইটিয়াৰে মোক মৰম কৰি এইদৰে কৈছিল, "তুমি মোক মাৰাৰ দৰে ভাবিবা—কিবা কথা ক'বলগীয়া হ'লে নিঃসঙ্কোচে মোকেই ক'বা।" তেওঁ এইদৰে কৈছিল যদিও মই তেওঁক কোনোদিন একো কথা কোৱা নাছিলো—তেওঁবিলাক যিমান দিন আছিল মই সুবিধামতে অহা-যোৱা কৰি আছিলো আৰু যেতিয়া আমেৰিকালৈ গ'ল মমো মিশ্চন কম্পাউণ্ডলৈ যোৱা এৰিলো। তেওঁবিলাকে খুলিবলগীয়া

হোষ্টেল খোলাত আৰু অলপ পলম হব জানি মই সেই হোষ্টেলৰ আশাও এৰিলো। এইখিনিতে এবাৰ কথা উল্লেখ কৰাটো কিজানি উচিত হ'ব। আজি কেইবছৰমান আগতে মই এখন কিতাপ পঢ়িছিলো—সেই কিতাপখন হৈছে বেপটিষ্ট মিশ্যনাৰীসকলৰ এশবছৰীয়া বুৰঞ্জীৰ পৰ্যালোচনা। কিতাপখনৰ ইংৰাজী নাম হৈছে 'Baptists in Assam'— (A century of Missionary service) লিখক ৰেভাৰেণ্ড স্বোৰ্ড (Rev. Sword) কিতাপখনৰ এঠাইত এই বুলি মন্তব্য কৰিছে—"The liberal Mahapurusia Religion is strongly entrenched in the plains of Assam." উদাৰ মহাপুৰুষীয়া ধৰ্মই দুৰ্গৰ দৰে অসমৰ ভৈয়ামক ৰক্ষা কৰি থকাৰ কাৰণেই কিজানি তেখেতসকলে ভৈয়াম এৰি পৰ্বতত প্ৰচাৰ কাৰ্য চলাবলৈ যাবলগীয়া হৈছিল। ময়ো ভাবো কটন কলেজৰ সৰহভাগ ছাত্ৰই ভৈয়ামৰ এই উদাৰ ধৰ্মৰ প্ৰভাৱত মোক হোষ্টেলত ঠাই দিয়াত আপত্তি কৰা নাছিল। কম সংখ্যক ৰক্ষণশীল ছাত্ৰৰ অনুৰোধত বনমালী বেদান্ত তীৰ্থদেৱে কিজানি তেখেতৰ ওপৰত হিন্দু ধৰ্মক ৰক্ষা কৰাৰ দায়িত্ব আছে বুলি ভাবিয়েই মোক থাকিবলৈ দিয়াত আপত্তি কৰিছিল।

এই অধ্যায়টো শেষ কৰাৰ আগতে অধ্যাপকসকলৰ আৰু এটি কথা মনলৈ আহিছে। সেই সময়ত ভাৰত চৰকাৰে এটা কমিশ্যন বহুৱাইছিল। সেই কমিশ্যনটোৰ নাম আছিল ইছলিংটন কমিশ্যন (Islington Commission)। ভাৰতীয় কংগ্ৰেছে তাহানিৰেপৰা চৰকাৰে ভাৰতীয়সকলৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰা হয় বুলি এটা অভিযোগ আনিছিল। আই, চি, এচ পৰীক্ষা বিলাতত পতা সময়তে ভাৰততো পাতিব লাগে বুলি এটা দাবী কৰি আহিছিল। পুলিচ চাৰ্ভিছ, ফৰেষ্ট চাৰ্ভিছ, মেডিকেল চাৰ্ভিছ আদিৰ লগতে এডুকেশ্যনেল চাৰ্ভিছ (I. E. S.) আদিৰ নিযুক্তি-পত্ৰও বিলাতত্তে দিয়া হৈছিল। ইয়াৰ ফলত ভাৰতৰ বহুতো যোগ্যতা-সম্পন্ন লোক অৰ্হতা থকা সত্ত্বেও শিক্ষা বিভাগত (I. E. S. ত) নিযুক্তি পোৱাৰপৰা বঞ্চিত হৈছিল। আচাৰ্য প্ৰফুল্লচন্দ্ৰ ৰায়, জগদীশচন্দ্ৰ বসুৰ দৰে জগৎ বিখ্যাত বৈজ্ঞানিকসকলেও প্ৰাদেশিক চাৰ্ভিছত কাম কৰিবলগীয়া হৈছিল। প্ৰাদেশিক চাৰ্ভিছত দৰমহা দুশ টকাৰপৰা আৰম্ভ হৈছিল অথচ বিলাতত নিযুক্তি পোৱা ডেকা আই, ই, এচ এজনে পাঁচশ টকাৰপৰা আৰম্ভ কৰি হেজাৰ টকাৰ ওপৰ পাইছিল। সেই সময়ত এই সম্পৰ্কে কমিশ্যনে সাক্ষ্য লৈ আছিল। আচাৰ্য প্ৰফুল্লচন্দ্ৰ ৰায়ে সাক্ষ্য দিওঁতে এই অভিযোগৰ যুক্তি-যুক্ততা প্ৰতিপন্ন কৰিবলৈ যত্ন কৰিছিল। বাতৰি কাকতত এই সংবাদটো ওলোৱাত অধ্যাপকসকলৰ কমন ৰুমত ডঃ অমদ্যানে হেনো মন্তব্য কৰিছিল আচাৰ্য ৰায়ৰ সম্পৰ্কে তেওঁৰ যি আস্থা আছিল এই কথাত আস্থা

নোহোৱা হ'ল। এনে কথাত অধ্যাপক প্ৰফুল্লচন্দ্ৰ ৰায়ৰ লগত তৰ্কমূলক আলোচনা হোৱা বুলি আমি শুনিবলৈ পাইছিলো। অধ্যাপক ৰায়ে য়ুৰোপীয় আদৰ্শমতে জীৱনধাৰা গঢ়ি ল'লেও তেওঁ অন্তৰত ভাৰতীয় আছিল। এনেবিলাক নানান অভিজ্ঞতাৰ মাজেদি মোৰ কটন কলেজত দুবছৰ পাৰহৈ গ'ল।

* * *

মোৰ অভিভাৱকৰ ইচ্ছা আছিল যে কটন কলেজত যেনেতেনেকৈ চাৰি বছৰ পঢ়ুৱাই মোক গ্ৰেজুৱেট কৰাটো—পিছে হোষ্টেলৰ অসুবিধাই আৰু মোৰো আই, এ পৰীক্ষাত অকৃতকাৰ্যতাই তেখেতৰ মতৰ সলনি কৰিলে। অৱশেষত মোক কলিকতালৈ পঠোৱাটোকে স্থিৰ কৰিলে। কলিকতাৰ কেইগৰাকীমান বন্ধুলৈ তেখেতে চিঠি দিয়াত মই অতি সহজেই চিটি কলেজত ভৰ্তি হ'ব পাৰিলো কিন্তু তাৰ সংলগ্ন এটি মেচটো চিট পাব নোৱাৰি ব্ৰাহ্ম বয়জ বোৰ্ডিঙত থাকিবলগীয়া হ'ল। এই বোৰ্ডিঙটো স্কুলীয়া ল'ৰাব কাৰণে আছিল যদিও কেবাজনো কলেজৰ ছাত্ৰ ইয়াত ভৰ্তি কৰা হৈছিল। মোৰ যোৱাত পলম হোৱাৰ কাৰণে দুজনীয়া ল'ৰাৰ এটি খোটালীত আমি তিনিজন ল'ৰা থাকিবলগীয়া হৈছিল। দুজনৰ ঠাইত তিনিজন থাকিবলগীয়া হোৱাত তাৰে এজনৰ মোৰ ওপৰত খঙৰ ভাব হৈছিল। তেওঁ নানান উপায়েৰে এই খং প্ৰকাশ কৰিবলৈ ধৰিলে। এদিনাখন তেওঁ ক'লে, তেওঁৰ হাতত হেনো কেবাজনো গুণ্ডা আছে আৰু মোক সমুচিত শিক্ষা দিব। এদিন দেখো তেওঁ শকত-আৱত মানুহ এজন লগত লৈ কোঠা সোমালহি কিন্তু মানুহজনে মোলৈ চাই হাঁহি সুধিলে, "আৰে তুই কেতিয়া আহিলি?" মানুহজনে অসমীয়াতে সম্বোধন কৰা শুনি লগৰজন আচৰিত হ'ল। এই মানুহ গৰাকীৰ নাম আছিল নৰেন ঘোষ। এখেতসকলৰ পৰিয়ালটো আগতে তেজপুৰত আছিল আৰু আমাৰ পৰিয়ালৰ লগত তেওঁবিলাকৰ বিশেষ ঘনিষ্ঠতা আছিল। তেওঁ তেজপুৰত পঢ়োঁতে সকলো মাৰ-ধৰত আগৰণুৱা কাৰণে গুণ্ডা নামে জনাজাত আছিল। তেওঁ ক'লে তেওঁ কলিকতালৈ আহি হেনো টাক্সী চলোৱাৰ কাৰবাৰ কৰিছে। তেওঁ মোৰপৰা তেজপুৰৰ বন্ধু-বান্ধৱ সকলোৰে খবৰ ল'লে। বিশেষকৈ কালিবাবীৰ কামিনী দাসৰ (তেওঁ বাণ ষ্টেজৰ এগৰাকী খ্যাতনামা অভিনেতা আছিল) খবৰ ল'লে, আৰু ক'লে, "কামিনী দাস কলিকতালৈ আহিলে তই মোক খবৰ দিবি।" যি গৰাকী ল'ৰাই মোক শাসন কৰিবলৈ তেওঁক আনিছিল তেওঁ হতভম্ব হৈ থিয় দি থাকিল। তেওঁ যাবৰ সময়ত ল'ৰাজনক নানান কথাৰে বুজাই-বঢ়াই গ'ল। তাৰ পিছত নিমাত যুদ্ধেৰে দিন কটাই এইজন ল'ৰাৰ লগত থাকিলোঁ আৰু মন

নগ'ল। বিশেষকৈ মই আই, এ পৰীক্ষাত অকৃতকাৰ্য হৈ দোহাৰিবলগীয়া হৈছে— মোৰ সংকল্প আছিল এইবাৰ যেনেতেনে কৃতকাৰ্য হ'বই লাগিব। মনত সদায় এটা অশান্তি লৈ পঢ়া-শুনাত মন দিব নোৱাৰি বাবে আন ক'ত থকাৰ ব্যৱস্থা কৰিব পাৰি তাৰে চেষ্টাত থাকিলো। এনেতে এদিন বাতৰি কাকতত এখন জাননী দেখিলো এগৰাকী মিশ্যনাৰীয়ে মেছুৱা বজাৰষ্ট্ৰীটত ৱাই, এম, চি, এৰ (Y. M. C. A) এটা নতুন হোষ্টেল খুলিব—কোনো ল'ৰা ভৰ্তি হ'ব খুজিলে তেওঁক দেখা কৰিবলৈ জনোৱা হৈছিল। সেইমতে মই তেওঁক দেখা কৰিবলৈ গ'লো। তেওঁৰ লগত দেখা কৰি বুজিলো ততাতৈয়াকৈ হোষ্টেল খোলাৰ কথা তেওঁ ভবাই নাই। কিছুদিন এইদৰে চেষ্টা কৰি এটা বঙালী পৰিয়ালৰ লগত হোষ্টেলত থকাৰ দৰেই খৰচ-পাতি দি থকাৰ ব্যৱস্থা কৰিলো। এখেতসকল তেজপুৰত থকা মানুহ। এই ব্যৱস্থাত ঘৰৰপৰা একো আপত্তি নহ'ল।

কলিকতালৈ যোৱাৰ কিছুদিন পিছাতে বাতৰি কাকতত খবৰ এটা পালো যে বাগ্মীপ্ৰৱৰ সুৰেন্দ্ৰ নাথ বানাৰ্জীয়ে নবাগত ছাত্ৰসকলৰ অভ্যৰ্থনা জনাই বেপ্টিষ্ট মিশ্যন হলত এটি বক্তৃতা দিব। অসমৰ আমি কেইজনমান ছাত্ৰই নিৰ্দ্ধাৰিত দিনত সেই বক্তৃতা শুনিবলৈ গ'লো। হলটো ছাত্ৰৰে ভৰি পৰিছিল। কিছুমানে বহিবলৈ আসন নাপাই খিৰিকীয়ে খিৰিকীয়ে জুম বান্ধিছিল। এনেতে বঙ্গদেশৰ মুকুটবিহীন সম্ৰাট বানাৰ্জী আহি পালে। হলৰ ছাত্ৰসকলৰ মাজৰ "বানাৰ্জী আহিল আহিল" বুলি এটা ধ্বনি শুনিবলৈ পোৱা গ'ল। ঠিক এনে সময়তে হলৰ এটা চুকত চিঞৰ-বাখৰ শুনিবলৈ পোৱা গ'ল। . শুনিবলৈ পালো এজন ছাত্ৰই খিৰিকীৰ ওপৰত থিয় হোৱাত আৰু বেপ্টিষ্ট মিশ্যনৰ বেভাৰেণ্ড নাগে তেওঁক নমাই দিয়াত লগৰ ল'ৰাবিলাকে এইদৰে চিঞৰ-বাখৰ কৰিছিল। তেওঁলোকৰ কিছুমানে চিঞৰি চিঞৰি ক'বলৈ ধৰিলে,—"বানাৰ্জী ওলাই আহক আমি কলেজ স্কোয়াৰত মিটিং পাতিম।" কিন্তু বানাৰ্জী এই কথাত মান্তি নোহোৱাত কিছুমান ছাত্ৰই বহি থকা শ্ৰোতাসকলৰ বক্তকে দাঙি দাঙি বাহিৰলৈ উলিয়াই আনিলে আৰু বানাৰ্জীয়েও "মিটিং নকৰো" বুলি বাহিৰলৈ ওলাই গৈ তেওঁৰ ব্ৰুহাম গাড়ীত (সেই সময়ত কলিকতাত মটৰ গাড়ী বৰ কম আছিল আৰু সৰহভাগ মানুহে ঘোঁৰাই টানি নিয়া ব্ৰুহাম বা ফিটন গাড়ীত অহা-যোৱা কৰিছিল) উঠিলেগৈ। তেওঁ এইদৰে যাবলৈ ওলোৱাত বহুতো ছাত্ৰই পিছ পিনৰপৰা "শ্বেইম্ বানাৰ্জী শ্বেইম্ বানাৰ্জী" বুলি চিঞৰিবলৈ ধৰিলে। সেই সময়ত ভাৰতৰ ৰাজনীতিত উগ্ৰপন্থী আৰু ধীৰপন্থীৰ মাজত অৰিয়া-অৰি চলি আছিল। বাগ্মীপ্ৰৱৰ সুৰেন্দ্ৰনাথ বানাৰ্জীক বঙ্গদেশৰ মুকুটবিহীন সম্ৰাট বুলি এসময়ত

শ্ৰদ্ধা কৰিলেও সেই সময়ত বঙ্গদেশৰ বহুতবে সেই শ্ৰদ্ধা কমিছিল। আমি বক্তৃতা শুনিবলৈ নোপোৱাত হতাশ মনেৰে ঘৰলৈ উভতিলো আৰু ছাত্ৰসকলৰ এই উদণ্ডালিৰ কাৰণে বেজাৰ পালো। বিহুওৰ ইয়াৰ কিছুদিন পিছত সুৰেন্দ্ৰনাথ বানাৰ্জীৰ বক্তৃতা শুনিবলৈ পালো। সেই সময়ত য়ুৰোপত প্ৰথম মহাৰণ লাগিছিল। বানাৰ্জীয়ে বক্তৃতাত যুদ্ধত সহায় কৰাৰ কথাও ক'লে আৰু লগতে বৃটিছ চৰকাৰে ভাৰতৰ দাবীসমূহ মানিব লাগিব বুলিও দৃঢ়তাৰে ক'লে। তেওঁৰ এটা কথা আজিলৈকে মোৰ মনত আছে তেওঁ কৈছিল "strike when the iron is hot" (লো তপত হৈ থাকোঁতেই কোব মাৰিবা) সেই সময়ত কলিকতাত সন্ত্ৰাসবাদৰ ঘটনাবোৰ প্ৰায়েই হৈ আছিল। এফালে ৰাজনৈতিক ডকাইতি আনফালে পুলিচৰ উচ্চ কৰ্মচাৰীসকলৰ হত্যা। ডাঙৰ ডাঙৰ দোকান কিছুমানৰপৰা লাখ লাখ টকা ডকাইতি কৰি লৈ যোৱাৰ খবৰ বাতৰি কাকতত প্ৰায়েই ওলাই আছিল। ডেকাসকলে প্ৰায়ে তেওঁলোকে দোকান বন্ধ কৰি টকা গণি থাকোঁতেই ৰিভলভাৰ হাতত লৈ ডকাইতি কৰিছিল আৰু পলাই যাবৰ কাৰণে মটৰ গাড়ী ব্যৱহাৰ কৰিছিল। তেওঁলোকে হেনো এইদৰে কৈছিল, "আমি ভাৰতৰ মুক্তিৰ কাৰণে এই টকা লৈছো—ভাৰতবৰ্ষ স্বাধীন হ'লে এই টকা ওভোতাই দিম।" কলিকতাত ইংৰাজ ব্যৱসায়ী এজনৰ ৰোড্ডা (Rodda) নামে এখন দোকান আছিল। এই দোকানে আগ্নেয়াস্ত্ৰৰ কাৰণে প্ৰয়োজনীয় সকলো বস্তুৰে বেপাৰ কৰিছিল। বিলাতৰ-পৰা এই দোকানলৈ ডাঙৰ এটা চালান আহিছিল। এই চালানৰ মালবোৰ জাহাজৰপৰা নমাই গৰু গাড়ীৰে আনি থকাত বাটতে গাড়ীকিখন নিৰুদ্দেশ হ'ল। এই কথাযাৰ লৈ কলিকতাত এটি চাঞ্চল্যকৰ পৰিস্থিতিৰ উদ্ভৱ হৈছিল। চোৰাংচোৱা বিভাগৰ কৰ্মচাৰী-সকলে চাৰিওফালে বিচাৰিও এই গাড়ী কেইখনৰ একো উৱাদিহ উলিয়াব নোৱাৰিলে। এই সময়তে মাণিকতলাৰ বাটত এটা ঘটনা হৈছিল। ঘটনাটো এনেদৰে হৈছিল—এগৰাকী উচ্চ বঙালী পুলিচ কৰ্মচাৰীয়ে লালবজাৰৰ পুলিচ পেৰেডত যোগ দিবলৈ বুলি আহি মাণিকতলাৰ মূৰত ট্ৰামৰ কাৰণে ৰৈ আছিল। এনেতে তেওঁ বঙালী ডেকা কেইজনমানক তেওঁলোকৰ পিনে অহা দেখি কৰ্মচাৰী গৰাকীয়ে লগৰ বন্ধু এজনক ক'লে, "সেই ডেকা দলৰ মাজত সৌজন মেদিনীপুৰৰ যতীন নহয়নে?" কথাষাৰ শেষ হোৱাৰ লগে লগে যতীন তেওঁৰ ওচৰ চাপিলহি আৰু ক'লে "হয় ময়েই সেই যতীন এতিয়া আপুনি ইষ্টদেৱতাৰ নাম স্মৰণ কৰক" এই কথাৰ লগে লগেই তেওঁ ৰিভলভাৰ উলিয়াই সেই কৰ্মচাৰীজনক হত্যা কৰিলে। তাৰ পিছত বাটৰুৱা সকলক ভয় খুৱাবৰ কাৰণে কেবা জাঁয়ো গুলি কৰি বাটেদি খোজ কাঢ়িয়েই গুচি গ'ল।

এনেবিলাক ঘটনাই আমাৰ মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়া কৰিছিল সেইবিলাক

কথাই মনলৈ আহে। সেই সময়ত আমাৰ ডেকা মনবোৰে হত্যাকাৰকহে যেন সহানুভূতি দেখুৱাইছিল। তেওঁবিলাকৰ উদ্দেশ্য সজ বুলি ভাবি আমি উপায়ৰ কথা বিচাৰ কৰা নাছিলো।

এনে সময়তে বাতৰি কাকতৰ যোগে জানিব পাৰিলো যে, গান্ধীজী কলিকতালৈ আহিব লাগিছে আৰু সাধাৰণ ব্ৰাহ্মসমাজে তেখেতক অভ্যৰ্থনা জনাবৰ কাৰণে এখনি সভা আহ্বান কৰিছে। এইখন সভাতেই গান্ধীজীক প্ৰথমবাৰৰ কাৰণে দেখা পাওঁ। সাধাৰণ ব্ৰাহ্মসমাজে তেখেতক এখনি অভিনন্দন-পত্ৰ দিছিল আৰু তাৰ উত্তৰত গান্ধীজীয়ে সমাজ সেৱা সম্পৰ্কে দু-আষাৰমান কৈছিল। ইয়াৰ কেইদিনমান পিছতে বৌবজাৰৰ ইণ্ডিয়ান এচোছিয়েশ্যন হলত আৰু এখনি সভা হৈছিল এই সভাত গান্ধীজীয়ে ডেকা আৰু ছাত্ৰসকলক হিংসা নীতিৰ প্ৰয়োগৰ সমালোচনা কৰি কৈছিল—তোমালোকে হিংসা নীতিৰ বাহিৰে যিকোনো উপায় লোৱা মই তোমালোকক অনুসৰণ কৰিম। গান্ধীজীৰ এই কথাত সভাৰ কোনো এজনাৰেপৰা কোনো প্ৰতিবাদ নাহিল। যিসকল ডেকাই দুদিনমান আগতে সুৰেন্দ্ৰনাথ বানাৰ্জীক সামান্য কথাত চিঞৰ-বাখৰ কৰি উলিয়াই পঠিয়ালে সেইসকল ডেকাই সেইদিনা একো নামাতি সকলো কথা নিমাত হৈ শুনাত মোৰ মনলৈ প্ৰশ্ন আহিল "এই মানুহ গৰাকীৰ গাতনো কি শক্তি আছে যাৰ বলত তেওঁ এই উতনুৱা ল'ৰাবিলাককো নিস্তব্ধ কৰি ৰাখিব পাৰিছে?"

কলিকতাত পঢ়োতে আৰু এটি ঘটনাই আমাৰ মনত প্ৰভাৱ পেলাইছিল সেইটো হ'ল কোমাগাটামাৰু'ৰ ঘটনা (কোমাগাটামাৰু এখন জাহাজৰ নাম)। এই ঘটনাটো চমুকৈ এইদৰে ক'ব পাৰি। বৃটিছ চৰকাৰে তেওঁবিলাকৰ উপনিবেশ কেনেদৰে ভিক্টোৰিয়া ৰাজ্যত যাতে ভাৰতীয় পমুৱাসকলে গৈ বসতি কৰিব নোৱাৰে তাৰ বাবে এনে এটা নিয়ম কৰিছিল যি নিয়মৰ ফলত হংকঙৰপৰা কোনো বন্দৰতে নৰৈ পোনে পোনে ভিক্টো-ৰিয়ালৈ যোৱা জাহাজখনৰ মানুহকহে মাথোন সেই ঠাইত নামিবৰ অনুমতি দিছিল। এই বাধা অতিক্ৰম কৰিবলৈ পাঞ্জাবৰ গুৰ্দূত সিং নামে এগৰাকী শিখ ভদ্ৰলোকে এখন জাহাজ কিনি এহাজাৰ পাঞ্জাবী মানুহ লৈ হংকঙৰপৰা কতো নৰমাকৈ ভিক্টোৰিয়ালৈ বুলি ৰাওনা হৈছিল। তেওঁবিলাকে ভিক্টোৰিয়া পাই মানে প্ৰথম মহাযুদ্ধৰ আৰম্ভ হ'ল। তেওঁবিলাকক জাহাজৰপৰা নামিবলৈ নিদি বন্দী কৰি পুনৰ ভাৰতলৈ ওভোতাই পঠিওৱা হ'ল। এই কথাযাৰ লৈ ভাৰতবৰ্ষত চাঞ্চল্যৰ সৃষ্টি হৈছিল। এই চাঞ্চল্য আৰু বাঢ়িল যেতিয়া তেওঁবিলাকক কলিকতাৰ বন্দৰত নামিবলৈ নিদি বজ্‌বজ্‌ বন্দৰলৈ নি এখন বিশেষ ট্ৰেইনেৰে পঞ্জাবলৈ লৈ যোৱা হ'ল। তেওঁবিলাকক বন্দী কৰি নি

জেলত সুমুৰাৰ ঘটনাই আৰু চৰকাৰৰ লগত তেওঁলোকৰ খণ্ডযুদ্ধ হৈছিল বুলি, ওলোৱা উৰা-বাতৰিয়ে ডেকাসকলৰ মন উত্তেজিত কৰি তুলিছিল।

এনেবোৰ ৰাজনৈতিক প্ৰভাৱে মনবোৰ উতলা কৰি থকা অৱস্থাতে আমি সাহিত্যৰথী বেজবৰুৱাদেৱৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাওঁ। তেওঁ সাহিত্যিক হিচাপে আমাৰ মনত কিদৰে প্ৰভাৱ পেলাইছিল সেই কথাবোৰো মনলৈ আহে। তেওঁক প্ৰথম লগ পাওঁ ৰিপন কলেজত হোৱা সম্বৰ্দ্ধনা সভা এখনত। সেই সভা পতা হৈছিল স্বৰ্গীয় কাশী শইকীয়াক উদ্যোগ বৃত্তিৰে (Industrial scholarship) বিলাতলৈ যোৱাৰ বাবে অভিনন্দন জনোৱাৰ কাৰণে। কবি যতীন দুৱৰা দেৱেই সাহিত্যৰথী বেজবৰুৱাদেৱৰ লগত মোক চিনাকি কৰি দিয়ে। সৰুৰেপৰা বেজবৰুৱাদেৱৰ কথা শুনিছিলো আৰু বাঁহীখন নিয়মিতভাৱে পঢ়িছিলো— পাঠ্যক্ৰমটো তেওঁৰ কিতাপ পঢ়িছিলো। তেওঁক লগ পাই তেওঁৰ বিশাল ব্যক্তিত্বৰ আভাস পালোঁ। তেওঁ মোক আগতে চিনি নাপালেও বোধকৰো কাৰোবাৰপৰা মোৰ গুৱাহাটীৰ হোষ্টেলীয়া জীৱনৰ দুৰ্দশাৰ কথা শুনিছিল। সেইদেখি দুৱৰাদেৱে চিনাকি কৰি দিয়াৰ লগে লগেই ক'লে, "অ' তুমিয়েই গুৱাহাটীত খ্যাতি আৰ্জি অহা অমিয় নেকি? কলিকতালৈ আহি ভালেই কৰিলা।" এই 'খ্যাতি' কথাষাৰ তেখেতৰ স্বভাৱ সুলভ কৌতুক ৰসৰহে কথা আছিল। ইয়াৰ পিছতহে বেজবৰুৱাদেৱক বেছি ওচৰৰপৰা জানিছিলো যেতিয়া তেখেতৰ বাঁহীৰ সহায়ক হিচাপে দায়িত্ব ল'বলগীয়া হৈছিল।

কলিকতাত এইবাৰ থকাৰ বেমেজালিবোৰ নথকাৰ কাৰণেই কিজানি প্ৰথম বিভাগত উত্তীৰ্ণ হ'ব পাৰিলো। এই সময়ত মোৰ কবি দুৱৰাদেৱৰ লগত ইমান ঘনিষ্ঠ বন্ধুত্ব হৈছিল যে তেওঁ মোক তেওঁৰ হোষ্টেলত থাকিম বুলি ধৰিয়েই লৈছিল। তেওঁ সেই সময়ত স্কটিছ চাৰ্চ কলেজৰ মৈত্ৰী হোষ্টেলৰ সহকাৰী চুপাৰিনটেণ্ডেণ্ট আছিল। পিছে তেখেত-সকলে মোৰ লগতে ধীৰেন্দ্ৰনাথ আগৰৱালাকো চিট্ দিব নোৱাৰাত মই সেই কলেজৰে ওৱান নামে আন এটা হোষ্টেলত থাকিবলগীয়া হ'ল। দুৱৰাদেৱ সৰু ল'ৰাৰ দৰে অভিমানী আছিল আৰু সামান্য কথাত ঠেহ লাগি চকুলো টুকিছিল। মোৰ এই অনিচ্ছাকৃত অপৰাধক তেওঁৰ অভিমানী মনে এবছৰ মানলৈকে ক্ষমা কৰিব পৰা নাছিল।* মই ধীৰেন আগৰৱালাক লগত লৈ তেওঁৰ তালৈ ফুৰিবলৈ গ'লে তেওঁ ধীৰেনৰ লগত কথা

* ধীৰেন্দ্ৰনাথ আগৰৱালাৰ অভিভাৱকসকলে অমিয়কুমাৰ দাসক তেওঁক নেৰিবলৈ অনুৰোধ জনাইছিল। অমিয়কুমাৰ দাসে তেওঁৰ প্ৰতিশ্ৰুতি পালনৰ বাবে ধীৰেন্দ্ৰনাথ আগৰৱালাৰ লগতে আছিল।

পাতে মোৰ লগত নাপাতে অথচ দুয়োৰো চাহ-জলপান ঠিকমতেই দিয়ে। এইদৰে এবছৰমান পিছতহে তেওঁৰ মন কুমলি মোৰ লগত আকৌ সহজ হ'ল। ইয়াৰ পিছৰপৰা তেওঁ মোৰ তালৈ নিয়মিতভাৱে অহা-যোৱা কৰিছিল। এবাৰ মোৰ কোঠাতে বহি আমাৰ সকলোৰে অনুৰোধত তেওঁ এটা কবিতা লেখে। কবিতাটো আৰম্ভ হৈছিল এইদৰে "কোন স্বৰগৰ জেউতি নামিছে উজ্জলি পৰিল ধৰা" ইত্যাদি। এই অসম্পূর্ণ কবিতাটি তেওঁ সেইদিনা আমাৰ লগত 'হেদোৱাত' (এখন ফুলনি) ফুৰোতে সম্পূর্ণ কৰিছিল। ডুৱৰাদেৱৰ আলমাৰি ভৰা কিতাপ আছিল আৰু তাৰ ভিতৰত ৰাছিয়ান সাহিত্যই সৰহ আছিল— যেনে টুর্গেনিভ, শেকভ, পুস্কিন ইত্যাদি। ইয়াৰ লগতে দক্ষিণ আফ্রিকাৰ মহিলা সাহিত্যিক অলিভ শ্রীনাৰৰ (Olive Schreiner) গদ্য কবিতা ড্রীম (Dream) বোলা কিতাপখনো আছিল। তেওঁ মোক এই কিতাপখন পঢ়িবলৈ দিছিল। শ্রীনাৰৰ উদাৰতাই তেওঁক কিজানি মুগ্ধ কৰিছিল। এইদৰে ১৯১৭ চনলৈকে তেওঁক আমি কলিকতাত পাইছিলো। তাৰ পিছত তেওঁ ডিব্রুগড়ৰ জর্জ ইনষ্টিটিউশ্যনলৈ (Garge Institution) শিক্ষক হিচাপে আহে। শেষৰ পিনে অৱশ্যে তেওঁ ডিব্রুগড় কানৈ কলেজৰ অসমীয়াৰ অধ্যাপক হৈছিল। অৱসৰ লোৱাৰ পিছত তেওঁ যেতিয়া শিৱসাগৰতে থিতাপি ল'লেহি তেতিয়াও তেখেতক মাজে সময়ে পাই আছিলো। কলিকতাত থাকোঁতে হোৱা মটৰ দুর্ঘটনাই তেওঁক জীৱনলৈ ঘূণীয়া কৰিছিল— স্মৃতিভ্রম হৈ কষ্টপোৱা শেষ অধ্যায় বৰ করুণ আছিল।

১৯১৬ চনত অসম ছাত্র সম্মিলনৰ জন্ম হোৱাৰ পিছতে কলিকতাত থকা অসমীয়া ছাত্রসকলে এ, এচ, এল ক্লাবৰ জৰিয়তে আনন্দৰাম বৰুৱাদেৱৰ স্মৃতি ৰক্ষাৰ কাৰণে এটি পুঁজি সংগ্রহ অভিযান চলাইছিল সেই সুত্রতে আমি কলিকতা বিশ্ববিদ্যালয়ৰ সেই সময়ৰ উপাধ্যক্ষ স্বৰ্গীয় আশুতোষ মুখার্জীক লগ পোৱাৰ সুযোগ পাওঁ। স্কটীছ চার্চ কলেজৰ ইংৰাজীৰ অধ্যাপক স্বৰ্গীয় মনমথ বসুৱে আমাক তেওঁৰ লগত চিনাকি কৰি দিয়ে। আমি মুখার্জীদেৱক আনন্দৰাম বৰুৱাদেৱৰ স্মৃতি ৰক্ষার্থে কলিকতা বিশ্ববিদ্যালয়ত তেওঁৰ এটি প্রস্তৰ মূর্তি স্থাপন কৰিবলৈ ইচ্ছা কৰিছো বুলি কোৱাত তেখেতে কৈছিল, "প্রস্তৰ মূর্তিৰ খৰচ বহু হ'ব। তোমালোকৰ পক্ষে ইমান টকা তোলাটো জানো সম্ভৱ হ'ব? তুলিব পাৰা যদি ভাল নহ'লে সংস্কৃত সাহিত্যত গবেষণাৰ কামত সেই পুঁজি খটুৱাব পাৰা।" ইয়াৰ পিছত গৰমৰ বন্ধত আমি অসমলৈ উভতি আহি জিলাই জিলাই কমিটি পাতি অর্থ সংগ্রহৰ ব্যৱস্থা কৰিলোহঁক। ছাত্রসকলে ঘৰে ঘৰে গৈ অর্থ সংগ্রহ কৰাৰ উপৰিও থিয়েটাৰ আদি পাতিও পুঁজি সংগ্রহৰ ব্যৱস্থা কৰিছিল। ইমান যত্নতো আমাৰ এহেজাৰতকৈ অলপহে বেছি টকা উঠিল। এই সামান্য টকাৰে আমি কল্পনা কৰামতে কাম

নহ'ব বুলি ভাবি অসমৰ প্ৰখ্যাত ব্যৱসায়ী ভোলানাথ বৰুৱাদেৱৰ ওচৰ চাপিলো। তেওঁ বাকী টকাখিনি পূৰাই আমাক চেক্ দিয়াত আমাৰ পুঁজি ছহেজাৰ টকা হ'লগৈ। সেই টকালৈ পুনৰ আমি মুখাৰ্জীক লগ ধৰিলো। তেখেতে ক'লে, "এই টকাৰে প্ৰস্তৰ মূৰ্তি স্থাপন কৰাটো সম্ভৱ নহ'ব যদি সংস্কৃত সাহিত্যত গবেষণাৰ কাৰণে খৰচ কৰিব খোজা হৈছে কবি ভাৰৰ ৰচনাৱলীৰ ওপৰত খৰচ কৰিব পাৰি কাৰণ কবি ভাৰৰ ওপৰত আজিলৈকে ভাল গবেষণা হোৱা নাই।" আমি উত্তৰত ক'লো যে তেখেতে যি ভাল বুলি ভাবে তাক কৰাটোকে আমি বিচাৰো। বৰুৱাদেৱ সংস্কৃত সাহিত্যৰ বিদগ্ধ পণ্ডিত আছিল। তেওঁৰ স্মৃতি সংস্কৃত সাহিত্যৰ জৰিয়তে থকাটো আমি ভালেই হ'ব বুলি ভাবিলো। এই প্ৰসঙ্গত বন্ধুবৰ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱৰ কথা বৰকৈ মনলৈ আহিছে। তেওঁ এই পুঁজি সংগ্ৰহ অভিযানত সকলো জিলাৰে লগত যোগাযোগ ৰাখি সংগ্ৰহৰ কামত প্ৰেৰণা যোগাই আছিল। থিয়েটাৰ আদি অনুষ্ঠানৰ জৰিয়তে যে সৰহ টকা তুলিব নোৱাৰি সেই অভিজ্ঞতা আমাৰ হ'ল। থিয়েটাৰত অভিনেতাসকলৰ আনুসঙ্গিক যি খৰচ তাতেই প্ৰায় আধা টকা শেষ হৈ যায়। যিহওঁক, ইয়াৰ পিছতো আমি মুখাৰ্জীদেৱৰ ওচৰলৈ অহা যোৱা বাদ দিয়া নাছিলো— ছাত্ৰসকলে সহজেই তেওঁক লগ পাই মনৰ কথা ক'ব পাৰিছিল— তেওঁৰ ব্যক্তিত্বই সেয়ে ল'ৰাবিলাকক আকৰ্ষণ কৰিছিল। এইখিনিতে এটা কথা মনলৈ আহে এবাৰ স্বৰস্বতী পূজাৰ শোভাযাত্ৰাত লাল বাজাৰ থানাৰ পুলিচে প্ৰেছিডেন্সি কলেজৰ ল'ৰা দুজনমানক গ্ৰেপ্তাৰ কৰিলত লগৰে কিছুমান ল'ৰাই লৰি আহিল মুখাৰ্জীদেৱক লগ পাবলৈ। তেওঁ ল'ৰাকিজনৰপৰা কথাবাৰ শুনি ল'ৰাকেইজনক খুব দবিয়ালে, আৰু ক'লে— নিশ্চয় কিবা কৰিছাহঁক নহ'লে কিয় গ্ৰেপ্তাৰ কৰিব? তাৰ পিছতে ফোনটো তুলি লৈ হেনো প্ৰেছিডেন্সি কলেজৰ অধ্যক্ষ মিঃ বেৰোলৈ (Mr. Barrow, এওঁ এসময়ত অসমৰো স্কুল ইন্সপেক্টৰ আছিল) ফোন কৰি ক'লে যে ল'ৰাকেইজনক তেওঁ জামিনত আনিব লাগে। এই ফোন পাই মিঃ বেৰোয়ে ল'ৰাকেই-জনক মোকোলাই আনিছিল আৰু ধেমালীৰ সুৰত হেনো কৈছিল, "The Black giant ordered me. What can I do?" "কৃষ্ণ দানবৰ এই হুকুম নেমানি কেনেকৈ পাৰো?"

পৰাধীন ভাৰততো ইংৰাজ ৰাজ কৰ্মচাৰীৰ ওপৰত আশুতোষ মুখাৰ্জীদেৱৰ যথেষ্ট প্ৰভাৱ আছিল। মিঃ বেৰো ইংৰাজ হৈয়ো মুখাৰ্জীদেৱে বিচৰাৰ কাৰণেই ল'ৰাকেইজনক জামিন হৈ মোকোলাই আনিলে। মুখাৰ্জীদেৱৰ লগত চিনাকি হোৱাৰ পিছৰেপৰা তেওঁৰ প্ৰতি জন্মদিনতে আমি তেওঁৰ তালৈ গৈছিলো। কলিকতাত এটা কথা বৰ প্ৰচাৰ হৈছিল যে মুখাৰ্জীদেৱে হাইকোৰ্টৰপৰা

শুভোতাৰ বাটত হেনো ভীমনাগৰ সন্দেশ নোখোৱাকৈ ঘূৰভিছিল। এইবাৰ কথাৰ প্ৰমাণ আমি তেওঁৰ জন্মদিনতে পাইছিলো। এবাৰ তেওঁৰ জন্মদিনলৈ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ দেৱ আৰু মই গৈ বৰ সমস্যাত পৰিছিলো। তেওঁক সেইবাৰ মাৰ্বল পাথৰৰ পীৰা এখনৰ ওপৰত থিয় কৰাই লৈ কবিতা পাঠ কৰি অভিনন্দন জনাই পিছত ভৰি চুই সেৱা কৰিছিলহি। সেইবাৰ কথাৰ তেনেধৰণৰ হোৱা দেখি শ্ৰীযুত সন্দিকৈ আৰু মই মুখ চোৱাচুৱিকৈ ভাবিবলৈ ধৰিলো, আমি কি কৰো, আমিতো কবিতা অনা নাই। এনেতে দেখো আমাৰ অধ্যাপক কালিদাস নাগে সেৱা কৰিবলৈ যাওঁতে মুখাৰ্জীদেৱে তেওঁক গাত ধৰি জোকাৰি ক'লে, "Well Kalidas you are setting a bad example." "কালিদাস তুমি এটা বেয়া আদৰ্শ দেখুৱাইছা।" এই কথাষাৰে আমাকো ৰক্ষা কৰা যেন পালো। মাজে সময়ে এইদৰে অসম সম্পৰ্কীয় নানা কথালৈ তেখেতৰ তালৈ আমি যাবলগীয়া হৈছিল। এবাৰ এইদৰে যাওঁতে তেওঁ আমাক কোনে কি পঢ়ো সুধিছিল—সেইদিনা একমাত্ৰ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈৰ বাহিৰে বাকী আমি সকলো আইনৰ ছাত্ৰ আছিলো। তেওঁ ধেমালিকৈ কৈছিল, "Are you going to fill up the wilds of Assam with Lawyers." তেওঁ এইদৰে অসমৰ হাবি-বন উকিলেৰেই ওপচাই পেলাবা নেকি বুলি সোধা কথাষাৰৰ অৰ্থ আছিল। কাৰণ তেওঁ বিচাৰিছিল এম, এ বিভাগত সৰহভাগ ল'ৰাই গৱেষণাৰ দৃষ্টি-ভঙ্গীলৈ পঢ়ক আৰু কলিকতা বিশ্ববিদ্যালয়কো তেওঁ জ্ঞানৰ মন্দিৰ হিচাপে গঢ় দিব খুজিছিল। উত্তৰত মই কৈছিলো অতি মেধাবী ল'ৰা নহ'লে সাধাৰণ ল'ৰাই আইন নপঢ়িলে আনপিনে জীৱিকাৰ বাট নাই। লগতে আমি আৰু এষাৰ কথা কৈছিলো যে ভাৰতৰ আন আন প্ৰদেশৰ ভাষাই যেতিয়া কলিকতা বিশ্ববিদ্যালয়ৰ এম, এৰ পাঠ্যক্ৰমত ঠাই পাব ধৰিছে তেতিয়া অসমীয়া ভাষাকো ঠাই দিলে ভাল; তেওঁ ততালিকে কৈছিল তেওঁবিলাকে এইবিষয়ে ভাবিছে আৰু সোনকালেই ব্যৱস্থা হ'ব। অসমীয়াৰ অধ্যাপক কাক কৰা যায় সেই বিষয়েহে তেওঁবিলাকে চিন্তা কৰি আছে বুলি ক'লে আৰু এই বিষয়ত আমাৰো পৰামৰ্শ বিচাৰিলে।

অসম ছাত্ৰ সন্মিলনৰ কথালৈ সেই সময়ত আমি কলিকতাৰ কেইবাগৰাকীও মনিষীৰ সংস্পৰ্শলৈ আহিবলগীয়া হৈছিল। অসম ছাত্ৰ সন্মিলনৰ তিনিটা অধিবেশন অসমত জনাশুনা তিনিগৰাকী নেতৃস্থানীয় লোকৰ সভাপতিত্বত সমাধা কৰা হৈছিল। পিছত ছাত্ৰসকলৰ মনত এটা ভাব হ'ল যে তেওঁবিলাকে যদি ভাৰত প্ৰসিদ্ধ কোনো লোকক সভাপতিৰ পদত আনিব পাৰে তেন্তে অসম ছাত্ৰ সন্মিলনে বিহাৰ আৰু অন্ধ্ৰ ছাত্ৰ সন্মিলনৰ দৰে সমৌ ভাৰতত্তে জনাজাত হৈ পৰিব। এইদৰে আমাৰ আলোচনাৰ মাজত

আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ক সভাপতি হোৱাৰ অনুৰোধেৰে লগ ধৰাটো স্থিৰ হ'ল। আচাৰ্য ৰায়ৰ নামটো এই কাৰণেই ডবা হৈছিল যে তেখেত অকল বিশ্ববিখ্যাত পণ্ডিতেই নাছিল, তেখেত একাধাৰে ছাত্ৰসকলৰ বন্ধু আৰু পৰামৰ্শদাতা আছিল। তেখেতে নিজৰ দৰমহা সামান্য পৰিমাণে নিজৰ কাৰণে ৰাখি বাকী টকাৰে দুখীয়া ছাত্ৰসকলক সহায় কৰিছিল।

এদিন ৰাতিপুৱা ৮ মান বজাতে তেখেতক নীৰলে পাম বুলি ভাবি আমি গৈ দেখোঁ যে তেখেত তেতিয়া লেবৰেটৰীত কাম কৰি আছে। চাপৰাচীজনক আমি অসমৰপৰা আহিছো বুলি কাগজ এটুকুৰাত লেখি দিয়াত তেখেতে আমাক লেবৰে-টৰীলৈকে মাতি পঠিয়ালে। সেই সময়ত তেখেত বিজ্ঞান কলেজৰ লেবৰেটৰীবিলাকৰ ওপৰত তৃতীয় মহলাত কোঠা এটা লৈ থকা কৰিছিল। আমি গৈ দেখিলো আচাৰ্য ৰায়ৰ লগতে কেইবাগৰাকীও ছাত্ৰই কিবা এটা পৰীক্ষা কৰাত ব্যস্ত হৈ আছে। আমাক দেখি আচাৰ্য ৰায়ে কি কাৰণে আমি তেওঁক লগ পাবলৈ বিচাৰিছো সুধিলে। আমি আমাৰ উদ্দেশ্য বুজাই কোৱাত তেওঁ মৰমেৰে হাঁহি এটা মাৰি ক'লে, "মই কণীয়া, সেই চাপৰাচীটোৱে মোক ইক্‌মিক কুকাৰত ভাত ৰান্ধি ভেদাইলতাৰ জোলেৰে ভাত খুৱাই বচাই ৰাখিছে—তহঁতে ক'ত ভেদাইলতা পাবি? মোক অসমলৈ নি মাৰিব খুজিছনে?" মই উত্তৰত কৈছিলো, "কলিকতাত যদি ভেদাইলতা পোৱাৰ অসুবিধা হয় আমি অসমৰপৰা বেলৰ ডবা ভৰাই আপোনাক ভেদাইলতা আনি দিব পাৰিম। অসমত ভেদাইলতা পোৱাৰ একো অসুবিধা নাই।" এনেতে তেওঁ একে-জাপে আহি মোৰ সমুখত থিয় হৈ মোৰ চুলিত ধৰি মূৰটো জোকাৰি জোকাৰি ক'লে, "বাচাধন ধৰা পৰি গৈছা, তোমাৰ বহল মুখখনৰপৰাই তোমাৰ গাত মঙ্গোলিয়ান তেজ আছে বুলি গম পাইছো। ময়ো তপৰাই উত্তৰ দিলো, "মোৰ গাত মঙ্গোলিয়ান তেজ আছে নে দ্ৰাবিড় তেজ আছে একো নাজানো। আৰ্যৰ তেজ আছে বুলি দাবীও নকৰো—মই অসমীয়া। মোৰ কথা শেষ হোৱাৰ লগে লগে দেখো তেখেতে জাপ-মাৰি মোৰ কান্ধত উঠি বহিল আৰু ক'বলৈ ধৰিলে, "তই এতিয়া মোক তিনি তলাত থকা মোৰ শোৱা খোটালীৰপৰা ঘূৰাই লৈ আহ।" পোনতে মই তেখেতে কথাষাৰ ধেমালীকৈ কৈছে নে সঁচাসঁচিকৈয়ে কৈছে বুজি পোৱা নাছিলো। পিছত তেখেতে যেতিয়া ভৰিৰ গোবোহাৰে মোৰ বুকুত খুন্দিয়াই খুন্দিয়াই ক'বলৈ ধৰিলে "বল, বল লৰি বল" মই তেতিয়া সঁচাকৈয়ে নিয়াটো বিচাৰিছে বুলি বুজি লৰি যোৱাৰ দৰে গ'লো। তেখেতে চিৰিবিলাক উঠি যাওঁতেও মোক বুকুত খুন্দিয়ায়েই আছিল। এইদৰে যেতিয়া শোৱা কোঠাৰপৰা ওভোতাই আনিলো তেওঁ কান্ধৰপৰা নামিয়েই তেওঁৰ প্ৰিয়

ছাত্ৰ ডাঃ মেঘনাথ সাহাক ক'লে "মেঘনাথ চা এই অসমীয়া ল'ৰাটিয়ে মোক কেঁচেকৈ ওপৰৰপৰা কান্ধত লৈ ঘূৰাই লৈ আহিলে—তই পাৰিবিনে? তই ৰুগীয়া ল'ৰা, তই নোৱাৰ।" তাৰ পিছত ক'লে, "মই সন্তুষ্ট হ'লোঁ—তইঁতে মোক বাটে-পথে ক'ৰবাত বিপদত পৰিলেও ৰক্ষা কৰিব পাৰিবি—মই অসমলৈ যাম। পিছে মোৰ ওচৰলৈ তইঁত আবেলি আবেলি আহি থাকিবি। গাড়ৰ মাঠলৈকে মোৰ লগত গাড়ীত যাবি। তাৰ পিছত আমি তাত দৌৰাদৌৰি কৰিম।" প্ৰথমদিনা আমি এই কেইজন তেখেতৰ ওচৰলৈ গৈছিলো—শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ, দেবেশ্বৰ শৰ্মা, ৰাজেন্দ্ৰনাথ বৰুৱা আৰু গিৰিশ চন্দ্ৰ বৰুৱা। তেখেতে বিচৰা কাৰণে মই প্ৰায়েই আবেলি তেখেতৰ তালৈ গৈছিলো আৰু তেখেতৰ লগত গাড়ৰ মাঠত ফুৰাৰ সৌভাগ্য হৈছিল। তেখেতে দেশত দেখা দিয়া বেকাৰ সমস্যাৰ কাৰণে বৰ চিন্তিত হৈ আছিল আৰু লগত ফুৰোঁতে এই কথাষাৰ লৈয়েই আলোচনা কৰিছিল। তেখেতে কৈছিল "আমাৰ ল'ৰাবিলাকে উদ্যোগ নিজৰপৰা গঢ়িব নোৱাৰে কাৰণ মূলধনৰ অভাৱতকৈও নিজৰ মনৰ সাহসৰ অভাৱ।" আবেলি আবেলি তেখেতৰ ওচৰলৈ যাওঁতে দেখিছিলোঁ—কিছুমান ৰাজস্থানী উদ্যোগ-পতিয়েও পৰামৰ্শ বিচাৰি তেখেতৰ ওচৰলৈ আহে। কলিকতাৰ বেঙ্গল কেমিক্যাল এণ্ড ফাৰ্মাছিউটিক্যাল ৱাৰ্কছ লিমিটেড্ৰ প্ৰতিষ্ঠাতা তেখেতেই আছিল। তেখেতে বঙ্গদেশৰ যুবকসকলক স্বাৱলম্বী কৰাৰ সপোন দেখিছিল। বঙ্গদেশৰ প্ৰায় কেইজন কৃতী সন্তান তেখেতৰ ছাত্ৰ। শিশু সুলভ স্বভাৱৰ এই মনীষীগৰাকীয়ে তেজপুৰত বহা অসম ছাত্ৰ সন্মিলনৰ চতুৰ্থ অধিবেশনৰ আসন অলঙ্কৃত কৰাত অসমে গৌৰৱ অনুভৱ কৰিছিল। সভাপতিৰ আসনৰপৰা তেখেতে অসমীয়া সাহিত্যৰ প্ৰাচীনত্বৰ ওপৰত যি মন্তব্য কৰিছিল সেই মন্তব্যই অসমৰ সাংস্কৃতিক সম্পদৰাজিক ভাৰতৰ সমূখত দাঙি ধৰে। কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষাক এম, এৰ পাঠ্যক্ৰমত সুমুৱাত তেখেতৰ এই মন্তব্যাই যথেষ্ট সহায় কৰিছিল। ইয়াৰ পিছতো কলিকতালৈ গ'লে তেখেতক লগ নাপাই অহাটো মোৰ কৰ্তব্যৰ অৱহেলা হ'ব বুলি ভাবিছিলোঁ। সেইদেখি তেখেতৰ লগত মোৰ যোগাযোগ তেখেতৰ জীৱনৰ শেষ সময়লৈকে আছিল। ১৯২১ চনৰ আন্দোলনত তেখেতে পোনপটীয়াকৈ অংশ ন'লালেও খাদীৰ কাম আৰু বিশেষকৈ খাদীক আকৰ্ষণীয় কৰিবৰ কাৰণে বিদেশৰ ৰঙৰ সহায় নলৈ স্বদেশৰ গছ-পাত আদিৰপৰা ভাল ৰং কিদৰে পাব পাৰি তাৰে গৱেষণাত লাগিছিল আৰু সফলো হৈছিল। ১৯২৩ চনত বোম্বেত বহা নিখিল ভাৰত খাদী প্ৰদৰ্শনীলৈ অসমৰ দল এটি লৈ যাবলগীয়া হোৱাত আৰু কলিকতাত আচাৰ্য ৰায়ক দেখা কৰাত তেখেতে বেঙ্গল কেমিকালৰ ৰঙৰ ইউনিটটোকো লৈ যাবলৈ অনুৰোধ কৰাত তুৱা দলকে লৈ

ঘাৰলগীয়া হ'ল। আচাৰ্য ৰায়ে ল'ৰাকেইজনক পটাই দি "এই ল'ৰাকেইজনে কলিকতাৰ পৰা ঘাহিৰলৈ যোৱা নাই—হাওড়া ষ্টেশ্বনলৈকে যোৱা নাই—তহঁতে তহঁতৰ লগতে ৰাখি একেখন গাড়ীৰ একে খোটালীতে নিবি। নহ'লে ইহঁত কোনোবা ষ্টেশ্বনতে হেৰাব। এই কথাকেইষাৰী কওঁতে কোনোবা মাকেহে যেন ল'ৰাইতক গোটাইহে জেনে তাব হৈছিল।

* * *

ভাৰতৰ জাতীয় জীৱনত ১৯১৭ চনটো এটা স্মৰণীয় বছৰ। এই বছৰটোক স্মৰণীয় কৈছো এই কাৰণেই যে, এই বছৰটোৰেই ভাৰতৰ ৰাজনীতিত এটা নতুন যুগৰ সূচনা কৰিলে। ইমানদিন কংগ্ৰেছৰ কাৰ্য প্ৰণালী আছিল আবেদন নিবেদন কিন্তু এই বছৰটোৱে কংগ্ৰেছৰ কাৰ্য প্ৰণালীত নতুন ভাবধাৰা আনিলে। আবেদনৰ ঠাইত নিষ্ক্ৰিয় প্ৰতিৰোধৰ (passive resistenceৰ) কথা নেতাসকলে ভাবিবলৈ ধৰিলে। প্ৰতীচ্য জগতৰ ৰাজনীতিত চলি থকা নিষ্ক্ৰিয় প্ৰতিৰোধৰ কথাহে নেতাসকলে ভাবিছিল সত্যাগ্ৰহৰ কথা নেতাসকলৰ মনলৈ অহা নাছিল। হোমৰুল আন্দোলন প্ৰৱৰ্তন হোৱাৰ লগে লগে কাৰ্যপ্ৰণালী হিচাপে নিষ্ক্ৰিয় প্ৰতিৰোধৰ কথা নেতাসকলে ভাবিলে ; কিন্তু যুদ্ধৰ পৰিস্থিতিত এই প্ৰতিৰোধ পিছুৱাই দিয়াটো স্থিৰ কৰিলে। যুদ্ধৰ এই পৰিস্থিতিয়ে বৃটেইনৰো মন্ত্ৰী-সভাৰ কিছু সাল-সলনি ঘটালে। মেছোপটেমিয়াৰ (ইৰাক) যুদ্ধক্ষেত্ৰত বৃটিছ সেনাপতি মিঃ টাউনছেণ্ড (Townsend) প্ৰাটেল আৰবত সৈন্যবাহিনীৰে অৱৰুদ্ধ হ'বলগীয়া হ'ল। বৃটিছে এই যুদ্ধখন ভাৰতৰ ওপৰত নিৰ্ভৰ কৰি চলাই আছিল। এই ঘটনাত বৃটিছ পাৰ্লামেণ্টত ভাৰতীয় নীতি লৈ তীব্ৰ সমালোচনা হ'ল আৰু ফলস্বৰূপে ভাৰতৰ সচিব মিঃ চেম্বাৰলেনে (Chamberlane) পদত্যাগ কৰিবলগীয়া হ'ল। তেওঁৰ ঠাইত মি মণ্টেগু নামেৰে এজন ডেকা সোমাল। এওঁৰে এটি ঐতিহাসিক ঘোষণাই ভাৰতৰ ৰাজনীতিত এটা আলোড়ণৰ সৃষ্টি কৰিলে।

সেই সময়ত মণ্টেগু সম্বন্ধে নানা কথা শুনিবলৈ পোৱা গৈছিল। ভাৰতৰ প্ৰতি তেওঁৰ এটা সহানুভূতিৰ মনোভাব আছে বুলিও শুনা গৈছিল আৰু তেওঁ বিলাতৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত মান-সম্মানৰ (Prestige) ওপৰত যি বক্তৃতা দিছিল সেই বক্তৃতাত ভাৰতৰ বিষয়ে উল্লেখ কৰি এইদৰে কৈছিল, "হায় ভাৰত ! তোমাৰ বুৰঞ্জী কিদৰে আনন্দ-দায়ক হ'লহেঁতেন যদিহে ইংৰাজী ভাষাৰ অভিধানৰপৰা প্ৰেষ্টিজ্ (Prestige) শব্দটো গুচাই দিব পৰা গ'লহেঁতেন। কিন্তু তাত (ভাৰতত) টোৰিদলৰ ৰক্ষণশীল (Conser-vative) সাম্ৰাজ্যবাদী চৰকাৰ এটা কদৰ্য ৰূপ লৈ চলি আছে। মনত ৰাখিবা তাত কিবা অন্যায় বা বেয়া কাম হ'লে তাক গুচাবলৈ নাইবা প্ৰতিকাৰ কৰিবলৈ নাইবা তাত

লাভ কৰা অভিজ্ঞতাৰপৰা শিক্ষা লাভ কৰিবলৈ আহি তাত থকা নাই। ভুল হৈ থাকিলে সেই ভুলকেই খামোচ মাৰি ধৰি থাকি জনমতক অগ্ৰাহ্য কৰি ক'ম— 'মই যি কৈছো সেয়েই।' আমি ভাৰতত থাকিব লাগিলে ন্যায়পৰায়ণ অনুষ্ঠান পাতি আৰু ভাৰতৰ সম্মতি লৈহে থাকিব লাগিব।" এই কথাবিলাকে ভাৰতবাসীৰ মনলৈ এটা বিশ্বাস আৰু আশাৰ ভাব আনি দিছিল।

আনপিনে বিহাৰৰ চম্পাৰণত মহাত্মা গান্ধীয়ে কৰা সত্যাগ্ৰহে (নীল খেতিয়কসকলে বনুৱাসকলৰ ওপৰত কৰা অন্যায়ৰ প্ৰতিবাদকল্পে কৰা সত্যাগ্ৰহ) ভাৰতীয় জনতাৰ দৃষ্টি তেওঁৰ পিনে আকৰ্ষিত কৰিলে। ভাৰতীয় খেতিয়কৰ সমস্যালৈ এই সময়তে গান্ধীজীয়ে একে লেখাৰিয়ে কেইবা ঠাইতো সত্যাগ্ৰহ কৰিবলগীয়া হৈছিল। এইবিলাক ঘটনাই ভাৰতীয় ৰাজনীতিৰ ক্ষেত্ৰত গান্ধীজীক চিনাকি কৰি দিলে।

১৯১৭ চনত কলিকতাত বহা কংগ্ৰেছ অধিবেশনত মোৰ যি অভিজ্ঞতা হৈছিল সেই কথা ইয়াতে উন্মুকিয়াই থোৱাটো কিজানি ভাল হ'ব। সৰুৰেপৰা ককাদেউতাৰ মুখে কংগ্ৰেছৰ কথাবোৰ শুনি ভাৰতৰ নেতৃস্থানীয় লোকসকলক চাবলৈ পোৱাৰ আৰু তেখেত সকলৰ বক্তৃতা শুনাৰ কাৰণে মনতে বৰ এটা হেঁপাহ আছিল— এই অধিবেশনতে সেই ইচ্ছা পূৰণ হ'ব বুলি কংগ্ৰেছৰ স্বেচ্ছাসেৱকৰ দলত যোগ দিলো। সেই সময়ত কংগ্ৰেছত দুটা দল আছিল— এটা আছিল ধীৰ পন্থী আনটো উগ্ৰপন্থী। দুয়োটা দলৰে উদ্দেশ্য আছিল ভাৰতত স্বায়ত্ত-শাসন প্ৰবৰ্তন কৰা। স্বায়ত্ত-শাসনত ক্ষমতাৰ ৰূপ কি তাকে লৈয়েই দুয়োদলৰে ভিতৰত মতভেদ। সেই সময়ত আয়াৰলেণ্ডত হোমৰুলৰ বাবে আন্দোলন চলি আছিল। ভাৰতৰ উগ্ৰপন্থী দলে আয়াৰলেণ্ডৰ হোমৰুলৰ অনুকৰণত ভাৰততো হোমৰুল লীগ্ বুলি এটা দল গঠন কৰিছিল। এই দলৰ নেতৃত্ব লৈছিল লোকমান্য বাল গঙ্গাধৰ তিলক, মিচেচ এনি বেছাণ্ট, বিপিন চন্দ্ৰ পাল, দেশবন্ধু চিত্তৰঞ্জন দাস ইত্যাদিয়ে। এই সময়ত য়ুৰোপত যুদ্ধ চলি থকা কাৰণে চৰকাৰে মিচেচ্ এনি বেছাণ্টক তেওঁৰ দুগৰাকী সহকৰ্মী ওৱাদিয়া আৰু অৰুন্দেলৰে সৈতে উটকামণ্ডত অন্তৰীণ কৰি ৰাখিছিল। এই বাবেই ভাৰতবৰ্ষৰ জনসাধাৰণৰ মনত এটা ভাব হৈছিল মিচেচ্ এনি বেছাণ্টকে 'কংগ্ৰেছৰ সভানেত্ৰী' কৰি সম্মানিত কৰাটো উচিত হ'ব। এই ভাবটো উগ্ৰপন্থী দলৰেই বেছি আছিল। এইবিলাক কাৰণতে অভ্যৰ্থনা সমিতিৰ দুয়োদলৰ মাজত মতানৈক্য হৈ আছিল। অভ্যৰ্থনা সমিতিৰ সভাপতিৰ পদৰ বাবে ধীৰপন্থীসকলে প্ৰস্তাব কৰিলে প্ৰবীণ উকিল বৈকুণ্ঠনাথ মজুমদাৰৰ নাম আৰু উগ্ৰপন্থীসকলে প্ৰস্তাব কৰিলে বেৰিষ্টাৰ চক্ৰৱৰ্তীৰ নাম। যি হওঁক, তুমুল বাদানুবাদৰ পিছত বেৰিষ্টাৰ ব্যোমকেশ চক্ৰৱৰ্তীয়েই অভ্যৰ্থনা সমিতিৰ সভাপতি পদৰ বাবে নিৰ্বাচিত হ'ল। নিখিল ভাৰত কংগ্ৰেছ কমিটিয়েও মিচেচ্ এনি

বেছান্তক কংগ্ৰেছৰ মহাসভাৰ সভাপতি পদৰ বাবে নিৰ্বাচিত কৰিলে। আনহাতে ভাৰত সচিব মিঃ মণ্টেগুৰ ঐতিহাসিক ঘোষণাৰ পিছত মিচেচ্ বেছান্তক মুকলি কৰি দিয়া হ'ল।

অধিবেশন চমু চাপি অহাৰ লগে লগে স্বেচ্ছাসেৱকৰ দলটোক নানা ভাগত বিভক্ত কৰা হৈছিল। পোনতে আমি কেইজনমানৰ ওপৰত ৰেলত অহা কংগ্ৰেছ প্ৰতিনিধি সকলক আগবঢাই অনাৰ দায়িত্ব আছিল। অধিবেশন বহাৰ চাৰিদিনমান আগতে সেইসময়ৰ কংগ্ৰেছৰ সাধাৰণ সম্পাদক সুব্বাৰাওক আগবঢ়াই অনাৰ দায়িত্ব আমাৰ ওপৰত পৰিছিল। আমাৰ দলটোৰ নেতা আছিল আইন কলেজৰ অধ্যাপক অজয় দত্ত (স্বৰ্গীয় ৰমেশ চন্দ্ৰ দত্তৰ পুতেক)। সুব্বাৰাও আহি পোৱাত তেওঁক কেম্পলৈ নিয়াৰ আগতে দক্ষিণ ভাৰতীয় হোটেল এটাত খুৱাই লৈ যোৱাৰ নিৰ্দেশ থকাত সেইমতে লৈ গ'লো। হোটেলত খোৱাৰ সময়ত তেওঁ মোক এটা প্ৰশ্ন কৰিলে যে মই ক'ৰ পৰা আহিছোঁ? মই উত্তৰত "অসমৰপৰা আহিছোঁ" বুলি কোৱাত তেওঁ আকৌ সুধিলে, "অসমৰ মানুহে কি ভাষাত কথা কয়, বঙালী ভাষাত নেকি?" তেওঁৰ নিচিনা পদমৰ্যাদাৰ মানুহ এগৰাকীৰ অজ্ঞতাত মোৰ ডেকা মনটো উত্তেজিত হৈ উঠিছিল যদিও তেওঁ সন্মানিত অতিথি কাৰণে মনৰ ভাব সংযত ৰাখি মাথোন ক'লো, "আমাৰ ভাষা অসমীয়া আৰু অসমীয়া ভাষা বঙালী ভাষাতকৈ বহুত বেলেগ।" তেওঁ এই কথা আগতে নাজানিছিল বুলি ক'লে। এইদৰে কেবাদিনো ৰেলৱে ষ্টেশ্যনত কাম কৰিবলগীয়া হোৱাত ভাৰতৰ বহু নেতৃস্থানীয় লোকৰ লগত চিনাকি হোৱাৰ সৌভাগ্য হৈছিল। আমাৰ আটাইতকৈ আনন্দ আৰু উত্তেজনাৰ দিন আছিল সভানেত্ৰী আহি পোৱাৰ দিনটো আৰু লোকমান্য বাল গঙ্গাধৰ তিলক দেৱক আদৰি অনাৰ দিনটো। সভানেত্ৰীক আদৰিবলৈ মানুহৰ যি উথল-মাথল লাগিছিল তাক আজিও পাহৰিব পৰা নাই।

শ্ৰীমতী বেছান্তক আদৰিবলৈ যি শোভাযাত্ৰা হৈছিল তেনে শোভাযাত্ৰা কলিকতাত সচৰাচৰে দেখা পোৱা নাছিল। তেওঁক হাওৰা ষ্টেচনৰপৰা হেৰিশ্চন ৰোডৰ মাজেদি জোৰাৰ চাকু'লাৰ ৰোডলৈ লৈ যাওঁতে লেণ্ডো (Landau) গাড়ীত নিয়া হৈছিল। সেই সময়ত লেণ্ডো গাড়ীয়েই আভিজাত্যৰ নিদৰ্শন আছিল। তেওঁক ন্যাশন্যালটী এজেন্সীৰ ডিৰেক্টৰ শ্ৰীযুত সেনৰ ঘৰত ৰখা হৈছিল। ইয়াৰ পিছত বাল গঙ্গাধৰ তিলক, পণ্ডিত মদনমোহন মালব্য আৰু গান্ধীজীক হাওৰা ষ্টেশ্যনৰপৰা আদৰি অনাৰ সুযোগ পাইছিলো। তেওঁলোকক বৰ বাজাৰত কিছুমান ব্যৱসায়ীৰ ঘৰত ৰখাৰ ব্যৱস্থা আছিল। সেই সপ্তাহটোৰ ভিতৰত কংগ্ৰেছ পেণ্ডেলত কেবাখনো সন্মিলন বহিছিল। যেনে, অখিল ভাৰত হিন্দি সন্মিলন, সমাজ সংস্কাৰ সন্মিলন ইত্যাদি। আমি কংগ্ৰেছৰ মূল অধিবেশনৰ কামত ব্যস্ত থকাত এইবিলাকে সন্মিলনত যোগ দিব

পৰা নাছিলোঁ। বাতৰি কাকতৰ ভবিষ্যতেহে ইয়াৰ সকলো খবৰ পাইছিলো। আনকি একমাত্র সভানেত্রীৰ ভাষণৰ বাহিৰে আন নেতাসকলৰ ভাষণ শুনিবলৈকো আমি সময় পোৱা নাছিলো। স্বেচ্ছাসেৱক সকলৰ ওপৰত কামৰ নানা হেঁচা থকা সত্বেও এগৰাকী বন্ধুৰ অনুৰোধত আৰু এটা কামৰ দায়িত্ব ব্যক্তিগতভাৱে লবলগীয়া হ'ল—সেইটো আছিল ডাঃ ট্ৰাভী সীতাৰামায়োই সুকীয়াকৈ অন্ধ্র প্রদেশ কংগ্রেছ কমিটিৰ বিচৰা এখন পুস্তিকা। এই পুস্তিকাৰ দহ হাজাৰমান কপি বিলাবলগীয়া হৈছিল। ডাঃ সীতাৰামায়ো জীৱন বীমা কোম্পানীৰ লগত জড়িত আছিল। সেইদেখি জেনেৰেল ইনচিওৰেন্স কোম্পানীৰ যতীন দত্তক এই দায়িত্ব দিয়াত আৰু দত্তদেৱে মোক অনুৰোধ কৰাত এই কামো কৰিবলগীয়া হৈছিল।

সেই সময়ত তেলেগু ভাষীসকলৰ কাৰণে বেলেগ কংগ্রেছ কমিটী নাছিল। তেলেগু ভাষী, কানাড়া ভাষী, মালয়ালম ভাষীসকলো মাদ্রাজ প্রাদেশিক কংগ্রেছ কমিটিৰ অন্তর্ভুক্ত আছিল। ভাৰতে ভাষাৰ ভিত্তিত ভবিষ্যতৰ শাসনতন্ত্র ৰচনা কৰাৰ কথা ভবাৰ লগে লগে বেলেগ ভাষা-ভাষী প্রদেশ বিলাকেও সুকীয়া প্রদেশ কংগ্রেছ গঠনৰ কথাবোৰ ভাবিবলৈ ধৰিলে আৰু এইমতে তেলেগু ভাষীলোকসকলে সুকীয়া প্রদেশ কংগ্রেছ কমিটি বিচাৰিলে। অসমো সেইদৰে বঙ্গীয় প্রদেশ কংগ্রেছ কমিটিৰ অন্তর্ভুক্ত হৈ থাকিবলগীয়া হৈছিল। অসমৰপৰা কংগ্রেছলৈ অহা প্রতিনিধিসকল অসম এচোছিয়েশ্যনৰ দ্বাৰা নির্বাচিত হৈ আহিলেও অসম এচোছিয়েশ্যনে বঙ্গীয় প্রদেশ কংগ্রেছ কমিটীৰ সহযোগত কাম কৰিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ত কংগ্রেছৰ নিয়মতন্ত্রৰ সালসলনি হোৱাত বেলেগ ভাষা-ভাষী ৰাজ্যবিলাকে সুকীয়া প্রদেশ কংগ্রেছ কমিটি পোৱাত অসমৰ কাৰণেও সুকীয়া প্রদেশ কংগ্রেছ কমিটী গঠন হ'ল।

এইদৰে কংগ্রেছৰ অধিবেশন শেষ হ'ল আৰু লগে লগে ১৯১৮ চন আহিল নতুন ভাবলৈ। ইমান দিন কংগ্রেছৰ নেতাসকলৰ এটা সমালোচনা শুনি আছিলো— তেওঁলোকে বছৰটো শুই থাকি বৰদিনৰ বন্ধত সাৰ পাই উঠে আৰু কোনোবা ডাঙৰ চহৰত কংগ্রেছৰ সভা পাতি গৱৰ্ণমেণ্টক চোকা চোকা ভাষাৰে সমালোচনা কৰি নিজৰ কৰ্তব্য পালন কৰে। ইয়াৰ পিছত আকৌ টোপনি যায়। বিশেষকৈ মডাৰ্ণ ৰিভিউ (Modern Review) আৰু প্রবাসী বোলা বঙালী আলোচনী দুখনত এনে মন্তব্য পঢ়িবলৈ পাই আছিলো। সাহিত্যৰথী বেজবৰুৱায়ো তেওঁৰ বাঁহীত এইদৰে সমালোচনা নকৰাকৈ নাছিল। কিন্তু এইবাৰ যিগৰাকী নেতৃ কংগ্রেছৰ সভাপতি নির্বাচিত হ'ল তেওঁ নিজৰ লগে লগে কংগ্রেছ কর্মীসকলকো গোটেই বছৰটোৰ কাৰণেই ৰাজনৈতিক আঁচনিৰে ব্যস্ত কৰি ৰাখিলে। তথাপিও তেওঁ যি জনপ্রিয়তাৰে কংগ্রেছৰ নেতৃত্ব কৰিছিল

সেই জনপ্রিয়তা লাহে লাহে হ্ৰেকদাৰ ধৰিলে। এই সময়তে মণ্টেগুৰ ভাৰত ভ্ৰমণ আৰু তেওঁ তাৰতৰ ভৱিষ্যত শাসন-তন্ত্ৰ সম্পৰ্কে ভাৰতৰ ৰাজনৈতিক নেতাসকলৰ লগত কৰা আলোচনায়েই এনি বেছান্তৰ এই জনপ্রিয়তা হানিৰ গুৰি কথা বুলি ক'ব পাৰি। সেই সময়ত ভাৰতত এটা কথা শুনিবলৈ পোৱা গৈছিল যে বৃটিছ আমোলাতন্ত্ৰ ভাৰতৰ ৰাজনৈতিক প্রগতিত হেঙাৰৰ দৰে আছে, কেৱল মণ্টেগুৱেহে ইয়াৰ বিৰুদ্ধে যুঁজ কৰি ভাৰতৰ শাসন-তান্ত্রিক সংস্কাৰ আনিবলৈ বিচাৰিছে। সেইদেখি কংগ্ৰেছ সভাপতি শ্ৰীমতী এনি বেছান্তে "মণ্টেগুক শক্তিশালী কৰা" বুলি এটা ধ্বনি দিছিল। তেওঁ মণ্টেগুক এইদৰে সমৰ্থন কৰা সত্বেও মণ্টেগু বা লৰ্ড চেমছফোৰ্ডে তেওঁৰ লগত ভাল ব্যৱহাৰ নকৰিলে। লৰ্ড চেমছফোৰ্ডে এনি বেছান্তক দেখা কৰিবলৈকো মান্তি নহ'ল আৰু মণ্টেগুৱে দেখা কৰিও তেওঁৰ ডায়েৰীত এনি বেছান্ত সম্পৰ্কে ভাল মন্তব্য কৰা নাছিল।

লৰ্ড চেমছফোৰ্ডে মণ্টেগুলৈ ভাৰতৰ ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কে লেখা চিঠিখনৰ উল্লেখ কৰি মণ্টেগুৱে তেওঁৰ ডায়েৰীত লিখিছে "মিচেচ বেছান্তৰ মুখখন বৰ চোকা আৰু তেওঁ হোমৰুলৰ কাৰণে যিদৰে মিটিং কৰি ফুৰিছে তেওঁক আকৌ গ্ৰেপ্তাৰ কৰিবলগীয়া হ'ব।" চেমছফোৰ্ডৰ এই চিঠিৰ কথাবাৰত মণ্টেগুৱে আকৌ তেওঁৰ ডায়েৰীত এইদৰেও মন্তব্য কৰিছে "এই সম্পৰ্কে মই একো উপদেশ দিবলৈ নাযাওঁ — মই নজনাৰ দৰে থাকিম অৰ্থাৎ ভাইছৰয়ে যি কৰে কৰক।" ইয়াৰ পিছত মিচেচ বেছান্তক উটকামণ্ডত অন্তৰীণ কৰি ৰখা হ'ল আৰু ফলত হোমৰুল কথাষাৰ আগতকৈও জনপ্রিয় হৈ উঠিল। এই সম্পৰ্কে মণ্টেগুৱে ডায়েৰীত আলোচনা কৰি ভাৰতীয় পুৰাণ সাহিত্যৰ এটি উপমা ব্যৱহাৰ কৰি লেখিছিল "পুৰাণ সাহিত্যৰ এটি সাধুৱে মোক বৰকৈ আকৃষ্ট কৰিছিল সেই সাধুটো হ'ল শিৱৰ সাধু। শিৱই হেনো তেওঁৰ পত্নীক ৫২ টুকুৰাকৈ কাটিছিল ফলত তেখেতৰ ৫২ গৰাকী ভাৰ্যাৰ সৃষ্টি হৈছিল— আজি লৰ্ড চেমছফোৰ্ডেও এগৰাকী এনি বেছান্তৰ ঠাইত ৫২ গৰাকী এনি বেছান্তৰ সৃষ্টি কৰিলে।" মণ্টেগুৱে এইদৰে ভাৰতীয় নেতাসকলৰ লগত হোৱা আলোচনা সম্পৰ্কে আৰু বহুতো কথা লেখিছে।

মিচেচ্ এনি বেছান্তে হোমৰুল আন্দোলনৰ কামত লাগি থাকোঁতে বহু সভা সমিতিত এবাৰ মন্তব্য কৰিছিল যে ভাৰতে মণ্টেগু শাসন সংস্কাৰ গ্ৰহণ কৰিব নালাগে আৰু মণ্টেগুৱেও বৃটিছ চৰকাৰৰ হৈ এনে এখন শাসন ব্যৱস্থা আগবঢ়াব নালাগে; কিন্তু মণ্টেগুৰ ডায়েৰীত পঢ়িবলৈ পোৱা হ'ল যে ছাৰ পন্থৰ নায়াৰে যি শাসন ব্যৱস্থাৰ আঁচনি গ্ৰহণ কৰিব মিচেচ্ এনি বেছান্তেও সেই আঁচনিক সমৰ্থন জনাব। পিছত

যেতিয়া মণ্টেগুৰ শাসন-সংস্কাৰ প্ৰকাশ হ'ল তেতিয়া দেখা গ'ল যে ছাৰ শঙ্কৰন নায়াৰে মণ্টেগুৰ শাসন সংস্কাৰক সমৰ্থন জনালে। এই কথাষাৰেই মিচেচ্ এনি বেছান্তৰ ৰাজনৈতিক জীৱনত যেন পতনৰ সূচনা কৰিলে। যিগৰাকী নেত্ৰীক অভ্যৰ্থনা জনাবলৈ কলিকতা মহানগৰীত উথল-মাথল লাগিছিল, তৰুণসকলৰ মুকুটমণি সেইগৰাকী নেত্ৰী লাহে লাহে জনমানসৰপৰা আঁতৰি পৰিল।

পণ্ডিত মতিলাল নেহৰুয়ে মণ্টেগুক হেনো কৈছিল যে ২০ বছৰৰ ভিতৰত ভাৰতক স্বায়ত্ত-শাসন দিম বুলি প্ৰতিশ্ৰুতি দিলে তেওঁৰ আপত্তি কৰিবলৈ একো নাথাকিব। আনপিনে চিত্তৰঞ্জন দাসে মণ্টেগুক কৈছিল যে দ্বৈত শাসন কেতিয়াও কৃতকাৰ্য হ'ব নোৱাৰে। সেইদেখি পাঁচ বছৰৰ ভিতৰত ভাৰতক স্বায়ত্ত-শাসন দিম বুলি প্ৰতিশ্ৰুতি দিয়াটো তেওঁ বিচাৰে। সুৰেন্দ্ৰ নাথ বানাৰ্জীয়ে মণ্টেগুৰ শাসন-সংস্কাৰ গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল আৰু ভূপেন্দ্ৰ নাথ বসুৱে কৈছিল যে বৰ্তমান অৱস্থাত কংগ্ৰেছে এই শাসন-সংস্কাৰ গ্ৰহণ নকৰে বুলি ক'লেও শেহত এই শাসন-সংস্কাৰ গ্ৰহণ কৰিবৰ কাৰণেই প্ৰস্তাৱ আগ বঢ়াবলগীয়া হ'ব। শ্ৰীনিবাস আয়েঙ্গাৰেও বসুৰ সুৰতে কৈছিল যে কংগ্ৰেছে আজি মণ্টেগুৰ এই শাসন-সংস্কাৰ গ্ৰহণ নকৰিলেও পিছত গ্ৰহণ কৰিব।

ভাৰতীয় নেতাসকলে সেই সময়ত মণ্টেগু শাসন-সংস্কাৰক কঠোৰভাৱে সমালোচনা কৰাত আমাৰ মনলৈ এনে এটা ভাব আহিছিল যে হোমৰুল বা স্বায়ত্ত-শাসন নাপালে নেতাসকলে এই সংস্কাৰ গ্ৰহণ নকৰিব; কিন্তু মণ্টেগুৰ ডায়েৰী প্ৰকাশ পোৱাত আমি নেতাসকলৰ মনৰ আচল ভাবটো বুজিবলৈ টান পাইছিলো। মণ্টেগুৰ উক্তিবিলাকৰ কোনো প্ৰতিবাদ আমি দেখা নাছিলো। এইখিনিতে সাহিত্যৰথী বেজবৰুৱাদেৱৰ এটি মন্তব্য মনলৈ আহিছে। ১৯১৮ চনৰ আগষ্ট মাহত চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ যত্নত সাদিনীয়া অসমীয়া বাতৰি কাকতৰ যেতিয়া জন্ম হ'ল, সেই বাতৰি কাকতৰে দ্বিতীয় সংখ্যাত “প্ৰৱসুৱাৰ চিঠি” শীৰ্ষক শিতানত বেজবৰুৱাদেৱে ভাৰতীয় ৰাজনৈতিক নেতাসকলক লণ্ডনৰ টুলা ষ্ট্ৰীটৰ দৰ্জিৰ লগত তুলনা কৰাত কলিকতাত থকা অসমীয়া ছাত্ৰসকলে বেজাৰ পাই প্ৰতিবাদ কৰি সেই চিঠিৰ প্ৰত্যুত্তৰ দিছিল। সেই চিঠিৰ আঁচনি কৰিছিল ধীৰেন্দ্ৰ নাথ আগৰৱালা আৰু দেৱেশ্বৰ শৰ্মাদেৱে। সাদিনীয়া অসমীয়াই সেই প্ৰতিবাদ-চিঠি প্ৰকাশ কৰিছিল। সেই সময়ত আমি ৰাজনীতিতো যে দৰ-ভাও থাকিব পাৰে সেইবিলাক কথা বুজি পোৱা নাছিলো।

মণ্টেগু কলিকতালৈ অহাত ভাৰতৰ আন আন প্ৰদেশৰ নেতাসকলৰ দৰে অসমৰ নেতাসকলেও অসমৰ ভৱিষ্যত শাসন-সংস্কাৰৰ বিষয়ে আলোচনা কৰিবলৈ কলিকতালৈ

আহিছিল। সেইসকলৰ ভিতৰত আছিল ঘনশ্যাম বৰুৱা, গঙ্গা গোবিন্দ ফুকন, নবীন চন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন আৰু পদ্মনাথ গোহাঞিবৰুৱা। বৰদলৈদেৱ সেই সময়ত হেৰিশ্বন ৰোডৰ এঘৰত আলহী থকাত আৰু অসমীয়া ছাত্ৰসকলো সেই সময়ত হেৰিশ্বন ৰোডৰে মেছ এটাত থকাত তেওঁক লগ ধৰিবলৈ যায়। সেই সময়ত অসমৰ ছাত্ৰসকল ভাৰতৰ আন আন ছাত্ৰসকলৰ দৰে হোমৰুল আন্দোলনৰ সমৰ্থক আছিল আৰু অসমত হোমৰুল আন্দোলনৰ প্ৰস্তুতি নোহোৱাত মনতে বেজাৰ পাই আছিল। ছাত্ৰ-সকলৰ এই অনুভূতিকে দেৱেশ্বৰ শৰ্মাদেৱে প্ৰকাশ কৰি অভিযোগৰ সুৰত বৰদলৈদেৱক কৈছিল যে "আন ঠাইৰ দৰে অসমতো হোমৰুল আন্দোলনৰ সংগঠন কিয় হোৱা নাই ?" বৰদলৈদেৱে তাৰ উত্তৰত কৈছিল, "তোমালোকে বঙ্গদেশৰ ডেকাসকলৰ দৰে বোমা-বিপ্লৱভাৰ ল'ব পাৰিবানে ?"—সেই সময়ত ৰাজনীতিত অহিংসাৰ প্ৰয়োগৰ কথা ওলোৱাই নাছিল। সেইদেখি ভাৰতৰ উগ্ৰপন্থী নেতাসকলে হিংসাত্মক নীতিৰ জৰিয়তেহে ভাৰতৰ সমস্যাৰ সমাধান হ'ব বুলি ভাবিছিল। বৰদলৈদেৱেও সেই দৃষ্টিকোণৰ পৰাই কথাষাৰ কৈছিল যেন লাগে।

সেই সময়ত গান্ধীজীয়ে ৰাজনীতিত অহিংসাৰ কথাষাৰ কোৱাত বহুতো ভাৰতীয় নেতাই এই কথাষাৰক ৰাজনৈতিক কৌশলৰূপে গ্ৰহণ কৰিছিল—সেইদেখি চৌৰিচৌৰাৰ হিংসাত্মক ঘটনাৰ কাৰণে গান্ধীজীয়ে যেতিয়া গণ-সত্যাগ্ৰহ স্থগিত ৰাখিছিল তেতিয়া ভাৰতৰ বহুতো নেতা তেওঁতৰ ওপৰত ক্ষুব্ধ হৈ উঠিছিল। ১৯৪০ চনত দ্বিতীয় বিশ্ব-যুদ্ধৰ সময়ত যুদ্ধ সম্পৰ্কীয় প্ৰস্তাৱ আলোচনা কৰোঁতে কংগ্ৰেছ ৱাৰ্কিং কমিটীৰ বহু সদস্যৰ লগত তেখেতৰ যি মতভেদ হৈছিল সেই মতভেদৰ আঁৰতো এই মনো-ভাবেই প্ৰকাশ পাইছিল।

১৯১৮

এইদৰে ১৯১৭ চনে নানান ঘটনাৱলীৰ মাজেৰে ১৯১৮ চনত ভৰি দিলেহি। প্ৰথম বিশ্বযুদ্ধই ভাৰতৰ অৰ্থনীতিৰ কামিহাড় এইদৰে ভাঙিছিল যে ইয়াৰ উৰ্দ্ধগামী মূল্যই মানুহক আৰ্থিক পিনৰপৰা জুৰুলা কৰিছিল। একোখন সাধাৰণ চুৰিয়া মানুহে আঁঠ টকাৰ কমে কিনিব নোৱাৰিছিল ; অথচ যুদ্ধৰ আগতে এনেকুৱা এযোৰ চুৰিয়াৰ দাম মুঠেই এটকা, বা এটকা আঠ অনা আছিল। এই বস্ত্ৰ-সংকটৰ সময়ত অসমীয়া শিপিনীসকলে কটাকানিৰ তলিচা বৈ অসমৰ গাঁৱলীয়া ৰাইজক সকাহ দিছিল। সেই সময়ত আমি শুনিবলৈ পাইছিলো যে অসমৰ বাহিৰে আন আন প্ৰদেশৰ বহু ঠাইত মহিলাসকলে হেনো লাজ

নিবাৰণ কৰিব নোৱাৰি আত্মহত্যা কৰিছিল। যুদ্ধৰ কাৰণে দিবলগীয়া হোৱা দান আৰু ঋণৰ বোজাও ভাৰতীয় জনতাৰ কাৰণে দুৰ্বিষহ হৈ উঠিছিল। বিদেশী চৰকাৰৰ অধীনত থাকিবলগীয়া হোৱাত ভাৰতীয় জনতাই এনে দান আৰু ঋণৰ বোজা অনিচ্ছা সত্ত্বেও বহন কৰিবলগীয়া হৈছিল।

প্ৰথম বিশ্ব যুদ্ধত সহায় কৰাৰ বিনিময়ত ভাৰতীয় নেতাসকলে বৃটিছ চৰকাৰৰ পৰা বহুখিনি ৰাজনৈতিক সুবিধা পাব বুলি আশা কৰিছিল। এনেকি ৰাজদ্ৰোহৰ অপৰাধত দণ্ডিত হোৱা লোকমান্য বালগঙ্গাধৰ তিলকেও চিপাহী সংগ্ৰহ কৰাত লাগিছিল বুলি আমি কাগজত পঢ়িছিলো। বালগঙ্গাধৰ তিলকে গান্ধীজীক এটি আহ্বান জনাইছিল বুলিও শুনা গৈছিল—যি আহ্বান আমি জনামতে গান্ধীজীয়ে গ্ৰহণ কৰা নাছিল। আহ্বানটো আছিল এনে—যুদ্ধত সহায় কৰাৰ বিনিময়ত ভাৰতীয় ডেকাসকলক বিনা লাইচেন্সে বন্দুক আদি ৰখা আৰু লৈ ফুৰাৰ অধিকাৰ দিয়াব পাৰিলে আৰু ভাৰতীয় ডেকাসকলক সামৰিক বাহিনীৰ উচ্চ পৰ্যায়ৰ বিষয়াৰ পদত অধিষ্ঠিত কৰাব পাৰিলে বালগঙ্গাধৰ তিলকে গান্ধীজীক পঞ্চাছ হাজাৰৰ চেক্ এখন দিব। এইখিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে বালগঙ্গাধৰ তিলকে জন-সংগ্ৰহ কৰি চৰকাৰক সহায় কৰা সত্ত্বেও চৰকাৰে তেখেতৰ আৰু বিপিনচন্দ্ৰ পালৰ ওপৰত দিল্লীলৈ যোৱা সম্পৰ্কে যি নিষেধাজ্ঞা আছিল তাক তুলি লোৱা নাছিল।

এইদৰে অসমতো চিপাহী সংগ্ৰহ আৰু ধন সংগ্ৰহৰ কাৰণে চৰকাৰৰ তৰফৰপৰা বৰ যত্ন লোৱা হৈছিল। অসমৰ প্ৰায়বিলাক নগৰতে স্থানীয় উকিলসকলক লৈ 'ৱাৰ কমিটি' একোখন গঠিত হৈছিল। এওঁবিলাকেও গাঁৱে-ভূঞে গৈ অতি উদ্যমেৰে ধন সংগ্ৰহত লাগিছিল। ধন সংগ্ৰহ কৰোঁতে ৰাইজৰ ওপৰত যি হেঁচা পৰিছিল তাৰ প্ৰতিক্ৰিয়াও দুই-এঠাইত নোহোৱাকৈ নাছিল। মঙ্গলদৈৰ আঠাৰীখাটত ঘটা ঘটনা এটি এই প্ৰসঙ্গত মনলৈ আহিছে। ঘটনাটো এনেকুৱা। আঠাৰীখাট বাগিচাৰ হাটত যেতিয়া চিপাহী সংগ্ৰহৰ কাম চলি আছিল তেতিয়া হঠাতে এটা গুজব ৰটনা হ'ল যে সংগ্ৰহকাৰীসকলে মানুহবিলাকক জোৰকৈ যুদ্ধলৈ লৈ যাবলৈ আহিছে। এই কথাষাৰ প্ৰচাৰ হোৱাৰ লগে লগেই সংগ্ৰহকাৰীসকলৰ ওপৰত আক্ৰমণ চলিল। এই আক্ৰমণত কেবাজনো আহত হ'ল আৰু আচামী হিচাপে আঠাৰীখাট বাগিচাৰ কেবাগৰাকীকো গ্ৰেপ্তাৰ কৰা হ'ল। তাৰে দুগৰাকী আছিল সেই বাগিচাৰে বৰকেৰাণী আৰু আন গৰাকী সেই বাগিচাৰে ডাক্তৰ। বৰকেৰাণী হিৰণ্য বৰুৱা বৰ প্ৰতিপত্তিশালী মানুহ আছিল। তেওঁক ৰক্ষা কৰিবৰ কাৰণে সেই চাহ বাগিচাৰ কোম্পানীয়ে কলিকতাৰ বিখ্যাত ব্যাৰিষ্টাৰ মিঃ নৰ্টনক পঠিয়াইছিল। বাগিচাৰ কৰ্তৃপক্ষই তৰুণৰাম ফুকনদেৱ

আৰু ডিব্ৰুগড়ৰ ছলিছিটাৰ মিঃ ৰফিকো নিযুক্ত কৰিছিল। এই মোকৰ্দমা তেজপুৰৰ কোৰ্টত চলি থাকোঁতে অসমৰ বেবাঠাইৰো পৰা বেবাগৰাকীও উকিল, মিঃ নৰ্টনেনো কিদৰে জেৰা কৰে তাকে চাবলৈ আহিছিল।

এই বিশ্বযুদ্ধখন ১৯১৪ চনৰ আগষ্ট মাহত আৰম্ভ হৈছিল। জাৰ্মান সৈন্য বাহিনীয়ে যি পৰাক্ৰমেৰে আগ বাঢ়িছিল তালৈ চাই সকলোৰে মনত ভাব হৈছিল যে এই যুদ্ধ সোনকালেই শেষ হ'ব, আনকি জাৰ্মান সম্ৰাট কাইজাৰেও কৈছিল যে তেওঁলোকে বৰদিনৰ উৎসৱ পেৰিছতে পাতিব পাৰিব; কিন্তু তেওঁৰ সেই আশা পূৰ্ণ নহ'ল। তাৰ আহি পৰাৰ লগে লগে যুদ্ধই এটা স্থিতিশীল অৱস্থা পালেগৈ। দুয়োপক্ষই আগ বাঢ়িব নোৱাৰি গাঁতত সোমাই যুদ্ধ চলাবলগীয়া হ'ল। এই যুদ্ধতে দুয়োপক্ষই নতুন নতুন মাৰণাস্ত্ৰ উদ্ভাৱন কৰাত লাগিল। এই যুদ্ধতে আমি বিষাক্ত গেছ প্ৰয়োগৰ কথা আৰু কাউন্ট জেপেলিনে অৱিষ্কাৰ কৰা বিমান যুদ্ধত ব্যৱহাৰ কৰাৰ কথা শুনিবলৈ পাইছিলো। টেঙ্কৰ ব্যৱহাৰো এই যুদ্ধৰ শেহৰফালে আৰম্ভ হয়। যুদ্ধ দীঘলীয়া হোৱাত আন দেশ কিছুমানেও যি কোনো এটা পক্ষক সমৰ্থন জনালে। এচিয়াৰ জাপানে মিত্ৰপক্ষ ইংৰাজক সমৰ্থন জনাই জাৰ্মানে অধিকাৰ কৰি থকা চীনৰ অন্তৰ্ভুক্ত কিয়াচাও বোলা ঠাইডোখৰ দখল কৰি ল'লে। ইপিনে তুৰস্ক আৰু ইটালীয়ে জাৰ্মানক সহায় কৰিবলৈ আগ বাঢ়িল। আমেৰিকা যুক্তৰাষ্ট্ৰই মিত্ৰপক্ষক সমৰ্থন জনাই যুদ্ধত নামিল। তুৰস্কই জাৰ্মানক সহায় কৰাত ইংৰাজে ডাৰ্ডানেলিছ প্ৰণালীৰ ওচৰৰ গ্যেলিপলি আৰু মেছোপটেমিয়াত সৈন্য-বাহিনী নমালে। এই দুয়ো ৰণক্ষেত্ৰতে ইংৰাজৰ বিপৰ্যয় হোৱাত ভাৰতৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱাটো অনিবাৰ্য হৈ উঠিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিচিনা শিল্প ক্ষেত্ৰত আগবঢ়া এখন ডাঙৰ দেশে ইংৰাজৰ পক্ষ লোৱাত জাৰ্মানীয়ে নৌ-শক্তিৰ ছাবমেৰিনৰ ওপৰত ঘাইকৈ নিৰ্ভৰ কৰি যুদ্ধ চলাবলগীয়া হ'ল। মিত্ৰ-পক্ষৰ কাৰণে অহা খাদ্য আৰু অস্ত্ৰ সম্ভাৰক ধ্বংস কৰাটোৱেই এই ছাবমেৰিন—যুদ্ধৰ উদ্দেশ্য আছিল। ইয়াৰ বাহিৰেও জাৰ্মানীয়ে ক্ৰুইজাৰ জাহাজৰ সহায়ত আটলাণ্টিক মহাসাগৰ আৰু ভাৰত মহাসাগৰত অবাধে ঘূৰি মিত্ৰ-পক্ষৰ বহু জাহাজ ধ্বংস কৰি আতঙ্কৰ সৃষ্টি কৰিছিল। এনেকি মাদ্ৰাজ উপকূলত থকা তেল শোধনাগাৰৰ ওপৰতো গুলী বৰ্ষণ কৰিছিল। এই সন্দৰ্ভত 'এম্‌ডেন আৰু ব্ৰেছল' নামৰ ক্ৰুইজাৰ জাহাজ দুখনৰ নাম ভাৰতৰ গাঁৱে-ভুঞে জনাজাত হৈ পৰিছিল। এই সময়ত ভাৰতীয় জাতীয় কংগ্ৰেছৰ বহু নেতাই ইংৰাজলৈ ধন আৰু জনেৰে সহায় আগ বঢ়াবলৈ যত্ন কৰিলেও—ভাৰতৰ সন্ত্ৰাসবাদী ডেকাসকলে ভাৰতৰ বাহিৰৰ পৰা অস্ত্ৰ-শস্ত্ৰ

সংগ্ৰহ কৰি ভাৰতৰ ভিতৰত ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহ জগাই তুলিবলৈ চেষ্টা নকৰাকৈ থকা নাছিল। জাৰ্মানীয়েও এই সুযোগৰ সদ্ব্যৱহাৰ নকৰাকৈ থকা নাছিল। এই সূত্ৰতে ভাৰতৰ ভাইছৰয় লৰ্ড হাৰ্ডিঞ্জৰ এটা মন্তব্য মনলৈ আহিছে। তেওঁ কৈছিল "মই ভাৰত ৰক্ষাৰ কাৰণে ৰখা সৈন্য-বাহিনীৰ এজনকো ভাৰতত নৰখাকৈ য়ুৰোপৰ ৰণক্ষেত্ৰলৈ পঠিয়াই দিলো—অকল পুলিচ বাহিনীৰ ওপৰত নিৰ্ভৰ কৰিয়েই ভাৰত ৰক্ষা কৰিলো।" এই উক্তিষাৰৰ তাৎপৰ্য এয়ে আছিল যে এনে এটা অনুকূল পৰিস্থিতিতো ভাৰতৰ জনতা ইংৰাজ শাসনৰ বিৰুদ্ধে থিয় নহ'ল।

সেই সময়তে এদিন বাতৰি কাকতত এটি চমু বাতৰি ওলাল যে উৰিষ্যাৰ সমুদ্ৰ উপকূলত সন্ত্ৰাসবাদী ডেকা কিছুমানৰ লগত পুলিচৰ সংঘৰ্ষ হৈছে। যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ লৈ জাৰ্মানীয়ে পঠিওৱা জাহাজ এখনে উৰিষ্যাৰ সাগৰ উপকূলত ধৰা পৰিল বুলি আন এটা গুজৱ ওলাল।

ইপিনে চৰকাৰেও সন্ত্ৰাসবাদী বুলি সন্দেহ কৰি কিছুমান ডেকাক আটক কৰি ৰাখিছিল। এওঁবিলাকৰ সংখ্যা দুহেজাৰৰো ওপৰ আছিল। জাপানত শিক্ষালাভ কৰিবলৈ যোৱা নগাঁওৰ অসমীয়া ডেকা শিশিৰ মজুমদাৰে যুদ্ধ লগাত ঘৰলৈ উভটিব খোজা সত্ত্বেও তেওঁক জাপানতে আটক কৰি ৰখা হ'ল আৰু তেওঁৰ পত্নী ফ্লোৰেন্স মজুমদাৰকো অসমতে অন্তৰীণ কৰি ৰাখিলে। সাংবাদিক লক্ষ্মীনাথ ফুকনদেৱে "অমৃত বাজাৰ পত্ৰিকা"ত কেবালানিও চিঠি প্ৰকাশ কৰি মজুমদাৰ পৰিয়ালৰ দুৰ্দশাৰ কথাবোৰ ভাৰতৰ ৰাইজৰ চকুত পেলাইছিল।

ভাৰতৰ কিছুমান ডেকাই সন্ত্ৰাসবাদৰ উপায় লৈ দেশৰ মুক্তিৰ কাৰণে চেষ্টা কৰিলেও ভাৰতৰ জাতীয় জীৱনৰ ঘাই মূৰ্তিটো সহযোগৰ বাটেদিয়েই বৈছিল— কাৰণ চৰকাৰ বিদেশী হ'লেও তেওঁবিলাকৰ এই বিপৰ্যয়ৰ সময়ত ভাৰতীয় নেতাসকলে সুবিধা ল'বলৈ বিচৰা নাছিল। যি উদ্দেশ্য লৈ মিত্ৰ-পক্ষই যুদ্ধত নামিছিল আৰু যুদ্ধ সম্পৰ্কে তেওঁবিলাকৰ যি ঘোষিত নীতি আছিল তাৰ ওপৰত ভাৰতীয় নেতাসকলৰ সম্পূৰ্ণ আস্থা আছিল; যুদ্ধৰ অন্তত সেয়ে তেওঁবিলাকে ইংৰাজৰ হাতত ন্যায়বিচাৰ পাব বুলি বিশ্বাস ৰাখিছিল। লোকমান্য বালগঙ্গাধৰ তিলক আৰু গান্ধীজীৰ নিচিনা ব্যক্তিত্বসম্পন্ন লোকসকলেও ইংৰাজক ধনে-জনে সহায় কৰাত আগভাগ লৈছিল। কলিকতা বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব ভাইছ চেঞ্চেলাৰ দেৱপ্ৰসাদ সৰ্বাধিকাৰীৰ ভায়েক ডঃ সুৰেশ প্ৰসাদ সৰ্বাধিকাৰীৰ নিচিনা মানুহেও ইণ্ডিয়ান ডিফেন্স ফোৰ্ছ আৰু বেঙ্গল ৰেজিমেণ্টৰ সংগঠনৰ কামত লাগিছিল। ইয়াৰ ভিতৰত ইণ্ডিয়ান ডিফেন্স ফোৰ্ছটো স্বেচ্ছাসেৱক বাহিনীৰ দৰে আৰু বেঙ্গল ৰেজিমেণ্ট

নিয়মিত সৈন্য বাহিনীৰ দৰে আছিল। বেঙ্গল ৰেজিমেণ্টত ভৰ্তি হোৱা সকলক কেইমাহমানৰ ট্ৰেইনিং দিয়েই মেছোপটেমিয়ালৈ পঠিওৱা হৈছিল। সেই সময়ত অসমৰ কেইবাগৰাকীও ডেকাই ইণ্ডিয়ান ডিফেন্স ফোৰ্ছত যোগ দিছিল। তেখেতসকলৰ ভিতৰত স্বৰ্গীয় যোগেশ তামুলী, বলিন বৰুৱা, সৰ্বশ্ৰী দেৱেশ্বৰ শৰ্মা আৰু ৰাজেন্দ্ৰ নাথ বৰুৱাৰ নাম উল্লেখযোগ্য। এওঁলোকক দমদমৰ ওচৰত ট্ৰেইনিং দিয়া হৈছিল। লক্ষ্যভেদৰ পৰীক্ষাত যোগেশ তামুলী আৰু দেৱেশ্বৰ শৰ্মাদেৱৰ কৃতিত্ব প্ৰশংসনীয় আছিল। যোগেশ তামুলীয়ে লক্ষ্যভেদৰ পৰীক্ষাত পাঁচটাৰ ভিতৰত চাৰিটাত বুলছ্ আই (Bull's eye) লোৱাত আৰু পঞ্চমটোও ইনাৰ চাৰ্কোলৰ ভিতৰতে পৰাত এটা অভিলেখৰ সৃষ্টি হৈছিল আৰু ইষ্টাৰ্ণ কমাণ্ডৰ জেনেৰেল বাৱাৰ্ছে (General Bowers) পুৰস্কাৰ-বিতৰণী সভাত এই কথাষাৰ উল্লেখ কৰিছিল। দেৱেশ্বৰ শৰ্মাদেৱেও দুটা বুলছ্ আই পাই কৃতিত্ব অৰ্জন কৰিছিল। জেনেৰেল বাৱাৰ্ছে তেওঁৰ ভাষণত এই কথাষাৰকে ক'ব খুজিছিল যে নিয়মীয়া সৈন্য বাহিনীৰো প্ৰথম অৱস্থাত হাত কঁপে, কিন্তু এই ডেকাসকলে প্ৰথম অৱস্থাতে নকঁপা হাতেৰে লক্ষ্যভেদ কৰিছিল। এই সূত্ৰতে এটা কথা উল্লেখ কৰি থোৱা ভাল হ'ব যে ইণ্ডিয়ান ডিফেন্স ফোৰ্ছত নেতাজী সুভাষ চন্দ্ৰ বসুৰ দৰে ব্যক্তিয়েও যোগ দিছিল। এইটো এটা মনকৰিবলগীয়া কথা যে সুভাষ চন্দ্ৰ বসু ইয়াৰ আগৰ বছৰ প্ৰেছিডেন্সি কলেজৰ ছাত্ৰ হৈ থাকোঁতে প্ৰফেছাৰ ওটেন (Oaten) চাহাবৰ ঘটনা সংক্ৰান্তত কলেজৰপৰা বহিষ্কৃত হ'লেও যুদ্ধৰ স্বেচ্ছাসেৱক বাহিনীত যোগ দিবলৈ আগবাঢ়ি আহিছিল।

কংগ্ৰেছৰ ফালৰপৰা আৰু এটা দাবী আছিল যে ভাৰতৰ শিক্ষিত ডেকা-সকলক সৈন্য বাহিনীৰ কমিশ্যন পদত নিযুক্তি দিব লাগে। এই দাবী পূৰণ কৰি ভাৰতীয়সকলক সন্তুষ্ট কৰিবৰ কাৰণে বৃটিশ চৰকাৰে ভাৰতৰ সম্ভ্ৰান্ত বংশৰ শিক্ষিত ডেকা কিছুমানক কমিশ্যন পদত অস্থায়ীভাৱে নিযুক্তি দিছিল। এইসকলৰ ভিতৰত অসমৰপৰা গোলাঘাটৰ স্বৰ্গীয় গুণীন্দ্ৰ নাথ বৰুৱা আৰু ৰূপসীৰ জমিদাৰো আছিল। ভাৰতীয় ৰাইজক সন্তুষ্ট ৰাখিবলৈ এনে কিছুমান কাম কৰা সত্ত্বেও চাৰিবছৰ ধৰি হোৱা দীঘলীয়া যুদ্ধই ভাৰতৰ অৰ্থনীতিৰ ওপৰত যি হেঁচা পেলাইছিল তাৰ ফলত ৰাইজ বিক্ষুব্ধ হৈ উঠিছিল। মৌলবী ফজলুল হক চাহাবে এই ক্ষুব্ধ জনতাৰ নেতৃত্ব কৰি গভৰ্ণমেণ্ট হাউছলৈ বুলি যি সমদল লৈ গৈছিল—সেই সমদলক লক্ষ্যস্থানলৈ যাবলৈ নিদি বেণ্টিঙ্ক ষ্ট্ৰীটতে বাধা দিয়া হ'ল। মিলিত জনতাৰ এই অভূত-পূৰ্ব সমদলে ৰাইজৰ মনলৈ যি একতাৰ ভাব আনিছিল সেইভাৱ দুৰ্ভাগ্যক্ৰমে

স্থায়ী হ'ব নোৱাৰিলে। দুদিনৰ পিছতে সি সাম্প্ৰদায়িক ৰূপ ল'লে, তাৰ বাবে 'ইণ্ডিয়ান ডেইলি নিউজ' কাকতৰ এটি মন্তব্যই দায়ী বুলি সকলোৱে ভাবিছিল। এই সময়ত অসমৰো ঠায়ে ঠায়ে হাট-বজাৰ লুটৰ খবৰ পোৱা গৈছিল। যুদ্ধ দীঘলীয়া হৈ বস্তু-বাহানিৰ মূল্য বৃদ্ধি হোৱাত ভাৰতৰ নানা ঠাইত এনেবোৰ ঘটনা ঘটি থকাৰ খবৰ আমি বাতৰি কাকতত পাই আছিলোঁ।

যিহওক ১৯১৮ চনৰ ১১ নবেম্বৰ তাৰিখে যেতিয়া যুদ্ধ বিৰতি হোৱা বুলি খবৰ পোৱা গ'ল সেইদিনা কলিকতাত যি উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছিল সেয়া আজিও মনত পৰে, বিশেষকৈ এছপ্লানেড আৰু চৌৰঙ্গীৰ নিচিনা ঠাইত, যিবিলাক ঠাইত য়ুৰোপীয়সকলৰ বসতি আছিল— তাত সকলোলোক আনন্দত মতলীয়া হৈ উঠিছিল। আলিবাটেই সেইদিনা তেওঁবিলাকৰ কাৰণে যেন বল নাচৰ হল হৈ পৰিছিল। য়ুৰোপীয় মহিলাসকলে সেইদিনা যেতিয়া য়ুৰোপীয় সাজ পৰিহিত অচিনাকি ভাৰতীয় পুৰুষসকলৰ লগত উপযাচি নাচিবলৈ আহিছিল সেইদিনা তেওঁ-বিলাকে বগা-ক'লাৰ পাৰ্থক্য পাহৰি যোৱা যেন লাগিছিল। মানুহৰ এই আনন্দক মুকলিভাৱে প্ৰকাশ কৰিবলৈ সুবিধা দিবলৈকে চৰকাৰে ১৮ নবেম্বৰৰ দিনটোকে উৎসৱৰ দিন বুলি ঘোষণা কৰিছিল। সেইদিনাৰ দৃশ্য সদায়েই মনত থাকিব। কলিকতা মহানগৰীৰ অপূৰ্ব আলোক-সজ্জা আৰু ফট্‌কা আদিৰ শব্দই মহানগৰীখনিক যেন নিশাৰ বুকুতো জাগ্ৰত কৰি ৰাখিছিল। এই উৎসৱে আৰু এটি অনুভূতিৰ সৃষ্টি কৰিছিল— পৃথিৱীয়ে অশান্তি কামনা নকৰে, শান্তিহে বিচাৰে।

যুদ্ধ চলি থাকোঁতে আমি যেতিয়া চৌৰঙ্গীৰ পিনে ফুৰিবলৈ গৈছিলো, প্ৰায়েই আমি ইউৰোপীয় পুৰুষ-মহিলা কিছুমানক উচুপি থকা দেখিছিলো। সেই সময়ত ষ্টেটচ্‌মেন কাকতে নৌ-বাহিনী আৰু স্থল-বাহিনীৰ নিহতসকলৰ তালিকা একেলগে প্ৰকাশ কৰি অফিচৰ নোটিছ বৰ্ডত আঁৰি থৈছিল আৰু এই উচুপি থকাসকলৰ কোনো প্ৰিয়জন নিশ্চয় সেই তালিকাত আছিল। সেয়ে তেওঁলোকে সেইদৰে উচুপিছিল। এই দৃশ্যই আমাৰ মনবোৰো কৰুণ কৰি তুলিছিল। এইদৰে ১৯১৮ চন পাৰ হৈ ১৯১৯ চন পালেহি।

১৯১৯ চন

১৯১৯ চনটো ভাৰতৰ ৰাজনৈতিক বুৰঞ্জীত এটি লেখত ল'বলগীয়া বছৰ। ইমানদিনে ভাৰতে যি বাটেৰে খোজ লৈছিল সেই বাটৰ যেন অন্ত পৰিল আৰু নতুন

পথৰ সন্ধান পোৱাৰ সূচনা হ'ল। মণ্টেগুৰ নতুন শাসন-সংস্কাৰ পোৱাৰ আশাত অপেক্ষাৰত ভাৰতে এই শাসন-সংস্কাৰ পোৱাৰ আগমুহূৰ্ত্তত এটা বিভীষিকাই যেন দেখা দিলে। যুদ্ধ চলি থাকোঁতে সন্ত্ৰাসবাদৰ ঘটনাবিলাক ঘটি থকাত আৰু অস্ত্ৰ-শস্ত্ৰেৰে ভৰা জাহাজ আহি ভাৰতৰ সমুদ্ৰ উপকূল পোৱাত ইয়াৰ গুৰি ইউৰোপ, জাপান আৰু আমেৰিকাত আছে বুলি সন্দেহ কৰি ভাৰত চৰকাৰে ইয়াৰ প্ৰতিবিধানৰ কাৰণে পৰামৰ্শ বিচাৰি ৰৌলাট কমিটী নামে এখন অনুসন্ধান-কমিটী গঠন কৰিলে—যি কমিটীয়ে ১৯১৯ চন পৰাৰ লগে লগেই তেওঁবিলাকৰ ৰিপোৰ্ট দাখিল কৰিছিল। এই ৰিপোৰ্ট ভাৰতত যুদ্ধৰ সময়ত চালি থকা ডিফেন্স আইনতকৈও কঠোৰ আছিল। যুদ্ধৰ সময়ৰ জৰুৰীকালীন অৱস্থাৰ কাৰণে ভাৰত-ৰক্ষা আইন বা ডিফেন্স আইন প্ৰবৰ্তন কৰা হৈছিল, কিন্তু যুদ্ধ অন্ত হোৱাৰ পিছতো তেনেবিধৰ আইনকে বৰঞ্চ তাতোকৈ কঠোৰ আইন বাহাল ৰাখিবলৈ খোজাত শিক্ষিত ভাৰতবাসী সন্ত্ৰস্ত হৈ উঠিল। ভাৰত ৰক্ষা আইনে সন্ত্ৰাসবাদক দমোৱাৰ নামত ভাৰত জুৰি বিশেষকৈ পঞ্জাব আৰু বঙ্গদেশত যি দুখজনক পৰিস্থিতিৰ সৃষ্টি কৰিছিল তাৰ অভিজ্ঞতাত ভাৰতবাসীয়ে এনে ধৰণৰ নতুন আইনৰ প্ৰতি আতঙ্কিত হৈ উঠাতো অতি স্বাভাৱিক কথা আছিল। কাৰণ এই আইনে সাধাৰণ পুলিচ বিষয়া এজনৰ হাততে মানুহক গ্ৰেপ্তাৰ কৰি পোন্ধৰ দিনলৈকে আটক কৰি ৰাখিব পৰা ক্ষমতা দিছিল। সেইখন ৰিপোৰ্টত ভাৰতীয় ডেকাসকলে কিদৰে গাদাৰ পাৰ্টি সংগ্ৰহ কৰিছিল তাৰ উল্লেখ আছিল। এই ৰৌলাট কমিটীৰ পৰামৰ্শমতে ভাৰতৰ চুপ্ৰীম লেজিছলেটিভ্ কাউন্সিলত দুখন বিল উত্থাপন কৰা হৈছিল। এখন আছিল ৰৌলাট বিল আৰু আনখন পাবলিক ছেফ্‌টি বিল। এই বিল দুখন স্বৰ্গীয় ভিঠল ভাই পেটেল আৰু খাপাৰডেই অতি তীব্ৰ ভাৱাবে বিৰোধিতা কৰা সত্ত্বেও গৃহীত হ'ল। এই পৰিস্থিতিত ৰাজনৈতিক ভাৱতে কি ব্যৱস্থা ল'ব চিন্তা কৰি থাকোঁতেই গান্ধীজীয়ে সত্যাগ্ৰহৰ নৈতিক ব্যৱস্থা লৈ ভাৰতৰ আগত থিয় দিলেহি। ভাৰতে পাশ্চাত্য জগতৰ নিষ্ক্ৰিয় প্ৰতিৰোধৰ (Passive resistance) কৌশলৰ কথাবোৰ শুনিছিল আৰু হোমৰুল আন্দোলন চলি থাকোঁতে ইয়াক ভাৰততো প্ৰয়োগ কৰাৰ কথাও উন্মুকিয়াইছিল ; কিন্তু গান্ধীজীৰ নৈতিক সত্যাগ্ৰহৰ কথাবোৰ বুজা নাছিল। গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাৰ অভিজ্ঞতাৰে ভাৰতৰ ক্ষেত্ৰতো একে পৰামৰ্শকে আগবঢ়ালে। তেখেতে ৩০ মাৰ্চ দিনটোকে ৰৌলাট আইনৰ প্ৰতিবাদ কল্পে হৰতাল আৰু আত্মশুদ্ধিৰ কাৰণে উপবাসেৰে পালন কৰিবলৈ অনুৰোধ জনালে। ভাৰতৰ বহু নেতাই ৰাজনীতিত নৈতিকতা আৰু আত্মশুদ্ধিৰ কথাবোৰ

কেনেকৈ খাপ খাব পাৰে বুলি মনে মনে এগুালেও কাৰ্যতঃ সকলোৱে সেই নিৰ্দেশ পালন কৰিলে। কংগ্ৰেছে ৰাজনৈতিক অনুষ্ঠান হিচাপে এই কামত আগবাঢ়ি নহাত বোম্বেৰ কিছুসংখ্যক নেতাই গান্ধীজীৰ নেতৃত্বত সত্যাগ্ৰহ কমিটী এখন গঠন কৰি ভাৰতবাসীক এই কামৰ বাবে নিৰ্দেশ দিলে। গান্ধীজীৰ এই আহ্বানত ভাৰতবাসীয়ে সঁহাৰি দিব বুলি চৰকাৰে কল্পনা কৰা নাছিল। কিন্তু এই আহ্বানৰ অভূতপূৰ্ব সফলতাত চৰকাৰেও ভাবিবলগীয়া হ'ল। কৰ্তৃপক্ষই ভাবিছিল গান্ধীজী এজন সমাজ-সংস্কাৰক আৰু টলষ্টয়পন্থী—ভাৰতৰ ৰাজনৈতিক জীৱনত তেওঁ একো প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিব; কিন্তু ঘটনাই প্ৰমাণ কৰি দেখুৱালে ভাৰতৰ জনতাৰ অন্তৰত তেওঁৰ প্ৰভাৱ কিমান গভীৰ আছিল। বিহাৰৰ চম্পাৰণ আৰু গুজৰাটৰ খয়ৰা জিলাত গান্ধীজীয়ে সৰু-সুৰাকৈ হ'লেও যি দুটা সত্যাগ্ৰহ চলাইছিল সেয়েই তেখেতক জনপ্ৰিয় কৰি তুলিছিল। ইমান দিনে যিসকল নেতাই কংগ্ৰেছ অনুষ্ঠানটোৰ গুৰি ধৰি আহিছিল সেইসকলক বাৰ্দ্ধক্যই বাধা দিয়াত সক্ৰিয় ৰাজনীতিৰপৰা আঁতৰি আহিবলগীয়া হ'ল। আনপিনে ভাৰতৰ ৰাজনৈতিক চিন্তাধাৰাতো বৈপ্লৱিক পৰিৱৰ্তন হ'বলৈ ধৰিলে। স্বদেশী যুগৰে পৰা ধীৰপন্থী আৰু উগ্ৰপন্থী বুলি যি দুটা দলৰ বিবাদ চলি আছিল সেই বিবাদৰ অন্ত পৰিল; কাৰণ ধীৰপন্থীসকল ৰাজনৈতিক মঞ্চৰপৰা লাহে লাহে আঁতৰি গ'ল। ত্ৰিশ মাৰ্চৰ হৰতাল ভাৰতৰ সকলো ঠাইতে সফলতাৰে উদ্‌যাপন হ'লেও দিল্লীত দুই-এটা অপ্ৰীতিকৰ ঘটনা ঘটিল যাৰ কাৰণে গান্ধীজী দিল্লীলৈ আহিবলগীয়া হ'ল। দিল্লীৰপৰা স্বামী শ্ৰদ্ধানন্দ, ডঃ কিচ্‌লু আৰু সত্যপাল আদিয়ে গান্ধীজীক দিল্লীলৈ আহিবৰ কাৰণে আমন্ত্ৰণো জনাইছিল। এইখিনিতে এটা কথা উল্লেখ কৰি থোৱা ভাল হব যে দিল্লীত সৈন্যবাহিনীয়ে যেতিয়া বিভ্ৰান্ত জনতাৰ ওপৰত গুলী চলাবলৈ উদ্যত হৈছিল সেই মুহূৰ্তত স্বামী শ্ৰদ্ধানন্দজীয়ে সিংহ-বিক্ৰমেৰে থিয় দি "মই ইয়াতে থিয় হৈ আছোঁ—মোৰ বুকুলৈ আগতে গুলী চলোৱা" বুলি কোৱা কথাখিনি যেতিয়া বাতৰি কাকতত ওলাইছিল তেতিয়া আমাৰ মনলৈ যেন এটা নতুন প্ৰেৰণা আহিছিল। স্বামী শ্ৰদ্ধানন্দজীৰ নিচিনা নেতাৰ অনুৰোধত গান্ধীজী দিল্লীলৈ আহিবলৈ ওলাল; কিন্তু কৰ্তৃপক্ষই গান্ধীজী পঞ্জাৱলৈ অহাটো বিচৰা নাছিল, সেয়ে তেওঁক পঞ্জাৱৰ সীমান্তত পালোৱান ষ্টেশ্যনত গ্ৰেপ্তাৰ কৰি আকৌ বোম্বেলৈ ওভোটাই পঠিওৱা হ'ল। এই বাতৰি উৰা-বাতৰি ৰূপত প্ৰচাৰ হ'ল যে গান্ধীজীক অনিৰ্দিষ্ট ঠাইলৈ লৈ যোৱা হৈছে। এই বাতৰিৰ ফল স্বৰূপে পঞ্জাৱ আৰু গুজৰাটৰ বহুতো ঠাইত কিছুমান অপ্ৰীতিকৰ ঘটনা ঘটিল আৰু তাৰ পৰিণতি জালিয়ানৱালা-

ৰাগৰ হত্যাকাণ্ড। এনেবোৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত গান্ধীজীয়ে তেওঁৰ এই সত্যাগ্ৰহ 'হিমালয়-সদৃশ ভুল' বুলি সত্যাগ্ৰহ প্ৰত্যাহাৰ কৰিলে। ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰত এনেবোৰ ঘটনা ঘটি থাকোঁতে সেই সময়ৰ অসমৰ ৰাজনৈতিক জীৱন নো কিদৰে চলিছিল সেইবিলাক কথাই মনলৈ আহে। সেই সময়ত অসমৰ চীফ্ কমিশ্যনাৰ আছিল ছাৰ বীটছন্ বেল্। এদিনাখন অসম লেজিছলেটিভ্ কাউন্সিল চলি থাকোঁতে কাউন্সিলৰ সদস্য স্বৰ্গীয় ফণিধৰ চলিহাদেৱে অসমে কানিৰপৰা পোৱা ৰাজহ, 'দূষিত ৰাজহ' (tainted money) বুলি বক্তৃতা প্ৰসঙ্গত কোৱাত চীফ্ কমিশ্যনাৰে সেই দূষিত ৰাজহ চলিহাদেৱেও পেন্সন হিচাপে লৈ আছে বুলি মন্তব্য কৰিলত চলিহাদেৱে অপমানবোধ কৰি তেখেতৰ সদস্য পদো ইস্তফা দিলে আৰু পেন্সন লোৱাও বন্ধ কৰিলে। এনে সময়তে শ্বিলঙত এটা গুজব ওলাল যে ভাৰতৰ আন আন প্ৰদেশত মণ্টেগু শাসন-সংস্কাৰ প্ৰৱৰ্তন হ'লেও অসমক এনে সংস্কাৰৰ পৰা আঁতৰত ৰাখিবলৈ ইংৰাজ চাহ-মালিকসকলে এটা ষড়যন্ত্ৰ চলাইছে। এই কথা শুনি অসমৰ ঠায়ে ঠায়ে প্ৰতিবাদ-সভা আদি হবলৈ ধৰিলে। অসম এছোচিয়েশ্যনৰ সহকাৰী সম্পাদক স্বৰ্গীয় চন্দ্ৰনাথ শৰ্মাদেৱে এই সভা-সমিতিবিলাক সংগঠন কৰি অসমৰ পৰিস্থিতি ৰাইজক বুজাই দিলে আৰু অসমক ৰাজনৈতিক সংস্কাৰৰ পৰা আঁতৰাই ৰখাৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ অসম এছোচিয়েশ্যনৰ কাৰ্য-নিৰ্বাহক সভাই ডেপুটেশ্যন এটা পঠিওৱাৰ প্ৰস্তাৱ ল'লে। অসম এছোচিয়েশ্যনৰ সাধাৰণ সম্পাদক স্বৰ্গীয় নবীন চন্দ্ৰ বৰদলৈদেৱক এছোচিয়েশ্যনৰ তৰফৰপৰা ডেপুটেশ্যনত পঠিয়াবৰ কাৰণে সিদ্ধান্ত লোৱা হ'ল আৰু লগতে উজনি অসমৰ চাহ-খেতিয়ক স্বৰ্গীয় প্ৰসন্ন কুমাৰ বৰুৱাদেৱেও নিজৰ খৰচত ডেপুটেশ্যনত যোগ দিলে। অসম এছোচিয়ে-শ্যনে এই ডেপুটেশ্যন পঠিয়াওতে ছয় হাজাৰ টকা খৰচ কৰিবলগীয়া হৈছিল আৰু এই ধন চন্দ্ৰনাথ শৰ্মাদেৱৰ যত্নতে সংগৃহীত হৈছিল। শৰ্মাদেৱৰ যত্নতে এই ডেপুটেশ্যন ১৯১৯ চনৰ চেপ্টেম্বৰ মাহত বিলাতলৈ বুলি ৰাওনা হ'ল। তেখেতসকল হাওড়া ষ্টেশ্যনৰপৰা বোম্বেলৈ বুলি ৰাওনা হোৱাৰ সময়ত কলিকতাত থকা সকলো অসমীয়া ছাত্ৰই তেখেতসকলক সম্বৰ্দ্ধনা জনাবলৈ হাওড়া ষ্টেশ্যনত গোট খাইছিল আৰু ফুলৰ মালাৰে ওপচাই দি তেখেতসকলক অন্তৰৰ শুভ-কামনা জনাইছিল। সেই একে সময়তে ভাৰতীয় জাতীয় কংগ্ৰেছেও মণ্টেগু শাসন-সংস্কাৰৰ কিছুমান শুধৰণি বিচাৰি ডেপুটেশ্যন এটা পঠিওৱাৰ দিহা কৰিছিল আৰু সেই ডেপুটেশ্যনত স্বৰ্গীয় বিপিন চন্দ্ৰ পালো আছিল। সেইদিনা ঘটনা-চক্ৰত বিপিন চন্দ্ৰ পালো অসমৰ প্ৰতিনিধিসকলৰ লগত্ৰ বেলৰ একেটা খোটালীৰে সহযাত্ৰী হৈছিল।

আমি তেখেতকো ফুলৰ মালাৰে সম্বৰ্দ্ধনা জনালোঁ। কংগ্ৰেছৰ এই ডেপুটেশ্যনত গান্ধীজীৰ নামো প্ৰস্তাৱিত হৈছিল ; কিন্তু তেখেত পঞ্জাৱৰ ঘটনাৱলীৰ লগত এনেদৰে সাঙোৰ খাই পৰিল যে এই ডেপুটেশ্যনত যোগ দিব নোৱাৰিলে। পঞ্জাৱৰ ঘটনাৱলীৰ তদন্তৰ কাৰণে ভাৰতীয় জাতীয় কংগ্ৰেছে এখন তদন্ত-কমিটী গঠন কৰিছিল যি কমিটীৰ সম্পাদক আছিল জৱাহৰলাল নেহৰু আৰু সদস্যসকলৰ ভিতৰত আছিল গান্ধীজী, পণ্ডিত মদনমোহন মালব্য, চিত্তৰঞ্জন দাস আৰু মতিলাল নেহৰু। পাঁচজনীয়া এই কমিটীয়ে অতি কষ্টেৰে তথ্য সংগ্ৰহ কৰিবলগীয়া হৈছিল আৰু অতি কম সময়ৰ ভিতৰতে ৰিপোৰ্ট দাখিল কৰিছিল। আনপিনে চৰকাৰৰ তৰফৰ পৰাও আন এখন তদন্ত কমিটী গঠন কৰা হৈছিল—যিখন হাণ্টাৰ কমিটী বুলি জনাজাত আছিল। এই কমিটীয়েও একে সময়তে তেওঁবিলাকৰ ৰিপোৰ্ট চৰকাৰৰ ওচৰত দাখিল কৰিছিল। দুয়োখন ৰিপোৰ্টৰ ভাষা সুকীয়া হ'লেও মূলগত তথ্য একে আছিল। পঞ্জাৱে সেই সময়ৰ মহাযুদ্ধত ইমানখিনি তেজৰ বৰঙণি দিয়া সত্ত্বেও পঞ্জাৱৰ ওপৰত এনেকুৱা অবৰ্ণনীয় অত্যাচাৰ হ'ব বুলি কোনেও কল্পনা কৰিব পৰা নাছিল। ইমান দুখৰ মাজতো পঞ্জাৱে অমৃতসৰত হ'বলগীয়া কংগ্ৰেছৰ বছেৰেকীয়া অধিৱেশন পিছুৱাই নিদি তাৰ আয়োজনত মনপুতি লাগিল। পঞ্জাৱৰ প্ৰায়বিলাক নেতাই এই অধিৱেশনৰ আগে আগে জেইলৰপৰা মুকলি হৈ আহিব পৰাত কৰ্মীসকলে বহুখিনি উৎসাহ পালে। সেয়ে অমৃতসৰ অধিৱেশন ভাৰতৰ ৰাজনৈতিক তীৰ্থক্ষেত্ৰত পৰিণত হৈ পৰিছিল।

যুদ্ধৰ সময়ত ভাৰত-ৰক্ষা আইন অনুসৰি ভাৰতৰ আন আন প্ৰদেশৰ যিসকল নেতাক গ্ৰেপ্তাৰ কৰি ৰখা হৈছিল তেখেতসকলকো এই সময়তে মুকলি কৰি দিয়াত তেখেতসকলে ঘৰলৈ নগৈ পোনে পোনে এই অধিৱেশনলৈহে আহিছিল। এই প্ৰসঙ্গত আলি ভ্ৰাতৃদ্বয়ৰ কথা মনলৈ আহে। আলি ভ্ৰাতৃদ্বয়ে ১৯১৬ চনৰে পৰা জেলত থকাত তেখেতসকলক মুকলি কৰি দিবৰ কাৰণে প্ৰস্তাৱ লোৱাটো কংগ্ৰেছ অধিৱেশন বিলাকৰ কাৰণে এটা নিয়মত পৰিণত হোৱাদি হৈছিল। এইবাৰ অধিৱেশনৰ আগে আগে তেওঁলোক মুকলি হোৱাত গোটেই ভাৰতবাসীয়ে আনন্দ পালে। তেওঁলোকৰ দ্বাৰা সম্পাদিত "হাম্দৰ্দ" আৰু "কমৰেড" বোলা কাগজ দুখনত চৰকাৰবিৰোধী প্ৰবন্ধ লিখাটোৱেই তেওঁলোকৰ কাৰণে অপৰাধ আছিল। এখেতসকলৰ উপস্থিতিয়ে কংগ্ৰেছৰ অমৃতসৰ অধিৱেশনলৈ এক নতুন প্ৰেৰণা যোগাইছিল। নবীন চন্দ্ৰ বৰদলৈদেৱো বিলাতৰ পৰা উভতি আহি ঘৰলৈ নগৈ এই অধিৱেশনত যোগ দিবলৈ অমৃতসৰলৈ গ'ল আৰু মণ্টেগু শাসন-সংস্কাৰৰ ওপৰত চিত্তৰঞ্জন দাসে যি প্ৰস্তাৱ দাঙি ধৰিছিল তাৰ

সমৰ্থনত ভাষণ দি অসমক যে এই শাসন-সংস্কাৰৰ পৰা আঁতৰত ৰাখিবৰ কাৰণে ষড়যন্ত্ৰ চলি আছে সেই কথাষাৰ বুজাই ক'লে।

গান্ধীজীয়ে ভাৰতলৈ অহাৰ পিছৰে পৰা কংগ্ৰেছৰ প্ৰতিটো অধিৱেশনতে উপস্থিত থাকিলেও তেওঁ সক্ৰিয়ভাৱে ৰাজনীতিত অংশ লোৱা নাছিল, কিন্তু ১৯১৯ চনত সক্ৰিয়ভাৱে ৰাজনীতিত নামিল। লাহে লাহে পৰিস্থিতিয়ে কিদৰে তেওঁক কংগ্ৰেছৰ প্ৰাণকেন্দ্ৰত পৰিণত কৰিলে সেই বিষয়ে আলোচনা কৰাটো ভাল হ'ব। কংগ্ৰেছৰ অমৃতসৰ অধিৱেশনৰ বিষয়-বাছনি সভাত মণ্টেগু শাসন-সংস্কাৰ লৈ যি আলোচনা হৈছিল সেই আলোচনাত গান্ধীজীয়ে যি সংশোধনী-প্ৰস্তাৱ দাঙি ধৰিছিল সেই প্ৰস্তাৱ লৈ বহু মতভেদ হোৱা দেখা গৈছিল। সেই সময়ত কংগ্ৰেছ দুটা দলত বিভক্ত আছিল, ধীৰপন্থী আৰু উগ্ৰপন্থী। ধীৰপন্থী নেতাসকলে অমৃতসৰ কংগ্ৰেছত যোগ নিদিলেও তেওঁলোকক সমৰ্থন কৰা কিছু লোক কংগ্ৰেছত আছিল। উগ্ৰপন্থীসকলৰ নেতৃত্ব কৰিছিল লোকমান্য বালগঙ্গাধৰ তিলক আৰু চিত্তৰঞ্জন দাসে। গান্ধীজীৰ সংশোধনী প্ৰস্তাৱটো উগ্ৰপন্থীসকলে সমৰ্থন কৰিব পৰা নাছিল, কাৰণ তেখেতৰ সংশোধনী প্ৰস্তাৱটোত মণ্টেগু সম্পৰ্কে এষাৰি ধন্যবাদসূচক কথা আছিল। পঞ্জাৱৰ ঘটনাৱলীৰ পিছতো এই ধন্যবাদসূচক মন্তব্য গান্ধীজীৰ অহিংস দৃষ্টিভঙ্গীৰ লগত সামঞ্জস্য থকা কথা। উগ্ৰপন্থীসকলে গান্ধীজীৰ এই দৃষ্টিভঙ্গীক সমৰ্থন কৰিবলৈ টান পাইছিল। ভাৰতৰ জনতাই লোকমান্য বালগঙ্গাধৰ তিলকক যিদৰে শ্ৰদ্ধা আৰু মৰমৰ চকুৰে চাইছিল গান্ধীজীৰ প্ৰতিও সেই একেভাৱেই ৰাখিছিল। সেই কাৰণে দুয়োৰে মাজত মতভেদ হোৱাটোৰ তেওঁলোক বিৰোধী আছিল। মণ্টেগু শাসন-সংস্কাৰ সম্বন্ধে লোকমান্য বালগঙ্গাধৰ তিলকৰ মনোভাৱ আছিল সঁহাৰিসূচক সহযোগিতা (responsvie co-operation)। গান্ধীজীৰো এই মনোভাৱৰ লগত সমৰ্থন থাকিলেও কিন্তু লগতে তেওঁ কৃতজ্ঞতাসূচক এষাৰি কথা সুমুৱাই দিয়াতো গুৰুত্ব দিছিল। অৱশেষত চিত্তৰঞ্জন দাসৰ নিচিনা উগ্ৰপন্থী নেতায়ো গান্ধীজীৰ যুক্তি পেলাব নোৱাৰি সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰিলে। কংগ্ৰেছৰ মূল প্ৰস্তাৱটোক এই শাসন-সংস্কাৰ অগ্ৰহণীয়, নৈৰাশ্যজনক ইত্যাদি শব্দেৰে প্ৰকাশ কৰি কংগ্ৰেছৰ ভাবমূৰ্তি জনতাৰ আগত সংস্কাৰ-বিৰোধী বুলি ধৰিব খুজিলেও নেতাসকলৰ বহুতৰে অৱচেতন মনে এই সংস্কাৰৰ আশ্ৰয় লৈয়েই আৰু আগবাঢ়িবলৈ মন কৰিছিল, কাৰণ ইয়াৰ কেইমাহমান পিছতে পঞ্জাৱৰ হত্যাকাণ্ড আৰু খিলাফতৰ প্ৰতি ন্যায়বিচাৰ নকৰাত গান্ধীজীয়ে চৰকাৰৰ লগত অসহযোগ কৰাৰ সিদ্ধান্ত যেতিয়া ল'লে তেতিয়া চিত্তৰঞ্জন দাস প্ৰমুখ্যে আন আন উগ্ৰপন্থী নেতাসকলে এই সিদ্ধান্তৰ বিৰোধিতা কৰিলে।

গান্ধীজীয়ে অমৃতসৰ কংগ্ৰেছত তেওঁৰ সংশোধনী প্ৰস্তাৱটো দাঙি ধৰোঁতে যি কেইষাৰ কথা কৈছিল সেই কেইষাৰ কথায়েই ভাৰতৰ ৰাজনৈতিক জীৱনত নতুন যুগৰ সূচনা কৰিলে। তেওঁ কৈছিল, "ভৱিষ্যত সফলতাৰ সঁচাৰ-কাঠি হৈছে সত্যক স্বীকৃতি দিব পৰাটো—আমি যি পৰিমাণে চিৰন্তন সত্যক স্বীকৃতি দিব পাৰিম সেই পৰিমাণে আমি কৃতকাৰ্য হম। আমাৰ ফালৰ পৰা যদি হিংসাত্মক কাম সংঘটিত নহ'লহেঁতেন তেন্তে আমি প্ৰতিবন্ধকতা নাপালোহেঁতেন। আমাৰ ফালৰ পৰা হোৱা হিংসাত্মক ঘটনাৰ প্ৰমাণ মোৰ হাতত আছে, মই দিব পাৰো। মই স্বীকাৰ কৰো যে গভৰ্ণমেণ্টৰ ফালৰ পৰা উত্তেজনা সৃষ্টি কৰা কাম নোহোৱাটো নহয়, ডঃ কিচলু আৰু ডঃ সত্যপালক গ্ৰেপ্তাৰ নকৰা হ'লে আৰু স্বামী শ্ৰদ্ধানন্দজী আৰু তেওঁলোকৰ আমন্ত্ৰণত পঞ্জাৱলৈ যোৱাৰ বাটত মোক গ্ৰেপ্তাৰ নকৰা হ'লে ঘটনাই এই ৰূপ নল'লেহেঁতেন। মই গৈছিলো শান্তি প্ৰতিষ্ঠা কৰিবলৈ—উপদ্ৰৱমূলক ঘটনা নহ'লহেঁতেন; কিন্তু সেই সময়ত গভৰ্ণমেণ্ট বলিয়া হোৱাদি হ'ল আৰু আমিও বলিয়া হ'লো। মই কওঁ—বলিয়ালিৰ প্ৰত্যুত্তৰ বলিয়ালি নহয়, বলিয়ালিৰ প্ৰত্যুত্তৰ স্থিৰতা আৰু ধৈৰ্য। এনেদৰে গভৰ্ণমেণ্টক প্ৰত্যুত্তৰ দিব পৰা হ'লে ৰাজনৈতিক পৰিস্থিতি ৰাইজৰ হাতৰ মুঠিত থাকিলহেঁতেন।"

অমৃতসৰৰ পৰা কলিকতা আৰু নাগপুৰলৈ

অমৃতসৰত সহযোগৰ ভিত্তিত প্ৰস্তাৱ লোৱাৰ পিছত কলিকতাত কংগ্ৰেছৰ বিশেষ অধিৱেশনত আৰু নাগপুৰৰ সাধাৰণ অধিৱেশনত কিয় আকৌ অসহযোগৰ প্ৰস্তাৱ লবলগীয়া হ'ল সেই বিষয়ে অলপ আলোচনা কৰা ভাল হ'ব। আনকি 'স্বৰাজ আমাৰ জন্মস্বত্ব' বুলি ধ্বনি দিও অমৃতসৰ কংগ্ৰেছে অলপ শাসন-সংস্কাৰ পায়েই মণ্টেগুৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ লৈ আকৌ কলিকতা আৰু নাগপুৰত অসহযোগৰ প্ৰস্তাৱ লোৱাটো তাৎপৰ্যপূৰ্ণ কথা।

বিশ্বযুদ্ধখন চলি থাকোঁতে তুৰস্কৰ চুলতানে জাৰ্মানীৰ পক্ষ লোৱাত বৃটিছ চৰকাৰে ভাৰতীয় মুছলমানসকলক এটা আশ্বাস দিছিল যে যুদ্ধৰ অন্তত যেতিয়া শান্তি-চুক্তি সম্পাদন কৰা হ'ব সেই সময়ত তুৰস্কৰ চুলতানৰ খলিফা হিচাপে মুছলমান জগতৰ ওপৰত যি ক্ষমতা আছে তাক কোনো প্ৰকাৰে খৰ্ব কৰা নহ'ব। সেই সময়ৰ বৃটিছ প্ৰধানমন্ত্ৰী লয়েড জৰ্জে সেই মৰ্মে ঘোষণা এটাও কৰিছিল। যুদ্ধ চলি থাকোঁতে বৃটিছ চৰকাৰ আৰু মিত্ৰপক্ষৰ ভিতৰত তুৰস্ক সম্পৰ্কে এটা গোপন চুক্তি হৈছে বুলি

ওলোৱা কথাষাৰে চাঞ্চল্যৰ সৃষ্টি কৰাত বৃটিছ চৰকাৰে কথাষাৰ অস্বীকাৰ কৰিলেও যুদ্ধৰ অন্তত দেখা গ'ল যে বৃটিছ চৰকাৰ আৰু মিত্ৰ পক্ষই তুৰস্ক সাম্ৰাজ্যক নিজৰ ভিতৰত ভাগ বটোৱাই লোৱাৰ ব্যৱস্থা কৰিছে—এই কথাষাৰে ভাৰতীয় মুছলমান ৰাইজক অতি গভীৰভাৱে আঘাত কৰিলে। তেওঁবিলাকে খিলাফতৰ এই কথাষাৰ আলোচনা কৰিবলৈ দিল্লীত এখন সন্মিলন পাতিবলৈ স্থিৰ কৰিলে। হাকিম আজমল খাঁই মহাত্মাগান্ধীক সেই সন্মিলনত সভাপতিত্ব কৰিবলৈ আমন্ত্ৰণ জনালে। এইখিনিতে এইটো কথা উল্লেখ কৰি থোৱা ভাল হ'ব যে বিশ্বৰ মুছলমান ৰাষ্ট্ৰবিলাকত যিমান জনসংখ্যা আছিল তাৰ আধাতকৈও সৰহ জনসংখ্যা আছিল ভাৰতবৰ্ষতে।

সেই সময়ত বৃটিছ সাম্ৰাজ্যত শান্তি-উৎসৱ উলহ-মালহেৰে পতাৰ আয়োজন চলি আছিল। ভাৰতৰ মুছলমান ৰাইজে এনে আনন্দ-উৎসৱত কেনেকৈ যোগ দিব পাৰে! আনহাতে যুদ্ধৰ সময়ত বৃটিছ সাম্ৰাজ্যৰ প্ৰধানমন্ত্ৰী'য় দিয়া প্ৰতিশ্ৰুতিৰেই বা মূল্য কি থাকিল! তেওঁলোকে প্ৰধানমন্ত্ৰীৰ কথাত বিশ্বাস কৰি তেওঁলোকৰ বিৰুদ্ধে ধনে জনে বৃটিছক সহায় কৰিলে। এতিয়া যুদ্ধৰ পিছত খলিফাৰ সাম্ৰাজ্য অকল টুকুৰা টুকুৰ হোৱাটোয়েই নহয় মুছলমানসকলৰ ওপৰত ধৰ্মগত ক্ষমতাৰ পৰাও বঞ্চিত হ'বলগীয়া হ'ল। এনে এটা পৰিস্থিতিত তেওঁলোকে বিজয়ৰ আনন্দ-উৎসৱৰ পৰা আঁতৰি থকাটোৱেই স্থিৰ কৰিবলগীয়া হ'ল। মানুহে যেতিয়া সন্মান হেৰুৱাব লগীয়া হয় তেতিয়া ধন-ঐশ্বৰ্য, পাৰ্থিব সম্পদৰ মূল্য কি থাকিব পাৰে। অমৃতচৰ কংগ্ৰেছৰ ঠিক আগে আগে মুছলমান ৰাইজে দিল্লীত পতা খিলাফত সন্মিলনত সভাপতিৰ আসনৰপৰা গান্ধীজীয়ে ক'লে—"মই এতিয়াও আশা কৰি আছোঁ যে গভৰ্ণমেণ্টে নিজৰ বাক্য ৰক্ষা কৰিব; কিন্তু কিবা কাৰণত যদি সেইটো নহয় আৰু মুছলমান ৰাইজে কালি ৰাতি কৰা সিদ্ধান্তমতে গভৰ্ণমেণ্টৰ লগত সহযোগৰপৰা আঁতৰি থাকিবলগীয়া হয় তেন্তে সেই সিদ্ধান্ত সঙ্কটপূৰ্ণ কথা। ইয়াৰ বাবে বহুতো দুখ-কষ্ট সহি থাকিব পৰা সামৰ্থ্যৰ প্ৰয়োজন। মই এইটোও জানো যে প্ৰত্যেকজন নাগৰিকেই গভৰ্ণমেণ্টৰ লগত সহযোগ কৰাৰপৰা আঁতৰি থকাৰ অধিকাৰ আছে; বিশেষকৈ যেতিয়া সহযোগ কৰাটো অপমানজনক কথা হয়। গভৰ্ণমেণ্টৰ কামবিলাক লৈ অসন্তোষ প্ৰকাশ কৰিবলৈ এয়েই বাহ্যিক নিদৰ্শন। সেইবাবে বৰ্তমানৰ পৰিস্থিতিৰ সঙ্কটপূৰ্ণ তাৎপৰ্য বৃটিছ সাম্ৰাজ্যৰ গভৰ্ণমেণ্টে স্বীকাৰ কৰিব বুলি মই আশা কৰো।

"ডাঙৰ ডাঙৰ সমস্যাবিলাকৰ সন্মুখীন হওঁতে আমাক লাগে ধৈৰ্য, স্থিৰতা আৰু সত্যপৰায়ণতা। হিংসাত্মক কথা নোহোৱাটোয়েই সকলো সম্পূৰ্ণ হোৱা বুলি আমি

ভাবিব নালাগে। উগ্র বক্তৃতাও হিংসাত্মক ঘটনাৰ দৰেই অমঙ্গলীয়া কথা। মোৰ বিশ্বাস যে যিটো কথা পবিত্র—যিটো কথা ন্যায্য তেনে কথাত আপোনালোকে হিংসাত্মক কাৰ্যৰে চেকা নেপেলাব।

"কিছুমান বন্ধুয়ে মোক কৈ আছে—খিলাফতকৈও পঞ্জাবৰ ঘটনাৱলীৰ বাবে চৰকাৰে পতা এই আনন্দ-উৎসৱৰপৰা আঁতৰি থকাটো ভাল কাৰণ হ'ব—কিন্তু মই তেনেদৰে নাভাবো। শান্তি সন্মিলনখনত খিলাফতৰ প্ৰশ্নটোৰ দৰে পঞ্জাৱৰ ঘটনাৱলী উঠিব নোৱাৰে। পঞ্জাৱৰ ঘটনাৱলী আমাৰ ঘৰুৱা প্ৰশ্ন।"

মৌলানা হছৰৎ মাদানীয়ে তেওঁৰ ভাষণত বিলাতী কাপোৰ বৰ্জনৰ কথা উল্লেখ কৰিছিল। তেওঁ বিচাৰে এনে এটা কাম যিটোৱে বৃটিছৰ ওপৰত হেঁচা পৰে আৰু তেনে হেঁচাৰপৰা কাৰ্য সিদ্ধি হয়। যিহওঁক এইদৰে অসহযোগৰ ভাব গান্ধীজীৰ মনলৈ আহিল আৰু সেই ভাব অমৃতসৰ কংগ্ৰেছৰ পিছত লাহে লাহে শক্তিশালী হ'বলৈ ধৰিলে।

ৰৌলাট আইনখন লৈ সত্যাগ্ৰহৰ পিছৰেপৰা ভাৰতৰ ৰাজনৈতিক চিত্ৰখন দ্ৰুত বেগেৰে পৰিৱৰ্তন হ'বলৈ ধৰিলে। ইয়াৰ আগতে ভাৰতৰ ৰাজনীতিত যি স্থিতিশীল অৱস্থা আছিল আৰু যাৰ কাৰণে মডাৰ্ণ ৰিভিউ, প্ৰবাসী প্ৰভৃতি আলোচনী-কাকতে কংগ্ৰেছৰ সমালোচনা কৰি আছিল—অসমৰ সাহিত্যৰথী বেজবৰুৱায়ো এনে সমালোচনা নকৰাকৈ নাছিল—এইসময়ত তাৰ সম্পূৰ্ণ পৰিৱৰ্তন হ'ল। ভাৰতৰ জাতীয় অনুষ্ঠান কংগ্ৰেছে ভাৰতৰ জনতাৰ সমুখত দিনৌ এটা নহয় এটা কাৰ্যক্ৰম দাঙি ধৰি তেওঁলোকক ব্যস্ত ৰাখিলে। সেই সময়ত কেইবছৰমান আগৰেপৰা কংগ্ৰেছৰ ৰাজনৈতিক মঞ্চখন দখল কৰা লৈ যি দুটা দলৰ মাজত বিৰোধ উপস্থিত হৈছিল তাৰো অন্ত পৰাৰ উপক্ৰম হ'ল—অৰ্থাৎ বুঢ়া-তৰপীয়া নেতাসকলে কংগ্ৰেছ এৰি দি নতুনকৈ ৰাজনৈতিক অনুষ্ঠান পতাৰ ব্যৱস্থা কৰাত লাগিল।

কলিকতাৰ "সঞ্জীৱনী" বোলা কাকতখনৰ স্বত্বাধিকাৰীৰ পুতেক শ্ৰীসুকুমাৰ মিত্ৰৰ লগত অসমীয়া ছাত্ৰ কিছুমানৰ বন্ধুত্ব আছিল। তেওঁ অসমীয়া ছাত্ৰসকলৰ মানসিক পৰিৱৰ্তন হোৱা দেখি তাৰে কেইজনমানক বঙ্গদেশৰ মুকুটবিহীন সম্ৰাট সুৰেন্দ্ৰনাথ বানাৰ্জীৰ ওচৰলৈ লৈ গৈছিল। অৱশ্যে ইয়াৰ আগতে মোৰ কেবাবাৰো সুৰেন্দ্ৰনাথ বানাৰ্জীৰ ওচৰলৈ যাবলগীয়া হৈছিল—বিশেষকৈ অসম ছাত্ৰ সন্মিলনৰ সভাপতি বিচাৰি তেওঁৰ পৰামৰ্শ ল'বলৈ গৈছিলো। এবাৰ তেওঁ আমাক পৰামৰ্শ দি কৈছিল, "জাচ্‌টিচ ছদাক লৈ যোৱা, তেওঁ বৰ ভাল মানুহ—জাচ্‌টিচ মুখাৰ্জীৰ হতুৱাই অনুৰোধ কৰালে তেওঁৰ অনুৰোধ জাচ্‌টিচ ছদাই কেতিয়াও নেপেলায়।" যিহওঁক আমি এইদৰে যত্ন কৰিও সফল হ'ব পৰা নাছিলো। তেওঁ ৰুগীয়া মানুহ,

কলিকতাৰপৰা আন ক'ৰবালৈ যাবলৈ ভয় কৰে। বাগ্মীবৰ সুৰেন্দ্ৰনাথ বানাৰ্জীক লগ পাবলৈ ১৯২০ চনৰ প্ৰথম ভাগত মোৰ বন্ধু শ্ৰীসুকুমাৰ মিত্ৰৰ লগত "বেঙ্গলী" কাকতখনৰ বৌবাজাৰৰ অফিচলৈ যাবলগীয়া হৈছিল। সেই সময়ত ধীৰপন্থীসকলে লিবাৰেল দল সংগঠন কৰাত লাগিছিল, অসমতো ইয়াৰ শাখা খুলিবলৈ ইচ্ছা কৰিছিল। তেওঁ গান্ধীজীৰ সম্পৰ্কে এটা মন্তব্য কৰিছিল এইদৰে, তেওঁ কৈছিল—"গান্ধী বৰ চতুৰলোক। তেওঁৰ ৰাজনৈতিক কৌশল হৈছে— বিৰোধী পক্ষক অন্যায় কৰা বুলি দেখুৱাব পৰাটো। কিন্তু সত্যাগ্ৰহ, অসহযোগে আমাক আগবঢ়াই নিব নোৱাৰিব।" যিহওঁক আমাৰ কংগ্ৰেছ অনুষ্ঠানটো এৰি লিবাৰেল দলৰ অনুষ্ঠানত সোমোৱা নহ'ল।

খিলাফতৰ কথা লৈয়েই অসহযোগৰ কাৰ্যক্ৰমৰ জন্ম হ'ল বুলি ইয়াৰ আগতে কোৱা হৈছে। ভাৰতবৰ্ষৰ কেইবাখনো ডাঙৰ ডাঙৰ নগৰত মুছলমান ৰাইজে খিলাফতৰ কথা আলোচনা কৰিবলৈ সন্মিলন পাতিছিল। খিলাফতৰ অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ অসহযোগৰ কাৰ্যক্ৰম দাঙি ধৰা হৈছিল। জানুৱাৰী মাহৰ শেহৰ ফালে উত্তৰ প্ৰদেশৰ মীৰাট নগৰত সন্মিলন বহি অসহযোগৰ কথা আলোচনা কৰিছিল। ইয়াৰ পিছত ফেব্ৰুৱাৰী মাহত মৌলানা আবুল কালাম আজাদৰ সভাপতিত্বত কলিকতাটো এই সন্মিলন বহিছিল। ইয়াৰ এবছৰমান আগতে ভাৰতৰ ৰাজনীতিত মৌলানা আবুল কালাম আজাদ সোমাইছিল। তেওঁ বৰ বিদ্বান লোক আছিল, তেওঁ আধুনিক ভাবাপন্ন হ'লেও মুছলমানসকলৰ ধৰ্ম-শাস্ত্ৰবিলাকত তেওঁৰ বিশেষ ব্যুৎপত্তি আছিল। ইয়াৰ পিছত মাৰ্চ মাহত বোম্বেত খিলাফত সন্মিলন আকৌ বহিল— বৃটিছ প্ৰধানমন্ত্ৰী লয়েড জৰ্জৰ ওচৰলৈ মৌলানা মহম্মদ আলিৰ নেতৃত্বত যি ডেপুটেশ্যন পঠোৱা হৈছিল সেই ডেপুটেশ্যনক তেওঁ যি সমিধান দিলে সেই সমিধানে মুছলমান ৰাইজৰ মনলৈ খঙৰ ভাব আনিলে। তেওঁ কৈছিল, "তুৰস্কৰ ভিতৰ অঞ্চলত চুলতান হিচাপে শাসন সম্পৰ্কীয় বিষয়বিলাকত ৰাষ্ট্ৰীয় ক্ষমতা দিলেও সাম্ৰাজ্য হিচাপে আনবিলাক অঞ্চলৰ ওপৰত ক্ষমতা প্ৰয়োগ কৰিবলৈ দিয়া নহ'ব।" সন্ধিৰ এনেবিলাক চৰ্তৰ তাৎপৰ্য হ'ল এয়ে যে তুৰস্কৰ চুলতান মুছলমান জগতৰ সকলো ক্ষমতাৰপৰা বঞ্চিত হ'ল। এনেবিলাক কাৰণতে ১৯ মাৰ্চ তাৰিখে অকল মুছলমান ৰাইজক লোক-দিৱস হিচাপে দিনটো পালন কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল যদিও সদৌ ভাৰতে সেই দিনটো জাতি ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে অনশনেৰে সৈতে হৰতাল পালন কৰিলে।

এতিয়া প্ৰশ্ন হ'ল খিলাফত সমস্যাৰ যদি সন্তোষজনক সমাধান নহয়, তেন্তে

কি কৰা হ'ব? প্ৰকাশ্যে নাইবা গোপনে হিংসাত্মক নীতি লোৱাটো ভাবিব নোৱাৰি—এনে উপায় কাৰ্যকৰী হ'ব নোৱাৰে। গান্ধীজীয়ে সেই সময়ত এটা বিবৃতিৰে ভাৰতীয় ৰাইজক বুজাবলৈ কৈছিল, "মই যদি সকলোকে বুজাব পাৰো যে আমাৰ ন্যায়সঙ্গত দাবীবিলাক পূৰণ কৰিবলৈ শান্তিপূৰ্ণ উপায়ৰ বাহিৰে হিংসাত্মক উপায় ল'বলৈ একো প্ৰয়োজন নাই, তেন্তে আমি সোনকালে দাবীবিলাক পূৰণ কৰাব পাৰো। ব্যক্তিগতভাৱে নাইবা সমগ্ৰ জাতি হিচাপে হিংসা বৰ্জন কৰি যি শক্তি সৃষ্টি কৰিব পাৰিম তেনে শক্তিক প্ৰতিৰোধ কৰিবলৈ কাৰো ক্ষমতা নাই। অহিংসাৰপৰা পোৱা শক্তি অদমনীয়। কিন্তু আজি মই হিংসাৰ বিৰুদ্ধে যি যুক্তি দেখুৱাব পাৰিছো তাৰ ভেটি হৈছে আমাৰ নিজৰ স্বাৰ্থ—হিংসাত্মক উপায়ৰ ব্যৰ্থতা। আমাৰ বাবে সেইকাৰণে এটা উপায় আছে, সেইটো হৈছে অসহযোগ। এই উপায়ৰ লগত যেতিয়া হিংসা মিহলি হৈ নাথাকে তেতিয়া এই উপায়েই সকলোতকৈ বেছি কাৰ্যকৰী হয়। এনে এটা অৱস্থাত এই উপায় লোৱাটো আমাৰ কৰ্তব্য হৈ পৰে। নিৰীহভাৱে আমি বশ্যতা স্বীকাৰ কৰিম বুলি ইংলেণ্ডে আশা কৰিব নোৱাৰে। আমি অসহযোগ আৰম্ভ কৰোঁতে ওপৰৰ ফালৰপৰা আৰম্ভ কৰিব লাগিব। যিসকল সম্মানিত পদত অধিষ্ঠিত হৈ আছে নাইবা যিসকলে চৰকাৰৰপৰা সৰহ দৰমহা পোৱা পদত আছে তেওঁলোকে তেনেবিলাক পদৰপৰা পদত্যাগ কৰিব লাগে। যিসকলে ব্যক্তিগত অনুষ্ঠানত চাকৰি কৰি আছে তেওঁলোক এই পৰ্যায়ত নপৰে। আৰু এটা কথা, যিসকলে অসহযোগ নকৰে তেওঁলোকৰ ওপৰত সামাজিক হেঁচা (যেনে সমাজৰপৰা এঘৰীয়া কৰা) দিয়াটোৰ মই সমৰ্থন কৰিব নোৱাৰো। মই বিচাৰো স্ব-ইচ্ছাৰে ওলাই অহাটো —ৰাইজৰ অনুভূতি কিমান শক্তিশালী হৈছে তাৰ এয়েই পৰীক্ষা। সৈন্যসকলে সেনা বাহিনীৰপৰা পদত্যাগ কৰি ওলাই আহিবলৈ পৰামৰ্শ দিয়াৰ এতিয়াও সময় হোৱা নাই। আমি এইটো কৰিবলগীয়া হ'ব যেতিয়া ভাইছৰয়, ভাৰত-সচিব আৰু প্ৰধান মন্ত্ৰীয়ে আমাক আওকাণ কৰি এই সমস্যাৰ সন্তোষজনক সমিধান দিব নোৱৰা হ'ব। তেতিয়া আমি এখোজ এখোজকৈ অসহযোগৰ গোটেই কেইটা খোজ ভালকৈ আলোচনা কৰি লব লাগিব। আমি লাহে লাহে অতি সাৱধানতাৰে খোজ পেলাব লাগিব, প্ৰবল উত্তেজনাৰ মাজতো যাতে আমি আত্ম-সংযম নেহেৰুৱাওঁ।"

১৯ মাৰ্চ তাৰিখৰ হৰতালৰ পিছত বোম্বেত পুনৰ খিলাফত সন্মিলন বহি মুছলমান ৰাইজৰ কৰ্তব্য নিৰ্দ্ধাৰণ কৰিলে। তেওঁলোকে অহিংস সংগ্ৰামেৰে চৰকাৰৰ লগত অসহযোগ কৰিব বুলি স্থিৰ কৰিলে। ইয়াৰ বাহিৰেও কোৰাণৰ কিছুমান বিশেষ নিৰ্দেশ মতে কাম কৰাটো স্থিৰ হ'ল। এনেবিলাক বিশেষ নিৰ্দেশমতে কৰা কামত মুছলমান

ৰাইজৰ বাহিৰে আনে যোগ নিদিলেও হ'ব। ভাৰত চৰকাৰ আৰু সচিব মণ্টেগুৱেও ভাৰতীয় মুছলমানসকলৰ পক্ষে মাত মাতিলেও প্ৰধান মন্ত্ৰী লয়েড জৰ্জে নিজৰ খোপনি নেৰিলে। ভাৰতত খ্যাতি থকা হেকিমি চিকিৎসক হাকিম আজমল খাঁই চৰকাৰৰপৰা পোৱা দুটা সোণৰ আৰু ৰূপৰ কাইজাৰ-ই-হিন্দ পদক ওলোটাই পঠালে। এইদৰে অসহযোগৰ বাবে আবহাৱা সৃষ্টি হ'বলৈ ধৰিলে।

আগৰ বছৰৰ ঘটনাৱলীৰ সোঁৱৰণি হিচাপে ৬ এপ্ৰিলৰপৰা ১৩ এপ্ৰিললৈকে সপ্তাহটো জাতীয় সপ্তাহ হিচাপে সমগ্ৰ ভাৰততে পালন কৰা হ'ল। বোম্বেৰ এখন জনসভাত গান্ধীজীয়ে ক'লে, "ৰৌলাট আইন প্ৰত্যাহাৰ নকৰালৈকে নতুন শাসন-সংস্কাৰৰ বাবে সহযোগৰ যি আহ্বান কৰা হৈছে সেইমতে সহযোগ কৰাটো টান। এনে পৰিস্থিতিত বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হৈ থকাটোও অসম্ভৱ হ'ব। পঞ্জাৱৰ হত্যাকাণ্ডতকৈও শত গুণে ডাঙৰ হত্যাকাণ্ড অলপো বিচলিত নোহোৱাকৈ গ্ৰহণ কৰিব লাগিব। সমগ্ৰ বিশ্বত আমি সম্মানিত পদ পাবলৈ আকাঙ্ক্ষা কৰিছো—তেনে পদ পাবলৈ আমি বহুতো ত্যাগ কৰিব লাগিব। ভাৰতৰ সমগ্ৰলোকক নতুনকৈ সংস্কাৰ কৰি গঢ় দিবলৈ যিবোৰ কাম কৰিবলগীয়া হ'ব সেইবিলাক কামৰ ভিতৰত শাসন-সংস্কাৰৰ ঠাই তল খাপত ধৰা হৈছে বুলি স্বীকাৰ কৰো আৰু মই ভাবো যে জাতীয় শক্তিক সম্পূৰ্ণৰূপে নিয়োগ কৰিবলৈ যি কাৰ্যক্ৰম মই বাছি লৈছোঁ সেই কাৰ্যক্ৰমে ঘোৰ উগ্ৰপন্থীয়েও আকাঙ্ক্ষা কৰা স্বৰাজ আনিব। মোৰ বাবে এয়ে জাতীয় কাৰ্যক্ৰম।" গান্ধীজীয়ে তেওঁৰ নিজৰ কাৰ্য-প্ৰণালী সম্পৰ্কে বুজাই কওঁতে কৈছিল "মই বিশ্বাস কৰোঁ আমাৰ দেশৰ ৰাজনৈতিক কাৰ্যক্ষেত্ৰত কোনো অৱস্থাতে আপোচ নকৰাকৈ সত্য আৰু সাধুতাক আমাৰ কাৰ্যক্ৰমত সুমুৱাটো সম্ভৱ; আৰু সেইমতে আমাৰ ৰাজনৈতিক কাৰ্যক্ৰমক সত্য আৰু অহিংসাক গ্ৰহণ কৰাবলৈ মোৰ পিনৰপৰা যৎপৰোনাস্তি যত্ন কৰিম।"

১৯২০ চনত ভাৰতীয় ৰাজনীতিয়ে এইদৰে অতি দ্ৰুত বেগেৰে যাবলৈ ধৰিলে। এই কেইবছৰ শাসন-সংস্কাৰকে কেন্দ্ৰ কৰি ভাৰতীয় ৰাজনীতি যিদৰে চলি আহিছিল এতিয়া তাৰ বহুখিনি সলনি হ'ল। ৰৌলাট আইনৰ সত্যাগ্ৰহৰ আনুষঙ্গিক ফল হিচাপে পঞ্জাৱত যি হত্যাকাণ্ড ঘটিল সেই ঘটনাৱলীৰ লগত খিলাফতৰ সমস্যা লগ হোৱাত ৰাজনীতিৰ পট পৰিৱৰ্তন হ'ল।

মুছলমান ৰাষ্ট্ৰবিলাকৰ ভিতৰত প্ৰায় দহ কোটি মুছলমান ৰাইজক লৈ বৃটিছ-ভাৰতেই এখন প্ৰধান ৰাষ্ট্ৰ। খিলাফতৰ প্ৰশ্নটোত বৃটিছ শাসকসকলে অন্যায় কৰাটো এই ১০ কোটি মুছলমান ৰাইজে কেনেকৈ সহ্য কৰে? চৰকাৰৰ এখন বিজ্ঞপ্তি যোগে

ভাইছৰয় লৰ্ড চেমছফোৰ্ডে মুছলমান ৰাইজলৈ সহানুভূতি জনাই সাহস আৰু ধৈৰ্যৰে সৈতে সকলো দুখ বহন কৰিবলৈ অনুৰোধ জনালে। ভাইছৰয়ৰ এই অনুৰোধে ভাৰতৰ ধৰ্মপ্ৰাণ মুছলমান ৰাইজক শান্ত নকৰি অস্থিৰ কৰিহে তুলিলে। নিখিল ভাৰত খিলাফত কমিটি বোম্বেত বহি মহাত্মাগান্ধীৰ অসহযোগৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে, কাৰণ তেওঁলোকৰ বাবে আন একো উপায় নাছিল।

উগ্ৰপন্থীসকলে, মণ্টেগুৱে আগ বঢ়োৱা শাসন-সংস্কাৰৰ তীব্ৰ নিন্দা কৰিলেও সেই প্ৰস্তাৱ নৈৰাশ্যব্যঞ্জক, অসন্তোষজনক আদি বিশেষণেৰে সমালোচনা কৰিলেও আৰু গ্ৰহণ-যোগ্য নহয় বুলি ক'লেও শাসন-সংস্কাৰ গ্ৰহণ কৰি সেইমতে কাম কৰিবলৈকে ইচ্ছা কৰা নাছিল। অমৃতচৰত বহা কংগ্ৰেছৰ অধিৱেশনত এই প্ৰস্তাৱটো লৈয়েই গান্ধীজীৰ লগত অনৈক্য হৈছিল। গান্ধীজীয়ে এই বিশেষণবিলাকত আপত্তি কৰিছিল, বৰঞ্চ প্ৰস্তাৱটোৰ সমালোচনা কৰি শেষত কৰ্তৃপক্ষক ধন্যবাদ জনাই কেইশাৰীমান কথা সুমুৱাটো বিচাৰিছিল। যিহওক শেহত কংগ্ৰেছৰ নেতাসকলৰ লগত গান্ধীজীৰ আপোচ মীমাংসা হোৱাত 'নৈৰাশ্যব্যঞ্জক' আদি বিশেষণবিলাক প্ৰয়োগ কৰাত যি আপত্তি কৰিছিল সেই আপত্তি তুলি লোৱাত ধন্যবাদ জনোৱা বাক্য কেইশাৰীত তেওঁলোকেও সন্মতি দিলে। কিন্তু ঘটনাৱলীৰ সোঁতত গান্ধীজীৰ মানসিক পৰিৱৰ্তন হ'ল। তেওঁৰ এই পৰিৱৰ্তনৰ কথা ভাৰতীয় ৰাইজেও বুজিবলৈ ধৰিলে। তেওঁৰ কাৰ্যক্ৰমৰ ভিতৰত শাসন-সংস্কাৰ গ্ৰহণ কৰি সেইমতে কাম কৰাটো তল পৰিল।

এনে এটা মুহূৰ্তত কংগ্ৰেছে কি কৰিব? নিখিল ভাৰত কংগ্ৰেছ কমিটি বানাৰচত বহিলেও অমৃতচৰৰ প্ৰস্তাৱ তল পেলাই অসহযোগৰ প্ৰস্তাৱ লব পৰাত আনুষ্ঠানিক বাধা হ'ল; সেইবাবে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে কংগ্ৰেছৰ বিশেষ অধিৱেশন পতাৰ স্থিৰ কৰিলে।

লোকমান্য বাল গঙ্গাধৰ তিলকেনো এনে পৰিস্থিতিত কি কৰিব? তেওঁ কংগ্ৰেছ গণতান্ত্ৰিক দল এটা প্ৰতিষ্ঠা কৰি কিদৰে কাম কৰিব তাকে ৰাইজক জনালে। তেওঁ খিলাফতৰ প্ৰশ্নটোত মুছলমান ৰাইজক সমৰ্থন কৰিব বুলিও জনাইছিল আৰু বৃটিছ কমনৱেলথৰ ফেডাৰেশ্যনৰ এটা অংশ হৈ থকাটো এই দলে বিচাৰে বুলি কোৱা হৈছিল। শাসন-সংস্কাৰ মতে কাম কৰাটো তেওঁ বিচাৰিছিল। বানাৰসত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভালৈ তেওঁ যোৱা নাছিল যদিও তেওঁ জনাইছিল যে কংগ্ৰেছে যি সিদ্ধান্ত গ্ৰহণ কৰে তেওঁ সেইমতে চলিব। সেইখন সভাত কংগ্ৰেছ কমিটিয়ে অসহযোগ সম্পৰ্কে একো স্থিৰ নকৰিলেও ভাৰতৰ ৰাইজে অসহযোগৰ কাৰ্যক্ৰমৰ কথাবিলাক আলোচনা কৰিবলৈ ধৰিলে। নিখিল ভাৰত খিলাফত কমিটিও

এলাহাবাদত বহি কাৰ্যনিৰ্বাহক কমিটি গঠন কৰি গান্ধীজীৰ নেতৃত্বত কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। তাৰ পিছত এক আগষ্ট তাৰিখৰপৰা খিলাফত আন্দোলন আৰম্ভ কৰিবলৈ স্থিৰ হ'ল। সেইদিনা চৰকাৰে দিয়া উপাধি, মেডেল আদি কোনোৱে পাই থাকিলে পুনৰ চৰকাৰক ঘূৰাই দিব লাগে বুলি স্থিৰ হ'ল—এইমতে কিছুমানে উপাধি, চনদ ইত্যাদি চৰকাৰক ওভোটাই দিছিল। ইয়াৰ আগতে ৰৌলাট আইনৰ প্ৰতিবাদ জনাবলৈ বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰে 'ছাৰ' উপাধি চৰকাৰলৈ এখন চিঠি লিখি সোধাই দিয়াত সমগ্ৰ ভাৰতলৈ এটা নতুন প্ৰেৰণা আহিছিল। সেই সময়ত মাদ্ৰাজৰ আজৰি হোৱা হাইকোৰ্টৰ জজ্ ছাৰ সুব্ৰামান্য আয়াৰেও এইদৰে উপাধি ঘূৰাই দি আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট উড্ৰো ৱিলছনলৈ এখন চিঠি লিখাত সমগ্ৰ ভাৰতত এটা আলোড়নৰ সৃষ্টি হৈছিল। প্ৰথম বিশ্বযুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰ মিত্ৰপক্ষৰ ফলীয়া হৈ যুদ্ধত নমাটো এটা ডাঙৰ ঘটনা আছিল। আমেৰিকাৰ দৰে যান্ত্ৰিক শিল্পত আগ বঢ়া দেশ এখনে যুদ্ধত যোগ দিয়াত মিত্ৰপক্ষৰ জয়ৰ সম্ভাৱনা দুগুণে বাঢ়িছিল। ৰাষ্ট্ৰপতি উড্ৰো ৱিলছনে যুদ্ধৰ লক্ষ্য সম্পৰ্কে ব্যাখ্যা কৰোঁতে আত্মপ্ৰতিপাদন নীতি আৰু সৰু সৰু জাতিবিলাকৰ অধিকাৰ ইত্যাদি সম্পৰ্কে যি ঘোষণা কৰিছিল আৰু সেই ঘোষণাক মিত্ৰপক্ষৰ পৰা ব্ৰিটেইন আৰু ফ্ৰান্সৰ প্ৰধান মন্ত্ৰী দুগৰাকীয়েও সমৰ্থন কৰাত ঔপনিবেশিক শাসনৰ গৰাহত পৰি থকা প্ৰাচ্য দেশবিলাকৰ ৰাইজৰ মনলৈ নতুন উৎসাহ আৰু প্ৰেৰণা আহিছিল। সেইবাবে যুদ্ধ জয়ৰ পিছত ঘোষিত নীতিৰ বিপৰীত আচৰণ দেখি সুব্ৰামান্য আয়াৰে ৰাষ্ট্ৰপতি ৱিলছনলৈ চিঠি লিখিছিল।

কংগ্ৰেছে অসহযোগ সম্পৰ্কে কি কৰিব একো স্থিৰ নকৰিলেও এক আগষ্ট তাৰিখে মহাত্মা গান্ধীয়ে কাইজাৰ-ই হিন্দ সোণৰ পদক ভাইছৰয়লৈ চিঠি এখন লিখি ঘূৰাই পঠাই অসহযোগ আন্দোলন আৰম্ভ কৰিলে। "আবেদন-নিবেদন, আৰ্জি-ডেপুটেশ্যন প্ৰভৃতিৰে আমি সচৰাচৰ যিদৰে আন্দোলন আৰম্ভ কৰি থাকো, এতিয়া তেনেদৰে আন্দোলন আৰম্ভ কৰি এই চৰকাৰক নিজৰ কৰ্তব্য কৰিবলৈ জগাই তুলিব পৰা নহ'ব বুলি মোৰ ধাৰণা—কাৰণ এই চৰকাৰে তেওঁলোকৰ তলতীয়া ৰাইজলৈ কৰিবলগীয়া কৰ্তব্য কৰোঁতে যিদৰে উদাসীনতালৈ চায় অতি বিনয়েৰে সৈতে মই এই কথা ক'ব খুজিছো। প্ৰতীচ্য জগতৰ যি কোনো ৰাষ্ট্ৰত যদি খিলাফতৰ অন্যায় আৰু পঞ্জাৱৰ ঘটনাৱলীৰ দৰে ঘটনা হ'লহেঁতেন, তেন্তে সেই ৰাজ্যত ৰক্তাক্ত বিপ্লৱ হ'লহেঁতেন—বিদ্ৰোহ হ'লহেঁতেন; কিন্তু ভাৰতবৰ্ষৰ জনতাৰ আধাখিনিয়েই অতি দুৰ্বল, নৈতিক শক্তি নোহোৱা হৈছে—ভাৰতৰ বাকী আধা জনতাই হিংস বিদ্ৰোহ

কৰিবলৈকো অনিচ্ছুক, সেইবাবে এনে এখন দুৰ্বল, নৈতিক শক্তিহীন ভাৰতবৰ্ষৰ বাইজৰ সমুখত চৰকাৰৰ লগত সহযোগ নকৰাৰ কাৰ্যক্ৰম দাঙি ধৰিবলৈ সাহ কৰিছোঁ। মোৰ বিশ্বাস যে ভাৰতৰ ৰাইজে যদি এইমতে হিংসাৰ চেকা নপৰাকৈ কাম কৰিব পাৰে, তেন্তে এই গভৰ্ণমেণ্টৰ মন ঘূৰিব আৰু যি অন্যায় কৰিছে সেই অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ বাধ্য হ'ব।"

এক আগষ্ট তাৰিখটো ভাৰতৰ ৰাজনীতিত কেৱল অসহযোগ আন্দোলনৰ আৰম্ভণি হিচাপে নহয়, ভাৰতৰ জনতাৰ অন্তৰৰ সম্ৰাট লোকমান্য বাল গঙ্গাধৰ তিলকৰ মৃত্যু দিৱস হিচাপেও চিৰস্মৰণীয় হৈ থাকিব।

এক আগষ্ট তাৰিখৰ দিনটোৰ কথা মনলৈ আহিছে। সেইদিনা কলিকতাৰ স্বাভাৱিক জীৱন অকস্মাতে যেন বন্ধ হৈ গ'ল। ৰাতিপুৱা নৌ হওঁতেই বাতৰি কাকতৰ ফেৰিৱালাবিলাকে যেতিয়া লোকমান্য বাল গঙ্গাধৰ তিলকৰ মৃত্যুৰ বাতৰি ঘোষণা কৰি কাকত বেচাত লাগিল, সেই মুহূৰ্ত্ততে ট্ৰাম-বাছ, দোকান-পোহাৰ সকলো আপোনা-আপুনি বন্ধ হৈ গ'ল—সকলো লোক গঙ্গাত গা ধুবলৈ খোজ কাঢ়ি যোৱাত লাগিল। অসমীয়া ছাত্ৰসকলেও এইদৰে গঙ্গাত গা ধুবলৈ গ'ল। আবেলি পৰত বৌ বাজাৰৰ ইণ্ডিয়ান এছোচিয়েশ্যন হলত এখন মিটিং পাতি শোক-প্ৰস্তাৱ গ্ৰহণ কৰিলে।

অসহযোগৰ দৰে গণ-আন্দোলন আৰম্ভ নৌ হওঁতেই তিলকৰ দৰে জননেতা এগৰাকীক ভাৰতৰ ৰাজনৈতিক মঞ্চৰপৰা বিধিয়ে আঁতৰাই নিলে। সকলোৰে মনলৈ এটা প্ৰশ্ন আহিল—অসহযোগ আন্দোলনৰ নেতৃত্ব কোনে কৰিব ?

কংগ্ৰেছৰ নেতাসকলে অসহযোগৰ কথাষাৰ সমৰ্থন কৰিবলৈ মন কৰিলেও কাউন্সিল বৰ্জনৰ কথাষাৰত বিৰোধিতা কৰিছিল। এক আগষ্ট তাৰিখে মহাত্মা গান্ধীয়ে অসহযোগ আৰম্ভ কৰিলেও কংগ্ৰেছে কি কৰিব একো স্থিৰ কৰা নাছিল। বানাৰসত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে বিশেষ অধিৱেশন পাতি স্থিৰ কৰিবলৈ নিৰ্দেশ দিছিল—সেইবাবে কলিকতা মহানগৰীত চেপ্টেম্বৰ মাহত কংগ্ৰেছৰ বিশেষ অধিৱেশন পতা স্থিৰ হ'ল। কলিকতা, বোম্বে আদি কেইখনমান মহানগৰীৰ বাহিৰে আন নগৰে ইমান কম সময়ৰ ভিতৰত কংগ্ৰেছৰ বিশেষ অধিৱেশন পতাৰ দায়িত্ব লব নোৱাৰে—যিহওক আমি কেইজন-মানে অভ্যৰ্থনা সমিতিৰ অফিচলৈ গৈ সেৱক হিচাপে কাম কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত আমাক অভ্যৰ্থনা সমিতিয়ে অফিচৰ কামত লগালে। পূৰ্ববঙ্গৰ খ্যাতনামা উকিল অনিল চন্দ্ৰ দত্তৰ তলত আমি কাম কৰিবলগীয়া হৈছিল। দত্তৰ ভাগিনিয়েক আমাৰ লগত পঢ়া আৰু সেইবাবে কাম কৰাত সুবিধা হৈছিল। মোৰ বন্ধু ডাক্তৰ ভুবনেশ্বৰ বৰুৱাও

মেডিকেল ভলন্টিয়াৰৰ দলত সোমাল। তেওঁক সভাপতি লালা লাজপত ৰায়ৰ কেম্পৰ দায়িত্ব দিয়া হৈছিল।

কংগ্ৰেছ সভাপতি লালা লাজপত ৰায়ৰ বাবে পাৰ্কষ্ট্ৰীটৰ এটা ডাঙৰ ঘৰ নিৰ্দ্ধাৰিত হৈছিল আৰু সেই অঞ্চলৰে আন কিছুমান ডাঙৰ ঘৰত বাকী নেতাসকলক ৰখা হৈছিল। যিহওক তেওঁ আহি পোৱাৰ পিছত হাতত .কেনেবাকৈ দুখ পোৱাত ডাক্তৰ বৰুৱাই প্ৰাথমিক চিকিৎসা কৰিবলগীয়া হ'ল। স্কুল-কলেজৰ ঘৰবিলাকত প্ৰতিনিধিসকলৰ বাবে থকা-মেলাৰ বন্দবস্ত কৰা হৈছিল। সৰ্বমুঠ প্ৰায় পাঁচ হেজাৰ প্ৰতিনিধি আহি কলিকতাত গোট খাইছিলহি। বৌবাজাৰ ষ্ট্ৰীটত থকা ইণ্ডিয়ান এছোচিয়েশ্যনৰ হলত বিষয়-বাছনি সভা বহিছিল। আমি কিছুমানে বিষয়-বাছনি সভালৈ নেতাসকলৰ মাজত হোৱা তৰ্ক-বিতৰ্ক শুনিবলৈ যাব পাৰিছিলো। উগ্ৰপন্থী নেতা বুলি জনাজাত বিপিন চন্দ্ৰ পালেও অসহযোগৰ কথাষাৰত বিৰোধিতা কৰিছিল। পুৰণি নেতাসকলৰ ভিতৰত কেৱলমাত্ৰ মতিলাল নেহৰুৱেই অসহযোগৰ প্ৰস্তাৱত সমৰ্থন দিছিল।

পঞ্জাৱৰ হত্যাকাণ্ড আৰু খিলাফতৰ অন্যায় —এই দুটা কথাৰ ওপৰত ভিত্তি কৰি অসহযোগৰ প্ৰস্তাৱ উত্থাপন কৰা হৈছিল ; কিন্তু বিষয়-বাছনি সভাত মতিলাল নেহৰুৰ সংশোধনী মতে স্বৰাজ প্ৰতিষ্ঠা কৰাৰ কথাষাৰো লগোৱা হ'ল।

মুকলি অধিৱেশনত বিপিন চন্দ্ৰ পাল, দেশবন্ধু চিত্তৰঞ্জন দাস প্ৰভৃতি নেতাসকলে বিৰোধিতা কৰা সত্ত্বেও অসহযোগৰ প্ৰস্তাৱটো গৃহীত হ'ল। লোকমান্য তিলকৰ দৰে লালা লাজপত ৰায়ৰো সমগ্ৰ ভাৰত ব্যাপী ৰাজনীতিৰ ক্ষেত্ৰত খ্যাতি আছিল। ৰাজনীতিৰ বাবে তেৰোঁ নিৰ্যাতন ভোগ কৰিবলগীয়া হৈছিল। ১৯০৮ চনত তেওঁক মান্দালয়ৰ দুৰ্গত বন্দী কৰি থোৱা হৈছিল। মুকলি হৈ আহি তেওঁ আমেৰিকালৈ গৈ তাৰপৰা ভাৰতৰ মুক্তিৰ বাবে যিমানখিনি বৰঙণি যোগাব পাৰে যোগাইছিল। "মোৰ দ্বীপান্তৰৰ কাহিনী" শীৰ্ষক এখন কিতাপো লিখিছিল। সেই কিতাপখন পঢ়ি ভাৰতৰ ডেকা শক্তিয়ে প্ৰেৰণা পাইছিল। কলিকতাত বহা এইখন বিশেষ অধিৱেশনৰ তেৱেঁই সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ এটা উত্তেজনাপূৰ্ণ বক্তৃতা দিছিল। তেৱোঁ অসহযোগৰ নীতি সমৰ্থন কৰিলেও কাউন্সিল বৰ্জনৰ কথাষাৰ সমৰ্থন কৰা নাছিল। অসহযোগৰ প্ৰস্তাৱৰ পক্ষে পোন্ধৰ শ আৰু বিপক্ষে আঠ শ প্ৰতিনিধিয়ে ভোট দিয়াত অসহযোগৰ প্ৰস্তাৱ গৃহীত হ'ল। সকলোৱে ভাবিছিল ইমানবিলাক কংগ্ৰেছৰ পুৰণি প্ৰতিষ্ঠিত নেতাই বিৰোধিতা কৰাৰ পিছত অসহযোগৰ প্ৰস্তাৱ গৃহীত নহ'ব। ভাৰতৰ ৰাজনীতি সম্পূৰ্ণ নতুন হ'লেও গান্ধীজীয়ে এই কেইবছৰৰ ভিতৰত ভাৰতীয় জনতাৰ হৃদয় জয় কৰিব পাৰিছিল।

দ্বিতীয় খণ্ড

মহাত্মাক প্ৰথম দেখা

১৯১৫ চনৰ ফেব্ৰুৱাৰী মাহ। আমি তেতিয়া কলিকতাত ছাত্ৰ। এদিন বাতৰি কাকতত ওলাল, গান্ধী কলিকতালৈ আহিব, আৰু সাধাৰণ ব্ৰাহ্ম সমাজৰ মন্দিৰত গান্ধীক অভিনন্দন জনোৱা হ'ব। সেইদিনা মোৰ সহপাঠী সেই সময়ৰ মেডিকেল কলেজৰ ছাত্ৰ দিবাকৰ হাজৰিকাই মোক লগ পাই এইখন সভালৈ নিমন্ত্ৰণী-পত্ৰৰ দিহা কৰিবলৈ ক'লে।

ময়ো মহলানবিশ মহাশয়ক লগ ধৰি নিমন্ত্ৰণী-পত্ৰৰ দিহা কৰিলোঁ। সেই সময়ত মহাত্মা গান্ধীৰ দৰ্শনপ্ৰাৰ্থী জনতাৰ ভিৰ নাছিল। ব্ৰাহ্ম সমাজৰ মন্দিৰ প্ৰাঙ্গণত পতা সভাত আমি যথা সময়ত উপস্থিত হ'লো। আবেলি প্ৰায় পাঁচ বজাৰ আগতে মূৰত কাথিৱাৰী পাগুৰীটো মাৰি চুটি-চাপৰ মানুহ এজন আহি পালে। সভাত কিছুমানৰ মুখত মৃদু গুঞ্জন-ধ্বনি ওলাল— "সউৱা গান্ধী"। তেওঁৰ লগত 'কস্তুৰবা'ও আহিছিল। তেৰোঁ চুটি-চাপৰ। ব্ৰাহ্ম সমাজৰ মন্দিৰ প্ৰাঙ্গণত বৰ যে সৰহ মানুহ আছিল সেইটো ক'ব নোৱাৰি। কলিকতাৰ একো একোখন সভাত যিদৰে মানুহৰ হেঁচা-ঠেলা হয়, সেইদৰে একো হোৱা নাছিল। সঞ্জীৱনী কাকতৰ সম্পাদক কৃষ্ণ কুমাৰ মিত্ৰ প্ৰবাসী, মদাৰ্ণ ৰিভিউৰ সম্পাদক ৰামানন্দ চাটাৰ্জী প্ৰভৃতি খ্যাতনামা লোক থাকিলেও তাত মুনিহ-তিৰোতালৈ প্ৰায় ডেৰশ-দুশমান লোক আছিল।

ব্ৰাহ্ম সমাজৰ তৰফৰপৰা মহাত্মা গান্ধীক অভিনন্দন জনোৱা হ'ল— তাৰ উত্তৰত গান্ধীয়ে মানৱ সেৱাৰ কথাই ক'লে,— বৰ লাহে লাহে কথাবোৰ ক'লে,— কথাত বাগাড়ম্বৰ নাই। কিন্তু সেৱাৰ কথাই অন্তৰস্পৰ্শী ভাষাত ক'লে।

১৯১৫ চনৰ সেইদিনা মাৰ্চ মাহৰ পাঁচ তাৰিখে মহাত্মা গান্ধীক দেখিলো হয়, কিন্তু মনত কেতিয়াও ভবা নাছিলো— এই চুটি-চাপৰ মানুহজনেই আমাৰ জীৱনত এইদৰে প্ৰভাৱ পেলাব ; আমাৰ জীৱনৰ গতি সম্পূৰ্ণ নতুন ফালে নিয়াব। নিয়তিয়ে বোধকৰো অলক্ষিতে সেইদিনাই মোৰ জীৱনৰ জৰীডাল গান্ধীক গতাই দিলে।

ল'ৰালি কালৰ আৰু এটা দিন মোৰ মনলৈ আহে। আমি কেইবাজনো সৰু ল'ৰাই উমলি আছোঁ। মোৰ ককাদেউতাই (৺লক্ষ্মীকান্ত বৰকাকতী) এখন বাতৰি কাকত পঢ়ি আছিল— হঠাতে তেওঁ উৎসাহেৰে ক'লে,— "এজন মানুহ ওলাল।" আমি ওচৰ চাপি সুধিলো— "কি ওলাল ককাদেউতা ?" তেওঁ দক্ষিণ আফ্ৰিকাৰ বহু কথা ক'লে আৰু মোহন দাস কৰমচাঁদ গান্ধীৰ নামটো আমাৰ মনত দৃঢ়কৈ সোমাল, কাৰণ মাৰ্বল গুটি মাৰোতেও এই নামটো উচ্চাৰণ কৰিহে মাৰিছিলো।

৺ককাদেউতা ১৮৮৫ চনৰ পৰাই তেজপুৰ ৰায়ত সভাৰ প্ৰতিনিধি হৈ কংগ্ৰেছত

যোগ দি আছিল। সেইবাবে মাজে সময়ে কংগ্ৰেছৰ কথা আমাক কয়— ডাঙৰ ডাঙৰ নেতাসকলৰ নাম কয়। ভাৰতৰ নেতাসকলে ডাঙৰ ডাঙৰ বক্তৃতা দিব পাৰে হয়, কিন্তু এতিয়ালৈকে ভাৰতৰ স্বায়ত্ত-শাসন পাবলৈ কাৰ্যকৰী উপায় উলিয়াব পৰা নাই। ধীৰ-পন্থী, উগ্ৰপন্থীসকলে কাজিয়া কৰি আছে— এনেদৰে কয়।

সাধাৰণ ব্ৰাহ্ম সমাজৰ অভিনন্দনৰ দুদিনমান পিছতেই পুনৰ বৌবাজাৰ ষ্ট্ৰীটৰ ইণ্ডিয়ান এছোচিয়েশ্যন হলত ছাত্ৰসকলৰ সভালৈ গান্ধী আহিব বুলি বাতৰি ওলাল। এই বাতৰি দেখি তালৈকো আমি ওলালো। সেই সময়ত কলিকতীয়া ছাত্ৰসকলৰ মন বিপ্লববাদলৈ আকৃষ্ট হ'ব ধৰিছে— দিনৌ কলিকতাৰ বাটত এটা নহয় এটা ৰোমাঞ্চকৰ ঘটনাৰ বাতৰি ওলাবই। কংগ্ৰেছৰ মডাৰেট নেতাসকললৈ আস্থা কমি যাবলৈ ধৰিছে, সেইবুলি উগ্ৰপন্থী নেতাসকললৈ যে বৰ আস্থা আছিল, সিও নহয়, অৱশ্যে তেওঁলোকৰ উত্তেজনাপূৰ্ণ বক্তৃতা শুনিবলৈ ভাল পায়। ছাত্ৰসকলৰ এনে এটা মানসিক অৱস্থা দেখি মিছনেৰী হোষ্টেলত থকা ছাত্ৰসকলক মিছনেৰীসকলে এইবিলাকৰ বিৰুদ্ধে বুজাবলৈ চেষ্টা কৰিছিল। অক্সফোৰ্ড মিছনৰ ফাদাৰ হোমছে, ছাত্ৰসকলক মৰমেৰে সৈতে বহুতো কথা বুজায়। কিন্তু তেওঁৰ বুজনিৰ মাজতো অক্সফোৰ্ড মিছন হোষ্টেলৰপৰা চট্টগ্ৰামৰ এজন ছাত্ৰ—নাম নগেন্দ্ৰ নাথ বন্দোপাধ্যায়, মুছলমানপাৰা লেনত এজন পুলিচ কৰ্মচাৰীৰ ঘৰত বোমা পেলাই ধৰা পৰিল। (এইজন ছাত্ৰক পিছত ছাৰ বীটছন বেলে অক্সফোৰ্ড বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ পঠাইছিল।) সেই সময়ত কলিকতাত পঢ়ি থকা ছাত্ৰসকলৰ মনত এটা অস্থিৰতা, কংগ্ৰেছে যে ভাৰতক আগ বঢ়াই লৈ যাব পাৰিব, এনে কথাত অবিশ্বাস। এইবিলাকৰ প্ৰভাৱ যে অসমীয়া ছাত্ৰসকলৰ ওপৰত নপৰাকৈ আছিল, তেনে নহয়।

যিহওক, ছাত্ৰসকলক গান্ধীয়েনো কি কয়, শুনিবলৈ ওলালো। ছাত্ৰসকলৰ মনৰ ওপৰত, সাময়িকভাৱে হ'লেও, বাগ্মিতাৰ এটা প্ৰভাৱ থাকেই। বাগ্মীলোকে বক্তৃতা দিলে ছাত্ৰসকল তালৈ নোযোৱাকৈ নাথাকে। সেইজন লোকৰ কথাই কিমান দকৈ তেওঁলোকৰ মনত স্পৰ্শ কৰে ক'ব নোৱাৰো। ভাবো, থিয়েটাৰ চাবলৈ যোৱাৰ দৰে, মানুহজননো দেখাত কেনে, কেনেকৈ কথাবিলাক কয়, তেওঁৰ ডেলিভাৰী কেনে তালৈকেই যেন বেছি আগ্ৰহ। যিহওক গান্ধীৰ কেইটামান কথা আজিও মনত আছে। বোমা-ৰিভলভাৰেৰে হত্যানীতিৰ নিন্দা কৰি ছাত্ৰসকলক সম্বোধন কৰি ক'লে, "এই নীতি এৰি, তোমালোকে এটা কাৰ্যকৰী নীতি উলিওৱা, মই তোমালোকৰ পাছ লম।" বাগ্মীপুৰুষ বুলি গান্ধীৰ খ্যাতি নাছিল। বাগ্মীলোকৰ বাগাড়ম্বৰে সৈতে এই কথা কেইটাও কোৱা নাছিল। অতি সহজ-সৰল ভাষাত কথাবিলাক উচ্চাৰিত হৈছে। কিন্তু গান্ধীৰ এনে এটা কথাত কোনো এজন ছাত্ৰৰ

মুখৰপৰা প্ৰতিবাদসূচক নাইবা আন ভাবসূচক কোনো মন্তব্য নোলাল। অৱশ্যে জয়-ধ্বনিৰেও তেওঁৰ কথাৰ শলাগ লোৱা হোৱা নাছিল।

মোৰ মনলৈ সেইদিনা বহুতো প্ৰশ্ন নহাকৈ নাছিল। এই ক্ষীণকায়, চুটি-চাপৰ মানুহজনে কিবা যাদুমন্ত্ৰ জানে নেকি? অলপ কথাতে চিঞৰ-বাখৰ কৰি উত্রাৱল হোৱা কলিকতীয়া ছাত্ৰ-জনতাক কিবা মন্ত্ৰ মাৰি থলে নেকি?

ইয়াৰ অলপ দিন আগতে বঙ্গদেশৰ মুকুটবিহীন সম্ৰাট সুৰেন্দ্ৰ নাথ ব্যানাৰ্জীৰ বক্তৃতা শুনিবলৈ গৈ আমাৰ কি হৈছিল, তাৰ পটভূমিতহে এনে প্ৰশ্ন আহিছিল। তেজপুৰৰ স্কুলীয়া ছাত্ৰ-জীৱনতেই সুৰেন্দ্ৰনাথ ব্যানাৰ্জীলৈ আমাৰ কৌতূহল—মানুহ-জননো কেনে? যাৰ নাম ভাৰতত বিয়পি পৰিছে। যাৰ বাগ্মিতাই শত শত নৰ-নাৰীৰ অন্তৰত স্পন্দন তোলে, ইংৰাজী ভাষাত তেওঁৰ কি অধিকাৰ। তেওঁক দেখা নেপালেও আৰু তেওঁৰ বক্তৃতা শুনিবলৈ নেপালেও, মাদ্ৰাজৰ নেটিশ্যন কোম্পানীয়ে প্ৰকাশ কৰা বক্তৃতাৱলী আমি পঢ়ো। কথাৰ ঝঙ্কাৰৰ গুণগ্ৰাহী হ'বলৈ যত্ন কৰো। ইয়াৰ বাবে উদগনি দিয়ে আমাৰ শিক্ষক গুৰুপ্ৰসাদ বৰুৱাই (তেওঁ সেই সময়ত কলিকতাত পঢ়া শেষ কৰি আমাৰ হাইস্কুলত শিক্ষকৰ কাম কৰি আছিল।) তেওঁ এটা কথা কৈছিল,— "সুৰেণ ব্যানাৰ্জীয়ে বাৰ্ক (Burke's 'French Revolution') পঢ়োৱা শুনি মই প্ৰেছিডেন্সী কলেজৰপৰা ৰিপণ কলেজলৈ ট্ৰেন্সফাৰ ল'লো।" কলিকতা বিশ্ব-বিদ্যালয়ৰ চৰকাৰী কলেজৰ পৰা এখন প্ৰাইভেট কলেজলৈ ট্ৰেন্সফাৰ? এই কথা শুনি এই মুকুটহীন সম্ৰাট প্ৰখ্যাত বাগ্মীপুৰুষ সুৰেন্দ্ৰ নাথ ব্যানাৰ্জীৰ ভাষণ শুনিবলৈ ওলালো। কলেজ স্কোৱাৰৰ বেপ্টিষ্ট মিছন হলত কলিকতালৈ অহা নৱাগত ছাত্ৰসকলক উদ্দেশ্য কৰি আদৰণি ভাষণ দিব। প্ৰতিবছৰে হেনো ছাত্ৰসকলৰ উদ্দেশ্যে তেওঁ এনেদৰে ভাষণ দিয়ে। খবৰটো বাতৰি কাকতত দেখি ৩১ জুলাই তাৰিখে আমি (দিবাকৰ হাজৰিকা আৰু মই) বেপ্টিষ্ট মিছন হললৈ ওলালো।

সুৰেন্দ্ৰ ব্যানাৰ্জী কেতিয়া আহি পায় তালৈকে বাট চাই বহি আছো। এটা সময়ত তেখেত আহি পালেহি। কিন্তু হলৰ একাষত এটা হুলস্থুলৰ সৃষ্টি হ'ল। খিৰিকিৰ ওপৰত থিয় দি থকা ছাত্ৰ এজনক ৰেভাৰেণ্ড বি নাগে নমাই দিলে। হলৰ ভিতৰত বহিবলৈ ঠাই নাপাই বোধকৰো কৌতূহলতে তেও এইদৰে খিৰিকিৰ ওপৰত থিয় দিব-লগীয়া হৈছিল। কিন্তু এই কথাষাৰ লৈ সভাস্থলীত ভীষণ হুলস্থুলৰ সৃষ্টি হ'ল। এদল ছাত্ৰ উত্তেজিত হৈ উঠিল। তেওঁলোকে ব্যানাৰ্জীক কলেজ স্কোৱাৰৰ মুকলি ঠাইত বক্তৃতা দিবলৈ আহ্বান জনালে। কিন্তু ব্যানাৰ্জী এনে আহ্বানত মান্তি নহ'ল। তেতিয়া এই ছাত্ৰ দলটোৱে হলত বহি থকা আন সকলো ছাত্ৰকে বাহিৰলৈ উলিয়াই আনিবলৈ

ধৰিলে। এই হেঁচাত আমি কেতিয়া বাটলৈ ওলাবলগীয়া হ'ল, ক'ব নোৱাৰিলো। দেখিলো চুটি-চাপৰ ডাঠীয়া মানুহ এজন ক্ৰুহাম গাড়ী এখনত উঠিলগৈ। আৰু পাছে পাছে উত্তেজিত ছাত্ৰ-জনতাই চিঞৰিবলৈ ধৰিলে—"Shame Banerjee, shame Banerjee" এই ধ্বনিৰে গাড়ীখনৰ পাছে পাছে এইদৰে চিঞৰি যাবলৈ ধৰিলে। মিৰ্জাপুৰ ষ্ট্ৰীট নোপোৱালৈকে আমিও এই জনতাৰ হেঁচাৰ পৰা মুকলি হ'ব পৰা নাছিলো। সেইদিনা মনত বেজাৰ লাগিছিল। ইমান হেঁপাহ কৰি থকা সুৰেণ ব্যানাৰ্জীৰ বক্তৃতা শুনিবলৈ গৈয়ো, কিছুমান উৎপতীয়া ছাত্ৰৰ বাবে বঞ্চিত হ'বলগীয়া হ'লো।

কিন্তু গান্ধীয়ে বক্তৃতা দিওতে একো শব্দ নাই। নিমাত-নিস্তব্ধ ছাত্ৰ-জনতা। গান্ধীৰ কণ্ঠস্বৰো বৰ ডাঙৰ নহয়। 'মাইক' বোলা যন্ত্ৰ তেতিয়ালৈকে কলিকতাত ওলোৱা নাই। অহিংসাবাদত বিশ্বাস নকৰা এই ছাত্ৰসকলে মন্ত্ৰমুগ্ধ হৈ কিয় গান্ধীৰ কথা শুনিলে এই প্ৰশ্নই মনলৈ আহিল।

গান্ধী মানুহজনলৈ আমাৰ শ্ৰদ্ধা বাঢ়িবলৈ ধৰিলেও তেওঁৰ অহিংসা কথাষাৰত খুব বেছি এটা বিশ্বাস হৈছিল বুলি ক'ব নোৱাৰো। ছাত্ৰজীৱনৰ দিনবিলাক গতানুগতিক ভাৱে পাৰ হৈ যাবলৈ ধৰিলে। এইদৰে আহি ১৯১৬ চনৰ মে মাহ পালেহি। গৰমৰ বন্ধত তেজপুৰলৈ আহি আছোঁহি। এদিন বাতৰি কাকতত পঢ়িবলৈ পালো চম্পাৰণৰ সত্যাগ্ৰহৰ বাতৰি।

সদায় বাতৰি কাকত নিয়মিতভাৱে পঢ়ি থকা লোকৰ বাবে এইটো বাতৰি এটা আকস্মিক ঘটনা যেন লাগিছিল। অৱশ্যে নীল খেতিয়কৰ অত্যাচাৰৰ কথা আমি নজনাকৈ নাছিলোঁ। স্কুলত পঢ়োতে বঙ্গীয় সাহিত্যৰ 'নীলদৰ্পণ' পঢ়িবলৈ পাইছিলো আৰু লালবিহাৰী দেৰ ইংৰাজী কিতাপ 'Bengal Peasants' Life' (বঙ্গদেশৰ খেতিয়কৰ জীৱন) আমাৰ পাঠ্যপুথি আছিল। ইংৰাজ নীল খেতিয়কৰ অত্যাচাৰৰ কথা তাত পোৱা হৈছিল। আৰু আমাৰ দেশৰ চাহ খেতিয়কৰ কথা আমি নজনা নাছিলো। গান্ধীৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিও আদালতত বৰলাটৰ আদেশত কিয় মুক্তি দিয়া হ'ল আৰু লগে লগে চম্পাৰণৰ খেতিয়কসকলৰ দুৰ্দশাৰ কথা তদন্ত কৰিবলৈ দিয়া হ'ল—আমি একো বুজিব নোৱাৰিলোঁ। বাতৰি কাকতবোৰে সেই সময়ত গান্ধীৰ ওপৰত সজাগ দৃষ্টি ৰখা নাছিল। তেওঁ কেতিয়া কলিকতালৈ আহি কলিকতাৰ পৰাই চম্পাৰণলৈ গৈছিল আৰু তাত যে খেতিয়কৰ কথা লৈ প্ৰতিষ্ঠিত শক্তিৰ লগত এটা ডাঙৰ সংঘৰ্ষৰ আয়োজন হ'ব ধৰিছে, তাৰ একো বাতৰি জনা নাছিলো। অথচ মজঃফৰপুৰত মিচেছ কেনেডীৰ গাড়ীৰ ওপৰত কেনেকৈ বোমা পেলোৱাত তেওঁ জীয়েকৰ সৈতে মৃত্যুৰ মুখত পৰিছিল

আমি জানিছিলোঁ। অৱশ্যে এই ঘটনা আগতে হৈছিল। আৰু এইটো এটা আকস্মিক ঘটনাৰ দৰেই প্ৰকাশিত হৈছিল। সেইবাবে সত্যাগ্ৰহৰ চমু বাতৰি পঢ়ি আমি আচৰিত হৈছিলো। ১৯১৬ চনৰ সেই দিনবিলাকত য়ুৰোপৰ মহাৰণৰ কথা আমি ভালকৈ পঢ়ি আছোঁ। ৰণক্ষেত্ৰৰ সকলো কথা আমাৰ নখাগ্ৰত। য়ুৰোপৰ মানচিত্ৰ আৰু সামৰিক কৌশলৰ কথা আমি সদায় আলোচনা কৰি থাকোঁ। কিন্তু হঠাতে আমাৰ নিজৰ দেশতেই এনে এটা ঘটনা ঘটিল, তাৰ আগৰ কথা বাতৰি কাকতবোৰে আমাক কিয় নজনোৱাকৈ ৰাখিছিল। যিহওক গান্ধীৰ মুক্তি আৰু নীল খেতিয়কসকলৰ তীব্ৰ আপত্তি সত্বেও চম্পাৰণত গান্ধীক অকলে থাকিবলৈ দিয়াই নহয়, নীল খেতিয়ক-সকলৰ অত্যাচাৰৰ কথাও অনুসন্ধান কৰিবলৈ দিয়া হ'ল—এই কথাবিলাকে সকলোৰে চকু গান্ধীৰ ওপৰত পেলালে। মানুহজনেনো কি কৰে—এই প্ৰশ্ন সকলোৰে আছিল। আমিও বাতৰি কাকতবোৰৰ জৰিয়তে চম্পাৰণৰ সত্যাগ্ৰহ আৰু গান্ধীৰ কথাৰ ভু ৰাখিবলৈ সুবিধা পালোঁ।

গান্ধী মানুহজনলৈ আস্থা-বিশ্বাস জন্মিলেও তেওঁৰ কাৰ্যনীতিত আমাৰ আস্থা হোৱা বুলিও ক'ব নোৱাৰোঁ।

১৯১৭ চন। কলিকতাত কংগ্ৰেছৰ বছৰেকীয়া অধিৱেশন। উগ্ৰপন্থী আৰু ধীৰপন্থী দুয়োদলৰ মাজত তুমুল বাক-বিতণ্ডা, চকী দলিয়াদলিৰ পিছত এই অধিৱেশন। আমিও কিছুমান অসমীয়া ছাত্ৰ স্বয়ংসেৱক হিচাপে কাম কৰিবলৈ ওলালোঁ। অধিৱেশন আৰম্ভ হ'বৰ কেইদিনমান আগতে ৰেলৱে ষ্টেচনৰ ডিউটিত পৰিলো। মোৰ লগত মোৰ সহপাঠী বন্ধু ধীৰেন্দ্ৰ নাথ আগৰৱালা। আমাৰ নেতা ল'-কলেজৰ অধ্যাপক শ্ৰীঅভয় দত্ত, ৰমেশ চন্দ্ৰ দত্তৰ পুতেক। সভাপতি হিচাপে মিচেছ বেচান্ত আহিল। বিৰাট জনতাই হাওৰা ষ্টেশ্যনত তেখেতক সম্বৰ্দ্ধনা জনালে। অভূতপূৰ্ব শোভাযাত্ৰাৰে সৈতে ল'ৱাৰ ছাৰ্কুলাৰ ৰোডৰ এজনা চাহ ব্যৱসায়ীৰ ঘৰত তেখেতক ৰখোৱা হ'ল। ঘৰৰ গৰাকীজন ব্যৱসায়ৰ ক্ষেত্ৰত অসমৰ লগত সম্পৰ্ক থকা তেওঁৰ পুতেক অমিয় সেন, আমাৰ লগতেই পঢ়া।

লোকমান্য তিলক, গান্ধী প্ৰমুখ্যে বহুতো নেতাক আমি আদৰি নিৰ্দ্ধাৰিত থকা ঠাইত থ'লোঁ। গান্ধী হাওৰা ষ্টেশ্যনত নামোতে বিৰাট জনতা নহ'লেও কিছু মানুহ আছিল। গান্ধীৰ বাবে নিৰ্দ্ধাৰিত ঠাই বৰবাজাৰৰ বাঁশতলা লেনত তেওঁক থৈ অহা হ'ল। কংগ্ৰেছৰ অধিৱেশনৰ লগতে ভাৰতৰ ৰাষ্ট্ৰভাষা সম্মিলনৰ বাবেহে তেওঁ ঘাইকৈ আহিছিল। হিন্দীকেই ভাৰতে ৰাষ্ট্ৰভাষা হিচাপে ল'ব লাগে। ভাৰতৰ এই বিভিন্ন ভাষাভাষী লোকসকলক একেলগ কৰিবলৈ হিন্দীকেই আমি সকলোৱে গ্ৰহণ কৰিব লাগে, এয়ে তেওঁৰ বক্তব্য আছিল।

কংগ্ৰেছৰ ৰাজনৈতিক মঞ্চতেই আমাৰ সকলোৰে চকু। কংগ্ৰেছৰ সভা মণ্ডপতে বহা আনবিলাক সভালৈ আমি বিশেষ চক্ ৰখা নাছিলো। আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ সভাপতিত্বত বহা সমাজ-সংস্কাৰ সম্মিলন, তালৈ আমি গৈছিলো। গান্ধীও এই সম্মিলনলৈ আহিছিল। চট্টগ্ৰামৰ এগৰাকী মহিলাই নিজৰ মৰ্যাদা ৰক্ষা কৰিবলৈ বলাৎকাৰ কৰিবলৈ চেষ্টা কৰা এজন দুশ্চৰিত্ৰৰ লোকক হত্যা কৰা বুলি অভিযুক্ত হৈছিল। এই সভাত গান্ধীয়ে হত্যা সমৰ্থন কৰাত যি সূক্ষ্ম যুক্তি দিছিল সেইবিলাক যুক্তিলৈ আমি বৰ মন দিয়া নাছিলোঁ। এনে এটা মানৱীয় পৰিস্থিতিত আত্মৰক্ষা কৰোঁতে তিৰোতাগৰাকীয়ে হিংসানীতি প্ৰয়োগৰ সকলো কথা আমি বুজিবলৈ যত্ন কৰা নাছিলোঁ। সাধাৰণ মানুহে যিদৰে সমৰ্থন কৰে, ঠিক তেনেদৰেই সমৰ্থন কৰিছিলোঁ। যিহওক গান্ধীক দেখা আৰু শুনাৰ সুবিধা এইদৰে হৈছিল।

ভাৰতৰ ৰাজনৈতিক জীৱনৰ ঘটনাবহুল দিনবিলাকৰ মাজেদি ১৯১৮ চন পাৰ হৈ গ'ল। মণ্টেগুৰ শাসন-সংস্কাৰৰ কথাষাৰ লৈ নেতাসকলৰ মনোমালিন্য। কিছুমানে গ্ৰহণ কৰাৰ সপক্ষে মত দিছে, কিছুমানে প্ৰত্যাখ্যান কৰিবলৈ যুক্তি দিছিল। গান্ধীয়ে গ্ৰহণ কৰাৰ পক্ষেই মত দিছিল। গান্ধীয়ে এনে এটা মত দিয়াত আমাৰ মনলৈ প্ৰশ্ন নহাকৈ থকা নাছিল। গান্ধী ধীৰপন্থীসকলৰ লগৰ, এনে এটা চিন্তাই মনলৈ এটা অস্বস্তিকৰ ভাব ননাটো নহয়। আমি কিছুমানে এই কথাষাৰ আলোচনা কৰিছিলোঁ। আৰু এই কথাষাৰ লৈ লক্ষ্মীনাথ বেজবৰুৱাৰ লগত আমাৰ মনোমালিন্য নোহোৱা নহয়। সম্বলপুৰৰ পৰা বেজবৰুৱাই এখন চিঠিত (প্ৰবসুৱাৰ চিঠি) ভাৰতীয় নেতাসকলৰ এনে এটা মনোভাবৰ লগত লণ্ডনৰ টুনী ষ্ট্ৰীটৰ দৰ্জিৰ লগত তুলনা কৰিছিল। বেজবৰুৱালৈ ইয়াৰ প্ৰত্যুত্তৰত যিখন চিঠি লেখা হৈছিল তাৰ আঁচনি শ্ৰীদেবেশ্বৰ শৰ্মা, শ্ৰীধীৰেন্দ্ৰনাথ আগৰৱালাইতে তৈয়াৰ কৰিছিল। যিহওক আমাৰ বহুতেই এইখন চিঠিত চহী দিছিলোঁ।

আনফালে গান্ধীয়ে গুজৰাটত খেতিয়কৰ সমস্যা সমাধান কৰোঁতে সত্যাগ্ৰহ নীতি প্ৰয়োগ কৰাৰ বাতৰি আমি কাকতত লক্ষ্য কৰি আছিলো। খাজনা দিবলৈ অস্বীকাৰ কৰি শেহত খেতিয়কসকলৰ জয়লাভ হ'ল।

'সত্যাগ্ৰহ'— এই নতুন কথাষাৰ আমি শুনিলেও এই কথাষাৰনো কি আমি বুজি পোৱা নাছিলোঁ। বুজি নাপালেও ইয়াতে যেন মুক্তিৰ কিবা উপায়ৰ সন্ধান পোৱা হ'ব, এনে এটা বিশ্বাস আহিবলৈ ধৰিলে।

কংগ্ৰেছৰ ধীৰপন্থীসকলৰ ভিকহু মনোবৃত্তিলৈ আমাৰ বিৰক্তি হৈ আছিল। সকলো কথাতে "ইটো দিয়া" "সিটো দিয়া" বুলি গভৰ্ণমেণ্টৰ ওচৰ চপাটো এটা নিষ্ক্ৰিয়তা।

ৰৌলাট আইন লৈ ভাৰতীয় এছেম্বলীত প্যাটেল আৰু খেপার্দেই কিদৰে যুঁজ কৰি অৱশেষত ভোটত পৰাজিত হ'ল— কথাষাৰত আমি ক্ষুন্ন হ'লোঁ। ভাৰতে ৰৌলাট আইনৰ বিৰুদ্ধে কেনেকৈ থিয় দিয়ে? উপায় কি? এই প্ৰশ্ন আমাৰ মনলৈ অহাৰ লগে লগে ভাৰতৰ ৰাজনৈতিক মঞ্চত গান্ধীয়ে সত্যাগ্ৰহৰ উপায় লৈ দেখা দিলে।

সত্যাগ্ৰহ কি? কথাষাৰ আমি আলোচনা কৰিবলৈ ধৰিলো। শ্ৰীদেবেশ্বৰ শৰ্মা, বংশীধৰ বৰুৱা (ডাক্তৰ), এইদৰে আমাৰ কিছুমানৰ মাজত আলোচনা হ'ল। এদিন সন্ধ্যা কলেজ স্কোৱাৰৰ বাটেদি যাওঁতে দুখন কিতাপ চকুত পৰিল। এখন "Ethics of Satyagraha" আৰু আমেৰিকান মনীষী থুৰোৰ "Passive Resistance"। এই কিতাপ দুখনৰ পৰা মানসিক সমল কি পোৱা যায়, তাকে চাবলৈ কিতাপ দুখন কিনা হ'ল। ভাৰতীয় ৰাজনীতিত 'Passive Resistance' কথাটো আমি আগৰে পৰা শুনি আছিলোঁ।

৩১ মার্চ তাৰিখে ৰৌলাট আইনৰ বিৰুদ্ধে সত্যাগ্ৰহৰ আৰম্ভৰ দিন স্থিৰ কৰি বোম্বেত পতা সত্যাগ্ৰহ কমিটিয়ে ভাৰতবাসীলৈ নিবেদন জনোৱা কাকতত প্ৰকাশিত হ'ল। কার্যতালিকা আছিল লঘোন দি, হৰতাল পালন কৰি, শান্তি আৰু শৃঙ্খলাৰে দিনটো পালন কৰি আবেলি জনসভাত ৰৌলাট আইনৰ প্ৰতিবাদ কৰা। ইয়াৰ পিছৰ দেওবাৰে ৬ তাৰিখেও এইদৰে পালন কৰাৰ নির্দেশ আছিল।

উগ্ৰপন্থী কংগ্ৰেছৰ নেতা কিছুমানেও গান্ধীৰ সত্যাগ্ৰহ কমিটিত যোগ দিয়া বুলি কাকতত প্ৰকাশিত হ'ল। গান্ধীৰ সম্পাদিত "ইয়ং ইণ্ডিয়া" কাকতখন সৰোজিনী নাইডুৱে হেজাৰ টকাত বোম্বেৰ বাটত ফেৰী কৰা বুলি বাতৰি কাকতত ওলাল। বোম্বেৰ এই অভূতপূর্ব উৎসাহে কলিকতাত থকা আমাৰ মনলৈ উৎসাহৰ বল আনিলে। এই দিনটো পালন কৰিবলৈ আমি কিছুমান অসমীয়া ছাত্ৰই স্থিৰ কৰিলোঁ। নেতা হিচাপে গান্ধীলৈ আমাৰ এটি শ্ৰদ্ধা আৰু বিশ্বাসৰ ভাব আহিবলৈ ধৰিলে।

ভাৰতৰ ৰাজনীতিত ঘটনা বহুল ১৯১৯ চনটো নানান প্ৰতিক্ৰিয়াৰ মাজেদি পাৰ হৈ গ'ল। জালিয়ানৱালাবাগৰ হত্যাকাণ্ড, পঞ্জাবৰ অত্যাচাৰ আৰু শেহত সত্যাগ্ৰহ স্থগিত ৰখা ইত্যাদিৰ প্ৰতিক্ৰিয়া আমাৰ মনলৈকো আহিল। সত্যাগ্ৰহ স্থগিত ৰখাটো ভাল হ'ল নে বেয়া হ'ল, এইবিলাক প্ৰশ্নও আমাৰ মনলৈ আহিল। গান্ধীয়ে যেতিয়া নিজৰ হিমালয় সদৃশ ভুল হোৱা বুলি স্বীকাৰ কৰিলে, আমাৰ মনলৈও নানান প্ৰশ্ন আহিল। সত্যাগ্ৰহৰ উপায়টোৱেই যেন ভুল কথা, এনে ভাব নহাটোও নহয়। কিন্তু এই সময়ত এই প্ৰশ্নলৈ আমি বৰ আলোচনা কৰা নাছিলো। কাৰণ পঞ্জাবৰ কথাবিলাক প্ৰকাশৰ ওপৰত গৱৰ্ণমেণ্টৰ বাধা—পঞ্জাবলৈ যাবলৈ হ'লেও

অনুমতি লাগে—গান্ধীক পঞ্জাবলৈ যোৱা বাটত গ্ৰেপ্তাৰ কৰা হ'ল; ইত্যাদি ঘটনাৰ প্ৰতিক্ৰিয়াৰ মাজত সত্যাগ্ৰহ কথাষাৰত কি শক্তি আছে তাক বুজিবলৈ যত্ন কৰা বুলি আমি ক'ব নোৱাৰো। কিন্তু গান্ধীৰ মনৰ ভাবত বহুতো পৰিৱৰ্তন হোৱা আমি লক্ষ্য কৰিলোঁ। যুদ্ধৰ বাবে ধন তুলি চৰকাৰৰ লগত সহযোগ কৰা, চিপাহী ৰিক্ৰুইট কৰা, মণ্টেগু শাসন-সংস্কাৰ আদি গ্ৰহণ কৰাৰ পক্ষপাতী গান্ধী। ৰাজনৈতিক ঘটনাৱলীৰ প্ৰতিক্ৰিয়াত তেওঁৰ কিদৰে মানসিক পৰিৱৰ্তন হৈ আছিল সেইবিলাকৰ আলোচনা আমাৰ মাজত নোহোৱা নহয়। অসমীয়া ছাত্ৰসকলৰ মাজত যে মানসিক পৰিৱৰ্তন আহিব ধৰিছে, সেই কথাষাৰ'আমাৰ বন্ধু সঞ্জীৱনী কাকতৰ শ্ৰীসুকুমাৰ মিশ্ৰই গম পালে। আমাৰ লগতো তেওঁৰ আলোচনা হ'ল। এদিন তেওঁ মোক সুৰেন্দ্ৰ নাথ ব্যানাৰ্জীৰ ওচৰলৈ নিলে। কংগ্ৰেছৰ ধীৰপন্থীসকলে তেতিয়া নতুনকৈ লিবাৰেল দল সংগঠন কৰাত লাগিছে। অসমতো তেওঁলোকৰ দল গঠন কৰাৰ কথা ভাবি আছে। যিহওক, তেওঁ গান্ধীৰ সম্পৰ্কে কোৱা এষাৰ কথা আজিও মনত পৰে—"Gandhi is a shrewd and clever person. He has acquired the art of putting his adversary into wrong." (গান্ধী বৰ ধূৰ্ত, প্ৰতিপক্ষই অন্যায় কৰা বুলি প্ৰতিপন্ন কৰা বিদ্যা তেওঁ ভালকৈ আয়ত্ত কৰিছে।) ব্যানাৰ্জীয়ে সত্যাগ্ৰহত বিশ্বাস নকৰে; "It will lead us nowhere"—ইয়াৰে ভাৰতৰ সমস্যা সমাধান নহয়।

এইদৰে ১৯২০ চনত কলিকতাত কংগ্ৰেছৰ বিশেষ অধিৱেশন বহিল। এই অধি-ৱেশনত আমাৰ কিছুমানে স্বয়ংসেৱক হ'ল। কিছুমানে স্বয়ংসেৱকৰ লগত প্ৰতিনিধি হিচাপেও যোগ দিলে। স্বৰ্গগত বন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱা মেডিকেলৰ ছাত্ৰ হিচাপে মেডিকেল বাহিনীত সোমাল। তেওঁ প্ৰেচিডেণ্ট লালা লাজপত ৰায়ৰ শিবিৰৰ ডিউটীত থাকিবলগীয়া হ'ল। স্কুলীয়া ছাত্ৰ জীৱনতেই লাজপত ৰায়ৰ "মোৰ দ্বীপান্তৰৰ কাহিনী" নামৰ এখন কিতাপ পঢ়িবলৈ পাইছিলোঁ। কিতাপখন অনাইছিল ককাদেউতাই। এইখন কিতাপ আৰু ভাৰতৰ ৰাজনৈতিক কথাবিলাকে মোৰ মনক তেওঁলৈ আকৃষ্ট কৰিছিল। সেইবাবে ভুবনেশ্বৰ বৰুৱাৰ সৈতে এই মানুহ গৰাকীৰ সান্নিধ্য পোৱাৰ মোৰো সুবিধা হৈছিল।

এইদৰে ১৯২১ চনত আমি অহিংস আন্দোলনত লাগিবলগীয়া হ'ল। অহিংস অসহযোগ আন্দোলনৰ কাৰ্য্য-তালিকা মতে আমি কাম কৰি আছোঁ। এই কাৰ্য-তালিকা সাধনৰ মূল উপায় যে অহিংসা, এই কথাষাৰ বুজিলেও আমি এই বিষয়ে কিদৰে জোৰ দিছিলো ক'ব নোৱাৰোঁ। এদিন তেজপুৰৰ জামুগুৰিত বহা এখন ডাঙৰ সভাৰ পিছত দুজনমান লোকে আমাক (মোক আৰু লক্ষ্মীধৰ শৰ্মাক)

কামত লগাওক। তেওঁলোকৰ এই কথাষাৰে আমাৰ মনলৈ প্ৰশ্ন আনিলে। এই আন্দোলনৰ কথা বুজাওঁতে অহিংস উপায়ৰ কথাষাৰত আমাৰ কিমান জোৰ দিব লগাৰ প্ৰয়োজনীয়তা। আৰু এঠাইত আৰু এজন লোকে আমাক ক'লে, "আপোনালোকে অহিংসাত থাওক, আমি হ'লে ৰাতি ৰাইডাং পাৰ্টি কৰিম।" অৰ্থাৎ "পিকেটিং কৰোঁতে যিবিলাক কানীয়া - ভঙুৰাইকথা নামানি এইবিলাক বস্তু কিনে, তেওঁলোকৰ ওপৰত বল প্ৰয়োগৰ কথা উম্নুকিয়ায়। এইবিলাক কথাই আমাৰ মনলৈ প্ৰশ্ন আনে—"আমাৰ অহিংসা সুবিধাৰ অহিংসা নেকি?"

আনফালে বাতৰি কাকতত গান্ধী আৰু ৰবীন্দ্ৰনাথৰ মাজত হোৱা আলোচনাৰো আভাস পাওঁ। বাতৰি কাকতবিলাকে ৰবীন্দ্ৰনাথৰ চিঠিবিলাকত জোৰ নিদিলেও গান্ধীয়ে "ইয়ং ইণ্ডিয়াত" তেওঁৰ চিঠিবিলাক প্ৰকাশ কৰি আছিল আৰু এইবিলাকৰ প্ৰত্যুত্তৰ লগতে দি আছিল। কবি ৰবীন্দ্ৰনাথে অসহযোগ কথাষাৰতেই আপত্তি কৰিছিল। তেওঁ বিচাৰে বিশ্বৰ মানৱ একে হোৱাটো, বিশ্ব মানৱৰ একেখন সমাজ, সেইবাবে বৃটিছৰ লগত অসহযোগ কৰি বেলেগ হোৱাটো তেওঁৰ উদাৰ মনে গ্ৰহণ কৰাত আপত্তি কৰিছে। ইয়াৰ কিছুদিন আগতে ৰৌলাট আইনৰ প্ৰতিবাদ স্বৰূপে কবি ৰবীন্দ্ৰনাথ আৰু সুব্ৰহ্মণ্যমই "নাইট" উপাধি প্ৰত্যাখ্যান কৰি বিশ্ব জগতত এটা খলকনি আনিছিল। আৰু কবিৰ এই কথাষাৰে ভাৰতীয় ডেকাৰ মনত বৃটিছ শাসনৰ প্ৰবল বিৰোধী ভাবৰ সৃষ্টি কৰিছিল। কবি আৰু গান্ধীৰ লগত চলি থকা মতানৈক্যৰ জানিবা অন্ত পৰিল—এখন ব্যঙ্গ চিত্ৰত। ব্যঙ্গ চিত্ৰখন প্ৰকাশ কৰিছিল বঙ্গদেশৰ খ্যাতনামা সাংবাদিক ৰামানন্দ চ্যাটাৰ্জীয়ে 'প্ৰবাসী' কাকতত। বিষয়টো আছিল 'কবিৰ গগন বিহাৰ'—এডাল কদমত ডেউকা লগাই কবিক আকাশত উৰি ফুঁকোৱাই দেখুৱা হৈছিল। শৃঙ্খলিত লাঞ্ছিত ভাৰতে বিশ্ব সমাজত কেনেকৈ আসন পাব পাৰে? মনত এটা পৰস্পৰ বিৰোধী ভাব লৈ আমি অসহযোগ আন্দোলনত লাগিলেও অসহযোগৰ ৰাজনৈতিক অংশই আমাৰ মন সম্পূৰ্ণকৈ অধিকাৰ নকৰাকৈ নাছিল।

১৯২১ চনৰ আগষ্ট মাহত জানিবা মহাত্মা গান্ধী আহি তেজপুৰ পাইছিল। কংগ্ৰেছৰ স্বয়ং সেৱকসকলৰ সভাত তেখেতে বহুতো কথা বুজাইছিল আৰু ইয়াতেই আমাৰ মনলৈ অহা বহুতো প্ৰশ্নৰ উত্তৰ পোৱাৰ সুবিধা হৈছিল।

"এগৰাকী তিৰোতাৰ ওপৰত অত্যাচাৰ হোৱা পৰিস্থিতিত অহিংসাৰে কি কৰিব পাৰি?" লক্ষীধৰ শৰ্মাই এনেদৰে প্ৰশ্ন কৰিছিল। অহিংসাৰ সেৱক নিষ্ক্ৰিয় থাকিব নে সক্ৰিয় হৈ বাধা দিব এই প্ৰশ্ন লৈ গান্ধীয়ে পিছতো বহুতো ঠাইত উত্তৰ দিবলগীয়া হৈছিল। গান্ধীৰ বিচাৰে ১৯২১ চনত আমাৰ মনত এইবিলাক

১৩—১৪

প্ৰশ্ন তুলিছিল আৰু হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ শৰ্মা আদিৰ সূক্ষ্ম বিচাৰশীল মনে পৰস্পৰ নিমিলা কথাবিলাক কঁহিয়াই উলিয়াবলৈ যত্ন কৰিও প্ৰশ্নৰ সমাধান নেপাই শেহৰ আন্দোলনৰ ৰাজনৈতিক অংশত জোৰ দি এই আন্দোলনতেই আমাৰ জীৱন নিয়াবলগীয়া হ'ল।

আমি জীৱনৰ ভাটি বেলিকা গান্ধী দৰ্শন বা গান্ধী বিচাৰৰ আলোচনা কৰিবলৈ ওলাওঁতে অৱতাৰী শ্ৰীৰামৰ আলোচনা কৰিবলৈ আগ বঢ়া কবি কালিদাসৰ মনলৈ অহা অনুভূতিবিলাক মোৰ মনলৈ আহিছে:

> "ক্ব সূৰ্য্যপ্ৰভবোবংশ ক্ব চাল্পবিষয়ামতিঃ।
> তিতিৰ্ষু দুস্তৰং মোহা দুডুপেনামি সাগৰম্ ॥

ক'ত সদায় আমাৰ চকুৰ আগত জিলিকি থকা হিমালয় সদৃশ গান্ধীৰ ব্যক্তিত্ব আৰু বিচাৰধাৰা, আৰু ক'ত মই ?

১৯২১ চন। মনত নানান প্ৰশ্ন লৈ স্কুল-কলেজৰ ছাত্ৰসকলে স্কুল-কলেজ এৰি অসহযোগ আন্দোলনত লাগিল। সম্পূৰ্ণ গান্ধীবাদী হৈ যে এই আন্দোলনত লাগিছিল এনে নহয়। স্কুল-কলেজ এৰিলেনো কেনেকৈ স্বৰাজ হ'ব এই কথাত বিশ্বাসী নহৈও ছাত্ৰসকলে শিক্ষানুষ্ঠান এৰি দিলে। ১৯২১ চনৰ কেইবছৰমান আগৰেপৰা সমগ্ৰ দেশত প্ৰতিৰোধৰ ভাব এটা মূৰ্তিমান হৈ উঠিছিল। মুখত মাত নোহোৱা লোকৰ মুখতো যেন মাত ওলাইছিল।

এনে অৱস্থাত মহাত্মাই কৈছিল, "স্কুল-কলেজ, আদালত আৰু কাউন্সিল এই তিনিটা হৈছে মায়া। আমি যদি এই তিনিটা মায়াৰপৰা নিজকে মুকলি কৰিব পাৰোঁ, শিক্ষা আমাৰ হাতলৈ আনিব পাৰোঁ, নিজৰ ভিতৰত হোৱা মেল-মোকৰ্দমা নিজে নিষ্পত্তি কৰিব পাৰোঁ, তেন্তে নিজক শাসন কৰিবলৈ সাজু হ'ব পাৰিম। আৰু তেতিয়া চৰকাৰী চাকৰিয়াল, তেওঁ সামৰিক বিভাগৰেই হওক নাইবা চিভিল বিভাগৰেই হওক সকলোৱে কাম এৰি আহিবলৈ আৰু কৰ দিয়া ৰাইজকো কৰ দিয়া বন্ধ কৰা বুলি ক'ব পৰা হ'ম।"

ইয়াৰ লগতে ছাত্ৰসকলৰ মনলৈ আহিল ইংৰাজ অধ্যাপক ছাৰ জন ছিলীৰ কথা। যোৱা শতাব্দীৰ শেহৰ ফালে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত ১৮৮৫ চনত ভাৰত শাসন কৰিবলৈ অহা ইংৰাজ ডেকাসকলক তেখেতে কৈছিল, "আমি যুদ্ধত জয় কৰি ভাৰত লোৱা নাই। ভাৰতে স্বইচ্ছাৰেই পৰাধীনতাৰ শিকলি ডিঙি পাতি সুমুৱাই লৈছে। যিদিনাখন ভাৰতে আমাক গুচি আহিবলৈ ক'ব সিদিনাই আমি গুচি আহিব লাগিব। ভাৰতৰ মানুহৰ মাজত অমিল আৰু ভেদাভেদৰ ওপৰতেই আমি শাসন চলাব পাৰিছোঁ। আমাৰ

ন্যায় বিচাৰৰ ওপৰত তেওঁলোকৰ আস্থা আৰু বিশ্বাস আছে বুলিয়েই আমি শাসন চলাই থাকিব পাৰিছোঁ।"

ছাত্ৰসকলে এইখন কিতাপৰপৰা বুৰঞ্জীৰ শিক্ষা ল'বলৈ যত্ন কৰিছিল। এনেতে মহাত্মাৰ কথাবিলাকে এটা নতুন উন্মাদনা আনিলে।

মহাত্মাই ক'লে, "অস্ত্ৰ পৰিচালনা শিক্ষাৰ কথা আপাততঃ প্ৰশ্নৰ বাহিৰত। মই আৰু এখোজ আগ বাঢ়ি কওঁ মোৰ বিশ্বাস যে পৃথিৱীৰ সন্মুখত এটা মহান আদৰ্শ দাঙি ধৰাই ভাৰতৰ মিশ্যন। ভাৰতৰ ঐতিহ্যই ভাৰতৰ ওপৰত এনে এটা দায়িত্ব ন্যস্ত কৰিছে। কেৱল আত্মত্যাগ কৰি আত্মশুদ্ধিৰে নিজৰ অভীষ্ট লক্ষ্য লাভ কৰাৰ শক্তি ভাৰতৰ আছে। আৰু এইটো মাত্ৰ অসহযোগেৰেহে কৰিব পাৰি। যিসকলে অসহযোগ কৰি আছে তেওঁলোকে কেৱল সহযোগ নকৰাকৈ থাকক।" মহাত্মাজীৰ নিৰ্দেশ পালন কৰিবলৈ লাগে নিয়মানুৱৰ্তিতা, আত্মত্যাগ, আত্মবিশ্বাস, সাহস আৰু সংগঠনৰ শক্তি।

যিবোৰ প্ৰভাৱৰ মাজেদি ভাৰতৰ ছাত্ৰ আৰু ডেকাসকল সেই যুগত আগ জীৱনৰ বাটত আগ বাঢ়িছিল, সেই প্ৰভাৱবিলাকৰ পৰা মুকলি হোৱাটোও গোটেই সহজ কথা নাছিল। য়ুৰোপত এটা নতুন চিন্তাধাৰা আহিছিল। য়ুৰোপৰ চিন্তাধাৰাৰ পোহৰ আমাৰ দেশলৈও আহি আছিল। হিংসানীতিক আশ্ৰয় কৰি প্ৰতিষ্ঠিত ৰাজশক্তিৰ বিৰুদ্ধে গুপ্ত সংগঠন, গুপ্তহত্যা আদিৰ ঘটনাবিলাকে ডেকাসকলৰ মনলৈ এটা প্ৰেৰণা আনিছিল। বিশেষকৈ ৰুচিয়াৰপৰা গোপনে প্ৰচাৰিত কিতাপবিলাকত উল্লেখ থকা ঘটনাবিলাকে এটা নতুন ভাব আনি দিছিল। হাঁহিমুখে ফাঁচী-কাঠৰ জৰীডাল সাবটি লৈ মৃত্যুক বৰণ কৰা—ই আছিল এটা ৰোমাঞ্চকৰ সাহ আৰু ত্যাগৰ নিদৰ্শন।

ডেকাসকলৰ মনত এনেবিলাক ভাবৰ উগুল-থুগুল। প্ৰশ্ন, চিপাহিসকলৰ নিষ্ফল বিদ্ৰোহ, মণিৰাম দেৱানৰ ব্যৰ্থতা, এইবিলাকৰ পিছতো এই বাটেদি কেনেকৈ আগ বাঢ়িব পাৰি, এয়ে আছিল ডেকা সংগঠনবিলাকত প্ৰবল আলোচনা। কিছুমানৰ মনৰ ভাব—বিশ্বযুদ্ধই এটা সুযোগ আনিছে। স্বাধীনতাকামী আয়াৰলেণ্ডে দুটা ক্ষেত্ৰত যুদ্ধ চলাই আছে—পাৰ্লামেণ্টত সোমাই পাৰ্ণেল, ৰেডমণ্ড আদিয়ে কেনেকৈ বিৰোধ কৰি আছে, বাহিৰত ছিনফিন দলে গুপ্ত সংগ্ৰাম চলাই আছে। এনেতে ছাৰ ৰোজাৰ কেছমণ্টৰ ঘটনা, গোপনে অস্ত্ৰ-শস্ত্ৰ সংগ্ৰহ কৰা বুলি গ্ৰেপ্তাৰ হ'ল আৰু বিচাৰত তেওঁৰ ফাঁচী হ'ল। আদালতত ছাৰ ৰোজাৰ কেছমেণ্টে যিটো বিবৃতি দিছিল সেই বিবৃতিয়ে ডেকা মনকি চঞ্চল কৰি নোতোলাকৈ থকা নাছিল।

এনেতে উৰিষ্যাৰ উপকূলতো তেনেবিধৰ প্ৰয়াস– অস্ত্ৰ-শস্ত্ৰৰ জাহাজ এখন ধৰা পৰিল। ডেকাসকলৰ লগত সৰু-সুৰা এখন যুদ্ধ হ'ল। এনেবিলাক ঘটনাৰ প্ৰভাৱত পৰি থকা ডেকাসকলে কেনেকৈ সহজে অহিংসাৰ নীতি গ্ৰহণ কৰিব পাৰে?

কিন্তু ডেকাসকলৰ এটা ভাবৰ সমল আছিল -- সেইটো হৈছে আত্মত্যাগৰ প্ৰেৰণা। মুক্তিৰ বাবে আত্ম-বলিদানৰ প্ৰেৰণা। এই প্ৰেৰণাৰ সমল লৈ ডেকাসকল ওলাল মহাত্মাগান্ধীক অনুসৰণ কৰিবলৈ। মহাত্মাই ক'লে,—অসহযোগৰ প্ৰস্তাৱমতে কাম কৰিলে ভাৰতে এবছৰৰ ভিতৰত স্বৰাজ পোৱা অৱশ্যম্ভাবী। কিছুমানে হাঁহিলে— এবছৰৰ ভিতৰত স্বৰাজ! মহাত্মাই ক'লে, "মোৰ প্ৰস্তাৱ গণিতৰ সূত্ৰৰ দৰে, ২ আৰু ২ যোগ কৰিলে যিদৰে ৪ হয় ঠিক সেইদৰে। মই সাহসেৰে আৰু দৃঢ়তাৰে কওঁ, মোৰ চৰ্তবোৰ পূৰণ কৰিলে স্বৰাজ নোহোৱাকৈ নেথাকে; কিন্তু মোৰ চৰ্তবিলাক পূৰণ নকৰাকৈ থাকিলে অসম্ভৱ। বৃটিছ অবিহনেও আমাৰ অস্তিত্ব ৰক্ষা কৰিব পৰাটোকে মই স্বৰাজ বুলিছোঁ। অংশীদাৰৰ দৰে বৃটিছৰ লগত সমান অংশীদাৰ হৈ ভাৰত সাম্ৰাজ্যৰ ভিতৰত থাকিব নে নাই সেইটো ভাৰতবাসীৰ ইচ্ছাৰ কথা। কিন্তু অংশীদাৰ কৰি সাম্ৰাজ্যৰ ভিতৰত ভাৰতক বলেৰে ৰখাটো হ'ব নেলাগে। আজি আমি সকলো কথাতে বৃটিছৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। কি আভ্যন্তৰীণ শান্তি, কি বহিঃ শত্ৰুৰপৰা নিৰাপত্তা, সকলো বিষয়তে আমি বৃটিছৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। বৃটিছে আমাৰ অসহায় অৱস্থা জানে আৰু সেইবাবেই বৃটিছে আমাৰ অসহযোগৰ কথাবাৰত হাঁহিবলৈ সাহ কৰিছে।"

'আজি আমি নিজকে ইংৰাজৰ সমান বুলি মনলৈ এটা অনুভূতি আনিবলৈ যত্ন কৰোঁচোন। সিংহ এটাকো সদায় ছাগলীৰ লগত থলে সি পাহৰি যাব যে সি সিংহ। আমাৰো সেই একে অৱস্থা হৈছে। আমিও নিজক পাহৰি পেলাইছো। ইংৰাজে কিবা এপাট বাণ মাৰি আমাক নিজক নজনা কৰি থৈছে। আমি যেন অসহায়, আমাৰ গাত যেন বল নাই; তাকে ভাবি ভাবি আমি মৃতপ্ৰায় হৈ আছোঁ। তেওঁলোকেও আমাৰ কাণত কৈ আছে—তোমালোক উপযুক্ত হোৱা, স্বৰাজ পাবা। কিন্তু মই কওঁ, 'স্বৰাজৰ বাবে আমাক শিক্ষা লাগে গোটেই পৃথিৱীৰ বিৰুদ্ধে নিজক ৰক্ষা কৰিব পৰাটো আৰু আমাৰ দোষ দুৰ্বলতা থাকিলেও সম্পূৰ্ণ স্বাধীনভাৱে থাকিব পৰাটো।"

মহাত্মাৰ এনেবিলাক কথাই সমগ্ৰ জনতাৰ মাজত এটা নতুন প্ৰাণ সঞ্চাৰ কৰিলে। গাঁৱে-ভূঞে ছাত্ৰকৰ্মীসকলে মহাত্মাৰ এইবিলাক কথাকেই প্ৰচাৰ কৰাত লাগিল।

১৯১৯ চনৰ এপ্ৰিল মাহ। ছাৰ বীটছন বেল তেতিয়া অসমৰ চীফ কমিশ্যনাৰ। ৺ফণীধৰ চলিহাৰ লগত তৰ্কাতৰ্কি। চলিহাই কানিৰ ৰাজহক 'দূষিত ধন' ('tainted money') বুলি আখ্যা দিলে আৰু ইয়াতেই কমিশ্যনাৰে ইতিকিং কৰি ক'লে,— "আপুনি এই দূষিত ৰাজহৰপৰা টকা লোৱা নাইনে? ইয়াৰ প্ৰত্যুত্তৰত চলিহাই পদত্যাগ কৰি ওলাই আহিল। গোটেই ভাৰতৰ বায়ুমণ্ডলত অসহযোগৰ যি বতাহ বলি আছিল, ইও তাৰেই এছাটি বা।

১৯২০ চনৰ অক্টোবৰ মাহ। গোটেই অসমত উখল-মাখল। নতুন শাসন-সংস্কাৰ মতে নিৰ্বাচনৰ আয়োজন চলি আছে। এই শাসন-সংস্কাৰৰপৰা অসমক এৰি থোৱাৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰি অসম এচোছিয়েশ্যনৰ চেষ্টাত বিলাতলৈ ডেপুটেশ্যন পঠাই আমাকো শাসন-সংস্কাৰৰ অন্তৰ্ভুক্ত কৰা হ'ল। তেতিয়া অসহযোগৰ নতুন বতাহত গুৱাহাটী সমষ্টিৰ পৰা শ্ৰীকালিৰাম বৰ্মণে নমিনেশ্যন-পত্ৰ দাখিল কৰিও তুলি ল'লে; কিন্তু নিৰ্বাচক মণ্ডলীয়ে তেওঁকে ভোট দিলে। মঙ্গলদৈত কুমুদ ৰাম বৰাই নিৰ্বাচিত হৈও পদত্যাগ কৰিলে।

সেই চনৰ ৪ অক্টোবৰ তাৰিখ—গুৱাহাটী নগৰবাসীসকলৰ এটা স্মৰণীয় দিন। অসমলৈ ভাৰতৰ ৰাজ প্ৰতিনিধি লৰ্ড চেমছ্‌ফোৰ্ড আহিব ধৰিছে, লৰ্ড নৰ্থব্ৰুক আৰু লৰ্ড কাৰ্জনৰ পিছত অসমলৈ ৰাজপ্ৰতিনিধি অহা নাই। গুৱাহাটী মিউনি-চিপেলিটিয়ে ৰাজপ্ৰতিনিধি লৰ্ড চেমছ্‌ফোৰ্ডক অভিনন্দন দিবনে নিদিয়ে। গুৱাহাটীয়ে কি কৰে তালৈ ডেকা অসমে উদ্বিগ্নতাৰে চাই আছে। কিন্তু সেইদিনা গুৱাহাটী নগৰবাসীৰ মানসিক অৱস্থা দেখি মিউনিচিপ্যালটি কৰ্তৃপক্ষই অভিনন্দন দিয়াৰ ভাব এৰি পেলালে। এনেবিলাক ঘটনাৰ মাজেদি ১৯২১ চনক অসমৰ ডেকাসকলে আদৰি আনিলে। স্কুলৰ পাঠ্যপুথিত 'Benefits of British Rule' ('বৃটিছ শাসনৰ সুফল') পঢ়া ছাত্ৰসকলে দাদাভাই নৌৰজী, ৰমেশ দত্ত, ডিগবীৰ কথাবিলাক গাঁৱে গাঁৱে প্ৰচাৰ কৰাত লাগিল। ভাৰতৰ দাৰিদ্ৰ্যৰ কাৰণ বৃটিছৰ শাসন—ইয়াকে বুজোৱাত মন দিলে। গাঁৱৰ মানুহ সাৰ পাই উঠিল।

কিন্তু তেওঁলোকে গান্ধীৰ বিপ্লৱৰ পূৰ্ণ তাৎপৰ্য তেতিয়ালৈকে বুজা নাছিল। গান্ধীৰ এই অহিংসা বিপ্লৱৰ পূৰ্ণ তাৎপৰ্য কি—এয়ে প্ৰশ্ন। এনেতে মহাত্মাই ছাত্ৰসকলক ক'লে, "তোমালোকে বোধকৰো জানা আৰু মোৰ হিন্দ স্বৰাজত পঢ়িছা —মই আধুনিক সভ্যতাৰ সম্পূৰ্ণ বিৰোধী। এইদৰে বিৰোধ কৰাত মই দৃঢ়প্ৰতিজ্ঞ। আজি য়ুৰোপৰ অন্তৰাত্মাই আধুনিক সভ্যতাৰ গচকত আৰ্তনাদ কৰি আছে বুলি যদি তোমালোকে বিবেচনা কৰা, তেন্তে এই সভ্যতাৰ অনুকৰণ নকৰিবা আৰু আমাৰ দেশলৈ এই সভ্যতাক আহিবলৈ নিদিবা।"

মহাত্মাই লিখা 'হিন্দ স্বৰাজ' আমি তেতিয়ালৈ পঢ়া নাই। ইয়াৰ পিছত অসমীয়া সাহিত্যিক ৰত্নকান্ত বৰকাকতিয়ে ইয়াৰ অনুবাদ কৰিলে।

এই সভ্যতা কেনেকৈ এৰি পেলাব পাৰি? আমি যে এই সভ্যতাৰ মাজতেই জন্ম লৈছোঁ। ইয়াৰ পোহৰতেই শিক্ষা লৈছোঁ। পুৰণি সেই যুগলৈ কেনেকৈ যাব পাৰি? এই সভ্যতাৰ মাজেৰেই বিজ্ঞানে কিমান উন্নতি কৰিছে। এৰোপ্লেনখন যেতিয়া আকাশত উৰা দেখো, ৰ' লাগি আকাশলৈ চাওঁ, মানুহৰ উদ্ভাৱনী শক্তি, মানুহৰ সৃজনী শক্তি দেখি তন্ময় হওঁ। অন্তৰত এনেবোৰ প্ৰশ্ন লৈও আমি মহাত্মাক অনুসৰণ কৰিলোঁ,—কাৰণ আমাক লাগে স্বাধীনতা, আমাক লাগে ভাৰত মাতৃৰ দাসত্ব মোচন।

মহাত্মাই তেতিয়া ক'লে, "তাহানিৰ ঋষি-মুনিৰ আদৰ্শৰে ভাৰতে থাকিব পাৰে বুলি মই ভাবো। এই মহান জাতিৰ পৃথিৱীলৈ দিবলগীয়া এটা মহান বাণী আছে। এই বাণী পাশৱিক শক্তিৰ বাণী নহয়। এইটো হৈছে প্ৰেমৰ বাণী। সেয়ে হ'লে ৰক্তপাত নকৰাকৈও কেৱল একমাত্ৰ আধ্যাত্মিক বলৰ প্ৰভাৱতেই আমি বিজেতাক জয় কৰিব পাৰিম।"

মহাত্মাই ক'লে, "মেচিনে আমালৈ বহুতো সুবিধা আনি দিছে সঁচা। মেচিন মানুহৰ সেৱাৰ বাবে থাকক; কিন্তু এতিয়া মেচিন মানুহৰ প্ৰভুৰ দৰে হৈছে, মানুহ মেচিনৰ গোলাম হ'বলগীয়া হৈছে—এনে অৱস্থাৰ মই সম্পূৰ্ণ বিৰোধী।"

মহাত্মাৰ সকলো কথা বুজি পোৱাত টান পালেও আমি একাণপতীয়াকৈ অসহযোগত লাগিলো। এফালে আত্মশুদ্ধিৰ বাবে যত্ন কৰাত ব্ৰতী হ'লো আৰু আনফালে অসমীয়া সমাজৰপৰা ৰাগীয়াল বস্তু বৰ্জন কৰাই আমাৰ মুখ্য কাম হ'ল। তাহানিৰে পৰাই অসমীয়া সাহিত্যৰ ওজা হেমচন্দ্ৰ বৰুৱাই কানীয়া কীৰ্তন লিখি কানি গুচাবলৈ যত্ন কৰিছিল। কানিৰ প্ৰচলন বন্ধ কৰিবলৈ অসমীয়াই কিমান আন্দোলন কৰি আহিছে, আৰু কানিৰ ৰাজহ 'তুষিত ধন' বোলাত চলিহাই কাউন্সিলত অপমান পাবলগীয়া হ'ল! অসম ছাত্ৰ সন্মিলনে চিত্ৰ প্ৰদৰ্শনীৰে কানিৰ অপকাৰিতা বুজাবলৈ যত্ন কৰি আছে। সেইবাবে কানি-বৰ্জন আন্দোলনত ছাত্ৰ-কৰ্মীসকল দৃঢ় সংকল্পৰে লাগি গ'ল। কানীয়াই গৰ্জি উঠিল—"আমি আমাৰ ধনেৰে কানি খাই আছো, তহঁতৰ ধনেৰেতো কানি খোৱা নাই।" এনেবিধৰ মানুহক কেনেকৈ সংস্কাৰ কৰিব পাৰি? কেনেকৈ অহিংস উপায়েৰে তেওঁলোকৰ অন্তৰ পৰিৱৰ্তন কৰিব পাৰি? মহাত্মাৰ নিৰ্দেশ—"পিকেটিং কৰোঁতে কায়মনোবাক্যে অহিংসা পালন কৰিব লাগে।" গাঁওৰ ৰাইজৰ কথা—"আপোনালোকে অহিংসা

পালন কৰক, আমিতো ভলন্টিয়াৰ হোৱা নাই; আমি কোৰাই-কিলাই হ'লেও গঞা কানীয়াক কানি এৰুৱাম। আন কৰিব নোৱাৰিলেও সমাজৰপৰা তেওঁলোকক এৰি থব পাৰিম। সমাজৰ শাসনত মহাত্মাৰ একো বাধা-নিষেধ নাথাকিলেও এনে শাসনত প্ৰেমৰ ভাব থাকিব লাগে। যিহওক আমাৰ পিকেটিং চলিব ধৰিলে। এনেতে এপ্ৰিল মাহত জাগীবোডত এটা ঘটনা ঘটিল। তিনিজন সেৱকক কানীয়াৰ হাতৰ পৰা কানি কাঢ়ি নিয়াৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হ'ল। যোৰহাটত অসম এচোছিয়েশ্যনৰ বিশেষ অধিবেশন বহি আছে। এই গ্ৰেপ্তাৰত কি কৰিব পাৰি তাৰো আলোচনা হ'ল। আদালত বৰ্জন কৰি কেনেকৈ আদালতত উকিল ধৰি আত্মপক্ষ সমৰ্থনৰ ব্যৱস্থা কৰিব পাৰি? কিছুমানে যুক্তি দিলে—গান্ধীয়ে বোম্বেৰ মালগাঁওৰ এটা ঘটনাত আত্মপক্ষ সমৰ্থন কৰিবলৈ পৰামৰ্শ দিছে। এনেবিলাক যুক্তিত আদালতত আত্মপক্ষ সমৰ্থনৰ দিহা কৰোৱা হ'ল। গান্ধীজীয়ে ইয়ং ইণ্ডিয়াত লিখিলে—"মালেগাঁওৰ অসহযোগীসকলে অসহযোগৰ ধৰ্মৰ বিৰুদ্ধে গৈছে। তেওঁলোকে দেশ আৰু এই আন্দোলনৰ সত্য ৰক্ষা কৰিব পৰা নাই। প্ৰগতিৰ বাটত তেওঁলোকে বিঘিনিৰ সৃষ্টি কৰি প্ৰগতিৰ অৱনতি ঘটাইছে। অহিংসাই হৈছে অসহযোগ আন্দোলনৰ আধাৰ শিলা, ইয়াকে আশ্ৰয় কৰি অসহযোগ আন্দোলনৰ ভেটি বন্ধা হৈছে। ইয়াৰ আবৰ্তনত আমাৰ আত্মত্যাগৰ সকলো কাম ব্যৰ্থ হ'ব। যিসকলে মালেগাঁৱৰ দৰে হিংস আচৰণ কৰে তেওঁলোক আচলতে সহযোগীহে। আমাৰ আন্দোলন ব্যৰ্থ কৰিবলৈ গৱৰ্ণমেণ্টে কিছুমান চাকৰিয়ালক অসহযোগীসকলৰ মাজত এৰি দিয়াটো টান কথা নহয়।"

এই তিনিজন ডেকাৰ ঘটনাৰ (শ্ৰীনন্দৰাম ডেকা, বংশী ভৰালী আৰু ধনীৰাম লালুঙ) পৰা পিকেটিঙত কিমান সাৱধান হ'ব লাগিব ইয়াৰে শিক্ষা পোৱা হ'ল।

মহাত্মাই ক'লে, "উপায় আৰু লক্ষ্য, উপায় আৰু উদ্দেশ্য—মুদ্ৰা এটাৰে ইপিঠি আৰু সিপিঠি। ভাল উপায় ল'লেহে ভাল লক্ষ্যত উপনীত হ'ব পাৰে আৰু ভাল লক্ষ্য পাব পৰা হ'ব।"

এদিন এজন মদৰ মহলদাৰে আহি ক'লে, "স্বৰাজৰ ফান্দত এহেজাৰ টকা দিওঁ, মোৰ দোকানত পিকেটিং বন্ধ কৰক। "ইয়াৰ প্ৰত্যুত্তৰ দিওঁতে মুহূৰ্ত সময়ো নালাগিল। ততালিকে এনে প্ৰস্তাৱ প্ৰত্যাখ্যান কৰা হ'ল। তেওঁ যুক্তি দিলে—"আপোনালোকে স্বৰাজৰ বাবে কিমান দুখ কৰিব লগা হৈছে, আপোনালোকৰ কেম্প মুষ্টি ভিক্ষাৰেহে চলিছে। মোৰপৰা এহেজাৰ টকা লওঁক।" আমাৰ উত্তৰ হ'ল—"আপোনাৰ পৰা ৰংমনেৰে টকা লম, কিন্তু পিকেটিঙৰ বিনিময়ত আপোনাৰ এই দান লব নোৱাৰোঁ।" আমাৰ পিকেটিং চলি থাকিল।

মদ নিবাৰণ বা 'প্ৰহিবিশ্যন' সম্পৰ্কে আজি যিবোৰ যুক্তি প্ৰদৰ্শন কৰা হৈছে সেই সময়ত তেনেবোৰ যুক্তি আমাৰ মনলৈ অহা নাছিল। পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ বাবে আমাক ধন লাগে। পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ লক্ষ্য দাৰিদ্ৰ্যৰ বিৰুদ্ধে অভিযান। আবকাৰী বিভাগৰ পৰা আয় হোৱা ৰাজহো পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কাম-কাজত নিয়োজিত হৈছে। লক্ষ্য ভাল যেতিয়া ৰাজহ আহৰণৰ এই উপায়ো ল'বলগীয়া হৈছে আৰু সামগ্ৰিক প্ৰহিবিশ্যনৰ বিৰুদ্ধে নানা যুক্তিৰো অৱতাৰণা কৰা হৈছে। সি হয়তো সকলোৰে মনঃপূত হ'ব নোৱাৰিবও পাৰে।

মহাত্মা গান্ধী তেজপুৰলৈ আহিল। দুদিন তেওঁ তেজপুৰত থাকিবলগীয়া হৈছিল। কাৰ্যতালিকামতে কৰ্মীসকলৰ সভালৈকো মহাত্মগান্ধী আহিল। সেৱকৰ কৰ্তব্য আৰু দায়িত্ব সম্পৰ্কে মহাত্মাই বুজালে। সেৱক কেনে হোৱা উচিত, সেৱক কি কি গুণৰ অধিকাৰী হোৱা উচিত তাকেই বুজালে। সেৱক সত্যবাদী, মিষ্টভাষী, বাহ্যিক আড়ম্বৰশূন্য আৰু সৰল হোৱা উচিত। "মূৰৰ চুলি তোমালোকে চুটিকৈ কাটিবা, দীঘলকৈ চুলি ৰাখিলে চুলি আচোঁৰোতে আৰু চুলি ঠিক কৰি ৰাখোতেই বহুতো সময় লাগে।" মহাত্মাই নিজৰ বক্তব্য প্ৰচাৰ কৰাৰ পিছত আমাৰ মাজৰপৰা এজন কৰ্মীয়ে প্ৰশ্ন কৰিলে—অহিংসাৰ কথা আমি মোটামুটিকৈ বুজিলেও আমি সকলো কথা বুজা নাই। এগৰাকী তিৰোতাৰ ওপৰত অত্যাচাৰ হোৱা আমি যদি চকুৰ আগত দেখি থাকো, তেনে পৰিস্থিতিত অহিংসাৰে তিৰোতাগৰাকীক কেনেকৈ ৰক্ষা কৰিব পাৰো?" মহাত্মাৰ উত্তৰ হ'ল—"তোমাৰ ওপৰত যিগৰাকী তিৰোতাক ৰক্ষা কৰাৰ দায়িত্ব পৰিছে, তেওঁক ৰক্ষা কৰিবলৈকো হিংসাৰ প্ৰয়োগৰ কোনো প্ৰয়োজন নাই। হিংসা প্ৰয়োগৰ দ্বাৰা তিৰোতাগৰাকীক ৰক্ষা কৰাতকৈ নিজকে তুমি আক্ৰমণ-কাৰী গুণ্ডাজনৰ ওচৰত সঁপি দিয়া। ইয়াৰ বাবে তোমাৰ যথেষ্ট মানসিক আৰু শাৰীৰিক সাহৰ প্ৰয়োজন হ'ব। তোমাৰ গাত বল থাকিব পাৰে, সেইবুলি মনটো যে সাহসী সেইটো নহয়। সেইবাবে মনৰ সাহস প্ৰয়োগ কৰা।' এই সাহস দেখুৱাত কি হয় চোৱা। গুণ্ডাজনৰ খং তোমাৰ ওপৰত উঠিব আৰু তোমাত প্ৰয়োগ কৰিব। তুমি যদি খঙেৰে প্ৰত্যুত্তৰ নিদি তেওঁৰ কিল-ভুকু সকলো গাত পাতি লোৱা, তেতিয়া কি হয় চোৱা। মই আশ্বাস দি কওঁ তেওঁৰ সকলো খং তাতে মাৰ যাব আৰু তিৰোতাগৰাকীকো তুমি ৰক্ষা কৰিব পাৰিবা।" ইয়াৰ পিছতো বহুতো ঠাইত মহাত্মা গান্ধীয়ে এই প্ৰশ্নৰ উত্তৰ দিব লগা হৈছিল।

মহাত্মাজীৰ কথাবোৰ আমি শুনিলোঁ; কিন্তু সম্পূৰ্ণকৈ তাৰ তাৎপৰ্য যে উপলব্ধি কৰিব পাৰিছিলোঁ, সেইটো ক'ব নোৱাৰোঁ। ১৯২১ চনৰ ২১ আগষ্ট তাৰিখে মহাত্মাজীয়ে আমাক এইবোৰ বুজাইছিল।

১৯২২ চনৰ ৭ আগষ্ট তাৰিখে 'চিভিল ডিচঅবিডিয়েঞ্চ এনকুৱাৰী কমিটি' অসমলৈ আহিল। অহিংসাৰ কাৰ্যকাৰিতা, অহিংসাৰ প্ৰয়োগ, অহিংসাৰ প্ৰয়োজনীয়তা, আদি নানা প্ৰশ্ন উঠিল। এই কমিটিত আহিছিল ভাৰতৰ খ্যাতনামা ৰাজনৈতিক নেতা, বিজ্ঞ আৰু প্ৰবীণ ব্যাৰিষ্টাৰ মতিলাল নেহৰু, বিঠলভাই পেটেল আদি লোকসকল। গৰ্ৱালত সুমুৱাই উকিলে যিদৰে সাক্ষীক থুকুচি জেৰা কৰি নিজৰ প্ৰয়োজনীয় কথাবোৰ সাক্ষীৰ মুখৰপৰা উলিয়াবলৈ যত্ন কৰে, ঠিক সেইদৰে আমিও তেওঁলোকৰ সন্মুখত থিয় দি থাকি একে পৰিস্থিতিৰে সন্মুখীন হ'বলগীয়া হ'ল। আমাৰ দলটোত আছিল লক্ষ্মীধৰ শৰ্মা, হেমচন্দ্ৰ বৰুৱা, শ্ৰীদেবেশ্বৰ শৰ্মা, শ্ৰীবেদাৰ নাথ গোস্বামী আৰু মই। তেওঁলোকৰ প্ৰচাৰিত প্ৰশ্নাৱলীৰ উত্তৰ দি স্মাৰক-পত্ৰ দাখিল কৰা হৈছিল। অসম উপত্যকাত ৫১ জন উকিলে ওকালতি এৰি অসহযোগ আন্দোলনত যোগ দিছিল। পিউনিটিভ পুলিচ বাহিনীৰ অত্যাচাৰ, বকোত হোৱা অত্যাচাৰ, সকলোৰে চমু বিবৰণিৰে সৈতে এই স্মাৰক-পত্ৰ ৰচনা কৰা হৈছিল। স্মাৰক-পত্ৰ পঢ়িয়েই কমিটিৰ সভাপতি মতিলাল নেহৰুৱে প্ৰশ্ন কৰিলে, "আপোনালোকৰ মাজত কোনে আমাৰ প্ৰশ্নৰ উত্তৰ দিব?" লগৰীয়াসকলে মোলৈ আঙুলিয়ালে। এবছৰ আগত আমি তেজপুৰত মহাত্মাজীক যে প্ৰশ্ন কৰিছিলোঁ। সেই একে প্ৰশ্নৰেই তেওঁ আৰম্ভ কৰিলে—"অহিংসাৰে তিৰোতা এজনীক কেনেকৈ ৰক্ষা কৰিব? নিষ্ক্ৰিয় হৈ অহিংসা ৰক্ষা কৰি চাই থাকিবা নে হিংসাৰে তিৰোতাগৰাকীক ৰক্ষা কৰিবা?" মহাত্মাজীৰ লগত এবছৰ আগতে হোৱা কথাই জানিবা এই প্ৰশ্নৰ উত্তৰৰ বাবে আমাক সমল যোগালে।

এজন এজনকৈ আমাৰ সকলোৰে ওপৰত একে প্ৰশ্ন হ'ল। কিন্তু কোনো এজনৰে পৰা অহিংসাক বাদ দি আন কাৰ্যনীতি লোৱা সম্পৰ্কে এষাৰ কথাও উলিয়াব নোৱাৰিলে।

কলেজ এৰি অহা জীৱনত অনভিজ্ঞ এই ডেকাসকলৰ গান্ধীজীৰ প্ৰেৰণাৰ বাহিৰে আন একো সমল নাছিল। এইবাবেই ৰাজাগোপালাচাৰীয়াই অসমৰ সেৱকসকলৰ শলাগ লৈ প্ৰবন্ধ লিখিলে।

অহিংসা যে নিষ্ক্ৰিয় শক্তি নহয়, খৰিচলাৰ মাজত চকুৰে নমনাকৈ জুই থকাৰ দৰে ইয়াতো সক্ৰিয় শক্তি এটা আছে বুলি তেতিয়ালৈকে সম্যকৰূপে উপলব্ধি কৰিব পৰা হোৱা নাছিল।

১৯২১ চনৰ অক্টোবৰ মাহৰ সাত তাৰিখ—পূজালৈ এসপ্তাহ আছে। এনেতে জামুগুৰিৰ পৰা বাতৰি আহিল—ইটাখুলিৰ কানিৰ দোকানত পিকেটিং কৰা টান

হৈছে। ডফলা গাঁৱত ডফলাহঁত বৰ উত্তেজিত। এসপ্তাহ কানি কিনিব পৰা নাই, এতিয়া সিহঁতে ডফলাহঁতক কাটিব বুলি কৈ ফুৰিছে। সৰু সৰু ল'ৰাই পিকেটিং কৰিছে। এই পৰিস্থিতিত আমাৰ উপস্থিতিৰ প্ৰয়োজন হ'ল। ল'ৰাহঁতে সাহেৰে পিকেটিং কৰি আছে। এনেতে কাটিম কাটিম বুলি এজন ডফলা দা জোঁকাৰি আহিল। আমাৰ ওচৰ পোৱাত লক্ষ্মীধৰ শৰ্মাই মিঠামুখেৰে হাঁহি এটা মাৰি ক'লে— "হেৰা বজায়ো কাটিবৰ আগতে কথা সোধে, আজি আমাক কাটিবৰ আগতে কথা এটিও সুসুধিবা নে?" খংমুৱাকৈ তেওঁ ক'লে,—"কি কয় ক?" উত্তেজনাৰে সৈতে মানুহজনে কথাকেইটা ক'লে। লক্ষ্মীধৰ শৰ্মাইও আগৰ দৰে মিঠা মুখেৰে হাঁহি হাঁহি ক'লে, "হেৰা এটা কাম কৰিবা নে? তোমাৰ সেই কানিখোৱা বাঁহৰ নলিচাডাল ছুফাল কৰিবা নে? বাঁহৰটো আকাল নাই আৰু এডাল নতুনকৈ নলিচা কাটি ল'ব পাৰিবা।" মানুহজনে দুনাই একো নকৈ দাখনেৰে নলিচাডাল দুফাল কৰিলে। নলিচাডালত বন্ধ হৈ লাগি থকা ক'লা মলিবোৰ দেখুৱাই লক্ষ্মীধৰ শৰ্মাই ক'লে, "তোমাৰ পেটৰ নাড়ী আৰু ডিঙিৰ নলিচাডালতো এইদৰে মলি বন্ধ হৈ পৰিব ধৰিছে। কানি হুপি এইদৰে গাটো নষ্ট কৰিছা কিয়?" মানুহজনে অলপ ৰ' লাগি চাই থাকিল। ফলা নলিচাডালত লাগি থকা মলিবোৰ এবাৰ লাৰি-পিটিকি শুঙি চালে। শেষত ক'লে, "যা আজিৰ পৰা কানি নাখাওঁ। উত্তেজিত হৈ দা জোঁকাৰি কাটিব অহা সেই অবুজ ডফলাজনৰ নিমিষতে কিয় পৰিৱৰ্তন হ'ল? ইয়াতেই অহিংসাৰ সক্ৰিয় ৰূপ প্ৰকাশিত হোৱা নাইনে?

অসম ভ্ৰমণ শেষ কৰি মহাত্মাজী বঙ্গদেশত সোমাল। চাঁদপুৰৰ ৰেলৰ বাটেদি তেওঁ আমাৰপৰা বঙ্গদেশলৈ গ'ল। বৰ বেজাৰৰ সুৰেৰে মহাত্মাই ক'লে, "মই য'লৈকে যাওঁ মানুহে মোৰ ভৰিৰ ধূলি ল'বলৈ খেদি আহে আৰু জয়ধ্বনিৰে গগন কঁপাই তোলে, কিন্তু মোৰ কথামতে কাম কৰিবলৈ কোনেও মন নিদিয়ে। এতিয়া মই নিজৰ ওপৰতে বিৰক্ত হৈছো। আৰু মোৰ চাৰিওফালে থকা সকলোৰে ওপৰত বিৰক্ত হৈছো। মোৰ নাম উচ্চাৰণ কৰি জয়ধ্বনি কৰা প্ৰত্যেকটো শব্দই যেন মোৰ বুকুত শেলে বিন্ধাদি বিন্ধে। এনে জয়ধ্বনিৰে স্বৰাজ পোৱা হ'ব বুলি ভাবিলে মৰি যাওঁ যেন লাগে। মোৰ মনলৈ আহে মোৰ জয়ধ্বনি দিয়া লোকসকলে মোৰ সন্মুখত এখন চিতা সাজি জুই জ্বলাওক। মই তাত জাপ দি মোৰ অন্তৰত জ্বলি থকা জুইকুৰাত জাহ যাওঁ।"

জুলাইত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিত মহাত্মাৰ নিৰ্দেশ আছিল—৩০ চেপ্তেম্বৰ তাৰিখৰ আগতে ভাৰতত ২০ লাখ যঁতৰ প্ৰতিষ্ঠা কৰা। আগষ্ট মাহ

পাৰ হৈ গ'ল, চেপ্তেম্বৰ মাহৰো আধা গ'ল। মহাত্মা গৈ দক্ষিণ ভাৰত পালেগৈ। ১৯ চেপ্তেম্বৰ তাৰিখে ত্ৰিচিনপল্লীত মহাত্মাই লোৱা এটা ব্ৰতত গোটেই ভাৰত চক খাই উঠিল।

ত্ৰিচিনপল্লীৰ বক্তৃতাত মহাত্মাই ক'লে, "মই জানো বহুতেই বিদেশী কাপোৰ এৰিবলৈ টান পাব। ভাৰতত কোটি কোটি মানুহ ইমান দুখীয়া যে বিলাতী কাপোৰ এৰি সৰহ দাম দি খাদী কাপোৰ লবলৈ টান পাব। তেওঁলোকে আঠুমূৰীয়া কাপোৰ লৈয়েই সন্তুষ্ট থাকক, তথাপিও বিলাতী কাপোৰ এৰি পেলাওঁক। আমাৰ দেশত যি জলবায়ু, তাত জহকালি গাত কাপোৰ লোৱাৰ প্ৰয়োজন নহয়। সাজপাৰ সম্পৰ্কে বেছি আড়ম্বৰ কৰা নহয়। মুনিহে গোটেই গাটো ঢাকিবলৈ কাপোৰ লোৱাটো ভাৰতৰ সংস্কৃতি নাছিল। দৃষ্টান্ত দেখুৱাবলৈ অন্ততঃ ৩১ অক্টোবৰ তাৰিখলৈকে মোৰ মূৰৰ টুপি, মোৰ গাত চোলা এৰিলোঁ, কঁকালত মেৰিয়াবলৈ এডোখৰ কাপোৰ আৰু সময়ে সময়ে নিজক ৰক্ষা কৰিবলৈ এখন চাদৰ লম। যিটো কথা নিজেই মই পালন কৰিব নোৱাৰোঁ, তেনে কথা লোকক উপদেশ দিবলৈ মই সদায় সঙ্কোচ কৰোঁ। কিন্তু এতিয়া যিসকলে বিলাতী কাপোৰ এৰি সৰহীয়াকৈ খাদি ল'বলৈ অসমৰ্থ সেইসকলৰ বাবে সহজ কৰিবলৈ মই এই পৰিৱৰ্তন নিজত প্ৰয়োগ কৰিলোঁ। মোৰ বাবে এই ত্যাগ প্ৰয়োজন হৈছে। মূৰত একো নোহোৱাকৈ উদং গাৰে থাকি অশৌচ পালন কৰাটো এই অঞ্চলৰ সামাজিক নিয়ম।"

বাতৰি কাকতত মহাত্মাৰ কথাবোৰ পঢ়ি আমাৰ সকলো কৰ্মীৰ মনলৈ নানান ভাব আহিবলৈ ধৰিলে। এই সিদিনা এমাহৰ আগত মহাত্মাজী অসমলৈ আহিল। মূৰত টুপি, গাত চোলা-চুৰিয়াৰে সৈতে মহাত্মাজীক আমাৰ ইয়াত যিদৰে দেখিছিলোঁ সেই ছবিটো মনলৈ আহিল। এমাহৰ পিছতেই মহাত্মাজীৰ এই পৰিৱৰ্তন আমি কল্পনা কৰিবলৈ টান পালোঁ।

মহাত্মাৰ কথা কেইষাৰে আমাৰ মনত দকৈ সাঁচ বহুৱালে। প্ৰশ্ন আহিল আমি কি কৰো? আমাৰ এই অসমত খাদি উৎপাদন যথেষ্ট হোৱা নাই। নগাঁৱৰ জালুগুটি, বাৰপুজিয়া অঞ্চলতেই যি অলপ অচৰপ খাদি উৎপাদন হৈছে। কিন্তু সেইবিলাক বৰ কাপোৰ তাৰে চোলা কৰিব পাৰি—পিন্ধিবলৈ চুৰিয়া কৰিব নোৱাৰি। সেইবাবে আমি গুজৰাটৰপৰা খাদি কাপোৰ আনি ফেৰি কৰি বেচি আছোঁ। কিন্তু আমাৰতো সৰহ ধন নাই—এতিয়া কাপোৰ কিনিবলৈ অভিভাৱকৰ ওচৰত পইচা খোজো কেনেকৈ? এইদৰে আমাৰ মাজত আলোচনা হ'ল আৰু শেষত আমাৰ কিছুমানে আঠুমূৰীয়া চুৰিয়া আৰু এটা খাদিৰ গেঞ্জিৰে থকা হ'লোঁ।

অক্টোবৰ মাহৰ ৪ তাৰিখ—বিশ্বনাথৰ গৰাহাবি গাঁৱত তিৰোতাসকলৰ এখন ডাঙৰ সভা বহিল, এই অঞ্চলৰ সকলো গাঁৱৰ তিৰোতা তালৈ আহিল। মহাত্মাই কথাবোৰ বুজাই দিয়াত সকলোৱে একেবাক্যে কলে, "আমি সূতা কাটি কাপোৰ ব'ম—মহাত্মাক উদং গাৰে নাথাকি চোলা পিন্ধিবলৈ কওক—আমি বৰ দুখ পাইছোঁ।"

স্বইচ্ছাৰে দুখ বৰণ কৰি মহাত্মাই সকলোৰে মনত কেনেকৈ পৰিৱৰ্তন আনি আছে—ইয়াক বুজিবলৈ ধৰিলোঁ।

অসহযোগ আন্দোলনৰ কামত আমি যেমানে একাগ্ৰতীয়াকৈ লাগিবলৈ ধৰিলো, সিমানেই অসহযোগ আন্দোলনৰ প্ৰকৃত তাৎপৰ্য বুজিবলৈ আমাৰ আগ্ৰহ বাঢ়িবলৈ ধৰিলে। ঘৰুৱা জীৱনৰপৰা আঁতৰি আমি একেলগে কংগ্ৰেছ কেম্পত থকা কৰিলোঁ। কংগ্ৰেছ কেম্পৰ নাম দিয়া হ'ল 'স্বৰাজ আশ্ৰম'। 'আশ্ৰম' শব্দটোৱে সচৰাচৰ মনলৈ আনে এক কঠোৰ জীৱনৰ ছবি আৰু সংযমৰ সাধনা। আশ্ৰম শব্দটো লোৱাৰ আগতে আমাৰ মাজত আলোচনা নোহোৱাকৈ নাছিল। কিন্তু সকলোৱে এই শব্দটোতেই সম্মতি দিলে। আমাৰ মনলৈ কেইটামান প্ৰশ্ন নহাকৈ নাছিল। দুখীয়া পৰিয়ালতেই আমাৰ সকলোৰে জন্ম হ'লেও, দুখীয়া অৱস্থাৰ মাজতে সংগ্ৰাম কৰি পঢ়া আৰু বাহিৰা খৰচলৈ মন দিব নোৱাৰা হ'লেও, আশ্ৰম শব্দই যি ভাব মনলৈ আনে আমি তাৰ উপযুক্তনে? এনে ভাব আমাৰ মনলৈ নহাকৈ নাছিল। এই কাৰণেই আছিল যে বিশেষকৈ কেইজনমানে ঘনাই চাহ খাবলৈ আৰু জুতি লগা সোৱাদ বস্তু খাবলৈ বৰ ভাল পাইছিল। আমাৰ কলেজীয়া জীৱনত এনে কিছুমান অভ্যাস গঢ়ি উঠিছিল। কিন্তু সকলো আমি স্বৰাজ আশ্ৰমত লগ হ'লোঁ। মুষ্টি-ভিক্ষাৰ চাউলেৰেই এই স্বৰাজ আশ্ৰম চলাবলগীয়া হ'ল।

১৯২১ চনৰ জুন মাহ। দুজন কৰ্মীক বিন্দুকুৰিৰ হাতলৈ পঠাবলগীয়া হ'ল। তেজপুৰৰ পৰা ৭ মাইল আঁতৰলৈ তেওঁলোকে খোজ কাঢ়ি যাবলগীয়া হৈছে আৰু সেইদৰে উভতিবলগীয়া হৈছে। তেওঁলোকে উভতি আহি গধূলি ক'লে, "আপুনি কৈ পঠাইছিল য'তে ত'তে পানী নাখাবা। আজি দুপৰীয়া পিয়াহত বিন্দুকুৰিৰ হাটত চৌডাপানী খাওঁতে বিহগুৰিৰ দুজনমানে আহি ধৰিলে—"স্বৰাজ আশ্ৰমৰ ল'ৰা হৈ চৌডাপানী খোৱানে?" "আমাৰ কিবা ভুল হ'ল নেকি?" একো ভুল হোৱা নাই—কেঁচা পানী নাখাই, সুবিধা হ'লে চাহো খাব পাৰা। পানী তপতাই ল'লে হাইজা, গ্ৰহণীৰ বীজাণু থকাৰ সম্ভাৱনা নাথাকে।

এখন গাঁৱত মদ, কানি, ভাঙৰ লগতে চাহি এৰাবো কথা কৈছিল আৰু আমি চাহো এৰি দিব লগা হৈছিল। এইদৰে উত্তৰ দিলেও আমাৰ মনলৈ প্ৰশ্ন হ'ল—

"গান্ধীয়েনো আমাৰ পৰা কি বিচাৰে আৰু ৰাইজেনো কি বিচাৰে? ইয়াৰ লগতে এটা কথা মনলৈ আহে। ১৯২২ চনৰ জুলাই মাহ। কাৰাদণ্ডৰ পিছত কিছুমান কংগ্ৰেছ কৰ্মীৰ মুক্তি হোৱাত কেনেকৈ কংগ্ৰেছৰ পুনৰ্গঠন কৰিব পাৰি তাৰে দিহা কৰিবলৈ ধুবুৰীলৈ যাবলগীয়া হ'ল। স্বৰ্গগত বন্ধু হেমচন্দ্ৰ বৰুৱা, আৰু লক্ষ্মীধৰ শৰ্মাই কেদাৰ গোস্বামীক ক'লে, "গোসাঁই চাহ খুৱাওক।" গোসাঁই উচপ খাই উঠিল,—"কংগ্ৰেছ অফিচত চাহ!" অৰ্থাৎ কংগ্ৰেছৰ কৰ্মীয়ে যেন চাহ খোৱাটো এৰিব লাগিব।

স্বৰাজ আশ্ৰম বোলা হ'ল হয়—ঘৰটো হ'ল দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাৰ লোৱা ভাৰাঘৰ। ঘৰৰ স্বত্বাধিকাৰী হ'ল শ্ৰীৰাজমোহন চৌধুৰী, শ্ৰীললিতমোহন চৌধুৰী আৰু যতীন্দ্ৰমোহন চৌধুৰী—তেওঁলোকৰ যুটীয়া সম্পত্তি। আমি তেওঁৰ ঘৰত অনধিকাৰ কৰাই নহয়, ঘৰটোৰেই নতুন নামকৰণ কৰা হ'ল আৰু চন্দ্ৰনাথ শৰ্মাইও একো আপত্তি নকৰি, মৌন সমৰ্থন জনাই তেওঁৰ ভাৰাঘৰৰ অংশীদাৰ হৈ আমাৰ লগত একেলগে থকা কৰিলে। অৱশ্যে তেওঁ গোটেই অসমতে ঘূৰি ফুৰিবলগীয়া হৈছিল আৰু প্ৰতিমাহে ১০। ৫ দিনৰ বাবেহে আহিছিল। কিন্তু আশ্ৰম কথাষাৰ ব্যৱহাৰ কৰাত ধাউাত হ'ল—আশ্ৰমত মানুহে কিদৰে থাকিবলগীয়া হয় তাকে জানিবলৈ স্বৰ্গগত বন্ধু লক্ষ্মীধৰ শৰ্মাই ক'লে,—"সবৰমতিলৈ চিঠি লিখক" সত্যাগ্ৰহ আশ্ৰমৰ নিয়মাৱলী আহিল। পঢ়ি চোৱা হ'ল। আমি যিদৰে বৰ্তমানে চলি আছো তাৰ লগত বিশেষ পাৰ্থক্য নাই; আমিও পুৱাতে উঠো। কিন্তু পুৱাতে জীৱনটো প্ৰাৰ্থনাৰে আৰম্ভ নকৰোঁ। ঈশ্বৰত অবিশ্বাসী নহ'লেও সমূহীয়া প্ৰাৰ্থনাত মন দিয়া নাছিল আৰু এতিয়াও এইটো নিয়ম আমাৰ কাৰ্যক্ৰমত লোৱা নহ'ল। সত্যাগ্ৰহ আশ্ৰমত জলকীয়া খোৱাত কিয় নিষেধ কৰা হৈছে বুজি পোৱা নগ'ল। খাদ্য সম্পৰ্কে আমি বিশেষ দৃষ্টি দিয়া নাছিলোঁ। কাৰণ বাধ্যত পৰি আমি নিৰামিষভোজী হৈছিলোঁ আৰু গাঁৱত সুবিধামতে মাছ-মঙহ নোখোৱা নহয়। পৰিশ্ৰম কৰাটো আমাৰ কৰ্তব্যৰ ভিতৰত আছিল। সূতাকটা ৰাজনীতিৰ ফালৰপৰা লোৱা হৈছেই ৰাজনীতিৰ ফালৰপৰাই আমাৰ জীৱন থূপ-খুৱাই লোৱা হ'ল। বঙ্কিম চাটাৰ্জীৰ 'আনন্দমঠ'ৰ আদৰ্শ আমাৰ সন্মুখত আছেই। এইদৰে আমি গান্ধীক অনুসৰণ কৰিলেও সময়ে সময়ে নানান প্ৰশ্ন আহিবলৈ ধৰিলে। এজনে ক'লে, গান্ধীৰ কথাবোৰ প্ৰহেলিকাপূৰ্ণ। ৰাজনৈতিক আন্দোলনত সকলো কথাত সমাজনীতি অৰ্থনীতি আৰু ৰাজনীতিৰ কথা সোমোৱা বুলিও কিছুমানে সমালোচনা নকৰা নহয়। হিন্দু-মুছলমানৰ একতা, অস্পৃশ্যতা বৰ্জন আদি সকলো কথা আমি গ্ৰহণ কৰিলেও

ৰাজনীতিৰ ফালৰপৰা বিচাৰ কৰিহে লোৱা হৈছিল। গাঁৱত কিছুমান মিটিঙত আমি অস্পৃশ্যতা বৰ্জনত বিশ্বাসী নে, সেই সম্পৰ্কে কেৱল প্ৰশ্নই নহয়, পৰীক্ষাৰো সম্মুখীন হ'ব লগা হৈছিল। ১৯২১ চনৰ মাৰ্চ মাহ। আমি বিহালীত অসহযোগ আন্দোলন সম্পৰ্কে বুজোৱাৰ পিছত দিনজয় গোসাঁইৰ শিষ্য একজনে তেওঁলোকৰ গাঁৱলৈ আলহী থাকিবলৈ নিমন্ত্ৰণ জনালে আৰু চন্দ্ৰনাথ শৰ্মায়ো ততালিকে সেই নিমন্ত্ৰণ গ্ৰহণ কৰিবলৈ মান্তি হ'ল। ৰক্ষণশীল সমাজৰ নিন্দাসূচক মন্তব্যৰ মাজতো সেইখন গাঁৱলৈ যোৱা হ'ল কিন্তু গৈ তেওঁলোকৰ একো ব্যৱস্থা থকা দেখা নগ'ল। কাৰণ তেওঁলোকে বিশ্বাস কৰিব পৰা নাছিল যে আমি তেওঁলোকৰ নিমন্ত্ৰণ সঁচাকৈয়ে গ্ৰহণ কৰিম। সেইবাবে পৰীক্ষা কৰিবৰ বাবেহে নিমন্ত্ৰণ জনাইছিল। পিছত ব্যৱস্থা কৰিবলগীয়া হওঁতে তেওঁলোক বিমোৰত পৰিবলগীয়া হৈছিল।

হিন্দু-মুছলমানৰ একতা সম্পৰ্কেও আমি ৰাজনীতিৰ ফালৰপৰাই এই কথাষাৰলৈ আকৃষ্ট হ'লেও মহাত্মাৰ একনিষ্ঠাই আমাৰ ভাব সবল নকৰাকৈ নাছিল। হিন্দু আৰু মুছলমানৰ মাজত যিবিলাক পাৰ্থক্য আছিল, তাতেই কিছুমানে জোৰ দিয়াত হিন্দু আৰু মুছলমানৰ মাজত বিৰোধ বহল হোৱাটোও আমাৰ চকুত পৰিছিল। যিহওক পাৰ্থক্যবিলাকত জোৰ নিদি মিলনৰ সূত্ৰবিলাক বিচাৰি উলিওৱাত আমাৰ আগ্ৰহ বাঢ়িল। সকলো ধৰ্মৰ লক্ষ্য একেটা। কোৰাণ, গীতা, বাইবেল সকলো ধৰ্মশাস্ত্ৰৰ শিক্ষা মূলতে একে। আমাৰ মাজত দুজনমানে মৌলানা মহম্মদ আলিৰ কোৰাণৰ ইংৰাজী তৰ্জমা পঢ়ালৈকো মন দিলে।

অসহযোগ বিৰোধী প্ৰতিক্ৰিয়াশীল শক্তিবিলাকে মৌলানা মহম্মদ আলিৰ সম্পৰ্কে এটা ব্যাখ্যা উলিয়াবলৈ যত্ন নকৰাকৈ নাছিল। আফগানিস্থানৰ আমীৰে ভাৰত আক্ৰমণ কৰিলে মৌলানা মহম্মদ আলি আৰু তেওঁৰ ককায়েক শ্বৌকত আলিয়ে আমীৰক সমৰ্থন কৰিবলৈ উদগায়। হিংসানীতিত বিশ্বাসী বুলি মৌলানাৰ বক্তৃতাৰ এটা বিস্তৃত বিৱৰণো উলিওৱা হৈছিল। জাতীয়তাবাদী ডেকা ভাৰতৰ মনলৈ এই কথাবিলাকে সন্দেহৰ ভাব ননাকৈ নাছিল আফগানৰ আক্ৰমণৰ কথাষাৰ এনেদৰে প্ৰচাৰিত হৈছিল যে ভাইচৰয় লৰ্ড ৰীডিঙে তেওঁৰ লগত সাক্ষাৎ কৰিবলৈ মহাত্মা গান্ধীক মাতি পঠাইছিল। মহাত্মাৰ লগত কেবাটাও প্ৰধান প্ৰধান বিষয় লৰ্ড ৰীডিঙে আলোচনা কৰিছিল। যেনে স্বৰাজৰ অৰ্থ, খিলাফত আন্দোলন, আফগান আক্ৰমণ লৈ মহাত্মাৰ ভাৱ····· ইত্যাদি। কথা প্ৰসঙ্গত আলি ভ্ৰাতৃদ্বয়ৰ বক্তৃতালৈকো লৰ্ড ৰিডীঙে আঙুলিয়াই নিদিয়াকৈ থকা নাছিল। অহিংসা আৰু সংযম সম্পৰ্কে মহাত্মাৰ ওপৰত আস্থা থাকিলেও আলী ভ্ৰাতৃ দুজনাৰ সম্পৰ্কে তেনে ভাব নাই

বুলিও ভাইছবয়ে উল্লেখ কৰিছিল। কাকতত প্ৰকাশিত হোৱা ৰিপোৰ্টবোৰ পঢ়িলে পাঠকৰ ধাৰণা ভুল হ'ব পাৰে বুলি মহাত্মাই স্বীকাৰ কৰিলে আৰু মৌলানা ভ্ৰাতৃদ্বয়েও নিজৰ কোৱা কথাবোৰ পৰিষ্কাৰ কৰি বুজাই দিবলগীয়া হ'ল। মৌলানা মহম্মদ আলিয়ে বিবৃতিত ক'লে,—"আমি যিবিলাকে মুক্তি আৰু সত্যৰ বাবে যুঁজ কৰি আছোঁ — কথাত বঢ়া-টুটা নোহোৱাকৈ আচল সত্যকেই কোৱাটো প্ৰয়োজন।"

মহাত্মাজীৰ কথামতে মৌলানা মহম্মদ আলিয়ে এই বিবৃতি দিয়াত মহাত্মাজীয়ে এই আন্দোলনত আমি কিমান সাৱধানতা অৱলম্বন কৰিবলগীয়া হ'ব সেইটো বুজি পোৱা হ'ল।

মহাত্মাই এটা বিবৃতিত ক'লে, 'আফগানসকলে ভাৰতবৰ্ষ আক্ৰমণ কৰিব বুলি মই বিশ্বাস নকৰোঁ। আফগান আক্ৰমণৰ সন্মুখীন হ'বলৈ গভৰ্ণমেণ্ট সম্পূৰ্ণ সাজু আছে বুলি মই বিশ্বাস কৰো। যি গভৰ্ণমেণ্টৰ অন্ত পেলাবলৈ নাইবা সংস্কাৰ কৰিবলৈ অসহযোগীসকলে যত্ন কৰিছে, সেই গভৰ্ণমেণ্টক এনে এটা পৰিস্থিতিত একো চৰ্ত নকৰাকৈ সহায় কৰিবলৈ আগ বঢ়াটো অসহযোগীসকলৰ ধৰ্ম বুলি মই ভাবো। নিজৰ সন্মানৰ বিনিময়ত আফ্‌গানৰ সহায় লৈ স্বাধীনতা লাভ কৰিবলৈ যোৱাতকৈ আফগানসকলৰ হাতত মৃত্যুকেই বৰণ কৰাটো মই শ্ৰেয় বুলি ভাবোঁ। প্ৰত্যেকজন অসহযোগীয়ে আফগানসকলক জানিবলৈ দিয়াটো প্ৰয়োজন যে স্বাধীনতাৰ বাবে ভাৰতে তেওঁলোকৰ সশস্ত্ৰ হস্তক্ষেপ নিবিচাৰে।"

মতৰ অনৈক্য হ'লেও বিৰোধীসকলৰ লগত মহাত্মাগান্ধীয়ে কেনেকৈ ব্যৱহাৰ কৰে, তালৈকো আমি লক্ষ্য কৰিবলৈ ধৰিলোঁ। আমাৰ সাধাৰণতে বিৰোধী মতাৱলম্বী লোকলৈ অসহিষ্ণুতাৰ ভাব আছিল। এতিয়া সেই ভাব পৰিহাৰ কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব লগা হ'ল। ধীৰপন্থীসকলৈ মহাত্মাগান্ধীৰ অমায়িক ভাব ইংৰাজ আৰু ইংৰাজ প্ৰণালীৰ মাজত পাৰ্থক্য বিচাৰ কৰি অমায়িক ব্যৱহাৰ, এইবিলাকৰ তাৎপৰ্য বুজিবলৈ আমি যত্ন কৰাত লাগিলোঁ।

গঠনমূলক কামবিলাকলৈ তেওঁলোকৰো সহযোগ কেনেকৈ পাব পাৰি তালৈকে তেওঁ মন দিলে। তেওঁলোকৰ বহুতেই নতুন শাসন-সংস্কাৰৰ তলত দায়িত্ব লৈ সহযোগ কৰাত ব্ৰতী হ'লেও মহাত্মাগান্ধীয়ে তেওঁলোকলৈ চিঠি লিখিলে—"আপোনালোকৰ যিদৰে স্বদেশ প্ৰেম আছে, অসহযোগীসকলৰো তেনে স্বদেশ প্ৰেম থকা বুলি স্বীকাৰ কৰিলে গঠনমূলক কামবিলাকলৈ—য'ত দুটা বেলেগ মত নাই, আপোনালোকে সমৰ্থন আগ বঢ়াবনে? আপোনালোক এতিয়া শাসক শ্ৰেণীৰ অংশ

হৈছে। ৰাগীয়াল বস্তু গুচাবলৈ যি চেষ্টা হ'ব ধৰিছে তাত যদি দেশে আপোনালোকৰ সহযোগ পায়, আপোনালোকে অতীতত যি সেৱা কৰি আহিছে সেই সেৱাত আপোনালোকে বহুগুণে বেছি বৰঙণি যোগাব পাৰিব। ল'ৰা-ছোৱালীহঁতৰ শিক্ষাৰ কি হ'ব—এনে এটা প্ৰশ্ন আপোনালোকে তুলিব পাৰে। মই সাহেৰে সৈতে নিবেদন কৰিব বিচাৰো যে, আমি ৰাগীয়াল বস্তু প্ৰচলনৰ পৰা পোৱা ৰাজহেৰে আমাৰ দেশৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ ব্যৱস্থা কৰিবলগীয়া হোৱাতকৈ লাজৰ কথা আৰু একো হ'ব নোৱাৰে। ল'ৰা-ছোৱালীৰ শিক্ষাৰ ব্যৱস্থা বাদ দি হ'লেও ৰাগীয়াল বস্তুৰ প্ৰচলনৰ ৰাজহ এৰিবলৈ সিদ্ধান্ত নকৰিলে আমি ভৱিষ্যত বংশধৰসকলৰ অভিসম্পাতৰ যোগ্য হ'ম। স্কুল আৰু কলেজৰ শিক্ষা স্বাৱলম্বী কৰিবলৈ যঁতৰ প্ৰচলনৰ কথা ক'লে আপোনালোকৰ বহুতেই হাঁহি উৰুৱাব বুলি মই জানো। কিন্তু মই ডাঠি কওঁ যে ইয়াৰে আপোনালোকে শিক্ষাৰ সমস্যা সমাধান কৰিব পাৰিব। দেশে এতিয়া নতুনকৈ খাজনাৰ বোজা ববলৈ অসমৰ্থ যি বোজা এতিয়াই ববলগীয়া হৈছে, সেয়েই অসহনীয় হৈছে। অকল কানি আৰু মদৰ ৰাজহ গুচোৱাটোৱেই নহয়, ভাৰতৰ ক্ৰমবৰ্দ্ধমান দাৰিদ্ৰ্য অদূৰ ভৱিষ্যতত কমাবলৈ হ'লে বৰ্তমানৰ আন বহুতো খাজনা কমাবলগীয়া হ'ব।

"এতিয়া বৰ্তমানে সম্পূৰ্ণ বিপ্লৱৰ প্ৰয়োজন হৈছে। বিপ্লৱ শব্দটোত আপোনালোক অসন্তুষ্ট হয়। মই যিটো বিপ্লৱৰ কথা কৈছো সেইটো তেজৰ ৰাঙলী বিপ্লৱ নহয়। উচ্চ বিধৰ দেশ সেৱাত জীৱনৰ মানদণ্ডৰ বিপ্লৱ। এতিয়া দেশত এটা নতুন ভাবৰ ঢল আহিছে। বাহিৰৰ বিচাৰকজনতকৈ নিজৰ অন্তৰত থকা বিচাৰকজনলৈহে ভয় বেছি হৈছে।"

এতিয়া মহাত্মা গান্ধীয়ে ধীৰপন্থীসকলৰো অসহযোগৰ কাৰ্যক্ষেত্ৰত সহায়-সহযোগ বিচাৰিলে। মহাত্মাজীয়ে ইংৰাজসকললৈকো মুকলি চিঠি লিখিলে—"মই জানো আপোনালোকে অসহযোগক ঘিণৰ চকুৰে চায়। মোৰ সততাৰ গুণ থকা বুলি বিশ্বাস থাকিলে মোৰ আনবিলাক কামৰ পৰা দুটা কাম বেলেগ কৰিবলৈ মই আপোনালোকক অনুৰোধ জনাওঁ।

"আপোনালোকে অনুভৱ নকৰিলে মই নিজকে সজ বুলি প্ৰমাণ দিব নোৱাৰোঁ। ইংৰাজে যি নিয়ম-কানুন প্ৰৱৰ্তন কৰিছে, সেই নিয়ম-কানুনবোৰ ঘৃণাৰ চকুৰে চালেও আমি ইংৰাজক ঘৃণাৰ চকুৰে চাব নালাগে বুলি ক'লে, মোৰ ভাৰতীয় বন্ধু কিছুমানে মই প্ৰতাৰণা কৰা বুলি মোৰ ওপৰত অভিযোগ কৰে। ভায়েকৰ দুষ্টালি বেয়া পায়ো ভায়েকলৈ

শত্ৰুৰ ভাব নাৰাখি থকাটো মই দেখুৱাব বিচাৰোঁ। যীশুৱে স্ক্ৰাইব (ইহুদীসকলৰ ধৰ্ম উপদেষ্টা) আৰু ফেৰিছিসকলক (বাহ্যিক নিষ্ঠাবান ভণ্ডসকলক) নিন্দা কৰিছিল, কিন্তু তেওঁলোকলৈ ঘৃণা, হিংসাৰ ভাব ৰখা নাছিল। মানুহলৈ মৰম আৰু পাপ লৈ যিবোৰ মানুহ লগ হৈছিল তেওঁলোকৰ প্ৰত্যেকজনেই ব্যক্তিগতভাৱে নিৰপৰাধী ইংৰাজ বেঙ্ক মেনেজাৰসকলক হত্যা কৰিবলৈ কেতিয়াও মান্তি নহ'লহেঁতেন। কিন্তু জনতাৰ মাজত বহুতেই নিজক পাহৰি পেলালে। এইদৰে অফিচত থকা ইংৰাজ এজন অফিচৰ বাহিৰত থকা ইংৰাজজনতকৈ বেলেগ। সেই একেদৰে ইংলণ্ডত থকা ইংৰাজজনতকৈ ভাৰতত থকা ইংৰাজজন বেলেগ। ভাৰতত আপোনালোক কিছুমান নিয়মৰ বহতীয়া হৈ আছে। এই নিয়মবোৰ কিমান বেয়া, মই সেইটো ভাষাৰে বৰ্ণাব নোৱাৰোঁ। সেইবাবে আপোনালোকৰ প্ৰত্যেকজনেই বেয়া বুলি নধৰি, নাইবা আপোনালোকৰ নিয়ম-প্ৰণালীবোৰ অতি কঠোৰ ভাষাৰে নিন্দা কৰিব পৰাতো মোৰ পক্ষে সম্ভৱ হৈছে। আপোনালোকো আমাৰ দৰে নীতি-নিয়মৰ দাস হৈছে। সেইবাবে আপোনালোকেও মোৰ লগত ভাবৰ বিনিময় কৰাটো মই বিচাৰোঁ। মোৰ লিখাত মোৰ উদ্দেশ্যে অভিপ্ৰায় বুজিব নোৱাৰি মোৰ অসৎ অভিপ্ৰায় থকা বুলি ধৰি নলবলৈ মই অনুৰোধ কৰো—যিবোৰ নিয়ম-প্ৰণালীৰে ভাৰতবৰ্ষক এমুঠি ইংৰাজৰ তলতীয়া কৰি ৰখা হৈছে আৰু যি নিয়ম-প্ৰণালীৰ বাবে ইংৰাজসকলে দুৰ্গৰ আৰু সকলোৰে চকুত বিসদৃশ লগা বন্দুক-কামানৰ আশ্ৰয় নোহোৱাকৈ নিজক নিৰাপদ বুলি নভবা হৈছে. সেই নিয়ম-প্ৰণালীবোৰ হয় অন্ত পেলাবলৈ নাইবা সংস্কাৰ কৰিবলৈ মই অধৈৰ্য হৈ পৰিছোঁ। মোৰ অভিপ্ৰায়ৰ সম্পূৰ্ণ কথা এয়েই। আপোনালোকে দুৰ্গৰ ভিতৰত বন্দুক-কামানৰ আশ্ৰয়ত নথকাকৈ নিজক নিৰাপদ বুলি নভবাটো আপোনালোকৰ বাবে আৰু আমাৰ বাবেও চকুত বৰ বেয়া লগা কথা হৈছে। পৰস্পৰৰ পৰস্পৰলৈ অবিশ্বাস আৰু আশঙ্কা—এয়েই আমাৰ সমূহীয়া জীৱন। আপোনালোকে স্বীকাৰ কৰিব যে এইটো মনুষ্যোচিত নহয়। যিবোৰ নিয়ম-প্ৰণালী এনে এটা অৱস্থাৰ বাবে দায়ী সেইবোৰ নিশ্চয় পিশচীয়া। আপোনালোকে ভাৰতবৰ্ষত বিদেশী শোষণকাৰী নহৈ ভাৰতৰ এটা অবিচ্ছিন্ন অংশ হৈ থাকিব পৰা হ'ব লাগিব। এজন ইংৰাজৰ জীৱনৰ বিনিময়ত এহেজাৰজন ভাৰতীয়ৰ জীৱন, এনে এটা নীতি নৈৰাশ্যত দগ্ধ অন্তৰৰ ভুমুনিয়াহ মাথোন আৰু আপোনালোকে বিশ্বাস কৰক, আপোনালোকৰ মাজৰ এজন সৰ্বশ্ৰেষ্ঠ ইংৰাজেই এই ভাৰত ভূমিতেই এনে এটা নীতিৰ প্ৰৱৰ্তন কৰিছে।

"আপোনালোক আৰু আমাক দুয়োলৈকে যি নীতিয়ে এনে এটা অধঃপতন আনিছে, সেই নীতি ধ্বংস কৰিবলৈ আমাৰ লগ হ'বলৈ আপোনালোকক আহ্বান দিবলৈ মই প্ৰলুব্ধ হওঁ। কিন্তু এতিয়ালৈকে মই তেনে কথা ক'বলৈ উপযুক্ত বুলি অনুভৱ কৰা নাই। আমি এতিয়া তেনেবিধৰ সম্পূৰ্ণতা পাবলৈ আৰু বেছি আগ্ৰহশীল, ত্যাগশীল আৰু আত্মসংযমী হ'ব লাগিব। এতিয়ালৈকে সেইখিনি যোগ্যতা আৰ্জিব পৰা নাই। কিন্তু বিদেশী কাপোৰ বৰ্জন আৰু ৰাগীয়াল বস্তু বৰ্জনত আমাৰ লগত আপোনালোকক সহযোগ কৰিবলৈ অনুৰোধ জনাওঁ।

পাপক ঘিণ কৰিবা, পাপীক ঘিণ নকৰিবা, এনে নীতিবাক্য আগৰে পৰা শুনি থাকিলেও কাৰ্যত প্ৰয়োগ কৰা দেখা নাছিলোঁ। সেইবাবে এনেবিধৰ নীতিবাক্য পালন নকৰা শাস্ত্ৰৰ বচনৰ দৰেই আমাৰ মনত আছিল। এতিয়া অসহযোগ আন্দোলনে জানিবা এনেবিলাক কথা কেনেকৈ কাৰ্যত প্ৰয়োগ কৰিব পাৰি তাকে চিন্তা কৰিবলৈ শিক্ষা দিলে।

দেশভক্ত তৰুণৰাম ফুকনে ১৯২১ চনৰ চেপ্টেম্বৰ মাহত গুৱাহাটীৰ টকৌবাৰীৰ ওচৰত থকা দেহোপজীৱনীসকলক গোটাই এখন সভাত তেওঁলোকক মহাত্মাৰ কথা বুজাবলৈ যত্ন কৰিলে। তেওঁলোকৰ কিছুমানে বেশ্যা বৃত্তি এৰি সূতা কাটি নাইবা আন উপায়েৰে জীৱিকা নিৰ্বাহ কৰিবলৈ গাত লোৱাটো ডাঙৰ কথা আছিল। কেৱল যে ৰাজনৈতিক লক্ষ্য সাধনৰ বাবেই অসহযোগ আন্দোলন মহাত্মা গান্ধীয়ে আৰম্ভ কৰিছিল এনে নহয় ভাৰতীয়সকলৰ ব্যক্তিত্ব সম্পূৰ্ণ বিকশিত কৰিবলৈকো এই আন্দোলন কৰিছিল – আমাৰ এনে ভাব হ'বলৈ ধৰিলে। আধ্যাত্মিক আৰু সামাজিক কথাবিলাকলৈ আমি মন দিলে ৰাজনৈতিক লক্ষ্য পাওঁতে পলম ন'হব বুলি বিশ্বাস হ'বলৈ ধৰিলে। স্বাধীনতাৰ বাবে ব্যাকুল হৈ ভাৰতৰ জনতা উধাতু খাই লৰি যাওঁতে কৰবাত উজুতি খাই পৰে বুলি প্ৰতি খোজতে মহাত্মাই আন্দোলনৰ সকলো কথা নিয়ন্ত্ৰণ কৰি আছিল। কৰাচীত বহা খিলাফত সন্মিলনত সৈন্য বিভাগকে সামৰি চৰকাৰী চাকৰিত থকা প্ৰত্যেকজন মুছলমানলৈ চাকৰি এৰিবলৈ নিৰ্দেশ দিয়াত মহাত্মাই লিখিলে 'Hasten Slowly'। 'ইয়ং ইণ্ডিয়া'ত ওলোৱা প্ৰবন্ধটো পঢ়ি এফালে 'লৰালৰি কৰা' আৰু আনফালে 'মন্থৰ কৰা' এই দুয়োটা কথাৰ কেনেকৈ সামঞ্জস্য কৰিব পাৰি আমি আলোচনা কৰিবলগীয়া হ'ল। প্ৰবন্ধৰ শিৰোনামাত Hasten Slowly থাকিলেও প্ৰবন্ধত লিখা কথাবোৰৰ তাৎপৰ্য বুজিবলৈ টান নহ'ল।

সত্যাগ্ৰহ (চিভিল-ডিচঅবিডিয়েন্স) কথাৰাৰ নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ প্ৰতিজন

সদস্যৰ মুখত আজি শুনিবলৈ পাইছোঁ, পোৱা যাব ধৰিছে – আচলতে এই অস্ত্র কেতিয়াওঁ প্রয়োগ কৰাৰ অভিজ্ঞতা নথকাকৈও প্রত্যেকৰ মনলৈ এটা ভুল বিশ্বাস আহিব ধৰিছে যে সকলো বেমাৰৰে ই অমোঘ ঔষধ। অৱশ্যে এইটো মই নিশ্চয়কৈ জানো যে ইয়াৰ বাবে প্রয়োজনীয় পৰিবেশ তৈয়াৰ কৰিব পাৰিলে, এইটো এনেবিধৰ অমোঘ ঔষধ হ'ব পাৰে। সত্যাগ্রহৰ পৰা ৰক্তপাতৰ আশঙ্কা নাথাকিলে ব্যক্তিগতভাৱে সত্যাগ্রহৰ বতৰ আছেই। তথাপি ৰক্তপাতৰ আশঙ্কা থাকিলেও, যি বিপদেই নহওক লাগে তালৈ ভ্রূক্ষেপ কৰি বহি থকাটো সাধ্য নহ'ব পাৰে, এনে এটা অৱস্থাত সত্যাগ্রহৰ আহ্বান দিবলগীয়া হ'লে নিশ্চয় সেই আঁচনি দিয়া হ'ব। মই দেখা পাইছো যে এনে এটা সময় আহিব ধৰিছে যি সময়ত ৰক্তপাতৰ নিশ্চিত সম্ভাৱনা থকা সত্ত্বেও গভৰ্ণমেণ্টৰ প্রত্যেক আইন মানি ল'বলৈ অস্বীকাৰ কৰিবলগীয়া হ'ব। এনে এটা সময়ত এনে এটা আহ্বান আওহেলা কৰিলে ভগৱানক অস্বীকাৰ কৰাৰ দৰে হ'ব আৰু এনেসময়ত সত্যাগ্রহ অপৰিহাৰ্য কৰ্তব্য হোৱাদি হ'ব। সমূহীয়া সত্যাগ্রহ সম্পূৰ্ণ আন এটা ভিত্তিত প্রতিষ্ঠিত। এই অস্ত্র শান্ত অৱস্থাতহে প্রয়োগ কৰিব পাৰি। মহাত্মা গান্ধীৰ এনেবোৰ নির্দেশৰ মাজেদি আমি অসহযোগ আন্দোলন চলোৱাত লাগিলোঁ। চাহ বাগিচাৰ বনুৱাসকলক লৈ আমি কি পৰিস্থিতিৰ মাজেদি ১৯২১ চনৰ অক্টোবৰ আৰু নৱেম্বৰ মাহত যাবলগীয়া হৈছিল সেই সম্পৰ্কে ইয়াৰ পিছত আলোচনা কৰিবলৈ যোৱা হ'ল।

১৯২১ চনৰ অক্টোবৰ মাহ। অসহযোগ আন্দোলনৰ গতি ক্রমাত বাঢ়ি চৰম পৰিণতিৰ অৱস্থালৈ যাব ধৰিছে। মহাত্মা গান্ধীয়েও ভাৰতৰ জনতাৰ শক্তি নিয়ন্ত্রিত কৰি গৱৰ্ণমেণ্টৰ লগত সংঘৰ্ষলৈ আগ বঢ়াই নিব ধৰিছে। বোম্বেত বহা কংগ্রেছ ওৱাৰ্কিং কমিটিয়ে গোটেই আন্দোলনটোলৈ এটা নতুন পোহৰ আনিছে। কি চিভিল, কি মিলিটাৰি সকলো কৰ্মচাৰীকেই চৰকাৰৰ কাম এৰিবলৈ কোৱাটো এই আন্দোলনৰ চৰম পৰিণতি। এই সম্পৰ্কে প্রকাশ্যে আলোচনা হ'ব ধৰিছে। আমাৰ কিছুমানে 'অসম ৰাইফলছ'ৰ চিপাহীসকলকো চাকৰি এৰিবলৈ ক'বলৈ সাহ কৰি আগ বাঢ়িছে। আনফালে গুজৰাটৰ ৰাইজে মহাত্মা গান্ধীৰপৰা এই সম্পৰ্কে চৰম নির্দেশ পাবলৈ বাট চাই আছে।

ভাৰতৰ এনে এটা ৰাজনৈতিক অৱস্থাত আমি তেজপুৰত উৎসাহেৰে সৈতে এই আন্দোলনৰ কামত ব্যস্ত আছো। এনেতে এটা খবৰ আহিল। বিজয়া দশমীৰ পিছদিনা (৩ অক্টোবৰ) তেজপুৰৰ ওচৰত কেইবাখনো চাহ-বাগানত বনুৱাসকল উত্তেজিত হৈছে। বিজয়া দশমীৰ দিনা ছুটী নিদিয়াত তেওঁলোকে

মেনেজাৰ, কৰ্মচাৰীকে আদি কৰি বহুতো লোকৰ ওপৰত শাৰীৰিক আক্ৰমণ কৰিছে। তেওঁলোকৰ এই বিক্ষোভৰ বাবে ডেপুটি কমিশ্যনাৰ আৰু পুলিচ চাহাবে আসাম ৰাইফলছৰ কেইটামান প্লেটুন লৈ তালৈকে গৈছে। এনে এটা পৰিস্থিতিত আমাৰ কি কৰ্তব্য, এয়ে আমাৰ প্ৰশ্ন হ'ল। আমি অসহযোগী হিচাপে এইবোৰৰপৰা আঁতৰত থাকিম নে চাহ বনুৱাসকলৰ মাজত সোমাই বুজনি দিম? আমি পোন-পটিয়াকৈ ইমান দিনে চাহ বনুৱাৰ মাজত কাম কৰা নাছিলো।

ইয়াৰ আগতে জুন মাহত সুৰমা উপত্যকাৰ চাৰগোলাৰ চাহ-বাগানৰ বনুৱাসকলৰ মাজত হোৱা বিক্ষোভৰ পৰিণতি হৈছিল আসাম বেঙ্গল ৰেলৰে ধৰ্মঘটত। বাগিচা এৰি যোৱা বনুৱাসকলক চাঁদপুৰৰ ষ্টীমাৰ ঘাটত জাহাজত উঠিবলৈ যাওঁতে বাধা দিয়াৰ ফলত এনে অৱস্থাৰ সৃষ্টি হৈছিল। বহুতো ধৰ্মঘটকাৰী ৰেলৰে কৰ্মচাৰী গুৱাহাটীত কৰ্মবীৰ বৰদলৈৰ ঘৰত আশ্ৰয় ল'বলগীয়া হৈছিল। ৰঙাপাৰা অঞ্চলৰ কছাৰী গাঁও, সোণাজুলি আদি বাগিচাত এই বিক্ষোভৰ সময়ত আমি কি কৰো?

চেপ্টেম্বৰ মাহত (১৯২১) কলিকতালৈ যাবলগীয়া হওঁতে বঙ্গীয় প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ অফিচত কিছুমান কৰ্মীৰ লগত চাঁদপুৰৰ ধৰ্মঘটৰ কথা আলোচনা কৰা হৈছিল। তেওঁলোক কিছুমানৰ ভাব, গভৰ্ণমেণ্টক এনে অৱস্থাত অসুবিধাত পেলাবলৈ দিহা কৰা কংগ্ৰেছৰ কাম। কিন্তু মহাত্মা গান্ধীৰ চিন্তাধাৰা ইয়ং ইণ্ডিয়াৰ জৰিয়তে যি অলপ বুজি পাইছিলোঁ তাৰপৰা এনে এটা কথা তেওঁৰ প্ৰকৃত মনোভাবৰ বিপৰীত বুলিয়েই আমাৰ ধাৰণা হৈছিল।

অলপ দিনৰ আগতে মহাত্মা গান্ধী অসমলৈ আহি গ'ল। কেইবাখনো ৰাজহুৱা সভাত চাহ বনুৱা সম্পৰ্কে উল্লেখ কৰিছিল। মহাত্মাই বেজাৰ কৰিছিল যে বনুৱাসকলক অহিংস উপায়েৰে কাম কৰিবলৈ শিক্ষা দিয়া হোৱা নাই। তেওঁলোকৰ দাবিৰ আঁৰত সক্ৰিয় হিংসা-নীতিৰ উপায়বিলাকেই ভুমুকি মাৰে। মহাত্মাই বক্তৃতাত কৈছিল, চাহ-বনুৱা কেনেকৈ নিৰ্ভৰশীল হ'ব পাৰে—তাকে শিক্ষা দিব পাৰিলে তেওঁলোকক ডাঙৰ সহায় কৰিব পাৰি। তেওঁলোকৰ কৰ্তব্য কি আৰু অধিকাৰ কি এইবিলাক কথা বুজাব লাগে। কৰ্তব্যৰ কথা নুবুজাকৈ কেৱল মাত্ৰ কিছুমান দাবি দাঙি ধৰিলে তেওঁলোকৰ মনুষ্যত্ব বিকাশ হ'ব নোৱাৰে।

ডিব্ৰুগড়ত চাহ মালিকসকলৰ লগত মহাত্মাজীৰ যিখন স্মৰণীয় মেল (২৬ আগষ্ট ১৯২১ চন) হৈছিল সেই মেলৰ কথা বাতৰি কাকতত প্ৰকাশ হোৱা নাছিল। এইখন মেলত মৰ্মস্পৰ্শী ভাষাৰে মহাত্মাই চাহ-বনুৱাৰ কথা নিবেদন কৰিছিল। "আপোনালোকে তেওঁলোকক থাকিবলৈ ঘৰ দিছে, চিকিৎসাৰ ব্যৱস্থা কৰিছে, খোৱা

পানীৰ দিহা কৰিছে, "ক্ৰীচ" আদি বহুতো ভাল ব্যৱস্থা কৰিছে ; কিন্তু আপোনালোকৰ দায়িত্বত থকা এই মানুহখিনিৰ নৈতিক, আধ্যাত্মিক শিক্ষাৰ বাবে একো দিহা কৰা নাই।" ইত্যাদি (১৯১১ চনৰ আগতে চাফ্ৰাই, আমগুৰি আদি কিছুমান চাহ বাগিচাত ক্ৰীচৰ ব্যৱস্থা হৈছিল) তেজপুৰৰ বনুৱাসকলৰ হিংসাত্মক কাৰ্যাৱলীৰ ফলত এই পৰিস্থিতিৰ উদ্ভৱ হৈছে আৰু এই পৰিস্থিতিত আমাৰ কি কৰ্তব্য ?

কিছুদিনৰ আগতে ১১ মাৰ্চ আবেলি হেলেম বাগিচাৰ অলপ আঁতৰত বহা এখন ৰাজহুৱা সভাত আমি যোগ দিছিলো। ইয়াৰ পিছত সেইখন বাগানত বনুৱাৰ উত্তেজনা সৃষ্টি হৈ মেনেজাৰ চাহাবৰ ওপৰত শাৰীৰিক আক্ৰমণ হৈছিল। এই ঘটনাৰ লগত আমাৰ সম্পৰ্ক স্থাপন কৰি কেনেকৈ আমাক আছামী কৰিব পাৰি ইয়াৰ বাবে কৰ্তৃপক্ষই যত্ন নকৰা নহয়। ১৯২১ চনত চাহ বনুৱা বিক্ষোভৰ কথাবিলাক তদন্ত কৰিবলৈ যি চৰকাৰী কমিটি পতা হৈছিল সেই কমিটিৰ ৰিপোৰ্টতো এই কথাষাৰৰ উল্লেখ আছে।

আমি পোনপটীয়াভাৱে বনুৱাৰ মাজত আন্দোলনমূলক কোনো কথা প্ৰচাৰ কৰা নাছিলোঁ ; কিন্তু যি আন্দোলনে গোটেই ভাৰতৰ জনতাৰ অন্তৰ স্পৰ্শ কৰিছে চাহ-বাগিচাৰ লোৰ জালবেৰৰ মাজত বনুৱাসকলক ৰাখিলেও তেওঁলোকৰ অন্তৰ স্পৰ্শ নকৰাকৈ কেনেকৈ আছে ? এইকেইমাহৰ মাজত আমি দেখিলো, হাটবিলাকত আমাৰ কৰ্মীক লগ পালে চৰ্দাৰ, চকিদাৰ শ্ৰেণীৰ কিছুমানে গান্ধী বাবালৈ বুলি ধন আগ বঢ়ায়। আনকি বাগানৰ মেনেজাৰৰ ৰক্ষিতা পত্নীয়েও ধন পঠায়। সেইবাবে চাহ-বাগানৰ বনুৱাসকলৰ লগত আমাৰ পৰোক্ষ সম্পৰ্ক স্থাপিত হোৱা নাই সেইটো অস্বীকাৰ কৰো কেনেকৈ ?

কিন্তু আমি অকলশৰে কেনেকৈ এটা সিদ্ধান্ত লওঁ ? প্ৰাদেশিক কংগ্ৰেছৰ পৰামৰ্শ বিচৰা হ'ল। কিন্তু প্ৰাদেশিক কংগ্ৰেছৰ নেতৃস্থানীয় কোনো লোকেই গুৱাহাটীত সেই সময়ত নাছিল। যিহওক আমি জিলাৰ ডি-চি লৈ তাঁৰ কৰি জনালোঁ যে আমি সহযোগ কৰিবলৈ প্ৰস্তুত। আমাৰ এনে এটা কথা কিছুমানৰ সমালোচনাৰ বিষয় হ'ল। তেওঁলোকে ৰাজনীতিৰ ভাবতকৈও আমালৈ মৰম আৰু সহানুভূতিৰ বাবেই আমাৰ কথাষাৰ সমৰ্থন কৰা নাছিল। তেওঁলোকৰ যুক্তি আছিল—"বনুৱা বিক্ষোভৰ লগত তোমালোকক জড়িত কৰিবলৈ যত্ন কৰি আছে, তোমালোকে কিয় নিজে আগ বাঢ়ি এই কথাষাৰত সোমোৱা ? কৰ্তৃপক্ষই তোমালোকক বাগিচাত হোৱা নানান ঘটনাৰ লগত জড়িত কৰিবলৈ দিহা কৰি আছেই।" আমাৰ উত্তৰ হ'ল —"ইমানদিন যিমান ঘটনা বাগিচাত হৈছে সকলো ঘটনা ব্যক্তিগত। মেনে-

জাৰৰ লগত বনুৱাৰ ব্যক্তিগত সংঘৰ্ষ সমূহীয়াভাৱে হোৱা উত্তেজনাৰ ফলত এই-বিলাক ঘটনা হোৱা নাছিল। এই পাৰ্থক্য বিচাৰ কৰিহে আমি আগ বাঢ়িছোঁ।” উত্তেজিত চাহ বনুৱা দলে যদি কিবা অঘটন ঘটায় আৰু ইয়াৰ বাবে যদি গুলি চলাবলগীয়া হয়, তেন্তে তাৰ প্ৰভাৱ গোটেই মহকুমাৰ বাইজৰ ওপৰত নপৰাকৈ নাথাকে। নিয়ন্ত্ৰিত উত্তেজিত জনতাই একো ৰাজনৈতিক কাম কৰিব নোৱাৰে। সেইবাবে চাহ বনুৱাৰ মাজত আমাৰ সোমোৱাৰ আৱশ্যক হৈছে। আমাৰ এয়ে যুক্তি।

ডি. চি. ৰো তাঁৰ পোৱা হ'ল, তেওঁ গধূলি তেজপুৰৰ ক্লাবলৈ দেখা কৰিবলৈ মাতিলে। কিন্তু যিমানে সময় যাব ধৰিলে, সিমানেই নানান বাতৰি আহিল। এহেজাৰমান চাহ বনুৱা বাগানৰপৰা ওলাই তেজপুৰলৈ আহি আছে। আসাম ৰাইফলছৰ সহায়ত ৫০ জন বনুৱাক গ্ৰেপ্তাৰ কৰাত তেওঁলোকক জেইলৰপৰা মোকোলাই নিবলৈ আহিব ধৰিছে। এইবিলাক বাতৰিয়ে আমাক আৰু চিন্তান্বিত কৰিলে। ইমানবিলাক মানুহ ভোকত আহিব, তেওঁলোককনো আমাৰ কথা শুনাওঁ কেনেকৈ? উত্তেজিত হৈ আহিছে, আমি কথাৰে কেনেকৈ তেওঁলোকৰ অন্তৰ স্পৰ্শ কৰিব পাৰিম? এইবিলাক প্ৰশ্নৰ উত্তৰত তেওঁলোকক খুৱাবলৈ চিৰা, গুৰ আদি খাদ্য সংগ্ৰহ কৰাত মন দিয়া হ'ল। গধূলি হোৱাৰ লগে লগে নগৰৰ সকলো লোক শঙ্কিত হৈ পৰিল। উত্তেজিত হৈ অহা জনতাই নগৰত কি কৰে? বিশেষকৈ তেওঁলোকে গ্ৰেপ্তাৰ কৰা অনা মানুহবিলাকক মোকোলাই নিবলৈ আহিছে।

যিহওক গধূলি খবৰ পোৱা হ'ল যে ডি. চি. মিঃ লেইনী উভতি আহি ক্লাবত আছেহি। আমিও ডি. চি. ৰ লগত দেখা হ'বলৈ ওলালোঁ। আমাক দেখা পাই তেওঁ ক্লাবৰ সন্মুখলৈ ওলাই আহিল আমাৰ বক্তব্য আছিল —“আপোনাৰ হাতত অস্ত্ৰৰে সজ্জিত আসাম ৰাইফলছৰ বাহিনী আছে, তৎক্ষণাৎ বহুতো মানুহ মাৰিব পাৰিব। কিন্তু তাৰ আগতে এই বনুৱাসকলক লগ ধৰি আমাক বুজাবলৈ সময় নিদিবনে? ইত্যাদি। এই বনুৱাসকলক বুজনি দিয়াৰ আগতে সোধ-পোছ কৰিবলৈ খাদ্য সংগ্ৰহ কৰি থোৱাৰ বাতৰি পাই ডি. চি. মিঃ লেইনী অলপ আচৰিত হ'ল। “আপোনালোকে আমাৰ কাম যথেষ্ট আগ বঢ়াই থৈছে। মই এইবিলাক অবুজ লোকৰ ওপৰত গুলি চলাবলৈ বিচৰা নাই। যদি শান্তিৰে সৈতে তেওঁলোকক ওভোতাই পঠাব পাৰে তেন্তে ভাল পাম আৰু এওঁলোকক বুজনি দিবলৈ মই সুবিধা দিম। মোৰ মনেৰে ৰাতি বাৰ বজা মানত'তেওঁলোক চাৰিআলি পাবহি। (নগৰৰ পৰা আঠৈ মাইল) আপোনালোকে তাত লগ ধৰি ওলোটাই পঠাবলৈ দিহা কৰা ভাল।”

ডি. চি. ৰ সহানুভূতিশীল কথাত আমি আশ্বস্ত হ'লো। আমি যথা সময়ত ৰাতিয়েই চাৰিআলিত উপস্থিত হ'লো। এনেতে দেখো এই জনতা ক্লান্ত হৈ আহিছে। তিৰোঁতাসকল দলৰ আগত। এনেতে লক্ষ্মীধৰ শৰ্মাই মাত লগালে—"মাইঁত ক'লৈ যায় ?" কথাষাৰ শুনিবলৈহে পালে কিছুমানে চিঞৰিবলৈ ধৰিলে—"কোন তইঁত ?" কিছুমানে চিঞৰিলে—"ইইঁত পুলিচৰ মানুহ—মাৰ ইইঁতক।" চাৰিওফালৰপৰা মানুহ আহি আমাক বেটি পেলালে। সকলোৰে মুখত চিঞৰ—"মাৰ ইইঁতক—মাৰ ইইঁতক।" কোঢালৰ মাজতো স্বৰ্গীয় লক্ষ্মীধৰে বুজাব ধৰিলে - মাকে ল'ৰাক মাৰে, আজিও আমাক মাৰিব। পিছে আমাৰ কথা শুনি মাৰক। এই সোতৰ-ওঠৰ মাইল দুখে-ভাগৰে আহিছে। আপোনালোকৰ কোঁচৰ কেঁচুৱাবোৰ কিমান ভাগৰি পৰিছে। আমি আপোনালোকলৈ চিৰা-গুৰ লৈ আহিছো। অলপ নাখাবনে ?" এইদৰে বুজাব ধৰাত লাহে লাহে উত্তেজনা শাম কাটিব ধৰিলে। আমিও ছেগ বুজি চিৰা বিলোৱাত লাগিলো। এইদৰে অলপ শান্ত হোৱাত পুনৰ লক্ষ্মীধৰে আৰম্ভ কৰিলে—"মাইঁত মহাত্মা গান্ধীৰ নাম শুনিছেনে ?"

"কিয় নুশুনিম। গোটেই হিন্দুস্থানৰ মানুহে শুনিছে। আমি নুশুনিম কিয় ?"

"পিছে চাহাবইঁতক এনেদৰে মাৰধৰ কৰাটোত মহাত্মাই বেয়া পাব। মাৰধৰ নকৰি কেনেকৈ কাম কৰিব পাৰি, মহাত্মাই তাকে বুজাই ফুৰিছে।"

"হয় নেকি ? আমিতো একো নাজানো।"

"চাহ মালিকৰ লগত লাঠি লৈ কি যুঁজ কৰিবা ? বাগানত অসুবিধা হৈছে মেনেজাৰক আপত্তি দিয়া। মেনেজাৰে আপত্তি নুশুনিলে জিলাৰ বৰ চাহাবক আপত্তি দিয়া। কিন্তু তাকে নকৰি টাঙোন উলিয়াই যুঁজ দিলে আচল কথা তল পৰে।" এইদৰে বুজোৱা হ'ল।

"এৰা আমি বৰ চাহাবৰ ওচৰলৈ আহিছোঁ। আমাৰ আপত্তি জনাবলৈ আৰু ধৰি অনা মানুহবোৰক মোকোলাই নিবলৈ।"

"বাৰু বৰ চাহাবক আমি ইয়ালৈকে লৈ আহোঁ। ইয়াত আপত্তি জনাব পাৰিব।"

"নাই আমি আহিছো কাচাৰী ঘৰলৈকে গৈ বৰচাহাবক লগ ধৰিবলৈ।"

তেওঁলোকে কাছাৰী ঘৰলৈ গৈ বৰচাহাবৰ ওচৰত আপত্তি জনোৱাত জোৰ দিছে। সেই সময়ত আমাৰ মনলৈ বহুতো প্ৰশ্ন নহাকৈ থকা নাছিল। এই অবুজ বনুৱাসকলক বুজাবলৈ যি যত্ন কৰা হৈছিল, সকলো অথলে গ'ল। তেওঁলোক তেজপুৰলৈ গৈ কাছাৰী ঘৰত বৰচাহাবৰ ওচৰত আপত্তি জনাবলৈ

দৃঢ়প্ৰতিজ্ঞ। এতিয়া কাছাৰী ঘৰলৈ নোযোৱাকৈ কেনেকৈ ৰাখিব পাৰি? কাছাৰী ঘৰৰ এটা ট্ৰেডিশ্যন আছে, ইয়াত সকলো বিচাৰ হয়। মানুহৰ মাজত কাছাৰী ঘৰ সম্পৰ্কে এটা বদ্ধমূল ধাৰণা হৈ আছে। এই কেইদিনমান° আমি বিদৰে কাম কৰিলোঁ। সকলো লক্ষ্য আছিল কাছাৰী ঘৰৰ মৰ্যাদা ক্ষুণ্ণ কৰি ৰাইজৰ পঞ্চায়তৰ মৰ্যাদা প্ৰতিষ্ঠা কৰা। কিন্তু এনে এটা পৰিস্থিতিত ৰাজনৈতিক উপায়—কাছাৰী ঘৰ বৰ্জনৰ কথাষাৰ শুকান খেৰৰ দ'মৰ ওচৰত জুই লৈ ধেমালি কৰা নহ'বনে?

এই মানুহবিলাকৰ মনলৈ অবিশ্বাস আৰু সন্দেহৰ ভাব আহিছে। এই দুপৰনিশা চাৰিআলিত কাক ক'ত বৰচাহাব বুলি দেখুৱাই জানোচা ওভোতাই পঠাওঁ?

এনেতে আমাৰ সহকৰ্মী এজনে বুজিব পৰা হ'ল যে ডি. চি. মিঃ লেইনী আমাৰ পিছফালে দুই কাল'ংমান আঁতৰত ৰৈ আছে। এই খবৰ পাই আমি পিছলৈ উভতি আহি জিলাৰ বৰচাহাব মিঃ লেইনীক পালোহি—তেওঁলোকক পৰিস্থিতি বুজাই কোৱা হ'ল। তেওঁ বহুতো ভাবি-চিন্তি শেষত ক'লে, "ভাল কাছাৰী ঘৰলৈকে লৈ আহক। পুৱা ৮ বজাত মই আহি তাতেই লগ ধৰিম। নগৰৰ ভিতৰত কিবা গণ্ডগোল কৰিলে শান্তি ৰক্ষাৰ ব্যৱস্থা কৰিব পৰা হ'ব।

ডি. চি. আৰু পুলিচ চাহাব মিঃ ক্ৰেয়ুৰ লগত হোৱা কথাৰপৰা বুজা গ'ল যে তেওঁলোক আমাৰ বাবেও হেনো চিন্তিত হৈ আছিল। আমাক ৰক্ষা কৰিবলৈ গুলি চলাবলগীয়া হ'ব পাৰে বুলি তেওঁলোকৰ হেনো আশঙ্কা হৈছিল। সেই সময়ত ৰাতি প্ৰায় দুটা বাজিছে। বিজয়া দশমীৰ পিছত শুক্লপক্ষৰ জোন আকাশত। প্ৰকৃতিয়ে এনে এটা স্নিগ্ধ শান্তি আনিলেও আমাৰ মনত শান্তি নাছিল। পুৱালৈ আমি এই উত্তেজিত জনতাক লৈ কি কৰো? আৰু নগৰত এওঁলোকে কিবা উৎপাত কৰিবনে? অসহযোগ আন্দোলনৰ কৰ্মী হৈ গভৰ্ণমেণ্টৰ লগত আমি সহযোগ কৰিবলৈ আগ বাঢ়িছোঁ—এওঁলোকৰ মাজত শান্তি ৰক্ষা কৰাৰ যি দায়িত্ব লোৱা হৈছে, সেই দায়িত্ব আমি কেনেকৈ পালন কৰোঁ। বাৰুদৰ দ'ম এটাৰ ওচৰ চাপোতে যি সাৱধানতাৰ প্ৰয়োজন, তেনেবিধৰ সাৱধানতা এই পৰিস্থিতিত প্ৰয়োজন—এনে অনুভূতিয়েই মোৰ মনত আহিল।

ৰাতিপুৱা এটা দলত আমি এই বন্ধুৱাসকলক (মুনিহ আৰু তিৰোতাৰ দল) লৈ নগৰলৈ আগ বাঢ়িলো। বজাৰৰ মাজেদি যোৱা বাটটো এৰি কছাৰী গাৱঁৰ মাজেদি এই জনতাক পৰিচালিত কৰিব পাৰিলে হয়, তাৰ বাবে কথাৰে একো নোকোৱাকৈ মৌন ইঙ্গিতেৰে যত্ন কৰা হ'ল; কিন্তু তেওঁলোকে বজাৰৰ বাটকেই ল'লে।

কাছাৰী ঘৰৰ সন্মুখৰ বাকৰিলৈ বৰচাহাব আহিল। কাছাৰী ঘৰৰ আঁৰত

মানুহৰ চকুত নপৰাকৈ আসাম ৰাইফলছ তৈয়াৰ আছে। বৰচাহাবে সুঘিলত তেওঁলোকে এজন এজনকৈ আপত্তি জনালে। তেওঁলোকৰ একো ইউনিয়ন নাই যে নিজৰ অভাৱ আপত্তি সজাই ক'ব। বহুতো বাহিৰা কথাৰ পিছতহে আচল কথাবোৰ ওলাল। পোনতে ডাক্তৰে ভাল ঔষধ নিদিয়ে, জুলাপ দি লেতেৰা কৰি দিয়ে—ইত্যাদি। পুৰণা বিস্কুট চাহাব ভাল আছিল আৰু দুখ বুজিছিল, নতুন চাহাবে আমাৰ দুখ নুবুজে, আমাক দিনে দিনে কামৰ নিৰিখ বঢ়াই দিছে, ১৪ নল কোৰ মাৰিব লাগে, পূজাত আগতে ছুটী পাইছিলো, গোসাঁনী উটুৱা চাবলৈ এইবেলি নিদিলে। গোসাঁনী উটুৱাৰ দিনাও কাম কৰালে। মেনেজাৰৰ ওপৰত ব্যক্তিগত অভিযোগ এটাও তিৰোতা এজনীয়ে জনালে। বহুত পৰৰ পিছত বুজিব পৰা গ'ল যে আগতে যি মৰমৰ সম্পৰ্ক আছিল এতিয়া নতুন চাহাবৰ সেইটো নাই। উটুৱাৰ দিনা কাম কৰোৱা কথাষাৰেই জুই জ্বলালে। আমি প্ৰতি মুহূৰ্ত্ততে আশঙ্কা কঁৰি আছিলোঁ জানোচা ইহঁতে ধৰি অনা লগৰ বনুৱাইঁতক এৰি দিব লাগে বুলি বিচাৰে; কিন্তু ৰাতিৰ উত্তেজনা তেওঁলোকৰ সেই সময়ত নাছিল। বৰ চাহাবৰ কথাতো তেওঁলোক সন্তুষ্ট হোৱা যেন লাগিল। বৰ চাহাবেও ক'লে, "মই তোমালোকৰ কথা শুনিলো, ইয়াৰ বিচাৰ কৰিম। তোমালোক বাগানলৈ উভতি যোৱা। মই তোমালোকক বাগানলৈ পঠাবলৈ এখন সুকীয়া ট্ৰেইনৰ দিহা কৰিছো। এনে কথা শুনি কিছুমানে—"এৰা যোৱাই ভাল, গাইজনী কালিৰে পৰা গোহালিতে বন্ধা আছে, তাইক পানী কোনে খুৱাইছে ছাগে।" ইত্যাদি নানান কথা ক'বলৈ ধৰিলে আৰু সকলো যাবহে মান্তি হ'ল।

এনে পৰিস্থিতিয়ে আমাক সহিষ্ণুতা, ধৈৰ্য আদি নৈতিক সহায় পোৱাত সহায় কৰিলেও, কেইদিনমান পিছতেই পুনৰ এনে এটা পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হ'ল। কছাৰী গাঁও বাগিচাৰ ওচৰৰ ধেনদাই বাগিচাৰ বনুৱাসকলো এইদৰে আহিল—ধৰি অনা মানুহখিনিক এৰি দিব লাগে—"মোৰ মতাটোক কিয় আনিছ, এৰি দে। মোৰ ল'ৰাৰ গাত একো কছুৰ নাই, কিয় ধৰি আনিছ এৰি দে" এইদৰে কাছাৰী ঘৰৰ সন্মুখত উত্তেজিত বনুৱা মুনিহ-তিৰোতাৰ চিঞৰ। মিঃ লেইনীয়ে বিচাৰৰ পিছত এৰি দিব। এতিয়া এনে এটা অৱস্থাৰ মাজত জামিন দিবলৈ মান্তি নহ'ল। উত্তেজিত জনতাসকলক বুজাব নোৱাৰি তেওঁ গুচি যাবলৈ বুলি মটৰ গাড়ীত উঠিবলৈ গ'ল। কিন্তু এই উত্তেজিত বনুৱাসকলে তেওঁক বেঢ়ি ধৰিলে— "আমাৰ আপত্তি বিচাৰ নকৰি ক'লৈ যাব চাহাব? আগতে আমাৰ বিচাৰ কৰি দে।" আসাম ৰাইফলছৰ হুইছেল বাজিল। চকুৰ পচাৰতে বন্দুকত সঙ্গীন লগাই

আসাম ৰাইফলছৰ ২৫ জন চিপাহী বন্দুৰাসকলৰ সন্মুখ পালেহি। আৰু পায়েই আঁঠুকাঢ়ি বন্দুক চলাবলৈ দিহা কৰিলে। চিপাহীবোৰক দেখা মাত্ৰে তিৰোতাবোৰে "মাৰে আমাক," "মাৰে আমাক" বুলি বুকুপাতি চিঞৰিবলৈ ধৰিলে। আমি এই পৰিস্থিতিত কি কৰো; আমিও বন্দুৰাবিলাকৰ মাজত সোমাই তেওঁলোকক বহুৱাই দিয়াত লাগিলো। মাজতে এটা সামান্য নলাৰ সিপাৰে এইদৰে বন্দুক চলাবলৈ সাজু হৈ থকা আসাম ৰাইফলছৰ দল এটা আৰু আন পাৰে তেওঁলোকৰ কেইহাতমান আঁতৰত উত্তেজিত বন্দুৰাৰ জনতা। যি হওক আসাম ৰাইফলছ অহাৰ লগে লগে বন্দুৰাসকলৰ মনোযোগ তালৈকেহে গ'ল। ইতিমধ্যে মিঃ লেইনীও তেওঁলোকৰ মাজৰ পৰা ওলাই আহি, খোজ কাঢ়ি গৈ কাছাৰী ঘৰত সোমাল। তেওঁৰ ওচৰত আমাৰ নিবেদন এয়েই আছিল—"বুজাবলৈ আমাক সুবিধা নিদিয়াকৈ যেন গুলি চলোৱা নহয়।" তেওঁ আশ্বাস দিলে,—"এই অবুজ মানুহবোৰৰ ওপৰত গুলি চলালে কি হ'ব? আমি দুশ্চিন্তাৰে সৈতে ৰাতিটো চাই থাকিব লাগিব।" মিঃ লেইনী গুচি গ'ল আৰু তেওঁৰ গাড়ীখনো ড্ৰাইভাৰে আঁতৰাই নিলে। আমি বন্দুৰাসকলক বুজোৱাত লাগিলো—"চাহাব গুচি গ'ল আৰু গধুলিও হৈ আহিল। তোমালোকে ইয়াত থকাতকৈ স্কুলৰ খেল পথাৰলৈ নোযোৱা কিয়? আমি তাত চিৰা আদি খুউৱাৰ দিহা কৰো। অনাহকত ভোকত থাকিব নেলাগে। কেঁচুৱাবিলাকৰ কিমান ভোক লাগিছে ছাগে।" এইদৰে বুজনি দিয়াত তেওঁলোক উঠিল আৰু আসাম ৰাইফলছেও ট্ৰেজাৰী আঁৰলৈ গুচি গ'ল।

খোৱা-বোৱাৰ পিছত মানুহবিলাকেও পথাৰত জিৰণি লবলৈ দিহা কৰিলে। তেওঁলোকক শান্ত কৰি আমি ভাবিলো কালীপূজাৰ নিশা (৩০ অক্টোবৰ) বান থিয়েটাৰ হলত থিয়েটাৰ চাই কালি পুৱালৈ কি পৰিস্থিতি হয়, তাৰ বাবে সাজু হওঁ। এইবুলি ৰাতি এঘাৰটামান বজাত স্কুল পথাৰৰ ফালৰপৰা বান থিয়েটাৰলৈ যোৱাত লাগিলোঁ। পোষ্ট অফিচৰ কম্পাউণ্ড আদি পাৰ হৈ জেলখানাৰ ওচৰ পোৱাত আঁউসীৰ আন্ধাৰৰ মাজেদি এটা গৰ্জনি আহিল—"হুকুমদাৰ"? (Who comes there)? কি কওঁ বুলি ভাবি থাকোঁতে এজনে ক'লে,—'ফ্ৰেণ্ড' অৰ্থাৎ মিত্ৰ, দুশমন নহয়। আমাক বহুতো মানুহে টৰ্চ মাৰি বেঢ়ি ধৰিলে। চাওঁ, আসাম ৰাইফলছৰ লগতে জেইলখানাৰ এই চুকটোত থকা হাবিৰ পৰা (১৯২১ চনত এই মাটি ডোখৰ হাবি হৈ পৰি আছিল) লেইনী আৰু মিঃ ক্ৰেয়ু ওলাই আহিল। "ওঁ আপোনালোক! আমি ভাবিছিলো বন্দুৰাবিলাকে জেইল আক্ৰমণ কৰিবলৈ আহিছে।" আমি ক'লো বন্দুৰাবিলাকে খাই বৈ এতিয়া পথাৰত শুই পৰিছে।

মনতে তেনে বেয়া থকা যেন নালাগে। আৰু তেওঁলোক শুই থকা যেন দেখি আমিও মানসিক জিৰণি ল'বলৈ বুলি থিয়েটাৰ চাবলৈ আহিছো। "হয় নেকি? যাওক।" এইবুলি আমাক বাট এৰি দিয়া হ'ল।

পিছদিনা পুৱা পুনৰ মানুহবিলাকৰ চিৰা জলপান খুৱাই সেৱকসকলে বুজোৱাত লাগিল। আৰু তেওঁলোকেও বাগিচালৈ উভতি যাবলৈ মান্তি হ'ল। মিঃ লেইনীয়ে খবৰ পঠালে যে যদি মানুহবোৰে ভাত ৰান্ধি খাব খোজে, ৰচদ দিয়া হ'ব। কিন্তু সেই সময়ত এই জনতাৰ ভাত ৰান্ধি খাবৰ ধৈৰ্য নাছিল। পঁজা ঘৰটোৰ কথা, গোহালিৰ গাইজনীৰ কথা ডাঙৰ হ'ল।

এই দুয়োটা ঘটনাই জীৱনত অভিজ্ঞতা গোটোৱাত যথেষ্ট সমল যোগাইছিল। বৃটিছ কৰ্মচাৰী আৰু বৃটিছ গভৰ্ণমেণ্টৰ মাজত থকা পাৰ্থক্যৰ কথা মহাত্মাই 'ইয়ং ইণ্ডিয়াত' লিখা কথাবোৰ বুজিবলৈ ধৰিলো। লেইনীয়ে মানৱতাৰ ফালৰপৰা কথাবোৰ বুজিবলৈ যত্ন কৰিছিল আৰু সেইবাবে অসহযোগীসকলৰ সহায় ল'লে। সেইবাবে তেওঁক বদলী কৰা হ'ল। আনফালে বনুৱাৰ সমস্যা সমাধান হাতত লবলৈ হ'লে কিদৰে সতৰ্কতা সাৱধানতাৰ প্ৰয়োজন, তাকো বুজি পোৱা হ'ল। মহাত্মা গান্ধীয়ে ইয়ং ইণ্ডিয়াত ভাৰতৰ বনুৱা আন্দোলন সম্পৰ্কে যিবিলাক প্ৰবন্ধ লিখি আছিল তাৰ কথাবিলাক এই ঘটনাৰ ব্যক্তিগত অভিজ্ঞতাত বুজিবলৈ সুবিধা পাইছিলোঁ। ভাৰতৰ কেইবাখনো প্ৰদেশৰপৰা অসমৰ চাহ-বাগিচাৰ বাবে বনুৱা সংগ্ৰহ কৰি অনা হৈছে। তেওঁলোকক নিজ নিজ সমাজৰপৰা উভালি আনি, নতুন প্ৰদেশ এখনত নতুন পাৰিপাৰ্শ্বিকতাৰ মাজত বহুৱাবলৈ দিহা কৰা হৈছে। তেওঁলোকৰ মাজত সামাজিক মিলনৰ একো সুবিধা নাই। তেওঁলোকৰ মাজত সংগঠন কৰাটো যে কিমান টান কথা, সেইটো বুজিবলৈ টান নহ'ল। অথচ তেওঁলোকৰ মাজত সংগঠনৰ প্ৰয়োজনীয়তাও বুজি পোৱা হ'ল। অতি সহজে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ ন্যায় অন্যায় বিচাৰ নকৰাকৈ, কাম কৰাৰ দিহা কৰাটোৱেই বনুৱা সংগঠনৰ দুৰ্বলতা। ৰাজনীতিৰ কথাবিলাকৰ পৰা বনুৱা সংগঠন সদায় আঁতৰি থকা উচিত। অহিংস উপায়েৰে কেনেকৈ কাম কৰিব পাৰি এই সম্পৰ্কে আমি নিজেই ভালকৈ বুজি পোৱা নাছিলোঁ। বনুৱাৰ বিদ্ৰোহৰ পিছত হোৱা এই পৰিস্থিতিয়ে এই সম্পৰ্কেও শিক্ষাৰ সমল যোগালে।

১৯২১ চনৰ নৱেম্বৰ মাহ। আমি তেতিয়া একাগ্ৰমনে অসহযোগ আন্দোলনত লাগি থাকোতে চাহ বাগিচাৰ বনুৱাসকলৰ বিক্ষোভত অসহযোগী হৈও শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰিবলৈ গভৰ্ণমেণ্টৰ লগত সহযোগ কৰিছিলোঁ। অকল সেয়েই

নহয় আদালত বৰ্জন কৰিও কাচাৰী ঘৰলৈ বিক্ষুব্ধ বন্ধুবৰসকলক বাট দেখুৱাই লৈ গৈছিলো। মহাত্মা গান্ধীৰ কথা আমি সেই সময়ত যিদৰে বুজিছিলো সেইমতে কাম কৰিবলৈ যত্ন কৰিছিলোঁ।

মহাত্মা গান্ধীয়ে এবছৰৰ ভিতৰত স্বৰাজ হ'ব বুলি দৃঢ়াই ক'লেও কথাষাৰ চৰ্তহীন নাছিল। যি ৰচনাত্মক কাৰ্যক্ৰম ভাৰতৰ ৰাইজৰ সন্মুখত মহাত্মাজীয়ে দাঙি ধৰিছিল, সেই কাৰ্যক্ৰম মতে আমি কাম কৰিলেহে এবছৰৰ ভিতৰত স্বৰাজ হোৱা অৱশ্যম্ভাবী বুলি মহাত্মাই কৈছিল।

অক্টোবৰ মাহত মহাত্মাই 'ইয়ং ইণ্ডিয়া'ত লিখিলে "মোৰ স্বদেশী নাইবা অসহযোগৰ আঁচনি এটা নিষ্ক্ৰিয়নীতি নহয়। মই অসহযোগৰ আঁচনি দাঙি ধৰিছো—তাৰ মাজত স্বদেশী আৰু অহিংসা সোমাই আছে আৰু এই আঁচনি সমগ্ৰ পৃথিৱীৰ বাবে বুলি মই যদি ঢোল পিটি কোৱা নাই তাৰ কাৰণ মোৰ স্বভাৱ। মোৰ স্বভাৱে নিৰ্জৰ কথা এইদৰে চিএঞৰি ক'বলৈ বাধা দিছে। যদি ভাৰতৰ মাটিত ইয়াৰ গুটি নধৰে, তেন্তে এই জোপা গছ বাগৰি পৰিব। ভাৰতবৰ্ষই এতিয়া পৃথিৱীক দিব পৰা বস্তু একো নাই। ভাৰতৰ কেৱলমাত্ৰ আছে দাৰিদ্ৰ্য, নৈতিক অধঃপতন আৰু মাৰি-মৰক। আমাৰ পুৰণি শাস্ত্ৰবোৰ আমি বিদেশলৈ পঠাব পাৰোনে? আমি এইবিলাকৰ উত্তৰাধিকাৰী হৈও এইবিলাকৰ আদৰ্শমতে নচলোঁ। আনক দিয়াৰ আগতে আমি এইবিলাকৰ অধিকাৰী হব লাগিব। ধোঁৱা চাঙত তুলি থলেই আমি এইবোৰৰ অধিকাৰীনে? আমাৰ অসহযোগ ইংৰাজৰ লগত, নাইবা পাশ্চাত্য জগতৰ লোকৰ লগত নহয়। ইংৰাজে যি নিয়ম-কানুন ভাৰতত প্ৰৱৰ্তন কৰিছে তাৰ লগতহে অসহযোগ। ইংৰাজে যি বস্তুবাদী সভ্যতা আৰু লগে লগে দুৰ্বলীৰ শোষণ আৰু ধন ঘটিবলৈ লোভ বঢ়াইছে, তাৰ লগতহে আমি অসহযোগ কৰিবলৈ কৈছো। আমাৰ অসহযোগ হৈছে নিজৰ ভিতৰত, আত্মাৰ ভিতৰত সোমোৱা আত্মবিশ্লেষণ। ইংৰাজ শাসনকৰ্তাসকলে আমালৈ সহযোগৰ চৰ্ত আগ বঢ়াইছে, সেই চৰ্তবিলাক আমি অস্বীকাৰ কৰি আমি যি চৰ্ত আগ বঢ়াম সেইমতে তেওঁলোকৰ সহযোগ বিচৰাৰ কথা মই কৈছোঁ—আমি ক'ম—"আহাঁ, আমি দিয়া চৰ্তমতে আমাৰ লগত সহযোগ কৰাঁ, এইদৰে কৰিলে তোমালোকলৈ ভাল, আমালোকলৈ ভাল, সমগ্ৰ পৃথিৱীলৈকে ভাল।

"যিজনলোক পানীত কক্‌বকাই আছে তেওঁ আনক ৰক্ষা কৰিব নোৱাৰে। আমি নিজক ৰক্ষা কৰিবলৈ নিশ্চয় যত্ন কৰিব লাগিব। ভাৰতৰ জাতীয়তাবাদ আনক বাদ দিয়া নাইবা লোকক আক্ৰমণ কৰি তেওঁলোকৰ দেশ দখল কৰিবলৈ

যোৱা নহয়, নাইবা ধ্বংসাত্মক বিধৰ নহয়। ক্ষুধার্ত জনতাক লাগে জীৱনীশক্তি দিব পৰা আহাৰ। তেওঁলোকে, এই আহাৰ উপাৰ্জন কৰিব লাগিব। এইদৰে মহাত্মাই যঁতৰৰ তাৎপৰ্য বুজাবলৈ ধৰিলে।

মহাত্মা গান্ধীয়ে ভাৰতীয় জনতাৰ শক্তি নিয়ন্ত্ৰিত কৰিব ধৰিলেও, তেওঁলোকে কেনেকৈ গভৰ্ণমেণ্টৰ সিংহসদৃশ হিংসা শক্তিৰ সন্মুখীন হয়, এয়ে হ'ল আমাৰ প্ৰশ্ন। অহিংসাত আস্থা নথকা এদল সমালোচকে মহাত্মা গান্ধীয়ে ভাৰতীয় জনতাক পৌৰুষ-হীনতালৈ নিব ধৰিছে বুলি সমালোচনা নকৰা নহয়। এনে এটা পৰিস্থিতিৰ মাজত মহাত্মাই খাজনা বন্ধ কৰিবলৈ বৰদোলী তালুকৰ ৰাইজক সাজু কৰিবলৈ ধৰিলে।

কংগ্ৰেছৰ কাৰ্যকৰী কমিটিয়ে সকলো প্ৰদেশকে খাজনা বন্ধ কৰাৰ কাৰ্যক্ৰম লবলৈ দায়িত্ব দিলে; কিন্তু চৰ্ত বান্ধি দিলে। যি অঞ্চলত এনে এটা কাৰ্যক্ৰম লোৱা হ'ব সেই অঞ্চলৰ ৰাইজ সকলো বিষয়তে স্বাৱলম্বী হব পাৰিছেনে নাই, নিজৰ লগা বস্ত্ৰ তেওঁলোকে উৎপাদন কৰিব পাৰিছে নে নাই। খাজনা বন্ধ কৰাটো স্থিৰ কৰিলে বাহিৰৰপৰা বস্ত্ৰ অহা বন্ধ হবৰ সম্ভাৱনা। সেইবাবে এনে এটা চৰ্ত দিয়া হৈছিল। ইয়াৰ বাহিৰেও সেই অঞ্চলৰ ৰাইজে হিন্দু-মুছলমান একে-লগে মিলা-প্ৰীতিৰে আছে নে নাই, অস্পৃশ্যতা মহাপাপ সেই অঞ্চলৰ সমাজে বৰ্জন কৰিব পাৰিছে নে নাই, ইত্যাদি। আৰু এটা কথা মহাত্মাই জনাইছিল— সত্যাগ্ৰহীসকলে নাইবা তেওঁলোকৰ পৰিয়ালে কংগ্ৰেছৰপৰা কোনো আৰ্থিক সহায় ল'ব নোৱাৰিব। কিছুমানে বিচাৰিছিল যে খাজনা বন্ধ কৰাৰ আন্দোলন সকলো ঠাইতে একেলগে কৰিব লাগে আৰু সকলো ঠাইতে একেলগে কৰিলেহে এই আন্দোলন কৃতকাৰ্য হব। এঠাইত কৰিলে গভৰ্ণমেণ্টে সকলো চিপাহী লগাই সেই ঠাইত মানুহক সৈমান কৰিব পাৰিব—তেওঁলোকৰ এনে যুক্তি আছিল। কিন্তু মহাত্মা গান্ধীয়ে তেওঁলোকৰ পৰামৰ্শ গ্ৰহণ নকৰিলে।

মহাত্মা গান্ধীয়ে ক'লে—তেওঁ কেনেকৈ এই আন্দোলন চলায়, তালৈ বাট চাই থাওক। 'নিজৰ তত্বাৱধানত মই এই আন্দোলন চলাম, মই সকলো প্ৰদেশৰ নেতাসকলৰপৰা মোৰ কামত বন্ধু ভাবৰ সহানুভূতিৰ বাহিৰে আন একো সহায় বিচৰা নাই। তেওঁলোকৰ নিজৰ নিজৰ ঠাইত যাতে শান্তি ভঙ্গ নহয় কেৱল তালৈ যেন তেওঁলোকে সক্ৰিয় দৃষ্টি ৰাখে। আন সকলো ঠাইতে যদি শান্তি ৰক্ষা হয়, তেন্তে মোৰ জয় অনিবাৰ্য, তাত কোনো সন্দেহ নাই।'

এই সময়ত মহাত্মা গান্ধীয়ে 'ইয়ং ইণ্ডিয়া'ত এটা প্ৰবন্ধ লিখিলে - "মৃত্যুলৈ ভয়" "স্বৰাজ হৈছে মৃত্যুলৈ ভয় বৰ্জন।" ভাৰতীয় ৰাইজৰ ওপৰত মহাত্মাৰ যি নৈতিক

প্ৰভাৱ আছিল, তাৰে ভাৰতৰ এই ভীৰু জনতাৰ অন্তৰত কেনেকৈ সিংহৰ সাহ আনিলে, সেই সময়ত আমি তাকেই উপলব্ধি কৰিছিলো। আমাৰ তাকেই বোধ হৈছিল।

"আমি যেতিয়া স্বৰাজ পাম, তেতিয়া আমাৰ বহুতৰেই মনৰপৰা 'ভয়' কথাষাৰ গুচিব। সেয়ে নহ'লে স্বৰাজ আমি নেপালোহেঁতেন। ল'ৰা-ছোৱালী, ডেকা নাইবা বুঢ়ালোক কোনোবা ঢুকালে আমি কিয় অস্থিৰ হ'ম? পৃথিৱীত এনে এটা মুহূৰ্ত নাই যি সময়ত কোনো এজন মানুহ মৰা নাই, নাইবা কোনোবা-জনৰ জন্ম হোৱা নাই। জন্মৰ সময়ত আনন্দ কৰা আৰু মৃত্যুৰ সময়ত হিয়া ভুকুৱাই কন্দা যে মূৰ্খামি আমি বুজিম। যিসকলে আত্মাত বিশ্বাস কৰে, তেওঁলোকে জানে যে আত্মাৰ মৃত্যু নাই। এইদৰে যদি আমি ভাবিবলৈ শিকোঁ তেন্তে আমি মৃত্যুলৈ ভয় এৰিব পাৰিম। যিজন মানুহৰ মৃত্যুলৈ ভয় নোহোৱা হৈছে. তেওঁ কাৰাদণ্ডলৈ কিয় ভয় কৰিব! এবছৰৰ ভিতৰত স্বৰাজ পাবলৈ আমি প্ৰাণ দিয়াৰ কথাও আমাৰ চকুৰ আগত ৰাখিবলগীয়া হোৱা বাবে মই এই বিষয়টো লিখিবলৈ বহিছো। সাহিয়াল লোকে মুখত হাঁহিলৈ মৃত্যু বৰণ কৰে কিন্তু সেইবুলি তেওঁ সতৰ্কতা কেতিয়াও এৰি নিদিয়ে। অহিংস ৰণ এখনত দুঃসাহসৰ ঠাই নাই। দুৰ্নীতিৰ কাম কৰি জেললৈ যোৱা, নাইবা প্ৰাণদণ্ড লোৱা কথা আমি কৰিবলৈ নাযাওঁ। গভৰ্ণমেণ্টৰ যিবিলাক আইন অত্যাচাৰী. সেইবিলাক আইনৰ প্ৰতিৰোধ কৰি, আমি বলীশালত মূৰ পাতি দিম।' মহাত্মাৰ এই কথাবিলাকে আমাৰ মনলৈ নতুন সাহ আনিলে। আৰু এই প্ৰবন্ধটো ভাঙনি কৰি গাঁৱে গাঁৱে প্ৰচাৰ কৰাত লাগিলো। এই কথাবোৰে কৰ্মীসকলৰ মনলৈ যিদৰে সাহ আনিছিল,, সেইদৰে গাঁৱত থকা জনতাৰ মনলৈকো নতুন সাহ আনিছিল। সেইবাবেই ১৯২১ চনত অসমে সকলো নিৰ্যাতন হাঁহি মুখে সহিব পাৰিছিল।

বৰদোলীত মহাত্মাই খাজনা বন্ধ কৰাৰ আয়োজন কৰাৰ লগে লগে আৰু প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ ওপৰত প্ৰদেশৰ কোনো অঞ্চলত এনে এটা কাৰ্য্য লোৱাৰ মীমাংসা কৰিবলৈ দায়িত্ব দিয়াত বহুতো মৌজাই খাজনা বন্ধ কৰিবলৈ দিব লাগে বুলি আবেদন নিদিয়া নহয়। বহুতৰ মনলৈ এনে এটা কথাৰ প্ৰকৃত তাৎপৰ্য পৰিস্ফুট হোৱা নাছিল। তেজপুৰ মহকুমাৰ কিছুমান মৌজাৰ কৰ্মীয়ে এইবাবে বৰকৈ লাগিছিল আৰু আমি তেওঁলোকক সকলো কথা বুজাবলগীয়া হৈছিল—"চোৱা দোকানৰ কাপোৰ নহ'লে তোমালোক চলিব নোৱাৰা। স্বাৱলম্বনৰ জোখেৰে তোমালোক কিমানখিনি স্বাৱলম্বী হব পাৰিছা চোৱা। এতিয়ালৈকেঃ সম্পূৰ্ণৰূপে

স্বদেশী হব পৰা নাই। তোমালোকৰ ওচৰতে সৌকেইখন কৈৱৰ্ত্ত গাঁও আছে। তেওঁলোকক তোমালোকে নিঘিনোৱাকৈ নাথাকা। খাজনাৰ বাবে তোমাৰ বস্তু-বাহানি ক্ৰোক কৰি ল'লে তুমি অস্থিৰ হৈ নপৰিবানে?" ইত্যাদি।

মহাত্মা গান্ধীয়ে গণ-সত্যাগ্ৰহ কথাষাৰ কি, তাকো বুজাই 'ইয়ং ইণ্ডিয়া'ত লিখিবলৈ ধৰিলে। "গণ সত্যগ্ৰহ এটা প্ৰচণ্ড ভূইকঁপৰ দৰে। ৰাজনীতিৰ ক্ষেত্ৰত সৰ্বসাধাৰণৰ একেলগে উত্থান। য'ত গণসত্যাগ্ৰহৰ ৰাজত্ব আৰম্ভ হয় তাত ৰাইজৰ সমৰ্থন নোপোৱাকৈ চলি থকা গভৰ্ণমেণ্টৰ ওৰ পৰে তাত। প্ৰত্যেকজন পুলিচ কনিষ্টবল, সৈন্য আৰু প্ৰত্যেকজন চৰকাৰী কৰ্মচাৰীয়ে হয় নিজৰ কাম এৰিব নহয় স্বৰাজৰ তলত চাকৰি ল'ব। পুলিচথানা, কাচাৰীঘৰকে আদি কৰি সকলো অনুষ্ঠান গভৰ্ণমেণ্টৰ সম্পত্তি হৈ নাথাকে। ৰাইজে এইবিলাকৰ দায়িত্ব লব'হি। কিন্তু এই উদ্দেশ্যে গাৰ বল প্ৰয়োগ কৰিব নালাগে। গভৰ্ণমেণ্টৰ হুকুম অমান্য কৰাটো সম্পূৰ্ণ হব লাগিব। গভৰ্ণমেণ্টে যদি কয়, সোঁফালে যোৱা, আমি বাওঁফালে যাবলৈ দ্বিধা নকৰা হব লাগিব। কিন্তু গভৰ্ণমেণ্টলৈ প্ৰতিৰোধৰ ভাব ইমান দৃঢ় হ'লেও আইন অমান্যৰ সাৰ কথা—স্থিত প্ৰজ্ঞৰ দৰে আচৰণৰ পৰা যেন খোপনি এৰা নহয়। আইন অমান্যত যদি শান্তিপূৰ্ণ ভাবৰ অভাৱ হয় যদি বাহাদুৰি দেখুৱা, নাইবা দাম্ভিকতাৰ ভাবত নাইবা খঙ আৰু উত্তেজনা আৰু প্ৰতিশোধৰ ভাবত অমান্য কৰা হয়, তেতিয়া সত্যাগ্ৰহৰ সত্য কথাষাৰৰ অপলাপ কৰা হয়। সেইবাবে সত্যাগ্ৰহলৈ সকলো যেন নাহে।"

মহাত্মা গান্ধীৰ এইবিলাক কথা সেইসময়ত আমি কাৰ্যত প্ৰয়োগ কৰিব নোৱাৰিলেও, প্ৰতি খোজত সাৱধান হ'বলৈ যত্ন কৰিছিলোঁ।

বোম্বেত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ মিটিঙত মহাত্মাই বৰদোলীৰ সত্যাগ্ৰহৰ কথা বুজাওতে কৈছিল—"বৰদোলীত যেতিয়া স্বৰাজৰ পতাকাখন বিজয় গৌৰৱেৰে উৰিব, তেতিয়া বৰদোলীৰ ওচৰৰ তালুকখনৰ ৰাইজে বৰদোলীৰ খোজতে খোজ মিলাই স্বৰাজৰ পতাকাখন উৰুৱাবলৈ যত্ন কৰিব। এইদৰে ইখন জিলাৰপৰা সিখন জিলালৈ স্বৰাজৰ বতাহ ব'বলৈ ধৰি সমগ্ৰ ভাৰততে স্বৰাজৰ পতাকা উৰিব। কিন্তু বৰদোলীত আন্দোলন চলি থাকোতে দেশৰ কোনো এখন ঠাইতো যদি অলপো শান্তি ভঙ্গৰ ঘটনা হয়, তেন্তে সেই আন্দোলন চলোৱাটো উচিত নহব। যদি সত্যাগ্ৰহেৰে আমি জয় লাভ কৰিব বিচাৰিছোঁ তেন্তে সমগ্ৰ দেশতেই সকলো ৰাইজৰ মাজত একতা আৰু মিলনৰ সুৰ বাজিব লাগিব। কিন্তু কোনো এখন ঠাইতো যদি ৰাইজৰ মাজত অশান্তি হয়, তেন্তে সেই আন্দোলনে শান্তিৰ আন্দোলনৰ

ৰূপ এৰিব। বীণখনৰ তাঁৰ এডাল ছিঙিলে সুৰৰ লয় হেৰায়, আমাৰো সেইদৰে হব।” মহাত্মাৰ এইবিলাক কথা দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈয়ে গুৱাহাটীৰ মাছখোৱা পথাৰত বহা (১৯২১ চনৰ ১৪ নৱেম্বৰ) ডাঙৰ সভাত বুজাইছিল আৰু আমাৰ নিজৰ নিজৰ ঠাইত আমি সাৱধান হবলগীয়া হৈছিলোঁ। বোম্বেত মহাত্মা গান্ধীয়ে বুজোৱা সত্ত্বেও ইয়াৰ অলপ দিনৰ পিছতেই তাত শান্তি ভঙ্গ হ'ল আৰু সেইবাবে মহাত্মাই ৫ দিন জুৰি অনশন ব্ৰতলৈ বৰদৌলীৰ গণ-সত্যাগ্ৰহ স্থগিত কৰিবলগীয়া হ'ল। ঘটনাটো আছিল এনে ধৰণৰ—

অসহযোগ আন্দোলনৰ বাবে কংগ্ৰেছে ইংলণ্ডৰ যুৱৰাজক অভ্যৰ্থনা কৰা উৎসৱবিলাক বৰ্জন কৰিবলৈ আৰু ৭ নৱেম্বৰ তাৰিখে বোম্বেৰ বন্দৰত তেওঁ নমাৰ দিনা শান্তিপূৰ্ণ হৰতাল পালন কৰিব লাগে বুলি পৰামৰ্শ দিছিল। সেইমতে তেজপুৰত আমি হৰতাল পালন কৰিলোঁ। কিন্তু হঠাতে তেজপুৰৰ জাহাজ ঘাটত এটা গোলমাল হোৱাৰ উপক্ৰম হ'ল। বিহাৰৰপৰা অহা বনুৱাবিলাকে হৰতালত যোগ দিলেও ঘাটত খালাছীবোৰৰ হতুৱাই মাল নমোৱাবলৈ দিহা কৰাত গোল-মাল হোৱাৰ আশঙ্কা হৈছিল। কিন্তু আমি ততালিকে ঘটনাস্থল পোৱাত আৰু চৰ্দাৰজনৰ (সোমেশ্বৰ চৰ্দাৰ) সহায়ত শান্তি ৰক্ষা কৰিব পাৰিলোঁ। এইদৰে গুৱাহাটীকে আদি কৰি কেইবাটাও জাহাজঘাটত একে কথাকে লৈ শান্তিভঙ্গৰ উপক্ৰম হৈছিল, কিন্তু কংগ্ৰেছৰ কৰ্মীসকলে শান্তি ৰক্ষা কৰিব পাৰিছিল। খালাছী-সকলৰো হৰতালত যোগ দিয়াত সম্পূৰ্ণ সমৰ্থন আছিল। বিশেষকৈ পূৰ্ববঙ্গৰ খিলাফত নেতা পীৰ বাদশা মিঞাৰ কথা শুনি ১৭ তাৰিখলৈ কাম বন্ধ কৰাৰ ইচ্ছা আছিল। সেইটো কৰিবপৰা হ'লে ব্ৰহ্মপুত্ৰ আৰু গঙ্গানৈত চলি থকা সকলো জাহাজ এদিনলৈ বন্ধ হ'লহেঁতেন। কিন্তু খালাছীবোৰৰ মন থাকিলেও, সেইটো কৰিবপৰা নাছিল। খালাছীসকলে তেওঁলোকৰ দুখৰ কথা আমাক জনাইছিল। তেওঁলোকৰ চাকৰি চাৰেঙৰ ইচ্ছাৰ ওপৰতে নিৰ্ভৰ কৰে। চাৰেঙে গাঁৱৰপৰা তেওঁলোকক গোটাই আনে, জাহাজত কাম কৰিবলৈ দিহা কৰি দিয়ে—খোৱা-বোৱা সকলো তেওঁৰ খৰচতেই হয়, বানচ হিচাপে কেৱল ১৬ টকা দিয়া হয়, তাকে ঘৰলৈ পঠিয়ায়। এই খালাছীবিলাকে কিমান দুখত থাকিবলগীয়া হৈছে তাকে বুজাই হৰতালৰ প্ৰতি তেওঁলোকৰ অনুকূল মনোভাব থকাৰ কথা আমাক জনাইছিল আৰু আমিও তেওঁলোকৰ ওপৰত নৈতিক প্ৰভাৱ বিস্তাৰৰ বাহিৰে আন একো উপায় পোৱা নাছিলোঁ। এই হৰতাল যাতে শান্তিপূৰ্ণভাৱে পালন কৰা হয়, সেইবাবে আমি বহুতো কথা মন কৰিবলগীয়া হৈছিল। ১৭ নৱেম্বৰ তাৰিখে ক'ত ক'ত

সাপ্তাহিক হাট বহে তাৰ খবৰ লোৱা আৰু সেইবোৰ শান্তিপূৰ্ণভাৱে বন্ধ ৰখাবলৈ দিহা কৰিব লগা হৈছিল। কিন্তু চাহ বাগিচাৰ হাটলৈয়েই আশঙ্কা আছিল, কাৰণ চাহ বাগিচাৰ বনুৱাই চাউল-পাতৰ অসুবিধা পালে উত্তেজিত হব পাৰে; সেইবাবে জাননী দি আগৰ সপ্তাহতেই ১৭ তাৰিখৰ বাবে প্ৰয়োজনীয় বস্তু মজুত কৰি ল'বলৈ জনোৱা হৈছিল। তথাপিও সৰু সৰু যেপাৰীক লৈ কিছুমান অসুবিধা নোপোৱা নহয়। তেওঁলোকে ক্ষতি স্বীকাৰ কৰিবলৈ সহজে মান্তি হোৱা নাছিল। সেইবাবে গাঁৱলীয়া ৰাইজে তেওঁলোকৰ ওপৰত সামাজিক হেঁচা দিবলৈ দিহা কৰিছিল। মানৱীয় সম্পৰ্কত ক'ত কি সংঘৰ্ষ হয়, আৰু সংঘৰ্ষই পোনতে সৰু হ'লেও পিছত কি ৰূপ লয়, মানুহে ক'ব নোৱাৰে; সেইবাবে এইবিলাক কথালৈ আমি চকু ৰাখিবলগীয়া হৈছিল। ইয়াৰ বাহিৰেও চাহ বাগিচাৰ মেনেজাৰসকলৰ সম্পৰ্কেও সাৱধান হবলগীয়া হৈছিল। ৰঙা কাপোৰ দেখিলে ম'হে যিদৰে উচপ খই বলিয়া হোৱাদি হয়, সেইদৰে চাহ বাগিচাৰ মেনেজাৰসকলেও বগা গান্ধী-টুপি দেখা মাত্ৰে বলিয়া হোৱাদি হৈছিল, বিশেষকৈ বাগিচাৰ হাটত গঞা ৰাইজৰ কোনোলোকৰ মূৰত গান্ধী-টুপি দেখিলেতো কথাই নাই এই লৈ সংঘৰ্ষ নোহোৱা নহয়। এনে ধৰণৰ ঘটনাত আমি কি কৰোঁ সিও এটা সমস্যা হৈছিল। এই সম্পৰ্কে সুকীয়াকৈ আলোচনা কৰিবলৈ থৈ এই প্ৰবন্ধৰ কথালৈ উলটি আহোঁ।

শান্তিৰক্ষা কৰিবলৈ আমাৰ চেষ্টা কৃতকাৰ্য হ'লেও বোম্বেত ঘটনা অলপ গুৰুতৰ হ'ল। পাৰ্চী আৰু এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ কিছু লোক যুৱৰাজৰ অভ্যৰ্থনা উৎসৱত যোগ দিবলৈ যোৱাত হিন্দু আৰু মুছলমান লোক অধৈৰ্য হৈ তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰিছিল আৰু জনতাই মুখত মহাত্মাৰ জয়ধ্বনি দি পুলিচ ষ্টেচনত জুই লগোৱা, পাৰ্চী আৰু এংলো-ইণ্ডিয়ান তিৰোতাৰ ওপৰত অত্যাচাৰ কৰাত লাগিছিল। বোম্বেৰ ঘটনা দেখি মহাত্মাৰ মনলৈ এটা বিশ্বাস হ'ল যে এই ঘটনাবিলাকৰ আঁৰত ক'ৰবাত কিছুমান চক্ৰান্তকাৰী লোক আছে। যিসকলে এই জনতাক পৰিচালিত কৰিব ধৰিছে। যদি বোম্বেৰ দৰে ঠাই এখনতেই চক্ৰান্ত-কাৰীসকলে এইদৰে আঁৰৰ পৰা জনতাৰ জৰিয়তে হিংসামূলক কাম কৰিব পাৰে তেন্তে বৰদোলীত গণ-সত্যাগ্ৰহ এটা অলীক কল্পনাৰ দৰেই থাকিব। মহাত্মাই আৰু ভাবিলে—"বোম্বেৰ ঘটনাৱলীয়ে মোৰ চকু মেল খুৱালে। ই ভগৱানৰ বিধান। মই বোম্বেলৈ আহিব বিচৰা নাছিলোঁ, কিন্তু ভগৱানে মোৰ নিজৰ চকুৰে সকলো কথা দেখুৱাবলৈকে ইয়ালৈ আনিলে। আজি মই আহমদাবাদত থকা হ'লে বোম্বেৰ কথাবোৰ টিলাই দিলোহেঁতেন। কিন্তু মোৰ চকুৰ আগত যিবোৰ ঘটনা দেখিলোঁ

সেইবিলাক মই আওকাণ কৰিব নোৱাৰো; মই বৰদোলীত খাজনা বন্ধৰ আন্দোলন কৰা হ'লে এই মুহূৰ্ত্তত মই যে কি বিপদত পৰিলোহেঁতেন—কোনে ক'ব পাৰে!" এনেবিলাক কথাই মহাত্মাৰ মনলৈ আহিল।

"মই জনতাৰ ওপৰত স্থায়ীভাৱে প্ৰভাৱ পেলাব পৰা নাই কিয়? মোৰ অহিংসাৰ শক্তি কলৈ গ'ল? মই এতিয়া কি কৰো? জনতাৰ অত্যাচাৰত দুখ-বেজাৰ পোৱা এই লোকসকলক মই গভৰ্ণমেণ্টৰপৰা সহায় ল'বলৈ ক'ব নোৱাৰোঁ। ন্যায় সাধিবলৈ আমাৰ কোনো পঞ্চায়ত নাই। এনে কোনো লোক নাই মই যিজনৰ ওচৰ চাপিব পাৰোঁ আৰু যিজনে শান্তি প্ৰতিষ্ঠা কৰিব পাৰে। এইদৰে নিৰ্যাতিত লোকসকলক মই কিদৰে সান্ত্বনা দিওঁ—উত্তেজিত হৈ থকা পাৰ্চী আৰু খ্ৰীষ্টানলোক-সকলৰ মাজত মই নিজক সঁপি দিব পাৰোঁ। তেওঁলোকে মোক পচলা কুটা দি কুটি পেলাব পাৰিব, কিন্তু তাৰ ফল কি হব? ইয়াৰপৰা ভাৰতত তেজৰ বাঙলী সোঁত বব। চিপাহি হিচাপে কোনো অপৰিহাৰ্য বিপদত মই নিজে আঁতৰি থাকিব নালাগে, কিন্তু এইদৰে বিবেচনাবিহীন হৈ মৃত্যুৰ মুখত সঁপি দিয়াটোও উচিত নহব।"

"মই যদি এই নিপীড়িত উত্তেজিত জনতাৰ ওচৰত নিজকে সপি দি মৃত্যু বৰণ কৰিব নোৱাৰোঁ, তেন্তে মই কি কৰোঁ? মই ভগৱানৰ ওচৰত নিজকে সঁপি দিওঁ, তেৱেঁই মোক উদ্ধাৰ কৰক; যেতিয়ালৈকে ভগৱানে মোৰ অন্তৰৰ প্ৰাৰ্থনা শুনে, তেতিয়ালৈকে মই কোনো আহাৰ গ্ৰহণ নকৰোঁ। মোৰ দৰে দেৱলীয়াৰ বাবে আৰু আন কি উপায় আছে! মই জনতাৰ নিৰ্দোষিতাৰ ওপৰত আস্থা ৰাখি আগ বাঢ়িছিলোঁ। ১৭ তাৰিখে মই তেওঁলোকৰ হাতত যি অস্ত্ৰ দিছিলোঁ তেওঁলোকে সেই অস্ত্ৰৰ অৱমাননা কৰিলে। এতিয়া মোৰ (প্ৰেম-অহিংসাৰ) অস্ত্ৰপাতৰ সন্মান মই পুনৰুদ্ধাৰ কৰিব লাগিব, নহ'লে এই চেষ্টাতে মৃত্যুবৰণ কৰিব লাগিব। ভগৱানে মোৰ যোগেদি যি কাম কৰাবলৈ বিচাৰিছে, সেই কাম মই কৰিবলগীয়া হ'লে, মই তেওঁৰ ভৰিৰ ধূলিত মিলি যাব লাগিব। মোৰ অন্তৰত যে একাগ্ৰতা আছে, তাকে মই হেজাৰ উপায়েৰে প্ৰমাণ দি দেখুৱাব লাগিব। তেওঁৰ কাম 'কৰিবলৈ মই অলায়ক হ'লে, তেওঁ মোক ঘূৰাই নি তেওঁৰ যোগ্যমতে তৈয়াৰ কৰি মোক পুনৰ পঠাওক।" ইয়াৰ লগতে মহাত্মাই নিজৰ মৰমৰ পুতেক দেৱদাসক বোম্বাইলৈ মতাই বলিৰ বাবে আগ বঢ়াব বুলি জনাই অনশন ব্ৰত ল'লে।

সেই সময়ত বাতৰি কাকতত এইবিলাক কথা পঢ়ি আমি কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিলোঁ, আৰু মহাত্মাই আমাৰপৰা কি বিচাৰিছে তাকো বুজিবলৈ আমি যত্ন কৰিছিলোঁ।

১৯২১ চনৰ ডিচেম্বৰ মাহৰ লগে লগে গভৰ্ণমেণ্টে অসহযোগ আন্দোলন বন্ধ কৰিবলৈ কঠোৰ ব্যৱস্থা ল'বলৈ ধৰিলে। নৱেম্বৰ মাহৰ শেহৰফালে ফৌজদাৰী দণ্ডবিধি আইনৰ ১৭ ধাৰা প্ৰয়োগ কৰি কংগ্ৰেছ কমিটিবোৰ বে-আইনী বুলি ঘোষণা কৰা হ'ল। স্বয়ংসেৱক হবলৈ গঠন কৰা দলবোৰ বে-আইনী বুলি গ্ৰেপ্তাৰ কৰাত লাগিল। আনফালে কংগ্ৰেছ অফিচ খানাতালাচ কৰাতো লাগিল। ইয়াৰ লগতে নেতৃস্থানীয় লোকসকলক গ্ৰেপ্তাৰ কৰিবলৈ ধৰিলে। গুৱাহাটী, নগাঁও, যোৰহাট, তেজপুৰ, ডিব্ৰুগড় প্ৰভৃতি সকলো ঠাইতে গ্ৰেপ্তাৰ চলিবলৈ ধৰিলে। ৺দেশভক্ত ফুকনৰ গ্ৰেপ্তাৰৰ বাতৰি পাই মহাত্মাই 'ইয়ং ইণ্ডিয়া'ত লিখিলে— "সাহিয়াল অসমীয়াৰ সাহিয়াল নেতা" ('Brave leader of the brave Assamese')। মহাত্মাজীৰ এনে এটা মন্তব্যত গোটেই অসমত আৰু বিশেষকৈ গাঁৱে-ভূঞে থকা কংগ্ৰেছৰ সেৱকসকলৰ মনলৈ এটা নতুন প্ৰাণৰ ঢল আহিল। সকলোৰে নিৰ্ভয় মনেৰে কাৰাবৰণ কৰা দেখি মহাত্মাৰো আনন্দৰ সীমা নোহোৱা হ'ল। ৺পণ্ডিত মতিলাল নেহৰু, ৺দেশবন্ধু দাস, ৺লালা লাজপত ৰায়, ৺দেশভক্ত ফুকন প্ৰভৃতিৰ দৰে লোকে জেইলৰ কঠোৰ জীৱন আঁকোৱালি লোৱাত তেওঁৰ মনলৈ শিশুসুলভ আনন্দ হোৱা বুলি বাতৰি ওলাল। সবৰমতি আশ্ৰমত গধূলি প্ৰাৰ্থনা-সভাত তেওঁ ক'লে—"বোম্বেৰ দুঃখজনক ঘটনাৱলীৰ পিছত ভগৱানৰ কৰুণাত এই পৰিস্থিতিয়ে কিছু ক্ষতিপূৰণ কৰিছে।" মনৰ আনন্দত আশ্ৰমত সকলোৰে লগত হেনো ৰং-ধেমালি কৰাত লাগিল। এনেতে ৺দেশবন্ধুৰ সহধৰ্মিনী শ্ৰীমতী বাসন্তী দেৱী আৰু তেওঁৰ ভনীয়েক শ্ৰীমতী লতিকা দেৱী প্ৰভৃতিৰ গ্ৰেপ্তাৰৰ বাতৰি পাই তেওঁৰ আনন্দ আৰু বাঢ়িল। "চোৱা বঙ্গদেশৰ তিৰোতাসকলে তোমালোকক পৰাস্ত কৰিলে," আশ্ৰমত থকা মহিলাসকলক সম্বোধন কৰি ক'লে— "তোমালোকৰ কোনে গভৰ্ণমেণ্টৰ আলহী হবা?" সকলোৱে একে স্বৰত মাত দিলে—"আমি হম" এওঁলোকৰ মাজত দক্ষিণ আফ্ৰিকাত কাৰাবৰণ কৰিবলগীয়া হোৱা কেইবাগৰাকীও মহিলা আছিল। তেওঁলোকে পুনৰ পৰীক্ষালৈ সাজু হ'ল। এইবিলাক বাতৰি প্ৰকাশ হোৱাত ৰাইজৰ উৎসাহ বাঢ়িবলৈ ধৰিলে। আজি এবছৰ ধৰি মহাত্মাই যি অশেষ পৰিশ্ৰম কৰিবলগীয়া হৈছিল, তাৰ পিছত এতিয়া মুকলিমুৰীয়া চৰাইৰ দৰে ভাব হ'ল। যি উদ্দেশ্যেৰে এই আন্দোলন মহাত্মাই আৰম্ভ কৰিছিল সেই উদ্দেশ্য যেন সিদ্ধি হৈছে এনে এটা ভাব হ'ল।

"এই গ্ৰেপ্তাৰবোৰৰ বাতৰি পোৱাটো আনন্দৰ কথা হৈছে। সোনকালে স্বৰাজ প্ৰতিষ্ঠা কৰিবলৈ দুটা কথাৰ প্ৰয়োজন হৈছে লানি নিছিগাকৈ নিষ্ক্ৰিয়

প্ৰতিৰোধকাৰীৰ জেইললৈ যোৱাটো আৰু আন এটা হৈছে শান্তিজনক পৰিস্থিতি।"

বানাৰসত (অসমৰ ভূতপূৰ্ব গভৰ্ণৰ শ্ৰীশ্ৰীপ্ৰকাশৰ দেউতাক) শ্ৰীভগৱান দাসৰ দৰে এজন ঋষিতুল্য লোকক গ্ৰেপ্তাৰ কৰাৰ বাতৰি পাই মহাত্মাই শ্ৰীপ্ৰকাশলৈ এখন তাঁৰ দিলে—"হিয়াভৰা সম্ভাষণ ল'বা! এনে এটা পৰিস্থিতি হব বুলি সাজু নাছিলো।" আৰু এই ঘটনাৰ আলোচনা কৰি 'ইয়ং ইণ্ডিয়া'ত লিখিলে—'গভৰ্ণমেণ্টে যদি এইবোৰ বলিয়ালি আৰু কিছুদিন চলায়, তেন্তে কোনে জানে যে কুৰুক্ষেত্ৰৰ যুদ্ধৰ দৰে ১৮ দিনতেই আমাৰ ধৰ্ম যুদ্ধ শেষ নহব!"

এইদৰে আহমদাবাদত বহিৰলগীয়া কংগ্ৰেছৰ অধিবেশনৰ দিন চাপি আহিল। ইতিমধ্যে গভৰ্ণমেণ্টৰ লগত সহযোগ কৰা ধীৰপন্থী ৰাজনৈতিক নেতাসকলে এনে এটা পৰিস্থিতিত শঙ্কিত হ'ল। গভৰ্ণমেণ্টে চলোৱা দমন নীতি সমৰ্থনো কৰিব নোৱাৰে, অথচ নিমাত হৈও থাকিব নোৱাৰে। ভাৰতৰ ৰাইজে স্ব-ইচ্ছাত দেশৰ মঙ্গলৰ বাবে দুখ-নিৰ্যাতন বৰণ কৰিবলৈ ওলাব বুলি কোনেও সপোনতো ভবা নাছিল। আনফালে অসহযোগীসকলো অলপো দোঁ নাখায়। সেইবাবে তেওঁলোকে নিজৰ পৰাই মধ্যস্থতা কৰিবলৈ ওলাল। এওঁলোকৰ বহুতো লোক আছিল ধনী আৰু জমিদাৰ শ্ৰেণীৰ। জনতাৰ অভূতপূৰ্ব জাগৰণত সেইবাবে তেওঁলোক শঙ্কিত হ'ল। এগৰাকী জমিদাৰে মহাত্মাজীলৈ তাঁৰ কৰিলে—"পৰিস্থিতি সঙ্কটজনক। দুয়োপক্ষ সমানে দৃঢ় প্ৰতিজ্ঞ। অবাঞ্ছনীয় ঘটনা ঘটা অসম্ভৱ নহয়। আপোনাৰ দায়িত্ব গধুৰ। ঘূৰণীয়া মেজমেল পতাৰ পৰামৰ্শ আগ বঢ়াই আপোনাৰ কথা শুনিবলৈ ভাইছৰয়লৈকো অনুৰোধ কৰা হৈছে।" ইয়াৰ উত্তৰত মহাত্মাই তাঁৰ-বাৰ্তা পঠিয়ালে—

"অসহযোগীসকলে নিভাঁজ আত্মৰক্ষাৰ বাবে যত্ন লৈছে। গভৰ্ণমেণ্টে অনুতপ্ত নহ'লে আৰু ৰাজহুৱা মতৰ সন্মান কৰিবলৈ মান্তি নহ'লে ঘূৰণীয়া মেজমেলৰপৰা একো সুফল নহব।" মহাত্মাজীৰ এই দৃঢ়তাত ডেকা ভাৰত আনন্দত নাচি উঠিল। মহাত্মাজীৰ নেতৃত্বত স্বৰাজ পাবলৈ আৰু ত্যাগ স্বীকাৰ কৰিবলৈ অসমৰ ৰাইজ উত্তাৱল হৈ উঠিল। সেই সময়ত ৰাইজৰ হিয়ালৈ যি আশা উদ্দীপনাৰ ঢল আহিছিল আজি তাক প্ৰকাশ কৰিবলৈ ভাষা নাই। "ফুকন, বৰদলৈ যেতিয়া জেইলত, আমিনো কেনেকৈ বাহিৰত থাকোঁ? আমাকো জেইলত থওক।" গাঁৱে গাঁৱে ৰাইজৰ মুখত এয়ে কথা হ'ল। জেইললৈ যোৱাটো যেন এটা সন্মানৰ কথা হ'ল।

যুক্তপ্ৰদেশৰ কেইবাখনো নগৰত শান্তিপূৰ্ণ হৰতাল পালন কৰা বাবে নেতা এজনলৈ মহাত্মাই তাঁৰ-বাৰ্তা পঠিয়ালে—"ভগৱানৰ অশেষ কৰুণা, ইয়াৰ বাবে

আমি ধন্যবাদ দিয়া উচিত।" হিন্দু ধৰ্মত শিকাইছে যে ভগৱানক সন্তোষ দিবলৈ যজ্ঞ অৰ্থাৎ ত্যাগৰ উৎসৱ পাতিব লাগে। ত্যাগত যিমানেই সৰলতা আৰু নিৰ্দোষিতা থাকে, সিমানেই সোনকালে যজ্ঞ ফল পোৱা যায়। ত্যাগ স্বীকাৰ কৰি, দুখ-নিৰ্যাতন বৰণ কৰি প্ৰতিপক্ষৰ অন্তৰলৈ পৰিৱৰ্তন অনাটোও যজ্ঞৰ সং শিক্ষা। নিৰ্যাতন বৰণ কৰিবলৈ ভাৰত মাতৃৰ মুক্তিৰ প্ৰধান পূজাৰি হিচাপে মহাত্মাই যি মহাযজ্ঞ আৰম্ভ কৰিছে, সেই যজ্ঞৰ যেন অন্ত পৰিব লাগিছে, এনে এটা ভাব তেওঁৰ মনলৈ আহিব ধৰিলে আৰু তেওঁ গভৰ্ণমেণ্টৰ খড়্গৰ তপত জুইকুৰাত কি নিভাঁজ শুদ্ধ প্ৰাণৰ বস্তু উছৰ্গিব পাৰি তাকে ভাবিবলৈ ধৰিলে।

এফালে কাৰাদণ্ড, আনফালে বাতৰি কাকতৰ ওপৰত প্ৰেছ আইনৰ প্ৰয়োগ। এইদৰে গভৰ্ণমেণ্টে ভাৰতৰ জাতীয় আকাঙ্ক্ষা দমন কৰিবলৈ যত্ন কৰিলে। এলাহাবাদৰ-পৰা ওলোৱা ৺মতিলাল নেহৰুৰ 'ইণ্ডিপেণ্ডেণ্ট' বোলা দৈনিক কাকতখন প্ৰেছ আইন মতে জমা দিয়া জামিনৰ টকা ১০ হেজাৰ বাজেয়াপ্ত কৰা হ'ল। এনে এটা অৱস্থাত মহাত্মাই জনালে, "হাতে লিখি কাকত চলোৱা। হাতে লিখি কাকত উলিয়াবলৈ যিমান পাৰা, সিমান স্বয়ংসেৱক নিয়োগ কৰা। 'ৰোণিও' যন্ত্ৰেৰে কাকতৰ সংখ্যা পূৰণ কৰা, বাতৰিৰ চমুটোকা আৰু চুটি প্ৰবন্ধ প্ৰকাশ কৰা। স্বয়ংসেৱকসকলে দিনৌ বাটলৈ ওলাই গৈ এনে কাকত বেচি ফুৰক।"

মহাত্মাৰ এই নিৰ্দেশ আমি কাকতত দেখিবৰ আগৰেপৰা তেজপুৰত সময়ে সময়ে 'ইয়ং ইণ্ডিয়া'ৰ প্ৰবন্ধৰ অসমীয়া ভাঙনি কৰি উলিয়াই আছিলোঁ, আৰু এইবিলাক কাকত গাঁৱলীয়া ৰাইজে বৰ মন দি পঢ়িছিল। এতিয়া মহাত্মাজীৰ এই নিৰ্দেশ দেখি সকলো জিলাৰ কংগ্ৰেছ অফিচবিলাকে 'ৰোণিও' যন্ত্ৰেৰে বুলেটিন উলিয়াব ধৰিলে। তেজপুৰত আমাৰ দুটা লক্ষ্য আছিল—প্ৰথম, গাঁৱলীয়া ৰাইজৰ মাজত অসহযোগ আন্দোলনৰ বাতৰি প্ৰচাৰ কৰা আৰু আন্দোলন সম্পৰ্কে সকলোকে সজাগ ৰখা। দ্বিতীয়তে, ইংৰাজীৰে বুলেটিন উলিয়াই ভাৰতৰ মুখিয়াল লোকসকলক অসমৰ পৰিস্থিতি বুজোৱা, নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ পিছত অসমত কিদৰে অত্যাচাৰ চলিব ধৰিছে, সেই সম্পৰ্কে ভাৰতৰ নেতৃস্থানীয় লোকসকলক জনোৱা।

অসমৰপৰা এইদৰে প্ৰকাশিত হোৱা বুলেটিনবোৰে সেই সময়ত ভাৰতৰ নেতাসকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। বিশেষকৈ মহাত্মা গান্ধীয়ে 'ইয়ংইণ্ডিয়া' কাকতত অসমৰ কংগ্ৰেছ কৰ্মীসকলৰ এই উদ্যোগৰ শলাগ লৈছিল।

অসমৰ কংগ্ৰেছ কৰ্মীৰ প্ৰায় সকলোৱেই কলেজৰ ছাত্ৰ আছিল আৰু এবছৰৰ ভিতৰত স্বৰাজ হোৱাৰ আশা লৈ জীৱনৰ ভৱিষ্যত সম্পূৰ্ণকৈ বিসৰ্জন দি আন্দোলনত

যোগ দিছিল। তেওঁলোকে দেখিলে যে এতিয়া সময় আহিব ধৰিছে। আন্দোলনৰ এটা চৰম মুহূৰ্ত্ত আহিব ধৰিছে। এবছৰ ধৰি তেওঁলোকে মহাত্মাৰ নিৰ্দেশত যিদৰে কাম কৰি আছিল, এতিয়া ৰাজশক্তিৰ লগত সংঘৰ্ষৰ পৰীক্ষা আহিব ধৰিছে, এয়ে তেওঁলোকৰ পৰীক্ষাৰ মুহূৰ্ত্ত। মহাত্মাজীয়ে অহিংসাৰ ওপৰতেই আশ্ৰয় কৰি এই আন্দোলন চলাই আছে। এতিয়া নেতৃস্থানীয় লোকসকলক গ্ৰেপ্তাৰ কৰাৰ পিছত জনতা যাতে অহিংসাৰ বাটৰ পৰা এখোজো পিছলি নাযায়, তাৰ বাবে যত্ন কৰা এটা ডাঙৰ কাম। চৰকাৰ পক্ষৰপৰা হিংসা নীতি লোৱাবলৈ যথেষ্ট প্ৰৰোচনা আহিবৰ সম্ভাৱনা। বোম্বেৰ ঘটনাৱলীয়ে মহাত্মাজীৰ মনত প্ৰতিক্ৰিয়া কৰিছিল আৰু এইবাবে বৰদোলীত হবলগীয়া সংঘৰ্ষ স্থগিত ৰখা হ'ল। ৰাজশক্তিয়ে অহিংস অসহযোগীক ধৰিবলৈ একো পোৱা নাছিল, কিন্তু বোম্বেৰ ঘটনাৱলীয়ে তেওঁলোকক সুযোগ আনি দিলে আৰু সেই সুযোগ লৈ তেওঁলোকে ৰাইজৰ সংঘ, সমিতি পতাৰ অধিকাৰত হাত দি স্বয়ংসেৱক বাহিনী, কংগ্ৰেছ অনুষ্ঠান আদি বে-আইনী ঘোষণা কৰিলে। লগে লগে অসমত ইংৰাজ চাহ খেতিয়কে ইমান দিনলৈকে গভৰ্ণমেণ্টৰ নিক্ৰিয়তা সম্পৰ্কে যি সমালোচনা কৰিছিল এতিয়া সেই সমালোচনা আৰু চোকা হবলৈ ধৰিলে। তেওঁলোকৰ সমালোচনাৰ বিষয় হ'ল—অসমত গভৰ্ণমেণ্টৰ মৰ্য্যাদা নোহোৱা হ'ল। অথচ গভৰ্ণমেণ্টৰ মৰ্যাদা ৰক্ষা কৰিবলৈ একো দিহা কৰা নাই। ইংৰাজ চাহ খেতিয়কে আগতে যি সন্মান পাইছিল এতিয়া নোপোৱা হ'ল। গোনা ম'হে ৰঙা নাইবা ক'লা কাপোৰ দেখিলে উচপ খাই খুচিবলৈ খেদি আহে। এতিয়া ইংৰাজ চাহ খেতিয়কসকলৰো তেনে অৱস্থা হোৱাদি হ'ল। বগা খদ্দৰৰ টুপি দেখিলেই উচাপ খাই উঠে। চাহ বাগিচাত বহা হাটত টুপি পিন্ধি যোৱা গাঁৱলীয়া মানুহ দেখিলেই তেওঁলোক বলিয়া হৈ উঠা হ'ল। ঠায়ে ঠায়ে গাঁৱলীয়া ৰাইজৰ লগত সংঘৰ্ষ হবলৈ ধৰিলে। গাঁৱলীয়া ৰাইজেও ইয়াৰ প্ৰত্যুত্তৰত চাহ বাগিচাৰ হাট বন্ধ কৰাৰ দিহা কৰিলে। ইংৰাজ চাহ-খেতিয়কে হাট বন্ধ কৰা কথাষাৰৰ আন এটা ব্যাখ্যা দিয়াত লাগিল। চাহ খেতিয়কসকলৰ কলিকতাৰ সম্বাদপত্ৰ আৰম্ভ কৰি লণ্ডনৰ মুখ্য-কাৰ্যালয়লৈকে একে সুৰত গৰ্জ্জি উঠিল—অসমীয়া গাঁৱলীয়া ৰাইজৰ ইমান সাহ! কিছুমান ঠাইত গাঁৱত পতা কংগ্ৰেছ অফিচত সোমাই চাহ খেতিয়কৰ কিছুমানে স্বয়ংসেৱকক বেতেৰে কোবালে—কংগ্ৰেছ অফিচত থকা সংগ্ৰহ কৰা ধাননে সৈতে ধনৰ বাকচ আদি দাঙি লৈ গ'ল (ঢেকীয়াজুলি, নাৰায়ণপুৰ, কংগ্ৰেছ অফিচত লামাবাৰী বাগানৰ মেনেজাৰৰ ঘটনা)। এইবিলাক ঘটনাত শান্তিপূৰ্ণ পৰিস্থিতি ৰক্ষা কৰাটো সমস্যা হৈ পৰিল।

সেই সময়ত আমাৰ মনলৈ মহাত্মাৰ এটা প্ৰবন্ধই সাহ আৰু ধৈৰ্য আনিছিল। মহাত্মাই ৮ ডিচেম্বৰ (১৯২১ চন) তাৰিখৰ 'ইয়ং ইণ্ডিয়া'ত লিখিছিল—"আমাৰ এই মুহূৰ্ত একালে পৰীক্ষা, আনফালে বিজয়ৰ। এই সময়ত মোৰ আস্থা (অহিংসাত) পুনৰ দোহাৰি কওঁ। মোৰ শত্ৰুলৈ প্ৰেমৰ ভাব ৰখাত মই বিশ্বাস কৰোঁ। হিন্দু-মুছলমান, শিখ-পাৰ্চী, খ্ৰীষ্টিয়ান, ইহুদী ধৰ্ম নিৰ্বিশেষে ভাৰতীয় জনতাৰ সকলোৰে বাবে অহিংসাই একমাত্ৰ প্ৰতিকাৰ বুলি মই বিশ্বাস কৰোঁ। নিৰ্যাতন হাঁহিমুখে গাত পাতি লোৱাৰ ডাঙৰ শক্তি আছে বুলি মই বিশ্বাস কৰোঁ—ইয়াৰে শিলৰ দৰে টান হিয়াও গলিব বুলি মই ভাবো। প্ৰতিজন ইংৰাজ লোক, ভাৰতৰ যি কোনো ভিতৰুৱা চুকতে নেথাকক, আমাৰ আচৰণৰ পৰা তেওঁ নিজক নিৰাপদ বুলি ভাবিব পাৰিব লাগিব। তেওঁ যাতে হাতত বন্দুক নোলোৱাকৈও এনেদৰে নিৰাপদ বুলি ভাবিব পাৰে, তাৰ বাবে ভাৰতীয়ই সক্ৰিয় আচৰণেৰে দেখুৱাব লাগিব।

"অহিংস অসহযোগেৰে বৃটিছ শাসকসকলৰ ক্ৰোধ আমি জয় কৰিবলৈ যত্ন কৰিছোঁ। তেওঁলোকলৈ আমি মৰমৰ ভাব দেখুৱাব লাগিব। তেওঁলোকে যি ভুল কৰিছে সেই ভুল বুজিবলৈ তেওঁলোকে যাতে জ্ঞানৰ পোহৰ পায় তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিব লাগিব। এই প্ৰাৰ্থনা দুৰ্বলৰ প্ৰাৰ্থনা নহয়, সবলৰ প্ৰাৰ্থনা হব লাগিব। সবল, শক্তিমন্ত হৈ ভগৱানৰ চৰণত বাগৰি পৰিব লাগিব।" এই কথাবোৰ বুজিবলৈ আমাৰ কাৰণে বৰ টান হৈছিল। সত্যাগ্ৰহী সৈনিক কেনে হব লাগে আৰু সত্যাগ্ৰহৰ অস্ত্ৰই কিদৰে প্ৰতিপক্ষৰ অন্তৰত কাম কৰে, বুদ্ধিৰ ফালৰপৰা বুজিলেও অন্তৰেৰে বুজিবলৈ টান পাইছিলোঁ। সম্পূৰ্ণ বুজিব নোৱাৰিলেও মহাত্মাই যাতে বৰদোলীত সত্যাগ্ৰহৰ পৰীক্ষা কৰিব পাৰে, তাৰ বাবে প্ৰয়োজনীয় শান্তিপূৰ্ণ পৰিস্থিতি ৰক্ষা কৰাত আমি যত্ন নকৰা নহয়। কায়মনোবাক্যে অহিংসাৰ কথা মহাত্মাই বুজাই আছিল। যিসকলে অন্তৰত হিংসাৰ ভাব ৰাখে, তেওঁলোক সত্যাগ্ৰহী হোৱাৰ অযোগ্য আৰু ভলন্টিয়াৰ দলবিলাকৰপৰা আঁতৰি যোৱাটো প্ৰয়োজন বুলি মহাত্মাই দঢ়াই দঢ়াই আমাক সোঁৱৰাই আছিল। ১৫ ডিচেম্বৰ তাৰিখে (১৯২১ চন) 'ইয়ং ইণ্ডিয়া'ত তেওঁ লিখিলে—"যিসকলৰ মন পবিত্ৰ তেওঁলোকেহে ভলন্টিয়াৰ দলত যোগ দিয়ক আৰু এইদৰে কাৰাদণ্ড বৰণ কৰক। ৱৰ্কিং কমিটিয়ে এই সম্পৰ্কে যি নিৰ্দেশ দিছে, সেই নিৰ্দেশ যেন কঠোৰভাৱে পালন কৰা হয়। নিষ্ক্ৰিয় প্ৰতিৰোধকাৰী হিচাপে কেৱল মাত্ৰ পৱিত্ৰ মনৰ লোকেই জেইললৈ যাবলৈ যোগ্য, আন নহয়। আমি যদিও ইমান দিনলৈ কঠোৰভাৱে এই কথাষাৰ পালন কৰা নাছিলোঁ, এতিয়া আমি সত্যাগ্ৰহী নিৰ্বাচন কৰোঁতে

ধৰ্মৰ নিয়ম পালন কৰাৰ দৰে পালন কৰো। যিসকলৰ মন শুদ্ধ নহয়, নাইবা যিসকলে অহিংসা আৰু স্বদেশী আৰু অসহযোগৰ মূল কথাবিলাক বিশ্বাস নকৰে, তেওঁলোক যেন ভলন্টিয়াৰ দলত নোসোমায় মই ইয়াকে একান্ত মনে কামনা কৰোঁ। আঁতৰি থাকিও তেওঁলোকে আমাক সহায় কৰিব পাৰিব।"

মহাত্মাই এইবোৰ কথা লিখিলেও আৰু আমি ইয়াৰ প্ৰয়োজনীয়তা বুজি পালেও, এই বিষয়ত চোকা দৃষ্টি ৰখাটো সম্ভৱপৰ হোৱা নাছিল। ইয়াৰ কাৰণ—আন্দোলন বিয়পি পৰিল আৰু নেতৃস্থানীয় লোকসকলে কাৰাদণ্ড বৰণ কৰি লোৱাত বাহিৰত মুকলি হৈ থাকিবলৈ কাৰো মন নোযোৱা হ'ল। কোন সময়ত কাক গ্ৰেপ্তাৰ কৰে তাৰ উৱাদিহ নোহোৱা হ'ল। নেতাসকলৰ ত্যাগে সত্যাগ্ৰহৰ গুটি দেশবাসীৰ অন্তৰত সিঁচিব ধৰাত আনন্দ পোৱাৰ লগতে মহাত্মাৰ বিশ্বাস হ'ল যে দমন নীতিৰ আৰু নিষ্পেষণৰ মাজত দেশবাসীয়ে স্বৰাজৰ বাবে যোগ্যতাৰ পৰীক্ষা দিব ধৰিছে, কাৰণ যি পৰিমাণে নিৰ্দোষীয়ে আত্মত্যাগৰ ভাব লৈ নিৰ্যাতন বৰণ কৰি দৃঢ়ভাৱে সৈতে প্ৰতিৰোধ কৰিব আৰু এইবিলাক কথাই ৰাইজৰ মনলৈ যি পৰিমাণে প্ৰেৰণা যোগাব সেই পৰিমাণে দেশ শুদ্ধ হব আৰু আগ বাঢ়িব আৰু শক্তিশালী অথচ পবিত্ৰ ৰাজনৈতিক শক্তি প্ৰয়োগ কৰিবলৈ সমৰ্থ হব। দেশত কাৰাদণ্ডৰ বাতৰি আৰু নিৰ্যাতনৰ বাতৰি পালে মহাত্মাজীৰ এই বাবেই মনলৈ আনন্দ আহিছিল। দিনৌ মহাত্মাজীৰ মনলৈ দৃঢ় বিশ্বাস হব ধৰিছিল যে অহিংসাৰ শক্তিত বিশ্বাস নথকা সন্দিগ্ধতা বৰ্জন কৰি শান্তিৰ পথ ল'বলৈ মানুহৰ নৈতিক পৰিৱৰ্তন হোৱাটো সম্ভৱ, তাৰ শুভ মুহূৰ্ত আহিব ধৰিছে।

এনে পৰিস্থিতিৰ মাজত আহমদাবাদত কংগ্ৰেছ অধিবেশন বহিল আৰু অসমৰ পৰাও জেইলৰ বাহিৰত থকা বহুতো কৰ্মী আহমদাবাদলৈ গ'ল উদ্দেশ্য, মহাত্মাক লগ ধৰি অসমৰ পৰিস্থিতি বুজোৱা আৰু ভৱিষ্যতলৈ কিদৰে কাম কৰিব পাৰি সেই সম্পৰ্কে পৰামৰ্শ লোৱা।

অসমৰপৰা যোৱা প্ৰতিনিধিসকলে মহাত্মাজীক লগ ধৰি অসমৰ পৰিস্থিতি বুজাই ক'লে। মহাত্মাৰ প্ৰত্যুত্তৰ হ'ল—সকলো অসুবিধাজনক পৰিস্থিতিতো কংগ্ৰেছৰ কাম চলাই যাব লাগিব। নেতাসকলে কাৰাবৰণ কৰাৰ পিছতো অসমে কংগ্ৰেছৰ কাম চলাই থকাত তেওঁ অসমৰ ৰাইজৰ আৰু সেৱকসকলৰ শলাগ ল'লে। যেতিয়ালৈকে স্বৰাজ পোৱা নহয়, তেতিয়ালৈকে দেশত শান্তি ৰক্ষা কৰি বৰ্তমানৰ কাৰ্যক্ৰমমতে কাম চলাই থাকিব লাগিব। কেৱল যে বাক্যত অহিংসা থাকিব সেইটো নহয়, কাম কৰিবলৈ লওঁতে মনতো অহিংসাৰ ভাব ৰাখিব লাগিব।

শাৰীৰিকভাৱে অহিংসা ৰক্ষা কৰাটোৱেই যথেষ্ট নহয়, কথা হওঁতে জিভাখন সংযত কৰিব—"মোৰ যিটো বিশ্বাস, যি বিশ্বাসেৰে সৈতে মই ইমানদিন জীয়াই আছো সেই বিশ্বাসৰ কথা মোক ক'বলৈ দিয়া, তোমালোকৰ যত্নত ভাৰতে স্বৰাজ পোৱাৰ আকাঙ্ক্ষাত তোমালোক সবল হ'লে কংগ্ৰেছৰ প্ৰস্তাৱ মতে যিবিলাক প্ৰতিশ্ৰুতি দিব-লগীয়া হৈছে তাৰে তোমালোকে নিজক নাবান্ধি নোৱাৰা। অহিংসাৰ নীতি গ্ৰহণ কৰি সেইমতে কাম নকৰিলে ভাৰতে স্বৰাজ পোৱাটো অসম্ভৱ।" অসমৰপৰা যোৱা দলটোৱে বিষয় বাছনি সভাত (নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভা) যোগ দিছিল। তাত অহিংসা নীতি লৈয়েই কিছুমান প্ৰতিনিধিয়ে সমালোচনা নকৰা নহয়। কিছুমানে কংগ্ৰেছৰ লক্ষ্য বৃটিছ সাম্ৰাজ্যৰ ভিতৰত থাকি নাইবা বাহিৰ হৈও স্বৰাজ প্ৰতিষ্ঠা কৰা কথাষাৰ গুচাই স্বাধীনতাৰ লক্ষ্য বুলি ঘোষণা কৰিবলৈ প্ৰস্তাৱ দিলে। কিছুমানে উপায় বা পন্থা হিচাপে অহিংসা কথাষাৰৰো সমালোচনা কৰিছিল।

আহমদাবাদত বহা কংগ্ৰেছৰ স্মৰণীয় অধিবেশনত মহাত্মাই ৺হজৰৎ মাদানীয়ে আগ বঢ়োৱা স্বাধীনতা প্ৰস্তাৱৰ বিৰোধিতা কৰা কথাষাৰ আজি চল্লিছ বছৰৰ পিছত পুনৰ উত্থাপন কৰা হ'ল। কিছুমানে প্ৰশ্ন কৰিব পাৰে—"কিয় মহাত্মাই বিৰোধিতা কৰিছিল?" মহাত্মাৰ কেইটামান কথা মোৰ মনলৈ আহে—"কিয় লঘুভাৱে সৈতে এই প্ৰস্তাৱটো অনা হৈছে, তাত মই বেজাৰ পাইছো। মই বেজাৰ পাইছোঁ—কাৰণ ইয়াত দায়িত্ব-জ্ঞানৰ অভাৱ প্ৰদৰ্শিত হৈছে।" মহাত্মাৰ এই কেইষাৰ কথা টান বুলি কিছুমানে ক'লেও আমি মনত ৰাখিব লাগিব মহাত্মাৰ বিচাৰধাৰা। মহাত্মাই এটা গণ-আন্দোলন গঢ়ি তুলিছে, ধৰ্মপুথিত সোমাই থকা অহিংসাৰ কথাষাৰ ৰাজনীতিৰ কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰি প্ৰতিপক্ষৰ বিৰুদ্ধে অহিংস উপায়েৰে আক্ৰমণমূলক অভিযান চলাইছে—যি অভিযানত প্ৰতিপক্ষ বিমোৰত পৰি বিবুধি হৈছে ("perplexed and puzzled"—লৰ্ড ৰীডিঙৰ নিজা উক্তি)। অভিযান আৰম্ভ কৰোতে লক্ষ্য নিৰ্দিষ্ট কৰি কি কৌশলেৰে তেওঁ অভিযান চলাব সকলো স্থিৰ কৰি লৈছে।

এতিয়া অভিযান চলি থকা অৱস্থাত সৈন্যবাহিনী যুদ্ধক্ষেত্ৰত যুদ্ধৰ সোঁমাজত। সন্মুখত এটা ডাঙৰ যুদ্ধৰ বাবে প্ৰস্তুতি চলিছে—এনে সময়ত এজন সৈনিকক যুদ্ধৰ লক্ষ্য পুনৰ নতুনকৈ নিৰূপণ কৰিবলৈ কোৱাৰ অৰ্থ হৈছে—যুদ্ধক্ষেত্ৰত নিয়োজিত সৈন্যবাহিনীৰ অৱস্থান লৰচৰ কৰোৱা। স্বাধীনতাৰ প্ৰস্তাৱ উত্থাপন কৰাটো যে সেই সময়ত সময়োচিত হোৱা নাছিল তাত কোনো সন্দেহ নাই। অসমৰপৰা

যোৱা দলটোৰেও নিজৰ মাজত এই সম্পৰ্কে আলোচনা নকৰাকৈ থকা নাছিল। কাৰণ স্বাধীনতা কথাষাৰে কল্পনাপ্ৰৱণ ডেকা মনক সহজে আকৰ্ষণ কৰে। মহাত্মাই ক'লে –"এটা খোজ ল'বৰ আগতে পঞ্চাশ বাৰ ভাবি চাব। এইটোৱে আপোনা-লোকক এটা বিশেষ সুবিধা আনি নিদিয়ে, বৰঞ্চ ইয়াৰ পৰা অপূৰণীয় ক্ষতি হব পাৰে। আমি পোনতে নিজৰ শক্তি সঞ্চয় কৰোঁ। পানীৰ সোঁতখলৈ থাউনি নোপোৱা দ পানীত যাতে নপৰোঁ তাৰ বাবে সাৱধান হওঁ। আমাৰ মূলনীতি ইমান সামান্য কথা নহয় যে পিন্ধা কাপোৰখনৰ দৰে ইচ্ছামতে সলাব পাৰোঁ। মূল নীতিৰ কথা এনে এটা বস্তু যে মানুহে ইয়াৰ বাবে প্ৰাণ পৰ্যন্ত বিসৰ্জন কৰিছে আৰু যুগে যুগে ইয়াক সাবটি লৈ আহিছে। আমাৰ মূল নীতিৰ কথা বহল—দুৰ্বল লোকেও ল'ব পাৰে, সবল লোকেও ল'ব পাৰে। মৌলানা হজৰৎ মাদানীৰ মূলনীতিত দুৰ্বলীৰ বাবে ঠাই নাই—ইয়াৰ সীমা ঠেক। ...চিন্তাশীল জগতে আমাৰ ওপৰত অভিযোগ আনিব যে আমি ক'ত আছো, তাকে আমি নাজানো। আমাৰ চাৰিও-ফালে থকা আমাৰ সীমাৰ পৰিধি বুজিব লাগিব। হিন্দু আৰু মুছলমানসকলৰ ভিতৰত অচ্ছেদ্য মিলন হওক। ইয়াত এনে লোক আছে নে যিজনে ক'ব পাৰে—যিজনে ডাঠকৈ ক'ব পাৰে—হয়, হিন্দু-মুছলমানৰ একতা ভাৰতীয় জাতীয়তাৰ নিকপ-কপীয়া বান্ধোন হৈছে। ইয়াত কোন আছে যিজনে ক'ব পাৰে যে পাৰ্চী, শিখ, খ্ৰীষ্টিয়ান, ইহুদী আৰু অস্পৃশ্যসকলে ইয়াৰ বিৰুদ্ধে থিয় নিদিব?" স্বাধীনতাৰ সপোন সকলোৰে মনত লগা কথা হ'লেও মহাত্মাৰ এইখিনি কথাত আমাৰ মনলৈ এটা স্পষ্টবোধ আহিছিল যে মৌলানা হজৰৎ মাদানীৰ প্ৰস্তাৱে আমাক থাউনি নোপোৱা অথাই সাগৰত পেলাব। সেইবাবে এই প্ৰস্তাৱৰ ওপৰত ভোট দিওঁতে অসমৰপৰা যোৱা প্ৰতিনিধিসকলে একমত হৈ ইয়াৰ বিৰুদ্ধে ভোট দিছিল।

কংগ্ৰেছৰ প্ৰতিশ্ৰুতিত চহী দি জাতীয় সেৱক বাহিনীত যোগ দিয়াসকলক সম্বোধন কৰি মহাত্মাই ক'লে,—"তোমালোকে কাৰাদণ্ড, লাঠীৰ কোব আনকি মৃত্যু বৰণ কৰিবলৈ ওলাইছা বুলি, তোমালোকে দেশৰ কাৰণে ডাঙৰ এটা প্ৰতিশ্ৰুতি দিছা বুলি নাভাবিবা। কাৰণ এই অভিযান সফল কৰিবলৈ আৰু এটা টান চৰ্ত পালন কৰিব লাগিব। সেইটো হৈছে, জেইল বৰণ কৰোঁতে, লাঠীৰ কোব মূৰ পাতি লওঁতেও মনলৈ খঙৰ ভাব নানিবা। দীঘলীয়া সময়লৈকে কাৰ্যত অহিংসাৰ ভাব ৰক্ষা কৰিবলৈ বাঞ্ছা কৰিলে তোমালোকে খং দমন কৰিবলৈ শিকিব লাগিব। ইছলাম ধৰ্মৰ নায়ক হজৰৎ আলিৰ গাত এদিনা প্ৰতিপক্ষৰ এজন লোকে থুই পেলাইছিল। আৰু মোৰ বিশ্বাস যে হজৰতে সেইদিনা নিজক সংযত ৰাখিব

নোৱাৰা হ'লে শান্তিৰ ধৰ্ম ইছলামে আজি জগতত এইদৰে বিয়পি যাব নোৱাৰি-লেহেঁতেন। প্ৰতিপক্ষৰ লগত কিদৰে আচৰণ কৰিব লাগে, এয়া অতি পুৰণি কালৰেপৰা চলি অহা আদৰ্শ। এই ঐতিহ্যকেই আমি সন্মান দেখুৱাই আহিছোঁ। প্ৰতিপক্ষৰ গালৈ হাত নাদাঙি মৃত্যু বৰণ কৰিলেও সেইটো আত্মহত্যা নহব বুলি মই দৃঢ়াই কওঁ। হিন্দু আৰু ইছলাম ধৰ্মমতে আত্মহত্যা মহাপাপ। কিন্তু হিন্দু ধৰ্মই কিছুমান বিশেষ ক্ষেত্ৰত আত্মহত্যা সমৰ্থন কৰিছে। দৃষ্টান্ত হিচাপে এগৰাকী তিৰোতাই সতীত্ব নষ্ট হবলৈ দিয়াতকৈ পানীত জাঁপ দি মৰাটো শ্ৰেয় বুলি কোৱা হৈছে। এই ক্ষেত্ৰতো প্ৰতিপক্ষৰ প্ৰাণ নলৈ নিজে মৃত্যু বৰণ কৰাটোও প্ৰশংসনীয় কাম হব। ইয়াত শ্বৌকত আলি থকা হ'লে ক'লেহঁতেন—আমি স্বৰাজৰ বাবে প্ৰাণ দিব লাগিব আৰু স্বৰাজৰ বাবে এইবিলাক কৰাটো আচৰিত কথা নাইবা অতিমানৱীয় কথা নহয় বুলি মই সবল অন্তঃকৰণেৰে বিশ্বাস কৰোঁ।"

ভাৰতবৰ্ষৰ মানুহ ইমান দিন নিজক অসহায় বুলি ভাবি গৱৰ্ণমেণ্টৰ ওপৰত নিৰ্ভৰশীল হৈ আছিল। শাসকসকলে কিবা অন্যায় কৰিলেও, তেওঁলোকে অত্যাচাৰ কৰিলেও, মুখেৰে মাত মতা নাছিল, নাইবা প্ৰতিকাৰ কৰিবলৈ যত্ন কৰা নাছিল। এতিয়া অহিংস অসহযোগৰ এটা নৈতিক উপায় লোৱা মাত্ৰে গৱৰ্ণমেণ্টে কঠোৰ-ভাৱে দমননীতি প্ৰয়োগ কৰাত লাগিল আৰু নিজৰ অন্যায় নীতি প্ৰয়োগ কৰোঁতে শান্তি আৰু শৃঙ্খলাৰ নাম লোৱা হ'ল। এতিয়া গৱৰ্ণমেণ্টে যি আক্ৰমণ আৰম্ভ কৰিছে সেই আক্ৰমণৰ বিৰুদ্ধে থিয় দিয়াটো কংগ্ৰেছৰ কৰ্তব্য হৈছে। ভাইচ্ৰয়ে যি ঘোষণা কৰিছে, আৰু যিদৰে সমগ্ৰ দেশখনত দমননীতিৰ জালেৰে বেঢ়ি ধৰিছে—আত্মসন্মানবোধ থকা লোক মাত্ৰেই অহিংসভাৱে নিষ্ক্ৰিয় প্ৰতিৰোধেৰে ইয়াৰ প্ৰত্যুত্তৰ দিব। ইয়াৰ অৰ্থ হৈছে লোকৰ ওপৰত নিৰ্ভৰ কৰি চলি থকা অসহায় অৱস্থাৰ এতিয়া অন্ত পৰিছে আৰু আমি নিজৰ ভৰিত থিয় হবলৈ যত্ন কৰিছোঁ। এই নিষ্ক্ৰিয় প্ৰতিৰোধৰ অৰ্থ হৈছে একমাত্ৰ ভগৱানৰ বাহিৰে আন কাৰো সহায় নোলোৱাকৈ থিয় হোৱা। ১৯২১ চনৰ ডিচেম্বৰ মাহত যি সময়ত ভাৰতৰ সকলো প্ৰখ্যাত নেতৃ-স্থানীয় লোক বন্দীশালত, সেই সময়ত বহুতৰে ধাৰণা হৈছিল যে গৱৰ্ণমেণ্টে এটা আপোচ-মীমাংসাৰ বাবে ঘূৰণীয়া মেজমেল পাতিব। পণ্ডিত মদন মোহন মালব্যই দমননীতি প্ৰয়োগ কৰি অত্যাচাৰ কৰাত বৰ দুখ পাই গৱৰ্ণমেণ্টৰ লগত কথা হব ধৰাত সকলোৰে মনলৈ এনে এটা ভাব আহিছিল। আনহাতে ভাইচ্ৰয় লৰ্ড ৰীডিঙে যেনেহওক যুৱৰাজ কলিকতালৈ অহাৰ সময়ত যেন হৰতাল পালন কৰা নহয়, সেইবাবে তেওঁ মহাত্মাৰ লগত কথা হবলৈ মালব্যজীক উদগালে। ইয়াৰ

ফলত মালব্যজীয়ে মহাত্মালৈ তাঁৰ দিলে। মহাত্মায়ো উত্তৰ দিলে—"দমননীতিৰ বাবে চিন্তা নকৰিব। গৱৰ্ণমেণ্ট যদি অনুতপ্ত নহয়, পঞ্জাব, খিলাফত আৰু স্বৰাজ এই তিনিটা কথাৰ সমাধান কৰিবলৈ উদ্‌গ্ৰীব নহয়, তেন্তে এই মেলৰপৰা একো ফল নহয়।" মালব্যজী কলিকতালৈ আহি আলিপুৰ চেণ্ট্ৰেল জেলত দেশবন্ধু আৰু মৌলানা আজাদৰ লগত দেখা কৰিলে (১৭ ডিচেম্বৰ)। তেওঁ ভাবিছিল যে দেশবন্ধু আৰু আজাদক সন্মত কৰাব পাৰিলে মহাত্মাও মান্তি হব। কেইটামান চৰ্তত হৰতাল বন্ধ কৰিবলৈ তেওঁলোক মান্তি হ'ল। ইয়াৰ উত্তৰত মহাত্মাই তাঁৰ দি জনালে—"মেলত কোন সভ্য থাকিব আৰু কেতিয়া বহিব তাৰ নিৰ্দ্ধাৰণ আগতে হব লাগিব। বন্দীসকলক মুকলি কৰি দিওঁতে 'ফতোৱা' বন্দী (অৰ্থাৎ কৰাচীৰ প্ৰস্তাৱমতে মৌলানা ভ্ৰাতৃ দুজনক লৈ ৮ জন) সকলকো সেইসকলৰ ভিতৰত ধৰা—এইকেইটা চৰ্ত ৰাখি আপোনালোকৰ চৰ্তমতে কলিকতাৰ হৰতাল বন্ধ ৰাখিব পাৰি বুলি মোৰ মত।"

মালব্যজীয়ে লৰ্ড ৰীডিঙৰ লগত দেখা কৰাত তেওঁ বিৰক্ত হ'ল, কিন্তু কথা-বতৰা চলি থাকিল। মহাত্মাই ভাইছৰয়ৰ চাতুৰী বুজি পালে। ডিচেম্বৰ মাহৰ ২০ তাৰিখে মালব্যজীলৈ মহাত্মাই তাঁৰ দিলে—"আগতে কথা দিবলৈ মই অসমৰ্থ। সেইবাবে বৰ দুখ পাইছোঁ। মেলৰ সন্তোষজনক ফল হ'লেহে অসহযোগৰ অন্ত হব। সি যিয়েই হওক কংগ্ৰেছৰ হকে কোনো সিদ্ধান্ত ল'বলৈ মোৰ ব্যক্তিগত ক্ষমতা নাই।" ইয়াতেই কথা-বতৰা নিষ্ফল হ'ল।

আহমদাবাদৰ কংগ্ৰেছ অধিৱেশনত এইবাবে মহাত্মাই এই কথা বুজাই দিব-লগীয়া হৈছিল। বৰ্তমানৰ পৰিস্থিতিত মেলৰ প্ৰস্তাৱ লৈ কংগ্ৰেছে গৱৰ্ণমেণ্টৰ ওচৰ চপাতো কেতিয়াও সন্মানজনক নহয়। গৱৰ্ণমেণ্টৰ ফালৰপৰা এনে এটা প্ৰস্তাৱ অহাটো সুকীয়া কথা। লৰ্ড ৰীডিঙৰ উদ্দেশ্য যদি ভাল হয়, তেন্তে এই প্ৰস্তাৱেৰে মেল মাতিবলৈ দুৱাৰ বন্ধ কৰা হোৱা নাই, যি কোনো সময়তে গৱৰ্ণমেণ্টে ইচ্ছা কৰিলে মেল মাতিব পাৰে। কিন্তু তেওঁৰ উদ্দেশ্য যদি সৰু নহয়, তেওঁ যিমানেই দমননীতি প্ৰয়োগ নকৰক, অসহযোগীসকলে মেল বহুৱাবলৈ তেওঁৰ সন্মুখত আঁঠু ল'বলৈ আগ বাঢ়ি নাযায়।

"দুৱাৰ মুকলি ৰখাটো গৱৰ্ণমেণ্টে সৰলভাৱে বিচাৰিলে এই প্ৰস্তাৱে দুৱাৰখন আৰু বহলকৈ মেলি থৈছে। ন্যায় কৰিবলৈ যদি এই গৱৰ্ণমেণ্টে সৰল-ভাৱে বিচাৰে, লৰ্ড ৰীডিঙে যদি ন্যায় কৰিবলৈকে ভাবতলৈ আহিছে (আমি তাতকৈ বেছি বিচৰা নাই) ঈশ্বৰক সাক্ষী কৰি কংগ্ৰেছৰ এই মঞ্চৰপৰা মই যি

সবলতাৰ দাবী কৰোঁ, সেই সবলতাৰে সৈতে জনাওঁ যে তেওঁৰ উদ্দেশ্য সৎ হ'লে এই প্ৰস্তাৱেৰে ছুৱাৰ মেলি থোৱা হৈছে।

"কিন্তু তেওঁৰ উদ্দেশ্য সজ নহ'লে, যিমানেই মানুহে জেইললৈ ন'যাওক, যিমানেই মানুহে মৃত্যু বৰণ নকৰক, বলিয়া হৈ দমননীতিৰ টাঙোন তেওঁলোকে যিমানেই জোঁকাৰি নাথাকক, দুৱাৰ জপোৱা হৈছে।

'লৰ্ড ৰিডিঙৰ বাবে ঘূৰণীয়া মেজমেল বহুৱাবলৈ সকলো সুযোগ আছে, সেইটো কিন্তু প্ৰকৃত মেল হব লাগিব। যিথন মেলত সমানে সমানে বহাটো ভাৰতীয় ৰাইজে বিচাৰে, য'ত এজন দাতা আৰু এজন লওঁতা মগনীয়া হিচাপে বহিবলগীয়া নহয় তেন্তে দুৱাৰ সদায় মুকলি থাকিব।" এইদৰে মহাত্মাই নিজৰ বক্তব্য দাঙি ধৰিছিল।

"যেতিয়ালৈ গভৰ্ণমেণ্টে পশুশক্তিত বলিয়ান হৈ নিজৰ ইচ্ছা ভাৰতীয়সকলৰ ওপৰত জাপি দিব বিচাৰিব, যেতিয়ালৈ কংগ্ৰেছৰ তিনিটা দাবি পঞ্জাব, খিলাফত আৰু স্বৰাজ—ন্যায় আৰু যুক্তিৰ দৃষ্টি-ভঙ্গীৰে চাব নোৱাৰিব আৰু ভাৰতীয় প্ৰতি-নিধিসকলক এই মেলত সমান আসন দিব নোৱাৰিব, এনে পৰিস্থিতিত মেল বহুৱাটো হৈছে, গভৰ্ণমেণ্টে আগতে যিটো স্থিৰ কৰি থৈছে তাত সম্মতি জ্ঞাপন মাত্ৰ, ভাৰতীয় ৰাইজৰ যিবিলাক অভাৱ-অভিযোগ আছে সেইবোৰৰ প্ৰতিকাৰ একো নহব। এই মেললৈ যাবলৈ মই আপোনালোকক পৰামৰ্শ দিব পাৰিমনে সেইটো ভগৱানেহে জানে। সম্ভৱ হোৱা হ'লে মই নিষ্ক্ৰিয় প্ৰতিৰোধ সম্পৰ্কে প্ৰস্তাৱটো নিদিয়াকৈ থাকিলোহেঁতেন।"

পণ্ডিত মালব্যজীয়ে সেই সময়ত আপোচ মীমাংসা আৰু মেল পতা সম্পৰ্কে যি প্ৰস্তাৱ দিছিল সেই প্ৰস্তাৱ কংগ্ৰেছে অগ্ৰাহ্য কৰি নিষ্ক্ৰিয় প্ৰতিৰোধৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। মহাত্মাই ভাষণৰ শেষত ক'লে—"অহঙ্কাৰত উন্মত্ত হৈ ক্ষমতাৰ আসনত প্ৰতিষ্ঠিত থকা গভৰ্ণমেণ্টলৈ এই প্ৰস্তাৱ ৰণ আহ্বান। যি কৰ্তৃপক্ষ কোটি কোটি নৰ-নাৰীৰ মতামত অগ্ৰাহ্য কৰি নিজৰ মতেৰেই চলে, তেওঁলোকলৈ এইটো ৰণ আহ্বান। মই শান্তিৰ মানুহ। মই শান্তি বিচাৰো, কিন্তু সেইবুলি যি কোনো অৱস্থাৰ শান্তি বিচৰা নাই।" বৰ ভাৱ-প্ৰৱণতাৰে সৈতে মহাত্মাই এই-খিনি কথা কৈছিল। এই কথা কেইআষাৰ কওঁতে মুখত যেন ক্ৰোধৰ ভাব, মেঘৰ গাজনিৰ জিলিকনিৰ দৰে তেওঁৰ মাতত এটা কঁপনিয়ে শ্ৰোতাসকলৰ অন্তৰলৈকে এটা কঁপনি আনিছিল। অসমৰপৰা যোৱা প্ৰতিনিধিসকল নিখিল ভাৰত কংগ্ৰেছৰ সদস্যৰ বাবে নিৰ্দ্ধাৰিত মঞ্চতেই বহিছিল দেখি নিচেই ওচৰৰপৰাই মহাত্মাৰ কথা

কেইআষাৰ শুনিবলৈ পালে। ক্ষীণকায়, ক্ষীণ কণ্ঠৰ আঁঠুমুৰীয়া চুৰিয়া পিন্ধা এই মানুহজনৰ মাতত আজি বজ্ৰৰ দৰে গম্ভীৰ ধ্বনিত সভাৰ থল কিছুপৰলৈ কাঁহ পৰি জীণ যোৱা দি গ'ল। মহাত্মাৰ সেইদিনাৰ বাগ্মীতা পাহৰিব নোৱাৰি।

অসহযোগ আন্দোলনৰ মাজেদি আমি মহাত্মাক কিদৰে বুজি পাইছিলোঁ আৰু তেওঁৰ কথা কিদৰে গ্ৰহণ কৰিছিলো সেই সম্পৰ্কে ইতিপূৰ্বে আলোচনা কৰি আহিছো। ডিচেম্বৰ মাহৰ (১৯২১ চন) শেষৰফালে যেতিয়া গ্ৰেপ্তাৰ কৰা কাৰ্যই চৰম সীমা পালেগৈ, সেই সময়ত মদনমোহন মালব্যই গভৰ্ণমেণ্টৰ লগত আপোচ মীমাংসা কৰা সম্পৰ্কে আলোচনা কৰাৰ অৰ্থে সভা পতাৰ যত্ন কৰিছিল আৰু আহমদাবাদত কংগ্ৰেছৰ অধিবেশনত এই সম্পৰ্কে এটা প্ৰস্তাৱৰো আলোচনা হৈছিল। এই আলোচনাত মহাত্মাই কি মন্তব্য কৰিছিল সেই সম্পৰ্কে আমি ইতিমধ্যে উল্লেখ কৰিছো।

ভাৰতবৰ্ষৰ সকলো প্ৰদেশৰ মুখিয়াল লোকসকলক এইদৰে গ্ৰেপ্তাৰ কৰি দেশ শাসন কৰিবলৈ বৃটিছ অসমৰ্থ হব আৰু মহাত্মাৰ লগত তেওঁলোকে কিবা এটা মীমাংসা কৰিব বুলি দেশৰ বহুতো লোকৰ মনত ভাব হৈছিল। কিন্তু মহাত্মাই শাস্তি বিচাৰিলেও সেই সম্পৰ্কে বৰ আগ্ৰহ নেদেখুৱাই উত্তৰ দিলে— "মই যি কোনো অৱস্থাৰ শান্তি বিচৰা নাই—মাটিত পৰি থকা শিলটোৰ দৰে শান্তি মই বিচৰা নাই।"

কংগ্ৰেছ আৰু গভৰ্ণমেণ্টৰ মাজত এটা বুজা-বুজি হবলৈ ধীৰপন্থী কিছুমান নেতাই উদ্বেগ প্ৰকাশ কৰি বোম্বেত সৰ্বদলীয় সম্মিলন পাতিলে। পণ্ডিত মদনমোহন মালব্য অ'ৰু মহম্মদ আলি জিন্না এই সম্মিলনৰ আহ্বায়ক আৰু শ্ৰীশঙ্কৰণ নায়াৰ এই সম্মিলনৰ সভাপতি আছিল। সকলো দলৰে প্ৰায় তিনিশমান প্ৰতিনিধি এই সম্মিলনত উপস্থিত আছিল। অসহযোগীসকলৰ পৰাও কিছুমান নেতা নিমন্ত্ৰিত হৈছিল। এই সম্মিলনৰ উদ্দেশ্য আছিল 'যুদ্ধ বিৰতি'ৰ (অৰ্থাৎ সত্যাগ্ৰহ স্থগিত কৰাৰ) কি চৰ্ত হব পাৰে তাকে আলোচনা কৰা। এই সম্মিলনত কংগ্ৰেছ পক্ষৰপৰা কওঁতা হিচাপে এন. চি. কেলকাৰৰ প্ৰস্তাৱমতে একমাত্ৰ মহাত্মাই নিৰ্বাচিত হ'ল। পণ্ডিত মালব্যই আৰু মহম্মদ আলি জিন্নাই যি প্ৰস্তাৱৰ আঁচনি তৈয়াৰ কৰি সম্মিলনত দাঙি ধৰিলে, সেই প্ৰস্তাৱমতে ৰাজনৈতিক বন্দীসকলৰ মুক্তিৰ কথাত আলি ভ্ৰাতৃদ্বয় আৰু কৰাচীৰ প্ৰস্তাৱমতে 'ফতোৱা' বন্দীসকলক সুমুৱাই লোৱা হোৱা নাছিল। মহাত্মাই ইয়াতেই আপত্তি জনালে। মহাত্মাই ৰাজনৈতিক বন্দীৰ মুক্তি আৰু সেইসকলৰ মাজত কৰাচীৰ বন্দীসকলক অন্তৰ্ভুক্ত

কথাটো এটা ঘাই চৰ্ত্ত হিচাপে দাঙি ধৰিলে। ইয়াতেই শ্ৰীশঙ্কৰণ নায়াৰ গৰ্জি উঠিল আৰু সভাস্থল এৰি গুচি গ'ল। ছাৰ বিশ্বেশ্বৰ ৰায়ক তেওঁলোকে সভাপতি বাছি লৈ সম্মিলনৰ কাম চলাবলগীয়া হ'ল।

সম্মিলনে প্ৰস্তাৱত গভৰ্ণমেণ্টৰ দমন নীতিৰ নিন্দা কৰিলে, ঘূৰণীয়া মেজমেল পতাৰ আগতে আলি ভ্ৰাতৃদ্বয়ক সামৰি সকলো ৰাজনৈতিক বন্দীক মুক্তি দিব লাগে বুলি গভৰ্ণমেণ্টক জনালে আৰু গভৰ্ণমেণ্টৰ লগত আপোচ-মীমাংসা নোহোৱালৈকে নিষ্ক্ৰিয় প্ৰতিৰোধ অভিযান স্থগিত ৰাখিব লাগে বুলি কংগ্ৰেছক জনালে। খিলাফত, পঞ্জাব আৰু স্বৰাজৰ সমস্যা সম্পৰ্কে মীমাংসা কৰিবলৈ এখন ক্ষমতাসম্পন্ন ঘূৰণীয়া মেজমেল পাতিবলৈ দিহা কৰিব লাগে—এয়ে সৰ্বদলীয় সম্মিলনৰ প্ৰস্তাৱ আছিল।

আনফালে গভৰ্ণমেণ্টৰ উদ্বেগ আছিল—কেনেকৈ ৰেল্‌ছৰ যুৱৰাজৰ অভ্যৰ্থনা সভাবিলাক হৰতাল আদি নোহোৱাকৈ সম্পন্ন কৰিব পাৰি। আলি ভ্ৰাতৃদ্বয়ক মুক্তি দিয়াৰ তেওঁলোক বিৰোধী আছিল। তেওঁলোকে লক্ষ্য কৰিলে যে ভাৰতৰ জনসাধাৰণৰ মনত অসহযোগে প্ৰভাৱ বিস্তাৰ কৰিলেও শিক্ষিত শ্ৰেণীয়ে অসহযোগত বিশ্বাস ৰখা নাছিল। অসহযোগ আন্দোলনে দেশৰ জনসাধাৰণৰ মনলৈ সাহ আনিছে, দেশত একতাৰ ভাব বঢ়োৱাত সহায় কৰিছে সঁচা, কিন্তু ইয়াৰে চূড়ান্ত নিষ্পত্তি কৰিব পৰা সম্ভৱ বুলি শিক্ষিত শ্ৰেণী আৰু জমিদাৰকে আদি কৰি স্বাৰ্থজড়িত শ্ৰেণীয়ে বিশ্বাস নকৰিছিল। ৰাজনীতিত আধ্যাত্মিক শক্তি প্ৰয়োগ কৰি উদ্দেশ্য সিদ্ধিলাভ কৰিব পৰা সম্ভৱ বুলিও তেওঁলোকে ভবা নাছিল। অসহযোগৰ কাৰ্য-নীতিত বিশ্বাস নকৰিলেও কিছুমান ধীৰপন্থী নেতাই কংগ্ৰেছৰ অধিৱেশনলৈ গৈ কংগ্ৰেছৰ আলোচনা আদিৰ বুজ লৈছিল। যিসকল নেতা, মহাত্মা গান্ধীয়ে অসহযোগ কাৰ্য-ক্ৰম কংগ্ৰেছত দাঙি ধৰাৰ আগলৈকে উগ্ৰপন্থী বুলি জনাজাত আছিল, তেওঁলোকেও অসহযোগ আন্দোলনৰ ৰাজনৈতিক উগ্ৰতাৰ আক্ৰমণাত্মক অংশটোহে লৈছিল, কিন্তু অহিংস প্ৰতিৰোধত তেওঁলোকে বিশ্বাস নাৰাখিছিল। তেওঁলোকে এই কাৰ্যক্ৰমৰপৰা দেশলৈ বিপদহে আহিব বুলিও ভাবিছিল আৰু শ্ৰীনিবাস শাস্ত্ৰীয়ে এখন মুকলি চিঠিত এনে এটা ভাব প্ৰকাশ কৰিছিল।

যি হওক, মহাত্মা গান্ধীয়ে সৰ্বদলীয় সম্মিলনত অতি দৃঢ়তাৰে সৈতে ক'লে—"গভৰ্ণমেণ্টে বাট দেখুৱাই নিয়া মতে ভাৰতে কেতিয়াও স্বাধীনতা পাব নোৱাৰে। নিষ্ক্ৰিয় প্ৰতিৰোধ হৈছে দেশৰ ৰাইজৰ অনিবাৰ্য অধিকাৰ, ঘূৰণীয়া মেজমেল বহুৱা হ'লেও ইয়াৰ বাবে প্ৰস্তুতি চলি থাকিব।" এই প্ৰস্তুতিনো কি? ই হৈছে সেৱক-দল গঠন কৰা, সেৱকক অহিংসাৰ বাবে শিক্ষা দিয়া, স্বদেশী প্ৰচাৰ কৰা, ধৰ্ম-

সম্প্ৰদায় নিৰ্বিশেষে সকলোকে নিজৰ বুলি ভবা। মহাত্মাৰ দৰ্শনৰ মূল ভেটি হৈছে—অহিংসা আৰু সত্যাগ্ৰহ। ভাৰতৰ ৰাজনৈতিক নেতাসকলে পশুবল (Force and violence) সম্পূৰ্ণকৈ এৰি দিয়াটোত বিশ্বাস কৰা না ছল আৰু গভৰ্ণমেণ্টেও দেশৰ ৰাইজৰ অহিংসাৰ ওপৰত আস্থা ৰখা নাছিল আৰু তেওঁলোকে নিজৰ নিজৰ মতে মহাত্মাৰ কথাবোৰ সংশোধিত কৰি লৈছিল। আমি যিসকলে মহাত্মাৰ কাৰ্যক্ৰম মানি লৈ মুক্তি-অভিযানত লাগিছিলোঁ, আমাৰ মনলৈ নানান প্ৰশ্ন নহাকৈ নাছিল। হিংসা ধ্বংসাত্মক শক্তি সঁচা; আৰু এনে শক্তি-প্ৰয়োগৰপৰা আমি আঁতৰিব লাগিব বুলি বিশ্বাস কৰিলেও মনত প্ৰশ্ন জাগিছিল—এটা পক্ষ সশস্ত্ৰ আৰু এই পশু-শক্তিৰ প্ৰয়োগত সেই পক্ষই দ্বিধাবোধতো নকৰে ই বৰঞ্চ নিৰ্মমভাৱে শক্তি প্ৰয়োগহে কৰিব। তেনে পৰিস্থিতিত আমি কি কৰো? আমি সঁচাকৈয়ে হিংসাৰ প্ৰত্যুত্তৰ হিংসাৰে নিদিবলৈ মন ডাঠ কৰিছোঁ আৰু সকলো যন্ত্ৰণা সহ্য কৰিবলৈ সঙ্কল্প লৈছোঁ। কিন্তু যেতিয়া বিৰোধ আনপক্ষৰ দানৱীয় ৰূপত প্ৰকাশিত হব তেতিয়া তাৰ সন্মুখীন কেনেকৈ হব পাৰি—এয়ে এটা ডাঙৰ প্ৰশ্ন আৰু আজিও এই প্ৰশ্ন সভ্যজগতৰ সন্মুখত বিদ্যমান। মহাত্মা গান্ধীৰ সত্যাগ্ৰহত যি স্বাভাৱিক গতি-শক্তি আছে (dynamism) তাৰ বিজ্ঞানসন্মত অধ্যয়ন আজি হব লাগিছে আৰু ইয়াৰ উত্তৰৰ বাটত পোহৰ পেলাবলৈ যত্ন নোহোৱাও নহয়। ৰাজনীতিত হেঁচা দিয়া কৌশল, (pressure tactics) যেনে ধৰ্মঘট, বিক্ষোভ প্ৰদৰ্শন আদি এনেবিধৰ উপায়বিলাক আছে। এইবিলাক উপায়কেই আমি সত্যাগ্ৰহৰ লগৰ বুলি সেই সময়ত ধৰি লৈছিলোঁ আৰু আজিও বহুতৰ মনলৈ তেনে ভাব অহাটো দেখা যায়। এতিয়ালৈকে এই বিষয়ত আগ বাঢ়িছোঁ বুলি কব নোৱাৰোঁ। যিহওক, এই প্ৰবন্ধত এই সময়ৰ পৰিস্থিতিৰ মাজত আমি কি কৰিছিলোঁ তাৰেই আলোচনা কৰিম।

১৯২২ চনৰ লগে লগে গভৰ্ণমেণ্টে যেতিয়া দেখিলে গ্ৰেপ্তাৰ আৰু কাৰাদণ্ড নীতিৰে জনতাৰ উৎসাহ দমন কৰাটো সহজ নহয়, তেতিয়া তেওঁলোকে গাঁৱে গাঁৱে 'পিউনিটিভ' পুলিচ বহুওৱাত লাগিল। জাতীয় সেৱক দল বে-আইনী বুলি ঘোষণা কৰি গাঁৱলীয়া অঞ্চলত সজা কংগ্ৰেছৰ ঘৰবোৰ ভঙাত লাগিল। 'পিউনিটিভ' পুলিচৰ হতুৱাই গাঁওবিলাকত নানান অত্যাচাৰ কৰাত লাগিল। আনফালে চাহ-খেতিয়ক-সকল ইমানতো সন্তুষ্ট নহ'ল; তেওঁলোকে আন্দোলন চলাবলৈ ধৰিলে—গাঁৱে গাঁৱে বগা সৈন্য মাৰ্চ কৰাই ফুৰাব লাগে। এজন চাহখেতিয়কে 'ষ্টেটচ্‌মেন' কাকতত (জানুৱাৰী) লিখিলে—"অসমৰ গঞা বাইজে বগা সৈন্য দেখা নাই। তেওঁলোকক বগা সৈন্য দেখুওৱাটো উচিত।" হাটত বগা টুপি পিন্ধা দেখিলেই টুপি কাঢ়ি

মাৰ-পিট কৰিবলৈ ধৰা ইত্যাদি ঘটনা ঘটিবলৈ ধৰিলে, ইয়াৰ ফলত গাঁৱলীয়া ৰাইজে হাটলৈ যোৱাটো বন্ধ কৰিলে। তেওঁলোকে ইংৰাজী কাকতত প্ৰচাৰ কৰিবলৈ ধৰিলে—চাহ বাগিচাৰ বনুৱাসকল আৰু চাহ-খেতিয়কসকল আহাৰ্য বস্তুবপৰা যাতে বঞ্চিত হয়, তাৰ বাবে হাট-বৰ্জন আন্দোলন চলোৱা হব ধৰিছে। গাঁৱলীয়া ৰাইজে বিদ্ৰোহ কৰিছে, সেইবাবে তেওঁলোকৰ বিদ্ৰোহ দমন কৰাটো জৰুৰী হৈ পৰিছে। এইদৰে চাহ খেতিয়কসকলে ইংৰাজী বাতৰিকাকতত প্ৰচাৰ কৰিবলৈ ধৰিলে। আনফালে অসমৰ গভৰ্ণৰ চাৰ ৱিলিয়াম মেৰিচৰ ওচৰলৈ সঁজাতী দল পঠোৱাত লাগিল। তেওঁ তেজপুৰলৈ অহাৰ সময়ত শান্তি ভঙ্গ হ'লে দৃঢ়তাৰে সৈতে দমন কৰিব বুলি চাহ খেতিয়কসকলক প্ৰতিশ্ৰুতি দিছিল। চাহ খেতিয়ক-সকলৰ আন্দোলনৰ বাবে চাহ খেতিয়ক কিছুমানক, 'চিভিল গাৰ্ডৰ' দায়িত্ব দিয়া হ'ল। এই দায়িত্ব পাই তেওঁলোকৰ কিছুমানে গাঁও কিছুমানত পহৰা দিবলৈ ওলাল আৰু এই কথালৈ কেইবা ঠাইত ৰাইজৰ লগত সৰু সুৰা সংঘৰ্ষ হোৱাৰ বাতৰি আহিল। তেজপুৰৰ ঢেকিয়াজুলি অঞ্চলৰ নাৰায়ণপুৰ গাঁৱৰ কংগ্ৰেছ অফিচত লামাবাৰী বাগানৰ মেনেজাৰজন সোমাই কংগ্ৰেছৰ সেৱক কেইজনমানক শাৰীৰিক আঘাত কৰিলে বুলি বাতৰি পোৱা হ'ল। এই বাতৰি পোৱা মাত্ৰে এনে এটা ঘটনাত অহিংসভাৱে আমি কি কৰিম এই প্ৰশ্নই আহিল। অসহযোগ নীতিৰে সৈতে আমি আদালতৰ আশ্ৰয় লব নোৱাৰোঁ সঁচা; তেন্তে আমাৰ উপায় কি, এই প্ৰশ্ন অহাত মহাত্মাগান্ধীয়ে দেখুৱাই দিয়া উপায়েই লোৱা হ'ল। অৰ্থাৎ ডেপুটী কমিশ্যনাৰলৈ ভদ্ৰ অথচ টান ভাষাত কথাযাৰ জনোৱা হ'ল। অধ্যাপক ছিলীয়ে কোৱামতে ইংৰাজে যিদৰে সাম্ৰাজ্য বিস্তাৰ কৰিছে আৰু ন্যায়ৰ ভেটিত চলি থাকিলেহে এই সাম্ৰাজ্য ৰক্ষা কৰিব পাৰিব বুলি ক'লেও এনেবিধৰ অভদ্ৰ গুণ্ডা শ্ৰেণীৰ ইংৰাজে সেই সাম্ৰাজ্যৰ ভেটি খান্দিব ধৰিছে বুলি চিঠিত লিখা হ'ল।

এইবিধৰ ঘটনাত গাঁৱলীয়া ৰাইজে শান্তভাৱে থাকিব পাৰিবনে আৰু নোৱাৰিলে 'ৰাজহুৱা শান্তি ভঙ্গ ঘটনাৰ পৰিণাম কি হব—এইবিলাক প্ৰশ্নই মনলৈ আহিল। এনেতে গোলাঘাটৰপৰা এটা ঘটনাৰ বাতৰি পোৱা গ'ল। ঘটনাটো ঘটিছিল এইদৰে—উষা বাগানৰ দুজন ইংৰাজ গাঁৱত পহৰা দিয়া কামলৈ ওলাই গৈ খিলাধাৰী অঞ্চলৰ গাঁৱলীয়া ৰাইজৰ লগত সংঘৰ্ষত লিপ্ত হ'ল। উত্তেজিত জনতাই তেওঁলোকৰ ওপৰত শাৰীৰিক আক্ৰমণ কৰি মটৰ গাড়ীখন নষ্ট কৰিলে। এইদৰে গোৱালপাৰাৰ চুনাৰী অঞ্চলতো ৰাইজৰ লগত পুলিচৰ সংঘৰ্ষৰ বাতৰি আহিল। আনফালে ১৫ জানুৱাৰীৰ পিছৰপৰা মাটিৰ খাজনা দিব লগাৰ নিয়ম থাকিলেও

কিন্তুমান মৌজাদাৰে চৰকাৰক সোনকালে খাজনা সোধাই নিজৰ দায়িত্ব পালন কৰিবলৈ ৰাইজে খাজনা নিদিব বুলি চৰকাৰক জনাই সশস্ত্র চিপাহীৰ সহায় ললে। এই পৰিস্থিতিত কি কৰিব পাৰি এই প্রশ্ন আহিলত বৰদোলীৰ বাহিৰে ভাৰতৰ ক'তো নিষ্ক্রিয় প্রতিৰোধ কৰিবলৈ কংগ্রেছে সিদ্ধান্ত লোৱা নাই বুলি ৰাইজক বুজাবলগীয়া হ'ল। নিষ্ক্রিয় প্রতিৰোধ কৰিবলৈ হ'লে মহাত্মাই কি বিচাৰে আৰু কংগ্রেছে একোটা অঞ্চলত নিষ্ক্রিয় প্রতিৰোধ কৰিবলৈ অনুমতি দিয়াৰ আগতে কিবোৰ কথা গমি চাব এই সম্পর্কে সকলো কথা বুজাই কবলগীয়া হ'ল। সকলো সম্প্রদায়ৰ মাজত সম্পূর্ণ একতা, অনুন্নত সম্প্রদায়বিলাক—যিসকলক অস্পৃশ্য বুলি ঘৃণাৰ চকুৰে চোৱা হয়,—তেওঁলোককো সামৰি লবলৈ সামাজিক একতা স্থাপিত হব লাগিব। আঞ্চলিক স্বাৱলম্বিতা, কাপোৰ আৰু খাদ্য বিষয়ত যাতে সেই অঞ্চলটো আনৰ ওপৰত নির্ভৰ কৰিব নালাগে সেইবাবে প্রয়োজনীয় বস্তু উৎপাদন কৰি লব লাগিব। এইবিলাক সকলো কথা বুজাবলগীয়া হ'ল।

এইদৰে জানুৱাৰী মাহ (১৯২২ চন) পাৰ হ'ল। বৰদোলীৰ সত্যাগ্রহৰ সময় আহি পালে। বৰদোলীৰ সত্যাগ্রহলৈ সমগ্র ভাৰত উৎসুক হৈ বাট চাই আছিল। ব্যক্তিগত সত্যাগ্রহৰ কথাযাৰ আমি বুজিছিলোঁ—জাতীয় সেৱক বাহিনী বে-আইনী বুলি গভর্ণমেণ্টে ঘোষণা কৰিছে, আমি সেই ঘোষণা আওকাণ কৰি জাতীয় সেৱক বাহিনী সংগঠিত কৰি কাৰাবৰণ কৰিছোঁ। কিন্তু এতিয়া এই অঞ্চলৰ ৰাইজে লগলাগি সমূহীয়া সত্যাগ্রহ কৰিব। ইয়াৰ কার্য-প্রণালী কেনে হব আমি অলপ অচৰপ বুজিলেও সম্যকভাৱে উপলব্ধি কৰিবপৰা নাছিলোঁ। বৰদোলী বোম্বে প্রদেশৰ এখন সৰু তহচিল। লোকসংখ্যা ৮৭ হেজাৰ। নবেম্বৰ মাহৰপৰাই ইয়াত সমূহীয়া সত্যাগ্রহ কৰিবলৈ স্থিৰ কৰা হৈছিল, কিন্তু সেই সময়ত ৱেলছৰ যুৱৰাজ বোম্বেলৈ আহে আৰু তাত অশান্তিজনক পৰিস্থিতিৰ সৃষ্টি হোৱাত সত্যাগ্রহী-সকলক পাছ হোহঁোকাই নিয়া হৈছিল। নিখিল ভাৰত কংগ্রেছ কমিটিয়ে ভাৰতৰ জাতীয় বিদ্রোহৰ নিদর্শন স্বৰূপে বৰদোলীকেই বাছি লৈছিল। দীর্ঘদিন স্থগিত ৰখাৰ পিছত এতিয়া পুনৰ বৰদোলীৰ ৰাইজে সমূহীয়া সত্যাগ্রহৰ সংকল্প লোৱাত আৰু সর্বদলীয় সম্মিলনে নির্দ্ধাৰিত কৰি দিয়া সময় উকলিবলগীয়া হোৱাত মহাত্মাই ভাইচৰয় লর্ড ৰীডিঙলৈ এখন চৰম-পত্র লিখিলে।

মহাত্মাই এই চিঠিত এইদৰে লিখিছিল—"খিলাফত, পঞ্জাব আৰু স্বৰাজ সম্পর্কে ভাৰতবাসীয়ে যি সংকল্প লৈছে সেই সম্পর্কে গভর্ণমেণ্টে বুজিবলৈ যত্ন নকৰাকৈ স্থিৰেৰে আছে। এতিয়া মোৰ আপোনাক সমগ্র পৰিস্থিতি বুজাই দিয়াটো প্রয়োজনীয়।"

এইদৰে আৰম্ভ কৰি মহাত্মাই লিখিছে, "ইতিমধ্যে ভাৰত গভৰ্ণমেণ্টৰ সম্মতিৰে বঙ্গদেশ, অসম, যুক্তপ্ৰদেশ, দিল্লী, কিছু পৰিমাণে বিহাৰ-উৰিষ্যাতো অতি বেয়া বিধৰ দমন-নীতি প্ৰয়োগ কৰা হৈছে। মই জানো, এই প্ৰদেশবোৰত গভৰ্ণমেণ্টৰ কাৰ্যক দমনমূলক বোলাত আপুনি আপত্তি কৰিছে। যেতিয়া কিবা এটা কাৰ্যৰ প্ৰত্যুত্তৰত আন এটা কাৰ্য কৰা হয় আৰু সেই কাৰ্যটো যদি প্ৰয়োজনীয় অৱস্থাতকৈ জোখত বেছি হয় সেইটো মোৰ মনেৰে নিঃসন্দেহে কঠোৰ বুলিব পাৰি। সম্পত্তি লুট কৰি লোৱা নিৰ্দোষীলোকৰ ওপৰত শাৰীৰিক আক্ৰমণ, জেলৰ বন্দীসকলৰ ওপৰত অমানুষিক ব্যৱহাৰ আৰু বেতৰ কোব, এইবিলাক কোনোমতেই আইনসঙ্গত, সভ্য নাইবা প্ৰয়োজনীয় বুলি কব নোৱাৰি। এই চৰকাৰে আইন ভঙ্গ কৰি বে-আইনী কাৰ্য কৰাৰ বৰ্ণনা দিবলৈ 'বে-আইনী দমন' বোলা শব্দটোৰ (Lawless Repression) বাহিৰে আন কোনো শব্দ নাই। হৰতাল নাইবা পিকেটিং কৰোঁতে অসহযোগীসকলৰ কিছুমানে নাইবা তেওঁলোকৰ সমৰ্থক কিছুমানে ভয় দেখুওৱা বুলি স্বীকাৰ কৰিব পাৰি; কিন্তু সেইবুলি ইয়াৰ বাবে গোটেই ভলণ্টিয়াৰ দলটোকে বে-আইনী বুলি ঘোষণা কৰা আৰু সাধাৰণ আইনৰ বাহিৰা আইন—যিবিলাক হিংসামূলক কাৰ্যৰ বাবে কৰা হৈছিল—তেনেবিলাক আইনৰ অপপ্ৰয়োগ কৰি শান্তিপূৰ্ণ সভা-সমিতি পতা বন্ধ কৰাটো 'বে-আইনী দমন' নুবুলি আৰু কি বুলিব পাৰি? আমাৰ বহুতৰেই ওপৰত সাধাৰণ আইনৰ অপপ্ৰয়োগ কৰি নিৰ্দোষীলোকৰ ওপৰত শাস্তি বিধান হোৱা আৰু ছপাখানা সম্পৰ্কীয় আইন তুলি দিয়া হব বুলি প্ৰতিশ্ৰুতি দি এই সময়ত ছপাখানাৰ স্বাধীনতাত হস্তক্ষেপ কৰাক দমন নুবুলি আৰু কি বুলিব পাৰি?

"মতামত প্ৰকাশ কৰা, সভা-সমিতি পতা, বাতৰি কাকতৰ স্বাধীনতাক বন্ধনৰ নাগপাশৰ পৰা মুকলি কৰাটোৱেই দেশৰ সন্মুখত উপস্থিত কৰ্তব্য। ভাৰত গভৰ্ণমেণ্টৰ বৰ্তমান যি মনোভাব, আৰু হিংসা শক্তিক সম্পূৰ্ণকৈ নিয়ন্ত্ৰণ কৰিবলৈ দেশত অপ্ৰস্তুত অৱস্থাত অসহযোগীসকলে মালবীয় সন্মিলনৰ লগত—যি সন্মিলনৰ উদ্দেশ্য আছিল আপোনাক বুজাই ঘূৰণীয়া মেজ-মেল এখন পাতিবলৈ সন্মত কৰা—সহযোগ কৰিবলৈ অনিচ্ছুক আছিল। কিন্তু মই মানুহৰ দুখ-কষ্ট হোৱাটো পাৰ্যমানে এৰাবলৈ উদগ্ৰীৱ আছিলো। কংগ্ৰেছৰ ৱাৰ্কিং কমিটিক এই সন্মিলনৰ অনুমোদনবিলাক গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়াত দ্বিধাবোধ কৰা নাছিলোঁ। আপোনাৰ কলিকতাত দিয়া বক্তৃতা আৰু আন কিছুমান কথা মই বুজামতে মোৰ এনে ধাৰণা হৈছিল যে চৰ্তবোৰ আপোনাৰ গ্ৰহণৰ জোখাৰে হৈছে, কিন্তু

আপুনি এই প্ৰস্তাৱবিলাক অলপো সময় নোলোৱাকৈ নামঞ্জুৰ কৰিলে। এনে এটা অৱস্থাত স্বাধীনভাৱে মতামত প্ৰকাশ কৰা, সভা-সমিতি পতা আৰু বাতৰি কাকতৰ স্বাধীনতাকে আদি কৰি দেশৰ দাবীবিলাক পূৰণ কৰিবলৈ অহিংস উপায়ৰ বাহিৰে আন একো বাট নাই। মই বিনয়েৰে সৈতে জনাব বিচাৰোঁ যে আলি ভ্ৰাতৃ দুজনাই কোনো চৰ্ত্ত নোহোৱাকৈ ক্ষমা-প্ৰাৰ্থনা কৰাৰ পিছত আফগানিস্থানৰ আমীৰ সম্পৰ্কে কৰা এটা মন্তব্যৰ ভ্ৰান্ত ধাৰণা তেওঁলোকে বিবৃতিৰে বুজাই দিব-লগীয়া হৈছিল। ১৯২১ চনৰ জুন মাহত আপুনি যি উদাৰভাৱে নীতি ঘোষণা কৰি জনাইছিল যে অসহযোগীসকল কাম আৰু বাক্যত অহিংস আৰু নিৰুপদ্ৰৱ হৈ থকালৈকে অসহযোগীৰ কাৰ্যত হস্তক্ষেপ নকৰে। গভৰ্ণমেণ্টৰ নীতি নিৰপেক্ষ হৈ থকা হ'লে আৰু ৰাজহুৱা মত ভালকৈ গঢ়ি উঠিবলৈ দিয়া হ'লে, কংগ্ৰেছে সমগ্ৰ দেশৰ উপদ্ৰৱকাৰী শক্তিবিলাক নিজৰ আয়ত্তলৈ আনিব নোৱাৰালৈকে আৰু কংগ্ৰেছৰ কোটি কোটি সমৰ্থকসকলক মাজত নিয়ম মানি চলিবলৈ আৰু বেছি শিক্ষা দিব নোৱাৰালৈকে, এনেবিধৰ সমূহীয়া সত্যাগ্ৰহ কৰাটো স্থগিত ৰাখিবলৈ কংগ্ৰেছক পৰামৰ্শৰ দিব পাৰিলোহেঁতেন। কিন্তু চৰকাৰৰ আইন বিৰোধী দমন নীতিয়ে— এই দুৰ্ভগীয়া দেশখনৰ বুৰঞ্জীত যাৰ তুলনা আমি নাপাওঁ,—এনেবিধৰ সমূহীয়া সত্যাগ্ৰহ কৰাটো অৱশ্যকৰণীয় কৰ্তব্য হিচাপে আনি দিছে। কংগ্ৰেছৰ ৱাৰ্কিং কমিটিয়ে মই বাছি দিয়া কিছুমান অঞ্চলতহে সময়ে সময়ে এই সত্যাগ্ৰহ কৰিবলৈ সীমা বান্ধি দিছে, আৰু এইমতে বৰদোলীত এনে সত্যাগ্ৰহ কৰিবলৈ দিয়া হৈছে। কংগ্ৰেছে দিয়া ক্ষমতামতে মই মাদ্ৰাজৰ গুণ্টুৰ জিলাৰ এশখন গাঁৱত সত্যাগ্ৰহ কৰিব দিবলৈ সন্মতি দিব পাৰোঁ—যদিহে তেওঁলোকে অহিংসাৰ চৰ্তবিলাক পূৰণ কৰিব পাৰে, সকলো শ্ৰেণীৰ লোকৰ মাজত একতা থাকে, হাতে কটা সূতাৰ কাপোৰ পিন্ধিবলৈ লৈ খাদী উৎপাদন কৰে আৰু অস্পৃশ্যতা বৰ্জন কৰি সকলোৰে মাজত মিলাপ্ৰীতিৰ ভাব অনা সম্পৰ্কে সকলো কথা কঠোৰভাৱে পালন কৰে।

"কিন্তু বৰদোলীয়ে কাৰ্যতঃ সমূহীয়া সত্যাগ্ৰহ আৰম্ভ কৰিবৰ আগতে, ভাৰত গভৰ্ণমেণ্টৰ শীৰ্ষস্থানত থকা বাবে আপোনাক সবিনয়ে আৰু সসম্মানে নিবেদন কৰিব বিচাৰো আপুনি নীতি শুধৰাই লওক, সকলো অসহযোগী বন্দীক, যিসকলৰ বিচাৰত শাস্তি হৈছে আৰু যিসকল এতিয়ালৈকে অহিংস কাৰ্যাৱলীত লিপ্ত থকা বুলি বিচাৰৰ বাবে বন্দী হৈ আছে সকলোকে মুকলি কৰি দিয়ক। আৰু দেশত সকলো অহিংস কাৰ্যক্ৰমৰ, সেই কাৰ্য খিলাফত, পঞ্জাৱৰ অন্যায় প্ৰতিকাৰৰ বাবেই হওক বা স্বৰাজৰ বাবেই হওক নতুবা আন কোনো উদ্দেশ্যেই

হওক আৰু ফৌজদাৰী দণ্ডবিধি আইনৰ ব্যতিক্ৰম হ'লেও অহিংসাৰ চৰ্ত পালিত হ'লে গভৰ্ণমেণ্টৰ ফালৰপৰা হস্তক্ষেপ কৰা নহয় বুলি স্পষ্টকৈ ঘোষণা কৰক। মই আৰু এটা কথা নিবেদন কৰিব বিচাৰোঁ যে ছপাখানা সকলো বিধৰ নিয়ন্ত্ৰণৰপৰা মুকলি কৰি দিয়ক, যিবিলাক দণ্ড আৰু জৰিমনা কৰা হৈছে, ছিকিউৰিটি জমাৰ যি টকা বাজেয়াপ্ত কৰা হৈছে সকলো ঘূৰাই দিয়াওক। মই আপোনাক এইখিনি কথা জনাওঁতে কওঁ যে যিবিলাক সভ্য দেশৰ চৰকাৰ গভৰ্ণমেণ্ট বুলি বিবেচিত হয়, তেনে সকলোবোৰ দেশতে যি কৰা হয়, তাকে কৰিবলৈ মই কৈছোঁ। এই চৰম-পত্ৰ প্ৰকাশিত হবৰ সাত দিনৰ ভিতৰত আপুনি যদি প্ৰয়োজনীয় ঘোষণা কৰি, বন্দী হৈ থকা কৰ্মীসকলে মুকলি হৈ আহি সকলো পৰিস্থিতি পুনৰ বিবেচনা কৰি সিদ্ধান্ত নোলোৱালৈকে, এই আক্ৰমণাত্মক সত্যাগ্ৰহ স্থগিত ৰাখিবলৈ কয় মই পৰামৰ্শ দিবলৈ সাজু আছো। যদি গভৰ্ণমেণ্টে মোৰ অনুৰোধমতে এনে ঘোষণা কৰে তেন্তে মই ৰাজহুৱা মত কাৰ্যত পৰিণত কৰিবলৈ গভৰ্ণমেণ্টৰ সৎ ইচ্ছা থকা বুলি ধৰিম আৰু ৰাইজৰ দাবী পূৰণ কৰিবলৈ হ'লে যিবিলাক দাবীৰ একো পৰিৱৰ্তন হব নোৱাৰে, তাৰ বাবে ৰাইজৰ মত গঠন কৰিবলৈ দেশবাসীক পৰামৰ্শ দিবলৈ দ্বিধাবোধ নকৰো। এনে ক্ষেত্ৰত গভৰ্ণমেণ্টে নিৰপেক্ষ নীতি নললোৱালৈকে নাইবা ভাৰতৰ কোটি কোটি নৰ-নাৰীৰ স্পষ্টকৈ প্ৰকাশিত মত স্বীকাৰ কৰিবলৈ অমান্তি নোহোৱালৈকে, আক্ৰমণাত্মক সমূহীয়া সত্যাগ্ৰহ কৰিবলৈ লোৱা নহয়।"

মহাত্মাই ১ ফেব্ৰুৱাৰী তাৰিখে এই চৰম-পত্ৰখন পঠোৱাৰ পিছত ৬ ফেব্ৰুৱাৰী তাৰিখে গভৰ্ণমেণ্টে এখন ইস্তাহাৰ প্ৰকাশ কৰি মহাত্মাৰ সকলো দাবী প্ৰত্যাখ্যান কৰিলে। এই ইস্তাহাৰত ভাইছৰয়ে দমন নীতিৰ যুক্তিসঙ্গততা প্ৰমাণ কৰিবলৈ যত্ন কৰিলে। বোম্বেৰ উপদ্ৰৱমূলক ঘটনাবিলাকৰ উল্লেখ কৰিলে, ইয়াৰ বাহিৰেও ঠায়ে ঠায়ে শান্তি আৰু শৃঙ্খলা ভঙাৰ নিদৰ্শন দেখা গৈছে বুলি ক'লে। ভলণ্টিয়াৰ দলে ভয় দেখুৱা আৰু ৰাইজক নিজৰ ইচ্ছামতে কাম কৰিবলৈ বাধা দিয়া বুলি ক'লে। আলি ভ্ৰাতৃ দুজনাই আফগানিস্থানৰ আমীৰে ভাৰত আক্ৰমণ কৰিলে আমীৰক সহায় কৰিব বুলি বাতৰি কাকতত ওলাইছিল আৰু এই সম্পৰ্কে তেওঁলোকে মহাত্মাৰ পৰামৰ্শমতে বাতৰি কাকতত প্ৰকাশিত হোৱা কথা শুধৰাই দিছিল আৰু লগতে বিবৃতিত কৈছিল, "আমি যিসকলে স্বাধীনতা আৰু সত্যৰ যুঁজত নামিছো আমি নিজৰ মাজত স্পষ্ট হোৱাটো উচিত যাতে কোনেও ভুল বুজিব নোৱাৰে।" এইদৰে বিবৃতি দি বুজাই দিয়াত ভাইছৰয়ে যি

ঘোষণা কৰিছিল তাৰো উল্লেখ কৰি ক'লে যে সেইসময়ত ঘোষণা কৰা নীতিৰ এতিয়া ব্যতিক্ৰম হোৱা নাই। ৰাষ্ট্ৰবিৰোধী অপৰাধ হ'লে প্ৰয়োজনমতে গভৰ্ণমেণ্টে আইন প্ৰয়োগ কৰিব। গভৰ্ণমেণ্টে সম্মিলন পতাটো ঘপহকবে• এৰি দিয়া নাই, কাৰণ সৰ্বদলীয় সম্মিলনৰ প্ৰস্তাৱত অসহযোগৰ বে-আইনী কাৰ্যকলাপ বন্ধ কৰাৰ কথা জনোৱা নাই আৰু সেইটো হৈছে মূল চৰ্ত। কেৱল মাত্ৰ পিকেটিং, হৰতাল আৰু আইনভঙ্গহে বন্ধ হব কিন্তু আন বে-আইনী কাৰ্য চলি থাকিব বুলি কোৱা হৈছে। আৰু কোৱা হ'ল যে গান্ধীৰ নিৰ্দেশ মানি লবলৈকে ঘূৰণীয়া মেজমেল বহুৱাব লাগিব। এইদৰে মহাত্মাৰ প্ৰত্যুত্তৰ দিয়া হ'ল। ৭ ফেব্ৰুৱাৰী তাৰিখে মহাত্মাই পুনৰ আৰু এখন চিঠি লিখিলে। এইখনত গভৰ্ণমেণ্টে আইনভঙ্গ কৰাৰ বহুতো দৃষ্টান্ত দিয়া হ'ল। চিভিল গাৰ্ডে কিদৰে অত্যাচাৰ কৰিছে জনোৱা হ'ল, কলিকতাত গুলি চলোৱাৰ কথা উল্লেখ কৰিলে, চৰকাৰে কিদৰে আইনৰ ব্যতিক্ৰম কৰি বৰ্বৰোচিত উপদ্ৰব কৰিছে তাৰো বহুতো দৃষ্টান্ত দিলে।

এই সময়ত মহাত্মা বৰদৌলীতেই আছিল। বৰদৌলীৰপৰাই এইবোৰ লিখা-লিখি কৰি আছিল। গোটেই ভাৰতৰ চকু সেই সময়ত বৰদৌলীৰ ওপৰত আছিল। বৰদৌলীয়ে কিদৰে সমূহীয়া সত্যাগ্ৰহ কৰিবলৈ সমৰ্থ হয় তালৈকে সকলোৰে উদ্বেগ। শক্তিশালী বৃটিছ শক্তিৰ লগত বৰদৌলীৰ দুখীয়া খেতিয়কসকলে সমগ্ৰ ভাৰতৰ হৈ স্বাধীনতা-যুদ্ধত লাগিবলৈ দিহা কৰিছে। তেওঁলোকৰ দৃঢ়তা আৰু কৃতকাৰ্যতাৰ ওপৰত ভাৰতীয় সংগ্ৰামৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। সকলোৰে অন্তৰত কেৱল বৰদৌলীৰ বাবে প্ৰাৰ্থনা। কিন্তু এনেতে কি হ'ল? ভাৰতৰ বাবে অদৃষ্টদেৱী যেন অপ্ৰসন্ন—উত্তৰ ভাৰতৰ এটা চুকৰপৰা হঠাতে এটা বাতৰি আহিল—জনতাই পুলিচ কৰ্তৃপক্ষৰ ওপৰত নিদাৰুণ প্ৰতিশোধ লৈছে। গোৰক্ষপুৰৰ চৌৰীচৌৰা বোলা গাঁও এখনত ৫ ফেব্ৰুৱাৰী তাৰিখে এটা শোভাযাত্ৰা ওলাই যোৱাৰ পিছত জনতাই থানাঘৰত জুই লগাই দিয়ে। থানাঘৰত ২২ জন কনিষ্টবল জীয়াই জীয়াই পুৰি মৰা হ'ল। এই কথাবাৰত মহাত্মা মৰ্মাহত হ'ল।

যোৱা নবেম্বৰ মাহত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ দিল্লী অধিৱেশনৰ পাছত মহাত্মাই কৈছিল: "মই বৰদৌলীত সমূহীয়া সত্যাগ্ৰহ কৰিবলৈ দিহা কৰিছোঁ। গুজৰাটৰ ছুৰাট জিলাৰ ই এখন তালুক মাত্ৰ। মোৰ ব্যক্তিগত তত্ত্বাৱধানত এই অভিযান চলোৱা হব। মোৰ যত্নত বন্ধুৰ দৰে সহানুভূতি দেখুৱাৰ বাহিৰে মই ভাৰতৰ আন ঠাইৰ নেতাসকলৰপৰা আন একো সহায় বিচৰা নাই। তেওঁলোকে নিজৰ নিজৰ অঞ্চলত কাৰ্যকৰীভাৱে সজাগ দৃষ্টি ৰাখিব; যাতে ভাৰতৰ সকলো

ঠাইতে শান্তি ৰক্ষা হয়। আমাৰ যত্ন যে সাফল্যমণ্ডিত হব, তাত মোৰ কোনো সন্দেহ নাই।”

মৌলানা হজৰত মাদানীয়ে ভাৰতৰ সকলো ঠাইত একেলগে সমূহীয়া সত্যাগ্ৰহ কৰাৰ প্ৰস্তাৱৰ উত্তৰত এইকথা কৈছিল। এতিয়া কিদৰে এই ঘটনা হ'ল। মনলৈ প্ৰশ্ন আহিল—এই সত্যাগ্ৰহত ভগৱানৰ কিবা অভিসম্পাত আছে নেকি? নবেম্বৰ মাহত এই সত্যাগ্ৰহ আৰম্ভ কৰাৰ আগতে বোম্বেত দুৰ্ঘটনা হ'ল। উত্তেজিত জনতাই ৰেলছৰ যুৱৰাজৰ অভ্যাৰ্থনালৈ যোৱা কিছুমান লোকৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ কৰিলে আৰু পিছত মহাত্মাই অনশন ব্ৰত লবলগীয়া হ'ল। এতিয়া ফেব্ৰুৱাৰী মাহতো পুনৰ এনে এটা দুৰ্ঘটনা হ'ল। নবেম্বৰ মাহত জানিবা ভাইছৰয়লৈ চৰম-পত্ৰ দিয়া হোৱা নাছিল। কিন্তু এই সময়ত চৰম-পত্ৰ দিয়া হ'ল। প্ৰস্তুতিৰ ফালৰপৰাও বহুতো আগ বঢ়া হ'ল। ১৯১৯ চনত ৰৌলাট আইন লৈ সত্যাগ্ৰহ আৰম্ভ কৰি ভাৰতৰ বহুতো ঠাইত উপদ্ৰৱ-অশান্তি হোৱাত 'হিমালয় সদৃশ ভুল' বুলি মহাত্মাই সত্যাগ্ৰহ স্থগিত ৰাখিছিল। সেই সময়ত সকলো কথা নতুন আছিল। মহাত্মাও ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰত নতুন হ'লেও দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহৰ অভিজ্ঞতা লৈ ভাৰতৰ কাৰ্যক্ষেত্ৰত সোমাইছিল মাথোন। কিন্তু ১৯২২ চনত পৰিস্থিতি বহুতো জটিল হৈ পৰিল। ভাৰতৰ কোটি কোটি নৰ-নাৰীৰ অন্তৰত এটা ডাঙৰ আশা আৰু আকাঙ্ক্ষা জাগি উঠিছে। সকলোৱে উদগ্ৰীব হৈ বাট চাই আছে। বৰদোলীতেই মহাভাৰতৰ কুৰুক্ষেত্ৰ ধৰ্ম-যুদ্ধ হব বুলি কিছুমানে কল্পনাও কৰিছে। ৰাজনীতিৰ ফালৰ পৰা এতিয়া পাছ হেঁাহোকাত ডাঙৰ বিপদ নথকা নহয়। যুদ্ধক্ষেত্ৰত সৈন্য সংস্থাপিত কৰি পাছ হেঁাহকিব লগা হ'লেও সৈন্যাধ্যক্ষৰে বিপদ। এনে কৰিবলগীয়া হ'লে সৈন্যাধ্যক্ষজনেই সকলোৰে হাঁহিয়াতৰ পাত্ৰ হব। চৌৰীচৌৰাৰ বাতৰি পাই মহাত্মাই ততালিকে সত্যাগ্ৰহ স্থগিত কৰাটো স্থিৰ কৰি কংগ্ৰেছৰ ৱাৰ্কিং কমিটি মাতিলে। ১১ ফেব্ৰুৱাৰী তাৰিখে কংগ্ৰেছৰ ৱাৰ্কিং কমিটি বহিল। সহকৰ্মীসকলৰ ওচৰত মনৰ কথা খোলোছাকৈ ক'লে। কিন্তু ৱাৰ্কিং কমিটিৰ সদস্যসকল হৈছে ৰাজনৈতিক নেতা। মহাত্মাৰ আধ্যাত্মিকতাৰতো দাবী তেওঁলোকে নকৰে। তেওঁলোকে আপত্তি জনালে। কিন্তু প্ৰশ্ন হ'ল—মহাত্মাই এই সত্যাগ্ৰহ নচলালে 'কোনে এই সত্যাগ্ৰহ চলাব? একেখন নাৱত সকলো উঠিবলগীয়া হৈছে—নাৱৰীয়াই নাও নেমেলে. অথচ নাৱৰীয়াৰ দায়িত্ব লব পৰা সুদক্ষ লোকো নাই। উপায়বিহীন হৈ তেওঁলোকে মান্তি হবলগীয়া হ'ল। জেলত বন্দী হৈ থকা নেতাসকলৰ অন্তৰত বিৰক্তি উপজিল।

প্ৰশ্ন হ'ল—সন্ত-সাধুক লৈ ৰাজনীতিত কিমান আগ বাঢ়িব পাৰি ? ভাৰতীয় জনতাৰ মাজত জাগৰণ আনি দিয়ালৈকে মহাত্মাৰ যি কাৰ্য আছিল সেই কাৰ্য তেওঁ কৰিলে। এতিয়া তেওঁ নহ'লেও ভাৰতৰ ৰাজনীতি চলাব পৰা হব। পুৰীত মৃত্যুশয্যাত পৰি থকা ৺কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মায়ো সত্যাগ্ৰহ স্থগিত কৰাত মহাত্মাৰ ওচৰত আপত্তি জনালে। কিন্তু মহাত্মা অচল অটল।

'ইয়ুং ইণ্ডিয়া'ত মহাত্মাই লিখিলে : "মোৰ ওপৰত ভগৱানৰ অসীম দয়া। এইবাৰলৈ তৃতীয়বাৰ হ'ল ভগৱানে মোক সাৱধান কৰি দিলে। অহিংস আৰু সত্যৰ বাতাবৰণৰতহে সমূহীয়া সত্যাগ্ৰহ যুক্তিসঙ্গত, এতিয়ালৈকে ভাৰতত তেনে বাতাবৰণ হোৱা নাই বুলি জনালে। নম্ৰতা, সত্যপৰায়ণতা, অন্তৰত হিংসা নথকা অথচ দৃঢ়তা থকা, শত্ৰুপক্ষলৈ বিদ্বেষ ভাব নথকা এটা বাতাবৰণতহে সমূহীয়া সত্যাগ্ৰহ যুক্তিসঙ্গত। সত্যাগ্ৰহ কৰিবলৈ ওলাইছোঁ এনেতে বোম্বেৰ ঘটনাৱলীৰ বাবে স্থগিত ৰাখিবলগা হ'ল। ১৯১৯ চনত মোৰ অহঙ্কাৰ চূৰ্ণ হৈছিল। বোম্বেত সিদিনা তাতোকৈ বেছি হৈছিল কিন্তু তাৰপৰা মোৰ কাৰণে ভাল হ'ল। মোৰ দৃঢ় বিশ্বাস যে আমাৰ দেশৰ সকলো লোকে ইয়াৰ পৰা শিক্ষা পালে। এইদৰে স্থগিত কৰাত ভাৰত যে সত্য আৰু অহিংসাৰ হকে থিয় দিছে সেইটো জনাব পৰা হ'ল।

"কিন্তু তাতোকৈ বেছি মোৰ মূৰ দোঁওৱাটো এতিয়ালৈকে বাকী আছিল। মাদ্ৰাজে মোক সতৰ্ক কৰি দিলেও মই তালৈ মন কৰা নাছিলোঁ। কিন্তু ভগৱানে চৌৰীচৌৰাৰ জৰিয়তে স্পষ্টকৈ মোক ক'লে। মই শুনিছো যে যি কেইজন কনিষ্টবল নিৰ্মমভাৱে আহত হ'ল তেওঁলোকেই উত্তেজনা অনাৰ বাবে দায়ী আছিল। ইন্সপেক্টৰে কাকো একো নকৰে বুলি যি কথা দিছিল এওঁলোকে সেইকথা নাৰাখিলে। সমদলত পাছপৰা লোকসকলক এওঁলোকে গালি-শপনি পাৰিবলৈ ধৰাত তেওঁলোক সমদলৰ আগৰ লোকসকলৈ সহায়ৰ বাবে চিঞৰিবলৈ ধৰিলে। তেতিয়া জনতা উভতি আহিল আৰু পুলিচৰ কনিষ্টবলে গুলি চলাবলৈ ধৰিলে। যি সামান্য কাৰ্টুজ আছিল সেয়া শেষ হ'লত তেওঁলোক থানাত সোমাল আৰু জনতাই থানা-ঘৰত জুই লগাই দিলে আৰু জুই লাগোৱাত কনিষ্টবলহঁত বাহিৰলৈ ওলাই আহিল। আৰু তেতিয়া উত্তেজিত জনতাই তেওঁলোকক টুকুৰা টুকুৰ কৰি কাটি জুইত পেলাই দিলে।

"অসহযোগী স্বয়ংসেৱক কিছুমানৰো 'এই অমানুষিক কামত হাত আছিল বুলি কিছুমানে কৈছে। পুলিচে উত্তেজনাৰ কাৰণ যিমানেই নেদেখুৱাক লাগে, তেওঁলোকে

অসহায় হৈ জনতাৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। তেওঁলোকক এইদৰে হত্যা কৰাটো কোনোমতেই যুক্তিসঙ্গত হোৱা বুলি কব নোৱাৰি। ভাৰতে যেতিয়া অহিংস বুলি দাবী কৰিছে, অহিংস উপায়েৰে স্বাধীনতা লাভ কৰিবলৈ আশা কৰিছে, তেনেস্থলত পুলিচে উত্তেজনাৰ কাৰণ দৰ্শাইছে বুলিয়েই পুলিচে সৃষ্টি কৰা উত্তেজনাৰ প্ৰত্যুত্তৰত এনেদৰে উপদ্ৰৱ কৰাটো অশুভ লক্ষণ। ধৰিলোৱা, ভগৱানৰ আশীৰ্বাদত বৰদোলীত অহিংস অসহযোগ সাফল্যমণ্ডিত হৈছে, বৃটিছ গভৰ্ণমেণ্টে বৰদোলী-বিজয়ীসকলৰ হাতত ক্ষমতা এৰি দিছে, দেশৰ জনতাৰ মাজত যিসকল অসংযত লোক আছে, তেওঁলোকে উত্তেজনাৰ বশবৰ্ত্তী হৈ অমানুষিক অত্যাচাৰ কৰিলে, কোনে তেওঁলোকক নিয়ন্ত্ৰণ কৰিব? অহিংস উপায়েৰে স্বৰাজ পোৱাটো হ'লে দেশত যি উপদ্ৰৱকাৰী শক্তি আছে, সেই শক্তি অহিংস উপায়েৰে নিয়ন্ত্ৰণ কৰিব পৰাটো বুজায়। ভাৰতৰ উপদ্ৰৱকাৰী শক্তিক অহিংস অসহযোগীসকলে নিজৰ আয়ত্তলৈ আনিব পাৰিলেহে কৃতকাৰ্য হব। সংক্ষেপতে কবলৈ হ'লে, অহিংস অসহযোগৰ অভিযান চলি থাকোতে স্বদেশ প্ৰেমত নাইবা ধৰ্মভাবত এনেকুৱা বিধৰ উপদ্ৰৱকাৰী শক্তিয়ে উপদ্ৰৱ কৰাৰ পৰা আঁতৰি থকাৰ প্ৰয়োজনীয়তা বুজিলেহে অহিংস অসহযোগ সাফল্যমণ্ডিত হব। চৌৰীচৌৰাৰ ঘটনাই মোক সম্পূৰ্ণৰূপে জগালে।

'তুমি যে ভাইচৰয়লৈ চৰম-পত্ৰ দিছা, আৰু পিছতো প্ৰত্যুত্তৰ লিখি পঠাইছা তাৰ কি হ'ল?' —এইদৰে চয়তানে মোক ক'লে। মোক লাজ দিবলৈ এইটোৱেই আটাইতকৈ তিতা মাত। জয়ডঙ্কা বজাই গভৰ্ণমেণ্টলৈ চৰম-পত্ৰ পঠিয়াই যুদ্ধ-ক্ষেত্ৰলৈ আগ বাঢ়ি আৰু বৰদোলীৰ লোকসকলক কত ৰকমৰ প্ৰতিশ্ৰুতি দি পিছদিনা আঁতৰি অহাটো নিশ্চয় কাপুৰুষালিৰ কথা। চয়তানৰ কথা হৈছে—মই সত্যক অস্বীকাৰ কৰিব লাগিব আৰু এইদৰে ধৰ্মক অস্বীকাৰ কৰিব লাগিব। মোৰ মনৰ দ্বিধা কংগ্ৰেছৰ ৱাৰ্কিং কমিটিৰ সদস্যসকলক জনালো। × × ৰাজনীতিৰ ফালৰপৰা আক্ৰমণাত্মক কাৰ্যক্ৰমৰ এতিয়া ব্যতিক্ৰম ভুল হব পাৰে, কিন্তু ধৰ্মৰ ফালৰপৰা এইটো জ্ঞানীৰ কাম, তাত সন্দেহ নাই। মই মোৰ ভুল স্বীকাৰ কৰাত আৰু এইদৰে লাজ-অপমান পোৱাত দেশৰ লাভ হব।" মহাত্মাই এইদৰে নিজৰ মনৰ কথা প্ৰকাশ কৰিলে।

তৃতীয় খণ্ড

স্বৰাজৰ বাটত

অসহযোগ আন্দোলনৰ ডায়েৰী

১৯২১ চনৰ ১ জানুৱাৰী। আসাম এছোচিয়েশ্যনৰ বছৰেকীয়া সন্মিলন শেষ হ'ল। প্ৰতিনিধিসকল দিহা দিহি গ'ল। মুখত হাঁহি লৈ হেম বৰুৱা পুৱাতে মোৰ ওচৰ পালেহি। আমি অকোঁৱা সামাজিক আৰু ৰাজনৈতিক চিত্ৰ ছবিবিলাক গোটাই-মেলি ভালকৈ ৰখা কাম, এদল ছাত্ৰ-সেৱকক লৈ শেষ কৰি আঁতালোঁ। দুয়ো ওলালোঁ ফুৰিবলৈ—কুঁৱলিৰ মাজেদি ৰ'দ ওলাইছে। এফালে তেজপুৰৰ প্ৰস্তাৱ, আনফালে নাগপুৰৰ প্ৰস্তাৱ—অসহযোগ আন্দোলনৰ সমৰ্থন। সমুখত অনিশ্চয়তা, মনতো উগুল-থুগুল ভাব। স্কুল-কলেজ বৰ্জন কৰি কি কৰা হ'ব? এজন বন্ধুৱে মাত দিলে (তেওঁ ডিব্ৰুগড় মেডিকেল স্কুলৰ ছাত্ৰ) এনেয়ে অসমীয়াৰ শিক্ষিতৰ সংখ্যা কম, এনে ক্ষেত্ৰত স্কুল-কলেজ এৰিলে, ল'ৰাহঁতৰ শিক্ষাৰ কি হ'ব? এই একে প্ৰশ্নই সকলোৰে অন্তৰত। হেম বৰুৱাই মাত দিলে, "স্কুল-কলেজ এৰিব নালাগে। চোৱা যাওক, ক'ৰ পানী ক'লৈ যায়!" কুঁৱলিৰ মাজেদি যিদৰে বেলি ওলায়, সেইদৰে গান্ধীয়েও আমাক বাট দেখুৱাই নিব—এনে ভাব আমাৰ মনলৈ আহিল। আমাৰ নিজতকৈও গান্ধীৰ মাহাত্মাই যেন আমাৰ আশ্ৰয়! দিহাদিহি ঘৰলৈ উভতিলোঁ।

*　　　*　　　*

৫ তাৰিখ। হেম বৰুৱা আৰু মই গুৱাহাটীলৈ বুলি ৰাতি ৰাওনা হলোঁ। চন্দ্ৰ শৰ্মা তিনি তাৰিখেই গ'ল। যাওঁতে কৈ গ'ল, "সোনকালে আহিবা।" পুৱা গুৱাহাটী গৈ পালত জাহাজৰপৰা নামি থকা ঠাইলৈ গলোঁ।

*　　　*　　　*

ছাত্ৰ বন্ধুসকলক লগ ধৰিলোঁ। সকলোৰে মনত একে প্ৰশ্ন, কি কৰোঁ? ল' কলেজৰ মেছলৈ গ'লোঁ—খুহুতীয়া বন্ধু শ্ৰীটঙ্কেশ্বৰ শৰ্মাই মাত লগালে, "গান্ধীয়ে দেখোন এতিয়া চুহি শেষ কৰেই। 'পিটে' এৰিব নে?" (চন্দ্ৰ শৰ্মাক এই নামতেই কিছুমানে মাতিছিল।) দেৱেশ্বৰ শৰ্মাই মাত দিলে—পৰীক্ষা আহি পালেই। পৰীক্ষা দি আঁতাই আমি যোগদান কৰিব লাগিব। (তেওঁৰ আইনৰ শেষ পৰীক্ষা।)

"তোৰ একো ভয় নাই, এইবেলি সবকিলেই গ'লি। এফালে ল' ডিগ্ৰী, আনফালে স্বৰাজ।" খুহুতীয়া টঙ্কেশ্বৰে মাত দিলে।

*   *   *

গুলালোঁ চন্দ্ৰ শৰ্মাৰ ঘৰলৈ—চাওঁ তাতো কটন কলেজৰ কেইবাজনো ছাত্ৰ বহি আছে। শ্ৰীগুঞ্জানন শৰ্মা, শ্ৰীগুক্লেশ্বৰ গোস্বামী, শ্ৰীমতিৰাম বৰা—সকলোৰে মনত সেই একে প্ৰশ্ন—বি. এ পৰীক্ষা আহিব লাগিছে, এতিয়া কি কৰোঁ?

চন্দ্ৰ শৰ্মাই ক'লে "নাই, অসমে ভাৰতবৰ্ষৰ আঁতৰি থাকিব নোৱাৰে। এই স্বাধীনতাৰ আন্দোলনত অসমে ভাগ লব লাগিব।" * * *

গুঞ্জাননে মাত দিলে—'আজি আপোনালোক হোষ্টেললৈ আহক। তাতেই ৰাতি খাবহি, তাতেই আমি কথা পাতিম।" মই লাহেকৈ সুধিলোঁ—মোকো মাতিছেনে? হোষ্টেলৰ ডাইনিং হলত মোক সোমাবলৈ দিয়া হ'বনে?" * * *

"থৈ দিয়ক—১০ বছৰ আগৰ কথা। এতিয়া বহুতো আগ বঢ়া হৈছে। এতিয়া আগৰ দৰে নাই।"—গুঞ্জই মাত দিলে। গধূলি গুলালোঁ—হেম বৰুৱা, মই, দেবেশ্বৰ শৰ্মা আৰু চন্দ্ৰ শৰ্মা। বহিলোঁগৈ গুঞ্জানন শৰ্মাৰ খোটালীত। বহুতো ছাত্ৰ চাপি আহিল—সকলোৰে অন্তৰত সেই একে প্ৰশ্ন। সকলোকে লাগে মুক্তি, স্বাধীনতা, কিন্তু গান্ধীয়ে যিটো বাট দেখুৱাইছে স্কুল-কলেজ এৰি কেনেকৈ যাব পৰা যায়?

চন্দ্ৰ শৰ্মাই ক'লে,—"হেৰা, লুইত এৰি দিখৌ, দিছাং, ধনশিৰি, ভৰলী ক'লৈ যাব? ভাৰতৰ জাতীয় আন্দোলন এৰি আমি অকলে ক'লৈ যাম?" স্থিৰ হ'ল, ছাত্ৰসকলে কলেজ এৰিব। কিন্তু সকলোৱে একেলগে এৰি যাব লাগিব।

*   *   *

৭ জানুৱাৰী। আমি নবীন বৰদলৈৰ ঘৰলৈ গলোঁ। তেওঁ আহি পাইছে দুপৰীয়া—নাগপুৰৰ পৰা। সমুখৰ লেচু জোপাৰ কাষতে আমাক দেখি আগ বাঢ়ি আহিল।

"হেৰা অমী, আমি আছিলোঁ ছি. আৰ. দাসৰ লগত, কিন্তু কি হ'ল দেখিলাই নহয়।" দেৱেশ্বৰে ক'লে—"ভালেই হৈছে দিয়ক। এতিয়া গুলাওক।" বৰদলৈয়েও তৰ্কৰ সুৰত ক'লে, 'তুমি গুলাবানে?" দেৱেশ্বৰেও একে সুৰতে ক'লে—আপোনালোকে betray নকৰিলে আমি আছোঁ।" দেবেশ্বৰৰ মুখখন চোকা। সৰল মনেৰেই তেওঁ নিজৰ মনৰ কথা টান হ'লেও কয়।

এইদৰে কথাৰ সুৰ অলপ তপত হৈ পিছত চেঁচা হোৱাত বৰদলৈয়ে পুনৰ

মাত দিলে, "তোমালোকৰনো কি ? অকলশৰীয়া, আমি ওকালতি এৰিলেনো কেনেকৈ এই ঘৰখন চলাওঁ ? লোকৰ অগাধ সম্পত্তি আছে চলাব। আমাৰ হৈছে দিন ভিক্ষা, প্ৰাণ ৰক্ষা। যি নহওক, মই ওলাওঁ। উত্তৰ পাৰেদি খোজ কাঢ়ি গাঁৱে গাঁৱে ফুৰি আহিম।"

* * *

চন্দ্ৰ শৰ্মা গ'ল গোৱালপাৰালৈ, বৰদলৈ গ'ল উত্তৰ পাৰলৈ। কটন কলেজৰ হোষ্টেলত দিনে আবেলি সভা বহে। ক্ৰমে ক্ৰমে 'অমৃত বাজাৰ পত্ৰিকা' কাগজ পঢ়ি তেজ তপত হৈ উঠে। এবছৰৰ ভিতৰত স্বৰাজ ! গান্ধীৰ কথা ! গান্ধী, চিত্তৰঞ্জন, বিপিন পালৰ উদাত্ত আহ্বান। সিংহনাদ—লগে লগে শঙ্খ-ঘণ্টা-ভেৰী ৰণহুঙ্কাৰ একেলগে বাজি উঠিছে—এই ৰণ-আহ্বানত ডেকাৰ অন্তৰ কেনেকৈ স্থিৰেৰে থাকে ?

ৰাতি হোষ্টেলৰপৰা পলাই ল'ৰাহঁতে হৰিসভাৰ প্ৰাঙ্গণত হোৱা মুকুন্দ দাসৰ যাত্ৰা শুনে। মুকুন্দ দাসেও যাত্ৰা-গানৰ জৰিয়তে স্বদেশী ভাৱৰ প্ৰচাৰ কৰাত লাগিছে। "বি.এ. এম.এ পাছ কৰে চাকৰি যদি নাহি মিলে, মিশে যা না চাষাৰ দলে।" এনে বিধৰ যাত্ৰাৰ গান ল'ৰাহঁতৰ মুখে মুখে হ'ল। হোষ্টেলৰপৰা সকলো একেলগে ওলাব লাগে। কিন্তু মেকুৰীৰ ডিঙিত টিলিঙা পিন্ধায় কোনে ?

* * *

চন্দ্ৰ শৰ্মা গোৱালপাৰাৰ পৰা উভতি আহিল। দেখা হলত, ক'লে—"হেৰা, গোৱালপাৰাৰ হাইস্কুলৰ ঘৰটো কোনোবাই জুই লগাই পুৰিলে।" সুধিলোঁ— "আপোনাৰ গাত জগৰ লাগিব নেকি ?" এবাহে কোনোবা ফেল্ হোৱা ল'ৰাৰ কাম। মোকো পেলাবলৈ এয়া যত্ন কৰিছে।" * * *

নবীন বৰদলৈক লগ ধৰিলোঁ—তেওঁ উত্তৰ পাৰলৈ ঘূৰি আহি পাইছে। তেওঁ বৰ উৎসাহেৰে ক'লে,—"হেৰা, জাগ্ৰা, বেলশৰ, চামতা, গন্ধীয়া, পিপলীবাৰী (এনেকে উশাহতে ইমানবিলাক নাম কাঢ়ি) সকলো ফুৰি আহিলোঁ। সকলোতে বৰ উৎসাহ। মই একেবাৰে ওকালতি নেৰিলেও সপ্তাহে সপ্তাহে এইদৰে গাঁৱে গাঁৱে ঘূৰি ফুৰিম। কটন হোষ্টেলৰ খবৰ কি ? ল'ৰাহঁত সকলো ওলোৱাটো ভাল হ'বনে ?"

* * *

ফুকনৰ লগতো দেখা হ'ল—ফুকনেও কি কৰোঁ নকৰোঁ ভাবি আছে। তেওঁ ল' কলেজ প্ৰফেছাৰ। এই পদ এৰাৰ কথাও ভাবিছে যদিও শেষ সিদ্ধান্ত লোৱা নাই।

২০ তাৰিখ পালেহি—ল'ৰাহঁতে এতিয়াও স্থিৰ কৰিব পৰা নাই। ছুপৰীয়া চন্দ্ৰ শৰ্মাৰ ঘৰত আছোঁ, এনেতে শ্ৰীকুমুদ শৰ্মা আৰু তিলক শৰ্মা আহিল— "এইদৰে বহি থাকিবলৈ বৰ টান পাইছোঁ—আমি কেইজনমানে ওলাই আহিম।" সুধিলোঁ—কোন কোন ওলাব?" কুমুদে ক'লে—"মই, তিলক, দক্ষ, বগীৰাম, ফটিক, ৰমা, জয়ৰাম, কাশীৰাম, —আমি আটায়ে এখন নোটিছ লিখিছোঁ। এই নোটিছখন নোটিছ বোৰ্ডত আঁৰি দি ওলাই আহিম।" চন্দ্ৰ শৰ্মাই ক'লে,—কিহে, তেজপুৰৰ সপ্তৰথী হোৱা নেকি?

কুমুদে মাত দিলে, —"দাদা, সপ্তৰথীয়েই হওঁ নে অভিমন্যুৱে হওঁ ক'ব নোৱাৰোঁ —জৰী ছিগি সাগৰত নাওঁ মেলি দিলোঁ।" একে সময়তে মোৰ মনত বহুত কথাই ভুমুকি মাৰিলে। কুমুদ, কত সংগ্ৰামৰ মাজেদি বৃত্তি লৈ বি. এ পৰীক্ষাৰ বাবে চতুৰ্থ বাৰ্ষিক পাইছে—মেধাবী ছাত্ৰ। তিলক! চোকা ছাত্ৰ। চতিয়া এম্. ভি স্কুলৰ পৰা অহাৰ পিছৰেপৰা মই খবৰ লৈ থাকোঁ। বৃত্তি পাই বি. এ তৃতীয় বাৰ্ষিক পাইছে। দক্ষ! বৃত্তি আৰু লেটাৰ পাই মেট্ৰিক পাছ কৰি কলেজত ভৰ্তি হৈছে। বগীৰামেও বৃত্তি পাইছে। এওঁলোকৰ সাহ দেখি শ্ৰদ্ধাত মোৰ অন্তৰ উপচি উঠিল। এওঁলোকৰ ওচৰত মই মূৰ দোঁ খুৱালোঁ।

* * *

২১ তাৰিখ। তেজপুৰলৈ বুলি জাহাজত উঠিলোঁ। মোৰ মন উগুল-থুগুল। এফালে ঘৰুৱা বিপদৰ ছাঁই মনলৈ নানান আশঙ্কা আনিছে, আনফালে এইদল ডেকাই মনত অলপো শঙ্কা নকৰি নিৰ্ভয় মনেৰে যেন অনিশ্চিত ভৱিষ্যতক আঁকোৱালি ল'বলৈ আগ বাঢ়ি আহিছে। জাহাজ এৰিবৰ হ'ল। হেম বৰুৱা জাহাজৰপৰা নামি গ'ল। জাহাজ এৰিলে। দুয়োৰো মাজত ব্যৱধান বাঢ়ি গ'ল। কিন্তু দুয়োৰো অন্তৰৰ মাজেদি চিন্তাৰ একেধাৰি সুঁতিয়েই বৈ গ'ল। কুমুদ শৰ্মাহঁতে গীত-বাদ্যৰ দিহা কৰি ল'লে। মোৰ মনলৈ প্ৰশ্ন আহিল—মই কিয় এওঁলোকৰ দৰে এই অনিশ্চয়তাৰ সমুখলৈ ওলাব পৰা নাই।

২২ তাৰিখ। মিছুমি জাহাজ বৰ বেগাই আহিল। ৰাতি নৌপুৱাওঁতেই ৪ বজাত তেজপুৰ পালেহি। ল'ৰাহঁত দিহাদিহি নামি গ'ল। * * *

২৩ তাৰিখ। * * *। কুমুদ আৰু তিলকে ক'লেহি—"দাদা, কলেজ এৰি আহিলোঁ। এতিয়া কামত লগাওক—কি কাম কৰোঁ—এনেয়ে বহি থাকি ভাল নালাগিব।" মোৰ ঘৰুৱা অসুবিধাৰ কথা কলোঁ। মই তত্তালিকে ওলাব নোৱাৰোঁ। কিন্তু কেনেকৈ এওঁলোকৰ উৎসাহ-উদ্যম এটা কৰ্মমুখী সুঁতিত লগাই

দিব পাৰোঁ এয়ে সমস্যা। যি নহওক, এই কেইবছৰৰ ভিতৰত আমি বহুতো ছবি তৈয়াৰ কৰাইছোঁ। ছাত্ৰ সন্মিলনত আমি সামাজিক চিত্ৰ-প্ৰদৰ্শনীত সামাজিক অৱস্থাৰ কথা বুজাই ছবি আঁকাইছিলোঁ। অসম এছোছিয়েশ্যনৰ সন্মিলনৰ সময়তো এইদৰে ভাৰতৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থা বুজাই ছবি আঁকোৱা হৈছিল। এই ছবিবিলাক তেওঁলোকক গতাই দি ক'লোঁ—"নামঘৰে নামঘৰে এই ছবিবিলাক গাঁৱলীয়া ৰাইজক বুজাই দিয়াগৈ। ইয়াত কানি, ভাং, মদ আদি ৰাগীয়াল বস্তু বৰ্জনৰ কথা আছে। দাদাভাই নৌৰজী, ডিগবী আৰু ৰমেশ চন্দ্ৰ দত্তৰ কিতাপৰ পৰাও বাক্য উদ্ধৃত কৰি ছবিৰে বুজোৱা হৈছে যে বৃটিছ শাসনেই আমাৰ দাৰিদ্ৰ্যৰ মূল কাৰণ। বৰ্ত্তমানে এইখিনি বুজাই দিয়াৰ আমাৰ প্ৰথম কৰ্ত্তব্য। তোমালোকে ক'তো মিটিং পাতি বক্তৃতা দিব নালাগে। পোনতে ইয়াকে কৰাগৈ। ভাইটিহঁত (লক্ষ্মীধৰ শৰ্মা) আহি পালে সকলোৰে কথা হৈ কেনেকৈ কাম কৰোঁ দিহা কৰিম।" বগীৰাম, জয়ৰাম, কুমুদহঁতে জাহাজেৰে গৈ গমিৰি ঘাটত নমা স্থিৰ কৰিলে। তিলকে চতিয়াত সোমাই বামেদি যাব খুজিলে। মোৰ হাতত এখন পুৰণি চাইকেল আছিল, তাকেই তেওঁক দিলোঁ।

কুমুদহঁতে জাহাজত যায় কেনেকৈ? ভাৰাৰ খৰচ ক'ত পোৱা যায়? শ্ৰীযুত পৰমানন্দ আগৰৱালা আমাৰ ছাত্ৰ সন্মিলনৰ ধনভঁৰালী। তেওঁৰ পৰা ৫০ টকা লৈ কুমুদহঁতক দিলোঁ।

* * *

১৯ তাৰিখ, শনিবাৰ। মনত অৱসাদ। পুৱতি নিশা শ্মশানৰপৰা আহি ঘৰৰ বাহিৰতে বহি আছোঁ। ঘৰৰ ভিতৰলৈ যাবলৈ মন যোৱা নাই। জ্যোতি আৰু গুণাভি (জ্যোতিপ্ৰসাদ আগৰৱালা আৰু গুণাভিৰাম শৰ্মা) ওলালহি। "দাদা, আজি বাণ ষ্টেজত স্কুলৰ ছাত্ৰসকলৰ এখন মিটিং পাতিছোঁ। আপুনি যাব লাগিব।" মই ক'লোঁ, "মইনো কেনেকৈ যাওঁ! চোৱা, তোমালোকেতো মোৰ লগত শ্মশানলৈ গৈছিলাই।" "নাই, আপুনি নগ'লে নহ'ব। স্কুলীয়া ল'ৰাহঁতক আজি উলিয়াব লাগিব।" "স্কুলীয়া ল'ৰাহঁতেনো কি কৰিব?"—মই সুধিলোঁ। জ্যোতিয়ে ক'লে, "আমি জাতীয় স্কুল খুলিম। কলিকতাত জাতীয় স্কুল খুলিছে, আমিও ইয়াত খুলিম।" "সৰু সৰু ল'ৰা, এওঁলোকেনো কি কৰিব?" 'নাই, আপুনি যাবই লাগিব। আমি দুই বজাত লৈ যামহি।" জ্যোতি, গুণাভি—এওঁলোক দুয়ো এইবেলি মেট্ৰিক পৰীক্ষা দিব। টেষ্ট পৰীক্ষাত উত্তীৰ্ণ হৈছে। গুণাভি বৃত্তিধাৰী ছাত্ৰ—চন্দ্ৰ শৰ্মাৰ লগত থাকে। চন্দ্ৰ শৰ্মা আজি তেজপুৰত

নাই। অৱশ্যে তেওঁ কি ক'ব মই জানোঁ। মেট্ৰিক পৰীক্ষাৰ্থীসকলৰ মনত অস্থিৰতা—পৰীক্ষা দিয়া হ'ব নে নহয়। এজন দুজনকৈ ছাত্ৰসকল আহি আছে। মইনো কি পৰামৰ্শ দিব পাৰোঁ! জ্যোতি আৰু গুণাভিৰ হ'লে মনত একো সংশয়, দ্বিধা নাই। তেওঁলোকে স্থিৰ কৰি লৈছে ফাইনেল পৰীক্ষা নিদিয়ে।

মাণিক জ্যোতিৰ বৰ বন্ধু। দোধোৰ-মোধোৰত আছে। কেইবাখনো স্কুল ঘূৰি এইবেলি তেজপুৰৰ পৰা মেট্ৰিক পৰীক্ষা দিব। কালি নিশা বেচেৰা মোৰ লগে লগে আছিল। মাণিকে সুধিলে—"দাদা, কি কৰোঁ, পৰীক্ষা দি এঁতাই কামত লাগিলে নহ'বনে?"

ডেৰ বাজি গ'ল। এনেতে কেইবাজনো ছাত্ৰবন্ধু আহি পালে। মিটিঙলৈ যাব লাগে। কি কৰোঁ! ওলালোঁ। চাওঁগে বাণষ্টেজৰ হলত ছাত্ৰসকল গোট খাই আছেই। মোকেই সভাপতি পতা হ'ল। গুণাভি, লক্ষ্মীপ্ৰসাদ, জ্যোতি—সকলোৱে স্কুল এৰি আহি স্বৰাজৰ কামত লগাৰ বাবে ছাত্ৰসকলক ক'লে। এতিয়া মোৰ পাল। সভাপতিৰ আসনৰপৰা মই ক'বলগীয়া হ'ল। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলক সম্বোধন কৰি অধ্যাপক ছাৰ জন ছিলিয়ে কোৱা কথাই চমুকৈ ক'লোঁ—ইংৰাজে ভাৰতবৰ্ষ জয় কৰি ল'ব পৰা নাই। ভাৰতে স্বইচ্ছাই ইংৰাজৰ দাসত্বৰ শিকলিডাল ডিঙিত সুমুৱাই লৈছে। আমাৰ কাম হৈছে ভাৰতৰ জনতাক জগাই তোলা। কিন্তু এই কামটো বৰ সহজ কাম নহয়। কাঁইটীয়া বাটেদি খোজ ল'ব লাগিব। অসহযোগ আন্দোলন হিংসাত্মক বিপ্লৱ নহ'লেও এই বিপ্লৱৰ অগনিত আমি বহুতো জাহ যাব লাগিব। অভিভাৱকসকলৰ কথাও বিচাৰ কৰি চাবলগীয়া আছে।

চৰকাৰী স্কুল এৰি আহি জাতীয় স্কুলত পঢ়াৰো ইয়াত সুবিধা কৰাটো টান। নানান অসুবিধা দেখুওৱা সত্ত্বেও স্কুল এৰাৰ সপক্ষেই সকলোৱেই মত দিলে। কিছুমানে ক'লে—"সৰস্বতী পূজা শেষ কৰি এবছৰলৈ ওলাওঁ।"

* * *

২ ফেব্ৰুৱাৰী। পুৱাতে লক্ষ্মীধৰ, প্ৰফুল্ল, নবীন, হেম হাজৰিকা—এনেকৈ কেইবাজনো আহি কলিকতাৰ পৰা পালেহি। লক্ষ্মীধৰ ইমান মেধাবী ছাত্ৰ, বি. এত পোষ্ট-গ্ৰেজুৱেট বৃত্তি লৈ বিশ্ববিদ্যালয়ত ভৰ্তি হৈছে। ইংৰাজীত অনাৰ্চ পাইছে। কিমান দাৰিদ্ৰ্যৰ লগত সংগ্ৰাম কৰি এইখিনি পালেহি। প্ৰফুল্ল বৰুৱা, লক্ষ্মীধৰ, উমেশ বৰদলৈ, গঙ্গাপ্ৰসাদ বৰুৱা এই কেইজন বৰ অন্তৰঙ্গ বন্ধু। এওঁলোকে একেলগে কলেজ এৰি দি আহিছে। জীৱনৰ ভৱিষ্যত। মনলৈ কত প্ৰশ্ন আহে, উত্তৰ বিচাৰি হাবাথুৰি খাওঁ। শেষত সান্ত্বনা দিওঁ—যুদ্ধক্ষেত্ৰত সৈনিকে ঘৰখনৰ

কথা ভাবিব নোৱাৰে। ইংৰাজ কবিৰ এফাকি কবিতা মনলৈ আহে। সৈনিকে কাম কৰিব লাগে আৰু নিজৰ প্ৰাণ দিব লাগে। মোৰ অন্তৰত উদ্বিগ্নতাৰ এন্ধাৰ দেখি প্ৰফুল্লই ক'লৈ—"দাদা, একো ভাবিব নালাগে। এবছৰৰ ভিতৰত স্বৰাজ, এই হাইস্কুল, এই হোষ্টেল, কটন কলেজ সকলো আমাৰ হাতলৈ আহিব।" মোৰ মনৰ মাজেদি কত যে ভাব খেলি যায়। উস! মোৰ যদি এই আশাবাদ অকণমানো থাকিলহেঁতেন! লক্ষ্মীধৰে ক'লে—"আমি জাতীয় স্কুল খুলিব লাগিব। কথাষাৰ শুনি উচপ্ খাই উঠিলোঁ। জাতীয় স্কুল! ক'ত খুলিবা, ঘৰ ক'ত? ল'ৰাহঁতক এতিয়ালৈকে মজুমদাৰ মাষ্টৰে হোষ্টেলত থাকিবলৈ দি আছে। কিন্তু এইদৰে আৰু কেইদিন থাকিব? জাতীয় স্কুল ক'ত খুলিব পাৰি ভাবি আছোঁ। এনেতে বেছেৰীয়াৰ শ্ৰীচন্দ্ৰ কুমাৰ নাথ আহি ওলাল। এওঁৰ লগত আজি অলপ দিনৰপৰা মোৰ চিনাকি হৈছে। এওঁ যেন জুইৰ ফিৰিঙতি। তেওঁ ক'লে, "মোৰ ঘৰলৈ আহক, দোকান দিবলৈ আমি যিটো ঘৰ হাজাৰা পুখুৰীৰ পাৰত সাজিছোঁ সেইটো আপোনালোকক দিম। তাতেই জাতীয় স্কুল খোলকহি।" এটা সমস্যাৰ সমাধান হোৱাত আমাৰ আনন্দ নধৰা হ'ল। মোৰ প্ৰশ্ন হ'ল—ঘৰ পালোঁ হয়, এতিয়া স্কুলত কি পঢ়োৱা যাব? লক্ষ্মীধৰে তপৰাই মাত দিলে—সেইবিলাক ভাবিব নালাগে। আপুনি কংগ্ৰেছৰ বুৰঞ্জী আৰু ভাৰতৰ অৰ্থনীতি পঢ়াওক, মই ৰাজনীতি আৰু সাহিত্য পঢ়াম। এনেতে মূৰত জাপি লৈ এজন মানুহ আহি আমাৰ মাজত সোমাল। "মই জাপি সজা শিকাম। স্বৰাজত হাতৰ কাম শিকিব লাগে।" জাপিসজীয়াৰ সোণাৰামৰ লগত এইদৰে আজি চিনাকি হ'লোঁ।

* * *

৪ ফেব্ৰুৱাৰী। চন্দ্ৰ শৰ্মাৰ থকা ঘৰটোত ল'ৰা ভৰি পৰিছে। গুণাভি আৰু কাবুল (বিজয়চন্দ্ৰ ভাগৱতী) তেওঁৰ লগত থাকেই। লক্ষ্মীধৰো আহি তাতেই আছেহি। খবৰ পালোঁ—চন্দ্ৰ শৰ্মা ডিব্ৰুগড়লৈ গৈছে।

* * *

৫ ফেব্ৰুৱাৰী। আজি আমাৰ জাতীয় স্কুল খোলা হ'ল। প্ৰায় ৪০/৫০ জন ল'ৰা আহিছে। ডিপোটাৰ লম্বোদৰ, নিত্যানন্দ, মাণিক, টুনীৰাম; জামুগুৰিৰ মদন, থুলেশ্বৰ; পাতলৰ চুকৰ মাণিক; ভিৰগাওঁৰ চেনীৰাম, লক্ষ্মীৰাম; বৰালী-মাৰাৰ মোলান— এইদৰে কত ছাত্ৰ গোট খালেহি। চেনীৰাম, লম্বোদৰ, জগৎ, প্ৰতাপ এওঁলোকে মোৰ লগত এই কেইবছৰে কত কাম কৰিছে। হাতৰ আখৰো

ভাল; ছবিও আঁকিব পাৰে। এওঁলোকে ছবি আৰু গ্ৰাফেৰে কত চাৰ্ট তৈয়াৰী কৰিছে।

* * *

স্কুল চলি আছে। জাতীয় স্কুল। ন'বাহঁতক তিনি ঘণ্টামান স্কুলত পঢ়ুৱাৰ পিছত কিছুমানক ওচৰৰ গাঁওবিলাকলৈ পঠোৱা হ'ল। কানীয়াৰ চেন্সাচ্ কৰিবলৈ কিছুমানে মদৰ দোকানত পিকেটিং কৰিবলৈ গ'ল।

৬ ফেব্ৰুৱাৰী। থুলেশ্বৰ বৰ চোকা। পিকেটিং কৰোঁতে নেৰানেপেৰাকৈ লাগে। আজি ক'লেহি—"দাদা, আজি শ্ৰী······কেৰেণী মনে মনে যাওঁতে ধৰিলোঁ। পাছে বৰকৈ লাগিছিল। ভাইটি, এৰি দিয়া। আমি এৰি নিদিয়াত গুচি গ'ল।" লম্বোদৰ, মাণিক, নিত্যানন্দ গৈছিল দিহিঙীয়া গাঁওলৈ। কানীয়া চেন্সাছ্‌ৰ লিষ্টি দেখুৱালে; চাওঁ, কিছুমান মানুহে ঘৰলৈ সেৰে সেৰে কানি কিনিবলগীয়া হৈছে। নিকানীয়া নায়েই।

৭ ফেব্ৰুৱাৰী। আজি স্কুল শেষ কৰি দলে-বলে বেছেৰীয়ালৈ ওলালোঁ। চন্দ্ৰনাথে মিটিং পাতিছে। গাঁৱৰ মাজে মাজে গৈছোঁ। কিছুমান মানুহ কুঁহিয়াৰ পেৰাত ব্যস্ত। পৰ্বতীয়াৰ মাণিকে কুঁহিয়াৰৰ ৰস খুৱালে।

* * *

মিটিঙত মানুহ গোট খাই আছিল। লক্ষ্মীধৰক ক'বলৈ দিলোঁ। গান্ধীয়ে কিয় অসহযোগ কৰিবলগীয়া হৈছে তেওঁ বুজাই ক'লে। এজনে সুধিলে—"স্বৰাজ হ'লে খাজনা দিব লাগিবনে?" "উৰা, খাজনা নোলোৱাকৈ স্বৰাজ কেনেকৈ চলিবহে?" চন্দ্ৰনাথে সোধা মানুহজনক ডাবি দি ক'লে। "হেৰি নাথ, ডাবি নিদিব, মই বুজাওঁ" বুলি ভাইটিয়ে (লক্ষ্মীধৰে) স্বৰাজৰ লগত বৰ্ত্তমানৰ ৰাজ্যৰ পাৰ্থক্য কি হ'ব বুজাই ক'লে। মানুহজনে আৰু নামাতিলে। সোধা মানুহজনে সাধাৰণ ৰাইজৰ মনস্তত্বৰ প্ৰতিনিধিত্ব কৰেনে—এনে এটা প্ৰশ্ন মোৰ মনলৈ আহিল। লক্ষ্মীধৰৰ লগত কথা হ'লোঁ। মিটিং বৰ উৎসাহৰ মাজত শেষ হ'ল। সকলোৰে মনত উৎসাহ।

* * *

চন্দ্ৰনাথ, জীউৰাম আৰু চাহাব (সংৰাম) তিনিও লগ লাগি গাঁৱতো এখন দোকান দিছে। তাতে আমাক নি চাহ খুৱালে। আমাক চাহ খুওৱাও এটা ডাঙৰ কথা। ৪০ জনতকৈ সৰহ ছাত্ৰৰ দল। মাণিক বৰাই যেনিবা কুঁহিয়াৰৰ ৰস বাটে বাটে খুৱাই খুৱাই আনিছে। উভতিবৰ বাটতো দ পৰ্বতীয়াত সুমুৱাই

তেওঁ আমাক জলপান খুৱালে। তেওঁৰ খুৱাকৰ সেই একে প্ৰশ্ন -- "মাণিকৰ এতিয়া কি কৰে?" ....কি উত্তৰ দিওঁ ভাবোঁ।

১২ ফেব্ৰুৱাৰী। জামুগুৰিত মিটিঙৰ দিহা হৈছে। গান্ধীৰ কথা বাইজে শুনিবলৈ বিচাৰে। স্কুল বন্ধ কৰি সকলোকে দিহাদিহি পঠোৱা হ'ল। ১২ বজাত আমি ওলালোঁ। মৰাভৰলী পোৱাৰ লগে লগে নবীনে এটা টোপোলা মেলিলে। "কিহে, সেইবোৰ কি?" "মুসুম্বিৰ, নবৰ দোকানৰপৰা মিঠৈ অলপ লৈ আহিছোঁ। এতিয়াও ১১ মাইলৰ বাট আছেই।"— নবীনৰ উত্তৰ। ... ভৰলী পাৰ হলোঁ, ২ বাজিল। এতিয়ালৈকে অহা নাই। মানুহ বৈ আছে বুলি এজনে আহি ক'লেহি। যি কি নহওক, আমি খৰতকীয়া খোজত আগ বাঢ়িলোঁ। গৈ পোৱা মাত্রে মিটিং বহিল। শ্ৰীবকৰা মৌজাদাৰে বহুতো প্ৰশ্ন কৰিলে। লক্ষ্মীধৰে উত্তৰ দিয়াত লাগিল। মোমায়েক-ভাগিনৰ তৰ্ক। প্ৰশ্নৰ মূল কথা– অহিংসাৰে কেনেকৈ স্বৰাজ হয়, বুৰঞ্জীত এনে কথা হোৱা নাই। গান্ধীয়ে বামুণ-শূদিৰ সকলোকে একাকাৰ কৰিব। লক্ষ্মীধৰে তৰ্কত লাগিছে। এনেতে এজনে আহি ক'লে—"প্ৰভু, আমি কাঁড়ীৰ খেলৰ, হিলৈদাৰীৰ খেলৰো মানুহ বহুত আছে। আমাক এতিয়া কাম দিয়ক. এবাৰ ধাৱা কৰি চাওঁ। বগা বঙালক খেদিব পাৰোঁ নে নাই।" "হেৰা লক্ষ্মী, অহিংসাৰ কথা বুজালা। এওঁলোকে কি কৈছে শুনা।" অহিংসাৰ কথা বুজোৱাৰ পিছত এওঁলোকৰ এনে প্ৰশ্ন! মনত প্ৰশ্ন হ'ল— অহিংসাৰ কথা আমি সঁচাকৈয়ে বুজিছোঁনে? অস্ত্ৰত ইংৰাজক নোৱাৰো দেখি অহিংসাৰ অস্ত্ৰ লৈছোঁনে?

* * *

মদ, ভাং, কানি বৰ্জনৰ কথাত কিছুমানে বৰ ভাল পাইছে আৰু ইয়াৰ সমৰ্থন কৰিছে। সভা শেষ হয়, এনেতে ডেকা সোন্দৰৰ জুৰন গাওঁবুঢ়াই থিয় হৈ ক'লে, "দেউতাসকল, কানি, ভাং, মদৰ লগতে চাহপানী এৰাৰো হুকুম হওক। জয় ৰাম বোলা, জয় হৰি বোলা। আজিৰপৰা কোনোবাই যদি কানি, ভাং, মদ, চাহপানী খায় তেন্তে ... . খায়।" বৰ গঁৱলীয়া ভাষাৰেই কথাকেইআষাৰ ক'লে। নবীনৰ চকু থিয় হ'ল—"কি কৰিলে, নবৰ দোকানৰপৰা অনা মিঠৈ আছেই। এই ১১ মাইল খোজ কাঢ়ি ভাগৰত আহিছোঁ। এতিয়া অলপ চাহপানী খাওঁ বুলি লোকনাথ পণ্ডিতৰ ঘৰত চাহপানী কৰালোঁৱেই"! সেন্ধু বৰাই ক'লে—"একো নাভাবিব, এতিয়া ডালিম পাতৰ চাহ কৰাম।" চাহ নহ'লেও মৌজাদাৰ শ্ৰীযুত বকৰাই জানিবা কোমল চাউল দৈৰে সৈতে জলপান খুৱালে।

খোজ ললোঁ ; নাগশঙ্কৰলৈ আৰু চাৰি মাইল যাব লাগিব। নবীনৰ ঘৰতেই আমাৰ ৰাতি থকাৰ ব্যৱস্থা। নবীনৰ দেউতাক বৰ খুহুটীয়া মানুহ। ল'ৰাই কলেজ এৰি অহাত পেটে পেটে খং আৰু পোনতে গহীন ভাব দেখুৱালেও 'লাহে লাহে আমাৰ লগত চিনাকি হৈ ল'লে। চিনাকি হ'বলৈ কেৱল মই আৰু পিয়াৰীহে আছিলো। লক্ষ্মীধৰ তেওঁৰ সম্পৰ্কীয়। যি কি নহওক, তেৰোঁ লাহে লাহে নিজকো চিনাকি দিয়াত লাগিল। ধেমালি কৰোতে তেওঁ অসমীয়া মাতৰ ব্যৱহাৰ নকৰে। বঙালীতেই ধেমালি কৰিবলৈ তেওঁ সহজ পায়। সেইবাবে তেওঁ বঙালীত ক'লে, "অহিংসায় কিছু হ'বে না মশাই, টেলিগ্ৰাফেৰ তাঁৰ কাটুন, ৰেলেৰ লাইন উৰিয়ে দিন, ডিনামাইট বোমা আনুন, তবে যদি কিছু কৰতে পাৰেন দেখুন।" তেওঁ ডিব্ৰুগড়াই বাগানৰ নিবলুছ চাহাবৰ কথা বৰ কয়। তেওঁ নিকলুছ চাহাবে গান্ধীৰ কথা কি কৈছে তাক ক'লে, বৰ ভাল অসমীয়া ক'ব পাৰে নিবলুছ চাহাবে। এই অঞ্চলৰ সকলো মুখীয়াল অসমীয়া মানুহৰ ঘৰলৈকে যায়। নিকলুছে বুজাইছেহি— গান্ধীবলীয়া। ইংৰাজক ভাৰতৰপৰা খেদাব পাৰে কেনেকৈ ? চোৱা, জাৰ্মানীয়ে লাগিছিল নহয়। চোৱা কি হ'ল! লাভৰ ভিতৰত কাইজাৰে গাদী হেৰুৱালে। এনে ধৰণৰ কথা শ্ৰীযুত বৰুৱাই ধপাত হুপি আমাক ক'বলৈ ধৰিলে। .... খোৱা-বোৱা হৈ গ'ল। নবীন এতিয়ালৈকে ভিতৰৰপৰা অহা নাই। আমি বাহিৰ খোটালীতেই শুম— ভাইটিয়ে নবীনৰ সমস্যা ফুচ্‌ফুচাই ক'লে। মনলৈ বহুতো প্ৰশ্ন আহিল। গান্ধীজীয়ে কেনেকৈ আমাৰ মনলৈ অজ্ঞাতভাৱে এটা বিপ্লৱৰ ভাব আনিছে। বমুণৰ ল'ৰা নবীন, সংস্কাৰৰ মাজত ডাঙৰ হৈছে : বামুণৰ ঘৰত কেইবাজনো অবামুণ আলহী শুশ্ৰূষা কৰাত তেৱেঁই দায়িত্ব ল'বলগীয়া হৈছে। বাহিৰত ৰং-ধেমালি কৰি ফুৰা স্বভাৱৰ আঁৰত তেওঁৰ মনৰ দৃঢ়তা দেখি মই মুগ্ধ হ'লোঁ। তেওঁলৈ মোৰ শ্ৰদ্ধা হ'ল।

* * *

পুৱা খোজ ল'লোঁ চতিয়ালৈ। চতিয়াত আমি দিহাদিহি থাকিবলগীয়া হ'ল। চতিয়াত এখন মাইনৰ স্কুল খোলা অলপ দিন হৈছে। এইখন স্কুলত কাম কৰিবলৈ মোক গঙ্গা বৰকটকীয়ঁতে মাতি আহিছিল। ইয়াতেই এখন মিটিং পতা হ'ল। ইয়াৰ মিটিঙত কোনেও প্ৰশ্ন কৰা নাছিল। স্বৰাজৰ আন্দোলন সকলোৱেই সমৰ্থন কৰা লোকেই। আমি গধূলি ভিৰলৈ খোজ ল'লোঁ। যোৱাৰ বাটত প্ৰতাপগড় বাগানত সোমাই ললিতমোহনৰ খবৰ ল'লোঁ (তেওঁ ডাক্তৰ)। প্ৰায় নমান বজাত আমি ভিৰগাওঁ পালোঁগৈ। ভাইটিহঁতৰ ঘৰতেই আমি সকলো আলহী।

১৪ তাৰিখ। পুৱা বিশ্বনাথলৈ গ'লোঁ। শিৱপ্ৰসাদৰ দেউতাকৰ মনত যেন পৰস্পৰবিৰোধী ভাব। স্কুললৈ পঢ়িবলৈ যোৱাত দেউতাকৰ পোনতে আপত্তি আছিল। তেওঁৰ ভাব আছিল পুৰণি মতেই চলা, কিন্তু পুতেকহঁতে নতুন কথাবিলাক ল'বলৈ মন কৰিলে। শিৱপ্ৰসাদ কলিকতালৈ গৈ স্কুলত পঢ়িবলৈ ল'লে। মেট্ৰিক পাছ কৰি এতিয়া কলেজত ভৰ্তি হৈছে। এতিয়া পুতেকে কলেজ এৰি অহাত পূৰ্ণ সমৰ্থনৰ ভাব হোৱা নাই। ···· যি কি নহওক, আমাক বৰ আদৰ-সাদৰ কৰিলে। ম-ত ভাব—তহঁতে এইবোৰ কৰিছ কি ?

* * *

বিশ্বনাথত আমি বহুতো মানুহৰ ঘৰে ঘৰে যাবলগীয়া হ'ল। চতিয়াতো কালি এইদৰে যাবলগীয়া হৈছিল। ৰাজনীতিৰ কথাবিলাকৰ মাজত সামাজিক কথাবিলাক মনৰপৰা আঁতৰি গৈছিল। কিন্তু এই দুদিন মনলৈ ভাবপ্ৰৱণতা আহিছে। ···· সকলোৱেই এটা সম্পৰ্কৰে সৈতে আহি আদৰ-সাদৰ কৰিছে। কিন্তু মোৰ দুৰৱস্থা চৰম মাত্ৰাত উঠে যেতিয়া কিছুমান তিৰোতাই ও, স'ৰা বুলি টপছকৈ চুমা খায়। ভাইটিয়ে হাঁহে। ···· বহুতো পুৰণি স্মৃতিৰে ভৰা এই বিশ্বনাথ চতিয়ালৈ এটা আন ভাবো আহে। ····

দুপৰীয়া হোৱাৰ লগে লগে আমি উভতিলোঁ ভিৰগাওঁলৈ। দুপৰীয়া খোৱাৰ পিছত ওচৰৰ ৰাধা মৌজাদাৰ আহিল। তেওঁ ক'লে, "বোপা, ভালেই হৈছে। পাছে গান্ধীয়ে সমাজখন একাকাৰ কৰে নেকি ? জাত-পাত নোহোৱা সমাজত কেনেকৈ থাকোঁ ?" মৌজাদাৰ ভাইটিহঁতৰ সম্পৰ্কীয়। ভাইটিক ক'লো—"হেৰা ভাইটি, এখেতক উত্তৰ দিয়া।" সদায় তৰ্কলৈ প্ৰস্তুত ভাইটি লাগিল তৰ্কত।

* * *

আবেলি নৌহওঁতেই ওলালোঁ চাৰিআলিলৈ। ইয়াৰ কিছুমান গাঁৱলৈ গ'লোঁ। দুবছৰমান হ'ল এখন মাইনৰ স্কুল খোলা হৈছে। মেধাবী ছাত্ৰ কমলা ভালকৈ মেট্ৰিকুলেশ্যন পৰীক্ষা পাছ কৰি দাৰিদ্ৰ্যৰ বাবে পঢ়িবলৈ সুবিধা নাপাই ইয়াতে কাম কৰি আছে।

* * *

বহুতো ঠাইত নানান তৰ্কত লাগিবলগীয়া হ'ল। বাক্‌পটু ভাইটি আছেই, তেওঁলোক ভাইটিৰ সম্পৰ্কীয় গোঁৱা বামুণ। সেইবাবে ভাইটিয়েই তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ দিয়ে। ··· ৰাজনীতিৰ ফালৰপৰা এওঁলোকৰ একো আপত্তি নাই, কিন্তু আশঙ্কা, গান্ধীয়ে কি সমাজখননো পাতে! আৰু এটা আশঙ্কা, জানোচা

তলৰ মানুহবিলাকে আমাক নমনা হয়। ···· ভাইটিৰ মোমায়েক অধ্যাপকৰ ঘৰতেই তৰ্ক চৰম মাত্ৰাত উঠিল। এই তীক্ষ্ণ বুদ্ধিৰ মানুহজনে তেওঁক ৰাজনীতি, সমাজনীতি, অৰ্থনীতি কেউফালৰপৰা নানান প্ৰশ্ন কৰিবলৈ ধৰিলে। মূল কথা-বিলাকত যেতিয়া অমিল হয় তেতিয়া তৰ্কৰ অন্ত হ'ব কেনেকৈ? যি কি নহওক, মৰমৰ এটা সম্পৰ্ক আছে যেতিয়া তৰ্কৰ নিষ্পত্তি নোহোৱাকৈয়ে অন্ত হ'ল। 'হেৰৌ, তইঁতে কি কৰ নকৰ আমি হ'লে তইঁতৰ লগত উজাব নোৱাৰোঁ।' ···· আৰু এইদৰে কালিলৈ এখন মিটিং পতাৰ দিহা হ'ল।

* * *

১৬ ফেব্ৰুৱাৰী তাৰিখ। আজি খোৱা শেষ কৰি দুপৰীয়া মিটিঙলৈ ওলালোঁ। চাৰিআলিত মিটিং বহিল। মিটিঙত বৰ একো তৰ্ক নহ'ল। এদল মানুহে ক'লে— আমাৰ ·······বি.এ, এম্.এ পাছ কৰি আহি বুজাইছে। আমি এওঁলোকৰ বাটকেই লওঁ। তেওঁলোকে বুদ্ধিৰে সকলো কথা বুজি নাপালেও অনুভূতিৰে বুজি পাইছে যে, ইয়াৰপৰা ভাল হ'ব। সেইবাবে তেওঁলোকৰ সমৰ্থন পোৱা হ'ল। কিন্তু আনহাতে গোঁৰা শ্ৰেণীৰ লোকসকলে গান্ধীৰ আন্দোলনৰ আচল তাৎপৰ্য বেচকৈ বুজি পাইছে। তেওঁলোকে কেনেকৈ নিজৰ আধিপত্য যোৱাত মান্তি হয়? হেম হাজৰিকাই বৰ ভাব প্ৰৱণতাৰে সৈতে ক'লে, "তেওঁৰ দেউতাক বাগিচাৰ বৰ মহৰী।" তেওঁ দেউতাকৰ কথা বহুতো ক'লে। বক্তৃতাৰ শেহত তেওঁক ক'লো, "হেৰা বেছি হ'ল যেন পাওঁ।" কিছুমানে তেওঁৰ কথা ভাল পালে, কিছুমানে ভাল নাপালে। মিটিঙৰ শেষ সিদ্ধান্ত হ'ল আৰু এখন মিটিং পতাৰ।

* * *

১৭ তাৰিখ। আমি ২ বজাৰ পিছত বিশ্বনাথ ঘাটত জাহাজত উঠিলো আৰু গধূলিৰ লগে লগে তেজপুৰ পালোঁহি।

* * *

ফেব্ৰুৱাৰী মাহ শেষ হ'ল। কালি ককাইদেউৰ শ্ৰাদ্ধ সম্পন্ন হ'ল। শ্মশানলে যোৱা ছাত্ৰ-বন্ধুসকলক জলপান খুওৱা হ'ল।

* * *

জাতীয় স্কুল ৭ দিনমান চলাই আমি তেজপুৰৰ নতুৱাৰ আৰু চাৰিদুৱাৰৰ কিছুমান গাঁৱত ফুৰি অসহযোগ আন্দোলনৰ প্ৰাথমিক প্ৰচাৰৰ কাম শেষ কৰিলোঁ।

* * *

বাতৰি কাকতত অসহযোগৰ কথাই ওলাই আছে। স্কুল-কলেজ এৰি ছাত্রসকল ওলাই আছে যদিও অভিভাৱকৰ হেঁচাত কিছুমানে উলটি যোৱাও শুনা গৈছে।

* * *

কলিকতাত নেশ্যনেল্ কলেজ (জাতীয় বিদ্যাপীঠ) খোলা হ'ল। আমাৰ লগৰ সুভাষ চন্দ্র বোসে চিভিল ছাৰ্ভিচ এৰি অসহযোগত যোগ দিয়াত ছি· আৰ· দাসে তেওঁৰ ওপৰতেই ইয়াৰ দায়িত্ব জাপি দিলে। *

গুজৰাটত বিদ্যাপীঠ, কাশীত বিদ্যাপীঠ, পাটনাত বিদ্যাপীঠ, আলিগড়ত নেশ্যনেল মুছলিম ইউনিভাৰ্ছিটি, দিল্লীত জামিয়া মিলিয়া—এইদৰে জাতীয় অনুষ্ঠান কিছুমান খোলা হৈছে। নলবাৰীতো এটা জাতীয় স্কুল খোলাৰ বাতৰি পোৱা হৈছে। কিন্তু আমি জাতীয় স্কুল সাত দিন মানতেই শেষ কৰি ছাত্রসকলক কামলৈ পঠিয়াবলগীয়া হ'ল।

* * *

৭ মার্চ। বাতৰি কাকতত কোন উকিলে ওকালতি এৰিছে ইয়াৰেই বাতৰি। অসমতো নবীন বৰদলৈ, চন্দ্ৰ শৰ্মাই ওকালতি এৰি অসহযোগৰ কথা ৰাইজৰ আগত প্ৰচাৰ কৰি ফুৰিছে। আন আন উকিলেও মাজে সময়ে গাঁৱলৈ যোৱাৰ কথাও ওলাইছে। ফুকনৰ লগত হেম বৰুৱাহঁতে নলবাৰী, মৰোৱা, হাজো ঘূৰি আহিছে বুলি হেমৰ চিঠি পোৱা হ'ল। ফুকনে ল কলেজত কাম কৰি থাকিও অসহযোগৰ কাম কৰিছে। হেম বৰুৱাই চিঠিত ফুকনৰ বহুতো কথা উল্লেখ কৰিছে "পিটে 'অসম বিলাসিনী'ত এলেহুৱা বুলি সমালোচনা কৰিছিল, কিন্তু এতিয়া আগৰ ফুকন নাই, দেশত লগা বতাহত তেওঁ নতুন হোৱা যেন লাগে। ৯ ফেব্রুৱাৰী তাৰিখে স্কুল-কলেজ এৰাৰ সমৰ্থন কৰি ভাল বক্তৃতা দিছিল। ১৩ ফেব্রুৱাৰীৰ আবেলি ফুকন ছয়গাঁৱলৈ গৈ তাতো দক্ষিণপৰীয়া ৰাইজক নতুন উৎসাহ দিছিল। আকৌ ২০ ফেব্রুৱাৰী তাৰিখে বহা মিটিঙতো ফুকনৰ শুৱলা বক্তৃতা শুনিবলৈ পালো। ২৫ ফেব্রুৱাৰী তাৰিখে হাজো, ২৬ তাৰিখে মৰোৱাত মিটিং বহিল—আমি ল কলেজৰ কিছুমান ছাত্র তেওঁৰ লগে লগে আছিলোঁ। সম্পূৰ্ণতে কলেজ এৰিব নোৱাৰিলেও মই কাম কৰি আছোঁ।"

১২ মার্চ। চন্দ্ৰ শৰ্মা ডিব্ৰুগড়, যোৰহাটকে আদি কৰি বহুতো ঠাই ফুৰি আহি পালেহি। তেওঁৰ ঘৰটো ইতিমধ্যে আমাৰ দখলতেই। তেওঁৰ লগুৱা কলু গুৱাহাটীলৈ যোৱাত ভাইটিয়ে টুনীৰাম নামৰ এটা বন্দুৱা ল'ৰা মিজিকা বাগিচাৰপৰা লৈ আহিছে। সিয়েই ৰান্ধনী—তাত ১৫ জনমান ল'ৰা—খুৰাবৰ কি দিহা কৰিব পাৰি—

মুষ্টি ভিক্ষাৰ চাউল আৰু গাঁৱৰপৰা দিয়া শাক-পাচলি ইয়াৰেই চলাবলগীয়া হৈছে।

* * *

চন্দ্ৰ শৰ্মাৰপৰা অসমৰ আন ঠাইৰ বাতৰি পোৱা হ'ল। যোৰহাটত কুলধৰ চলিহা, দেৱেশ্বৰে কামত লাগিছে, নগাঁৱত কনক শৰ্মা আৰু হলধৰ ভূঞাই কাম কৰি আছে। শিৱসাগৰত ভুবন গগৈ লাগিছে—তেওঁতো এখন জাতীয় স্কুল আগতেই খুলি ল'ৰা কিছুমানক লৈ বহিছে—গাঁৱত বক্তৃতাৰ ওচৰত চুণপোৰাত। ডিব্ৰুগড়তো লক্ষেশ্বৰ বৰুৱাই কাম কৰি আছে আৰু দুজনমান উকিল ওলোৱা বুলি শুনিলো।

* * *

১৫ মাৰ্চ তাৰিখ। পুৱা ৭ বজাত ওলালোঁ। ভৰলী ১০ বজাত পাৰ হৈ পাতলৰ চুকেদি মাধৱ ১১ বজাত পালোঁ; থকা ঠাই গণেশ ঠাকুৰৰ ঘৰত। *

খোৱা-বোৱা শেষ হ'ল। আবেলি তিনি বজা মানত মাধৱৰ দেৱালয়ৰ নাম-ঘৰত ডাঙৰ মিটিং। মানুহ ভৰি পৰিছেহি। চন্দ্ৰ শৰ্মাই আৰম্ভ কৰিলে—"ইংৰাজ আমাৰ শত্ৰু নহয়, আমাৰ শত্ৰু বামুণ-গোসাঁই-মহন্ত।" কথা শুনি চক্ খালো। কোনটোত মনলৈ প্ৰশ্ন আহিল—গান্ধীৰ বিপ্লৱ, সমাজনীতি, অৰ্থনীতি আৰু ৰাজনীতিকে আদি কৰি সকলোকে সামৰি লোৱা হ'লেও আমি কোনটোত প্ৰথমে জোৰ দিম। জানোচা পোনতে সমাজনীতিত জোৰ দিলে দেশৰ মুক্তিৰ বাটত বাধা পৰে! চন্দ্ৰ শৰ্মাৰ পোনপটীয়া কথাৰ প্ৰতিক্ৰিয়া কি হয় চোৱাত লাগিলোঁ। কিছুমানে ৰং পাইছে—কিন্তু ব্ৰাহ্মণসকলে চন্দ্ৰ শৰ্মাক শ্ৰদ্ধা কৰে দেখি নিমাত হৈ শুনিলেও বেয়া পোৱা যেন লাগিল। লক্ষ্মীধৰৰ লগত কথা হ'লো—প্ৰতিক্ৰিয়া কেনেকৈ ভাললৈ আনিব পাৰি। চন্দ্ৰ শৰ্মাৰ কথা শেষ হ'ল। লক্ষ্মীধৰ থিয় হ'ল। লক্ষ্মীধৰে ক'লে, গান্ধীৰ অসহযোগ এটা ডাঙৰ বিপ্লৱ—চলি অহা মনোবৃত্তিৰ আমূল পৰিৱৰ্তনেই ইয়াৰ লক্ষ্য। সাম্য-মৈত্ৰী স্বাধীনতাই ইয়াৰ লক্ষ্য। ভাৰতীয় সংস্কৃতি ব্ৰাহ্মণসকলৰ অৱদান—ভাৰতৰ সংস্কৃতিৰ ভিত্তি হৈছে যে ব্ৰাহ্মণৰ ত্যাগ, ব্ৰাহ্মণৰ তপস্যা। ব্ৰাহ্মণৰ অমৰ কীৰ্তি সুঁৱৰি লক্ষীধৰে বেজাৰৰ সুৰেৰে ক'লে, আজিৰ ব্ৰাহ্মণে সেই উচ্চ আসনৰপৰা তলত পৰিছে। আমাৰ মনলৈ অহা সংশয় এতিয়া গুচিল। ব্ৰাহ্মণসকলে ভুল নুবুজিলে।

* * *

মিটিং শেষ কৰি আমি খোজ ললোঁ ডিকৰাই বাগানলৈ। বাটে বাটে আমি এই আন্দোলনৰ কথাকে আলোচনা কৰি গৈছো—মেকৃবেথৰ ডাইনীয়ে টেকেলী-

টোত জেঠীৰ জিভাকে আদি কৰি নানান বস্তু সিজোৱাৰ দৰে গান্ধীয়েও ইয়াত খিলাফতৰ ধৰ্মান্ধতা, জাতীয়তাবাদ, অস্পৃশ্যতা বৰ্জন কত কি লগ লগাইছে—তাকেই ধেমালিৰে আলচি গৈ আছোঁ। ৬ মাইল বাট কোন ফালেদি গ'ল কব নোৱাৰিলো। ফৰিংফুটা জোনাক—গধূলি জাৰ কমিছে—ভাল লাগিছে।

* * *

১৬ তাৰিখ। পুৱা চাহ-জলপান খাই উঠি চতিয়ালৈ খোজ ললোঁ। চতিয়াৰ হাটত বহুতো মানুহক লগ পোৱা হ'ল আৰু মিটিঙৰ জাননী দিয়াত একো অসুবিধা নহ'ল।

* * *

চতিয়াত আজি (১৭) বহুতো গাঁৱলৈ গৈ মানুহক লগ ধৰা হ'ল। সকলোৰে আমালৈ মৰম, লগতে এটা আশঙ্কাও, জানোচা আমাক ধৰি ফাটেকত সুমুৱায়।

* * *

১৭ তাৰিখে গধূলি আমি ওলাইছোঁ ভীৰগাঁৱলৈ। আমাৰ দলত মদন, চেনীৰাম দুয়ো সৰু ল'ৰা— খোজ কাঢ়োতে ভাগৰি যায়—লক্ষ্মীধৰে উলিয়ালে ভিক্টৰ হিউগোৰ লা মিজাৰেৱলৰ সাধু—সাধু কৈ কৈ ৰাতি ভীৰগাঁও পালোঁগৈ।

* * *

১৮ তাৰিখ। আজিৰ মিটিঙত সিবেলিৰ দৰে তৰ্কৰ ভাব নাই। হৰিধ্বনিৰে সৈতে অসহযোগৰ সমৰ্থন জনালে। লক্ষ্মীধৰে ক'লে,— দেখাদেখিকৈ এওঁলোকে বাধা নিদিব, কিন্তু underground—তলে তলে বিৰোধিতা কৰিব তেওঁৰে সম্পৰ্কীয় লোক কিছুমানে। * * *

মিটিঙৰ শেষত আমি মিজিকা বাগানলৈ খোজ ললোঁ। ৰাতি জগতৰ (৺জগত চন্দ্ৰ বৰুৱা) ঘৰত থকাৰ ব্যৱস্থা। (জগত লক্ষ্মীধৰৰ ককায়েক)।

১৯ তাৰিখেও দিনটো ইয়াতেই থকা হ'ল। আবেলি খবৰ আহিল বিহালীৰ পৰা। ছবিলাল বাবুৱে হাতী পঠিয়াব – ৰাতি যাব লাগিব। পাছে এটা হাতীত ইমানবিলাকতো যাব নোৱাৰে— সেইবাবে আমি দুটা ভাগ হ'বলগীয়া হ'ল। আমি কেইজনমানে আবেলি খোজ লোলোঁ। চন্দ্ৰ শৰ্মাক হাতীত যাবলৈ থোৱা হ'ল। তেওঁৰ লগতে মদনহঁত থাকিল। …ৰাতি ৮ বাজি যোৱাৰ পিছত গাংমৌথান পোৱা হ'ল। বৰগাঙৰ ঘাটত মানুহ বৈ আছিল। ছবিলাল বাবুৰ ঘৰ পোৱাহি হ'ল। নেপালী গাঁৱত থাকিবলৈ ভাল লাগিছে। তিৰোতাবিলাকৰ চকুত কৌতূহল। এফালে ব্ৰহ্মপুত্ৰ, আনফালে বৰগাং নৈ। ফাগুনমহীয়া বালি ধক্ ধক্ সমুখত, সিপাৰত কাজিৰঙাৰ ডাঠ কাঠনি হাবি।

* * *

২০ তাৰিখ। ৰাতিপুৱা। আমি বৰগাওঁত গা-পা ধুই চাহ-জলপান খাবলৈ বহিছোঁ, এনেতে এজন ডেকা আহিল ৰাজহুৱা সভাৰ আয়োজনৰ বাতৰি দিবলৈ। ছবিলাল বাবুৱে তেওঁক চিনি পায়। তেওঁকো জলপান দিয়া হ'ল। একে শাৰীতে বহিল। এনেতে আহিল সেই গাঁৱৰে শ্ৰী............। এই ডেকাজনক একে শাৰীতে বহুৱাই লৈ জলপান খাই থকা দেখি তেওঁ চিঞৰি উঠিল —"এইখন কি কৰিছে আপোনালোকে? দেশ গুচালে, ধৰ্ম গুচালে, শাস্ত্ৰ তল পেলালে! দীনজয়ৰ শিচৰ লগত একে শাৰীতে বহি পকা জলপান খাইছে!"

তেওঁৰ চিঞৰ-বাখৰত লক্ষ্মীধৰে মাত দিলে—"হেৰি ডাঙৰীয়া! ক'ত কি শাস্ত্ৰৰ বিধান আছে কওকচোন। যাজ্ঞ্যবল্কই কি কৈছে, মনুৱেনো কি বিধান দিছে?" মানুহগৰাকীয়ে অৱশেষত ক'লে—'আপোনালোকে যি কৰে কৰক; কিন্তু (বগীৰামলৈ লক্ষ্য কৰি) আমাৰ গাঁৱৰ তেওঁক আমি নেৰো। তেওঁ পৰাচিত নহ'লে আমাৰ সমাজৰপৰা বাজ কৰা হ'বল" লক্ষ্মীধৰে ক'লে,—"ডাঙৰীয়া, আপুনি বামুণ—গোসাঁই মনা লোক। অগ্নিত সকলো শুদ্ধ হয়। মই বামুণ—বগীৰামক মই পৰাশৰ যাজ্ঞ্যবল্কৰ মতে পৰাচিত কৰাম। হ'বনে?" মানুহগৰাকীয়ে যেনিবা লক্ষ্মীধৰৰ লগত বেছি তৰ্ক নকৰিবলৈ মান্তি হ'ল। লক্ষ্মীধৰে বগীৰামক ক'লে,—তুমি বামুণৰ দক্ষিণা উলিওৱা, মই তোমাক শুদ্ধ কৰিম।" বগীৰামক লগত লৈ আমি নৈৰ দাঁতি পালোঁগৈ আৰু ধেমালিৰ মাজত তেওঁৰ প্ৰায়শ্চিত্তৰ পৰ্ব শেষ কৰা হ'ল।

২১ মাৰ্চ। আজি চেন্সাছৰ বাবে আমাৰ নাম-ধাম লিখি ল'লেহি। গাংমৌ-থানত ছবিলাল বাবুৰ ঘৰতেই আছোঁ। ছবিলাল বাবুৰ গোটেই পৰিয়ালটো সেৱা-শুশ্ৰূষাত লাগি আছে। ডাঙৰ ককায়েক ভীমলাল পূজা-পাতলত ব্যস্ত থাকে। সৰু ভায়েক হৰি প্ৰসাদ আৰু সম্পৰ্কীয় ভায়েক টীকাৰাম আৰু ৰামলাল। এওঁলোকে সংস্কৃতৰ চৰ্চাও বেচ কৰে। নেপালী মাত শুনি শুনি ভাইটিয়ে (লক্ষ্মীধৰে) ক'লে, "ছবিলাল বাবু, নেপালীকে শিকি পেলাওঁ।" এনেতে এজন অসমীয়া মানুহে সুধিলে, "আপোনালোক আমাৰ সিফালে কেতিয়া যাব?" তেওঁ গমিৰিৰি ফালৰপৰা আহিছে। ভাইটিয়ে উত্তৰ দিলে, "ভোলী যাঙ্ছু।" (কাইলৈ যাম।) সকলোৱে জানিবা গিৰ্জনি মাৰি হাঁহিলে।

* * *

এই গাঁৱৰ সমস্যা হৈছে কাজিৰঙা গ্ৰেজিং। নৈৰ সিপাৰে হ'ব কাজিৰঙা। তাত বহুতো চাপৰি আছে আৰু চাপৰিবিলাকত এই অঞ্চলৰ নেপালী আৰু অসমীয়া গ্ৰেজিয়াৰে গৰু-ম'হ ৰাখে। গাখীৰ, ঘিউ ইয়াত প্ৰচুৰ। দুবছৰ আগতে

এইবিলাক চাপৰিৰপৰা চৰকাৰৰ আদেশত গ্ৰেজিয়াৰসকলৰ ঘৰ ভাঙি খেদাই পঠিয়াছিল। এইটো হেনো এতিয়া Imperial game sanctuary কৰা হ'ল। ছবিলাল বাবুৱে এইবিলাকত গোলাঘাটলৈ গৈ ঘনশ্যাম বৰুৱাক ধৰি চৰকাৰলৈ আবেদন-নিবেদন কৰি আছে। তেওঁলোকে আসাম এছোচিয়েশ্যনতো কথাষাৰ দাঙি ধৰিছে। এই-বিলাকৰ বাবে চন্দ্ৰ শৰ্মা কাকত-পত্ৰ আদি চোৱাত ব্যস্ত। আমি জানিবা ওচৰৰ গাঁওবিলাকত ফুৰি মিটিঙৰ কথা জনাইছোঁ। বগীৰামে নিজৰ গাঁৱলৈ লৈ গ'ল। দেউতাক, ককায়েক-ভায়েক সকলোৰে লগত চিনাকি কৰি দিলে। গাঁওখনৰ মানুহ তেওঁলোকৰে অঙহী-বঙহী। এই কেইবছৰ তেওঁলোকৰ এটা ডাঙৰ সমস্যা হৈছে ব্ৰহ্মপুত্ৰ নৈৰ গৰা-খহনীয়া— পূৰ্বৰ বাৰীৰপৰা এতিয়া এমাইলমান হেনো ভিতৰলৈ সোমাবলগীয়া হ'ল। ধানৰ পথাৰ নষ্ট হৈ গ'ল, তামোলৰ বাৰী গ'ল। এতিয়া যি ঠাইত বাৰী পাতিছে তাতো নানান অসুবিধা। তেওঁলোকৰ পিৰালিৰ দাঁতিতে জাহাজ বন্ধা খুটি পুতিছে।

বগীৰামৰ দেউতাকৰ মনত অলপ বেজাৰ— ল'ৰাই কলেজ এৰি অহাত। তেওঁ ক'লে, "বোপাই, আপোনালোকে বি. এ. পাছ কৰিছেই— কিবা এটা কৰিব পাৰিব। ইয়াক পঠিয়ালোঁ কলেজলৈ, বৃত্তিও পালে— ময়ো খেতি কৰি যি পাওঁ তাৰে অলপ-অচৰপ সহায় কৰি পঢ়ুৱাম—আপোনালোকে কি পাঙিছে আমি হালোৱা মানুহে বুজি নাপাওঁ।" বগীৰামৰ দেউতাকক দেখিলোঁ বৰ কামিলা মানুহ— বগীৰামক ইতিমধ্যে নতুন মাটি বিচাৰিবলৈ পঠিয়াইছেই। বগীৰামে কলে, "গহপুৰত মাটি বিচাৰি ১২ পুৰা মাটিৰ বাবে দৰ্খাস্ত দি আহিছোঁ।"

* * *

পুৰণি বিহালীৰ হাটখোলাত আবেলি মিটিং বহিল। মিটিঙত মানুহ ভৰি পৰিছেহি। এই দুদিন ঘূৰি এই অঞ্চলৰ সমস্যা কিছু বুজিব পৰা হ'ল। এই অঞ্চলত কেইজনমান ধনী মানুহেই মাটিৰ মালিক আৰু আন সকলো তলতীয়া খেতিয়ক। এফালে ব্ৰহ্মপুত্ৰ নৈয়ে গৰা খহাই মানুহক ভিতৰলৈ খেদি আনিছে। ব্ৰহ্মপুত্ৰৰ পাৰত দেখি ইয়াৰ হাৱা-পানী ভাল। জাহাজঘাট থকাৰ কাৰণে চৰকাৰী কৰ্মচাৰীয়েও এই ঠাই পচন্দ কৰে। পানী বঙলা থকাৰ কাৰণে কিছুমানে স্বাস্থ্য পৰিৱৰ্তনৰ কাৰণে আন ঠাইলৈ যাব নোৱাৰিলে ইয়ালৈ আহে। মাছ-গাখীৰ আদিৰ অভাৱ নাই।

ইয়াৰ খেতিয়কৰ সমস্যা বুজা দেখি চন্দ্ৰ শৰ্মাই বক্তৃতাত এইবিলাকৰ সমালোচনা কৰিলে। এই লৈ সভাত এটা উত্তাপৰ সৃষ্টি হ'ল। শ্ৰী ····· বৰুৱাই গৰ্জি উঠিল, "আপোনালোকে বিদ্ৰোহ কৰিবলৈ দিহা কৰিছে।"

খেতিয়কসকলৰ বাহিৰে এওঁলোক সকলো জনা-শুনা লোক। যি নহওক, লক্ষ্মীধৰে মিঠা মাতেৰে সভাত হোৱা উত্তাপ কমালে। * * *

আনফালে সভাত আন এটা পৰিস্থিতি হ'ল। সিদিনা ছবিলাল বাবুৰ ঘৰত আমি জলপান খাই থাকোঁতে ৰাংছালীৰ ডেকা শ্ৰীদতৰামক আমাৰ লগত বহি খোৱাত দীনজয়ৰ শিচ বুলি আপত্তি কৰিছিল শ্ৰী..........ই। আজি মিটিঙৰ শেষত ৰাংছালীৰ কিছুমানলোকে এখন চিঠি দিলেহি চন্দ্ৰ শৰ্মালৈ। ৰাংছালী গাঁৱৰপৰা আমাৰৰ সকলোৰে নিমন্ত্ৰণ—তাত আমি আলহী থাকিব লাগে চন্দ্ৰ শৰ্মাই ততালিকে সেই নিমন্ত্ৰণ গ্ৰহণ কৰিলে। "ভাল কথা যোগাৰ কৰাগৈ।" আনফালে কিছুমানে মন্তব্য কৰিলে—"এইখন মেলেছ।" মিটিঙৰ পিছত লক্ষ্মাধৰৰ এজন মোমায়েকে তেওঁৰ ঘৰলৈ নিবলৈ ক'লে। মই ভাল পাঁলো। মিটিঙৰ উত্তপ্ত বতৰৰ পিছত লক্ষ্মীধৰে জানোচা patch কিবা কৰিব পাৰে।

আমাৰ দলটোত মোৰ আৰু মদন শইকীয়াৰ বাহিৰে সকলোৱেই বামুণ। চেনীৰামক বিশ্বনাথত এৰি অহা হ'ল। চন্দ্ৰ শৰ্মা, লক্ষ্মীধৰ শৰ্মা, ফটিক শৰ্মা। আমি ৪ মাইল খোজ লৈ ৰাংছালী পালোঁ। চাওঁ একোৱেই দিহা হোৱা নাই। তেওঁলোকে ভবা নাছিল যে আমি তেওঁলোকৰ আলহী হ'মগৈ। আমি গৈ পোৱাতহে দিহা কৰাত লাগিল। নামঘৰৰ কাষত লৰা-ধপৰাকৈ চালি এখন কৰা হ'ল। বস্তু-বাহানি যোগাৰ হওঁতে প্ৰায় ন বাজিল। দতৰামে আহি চন্দ্ৰ শৰ্মাক ক'লে—"এতিয়া ৰান্ধিবলৈ দিহা কৰক।" কথাষাৰে শুনি চন্দ্ৰ শৰ্মাই ক'লে, "কিহে, নিমন্ত্ৰণ কৰি আনিছা এতিয়া মইহে ৰান্ধনি সোমাব লাগিব! ই কি কথা, তোমালোকৰ ৰান্ধনি নাইনে?" দতৰামে উত্তৰ দিলে, "আমি নোৱাৰিম।" অৱশেষত ইয়াৰ দায়িত্ব মোৰ ওপৰতেই পৰিল। খোৱা-বোৱা শেষ কৰোঁতে ১১ বাজি গ'ল।

* * * *

ৰাতিপুৱা চাহ-জলপান খাই ওঁতাই আমি হেলেমলৈ খোজ ললোঁ। ৰাংছালীৰপৰা ৬ মাইল কি ৭ মাইল হ'ব। আমি বুৰৈ নৈৰ পাৰত লক্ষ্মীধৰলৈ বাট চোৱাৰ কথা। আমি তাত বৈ আছো—লক্ষ্মীধৰৰ পলম হোৱাত উচ্‌পিচাই আছোঁ। কালি সভাত উত্তপ্ত বতৰৰ পিছত কি পৰিস্থিতি হৈছে তাকে ভাবি অলপ অস্বস্তি হৈছে। চন্দ্ৰ শৰ্মাই দাবীৰ সুৰেৰে ক'লে, "হেৰা, লক্ষ্মীধৰক গ্ৰেপ্তাৰ কৰিলেনো কি কৰিবা। আমি আগ বাঢ়ি যাবলৈ লাগিব।" এনেতে লক্ষ্মীধৰ আহি ওলাল। ছবিলাল বাবুৱে আমাক হাতীটো লগত দিছে। কালি গধূলি

লক্ষ্মীধৰ অকলশৰীয়া হ'ব বুলি আমি হাতী তেওঁৰ লগতে পঠিয়াইছিলোঁ। লক্ষ্মীধৰে হাঁহি হাঁহি ক'লে—"নক'ব—হাতীত উঠাৰ শাস্তি! সৰি পৰিবলগীয়া হ'ল।" যি নহওক, মাজ বাটৰ পৰা হাতীটো ঘূৰাই নপঠিয়াই আমাৰ টোপোলা-টুপলী হাতীৰ পিঠিত দি আমি খোজ ললোঁ। * * *

আজি ৰ'দ চোকা। ছাতি লোৱা অভ্যাস নাই। ভাগৰ লাগিছে। হেলেম পাওঁ পাওঁ হৈছোঁ, এনেতে এজন মানুহে আহি ক'লে,—"প্ৰভুসকল! মোৰ ঘৰত ধূলি পেলাব লাগে। মই স্বৰাজ কৰিলোঁৱেই।" এৰিয়াৰ চুৰিয়া, মুগাৰ এঙাচোলা পিন্ধা মানুহজন বাটৰ দাঁতিত গছ এজোপাৰ ছাঁত থিয় হৈ আছিল। স্বৰাজৰ কথা আমিয়েই ক'বলৈ আহিছোঁ বুলি অনুমানত ধৰি তেওঁ আমাক এই কথাষাৰ ক'লে। মানুহজনৰ নাম ৰঙ্গনাথ গগৈ। মানুহজনৰ আগ্ৰহ দেখি আমি সকলো তেওঁৰ ঘৰত সোমালোঁ। তেওঁৰ ঘৰত এৰি পোহা, মুগা পোহা, সূতা কটা সকলো দেখুৱালে। সম্পূৰ্ণতে স্বৱেলম্বী মানুহ এজন দেখি ভাল পালোঁ।

* * *

আৰু অলপ সময় আগ বাঢ়ি আমি আমাৰ গন্তব্য ঠাই শ্ৰীযুত দীনেশ্বৰ আগৰৱালাৰ ঘৰ পালোঁহি। বগীৰাম আগতে আহি ইয়াত দিহা কৰিছেহি। ইয়াত থাকি আমি বৰঙাবাৰীৰ আন গাঁওবিলাকত কিছুমান মানুহক লগ ধৰিলোঁ। কল্যাণী দেৱালয়লৈকো গৈছিলোঁ। হেম বৰাই (লম্বোদৰ বৰাৰ পুতেক) আহি লগ ধৰিলে। ইয়াত উৎসাহৰ অভাৱ।

* * *

২৩ তাৰিখে আমি ৰাতিপুৱা আগৰৱালাৰ ঘৰৰপৰা ২ মাইলমান গৈ ঘাঁহী গাঁও পালোঁহি। শ্ৰীশৰ্মাৰ ঘৰত দুপৰীয়া খাই আঁতাই ওচৰৰ মিটিং পতা ঠাইলৈ গলোঁ। মিটিং শেষ হোৱাত গধূলি আমি গহপুৰলৈ খোজ ললোঁ। বাই-ছিকলেৰে বগীৰাম আগ বাঢ়ি গ'ল। গহপুৰ পোৱাৰ অলপ আগতে বগীৰামে আহি বহুতো অসুবিধা জনালে। শ্ৰী·······ই বাখিব নোখোজে। মানুহজন আমাৰ লগত স্কুলত পঢ়িছিল। এতিয়া·······হৈছে। চন্দ্ৰ শৰ্মাই ক'লে "তাৰ ঘৰলৈকে যাম আৰু ধান-খেৰ যোগাৰ কৰি তাৰ ঘৰতেই পৰি থাকিম।" যি কি নহওক, ওচৰৰ ঘৰত থকা কমলাই (কমলা হাজৰিকা) খোৱাৰ ব্যৱস্থা কৰি থৈছিল। ইয়াত মিটিং পতাৰ সম্ভাৱনা নহ'ল।

* * *

পুৱা জলপান খাই আমি কলাবাৰীলৈ আগ বাঢ়িলোঁ। প্ৰায় ১০ বজা মানত আমি মৰনৈগুৰি পালোঁহি। ইয়াত ৰামচৰণ বৰদলৈৰ ঘৰত থকা ব্যৱস্থা হৈছে। তেওঁ স্কুলৰ পণ্ডিত। আবেলি গাঁৱৰবিলাকলৈ গ'লোঁ। শোভনক পালোঁ। (শোভন চন্দ্ৰ শৰ্মাৰ লগতে থাকি তেজপুৰ স্কুলত পঢ়ি আছিল—শ্ৰীগিৰিশ শৰ্মাৰ ভায়েক।) শ্ৰীগোবিন্দ গোস্বামীৰ ঘৰলৈকো গ'লোঁ। তেওঁ ভাল ছাত্ৰ আছিল। হাতৰ আখৰ ভাল দেখি ৰাজনৈতিক চিত্ৰ প্ৰদৰ্শনীৰ বহুতো চাৰ্ট এওঁৰ হতুৱাই লিখাইছিলোঁ!

দৰং-লক্ষ্মীমপুৰৰ সীমা চাবলৈ ফটিকৰ মন। হাহৈয়া জানলৈকে গৈ আমি কামদিয়াললৈ আহিলোঁ। শিশুৰাম দত্তৰ ঘৰত বহিবলগীয়া হ'ল। এইখন বৰ ভৰগাওঁ। এইদৰে আমি জয়ৰামৰ ঘৰ পালোহি। জয়ৰামে কলেজ এৰাত দেউতাকৰ বেজাৰ নেদেখিলোঁ। বৰ ভাল খেতিয়ক জয়ৰামক খেতিৰ কামত লগাইছে। জয়ৰামে অসহযোগৰ কাম কৰিব পৰাৰ সম্ভাৱনা নেদেখিলোঁ।

* * * *

ৰাতি কামদিয়ালৰপৰা মৰনৈলৈ পথাৰৰ মাজেদি অহাত বাট ভুল হৈছিল। বহুত ঘূৰি ৰাতি ভালেখিনি হোৱাতহে মৰনৈ পালোঁ।

* * * *

২৫ তাৰিখে। মিটিঙত বহুতো মানুহ হৈছিল। ধলপুৰ, নাৰায়ণপুৰৰ-পৰাও ইয়ালৈ মানুহ আহিছিল। ইয়াত উৎসাহ দেখি ভাল লাগিল। মিটিঙৰ পিছত জয়ৰামে আমাক তেওঁৰ ঘৰলৈ নিলে। চন্দ্ৰ শৰ্মাক আন এজনে নিলেহি। দৰঙৰ সীমালৈকে আহি অসহযোগৰ কথা প্ৰচাৰ কৰা হ'ল। আজি ২৬ মাৰ্চ তাৰিখে সোৱণশিৰি ঘাটলৈ গৈ জাহাজেৰে উভতি তেজপুৰলৈ যোৱাটো থিৰ হ'ল।

* * * *

গধূলি তেজপুৰ পালোঁহি।

* * * *

এতিয়া বালিপাৰা আৰু ঢেকীয়াজুলি অঞ্চলৰ বাহিৰে তেজপুৰৰ প্ৰায় সকলো মৌজা আমাৰ ফুৰা হ'ল।

* * * *

অনুষ্ঠান হিচাপে অসমত কংগ্ৰেছৰ অনুষ্ঠান নাই। বঙ্গ-প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ জৰিয়তে অসমে বছেৰেকীয়া কংগ্ৰেছ অনুষ্ঠানলৈ সভ্য পঠিয়াই আহিছে। মহাত্মাই স্কুল-কলেজ এৰা, ওকালতি এৰা বুলি নিৰ্দেশ দিয়ামতে কিছু কাম অসমত হৈছে। ইয়ং ইণ্ডিয়াত মহাত্মাইনো আৰু কি নিৰ্দেশ দিয়ে সকলোৱে তাৰ বাবে বাট চাই আছোঁ।

সিদিনা ইয়ং ইণ্ডিয়াত মহাত্মাই লেখিছে—“অসহযোগৰ বাতৰি যিদৰে বিয়পি গৈছে তাত অসন্তোষ কৰিব নোৱাৰি—কিন্তু আমি গৰ্বও কৰিব নোৱাৰোঁ।

* * *

আমাৰ আলোচনা হ'ল আমি কি কৰোঁ। নাগপুৰ কংগ্ৰেছে যি কাৰ্য-তালিকা দিছে সেইমতে আমি কাম কৰি আছোঁ। স্কুল-কলেজ বৰ্জন কৰা, আদালত বৰ্জন কৰা, বাগিয়াল বস্তু বৰ্জন কৰা। এইমতে আমাৰ কাম চলি আছে। ইয়াতকৈ আৰু কিদৰে ভাল কাম কৰিব পাৰি? চন্দ্ৰ শৰ্মাই ক'লে—আমাৰ ডাঙৰ কাম হৈছে দেশৰ জনতাৰ মাজত বৃটিছ গভৰ্ণমেণ্টৰ বিপক্ষে থিয় দিয়াৰ মনোভাব সৃষ্টি কৰা। খাজনা বঢ়োৱা লৈ তাহানি যি অসন্তোষ হৈছিল আৰু যি অসন্তোষে এটা প্ৰতিৰোধৰ ভাব আনিছিল, তেনেবিধৰ ভাব দুগুণে সৃষ্টি কৰাটোৱেই আমাৰ কাম। কেৱল শাসক শক্তিৰ বিৰুদ্ধেই নহয়, আমাৰ সমাজত যিটো প্ৰতিক্ৰিয়াশীল শক্তি আছে—সামাজিক আৰু অৰ্থনৈতিক শক্তিবিলাকৰ বিপক্ষেও এনেবিধৰ প্ৰতিৰোধৰ ভাব সংগঠিত কৰিব লাগিব। এয়ে আমাৰ কাৰ্য-তালিকা।

* * *

এপ্ৰিল মাহৰ ২ তাৰিখ। চন্দ্ৰ শৰ্মা গুৱাহাটীলৈ গ'ল। যি কেইজন কৰ্মী আমি আছোঁ সেইকেইজনক কেনেকৈ ভগাই কামত লগোৱা যায়—এয়ে আমাৰ প্ৰশ্ন হ'ল।

* * *

তেজপুৰ মহকুমাৰ মানচিত্ৰ এখন তেজপুৰ ছব্‌ডেপুটীৰ চাৰ্কোল অফিচৰপৰা সংগ্ৰহ কৰি অনা হ'ল। মৌজাই মৌজাই একোজন কৰ্মী দিয়া স্থিৰ হ'ল। মৌজাই মৌজাই কেনেকৈ কৰ্মী দিব পাৰি এয়ে ডাঙৰ সমস্যা। যি কি নহওক, কেইবাটাও মৌজা লৈ একোটা অঞ্চল আমি ভাগ কৰিলোঁ। লক্ষীধৰে ক'লে -“তেজপুৰৰ গাঁৱলীয়া ৰাইজে তাহানিৰেপৰা নদুৱাৰ, ছয়দুৱাৰ, চাৰিদুৱাৰ—এইদৰে ভাগ কৰি থৈছেই—আমিও সেইমতে ভগাওঁ।” কিন্তু নদুৱাৰ ডাঙৰ অঞ্চল—ভৰলী নৈৰপৰা বৰগাঙলৈকে। “বৰ্গমাইল হিচাপে কিমান ডাঙৰ মন কৰক”—তিলক শৰ্মাই ক'লে। এইদৰে আলোচনাৰ পিছত তিলক শৰ্মাক চতিয়াত ৰখাটো স্থিৰ হ'ল। তাত তেওঁৰ থকা-মেলাৰ সুবিধা। চতিয়াত কেইবাজনো স্থানীয় কৰ্মী ওলাইছে—গঙ্গানাথ বৰকটকী। পাভৈ বাগানৰ কাম এৰি আহি থনাগুৰিৰ গোলোক শইকীয়া ওলাইছে—বিষ্ণুকিঙ্কৰ কলিতাও ডিব্ৰুগড়ৰপৰা স্কুল এৰি আহিছে। গোলোক শইকীয়াৰ লগতো কথা হৈছিলোঁ। ৰাজনীতিৰ কথাতকৈও তেওঁৰ মনটো সামাজিক কথাবিলাকত ক্ষুব্ধ। বামুণ-গোসাঁইৰ প্ৰাধান্যৰ কথাবিলাকে তেওঁৰ মনত বেছিকৈ

প্ৰভাৱ পেলাইছে। এফালে গঙ্গা বৰকটকী, আনফালে তুলসী হাতীবৰুৱাৰ লগত বন্ধুতা। যি কি নহওক, গাঁৱত থকা কৰ্মশক্তি ৰাজনীতিৰ ক্ষেত্ৰলৈ আনি আদালতৰ বাহিৰে গাঁৱতে মেল-মোকৰ্দমা নিষ্পত্তি কৰা কামত লগাব পৰা হ'ব। স্কুল এৰি কেইৰাজনো আহি ঘৰতে আছে। ৰত্নেশ্বৰ ৰায়ৰ ঘৰুৱা অসুবিধা, সেইবাবে একাণপতীয়াকৈ লাগিব পৰা নাই। কাবুল (বিজয় ভাগৱতী) সক ল'ৰা। তিলকে ইয়াত সংগঠন কৰিব পাৰিব বুলি ভাবি তেওঁকেই ইয়াত ৰখা স্থিৰ হ'ল। চাৰিআলি বিশ্বনাথলৈকে তেওঁৰ জনা-শুনা আৰু সম্পৰ্কীয় লোক আছে।

বগীৰামক জামুগুৰিত থোৱা স্থিৰ হ'ল। এই অঞ্চলত তেওঁৰ জনা-শুনা আছে। বিশেষকৈ মদনহঁতৰ ঘৰত থাকিব পাৰিব। মদনৰ ককায়েক ফুলপদ মাজুলীগড়ত কাম কৰে। চেনীৰামৰো ইয়াত থকাৰ সুবিধা। এইদৰে বগীৰামক এই অঞ্চলৰ দায়িত্ব দিয়া হ'ল। স্থানীয় মানুহৰ ভিতৰত ডেকা সোন্দৰৰ শ্ৰীগঙ্গাৰাম বৰুৱাই কামত লাগিব।- মাধৱৰ থানেশ্বৰ হাজৰিকাহঁত ওলাব। চন্দ্ৰ শৰ্মাই কোৱা প্ৰতিৰোধৰ ভাব এটা জামুগুৰিত বেছ্ দেখা গৈছে। ইয়াত মানুহৰো সংগঠন ভাল। সিদিনা জামুগুৰিত অলপতে উন্মাদনা আহিবৰ সম্ভাৱনা দেখি সাৱধান হোৱাৰ কথাও চন্দ্ৰ শৰ্মাই কৈছিল। কেইবছৰমান আগতে যুদ্ধ চলি থকাত বস্তুৰ অভাৱত হাট-দোকান লুটৰ বায়ু এটা উঠিছিল। উজাৰাচুকত এজন লোকে উত্তেজনাৰে সৈতে এই কথাবিলাকৰ উল্লেখ কৰিছিল।

ছিলাবন্ধাত নোমল ভট্টাচাৰ্য, কীৰ্তি ভট্টাচাৰ্য আদি কিছুমান ছাত্ৰই স্কুল এৰি কামত লাগিছে। কিছুমান কম বয়সীয়া ছাত্ৰও—মাণিক, গোলোক, কমল ইত্যাদিও কামত লাগিছে।

* * *

চাৰিদুৱাৰ অঞ্চলৰ সংগঠন সম্পৰ্কে বহুতো ভাবিবলগীয়া হ'ল। নগৰৰ ওচৰৰ দেখি নগৰৰ সকলো বেয়া প্ৰভাৱ এই অঞ্চলত পৰি থাকে। থুলেশ্বৰহঁতে মদৰ দোকানত পিকেটিং কৰি অলপ দিনতে এই অঞ্চলৰ কিছুমান সমাজত ভাল বুলি জনাজাত লোকক মদৰ দোকানত ধৰা পেলোৱাত তেওঁলোকৰ খঙৰ ভাব উপজিল। হলেশ্বৰ মৌজাত ডেকাৰ গাঁৱত কেইজনমানক চন্দ্ৰ শৰ্মাৰ ভাষাত Militant মানুহ লগ পোৱা হ'ল। কিন্তু তেওঁলোকৰ Militancy মৌজাদাৰৰ লগত বিৰোধিতাৰপৰা সৃষ্টি হোৱা যেন লাগিল। জাতীয় সংগ্ৰামত তেওঁলোকে কিদৰে সহায় কৰিব-নকৰিব একো ক'ব নোৱাৰি। নবীনে ঘৰত থাকি কাম কাৰব নোৱাৰিব বুলি ভাবি লক্ষীধৰে তেওঁক চাৰিদুৱাৰ অঞ্চলত ৰখাৰ কথা স্থিৰ কৰিলে। বিহগুৰিত নৰেশ গোস্বামীৰ লগলৈ পঠিওৱা হ'ল।

* * *

আজি ২ এপ্ৰিল তাৰিখ। আজি আবেলি ছাজিলালৰ মদৰ দোকানত পিকেটিং হৈ আছে।* ছাজিলালে এটা আচৰিত প্ৰস্তাৱ দিলে। তেওঁ ক'লেহি—"মই এহেজাৰ টকা ভলণ্টিয়াৰসকলক দিম। আপোনালোকে পিকেটিং বন্ধ কৰক।" "এইটো কেনেকৈ হ'ব পাৰে?"—লক্ষ্মীধৰে উত্তৰ দিলে। আমি মান্তি নোহোৱাত পিকেটিং চাবলৈ ওলালোঁ। আমি দোকানৰ ওচৰ নোপাওঁতে দেখিলোঁ। এগৰাকী তিৰোতা সিফালৰপৰা অলপ গা-জোঁকাৰি আহি আছে। হাতত বটল। এনেতে থুলেশ্বৰে তেওঁক আগ ভেটি ক'লে—আই, সিফালে মদ কিনিবলৈ নাযাব। এনেতে তিৰোতাগৰাকীয়ে গিৰ্জনি মাৰি হাঁহি কলে—"হেৰৌ, তই কোন? তিনিটা চাহাবৰ মূৰ খালোঁ। মোক তই মদ গুচাবলৈ আহিছ!" এনেতে আমি ওচৰ চাপিলোঁ। লক্ষ্মীধৰে সুধিলে,—"আপুনি কোন?" তিৰোতাগৰাকীয়ে হাঁহি মই কোন! মই কোন! আহিবা মোৰ ওচৰলৈ? বিদ্ৰূপৰ সুৰ! "মোক নাজান? মোৰ নাম এম. এ. এল.এ. টি. আই। চাওঁ, বাট এৰ" বুলি দোকানলৈ আগ বাঢ়িবলৈ যত্ন কৰিলে। থুলেশ্বৰে "মা বুলিছোঁ আপোনাক, যাবলৈ নিদিওঁ।" মানুহজনীয়ে "মা মা! মা বুলিছে কোনে?" হঠাতে এটা পৰিৱৰ্তনৰ ভাব দেখা গ'ল। বাক্য—কৌশলী লক্ষ্মীধৰে "আপুনিতো আমাৰ সকলোৰে মা—মদ এৰক।" "মদ এৰিবলৈ যত্ন কৰিম" বুলি তেৱোঁ থুলেশ্বৰক বটল দি দিলে। "মোক সকলোৱে মালতী মেম্ বুলি মাতে—মোৰ ঘৰলৈ যাবনে? গধুলি নাযাব। পুৱা যাব। লাল মাটিত থাকোঁ।"

আজিপুৱা লালমাটিলৈ গৈ মালতী মেমক লগ ধৰা হ'ল। তাই জীৱনৰ বহুতো কথা ক'লে—কেনেকৈ চাহ-বাগিচালৈ আহিবলগীয়া হ'ল, কেনেকৈ চাহাবৰ মেম হোৱাৰ পিছত তাইৰ ল'ৰা হোৱাত ল'ৰা বিলাতলৈ পঠিয়াই দিলে ইত্যাদি। তাইৰ মনত গোট খাই থকা সকলো বেজাৰ হিয়া উবুৰিয়াই ক'লে।

আবেলি বিহগুৰিৰ মিটিঙলৈ যাবলগীয়া হ'ল। লক্ষ্মীধৰক টাউনত থৈ ডিপোটাৰ লম্বোদৰ, নিত্যানন্দহঁতক লৈ বিহগুৰিৰ মিটিঙলৈ ওলালোঁ।

আজি ৫ তাৰিখে বাঁহবাৰীত মিটিং হ'ল। বাঁদৰমাৰীত মিটিং হ'ল। বিন্দুকুৰি, খেলমাটিৰ মদৰ দোকানত পিকেটিং কৰাৰ কথা কিছুমানে ক'লে। পিকেটিং যেন শান্তিপূৰ্ণ হয়, কাৰো ওপৰত যেন জোৰ-জবৰদস্তি নহয়। খেলমাটিৰ দোকানখনো দেখাদেখিকৈ ছাজিলালৰ নহয়। দোকানখন ভূঞাৰ নামত আছে। তথাপিতে আচল গৰাকী ছাজিলাল—তেওঁ সিন্ধী মানুহ। বহুত দিনৰপৰা এই কাৰবাৰকেই কৰি আছে।

বাঁহবাৰীত ৰাতি থাকি পুৱা জহামাৰীলৈ ওলালোঁ। ইয়াৰ মানুহৰ বৰ উৎসাহ। বেহেৰীয়া আৰু বিহগুৰিৰ মানুহৰ সম্পৰ্কীয়। ব্ৰহ্মপুত্ৰৰ এটা সুঁতি জহামাৰীৰ কাষেদি গৈছে। সেইবাবে নৈত গা ধুলোঁ। জহামাৰীৰপৰা কাৰৈমাৰীলৈ গ'লোঁ আৰু বৰগাঁওলৈ আহি আবেলি মিটিং কৰিলোঁ।

এই অঞ্চলৰ মানুহৰ কানি খোৱাৰ অভ্যাস বৰকৈ। বৰগাঁও সত্ৰৰ গোসাঁই লোকনাথ গোসাঁইৰ নিজৰেই এই অভ্যাস আছে। ওচৰৰ কছাৰী গাঁৱতো কানিৰ প্ৰভাৱ বৰ বেছি। আজি মিটিঙত এটা ডাঙৰ কথা হ'ল। গোসাঁয়ে কানি এৰি দিবলৈ শপত খালে। তেওঁৰ লগতে কিছুমান কছাৰী মানুহেও কানি এৰি দিবলৈ শপত খালে।

বৰগাঁৱৰ মিটিং শেষ কৰি আমি ঢেঁকীয়াজুলিলৈ খোজ ললোঁ। ডিপোটাৰ মানুহ এই অঞ্চললৈ অহা-যোৱা কৰে। এইবাবে লম্বোদৰহঁতৰ কিছু জনা-শুনা আছে। তেওঁলোকে কেহেকখন্দাৰ গাঁওবুঢ়াৰ ঘৰত থকাৰ কথা ঠিক কৰিছে বুলি কোৱাত আমি তালৈকে গ'লোঁ। গৈ দেখোঁ গাঁওবুঢ়াৰ ঘৰত হুৱাদুৱা। গঞাৰাইজে জালেৰে পহু ভেটিবলৈ গৈছিল। এনেতে বাঘে গাঁওবুঢ়াৰ পুতেকক কামুৰিলে। সেইবাবে তাত নাথাকি আমি আগ বাঢ়ি গ'লোঁ। লম্বোদৰহঁতৰ চিনাকি মানুহ ওচৰত নাই। গধূলি হৈ গৈছে। আমাৰ অনিৰ্দিষ্ট যাত্ৰাৰ ক'ত ওৰ পৰিব ঠিক নাই। যি কি নহওক, ঢেঁকীয়াজুলি নৌপাওঁতে এজোপা ডাঙৰ গছৰ তলত বহি মাৰোৱাৰী দোকানত থাকিমগৈনে কোৱা-কুই কৰিছোঁ। এনেতে এজন মানুহে আমালৈ টৰ্চ মাৰিলে। মাক দেখি সুধিলে,—"বাপা, ক'ৰপৰা আহিলা?" চাওঁ নিধি। আমাৰ থকাৰ একো দিহা নোহোৱা জানি তেওঁ ক'লে,—"একো নাভাবিবা, মদৰ দোকানী হ'লেও তোমাক আন ঠাইলৈ যাবলৈ নিদিওঁ। মোৰ ইয়াতেই থাকিব লাগিব।" এইদৰে আহি আমি মদৰ দোকনত থাকিলোঁ।

পুৱা চাহ-জলপান খাই অঁতাই আমি হাটৰ ফালে আগ বাঢ়িলোঁ। নিধিৰামে সুধিলে,—"হেৰা, দুপৰীয়া ক'ত খাবা। ৰাতি ক'লৈ যাবা?" "এতিয়া হাটৰফালে যাম আৰু তাতেই কাৰোবাৰ দোকানত খোৱাৰ দিহা কৰিম। ৰাতি বৰছোলাৰ ফালে থাকিম।" আমাৰ উত্তৰ হ'ল। "হেৰা, মোৰ দোকানত পিকেটিং নকৰাবা।" "আজি আমি পিকেটিং কৰিব নোৱাৰো, পিছে ইয়াৰ মানুহে কৰিলে কি কৰিম?" "বাৰু, ইয়াৰ মানুহক পাৰিম।" তেওঁ ক'লে।

আমি হাটৰফালে আগ বাঢ়িলোঁ। থানা নৌপাওঁতেই তেজপুৰৰ ভাইয়ালাল মিস্ত্ৰীৰ মানুহ এজনক পালোঁ। তেওঁলোকে ইয়াত মিস্ত্ৰীৰ শাল এখন পাতিছে।

গৰু-গাড়ীৰ চকা কৰে। "দুপৰীয়া আমাৰ ইয়াতেই খোৱাৰ দিহা কৰিম" বুলি তেওঁ ক'লে। মান্তি হৈ আগ বাঢ়িলোঁ। আমাৰ কথা আছিল চিনাকি মানুহ বিচাৰি ইয়াত সোনকালে মিটিং পতাৰ দিহা কৰা।

থানাৰ ওচৰ পাওঁতেই আলি দাৰোগাই দেখা পালে। বেগাই আহি লগ ধৰিলে—"আহক আহক, মোৰ ইয়াত চাও খাওকহি।" ল'ৰাইতক হাটৰফালে পঠিয়াই মই থানাত বহিলোঁগৈ।

দাৰোগাই ক'লে, "আপোনাক পাই ভাল হ'ল। কি কৰোঁ—ৰিপোৰ্ট এখন দিব লাগিব।" ৰিপোৰ্টৰ বাবে সকলো কথা জনালোঁ—"আমাৰতো গোপন কথা একো নাই।" খিলাফতৰ সমস্যা—হিন্দু-মুছলমানৰ একতা—আলি ভ্ৰাতৃ দুজনৰ কথা, এইদৰে সকলো আলোচনা কৰিলোঁ। এনেতে লম্বোদৰহঁতক অহা দেখা পাই থানাৰপৰা ওলালোঁ। "হাটৰ সিমূৰে মিটিং এখন পতাৰ দিহা হৈছে" বুলি তেওঁ জনালে। শ্ৰোতাসকলৰ সৰহ ভাগেই কছাৰী আৰু বাগিচাৰ পৰা ওলাই অহা বনুৱা। অসহযোগৰ কথা, চাহ-বাগিচাৰ গিৰ্মিটীয়া বনুৱাৰ কথা কোৱা হ'ল। বুধবাৰলৈ এখন মিটিং পতাৰ দিহা হ'ল।

দুপৰীয়া খাই অঁতাই বৰছোলাৰ ফালে গলোঁ। যি ঘৰত আমি থাকিবলগীয়া হ'ল তেওঁলোকৰ সকলোৰেই কানি খোৱা অভ্যাস। কেইবামহা কানি দিনটোত লাগে—সৰলভাৱেই ক'লে। ঘৰৰ বুঢ়ী তিৰোতাগৰাকীয়ে ক'লে, "কি কৰিম বোপাইঁত, বেমাৰৰ বাবে খাবলগীয়া হ'ল। এতিয়া দিনটোত এমহা কানি নাখালে পেটৰ পোৰণিত তৎ নাপাওঁ।"

এই কেইমাহৰ ভিতৰত বহুতো কানীয়া লগ পাই কানি এৰিবৰ কিছুমান কথা আমি বুজি পোৱা হৈছোঁ। কিছুমান কানীয়াই নিজৰপৰাই কানি এৰিবলৈ যত্ন কৰিছে। এজনে কৈছিল, "মই এমাহৰ জোখাই কানি ডাঙৰ বটল এটাত পানীত মিহলাই লওঁ আৰু দিনৌ খাই অঁতাই পানী দি বটলটো সমান কৰি লওঁ। এইদৰে মই কানি এৰিব পৰা হৈছোঁ।" এই পৰামৰ্শ কিছুমানত কাৰ্যকৰী হৈছে। কিন্তু মূল কথা—ইচ্ছা শক্তিৰ সবলতা। যি কি নহওক, বুঢ়ীগৰাকীক এনে পৰামৰ্শ দিয় হ'ল।

আজি পহিলা এপ্ৰিল। পুৱাৰ জলপান খাই আমি ওৰাঙলৈ ওলালোঁ। ওৰাঙত হাট—ওৰাঙত পুলিচৰ বীটৰ আউট পোষ্টত বিহগুৰিৰ মহিম হাজৰিকাক পোৱা হ'ল। তেওঁৰ তাতেই আমাৰ খোৱাৰ দিহা হ'ল। হাটত এখন মিটিং পতা হ'ল। এই অঞ্চলটো ওদালগুৰি থানাৰ এলেকাত। মঙ্গলদৈ মহকুমাত কুমুদ

বৰাই কাম আৰম্ভ কৰিছে আৰু কুমুদ বৰাৰ লগতে আমাৰ লগত পঢ়া তপেশ্বৰ শৰ্মায়ো (উকিল) কামত লাগিছে। প্ৰফুল্লয়ো কলিকতাৰপৰা আহি মঙ্গলদৈত (তেওঁৰ থকা-মেলাৰ সুবিধা থকাত) অসহযোগৰ কাম আৰম্ভ কৰিছে। মঙ্গলদৈত কুমুদ বৰাই ওকালতি এৰি কাম আৰম্ভ কৰিছে। কুমুদ বৰাৰ ত্যাগৰ আদৰ্শ অতি ওখ। কাউন্সিললৈ নিৰ্বাচিত হৈও তেওঁ এৰি দিছে। নামতি, মাজবাটলৈ যোৱাৰ কথা থাকিলেও বৰ্তমানে আমাৰ যোৱা বন্ধ কৰি ঢেকীয়াজুলিলৈ উভতিলো। গধূলি লগে লগে আহি ঢেকীয়াজুলি পালোঁহি। ৰাতি ছপাই বাগিচালৈ যোৱা বাটেদি আঢ়ৈ মাইলমান আগ বাঢ়ি ডিপোটাৰ এজন মানুহৰ ঘৰত (চিকুণৰ ভায়েক হাঁহিৰাম) ৰাতি থকাৰ দিহা হ'ল।

আজি বুধবাৰ। ঢেকীয়াজুলিত এখন ডাঙৰ সভা বহিছিল। পাণবাৰী, ঘগ্ ৰা, কেহেকখন্দা, ছিৰাজুলিকে আদি কৰি বহুতো গাঁৱৰ মানুহ আহিছিল। ওচৰৰ বসুন্না সম্প্ৰদায়ৰ মানুহেই সৰহ। মিটিং শেষ হোৱাত আলি দাৰোগাই সুধিলে, "এতিয়া ক'ত থাকিব ?" আমি এতিয়া তেজপুৰলৈ যাম। "এতিয়া সন্ধিয়া হৈছে, এতিয়াই যাবনে ?" ঢেকীয়াজুলিৰ এইখিনি এৰি গ'লে হাবি নাই। গাভৰু পাৰ হৈ ল'লে ৰাতি যাওঁতে একো নাই।"

ইয়াত এটা কেম্প সাজিবৰ কথা ভবা হ'ল। দুজনমান গাঁওবুঢ়াই বাঁহ, কাঠ, খেৰ আদিৰ দিহা কৰি দিবলৈ গাত ল'লে। ভাইয়ালালৰ মানুহে মাটিবো দিহা কৰি দিবলৈ গাত ল'লে।

ঢেকীয়াজুলিৰপৰা গাভৰু ঘাটলৈকে মানুহৰ বসতি কম। ফুটুকানি, ইকৰাণি। প্ৰায় ১০ বজাত ডিপোটা পোৱা হ'ল। ডিপোটা পাওঁতে লম্বোদৰহঁতে ডিপোটাত থাকিবলৈ মোক ধৰিলে। পিছে তেজপুৰ এৰি অহা কেইবাদিনো হ'ল। গোটেই জগতৰ পৰা বিচ্ছিন্ন হৈ থকা যেন লাগিছে। সেইবাবে নাথাকি তেজপুৰলৈ আহিলোঁ। তেজপুৰ পাওঁতে থানাত ১২ বজাৰ ঘণ্টা পৰিল।

আজি ২ এপ্ৰিল। পুৱা কেম্পলৈ গ'লোঁ। লক্ষীধৰে 'ছাৰভেণ্ট' কাকত দেখুৱালে। তাত ৩১ মাৰ্চত বেজৱাডাত বহা কংগ্ৰেছ ৱৰ্কিং কমিটিৰ প্ৰস্তাৱৰ বিৱৰণ ওলাইছে। তিলক স্বৰাজ, ভঁৰালৈ এক কোটি টকা সংগ্ৰহ, এক কোটি কংগ্ৰেছৰ সদস্য সংগ্ৰহ আৰু গাঁও আৰু নগৰবিলাকত ২০ লাখ যঁতৰ প্ৰতিষ্ঠা কৰা। ১৩ এপ্ৰিল তাৰিখে হৰতাল আৰু জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ সোঁৱৰণি হিচাপে জাতীয় দিন পালন কৰিবলৈ পৰামৰ্শ আগ বঢ়োৱা হৈছে।

১৩ এপ্রিল তাৰিখলৈ হৰতাল আৰু জাতীয় দিন হিচাপে পালনৰ বাবে দিহা কৰিবলগীয়া হ'ল। আৰু সেই দিনাৰপৰাই আমাৰ কংগ্ৰেছৰ সদস্য ভৰ্তি কৰা কাম আৰম্ভ কৰাটো স্থিৰ হ'ল। কংগ্ৰেছৰ সদস্য ভৰ্তি কৰাৰ ফৰম কাকতত প্ৰকাশ হৈছে। সকলো ন্যায়সঙ্গত আৰু শান্তিপূৰ্ণ উপায়েৰে স্বৰাজ লাভ কৰাটোৱেই কংগ্ৰেছৰ লক্ষ্য। এই কথাষাৰত মই বিশ্বাস কৰোঁ। লক্ষীধৰে এখন কাকতত ততালিকে এইখিনি কথা লেখি পেলালে।

তেজপুৰত থকা ছপাখানাৰ আখৰ স্পষ্টকৈ নুঠে। সেইবাবে বহী ছপাবলৈ গুৱাহাটীলৈ লেখা হ'ল আৰু সদ্যহতে লিথো কৰি কিছুমান কাকত উলিওৱা হ'ল। চন্দ্ৰ শৰ্মাৰ লিথো-যন্ত্ৰ আছেই। গুণাভিয়ে ইয়াৰ কাম জানেই।

দেশত নতুন জাগৰণ দেখি চৰকাৰী কৰ্মচাৰী কিছুমানৰ মনতো ইয়াৰ প্ৰভাৱ পৰিছে। এপ্ৰিল মাহ পৰাৰ লগে লগে তেজপুৰৰ কেইবাজনো লোকে কাম এৰি আহি আমাৰ লগ ল'লে। কালীপ্ৰসাদ (প্ৰয়াত কালীপ্ৰসাদ বৰা) আমাৰ লগৰেই। তেওঁ পি. ডব্লিউ. ডিৰ একাউণ্টছ বিভাগত কাম কৰি আছিল। কিছুদিনৰ পৰাই তেওঁ আমাৰ ওচৰলৈ আহি পৰামৰ্শ কৰি আছিল। আমি সংসাৰৰ একো দায়িত্ব ল'বলগীয়া হোৱা নাই কিন্তু কালীপ্ৰসাদৰতো সেইদৰে নহয়। তেওঁৰ দায়িত্ব বাঁৰী মাক, বাঁৰী বায়েকৰ। বায়েকৰ যোৰহাটৰ কেন্দুগুৰিত বিয়া হৈছিল। বাঁৰী হোৱাত এজনী সৰু ছোৱালী আৰু ল'ৰা এটি লৈ ভায়েকৰ আশ্ৰয়লৈ আহিছে। ঘৰ কলিয়াবৰত। তেজপুৰ স্কুলতেই আমাৰ লগত পঢ়িছিল। ভায়েক ৰাধিকা আৰু লক্ষীপ্ৰসাদ— তেওঁলোকে স্কুল এৰি কলিয়াবৰলৈ গৈছে সেই অঞ্চলত কাম কৰিবলৈ। জীৱনৰ ভৱিষ্যতলৈ নাভাবি এনে এটা অনিশ্চয়তাত জঁাপ দি পৰা বাবে তেওঁলৈ শ্ৰদ্ধাত মোৰ অন্তৰ উপচি উঠিল।

"দাদা, ময়ো কাম এৰিলোঁ"—জগন্নাথে ক'লেহি। "কিহে, কি কৰিবা?" "দাদা, মোকো স্বৰাজৰ কামত লগাওক।" এয়ে জগন্নাথৰ উত্তৰ। জগন্নাথ কলিয়াবৰৰ—ইয়াতেই পঢ়ি এতিয়া টি. বি. ৰেলত কাম কৰি আছে। তেওঁ আমাৰ কেম্পলৈ আহিল। কেম্প চলাই থকা হৈছে মুষ্টি-ভিক্ষাৰে। চন্দ্ৰ শৰ্মাৰ ঘৰটোৱেই আমাৰ কেম্প।

পি. ডব্লিউ. ডিত কেৰাণী কাম কৰি থকা লোকনাথ গোস্বামীও আহি ওলাল। কেইদিনমান পিছত তেওঁ মঙ্গলদৈত কাম কৰাৰ সুবিধা বুলি মঙ্গলদৈলৈ লৈ গ'ল।

আজি আবেলি টাউন হলত মিটিং। আমি কংগ্ৰেছৰ সদস্য হোৱাত প্ৰতিজ্ঞা-পত্ৰ, জালিয়ানৱালাবাগৰ সোঁৱৰণী দিন ইত্যাদি বিষয়ক মিটিং। থুলেশ্বৰে বাটে

বাটে শঙ্খ বজোৱাত কেইজনমান ল'ৰাই চিঞৰি মিটিঙৰ জাননী দিলে। তেজপুৰৰ উকিলসকলৰ ভিতৰত মহেন্দ্ৰ নাথ দাঁ আৰু নগেন গাঙ্গুলী, চন্দ্ৰ শৰ্মাকে আদি কৰি কিছুমানে সমৰ্থন জনাই মিটিং আদিতো যোগ দিয়ে। কেইজনমান মহৰীও সভালৈ আহে। ঘড়ীৰ দোকান দি থকা মহাবীৰ তেৱাৰীও আহে। নানপত বুলি এজন হিন্দুস্থানী লোকো মিটিঙত উপস্থিত হয়হি আৰু হিন্দীৰে বক্তৃতা দিয়ে। টাউনৰ বয়সীয়াল লোক কিছুমানো আহে। ককাদেউতা লক্ষ্মীকান্ত বৰকাকতী, মহেশ্বৰ গোস্বামী মিটিঙত উপস্থিত হ'লহি।

১১ এপ্ৰিল। টাউন হলত মিটিং হ'ল। আমি কিছুমানে কংগ্ৰেছৰ প্ৰতিজ্ঞা-পত্ৰত চহী দিলোঁ। ১৩ তাৰিখটো জালিয়ানৱালাবাগৰ সোঁৱৰণি হিচাপে হৰতাল পালন কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

আজি ১৩ তাৰিখ। আমি সকলোৱে লঘোন দিছোঁ। বজাৰত পূৰ্ণ হৰতাল। কোনো দোকানীয়ে দুৱাৰ খোলা নাই। কিন্তু আসামভেলিকে আদি কৰি কিছুমান দোকানীয়ে কিনা-বেচা নকৰিলেও দুৱাৰ অলপ মেলি থৈছে। এই কথাষাৰে মানুহৰ মনত অলপ দুখ দিছে। হেম বাবুৰ আসন্ন ফাৰ্মাচী বন্ধ। ওচৰৰ স্বদেশী ষ্টোৰ্চ আদি বন্ধ। মাৰোৱাৰী দোকানীবিলাকে ক'লে, "আমাৰ থকা আৰু দোকানঘৰ সকলো একে, আমি দুৱাৰখন জপাই কেনেকৈ থাকোঁ?" এই কথা লৈ কিছুমানে তৰ্ক কৰিবলৈ বিচাৰিছিল, কিন্তু সকলোকে সোঁৱৰাই দিয়া হ'ল যে শান্তিপূৰ্ণভাৱে হৰতাল হ'বলৈ মহাত্মাজীয়ে সকলোকে অনুৰোধ জনাইছে।

গধূলি টাউন হলত মিটিং হ'ল। ১১ তাৰিখেই কংগ্ৰেছ কমিটি গঠিত হ'ল। চন্দ্ৰনাথ শৰ্মাক সভাপতি পতা হ'ল। মোৰ আৰু লক্ষ্মীধৰৰ ওপৰত সম্পাদক আৰু সহকাৰী সম্পাদকৰ দায়িত্ব পৰিল। এখন কাৰ্যনিৰ্বাহক কমিটিও গঠিত হ'ল। গাঁৱলীয়া অঞ্চলৰ মুখিয়াল লোক কিছুমানক এই কমিটিত আমি সুমুৱাই ললোঁ। সভ্য-ভৰ্তিৰ ফৰম আদি এতিয়ালৈকে ছপা হোৱা নাই। আমি লিখো কৰি কিছুমান কাকত উলিয়াই তাতে চহী কৰাই লৈছোঁ। এতিয়া বহী ছপা কৰি লোৱাৰ ব্যৱস্থা লোৱা হ'ল।

হেম বৰুৱাই কাৰ্ড এখনতে বহুতো কথা লেখিছে।

ফুকনে বাইচাইকেলত ফুৰা কথাষাৰত মোৰ মন তেওঁলৈ শ্ৰদ্ধাত উপচি পৰিল। এই কেইবছৰ ফুকনৰ দৰে এজন বাগ্মীলোকক ৰাজনৈতিক কাৰ্যক্ষেত্ৰত নমাবলৈ চন্দ্ৰ শৰ্মাই কিমান যে যত্ন কৰি আছে। ফুকনে আসাম কাউন্সিলত মাত নমতাত

চন্দ্ৰ শৰ্মাৰ খং আৰু বেজাৰ—ফুকনৰ এলাহৰ বাবে আসাম বিলাসিনী কাকতত টান কথাৰে সমালোচনা কৰিছিল।

কলিকতাত নতুনকৈ ওলোৱা কাকত 'ছাৰভেন্ট' (সম্পাদক শ্যামসুন্দৰ চক্ৰবৰ্ত্তী) খনৰ আমি কংগ্ৰেছ কমিটিৰ নামত এজেন্সী লোৱা স্থিৰ কৰিলোঁ। কাকত ফেৰী কৰাত থুলেশ্বৰ বৰ পাকৈত হৈ পৰিছে। মুখখন চোকা হ'লেও সকলোৱে থুলেশ্বৰক মৰম কৰে। এই কেইদিনৰ ভিতৰত কাকতৰ গ্ৰাহক-সংখ্যা বাঢ়িবলৈ ধৰিছে।

'ইয়ং ইণ্ডিয়া'ৰ আমি গ্ৰাহক হোৱা কিছুদিন হৈছে। এতিয়া কেইজনমান উকিলে অনুৰোধ কৰিলে 'ইয়ং ইণ্ডিয়া'খনো অনাবলৈ। এইদৰে 'ইয়ং ইণ্ডিয়া'ৰো এজেন্সী লোৱা হ'ল। চাহ-বাগিচাবিলাকৰ পৰা মানুহৰ জৰিয়তে নানান অনুৰোধ পাবলৈ ধৰিলোঁ। তেওঁলোকে প্ৰকাশ্যে আন্দোলনত অংশ ল'ব নোৱাৰিলেও কাকত পঢ়ি সকলো খবৰ ৰাখিবলৈ বিচাৰিছে। বাগিচাবিলাকৰপৰা দিনে ডাকোৱাল আহি থাকে। তেওঁলোকৰ লগত যোগাযোগ ৰাখি কাকত পঠিওৱা কাম থুলেশ্বৰেই কৰিছে।

সকলো ঠাইৰপৰা ১৩ তাৰিখ কেনেকৈ পালন কৰা হ'ল তাৰ ৰিপোৰ্ট পোৱা হ'ল। সকলো ঠাইতে এই দিনটো ভালকৈ পালন কৰা হৈছে বুলি ৰিপোৰ্ট পোৱা হৈছে।

যোৰহাটত অসম এছোচিয়েশ্যনৰ বিশেষ অধিবেশন পতা হ'ব বুলি বাতৰি আহিছে। আমি তালৈ যাব লাগে বুলি চন্দ্ৰ শৰ্মাই জনাইছে।

১৭ তাৰিখ। আমি জাহাজত ৰাওনা হ'লোঁ। গুৱাহাটীৰ পৰা গোপী বৰদলৈ আৰু বিষ্ণু মেধিও জাহাজেদি যাবলৈ আহিছে। তেওঁলোকৰ লগত কথা হ'লোঁ। বিহালী ঘাটত ছবিলাল বাবু, পোৱাল বৰা, লিগুক (এজন মিকিৰ), মোহন শৰ্মা আহি জাহাজত উঠিল।

১৮ তাৰিখ। ১০ বজাত যোৰহাট পালোঁহি। নবীন বৰদলৈ, চন্দ্ৰ শৰ্মাকে আদি কৰি গুৱাহাটীৰপৰা কিছুমান লোক আহি পাইছে। যোগেন বৰুৱাও আহিছে। এওঁলোকৰ প্ৰায়েই মানুহৰ ঘৰে ঘৰে আছে। আমি কেম্পত থাকিলোঁ। দেৱেশ্বৰ শৰ্মাও আমাৰ লগতে আছেহি।

এই বিশেষ অধিৱেশনৰ সভাপতি ছবিলাল উপাধ্যায়কেই পতা হ'ল। সহযোগৰ প্ৰস্তাৱকেই লোৱা হল। আৰু এটা কথা হ'ল—কাজিৰঙা তদন্ত কমিটি গঠন।

১৯১৯ চনত কাজিৰঙাৰ চাপৰিবিলাকত থকা গ্রেজিয়াৰসকলৰ ঘৰত জুই লগাই আৰু হাতীৰে ভাঙি তেওঁলোকক খেদাই দিয়া হৈছিল। ঘটনাতো হৈছিল বহাগ-জেঠ মাহত।

ছিলেটৰপৰা খিলাফতৰ তিনিজন লোক আহি অসম এছোচিয়েশ্যন সভাত যোগ দিলেহি। বিষ্ণুৰাম হলত সভা বহিল। কিন্তু মানুহ সৰহ হোৱাত বাহিৰৰ মুকলি ঠাইতে সভা হ'ল।

ছবিলাল বাবুৱে সভাপতিৰ আসনৰপৰা ক'লে, "মই গুৱাল-গৰু চৰাই আছিলোঁ। এই কেইবছৰমানৰপৰা আমাৰ যিবোৰ বিপৈ-বিপত্তি হৈ আছে তাৰে প্রতিকাৰ বিচাৰি ঘনশ্যাম বৰুৱাৰ ওচৰ চাপিলোঁ আৰু পিছত অসম এছোচিয়েশ্যন পালোঁগৈ আৰু এতিয়া আহিছোঁ ইয়ালৈ। মই ৰাজনীতিৰ মানুহ নহওঁ যে, আপোনালোকক কিবা ৰাজনীতিৰ কথা ক'ব পাৰিম। এতিয়া গান্ধী ওলাইছে। সকলোৱে তেওঁক মহাত্মা বুলিছে। ময়ো সুকলোৰে লগত মহাত্মাৰ নাম লৈ ম'হখুটিৰপৰা ওলাই আপোনালোকৰ লগ লৈছোঁহি। সভাপতি হোৱা, বক্তৃতা দিয়া মই একো নাজানো।" অন্তৰৰপৰা ওলোৱা প্রাণৰ কেইআষাৰ কথাই সকলোকে স্পর্শ কৰা যেন লাগিল।

ছিলেটৰপৰা অহা মৌলানা তিনিজনে বৰ তেজী বক্তৃতা দিলে খিলাফতৰ কথা লৈ। তেওঁলোকৰ এজনে ৰজাৰ মূৰটোৰে ষ্টেম্পৰ কথা লৈ বেছ্ ধেমালিও কৰিলে।

২১ তাৰিখ। নগাঁৱৰপৰা খবৰ আহিল জাগীৰোডত তিনিজন ল'ৰাক কানি দোকানত পিকেটিং কৰি থাকোঁতে গ্রেপ্তাৰ কৰা হৈছে।

এই কথাষাৰে এটা উত্তেজনাৰ সৃষ্টি কৰিলে আৰু হৰতাল কৰিবলৈ যত্ন কৰা হ'ল।

দোকানবিলাকত হৰতালৰ কথা কৈ ফুৰোঁতে আজি এজনৰ লগত লক্ষীধৰৰ তর্ক হৈছিল।

লক্ষীধৰ, চন্দ্র শর্মা, নবীন বৰদলৈ আদি ট্রেইনত নগাঁওলৈ ৰাওনা হ'ল। এই মোকৰ্দমাত আইনৰ সহায়েৰে আত্মৰক্ষা কৰিবলৈ ব্যৱস্থা কৰা হ'বনে নহয় এই লৈ আলোচনা হৈছিল আৰু শেহত মালে গাঁৱৰ ঘটনা সংক্রান্ত মোকৰ্দমাবিলাকত মহাত্মাই আত্মৰক্ষা কৰিবলৈ দিয়া বুলি মোকৰ্দমাত উকিল ধৰা, জামিনত লোৱা আদি স্থিৰ হ'ল।

আমি তেজপুৰলৈ ৰাওনা হলোঁ। বিহালী ঘাটতেই নামিলোঁ। পোৱাল বৰা, মোহন শর্মা, লিগুক—তেওঁলোক দিহাদিহি নিজৰ নিজৰ ঘৰলৈ গ'ল। মই ছবিলাল বাবুৰ লগত গাংমৌথানলৈ আহিলোঁ। ঘাটৰ কাষত বগীৰামৰ ঘৰত সোমালোঁ।

ব্ৰহ্মপুত্ৰৰ খহনীয়াত তেওঁলোক বৰ অসুবিধাত আছে। ব্ৰহ্মপুত্ৰই এই ওখ থিয় গৰা কেনেকৈ ভাঙি আছে চালোঁ। ইয়াক প্ৰতিকাৰ কৰিবৰ একো উপায় নাই।

২৫ এপ্ৰিল। এই কেইদিন বিহালীতেই থাকিবলগীয়া হ'ল। মোৰ আৰু ছবিলাল বাবুৰ ওপৰত চন্দ্ৰ শৰ্মাই এটা দায়িত্ব দিছিল—কাজিৰঙা কমিটিৰ প্ৰাথমিক ব্যৱস্থা কৰা। সাক্ষ্য লোৱা হ'ব বুলি প্ৰচাৰ কৰা আৰু কোনে সাক্ষ্য ল'ব তেওঁলোকৰ নাম সংগ্ৰহ কৰা।

গাং মৌথানৰপৰা মই বৰালীমৰালৈ গৈ মোলানৰ ঘৰত থকা কৰিলোঁ। মোহন শৰ্মাও ওচৰতে থাকে।

আমি লিগুকৰ ঘৰলৈ গৈছিলোঁ। বেদেতী বাগানৰ উত্তৰে হাবিৰ মাজত তেওঁলোকৰ গাঁও। মানুহজন উৎসাহী। আমি কংগ্ৰেছৰ মেম্বাৰ ভৰ্তি কৰা, তিলক স্বৰাজ ভঁৰাললৈ টকা তোলাৰো কাম কৰি আছোঁ।

উভতি অহাৰ বাটত চাহ-বাগিচাৰপৰা ওলাই বাহিৰত বহা এজন লোকৰ ঘৰত সোমালোঁ। মানুহজনৰ নাম কালীচৰণ। এই অঞ্চলত চাহ বাগিচাৰপৰা ওলাই গাঁৱত বহা বনুৱাসকলৰ মাজত এজন প্ৰধান লোক। তেওঁৰ বাৰীখন চালোঁ। তেওঁ এবাতি গাখীৰ আৰু কল খাবলৈ দিলে। তাৰে লগতে এশ টকা স্বৰাজ্য ভঁৰাললৈ দিলে।

জাতীয় পতাকাৰ কি কৰা যায় এই সম্পৰ্কে আমি কথা হৈ আছিলোঁ। আমি ৰঙা নিচান এখন সভা কিছুমানত দিয়াতো স্থিৰ কৰিছিলোঁ। সেইখন তিনিকোণীয়া নিচান আছিল। জামুৱনী, নিজ বিহালী, মিৰিগাঁও—এইদৰে সকলো ঠাইতে মিটিং পতা হ'ল। সকলো মিটিঙতেই এই নিচান লোৱা হৈছে।

২৮ তাৰিখ। মই জাহাজেদি তেজপুৰ পালোঁহি।

৩ মে'। এইকেইদিন জ্বৰত পৰিবলগীয়া হ'ল।

এপ্ৰিল মাহৰ ভিতৰতে কেইবাজনো কৰ্মী আহি আমাৰ লগ ল'লেহি। গুৱাহাটীৰ পৰা কদ্ৰ শৰ্মা আহি ওলাল। এওঁ হাজোৰ। কটন কলেজৰ তৃতীয় বাৰ্ষিকত পঢ়িছিল। কথা পাতি ভাল পালোঁ। ভাইটিৰ লগত কথা হ'লোঁ। গাভৰুৰ সিপাৰৰপৰা পাঁচনৈলৈকে এইটো বিৰাট অঞ্চল অতি পিছপৰা। ভাইটিৰ লগত কথা হৈ এওঁক ঢেকীয়াজুলিত থোৱাৰ দিহা কৰা হ'ল। নিত্যানন্দক লগত দি কদ্ৰ শৰ্মাক ঢেকীয়াজুলিলৈ পঠিয়ালোঁ। ইয়াত ঘৰ সাজি নল'লে থকাৰ সুবিধা নাই। সেইবাবে ভায়ালালৰ লগত কথা হৈ হাটৰ ওচৰত এডোখৰ মাটিৰ দিহা কৰাই ঘৰ সজোৱাৰ দিহা কৰিবলগীয়া হ'ল।

মে' মাহৰ লগে লগে কাম বাঢ়ি যাবলৈ ধৰিছে। কংগ্ৰেছৰ সভ্য ভৰ্তিৰ টকা, তিলক স্বৰাজ্য ভঁৰালৈ টকা আহি আছে। কামত জটিলতা হ'ব ধৰিছে। সেইবাবে অফিচ পৰিচালনাৰ গুৰুত্ব আহিছে। বাতৰি কাকত বিক্ৰীৰ টকাও আহে। মাহে মাহে ঠিকমতে 'ছাৰভেণ্ট' আৰু 'ইয়ং ইণ্ডিয়া'লৈ টকা পঠিয়াব লাগে। সকলো কথা শৃঙ্খলাৰে সৈতে পৰিচালনা কৰাটোৱেই ডাঙৰ কথা। সেইবাবে শ্ৰীযুত আগৰৱালাৰ লগত কথা হ'লোঁ। দোকানবিলাকৰ হিচাপৰ বহী চোৱা হ'ল। অফিচত কাক একাণপতীয়াকৈ থোৱা হয় এয়ে ডাঙৰ সমস্যা।

কাশীৰাম বেমাৰী মানুহ। অলপতে পিত্তশূল বেমাৰত ভুগি উঠিছে। ডাক্তৰৰ লগত কাশীৰামৰ বাবে পৰামৰ্শ কৰিবলগীয়া হৈছে। ডিব্ৰুগড়লৈকো শেহত পঠিয়াবলগীয়া হ'ল। তেওঁ এতিয়া কিছু সুস্থ হৈ আহিছে। হাতৰ আখৰ ভাল। ধীৰ-স্থিৰ—তেওঁকেই অফিচৰ দায়িত্বত ৰখা স্থিৰ হ'ল। প্ৰথম কিছুদিন আমি চাই-চিতি দিহা কৰিবলগীয়া হ'ল। হেম বৰুৱা আহি পোৱাত সাহ হৈছে। চন্দ্ৰ শৰ্মা ঘূৰি-পকি আহি তেজপুৰ পালেহি। হলেশ্বৰৰ ছলা গাঁৱত কেবাজনো ধনী আৰু সম্ভ্ৰান্ত লোক আছে। তেওঁ তালৈকে যোৱাটোৱেই স্থিৰ কৰিলে। ৰাতিপুৱাতে আমি তালৈকে খোজ দিলোঁ। তেওঁলোকৰ কেইবাজনো আমাৰ লগত পঢ়া আছিল। চন্দ্ৰ শৰ্মা লগত যোৱাত জানিবা প্ৰায়েই তিলক স্বৰাজ ভঁৰালৈ এশ টকাকৈ দিলে। ফটিকক লগত দি হেম বৰুৱাক হলেশ্বৰৰ ঠাকুৰ ঘৰত থৈ আহিলোঁ। গাঁৱে গাঁৱে ফুৰিবলৈ ইয়াৰপৰা সুবিধা। ঠাকুৰ ফটিকৰ সম্পৰ্কীয় কিন্তু কানি খোৱা অভ্যাস থকাত জুকলা হৈ যাব ধৰিছে। ঠাকুৰক কানি এৰুৱাবলৈ ফটিকৰ সুবিধা হ'ব।

২০ মে'। বালিপাৰাত ৰমাক দিহা লগাই দি ঘূৰি আহি পালোঁ। বালিপাৰাত কমাৰী গাঁৱত অকা এজনক লগ পাইছিলোঁ। তেওঁ এইদৰে ক'লে, "হেৰৌ, গান্ধী ৰজা হ'লে বালিপাৰাখন আমাক দিব লাগিব দেই"। এই কথাৰনো কি উত্তৰ দিওঁ? লক্ষ্মীয়ে মানুহজনক ভৱিষ্যতলৈনো কি হ'ব, কেনেকৈ দেশৰ শাসন হ'ব বহুতো কথা বুজোৱাত লাগিল। মানুহজনে কি বুজিলে ক'ব নোৱাৰোঁ।

তেজপুৰ পাই বুজিলোঁ—ইয়াত কথা অলপ গহীন হৈছে। ৰাতি পুষ্প উজীৰ, থানাৰ ও. চি. মনে মনে আহি লগ ধৰিলে। বুটৰ ৰাটত ডি. চি. নেনী চাহাবক মিৰি এজনে হেনো ক'লে, "হেৰৌ চাহাব, তইঁত এতিয়াও আছ নেকি? আমি ভাবিছোঁ তইঁত গ'লিগৈ। ইয়াত স্বৰাজৰ ঝাণ্ডি মাৰি গৈছে

সিদিনা।” চাহাব গৰ্জি উঠিছে—এতিয়া আমাক কেনেকৈ ধৰিব পাৰি এইবাবে পৰামৰ্শ লৈ আছে। পুষ্প উজীৰৰ লগত আজি বহুত দিনৰপৰা বন্ধুত্ব হৈ আছে। আমাক ধৰিবলগীয়া হ'ব বুলি ভাবি তেওঁ চিন্তিত হৈ পৰিছে। কি কৰে।

ইফালে ঘৰতো অলপ অশান্তি। মোমাইদেৱে ডি. চি.ৰ অফিচত কাম কৰে। তেওঁক ডি.চিয়ে হেনো মাতি সুধিছে—মোৰদৰে ৰাজদ্ৰোহী লোক এজনক কিয় থাকিবলৈ দিছে, ইত্যাদি। কি কৰা যায়—এয়ে সমস্যা হৈছে।

বহুতো ভাবি-চিন্তি এখন দীঘলীয়া চিঠি লেখি ওলাই আহিলোঁ। এতিয়ালৈকে আমি কেও মিছামাৰীৰ চুকলৈ আহিব পৰা নাছিলোঁ। সেইবাবে মিছামাৰী পালোঁহি। অফিচৰ বাবে একো চিন্তা কৰিবলগীয়া নাই। সকলো কামত চিজিল লাগিছে। তিলক স্বৰাজ্য ভঁৰালৰ বেলেগ হিচাপ, কাকতবিলাকৰ বেলেগ হিচাপ। চৌথমল আৰু গোৱৰ্দ্ধন বাবুৱে কোৱামতে হিন্দী 'নৱ-জীৱনো' অনা হৈছে। হিন্দী জনাসকলে এইখন লয়। ইয়াৰো গ্ৰাহকৰ সংখ্যা বাঢ়ি যাব ধৰিছে। মিছামাৰীত গাঁৱে গাঁৱে ফুৰিছোঁ—বৰ দুৰ্গম, বাট-পথ নাই। মৌজাদাৰ আমাৰ সহপাঠী। সেইবাবে তেওঁ থাকিবলৈ দিছে। মিটিংবিলাকৰ ৰিপোৰ্ট নিজেই তেওঁক লেখি দি আছোঁ যাতে তেওঁ ওপৰলৈ পঠিয়াব পাৰে।

আজি ৰাতি হোৱাত গৰুবন্ধাতেই থাকিবলগীয়া হ'ল। গাঁওবুঢ়াৰ ঘৰত থাকিবলগীয়া হ'ল। এতিয়া গাঁওবুঢ়াৰ ঘৰত মোক ৰান্ধি খুৱাব লগা হৈছে। “প্ৰভু, আপোনাক ৰান্ধি খুৱাই কেনেকৈ নৰকত পৰোঁ। ঘৰত ৰান্ধনীজনী মাত্তি নহয়।” অৱশেষত নিজেই ৰান্ধি খাবলগীয়া হ'লো।

জুন। বহুত দিন তেজপুৰলৈ অহা নাই। বাতৰি কাকত দেখাই নাই বুলিলেই হয়। বাগিচাবিলাকৰ পুৰণি কাগজ বিচৰাই আনিব লাগে। চাঁদপুৰৰ ঘটনাৰ কথা শুনিবলৈ পোৱা হ'ল। সেইবাবে লৰালৰিকৈ গুচি আহিলোঁ।

আজি এটা ডাঙৰ ঘটনা হৈছিল। বাটত আঁঠুৱনীয়া পানী হৈছে। বাইচাইকেলৰপৰা নামি খোজ কাঢ়ি যাবলগীয়া হ'ল। মাজতে সৰু এটা জানত দলং আছিল। মই ভাবিছিলোঁ দলংখন ঠিক আছে। কিন্তু হুকচ্‌কৰে বাইচাইকেলেৰে সৈতে পানীত পৰিলোঁ। যি কি নহওক, বাইচাইকেলেৰে সৈতে সেইকণ সাঁতুৰি পাৰ হৈ আহিলোঁ। বাটত কমলা শৰ্মাৰ ঘৰত কাপোৰ সলাবলগীয়া হ'ল।

তেজপুৰৰ কংগ্ৰেছ অফিচ পালোঁহি। কেইদিনমান হ'ল মহেন্দ্ৰ ফুকন গুৱাহাটীৰ পৰা আহি পাইছে ইয়াত কাম কৰিবলৈ। মনে মনে গৈ ঘৰত দেখা দি আহিলোঁ।

মোৰ বাবে বৰ চিন্তা কৰি আছিল। চাৰগোলা চাহ-বাগিচাৰপৰা বহুতো বনুৱা ওলাই অহাত চাঁদপুৰৰ ষ্টীমাৰ ঘাটত পুলিচৰ লগত সংঘৰ্ষ হৈছিল। ইয়াৰ ফলত আসাম-বেঙ্গল বেলৱেত ধৰ্মঘট হৈছে। জে-এম্ সেনগুপ্ত আৰু দেশবন্ধু দাসে এই ধৰ্মঘট চলাইছে—ধনৰ বাবে গোহাৰি জনাইছে। টাউন হলত মিটিংপতাৰ ব্যৱস্থা কৰি মহেন্দ্ৰ ফুকনক লৈ বজাৰলৈ গৈ এখন কাপোৰ পাতি ভিক্ষা বিচাৰিলোঁ। বাটকৰা মানুহে এক পইচা দুপইচাকৈ দলিয়াই যাবলৈ ধৰিলে। পিছত হিচাপত ৪০১ দান ওলাল। মহেন্দ্ৰ ফুকনে হিন্দীত বেছ্ আবেগেৰে সৈতে এটা বক্তৃতা দিলে। জাহাজঘাটৰ বনুৱা-মাল্লা বহুতো লোক উপস্থিত আছিল। সভাপতি পতা হৈছিল বয়োবৃদ্ধ উকিল শ্ৰীমহেন্দ্ৰ নাথ দাসক।

বৰপেটাৰপৰা শ্ৰীবিশ্বনাথ দাস আহি পোৱাত লক্ষীধৰে তেওঁক নি বাঁহবাৰীত থ'বলৈ গ'ল। বাঁহবাৰী মৌজাৰ বাগিচাৰ বাহিৰা অংশত আমি কাম কৰিছোঁ। মিছামাৰীত মেম্বৰ সংগ্ৰহ আৰু তিলক স্বৰাজ্য ভঁৰালৰ টকা তোলাৰ দায়িত্বময়েই লৈছোঁ। বাগিচাত দিনত মানুহ পোৱা নাযায়, ৰাতিহে তেওঁলোকক পোৱা যায়। বাঁহবাৰী মৌজাৰ গাঁৱলীয়া অংশটো শ্ৰীবিশ্বনাথ দাসক বাছি দিয়া হৈছে। কেইখনমান গাঁৱত থকাৰ কেন্দ্ৰ কৰি কাম কৰাৰ সুবিধা কৰি দিয়া হৈছে।

তেজপুৰলৈ নতুন গৱৰ্ণৰ আহিব বুলি শুনা গৈছে। এইবাবে মিউনিচিপেলিটিৰ ফালৰপৰা অভিনন্দন দিয়াৰ কথা উঠিছে। অভিনন্দন দিয়া কথাষাৰত নগৰৰ কিছুমানৰ মাজত এটা উত্তেজনাৰ ভাব আহিছে। ৰাতিপুৱা ন বজাত টাউন হলত মিটিং বহিছিল। মানুহ ভৰি পৰিছিল। গুৱাহাটী মিউনিচিপেলিটিয়ে যোৱা বছৰৰেপৰা গৱৰ্ণৰক অভিনন্দন দিয়া কথাষাৰ এৰি দিছে। যোৱা বছৰ চাৰি অক্টোবৰ তাৰিখে সৰহ সংখ্যক সদস্যই আপত্তি কৰাত লাট চাহাব চেম্‌ছফোৰ্ডকো অভিনন্দন দিয়া কথাষাৰ নহ'ল। এইবেলিও সিদিনা চাৰি মে' তাৰিখে বহা মিউনিচিপেলিটিৰ মিটিঙত চেয়াৰমেন হিচাপে শ্ৰীযুত ফুকনে কাষ্টিং ভোটৰ প্ৰস্তাৱটো নাকচ কৰিলে। তেজপুৰ মিউনিচিপেলিটিয়েও এই ক্ষেত্ৰত সাহ দেখুৱাব লাগে বুলি কোৱা হ'ল। লালপত সিং, মহেন্দ্ৰ ফুকনে হিন্দীত বক্তৃতা দিছিল। লক্ষীধৰে অসমীয়াত ক'লে—হৰিজনৰ ধৰ্মঘট কৰা কথাষাৰো ওলাইছিল।

মিটিঙৰ পিছত চন্দ্ৰবাবু (চন্দ্ৰকান্ত দাস উকিল) মোৰ ওচৰলৈ আহিল। তেওঁ হৰিজনৰ ধৰ্মঘট যাতে নহয় তাকে ক'বলৈ আহিছিল। আমি আলোচনা কৰি চালো। হৰিজনৰ ধৰ্মঘটে তেজপুৰৰ স্বাস্থ্যৰ বিঘিনি জন্মাব বুলি ভাবি এই সম্পৰ্কে

আগ নবঢ়াই স্থিৰ কৰা হ'ল। দেখা গ'ল মিউনিচিপেলিটিৰ কমিশ্যনাৰসকলে ৰাইজৰ কথালৈ আওকাণ কৰি গৱৰ্ণৰক অভিনন্দন দিবই। আগতে চীফ্ কমিশ্যনাৰ আছিল এতিয়া মণ্টেগুৰ শাসন-সংস্কাৰৰ ফলত আসাম প্ৰদেশত কাউন্সিল হৈছে, চীফ্ কমিশ্যনাৰৰ ঠাইত গৱৰ্ণৰ হৈছে ; প্ৰদেশ হিচাপে আসামৰ মৰ্যাদা বাঢ়িছে— এনেবিলাক যুক্তি দেখুৱাই এওঁলোকে অভিনন্দন দিবই। আমি ক'লা পতাকা সমদল উলিওৱাৰ কথাও ভাবি শেষত বন্ধ কৰিলোঁ।

মই মিছামাৰীলৈ উলটি আহিলো।

জুন। মিছামাৰীৰপৰা পুৱা শিয়ালমাৰী গাঁৱলৈ অহাত দেখোঁ তাত হুৱা-দুৱা লাগিছে। এটা সৰু ল'ৰা কুঁহিয়াৰনিলৈ পুৱা যাওঁতে নাহৰফুটুকী বাঘ এটাই কামুৰিলে। বাপেকে পথাৰত হাল বাই আছিল। পুতেকক বাঘে কামোৰা বুলি শুনি "বাঘ ক'লৈ গ'ল চাও" বুলি দা এখন লৈ কুঁহিয়াৰবাৰীত বাঘ বিচাৰি সোমাইছিল আৰু বাঘে তাকো কামোৰাত সি বাঘৰ টেটুত চেপা মাৰি ধৰে। আনখন হাতেৰে দাৰে কোব মাৰিবলৈ ধৰাত বাঘ মৰিল কিন্তু বাঘে তাৰ বাওহাতত ভালকৈ কামোৰ বহুৱাইছে। কেনেকৈ সহায় কৰিব পাৰি ?

যি কি নহওক, লৰালৰিকৈ বৰজুলি বাগিচালৈ অনাৰ দিহা কৰা হ'ল। মানুহ দুমুহেৰে সৈতে বাগানৰ মাজেদি যাওঁতে মেনেজাৰ ৰিং চাহাবক পালোঁ। তেওঁ মোক নন্-কো-অপাৰেটৰ বুলি চিনি নাপালে। তেওঁক কথাবিলাক ক'লে—"হয়, মোৰ ডাক্তৰে নিশ্চয় সহায় কৰিব।" বাপেক-পুতেকক নি আস্পতালত উলিয়ালত ডাক্তৰ মিত্ৰই চিকিৎসাৰ ব্যৱস্থা কৰিলে। septic নহবলৈ ততালিকে বেজী দিলে। এই মুণ্ডা মানুহজনৰ সাহ দেখি মুগ্ধ হ'লোঁ।

৩০ জুন তাৰিখ। আমাৰ নিৰ্দেশ আছিল ৩০ জুন তাৰিখলৈকে তিলক স্বৰাজ্য ভঁৰাললৈ যিমান সংগ্ৰহ হয় আৰু কংগ্ৰেছৰ যিমান মেম্বাৰো ভৰ্তি কৰা হয়, সকলো লৈ কৰ্মীসকল তেজপুৰলৈ উভতিব। মই গধূলি নৌহওঁতেই পালোঁহি। গধূলি-ডোখৰ শ্ৰীযুক্ত মহেন্দ্ৰ দাঁ আৰু গাঙ্গুলীকে আদি কৰি দুজনমান উকিলক লৈ মাৰোৱাৰী পট্টিত ঘূৰিলোঁ। তেওঁলোকে আজিৰ তাৰিখে দান দিয়াৰ কথা আছিল। সেইবাবে তেওঁলোকে নিজৰ ভিতৰত কথা-বতৰা হৈ আছিলেই। আমি যাওঁতে এগেজাৰ টকা দিয়াতো জনালে। বৰ গোল্লাৰ গোবৰ্দ্ধন বাবুৰ হাতত এই টকা তোলাৰ দায়িত্ব আছিল।

এই কেইদিন চন্দ্ৰ শৰ্মায়ো বৰ পৰিশ্ৰম. কৰি ফুৰিবলগীয়া হৈছে। তেওঁ

ছবিলাল বাবুক লৈ ব্ৰহ্মপুত্ৰৰ চাপৰি চাপৰিয়ে গৈ নেপালী খুটিৱালাসকলক লগ ধৰি তিলক স্বৰাজ ভঁৰাললৈ টকা তুলিছে।

ওৰে ৰাতিটো ল'ৰাইঁত খোজ কাঢ়ি আহি আছে। কলেজ বন্ধ হ'লে ল'ৰাইঁতে যিদৰে আনন্দেৰে ঘৰলৈ আহে, ল'ৰাইঁতৰো যেন তেনে আনন্দ। ৰমাইঁত বালিপাৰাৰ-পৰা ৰাতি ৰাতি খোজ কাঢ়ি আহিছে। বাটে বাটে হুলেশ্বৰৰ দলটোৱে সৈতে লগ লাগি ৰাতি ২ বজাত তেজপুৰৰ কেম্প পালেহি। চন্দ্ৰ শৰ্মাৰ ঘৰটোৰ মজিয়াত সকলো শুবলগীয়া হ'ল।

তিলক স্বৰাজ ভঁৰালৰ বাবে অসমৰ ওপৰত একলাখ টকা তোলাৰ দায়িত্ব পৰিছিল। কংগ্ৰেছৰ মেম্বাৰ কৰাও এক লাখ আছিল। তেজপুৰৰ দায়িত্ব আছিল ১০ হেজাৰ টকা তিলক স্বৰাজ্য ভঁৰাললৈ আৰু ১০ হেজাৰ কংগ্ৰেছৰ মেম্বাৰ ভৰ্তি কৰা।

১ জুলাই তাৰিখ "আজি হিচাপত ওলাল আমাৰ ১৫ হেজাৰ টকা তিলক স্বৰাজ ভঁৰাললৈ সংগ্ৰহ হৈছে আৰু মেম্বৰো ১৮ হেজাৰ হৈছে।

চন্দ্ৰ শৰ্মা ৰাতিৰ জাহাজত গুৱাহাটীলৈ গ'ল।

জুলাই, ৭ তাৰিখ। লক্ষ্মীধৰক গুৱাহাটীলৈ পঠিয়ালোঁ। অসম প্ৰাদেশিক কংগ্ৰেছৰ মিটিং পাতিছে। মই নগ'লোঁ। এতিয়া কেইদিনমান ল'ৰাইঁতে জিৰণি লৈছে। আকৌ সোনকালেই কেন্দ্ৰবিলাকলৈ পঠিয়াব লাগিব। মহাত্মাৰ নিৰ্দেশমতে প্ৰথম কিস্তিৰ কাম শেষ কৰা হ'ল। এতিয়া খাদী সূতা কটাৰ কামত কেনেকৈ জোৰ দিব পাৰি। গাঁৱলীয়া ঘৰুৱা যঁতৰত সূতা কটা টান। যঁতৰ আৰু শলাত উন্নতি কৰিব লাগিব—এইটোৱেই এটা ডাঙৰ সমস্যা হৈছে। যমুনা মিস্ত্ৰীৰ লগত কথা হ'লোঁ। তাৰ বহুতো কাম। সি যঁতৰৰ কাম কৰিবলৈ মান্তি নহয়। মহাবীৰ তেৱাৰীয়েও তেওঁক ক'লে। বেছেৰীয়াৰ পৰা কেইবাবিধৰ যঁতৰ অনোৱা হ'ল। ছাটনী যঁতৰ, ঘিলা যঁতৰ—এইবিলাক নমুনা দেখুওৱা হ'ল। কিমান সস্তাত দিব পাৰে তাৰ হিচাপ দিবলৈ ক'লোঁ। সি শলা কৰিব নোৱাৰিব। কি কৰা যায়? যি কি নহওক, মহাবীৰে কমাৰ এজন ঠিক কৰিলে। ছাতিৰ শলাৰেই সি কৰিবলৈ দিহা কৰিলে।

১৫ জুলাই। লক্ষ্মী উভতি আহিল। লক্ষ্মীৰ পৰা মিটিঙৰ বাতৰি পালোঁ। কিছুমান কথা লৈ অলপ তৰ্ক হৈছিল।

২১ জুলাই তাৰিখে নিখিল ভাৰত কংগ্ৰেছ কমিটি বোম্বেৰ বহাৰ কথা।

তালৈ অসমৰ সদস্য যাব। কংগ্ৰেছৰ সংগঠন সম্পৰ্কে কথা হোৱাত বুজিলোঁ—আমি তেজপুৰত পতা মতেই প্ৰায় একে।

নিখিল ভাৰতৰ নিৰ্দেশমতে থানা, তালুক, কংগ্ৰেছ আদি আমি পতা নাছিলোঁ। অসম প্ৰাদেশিকে এইমতে এই দুটা মাজৰ অনুষ্ঠান নাপাতিলে। মৌজাই আমাৰ প্ৰাথমিক ইউনিট, তাৰ ওপৰত জিলা। কিন্তু প্ৰাদেশিক কংগ্ৰেছ কমিটি আৰু ৱৰ্কিং কমিটিৰ মাজতে এটা সংগঠন পতা হ'ল। ইয়াক কাউন্সিল বোলা হ'ল। এইটোৰ প্ৰয়োজনীয়তা বুজি নাপালোঁ। প্ৰাদেশিক কংগ্ৰেছে ৱৰ্কিং কমিটিৰ সহায়ত ভালকৈ কাম কৰিব পাৰিব। মাজতেনো এখন কাউন্সিল কিয় গঠন কৰা হ'ল।

নিখিল ভাৰত কংগ্ৰেছ কমিটিলৈ ৫ জন সদস্য নিৰ্বাচিত হ'ল। এই সম্পৰ্কে ভাইটিক কৈ পঠিয়াইছিলোঁ—"চাবা যেন চন্দ্ৰ শৰ্মা নিৰ্ব্বাচিত হয়।" গুৱাহাটীত তেওঁক কেইজনমানে ভাল চকুৰে নাচায়। তেওঁৰ চোকা চোকা কথাই তেওঁৰ বৈৰী। চন্দ্ৰ শৰ্মা নিৰ্বাচিত হোৱাত ভাল পালোঁ। ফুকন, বৰদলৈ, চন্দ্ৰ শৰ্মা, কুলধৰ চলিহা, কনক শৰ্মা নিৰ্বাচিত হৈছে বুলি জানিলোঁ। প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি ফুকন, জেনেৰেল চেক্ৰেটাৰী নবীন বৰদলৈ, তৈয়বুল্লা, কালীপ্ৰসাদ (বৰুৱা) সহকাৰী সম্পাদক, মহিবুদ্দিন ভলন্টিয়াৰ বাহিনীৰ কেপ্তেইন। মহিবুদ্দিনৰ তলত এদল ভলন্টিয়াৰ সংগঠিত হৈছে। ভলন্টিয়াৰ প্ৰায়েই বৰ চোকা। বিপদ-ভয় একো নোহোৱা ভাইটিয়ে ক'লে নবীন বৰদলৈয়ে দেবপালক পৰীক্ষা কৰিবলৈ ক'লে—"যোৱা, নৰগ্ৰহৰ শ্মশানত এই গোঁজডাল পুতি থৈ আহা।" সময় ১ বজা। ৰাতি নিসঙ্কোচে তেওঁ এই কাম কৰি থৈ আহিল। তেতিয়া বৰদলৈয়ে ক'লে—"তোমালোকৰ দৰে ভলন্টিয়াৰ থাকিলে ভাৰতৰ মুক্তি অৱশ্যম্ভাৱী।"

* * *

কংগ্ৰেছৰ মেম্বৰ ভৰ্তি কৰা, তিলক স্বৰাজ্য ভঁৰাললৈ বৰঙণি সংগ্ৰহ কৰা চলি আছে। লগতে পিকেটিং। ইমানদিন আমাৰ কৰ্মীসকল গাঁৱত মানুহৰ ঘৰে ঘৰে থাকি কাম কৰি আছে। এতিয়া আমি সকলো ঠাইতে অফিচ ঘৰ সাজিবলৈ ক'লোঁ। ৰাইজৰ উৎসাহ বেছ্ ভাল। তেওঁলোকে ক'লে—"বোৱাৰ কাম অঁতাই ঘৰ সাজি দিম।"

* * *

আজি কিছুদিনৰ পৰা এটা কথা লৈ মনত এটা অশান্তি পাই আছোঁ। কবি ৰবিবাবুৰ লগত মহাত্মাৰ মতানৈক্য—দুয়োজনলৈকে মোৰ শ্ৰদ্ধা থকাত মনলৈ বহুতো

প্ৰশ্ন আহি আছে। ৰবিবাবুৰ কবিতা স্কুলত পঢ়াৰেপৰা আমি মুখস্থ কৰিছোঁ। আবৃত্তি কৰিবলৈ ভাল লাগে। কবিৰ কবিত্বই মোৰ অন্তৰত ওপোজোৱা অনুভূতি আৰু কবিৰ প্ৰতিভা লৈ স্বাভাৱিক শ্ৰদ্ধা আৰু শতগুণে বাঢ়িং উঠিল যিদিনা ১৯১৯ চনত কবিয়ে বৃটিছ সাম্ৰাজ্যৰ 'নাইট' চাৰ উপাধি দলিয়াই পেলালে। ১৯০৬ চনত গ্ৰীয়াৰ্ছ পাৰ্কত ৰবি বাবুৱে 'কণ্ঠৰোধ' বুলি যিটো আবেগময়ী বক্তৃতা দিছিল আৰু যি বক্তৃতা মই নিজৰ কাণেৰে শুনিবলৈ নাপালেও সেই সময়ৰ কলিকতাত পঢ়া অসমীয়া ছাত্ৰৰপৰা শুনি মুগ্ধ হৈছিলোঁ—সেইদিনা এই কথাষাৰো আনক কৈছিলোঁ। ৰবিবাবু আৰু মহাত্মাৰ হোৱা মতানৈক্যত মনটো বেয়া লাগি আছে। প্ৰবাসীৰ দৰে এখন বঙালী মাহেকীয়া আলোচনী কাকতে ৰবিবাবুৰ এখন ব্যঙ্গ চিত্ৰ প্ৰকাশ কৰিছে। কলম এডালত পাখীৰ ডেউকা দি তাৰ পিঠিত ৰবিবাবুৱে আকাশত ফুৰিছে। মহাত্মাই ইয়ং ইণ্ডিয়াত দিয়া প্ৰত্যুত্তৰবিলাক ৰবিবাবুৰ চিঠিৰে সৈতে প্ৰকাশ কৰিছে। আমি এইবিলাক পঢ়ি আছোঁ। দুয়োৰো প্ৰতি দুয়োৰো যথেষ্ট শ্ৰদ্ধা আৰু বিশ্বাস আছে। ৰবিবাবুৱে লিখিছে -"ভাৰতৰ যি নৈতিক শক্তি আছে, আৰু মহাত্মা গান্ধীয়েই সেই শক্তিৰ প্ৰতীক হ'ব পাৰে; এই শক্তি ভাৰতক লগা হৈছে।"

এইবিলাক কথা লৈ লক্ষ্মীধৰৰ লগত আলোচনা হৈ আছে। ভাৰতত আজি মহাত্মাই যি militant spirit জগাই তুলিছে, সেই spirit ক'ৰবাত criminal forceত পৰিণত হয় বুলি ৰবিবাবুৰ আশঙ্কা। সেইবাবে তেওঁৰ চিঠি এখনত লিখিছে—"এই নৈতিক শক্তিক পাশৱিক শক্তিত ৰূপান্তৰিত কৰাটো ডাঙৰ অপৰাধ হ'ব।" ৰবিঠাকুৰে মহাত্মাজীৰ আত্মত্যাগৰ গুণগ্ৰাহী হ'লেও অসহযোগ আন্দোলন এটা বিৰাট নিষ্ক্ৰিয়তা বুলি ধৰি লৈছিল। সেই কাৰণে তেওঁ মহাত্মালৈ লিখা চিঠিত জনাইছে—ভাৰতে পৃথিৱীৰ সকলো মানুহৰে সহযোগৰ প্ৰতিনিধি কৰাটো ভগৱানৰ ওচৰত মোৰ প্ৰাৰ্থনা। ভাৰতৰ সকলো এক হোৱাটোৱেই সত্য, বেলেগ হোৱাটো পাপ। সকলোকে বুজা, সকলোকে সামৰি লোৱা একতা মই বিচাৰোঁ। নিষ্ক্ৰিয়তাৰে এই অৱস্থা পোৱা নহ'ব। আমাৰ অন্তৰাত্মাক প্ৰতীচ্যৰ পৰা আঁতৰাই অনাটো আধ্যাত্মিক আত্মহত্যাৰ লগৰ একে কথা। * * *

বৰ্ত্তমান যুগত প্ৰতীচ্যৰ আধিপত্য—কাৰণ প্ৰতীচ্যৰ এটা 'মিশ্যন' আছে। প্ৰাচ্যই আমি প্ৰতীচ্যৰ পৰা শিক্ষা ল'ব লাগিব। এই সমস্যাটো বিশ্বৰ সমস্যা। আনৰপৰা আঁতৰি কোনো জাতিয়েই মুক্তি পাব নোৱাৰে। আমি সকলোৱেই মুক্তি পাব লাগিব, নহ'লে আমি সকলোৱেই একেলগে ধ্বংসপ্ৰাপ্ত হ'ব লাগিব।

মহাত্মাজীয়ে কবিৰ কথাবিলাকৰ এইদৰে প্ৰত্যুত্তৰ দিছে—যিবোৰ কথাৰ বাবে কবিয়ে আশঙ্কা কৰিছে, অসহযোগত সেইবোৰ একো নাই। আমাৰ দেশে অসহযোগৰ নীতি লোৱা বাবে লাজ পোৱাৰ একো কথা নাই। * * *

কবিৰ আশঙ্কা হৈছে ছাত্ৰসকলক লৈ। আন স্কুলৰ একো দিহা নকৰাকৈ ছাত্ৰসকলক গৱৰ্ণমেণ্টে স্কুল এৰি আহিবলৈ কোৱাটো ভুল হৈছে বুলি তেওঁৰ মত। এইখিনিতে মোৰ তেওঁৰ লগত মতৰ অনৈক্য। কেৱল স্বাক্ষৰতাই যে শিক্ষা—এনে মূৰ্তি-পূজা কৰিবলৈ মই আগতেও অক্ষম আছিলোঁ, এতিয়াও আছোঁ। অভিজ্ঞতাৰ পৰা মই যি শিক্ষা পাইছোঁ তাৰ পৰা বুজিছোঁ যে কেৱল স্বাক্ষৰতাৰ শিক্ষাই আমাৰ নৈতিক উচ্চতা পোৱাত অলপো সমল গোটাই দিব নোৱাৰে। চৰিত্ৰ গঠন এটা সম্পূৰ্ণ সুকীয়া কথা। মোৰ দৃঢ় বিশ্বাস, গৱৰ্ণমেণ্ট স্কুলৰ শিক্ষাই আমাক মনুষ্যত্বহীন কৰি অসহায় আৰু ঈশ্বৰবিহীন কৰিছে।

দেশৰ ডেকাসকলেই আমাৰ একমাত্ৰ আশা। এই শাসন-প্ৰণালী সম্পূৰ্ণতে অন্যায় বুলি আমি ভাবোঁ; তেন্তে আমাৰ ল'ৰা-ছোৱালীক ইয়াৰ লগত সম্পৰ্ক ৰাখিবলৈ দিয়াটো পাপৰ কথা হ'ব। কিবা এটা নিষ্ক্ৰিয় কথালৈকে কবিৰ বিভীষিকা। এইটো নকৰিবা বুলি ধৰ্মতো কিছুমান আদেশ আছে। মই নম্ৰতাৰে সৈতে জনাওঁ—কিবা এটা গ্ৰহণ কৰাৰ দৰে কিবা এটা গ্ৰহণ নকৰাটোও আদৰ্শ। সত্যক গ্ৰহণ কৰাটো যিদৰে প্ৰয়োজনীয়, সেইদৰে অসত্যক বৰ্জন কৰাটোও প্ৰয়োজনীয়। * * *

যুৰোপৰ ভৰিৰ তলত সাষ্টাঙ্গে পৰি থকা ভাৰতে বিশ্বমানৱক একো আশাৰ কথা শুনাব নোৱাৰে। জাগ্ৰত আৰু মুক্ত ভাৰতে বিশ্বমানৱলৈ শান্তিৰ বাণী দিব, দুখত আৰ্তনাদ কৰি থকা মানৱৰ অন্তৰত আশা জগাব। ভাৰতে যিটো মঞ্চৰপৰা বিশ্বমানৱক এই বাণী শুনাব পাৰে, অসহযোগেই এই মঞ্চখন গঢ়িব।

অসহযোগৰ নিষ্ক্ৰিয়তা সম্পৰ্কে আমাৰ মনলৈকো বহুতো প্ৰশ্ন আহে। অন্তৰত সন্তোষজনক সমিধান নাপালেও ইয়াৰ বাহিৰে আন উপায় নাই বুলি ভাবোঁ। নহ'লে হিংসা-নীতি বাছি ল'ব লাগিব।

* * *

১০ জুলাই তাৰিখ। যঁতৰ, শলা আদি ঠিক হ'ব ধৰিছে। আমি কিছুমানে সূতা কটা শিকিলোঁ যদিও যঁতৰত ভাল অভ্যাস হোৱা নাই। ঘৰুৱা যঁতৰবিলাকত আমাৰ শলা দি সূতা কটাত ভাল কৰিব পাৰিনে চোৱা হ'ল। ছাতিৰ শলা যঁতৰত বৰ কঁপে—সূতা ভাল নহয়। এতিয়া ছাতিৰ শলা এৰি আন লোৰ শলা

কুমাৰৰ হতুৱাই কৰাই চোৱা হ'ল। এই শলা কিছু গধুৰ হোৱা বাবে কিছু ভাল। আসন্ন ফাৰ্মেচী আৰু স্বদেশী ষ্টোৰ্চৰ বাৰান্দাত আমি যঁতৰ চলোৱাৰ demonstration দিলোঁ। আমি নেওঠনি ছিপাঝাৰৰপৰা অনাইছোঁ। ফুলটুং কাননগুৱে ধনশিৰি মুখৰপৰা কেইমোণমান কপাহো আনি দিছে। কালীপ্ৰসাদো (বৰা) কুঠৰীলৈ গৈ কপাহ আনিছে। * * *

সকলো কেন্দ্ৰৰপৰা নানান খবৰ-বাতৰি আহি আছে। কাকো লাগে যঁতৰ, কাকো লাগে নেওঠনি, কাকো কপাহ। কোনোৱে জনায়—মেল নিষ্পত্তি কৰাত বিবাদীয়ে ৰায়ত মান্তি নোহোৱা ইত্যাদি।

* * *

জামুগুৰিৰ পৰা বগীৰামে দুখন গাঁৱৰ কথা জনাইছে—শলগুৰি আৰু মূৰাদল। এই দুখন গাঁৱে সংগঠনত সোমাব নোখোজে। সেইবাবে শ্ৰীগঙ্গা বৰুৱা, শ্ৰীথানেশ্বৰ হাজৰিকাক আদি কৰি মুখীয়াল কিছুমান লোকে শাস্তিমূলক ব্যৱস্থাৰ কথা ভাবিছে। মনতে ভাবিছোঁ এই শাস্তিমূলক ব্যৱস্থাৰ কি ফল হয়। গাঁৱত কাজিয়া বাঢ়ি যাব পাৰে। চন্দ্ৰ শৰ্মাৰ কথা মনত পৰিল। "জামুগুৰি সম্পৰ্কে সাৱধান হ'বা। জামুগুৰিত উত্তেজনা দপ্‌দপ্ কৰে জ্বলি উঠিব। বৰ সাৱধান হ'বা।"

লক্ষ্মীধৰ চাৰি আলিলৈ গৈছেই। তেওঁলৈ খবৰ দি মই মহেন্দ্ৰ ফুকনক লগত লৈ ১১ তাৰিখে পুৱা ওলালোঁ। আমি গৈ দুপৰীয়া ছিলাবন্ধা পালোঁগৈ। নোমলৰ ঘৰৰ কাষত এটা খালি ঘৰ আছিল। তাতেই আমাৰ কেম্প পতা হ'ল। আমাৰ খোৱা নোমলৰ ঘৰতেই হৈছে। কেৱল শোৱাহে ইয়াত হৈছে। নোমলৰ খুৰীদেৱেকে বৰ আদৰ-যত্নেৰে আমাৰ তত্ত্বাৱধান লৈছে। * * * মনেন্দ্ৰ ফুকনৰ বেছ্ উৎসাহ। কালি ৰাতি কোৰ লৈ গাঁৱৰ মানুহ উলিয়াই পথাৰত মাটি কাটিবলৈ ওলাইছিল।

* * *

ৰাতি ৰাতি মিটিং হৈছে, কাৰণ মানুহে দিনত পথাৰত কাম কাৰব লাগে। ৰাতিৰ মিটিঙতো মানুহ বেছ্ গোট খায়। লক্ষ্মীধৰো আহি পালে। তিনি ৰাতি মিটিং কৰি বহুতো বুজোৱাৰ ফলত মূৰাদল, শলগুৰি সংগঠনত সুমুৱাব পৰা হ'ল। পিছত বুজা গ'ল ৰাজনৈতিক অনৈক্যৰ কাৰণ একো নাই—দুজনমানৰ ব্যক্তিগত অৰিয়াঅৰি। মহেন্দ্ৰ ফুকনক দুদিনমানৰ কাৰণে তাতে থৈ আমি তেজপুৰ পালোঁহি।

* * *

নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ মিটিং ২৮ জুলাই তাৰিখে বোম্বেত বহিল। অসমৰ প্ৰতিনিধি হিচাপে ফুকনহঁত বোম্বেলৈ যোৱাৰ বাতৰি ওলাইছে। বোম্বেৰ মিটিঙৰ নিৰ্দ্দেশ হৈছে, ৩০ চেপ্তেম্বৰ তাৰিখৰ আগতে বিলাতী কাপোৰ বৰ্জন পূৰ্ণ কৰিব লাগিব। সূতা কটা, কাপোৰ বোৱা, খদ্দৰ তৈয়াৰী কৰাত পূৰ্ণ মাত্ৰাই জোৰ দিব লাগিব।

বোম্বেত বহা মিটিঙৰ অলপ আগতে কৰাচীত খিলাফত সন্মিলন বহাৰ বাতৰি ওলাল। মৌলানা মহম্মদ আলি সভাপতি। কৰাচীৰ এই সন্মিলনত এটা প্ৰস্তাৱ গৃহীত হ'ল। এই প্ৰস্তাৱটোৰ মৰ্ম এইদৰে—বৃটিছৰ সৈন্যবাহিনীত কোনো মুছলমানে এতিয়াও কাম কৰি থকাটো ধৰ্মবিৰোধী কথা। মুছলমানে নিজেও কাম কৰিব নালাগে আৰু আনকো বৃটিছ সৈন্যবাহিনীত কাম কৰিবলৈ ক'ব নালাগে। সৈন্য-বাহিনীত কাম কৰি থকা প্ৰতিজন মুছলমান সৈন্যক ধৰ্মৰ নিৰ্দেশ বুজাই দিয়াটো মুছলমান মাত্ৰৰে বিশেষকৈ উলেমাসকলৰ কৰ্তব্য। অহা বৰদিনৰ আগতে যদি আমাৰ অভিযানৰ একো মীমাংসা নহয়, তেন্তে কংগ্ৰেছৰ আহমদাবাদ অধিৱেশনত ভাৰতৰ প্ৰজাতন্ত্ৰ ঘোষণা কৰা হ'ব।

শুনাত কথাবিলাক ভাল লাগিল। ইয়াত আমি খিলাফত কমিটি গঠন কৰিব পৰা নাই। টাউনত যিসকল মুছলমান লোক আছে তেওঁলোকৰ সৰহভাগেই বাহিৰৰ পৰা অহা; বেপাৰত লাগিছে। ঠায়ে ঠায়ে মৈমনছিঙীয়া লোক কিছুমান আহি বহিছে। তেওঁলোকে একো নুবুজে। অসমীয়া দৰ্জি কেইজনমানেহে আমাক বৰ সমৰ্থন কৰি আছে। কংগ্ৰেছৰ সভ্যও হৈছে। ওচৰতে থকা ছুফী আৰু গনি বৰ উৎসাহী। তেওঁলোকৰ সহায়ত কিছুমান মানুহক কংগ্ৰেছৰ মেম্বৰ কৰিব পৰা হৈছে। লক্ষ্মীক লগত লৈ মচজিদৰ মৌলবী দুজনমানৰ লগত কথা হ'লোঁ। মচজিদত মিটিং পাতিবৰ ব্যৱস্থা কৰা হ'ল। মমতাজ মৌলবীয়ে তেওঁৰ মচজিদত মিটিং পাতিলে। খিলাফতৰ কথা বুজিলেও দায়িত্ব লৈ খিলাফত কমিতি চলাবলৈ মানুহ পোৱা নাযায়। জয়লাল (জয়নাল আবেদিন) আমাৰ লগত পঢ়া; বি.এ পাছ কৰিছে যদিও দায়িত্ব লৈ কাম কৰাত আগ্ৰহ দেখুওৱা নাই।

* * *

যি কি নহওক, কৰাচীৰ প্ৰস্তাৱে মুছলমানসকলৰ মনত এটা চাঞ্চল্য আনিলে। আমাৰো ভাল লাগিছে অহা বৰদিনৰ সময়ত আহমদাবাদত প্ৰজাতন্ত্ৰৰ ঘোষণা হ'ব বুলি কোৱাত।

* * *

মহাত্মাৰ এটা প্ৰবন্ধ ইয়ং ইণ্ডিয়াত ওলাইছে। এই লৈ আমাৰ আলোচনা হ'ল। লক্ষ্মীধৰে ক'লে—"চাওকচোন বুঢ়াই কি কৈছে—'Hasten slowly'—বেগ দিব লাগিব অথচ লগতে মন্থৰতাও আনিব লাগিব—বুঢ়াইহে এই দুটা পৰস্পৰ বিৰোধী কথাৰ সামঞ্জস্য আনিব পাৰে। আমি হয় বেগ দি উজুটি খাই পৰিম, নহ'লে লাহে লাহে কৰি থমছন্ চাহাবে কোৱাৰ দৰে লাহে লাহে কৰিম।" প্ৰবন্ধটো পঢ়িলোঁ। প্ৰবন্ধত এইদৰে লিখিছে—এতিয়া নিষ্ক্ৰিয় প্ৰতিৰোধ, সত্যাগ্ৰহ নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সকলো সদস্যৰ মুখে মুখে হৈছে। এই অস্ত্ৰটোৰ কোনেও পৰীক্ষা কৰি চোৱা নাই। সেইবাবে সকলোৰে এটা ভুল বিশ্বাস হৈছে যে সকলো বেমাৰৰ যেন এয়ে অমোঘ ঔষধ। মই ভাবোঁ যে, এই অস্ত্ৰ প্ৰয়োগৰ বাবে লগা বতৰ তৈয়াৰী কৰিব পাৰিলেহে এই অস্ত্ৰ অমোঘ হ'ব পাৰে। ব্যক্তিগতভাৱে সেই বতৰ সদায় আছে, কেৱল মাত্ৰ এনে সত্যাগ্ৰহৰ পৰা মৰা-মৰি, কটা-কটি হৈ ৰক্তপাত হোৱাটো নিশ্চিত হোৱা ঘটনাবিলাকৰ বাহিৰে। এনে অৱস্থাতো এনে এটা আহ্বান আহিব পাৰে যে মানুহে এই আহ্বান নুশুনাকৈ থাকিব নোৱাৰে—লাগে ইয়াৰ বাবে যি হয় হওক। মই দেখিছোঁ যে মোৰ বাবে ভৱিষ্যতলৈ এনে এটা সময় আহিব লাগিছে যি সময়ত মই দেশত ৰক্তপাত হোৱাটো নিশ্চিত হ'লেও চৰকাৰে কৰা প্ৰত্যেক আইনকে মই অমান্য কৰিব লাগিব। এনে সময়ত এই আহ্বান নুশুনাকৈ থাকিলে ভগৱানক প্ৰত্যাখ্যান কৰাটো হ'ব। এনে সময়ত আইন অমান্য কৰাটো অলঙ্ঘনীয় কৰ্ত্তব্য। কিন্তু সামূহিক সত্যাগ্ৰহৰ ভেঁটি আনত; ধীৰ শান্ত বতৰতহে ইয়াৰ পৰীক্ষা কৰিব পাৰি। বিৰাট জনতা লৈ শোভাযাত্ৰা পাতি গৱৰ্ণমেণ্টক ভয় খুৱাব পৰাৰ ভাব যেন আমি নাৰাখোঁ। নন-কো-অপাৰেটৰৰ জীৱনত গ্ৰেপ্তাৰ হোৱাটো এটা স্বাভাৱিক কথা হ'ব লাগে। মৃত্যুক বৰণ কৰিবলৈ যিদৰে চিপাহী যুদ্ধলৈ যায়, সেইদৰে আমি গ্ৰেপ্তাৰ আৰু কাৰাদণ্ড বৰণ কৰি ল'ব লাগিব। গৱৰ্ণমেণ্টৰ আমালৈ যি বিৰোধ আছে, সেই বিৰোধ কাৰাবৰণৰ হাত সাৰিবলৈ যত্ন নকৰি, বৰঞ্চ প্ৰয়োজন হ'লে আমাৰ সকলোকে গ্ৰেপ্তাৰ কৰিবলৈ দিহে, আমি আঁতৰাব পাৰিম! * * * একো অন্যায় নকৰাকৈও গ্ৰেপ্তাৰ কৰিলেহে আমাৰ জয় হ'ব। আমি যিমানেই নিৰ্দোষী হ'ম, সিমানেই আমাৰ নৈতিক বল বাঢ়িব আৰু সিমান সোনকালেই আমাৰ জয় হ'ব। আমাৰ মনত থকা কাৰাদণ্ডলৈ ভয়ৰেই গৱৰ্ণমেণ্টে সুবিধা লৈ আছে। * * * সম্পূৰ্ণ নিষ্ক্ৰিয় প্ৰতিৰোধ হৈছে শান্তিপূৰ্ণ বিদ্ৰোহ, গৱৰ্ণমেণ্টে কৰা আইন নামানিবলৈ দৃঢ়তা। অস্ত্ৰ-শস্ত্ৰ লৈ বিদ্ৰোহ কৰাতকৈ এনেদৰে

বিদ্ৰোহ কৰাটো নিশ্চয় বিপজ্জনক। সত্যাগ্ৰহীসকলো দুখ-অসুবিধা লৈ সাজু থাকিলে এনে বিদ্ৰোহ কেতিয়াও দমন কৰিব নোৱাৰে। নিৰ্দোষ হৈ দুখ-যন্ত্ৰণা ভোগ কৰিবলৈ ওলোৱাটো যে অমোঘ অস্ত্ৰ—ইয়াৰ ওপৰত অচল-অটল বিশ্বাসৰ ভেঁটিত এইটো প্ৰতিষ্ঠিত। * * * আমি ডাঙৰকৈ সত্যাগ্ৰহ কৰিবলৈ যোৱাৰ আগতে কি অৱস্থা ইয়াৰ বাবে প্ৰয়োজনীয়, সেইটো ৰাইজৰ প্ৰতিনিধি সকলোৱে বুজিব লাগে। মোৰ দৃঢ় বিশ্বাস যে, আমি যদি কৃতকাৰ্যতাৰে সৈতে বিদেশী কাপোৰ বৰ্জন কৰিব পাৰোঁ, তেন্তে কোনো গৱৰ্ণমেণ্টে কেতিয়াও দমন কৰিব নোৱাৰা বতৰ আমি সৃষ্টি কৰিব পাৰিম। যিসকলে সমূহীয়াভাৱে সত্যাগ্ৰহ কৰিবলৈ ব্যগ্ৰ হৈ পৰিছে, মই তেওঁলোকক ধৈৰ্য, দৃঢ়তা আৰু স্বদেশী প্ৰচাৰৰ একাগ্ৰতা আনিবলৈ কওঁ।” * * *

মহাত্মাৰ কথাবিলাক পঢ়ি আমি ভাবিছোঁ কেনেকৈ এইবিলাক গাঁৱলীয়া ৰাইজৰ মাজত আৰু আমাৰ কৰ্মীসকলৰ মাজত প্ৰচাৰ কৰিব পাৰোঁ। আমাৰতো ছপাখানা নাই যে এইবিলাক কথা ছপা কৰি বিলাই দিওঁ। * * *

গুণাভি আৰু জগন্নাথৰ হাতৰ আখৰ ভাল। তেওঁলোক দুজনকে ইয়াৰ দায়িত্ব দিয়া হ'ল। আমি কেতিয়াবা তেজপুৰত নাথাকিলেও গুণাভিয়েই অসমীয়ালৈ অনুবাদ কৰিব পাৰিব।

*   *   *

৭ আগষ্ট তাৰিখ। আমি আলচামতে লিথো কৰি কাগজ উলিওৱা হ'ল। ইয়াৰ বাবে আমি বহুতো বস্তুৰ যোগাৰ কৰিবলগীয়া হ'ল। চিয়াহী, ষ্টেন্‌ছিল, ষ্টেন্‌ছিলৰ কলম। কলিকতাৰপৰা পাৰ্চেল আহি নৌপাওঁতেই এওঁলোকে কিছুমান অফিচৰপৰা এইবিলাক বস্তু সংগ্ৰহ কৰিয়েই কামত লাগিল।

*   *   *

দুসপ্তাহমান পিছত খবৰ পালোঁ—এইবিলাক কাকত লৈ মানুহৰ বৰ আগ্ৰহ। জামুগুৰিৰ পৰা গেন্ধু বৰাই ক'লেহি কংগ্ৰেছৰ কাকতৰ কাৰণে।

৬ আগষ্ট তাৰিখ। শ্ৰীচন্দ্ৰ শৰ্মা (৺ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা) বোম্বাইৰপৰা উভতি পালেহি। তেওঁৰপৰা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ কথা শুনিবলৈ পালোঁ। মহত্মাগান্ধী এদিনলৈ বুলি অসমলৈ আহিবলৈ গাত লৈছে। কিন্তু এদিনহে অসমৰ বাবে দিয়াত কৰ্মীসকলৰ বেজাৰ হ'ল, কিয়নো অসমৰ সকলো জিলাৰ কৰ্মীসকলে মহাত্মাগান্ধীৰ কথা শুনিবলৈ নাপাব। * * *

১০ আগষ্ট। প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ পৰা তাঁৰ আহিছে, মহাত্মা গান্ধী ১৮ আগষ্ট তাৰিখে আহিব। প্ৰাদেশিক কংগ্ৰেছ কমিটীয়ে ১২ জন ভলণ্টিয়াৰ বিচাৰিছে। তেজপুৰত আমি দল হিচাপে ভলণ্টিয়াৰ সংগঠন কৰা নাছিলোঁ। আমাৰ সকলোৱেই ভলণ্টিয়াৰ। কলেজ আৰু স্কুল এৰি আহি যিসকল ছাত্ৰই অসহযোগ আন্দোলনৰ কামত লাগিছে সকলোৱেই কৰ্মী আৰু সকলোৱেই ভলণ্টিয়াৰ। উকিলসকলৰ ভিতৰত শ্ৰীচন্দ্ৰনাথ শৰ্মাই ওকালতি এৰিছে। তেওঁতো কেউখন জিলালৈকে গৈ আছে। এই ছাত্ৰসকলৰ কাক বাদ দিয়া যায় আৰু কাক বছা যায়? ছাত্ৰসকলৰ মাজত ৫০ জনৰ ওপৰ অসহযোগৰ কামত লাগিছে। যিসকলে ঘৰ এৰি আহিব পৰা নাই তেওঁলোকেও ঘৰত খেতি-বাতিৰ কামত সহায় কৰি যি অলপ আজৰি পায় কংগ্ৰেছৰ কামত সহায় কৰি আছে। তথাপিও ১২ জন বছা হ'ল আৰু ভাইটিৰ (৺দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা) নেতৃত্বত তেওঁলোকক গুৱাহাটীলৈ পঠোৱাৰ ব্যৱস্থা হ'ল। * * * *

যিসকল এই ১২ জনৰ ভিতৰত নপৰিল তেওঁলোকেও নিজৰ নিজৰ কেন্দ্ৰৰ পৰা তেজপুৰ পালেহি। কংগ্ৰেছৰ ভঁৰালৰ একো সহায় নোলোৱাকৈও তেওঁলোকে খোজকাঢ়ি গুৱাহাটীলৈ যাব। তেওঁলোককো যাবলৈ অনুমতি দিব লাগে।

বাৰিষাৰ বতৰ। এফালে বৰষুণ, আনফালে প্ৰচণ্ড ৰ'দ। এওঁলোকৰ উদ্যমত চেঁচা পানী ঢালিবলৈ মন যোৱা নাই, অথচ কাৰোবাৰ ক'ৰবাত অসুখ হ'লে কি কৰা যাব? এইদৰে দোধোৰ-মোৰত থাকি ঈশ্বৰৰ ওপৰত ভাৰসা কৰি এওঁলোকক যাবলৈ দিয়াৰ সিদ্ধান্ত লোৱা হ'ল। * * *

আজি ১২ আগষ্ট। কালি ৰাতিৰেপৰা খোজ কাঢ়ি যোৱা দলটো সাজু হৈ আছে। তেওঁলোকৰ মাজত এখন পতাকা, এটা শঙ্খ আৰু গাইপতি একোটা সৰু টোপোলা লোৱাৰ দিহা কৰিছে। চাৰি বজাৰ আগতে উঠি তেওঁলোক সাজু হ'ল। তেওঁলোক সকলোকে পুনৰ বুজাই খোৱা পানী সম্পৰ্কে উপদেশ দিলোঁ আৰু সামান্য ঔষধ-পাতি দি কালীপ্ৰসাদৰ (৺কালীপ্ৰসাদ বৰা) নেতৃত্বত পঠোৱা হ'ল। ময়ো তেওঁলোকৰ লগতে গৈ গাভৰুঘাটলৈকে (১১ মাইল) তেওঁলোকক আগ বঢ়াই দিলোঁ। মোৰ পৰামৰ্শ—নিচেই পুৱাতে, বেলি নৌওলাওঁতেই বেগাই খোজ ল'ব আৰু ৯ বজাত ৰৈ খোৱাৰ ব্যৱস্থা কৰিব। পুনৰ আবেলি ৩ বজাৰ পিছত ৰাওনা হৈ গধূলিলৈকে খোজ কাঢ়িব। প্ৰথম দিনা তেওঁলোকে দুপৰীয়া কাৰৈমাৰীত জুৰাই গধূলি পাউৰীপোটাত (প্ৰায় ৩৪ মাইল) ৰ'বগৈ। পিছদিনা গাজপ্যেতাত (দলগাওঁ) দুপৰীয়া খাই গধূলি মঙ্গলদৈ পাবগৈ। তৃতীয় দিনা মঙ্গলদৈ এৰি ছিপাঝাৰত দুপৰীয়া

খাই বৈ গধূলি মাৰৈৰ ওচৰত থকাৰ দিহা কৰিব। এইদৰে চতুৰ্থ দিনা গধূলি গুৱাহাটী পাবগৈ। তেজপুৰত কোনো কৰ্মী নথকাত মযেই অকলে থাকিবলৈ গাত ল'লোঁ। * * *

১৬ আগষ্ট। মহাত্মাগান্ধী গুৱাহাটীলৈ অহা লৈ তাৰ প্ৰস্তুতিৰ বাতৰি দিনৌ পাই আছোঁ। হেমে (ত্যাগবীৰ ৺হেমচন্দ্ৰ বৰুৱা) দিনৌ মেইল জাহাজৰ ডাক্তৰৰ জৰীয়তে চিঠি দি আছে। জজ ফিল্ডত ৰাজহুৱা সভা পাতিবলৈ স্থিৰ হৈছিল; কিন্তু ডি. চিয়ে (বেন্টিঙ্ক চাহাব) অনুমতি নিদিলে। উপায় নোহোৱাত ফুকনৰ (দেশভক্ত তৰুণৰাম ফুকন) টোলত মিটিং পতাৰ ব্যৱস্থা কৰিবলগীয়া হৈছে।

১৯ আগষ্ট। কালিয়েই মহাত্মা গুৱাহাটী পালেহি আৰু ৭ দিনলৈ অসমত ফুৰিবলৈ গাত লৈছে তেজপুৰ ২১ আগষ্ট তাৰিখে পাবহি বুলি পুৱাতে তাঁৰ আহিল। থকা-মেলা, মিটিং পতাৰ দিহা কেনেকৈ কি কৰিব পাৰি তাকে গুণি-গাঁথি থাকোঁতে ৯ বজাত তেজপুৰ থানাৰ অ'.চি (শ্ৰীযুত পুষ্প উজীৰ) আহি পালে। পুলিচ চাহাবে (মিঃ ক্ৰেচ) হেনো মোক লগ পাবলৈ বিচাৰে। নগৰৰ কিছুমান লোকে মোক ধৰিছেহি— চাৰ্চ ফিল্ডতেই মিটিং পতাৰ ব্যৱস্থা কৰিব লাগে; কিন্তু গৱৰ্ণমেণ্টে দিয়েনে নিদিয়ে ক'ব নোৱাৰি। যি কি নহওক, প্ৰায় ১১ বজাত পুলিচ চাহাবক লগ ধৰিবলৈ কাছাৰী ঘৰৰ পূৱমূৱত থকা তেওঁৰ অফিচলৈ গ'লোঁ। তেওঁ মোক বহুৱাই ক'লে, "মই ডি.চিৰ লগত কথা হৈ আহোঁ, আপুনি অলপ বহক।" মোক পুলিচ চাহাবৰ অফিচত বহুৱাই থোৱা দেখি কাছাৰী ঘৰৰ ওচৰে-পাজৰে থকা লোকসকলৰ মাজত বু-বু বা-বা হ'বলৈ ধৰিলে—'গ্ৰেপ্তাৰ কৰিলে।' যি কি নহওক, অলপ পৰৰ পিছত চাহাবে ডি.চিৰ লগত কথা হৈ আহি পুনৰ দেখা দিলে। তেওঁ সুধিলে, "গান্ধী অহাত কিমান মানুহ হ'ব বুলি ভাবিছে।" মই ক'লোঁ, বিশ হেজাৰমান হ'ব লাগে। আমাৰ জিলাত যান-বাহনৰ সুবিধা নাই। কলাবাৰী, গহপুৰ অঞ্চলৰ পৰা আহিবলৈ জাহাজ এদিন বাদে এদিনহে গমিৰি সোৱণশিৰী ঘাটলৈ যায়। জাহাজত বৰ সৰহ মানুহ আহিব নোৱাৰে। বিশ্বনাথ, চতিয়া অঞ্চলৰ পৰা কিছু আহিব। জামুগুৰিৰ, মানুহ কিছু খোজ কাঢ়িও আহিব। বিহগুৰি, হলেশ্বৰৰ পৰাও খোজকাঢ়ি আহিব। তেজপুৰ-বালিপাৰা ৰেলতো কিছু আহিব। নগাঁৱৰ কলিয়াবৰ অঞ্চলৰ বহুতো মানুহ ভাল থিয়েটাৰ হ'লেই ৰাতি নাৱেৰে আহে, এতিয়া জাহাজ আৰু নাৱেৰে আহিব বুলি ভাবোঁ। মোৰ হিচাপমতে বিশ হেজাৰ মানুহ হ'ব লাগে।"

"তেন্তে এই জনতাৰ হেঁচা-ঠেলা নিয়ন্ত্ৰণ কৰিব কেনেকৈ ?" পুলিচ চাহাবে সুধিলে।

"আমাৰ ওপৰত বিশ্বাস ৰাখক, আমি চলাব পাৰিম। আপুনি পুলিচৰ মানুহ দিলে আমি একো কৰিব নোৱাৰোঁ—সেইটো আপোনাৰ ইচ্ছাধীন। জনতাৰ মাজত কাৰোবাক পুলিচে হেঁচা-ঠেলা কৰিলে উত্তেজনা হ'ব পাৰে আৰু অনাহকতে অঘটন হ'ব পাৰে।" তেওঁ মোৰ কথাত পতিয়ন নগ'ল, মিচিকিয়াই হাঁহি সুধিলে, "বাৰু মিটিং ক'ত পাতিব ?" এই ছেগতে মই চাৰ্চফিল্ডৰ কথা কলোঁ। কিন্তু তেওঁ ক'লে "নাই, কাছাৰী ঘৰলৈ অহা যাই বাট ইমান মানুহৰ হেঁচা-ঠেলাত বন্ধ হৈ যাব। চাৰ্চফিল্ডত অসুবিধা হ'ব। প'লো ফিল্ডখন আহল-বহল, যান-বাহন নিয়ন্ত্ৰণত একো অসুবিধা নহ'ব।" দেখিলোঁ চাৰ্চফিল্ড টাউনৰ সোঁমাজতে, কাছাৰী ঘৰৰ সমুখত, ওচৰতে য়ুৰোপীয়ান ক্লাবঘৰ, গান্ধীৰ মিটিং তাত হোৱাত আপত্তি। তথাপিও ভদ্ৰভাবে আনফালে আঁতৰাই নিবলৈ যত্ন কৰিছে। দুদিন পিছত মহাত্মা আহি পাবহি, এতিয়া মিটিঙৰ ঠাই লৈ ক'ত ঘূৰি ফুৰোঁ। মই পলো ফিল্ডতেই মান্তি হ'লোঁ। মই কোৱা মাত্ৰকতে পুলিচ চাহাবে ক'লে, "তেন্তে লিখি দিয়ক।" মই তত্তালিকে লিখি দিলোঁ।

ইয়াৰ পিছত মঞ্চখনৰ কথা সুধিলে। মঞ্চখনৰ জোখ এতিয়াও ঠিক কৰা নাই। এতিয়াই ঠিক কৰিম। তেওঁ ক'লে, "চাব যেন মঞ্চখন মজবুত হয়, যাতে কোনো দুৰ্ঘটনা নহয়।"

পুলিচ চাহাবৰ অফিচৰপৰা ওলাই আহি বসন্ত কুমাৰ দাসৰ লগত (ফৰেষ্ট বেপাৰৰ কাম এৰি তেজপুৰত কাঠৰ বেপাৰ আৰু ঠিকাদাৰী কৰিছে। তেওঁ আমাৰ এজন ডাঙৰ সমৰ্থক আছিল।) কথা হৈ তেওঁক দায়িত্ব দিলোঁ। তেওঁ শালকাঠৰ তক্তা দিব। আমি প্ৰয়োজনীয় বাঁহ ওচৰৰ বামুণগাঁৱৰ পৰা অনোৱাৰ ব্যৱস্থা কৰিলোঁ।..........

মিটিঙৰ একৰকম ব্যৱস্থা হ'ল। এতিয়া মহাত্মা আৰু লগৰ সকলো লোকক ৰখাৰ কি ব্যৱস্থা কৰিব পাৰি এই প্ৰশ্ন উঠিল। যি কি নহওক, থকা মেলাৰ ব্যৱস্থা কৰা হ'ল। মহাত্মা গান্ধী আৰু তেওঁক সেৱা কৰাসকলক আগৰৱালাৰ ঘৰত (৺হৰিবিলাস আগৰৱালাৰ দালান) ৰখাৰ ব্যৱস্থা হ'ল। যমুনালাল বাজাজক বৰগোলাৰ (মাইসিং মেঘৰাজৰ) ঘৰত ৰখাৰ ব্যৱস্থা হ'ল আৰু মৌলানা মহম্মদ আলি, বেগম আলি, তেওঁৰ ছেক্ৰেটাৰী আব্দুল হায়াত আৰু মৌলানা আজাদ

ছোভানীক ৰখাৰ ব্যৱস্থা হ'ল শ্ৰীযুত মহেন্দ্ৰনাথ দাঁৰ ঘৰত। (বৰ্ত্তমানে সেই ঠাই-ডোখৰত শ্ৰীযুত বিজয়চন্দ্ৰ ভাগৱতীৰ ঘৰ হৈছে।)

২০ আগষ্ট। পুৱাৰ জাহাজত গুৱাহাটীৰপৰা লক্ষ্মীধৰকে আদি কৰি সকলো তেজপুৰৰ সেৱক পালেহি। গুৱাহাটীৰ সকলো বাতৰি পোৱা হ'ল। তেওঁ ক'লে, "মহাত্মা গান্ধী যদিও এদিনলৈ বুলি অহাৰ কথা আছিল তথাপি পিছত সাত দিন থাকিবলৈ স্থিৰ কৰিলে। পোনতে গুৱাহাটীত কিছুমানে তেওঁক সাত দিন ৰখাৰ ব্যৱস্থা কৰিবলৈ যত্ন কৰিছিল। মহাত্মাই ক'লে, "আপোনালোকে মোক গুৱাহাটীত সাত দিন ৰাখি কি দেখুৱাব? মই অসমলৈ আহিছোঁ অসমীয়াৰ লগত চিনাকি হ'বলৈ। আপোনালোকে মোক গুৱাহাটীত থৈ এই বিশাল ব্ৰহ্মপুত্ৰ আৰু কাষত থকা পৰ্বতমালাৰ প্ৰাকৃতিক সৌন্দৰ্য দেখুৱাই পঠিয়াই দিবলৈ বিচাৰে নে? অসম, অসমীয়া মানুহক মই চাবলৈ বিচাৰোঁ। (I want to have a glimpse of the land and the people of Assam.)" তেখেতে এইদৰে ধেমালিৰে সৈতে ক'লে। অসমৰ মানচিত্ৰন লৈ যাতায়াতৰ সুবিধা-অসুবিধাৰ বুজ-বাজ লৈ ভ্ৰমণৰ কাৰ্যসূচী প্ৰস্তুত কৰাত লাগিল। যি কি নহওক, এইবিলাক আলোচনা পিছলৈ থৈ উপস্থিত কৰ্তব্যত মন দিবলগীয়া হ'ল।

এইদৰে আছোঁ, এনেতে থানাৰ ও.চি (পুষ্প উজীৰ) আহি ওলাল। পুলিচ চাহাবে হেনো মোক বিচাৰিছে। আজি জানিবা কাছাৰীৰ অফিচলৈ যাবলগীয়া নহ'ল। তেওঁ থানাতেই আছিল। গৈ পালত তেওঁ ক'লে, "ষ্টীমাৰ ঘাটত ট্ৰেফিক কণ্ট্ৰোলৰ বিষয়ে কি কৰিছে? আমি সহায় কৰিব লাগিবনে?" আগৰ মতেই মোৰ উত্তৰ হ'ল "আমাৰ ওপৰত বিশ্বাস ৰাখক, আমি সুকলমে চলাই দিম। অৱশ্যে আপুনি চিপাহী থ'লে আমি বাধা দিব নোৱাৰোঁ। আমাৰ অনুৰোধ - চিপাহী ৰাখিলে চিভিল পোছাকত যেন ৰাখে।" তেওঁ ক'লে, "চাওক, বাৰিষাৰ ব্ৰহ্মপুত্ৰ, থিয় গৰা, মানুহৰ হেঁচা-ঠেলাত কোনোবা পানীত পৰিব পাৰে। একেলগে হুৰ্‌মুৰকৈ ফ্লেটত উঠিবলৈ হুৰাহুৰা লগাব পাৰে। ফ্লেটলৈ কোন কোন যাব, ষ্টীমাৰলৈ মিঃ গান্ধীক আদৰি আনিবলৈ কোন কোন যাব, তাৰ তালিকা কৰক। মই প্ৰয়োজন দেখিলে পুলিচ পোষ্ট কৰিম।" তেওঁক ধন্যবাদ দি গুচি আহিলোঁ। এই আলোচনাত আমাৰ আঁচনি কৰিবলৈ সুবিধা হ'ল।... ....

২১ তাৰিখ। পুৱাৰেপৰা ষ্টীমাৰ ঘাটত মানুহ ভৰি পৰিল। ৰাতিপুৱা কিন্‌কিনীয়া বৰষুণ হৈ অলপ পৰলৈ দোপালপিটা বৰষুণ হ'ল। কিন্তু মানুহ বৰষুণৰ মাজতো থিয় হৈ থাকিল। এনেতে ষ্টীমাৰৰ ধোঁৱা দেখা গ'ল।.......

ন বজাত মানুহৰ হৈচা বাঢ়িল। এনেতে চকুত পৰিল এটা কুকুৰ; কোনোবাই তাৰ ডিঙিত কলাৰ-নেক্‌টাই পিন্ধাই কলাৰত 'ৰায়চাহাব' লিখি এৰি দিছে। এইটো মানুহৰ বেছ্ আমোদৰ বস্তু হৈছে। চকুত পৰা মাত্রে আমি কথা হ'লোঁ—কাক উদ্দেশ্য কৰি এই বিদ্রূপ কৰা হৈছে বুজিলোঁ। যি কি নহওক, কুকুৰটো ধৰাই আনি নেক্‌টাই আৰু লিখা থকা কাকতখন গুচাই দিয়া হ'ল। এনেবিলাক কথা মহাত্মাই ভাল নাপায়।....... ·

জাহাজ চাপিলত আমি কেইজনমান ষ্টীমাৰত উঠি ওপৰলৈ গ'লোঁ। জনতাই জাহাজত উঠিবলৈ হুৱাহুৱা লগালে। টাউনৰ গণ্যমান্য লোক কিছুমানক যাবলৈ কোৱা সত্বেও নগ'ল। তেওঁলোক পাৰত থাকিল। আমাৰ নিয়ন্ত্রণ সুকলমে হ'ল। ··· কিন্তু মহাত্মা গান্ধীক সদলে নমাই অনাৰ পিছত আমি জনতা নিয়ন্ত্রণ কৰিব নোৱাৰিলোঁ; মানুহে "মহাত্মা গান্ধীজী কি জয়" ধ্বনিৰে হেঁচা মাৰি ধৰিলে। মহাত্মা গাড়ীত উঠা মাত্রে গাড়ী এৰি দিলে আৰু জনতাই পাছে পাছে লৰি যাবলৈ ধৰিলে। বস্তু-বাহানি হেৰায় বুলি আমি কেইজনমান পাছত থাকিলোঁ। আমি খোজ কাঢ়ি আহিবলগীয়া হ'ল। শুনিলোঁহি, মহাত্মাই এটা সৰু বাকচৰ খবৰ লৈছিল, হেৰাল বুলি সন্দেহ হৈছিল। তেওঁৰ লগত অহা প্রভুদাসৰ (প্রভুদাস গান্ধী) হোনো অলপ খং উঠিছিল। যি কি নহওক, সকলো বস্তু-বাহানি হিচাপমতে পোৱাত প্রভুদাসৰ খং মাৰ গ'ল।

আগৰৱালাৰ ঘৰৰ সমুখফালৰ খোটালীৰ মজিয়াত গাদীৰ দৰে কৰা হৈছে। মহাত্মা গান্ধী জাহাজৰপৰা নামি তাত বহি চিঠি-পত্র লিখা কামত ব্যস্ত হৈ আছে। এনেতে কৃষ্ণদাসে (লগত অহা বঙালী ডেকা) ক'লে, মহাত্মাই কিছুমান তথ্য-পাতি বিচাৰিব। চাহবাগিচাৰ সংখ্যা, বনুৱাৰ সংখ্যা, emigration report, census report আদি জুবিলী লাইব্রেৰীৰপৰা যোগাৰ কৰি থোৱা হ'ল। মহাত্মাই সুধিলে, "আজি ইয়াত দিনটোৰ কার্যসূচী কি?" আমি আবেলি চাৰি বজাত ৰাজহুৱা সভাৰ বাহিৰে একো দিহা কৰা নাছিলোঁ। আমি বহুতো কথা জনা নাছিলোঁ। যি কি নহওক, তেওঁক কোৱা হ'ল, "আপুনি আজিৰ দিনটো কেনেকৈ ব্যৱহাৰ কৰিব বিচাৰিছে, সেইমতে দিহা কৰিম।" মহাত্মাই ক'লে, "মানুহৰ লগত দেখা-সাক্ষাতৰ কাৰণে মোক এটা সময় দিয়া। যিসকলে মোৰ লগত কথা বিচাৰে, তেওঁলোকৰ লগত কথা হ'বলৈ এঘণ্টা ৰাখা। মহিলাসকলৰ লগত কথা হ'বলৈ এঘণ্টা ৰাখা; শিপিনী-বোৱনীসকলকহে মোক লাগে। ফুকনে মোক তেজপুৰত চাহ বাগিচা দেখুৱাব পাৰিব বুলিছিল; তাৰ বাবেও অলপ সময় ৰাখা।"

মানুহ আহিয়েই আছে। যিসকলে কথা পাতিবলৈ বিচাৰিছে তেওঁলোকৰ তালিকা কৰি মহাত্মাৰ ওচৰত বহুওৱা হ'ল। মহিলাৰ সভা বঙালী থিয়েটাৰ হলত ততালিকে পতাৰ ব্যৱস্থা হ'ল। আগৰেপৰা খবৰ-বাতৰি দিয়া নাথাকিলেও তিৰোতা মানুহ ভৰি পৰিল। ইমান দিনলৈকে নগৰত তিৰোতাসকল দিনৰ ভাগত বাটৈদি ওলোৱা নাছিল। আজিৰ মিটিঙৰ বাবে তিৰোতাসকলে থিয়েটাৰ হললৈ ঢাপলি ম'লে।

চাৰি বজাৰ ৰাজহুৱা সভালৈ যোৱাৰ আগতে মহাত্মাক তেজপুৰৰ ওচৰৰ পৰোৱা চাহবাগিচালৈ নিয়া হ'ল। (এইখন বাগিচা য়ুৰোপীয়ৰ হাতৰপৰা সেই সময়ত এটা ভাৰতীয় কোম্পানীৰ হাতলৈ আহিছিল। এইখন বাগিচাৰ পিছত নাম হৈছিল নুৰবাৰী।) ....

মহাত্মা চাৰি বজাত আহি প'লো ফিল্ডৰ মিটিঙৰ ঠাই পালেহি। প'লোফিল্ডত গোট খাই থকা জনতাই উত্তাৱল হৈ জয়ধ্বনি দিলে। সকলো মানুহকে নিজৰ নিজৰ ঠাইত জানিবা ৰখাব পৰা হ'ল। আমি শৃঙ্খলা ৰক্ষা কৰিব পাৰিলোঁ। মহাত্মাই বক্তৃতাৰ পোনতে 'হিন্দ্ স্বৰাজ'ত অসমীয়া মানুহৰ বিষয়ে কৰা মন্তব্য সম্পৰ্কে ক্ষমতাসূচকভাৱে দুআষাৰ কথা ক'লে। তেওঁ ক'লে যে ভাৰতৰ এটা চুকত হ'লেও অসমৰ কথা নজনাটো তেওঁৰ দোষ হৈছে। কিন্তু এই দুদিনতে অসম আৰু অসমীয়া সংস্কৃতিৰ সকলো কথা গম পাই তেওঁ মুগ্ধ হৈছে। বিশেষকৈ অসমীয়া শিপিনীৰ কাপোৰ বোৱা কলা-কৌশলত তেওঁ মুগ্ধ হৈছে। এইদৰে তেওঁ অসমলৈ কিয় আহিছে বুজাই ক'লে। পঞ্জাবৰ অত্যাচাৰ, খিলাফতৰ অন্যায় সম্বন্ধে কোৱা আৰু স্বৰাজৰ বাবে যত্ন কৰিবলৈ ৰাইজক উদগনি দিয়া তেওঁৰ উদ্দেশ্য। এইদৰে কৈ বস্ত্ৰ-যজ্ঞৰবাবে তেওঁ বিলাতী কাপোৰ বিচাৰিলে। ৰাতিপুৱাৰেপৰা সেৱকসকলে বস্ত্ৰ-যজ্ঞৰ বাবে মঞ্চৰ সমুখত কাপোৰৰ দ'ম সজাই থৈছিল।

মহাত্মাজীৰ কথা শ্ৰীযুত ফুকনে অসমীয়াতে বুজাই কলে। ফুকনৰ অনুবাদ বৰ শুৱলা হৈছিল। মহাত্মাজীৰ গোটেই বক্তৃতাটো মনত ৰাখি, মহাত্মাৰ যুক্তিৰ অলপো হেৰফেৰ নোহোৱাকৈ কব পৰাটো এটা ডাঙৰ কথা। গান্ধীৰ কথাবিলাকে ফুকনৰ মুখত যেন এটা নতুন মন্ত্ৰশক্তি পালে।

মৌলানা মহম্মদ আলি আৰু মৌলানা আজাদ ছোভানীয়েও বক্তৃতা দিলে। বস্ত্ৰ-যজ্ঞৰ দৃশ্যটো কেতিয়াও পাহৰিব নোৱাৰি। হঠাতে এই বিৰাট জনতাৰ যেন কিবা এটা পৰিৱৰ্তন হ'ল। সকলোৱে নিজৰ নিজৰ গাৰ কাপোৰ দলিয়াবলৈ ধৰিলে। এনে এটা অভূতপূৰ্ব দৃশ্য দেখি সকলো ৰব লাগিল।.........

আজি মিটিঙত এটা ঘটনা ঘটিল। সেৱক এজনে জনালেহি জনতাৰ পিছত কেইজনমান চাহাবে চিগাৰেট হুপি আছে। ইয়াকে লৈ কিছুমানে আপত্তি কৰিছে আৰু লগে লগে উত্তেজনাৰ ভাব আহিছে। লক্ষ্মীধৰ শৰ্মাক (৺দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা) লগত লৈ চাহাবহঁত থিয় দি থকা ঠাইলৈ আহিলোঁ। দেখোঁ বালিপাৰা ফ্ৰণ্টিয়াৰৰ পলিটিকেল অফিচাৰ মিঃ নেভিল, পুলিচ চাহাব ফ্ৰেঞ্চ আৰু দুজনমান চাহবাগিচাৰ চাহাব। তেওঁলোকে চিগাৰেট হুপি মিটিং চাই আছে। আমি গৈ পোৱা মাত্ৰে নেভিল চাহাবে ক'লে, "দক্ষিণ আফ্ৰিকাত গান্ধীৰ লগত জনা-শুনা আছিল, তেওঁক চাবলৈ আহিছোঁ।" যি কি নহওক, লক্ষ্মীধৰ শৰ্মাই মিঠা মাতেৰে ক'লে. "চাওক, আজি মহাত্মা গান্ধী এইখন পথাৰত থিয় দিয়াত সকলো ৰাইজৰ কাৰণে এইখন তীৰ্থক্ষেত্ৰ হোৱাদি হৈছে। আমাৰ মানুহে পবিত্ৰ ঠাইত চিগাৰেট আদি নাখায়। আপোনালোকে এই জনতাৰ মনত দুখ দিবনে?" কোৱা মাত্ৰে বাগিচাৰ চাহাব কেইজনে-চিগাৰেট দলিয়াই পেলালে। কিন্তু পুলিচ চাহাবৰ খং উঠা যেন দেখা গ'ল, তেওঁৰ মুখখন ৰঙা পৰিল। যি কি নহওক, তেৱোঁ একো নমতাকৈ চিগাৰেট দলিয়াই পেলালে। কিন্তু তাৰপৰা লগৰীয়াহঁতক লৈ গুচি গ'ল। মহাত্মাজীয়ে মিটিং শেষ হোৱাৰ লগে লগে আহাৰ গ্ৰহণ কৰি তেওঁৰ সাপ্তাহিক মৌনব্ৰত ল'লে।..........

আজি ২২ আগষ্ট। মহাত্মাজীৰ মৌনব্ৰতৰ দিন। যদিও মৌন তথাপিও কাম কৰি আছে। লিখা কাম, সূতা কটা আদি সকলো হৈ আছে। মুখেৰে কথা নক'লেও লিখি জনাই আছে। ২৪ ঘণ্টাৰ বাবে আজি লঘোন, ৬ বজাত আহাৰ গ্ৰহণ কৰি মৌনতা ভাঙিব। যমুনালাল বাজাজে মাৰোৱাৰী ব্যৱসায়ীসকলৰ লগত কথা হৈ আছে। পূজাৰ সময়ত বিলাতী কাপোৰ নেবেচিবলৈ প্ৰতিশ্ৰুতি লোৱাৰ ব্যৱস্থা কৰি আছে।..........

পাঁচ বজাৰ পিছত আজিও কালিৰ দৰে ডাঙৰ মিটিং বহিল। মহাত্মাজী আহাৰ গ্ৰহণ কৰি মৌনতা ভাঙিহে মিটিঙলৈ আহিল। মৌলানা মহম্মদ আলি আৰু মৌলানা আজাদ ছোভানীয়ে আজি পোনতে সভাত বক্তৃতা দিলে। মহাত্মাজী পিছত আহিল। আজিও সেৱকসকলে বহুতো বিলাতী কাপোৰ সংগ্ৰহ কৰি দমাই থৈছিল। আজিও কালিৰ দৰে বস্ত্ৰ-যজ্ঞ হ'ল। টি-বি ৰেলৱেই স্পেচিয়েল ট্ৰেইন দিয়াত বাগিচা-বিলাকৰ পৰা বনুৱা বহুতো আহিছিল।

ৰাজহুৱা সভাৰ শেষত ৮ বজাত মহাত্মাই সেৱকসকলক দু-আষাৰ উপদেশ দিলে। ঘৰৰ বাৰান্দাত এখন ডাঙৰ পীৰাতে গাদী পাৰি দি মহাত্মাক বহুওৱা

হ'ল। সেৱকৰ কৰ্তব্য সম্পৰ্কে মহাত্মাই বুজাই ক'লে। সেৱক কেনে হোৱা উচিত, সেৱক কি গুণৰ অধিকাৰী হোৱা উচিত তাকে বুজাই ক'লে, "সেৱক সত্যবাদী, মিষ্টভাষী, বাহ্যিক আড়ম্বৰশূন্য হোৱা উচিত। মূৰৰ চুলি তোমালোকে চুটিকৈ কাটিবা। চুলি দীঘলকৈ ৰাখিলে চুলি আঁচোৰা, চুলি ঠিক্‌মতে ৰখাতেই সময় বহুত লাগে আৰু মনটো তাতেই থাকে।" এইদৰে মহাত্মাজীয়ে কোৱাৰ পিছত লক্ষ্মীধৰ শৰ্মাই প্ৰশ্ন কৰিলে, "অহিংসাৰ কথা মোটামুটিকৈ বুজিলেও সকলো কথা বুজা নাই। এগৰাকী তিৰোতাৰ ওপৰত অত্যাচাৰ হোৱা চকুৰ সমুখত আমি দেখি আছোঁ। এনে এটা পৰিস্থিতিত অহিংসাৰে তিৰোতাগৰাকীক কেনেকৈ ৰক্ষা কৰিব পাৰোঁ?" এই প্ৰশ্নৰ উত্তৰত মহাত্মাজীয়ে ক'লে, "তোমাৰ ওপৰত যিগৰাকী তিৰোতাক ৰক্ষা কৰিবলৈ দায়িত্ব পৰিছে তেওঁক ৰক্ষা কৰিবলৈকো হিংসা প্ৰয়োগৰ একো ক্ষেত্ৰ নাই। হিংসা প্ৰয়োগেৰে তিৰোতাগৰাকীক ৰক্ষা কৰাতকৈ অত্যাচাৰীজনৰ ওচৰত নিজক সঁপি দিয়া। ইয়াৰ বাবে তোমাৰ যথেষ্ট মানসিক আৰু শাৰীৰিক সাহৰ প্ৰয়োজন হ'ব। তোমাৰ গাত বল থাকিব পাৰে, কিন্তু সেই বুলি মনত যে সাহ থাকিব, সেইটো নহয়। সেইবাবে মনৰ সাহ প্ৰয়োগ কৰা, এই সাহ দেখুওৱাত কি হয় চোৱা। দেখিবা, অত্যাচাৰীজনৰ খং তোমালৈ প্ৰয়োগ হ'ব। তুমি খঙেৰে প্ৰত্যুত্তৰ নিদি কিল, ভুকু সকলো গাত পাতি লোৱা। তেতিয়া কি হয় চোৱা। মই আশ্বাস দি কওঁ, তেওঁৰ সকলো খং তাতে মাৰ যাব। তিৰোতাগৰাকীক ৰক্ষা কৰিব পাৰিবা।" মহাত্মাজীৰ কথাবিলাক শুনিবলৈ ভাল লাগিল। কিন্তু কাৰ্যক্ষেত্ৰত কেনেকৈ প্ৰয়োগ কৰিব পাৰি তাকেই ভাবিলোঁ। ....

ৰাতি ১০ বাজিবৰ হ'ল। খবৰ আহিল—জাহাজঘাটলৈ মহাত্মাজীক নিব লাগে। মহাত্মাৰ বাবে স্পেচিয়েল জাহাজৰ বন্দোবস্ত হৈছে। আগতে নগাঁওলৈ যাবৰ কথা নাছিল। তেজপুৰলৈ আহি আৰু স্পেচিয়েল জাহাজ বন্দোবস্ত হোৱাত নগাঁও হৈ যোৰহাট পোৱাৰ দিহা হ'ল। সাত দিনৰ কাৰ্যতালিকা থাকিলেও এতিয়া দিন বাঢ়িব। এই স্পেচিয়েল জাহাজখনত বহুতো মানুহ উঠিবলৈ যত্ন কৰিছিল। বৰ কষ্ট কৰি জনতাৰ হেঁচা ৰাখিব পৰা গ'ল। কলিয়াবৰ অঞ্চলৰ পৰা অহা লোকসকলক জানিবা যাবলৈ দিয়া হ'ল। আমি জাহাজ এৰি যোৱাত শূন্য মনেৰে ঘৰলৈ উভতিলোঁ।

* * *

২৫ আগষ্ট। মহাত্মা গান্ধী যোৱাৰ পিছত নানান ঠাইৰ পৰা যিবিলাক বস্তু-বাহানি অনা হৈছিল সেইবিলাক ঘূৰাই দিয়াটোৱে ডাঙৰ কাম হৈছে। অসমীয়া শিপিনীয়ে বোৱা পুৰণিকলীয়া বহুতো কাপোৰ, নানান বিধৰ শৰাই সংগ্ৰহ কৰা

হৈছিল। অসমীয়াৰ সাংস্কৃতিক জীৱনৰ নিদৰ্শন স্বৰূপে মহাত্মা গান্ধীক দেখুওৱা হ'ল। যাতে কোনো এবিধ বস্তু নেহেৰায় তাৰ বাবে সকলো বস্তু ঘূৰাই দিয়া কামটো ডাঙৰ আছিল। যিহওক সকলো কাম সুকলমে কৰা হ'ল। নিকামুল সত্ৰকে আদি কৰি কেইবাখনো সত্ৰৰ পৰা বস্তু অনা হৈছিল। এইবিলাক কাম শেষ হোৱাত সেৱকসকল নিজৰ নিজৰ কেন্দ্ৰলৈ গ'ল। ২৮ তাৰিখ—কালি গধূলিৰ মেইল জাহাজত লক্ষ্মীধৰ আৰু চন্দ্ৰনাথ শৰ্মা উভতি আহি পালেহি। চন্দ্ৰনাথ শৰ্মাৰ বৰ জ্বৰ লৈ আহিছে। তেওঁৰ শৰীৰ তাপৰ মাত্ৰা বৰ বেছি দেখি স্তম্ভিত হলোঁ। তেওঁ কিছুদিনৰ পৰা বৰ বেছি পৰিশ্ৰম কৰিছে। জুন মাহত কিছুমান চাপৰিলৈ গৈ নেপালী মহাজনসকলৰ পৰা এশটকাকৈ তিলক স্বৰাজ ভঁৰাললৈ দান সংগ্ৰহ কৰিছিল। জ্বৰ থাকিলেও জিৰণি লোৱা নাছিল। জ্বৰৰ গাৰেই মহাত্মা গান্ধীৰ লগত ফুৰিলে। যিহওক ৰাতিটোলৈ স্বৰাজ আশ্ৰমত তেওঁৰ বাবে বিশেষ বন্দবস্ত কৰি ৰখা হল। কিন্তু তেওঁক বেমাৰী অৱস্থাত ইয়াত চলাটো অসম্ভৱ। যিহওক ওচৰতে আৰু এটা ঘৰ খালী হৈ থকাত তাত ৰখাৰ বন্দবস্ত কৰিবলৈ স্থিৰ কৰা হল। সেই ঘৰটো আছিল বালিপাৰাৰ মৌজাদাৰ মনোমোহন চৌধুৰীৰ। তেওঁলৈ চিঠি দিয়াত তেওঁ ততালিকে সম্মতি দিলে।

তেওঁৰ সেৱা-শুশ্ৰূষাৰ বাবে পাল পাতি কেইবাজনো সেৱকক দিয়া হল। ডাক্তৰ আহি চাই-চিটি ক'লে অনুবীক্ষণ যন্ত্ৰৰে পৰীক্ষা কৰাব লাগিব। তাৰ ফলাফল আহিল—যক্ষ্মাবেমাৰৰ জীৱাণু পোৱা গৈছে বুলি ডাক্তৰে জনালে। কিছুমানে পৰামৰ্শ দিলে—কলিকতালৈ লৈ যাব লাগে—কলিকতাত ডাক্তৰ গোপালী চাটাৰ্জি নামৰ এগৰাকী ডাক্তৰে যক্ষ্মা চিকিৎসাত খ্যাতি লাভ কৰিছে। বেমাৰীক জনোৱা হবনে নাই এই সম্পৰ্কে চিন্তিত হলোঁ। জানোচা বেমাৰীৰ মনলৈ অৱহেলাৰ ভাব আহে। কিন্তু চন্দ্ৰ শৰ্মা দৃঢ় মনৰ লোক। তেওঁৰ মনলৈ অৱসাদৰ ভাব নামিব বুলি ধৰি সকলো কথা জনালোঁ। আৰু কলিকতালৈ নিয়াৰ কথা কলোঁ। তেওঁ সুধিলে—কলিকতালৈ গৈ চিকিৎসাৰ খৰচ ক'ৰ পৰা যোগাৰ হব। চাবা মোৰ বাবে তিলক-স্বৰাজ ভঁৰালৰ পৰা যেন এপইচাও খৰচ নহয়।"

চিকিৎসাৰ খৰচৰ বাবে প্ৰয়োজনীয় টকাৰ কথা—ইমান পৰলৈকে ভবা নাছিলোঁ—এতিয়া ভাবিবলগীয়া হ'ল দুজনমান উকিল বন্ধুৱে মাইসিং মেঘৰাজৰ দোকানৰ মনিব-জনক কোৱাত তেওঁৱেই ধন সংগ্ৰহ কৰি এহেজাৰ টকাৰ মোনা এটা দিলেহি আৰু মোক ক'লে যে টকাৰ অভাৱত তেওঁৰ চিকিৎসাৰ কোনো অসুবিধা নহয়। এতিয়া কলিকতালৈ নিওতে ট্ৰেইনত নিনি জাহাজেৰে নিয়াটো স্থিৰ কৰা হ'ল। সেই

বাবে গুৱাহাটীলৈ তেওঁৰ সহধৰ্মিনীলৈ খবৰ দিয়া হ'ল। কিছুমানে ক'লে ব্ৰহ্মপুত্ৰৰ মুকলি বতাহতে তাপৰ মাত্ৰা কমি যাব।

মহাদেৱ শৰ্মাই ক'লে, "ময়ো যক্ষ্মাবেমাৰত আক্ৰান্ত হোৱাত স্বৰ্গীয় চেতিয়াই (জয়দেব শৰ্মা) মোক এখন নাওত এবছৰলৈ ৰখাত মই ভাল হ'লো। ব্ৰহ্মপুত্ৰৰ মুকলি বতাহেই মোক ভাল কৰিলে। কলিকতালৈ যাওঁতে জাহাজত চৈধ্য-পোন্ধৰ দিন লাগিব। এই পোন্ধৰ দিনতেই নিশ্চয় কিছু ভাল পাব।"

যিহওক জাহাজঘাটলৈ উজনীৰ পৰা কি কি জাহাজ আহিবলগীয়া আছে খবৰ ল'লোঁ। ২ ছেপ্টেম্বৰ তাৰিখে পেগু বোলা এখন ডাঙৰ জাহাজ অহাৰ কথা আছে বুলি শুনি সেইখনতেই তেওঁক পঠোৱাটো স্থিৰ কৰা হ'ল।

দুই চেপ্টেম্বৰ। ৰাতিপুৱা পেগু জাহাজ তেজপুৰ ঘাট পালেহি। আমিও চন্দ্ৰনাথ শৰ্মাক জাহাজত তুলি দিলোঁ। লগত আমাৰ কৰ্মী জগন্নাথ গোস্বামীক আৰু এজনৰে সৈতে পঠালোঁ। জাহাজখন গুৱাহাটী পিছদিনা পোৱাৰ কথা, শিঙৰী আৰু খাৰুপটীয়াত বহুতো চাহ-বাকচ তুলিবলগীয়া আছে হেনো। গতিকে এই জাহাজখন গুৱাহাটী পাওঁতে সময় ল'ব। সেইবাবে মই এইখনত নগৈ পোষ্টেলৰ মেইল জাহাজত যোৱাটো স্থিৰ কৰিলোঁ।

তিনি চেপ্টেম্বৰ। মেইল জাহাজ ৰাতিপুৱাই পালেহি। জাহাজৰপৰা নামি গৈ মই হেমবৰুৱাক লগ ধৰি গুৱাহাটীৰ সকলো খবৰ ললোঁ আৰু চন্দ্ৰশৰ্মাৰ শহুৰেকৰ ঘৰলৈ গৈ তেওঁৰ লগত কোন যাব খবৰ ল'লোঁ। পেগু জাহাজ ১০ বজাত গুৱাহাটী পালেহি। গুৱাহাটীত জাহাজখন সৰহপৰ নৰব। সোনকালে সাজু হব লাগে।

মহাত্মা গান্ধী যোৱাৰ পিছত দেশভক্ত ফুকনে ছেৰাপভাঠীৰ দোকনত নিজেই পিকেটিং কৰাত লাগিছে বুলি হেমবৰুৱাই ক'লে। পল্টন বজাৰৰ ৰামস্বৰূপৰ দোকানত টুল এখন লৈ বহি থাকি পিকেটিং কৰে। মহাত্মা গান্ধীয়ে ফুকনৰ সুপ্ত প্ৰতিভা জগাই তুলিলে।

দহ মান বজাত পেগু জাহাজখন আহি পোৱাত বাইচাইকেলত দেশভক্ত চন্দ্ৰনাথ শৰ্মাক চাবলৈ জাহাজঘাটলৈ আহিলো। কি বন্দবস্ত হৈছে বুলি সোধাত ক'লোঁ, কলিকতাত ঘৰ এটা বিচাৰিবলৈ জনোৱা হৈছে আৰু কেইদিনমান পিছত ময়ো কলিকতালৈ গৈ চিকিৎসাৰ দিহা কৰিম। জাহাজখন ১২ বজাত গুৱাহাটী এৰি ভটিয়াই গ'ল; ময়ো আবেলি তিনি বজাৰ মেইল জাহাজত তেজপুৰলৈ বুলি ৰাওনা হ'লো।

ন চেপ্টেম্বৰ তাৰিখ। মই দুপৰীয়া কলিকতা পালোঁহি। ৩ নম্বৰ হেৰিশ্চন ৰ'ডৰ মেডিকেল কলেজৰ মেছত সহপাঠী বন্ধু মেডিকেল কলেজৰ ছাত্ৰ বংশীধৰ বৰুৱাৰ (স্বৰ্গীয় ডক্টৰ বংশীধৰ বৰুৱা) আলহী হৈছোঁহি। ইয়াত সুৰেণ দত্ত, বত্ৰিশ গগৈকে আদি কৰি অসমীয়া ছাত্ৰ আছে।

তেৰ চেপ্টেম্বৰ তাৰিখ। এইকেইদিন ইয়াত ঘৰ বিচাৰি আছোঁ। যি কি নহওক, শ্যাম বজাৰৰ ওচৰত ভীম ঘোষ লেনত এটা ঘৰ পোৱা হ'ল। গধূলি জগন্নাথে লগ ধৰিলেহি—জাহাজ হেনো খিদিৰপুৰ পালেহি। কালিয়েই নমাব লাগিব। খিদিৰপুৰত চাহ-বাকচ নমাই জাহাজ নৈৰ মাজত ৰখাব। যি কি নহওক, গধূলি খিদিৰপুৰলৈ গ'লো আৰু নিশা জাহাজতেই থাকিবলৈ স্থিৰ কৰিলোঁ। এইকেইদিনৰ বিশ্ৰামত চন্দ্ৰ শৰ্মাৰ এটা ভাল ফল হৈছে। শৰীৰৰ তাপ কমিছে, গাতো বল পাইছে বুলি ক'লে।

প্ৰেমচাঁদ বৰাল ষ্ট্ৰীটত থকা ডাক্তৰ গোপাল চ্যাটাৰ্জীক আগতেই লগ ধৰিছোঁ। তেওঁ কৈছে, "বেমাৰীজন আহিলে চাম, তাৰ পিছতহে পৰামৰ্শ দিব পাৰিম।"

চৈধ্য চেপ্টেম্বৰ। দুপৰীয়া আহাৰৰ পিছত চন্দ্ৰ শৰ্মাক নমাই ভাৰাঘৰলৈ অনা হ'ল।

*　　　*　　　*

পোন্ধৰ চেপ্টেম্বৰ। ডাক্তৰ চ্যাটাৰ্জীয়ে চাই গ'লহি। তেওঁ ক'লে, Prognosis বৰ ভাল নহয়, তথাপি চেষ্টা কৰি চাম। দুয়োটা লাঙ্‌ছতেই বীজাণুৰ আক্ৰমণ হৈছে। X-Ray কৰাবলৈ চিঠি লেখি দিলে।

আজিৰ বাতৰি কাকতত মহম্মদ আলিক গ্ৰেপ্তাৰ কৰাৰ বাতৰি ওলাইছে। ৱালটেয়াৰ ষ্টেশ্যনত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে। কথাবাৰত বৰ বেয়া লাগিছে।

*　　　*　　　*

বংশীধৰহঁতৰ লগত মহম্মদ আলিৰ গ্ৰেপ্তাৰৰ কথা আলোচনা কৰিছোঁ। কৰাচীৰ প্ৰস্তাৱৰ বাবেই গ্ৰেপ্তাৰ কৰা হৈছে।

যোল্ল তাৰিখ। চন্দ্ৰ শৰ্মাৰ চিকিৎসাৰ ব্যৱস্থা কৰি তেজপুৰলৈ উভতিলোঁ। তেজপুৰ পায়েই আন্দোলনৰ কামত লাগিবলগীয়া হ'ল। সূতা কটা আৰু স্বদেশীৰ ওপৰতেই মহাত্মাই জোৰ দি আছে। ৩০ চেপ্তেম্বৰ তাৰিখৰ আগতে তেজপুৰত দহ হেজাৰ যঁতৰ চলাবলৈ দিহা কৰাৰ দায়িত্ব আমাৰ ওপৰত পৰিছে। ছাটনী যঁতৰ, ঘিলা যঁতৰ তেজপুৰৰ যমুনা মিস্ত্ৰিক দিয়েই কৰাই আছোঁ। কিন্তু ইয়াৰ

পৰা সকলো ঠাইলৈ যঁতৰ যোগোৱা টান কথা হৈছে। গাঁৱলীয়া যঁতৰবিলাক মহুৰা ফুৰোৱাত লগোৱা বাবে তাৰে সূতা কটা টান। সেইবিলাক কেনেকৈ ভাল কৰিব পাৰি'সিও এটা সমস্যা হৈছে। কিছুমান ঠাইত সূতা কটাৰ অভ্যাস ভালকৈ আছে। ছিলাবন্ধা, মাধৱ, বিশ্বনাথ—এইবিলাক গাঁৱত সূতা কটা শিপিনী পোৱা হৈছে। কিছুমানে বিশেষকৈ বামুণ কিছুমানৰ ঘৰত কপাহো আছে। চ'ত মাহতেই আমি কপাহৰ গুটি ঘৰে ঘৰে বিলাই দিছোঁ। যোৱা বহাগ মাহত বৰগাঁৱলৈ যাওঁতে দেখিলোঁ কংগ্ৰেছ কেম্পৰ সমুখত এপূৰামান মাটিত লোকনাথ গোস্বামীয়ে (বৰগাঁৱৰ সত্ৰাধিকাৰ) কপাহ লগাইছে। এইবিলাক কাম হ'লেও কপাহ পোৱাত পলম আছে। সেইবাবে কপাহ যোগান দিবলগীয়া হ'ল। শ্ৰীকালীপ্ৰসাদ বৰা জখলাবন্ধাৰ মানুহ—সেইবাবে তেওঁক কুঠৰীলৈ পঠিওৱা হ'ল।

তাৰ মাৰোৱাৰী দোকান কিছুমানত হেনো কপাহ আছে। ফুলটুং কাকনগুৱে এদিন ক'লেহি—তেওঁ ধনশিৰি ঘাটৰপৰা (গোলাঘাট) কপাহ আনিব পাৰিব আৰু খবৰ পোৱা হ'ল যে, লুইতমুখতো কপাহ পোৱা হ'ব। সেই অঞ্চলত (মিৰিসকলে) জিম কাপোৰ ব'বলৈ কপাহ মাৰোৱাৰীৰ দোকানত আনে। তেওঁলোকে স্থানীয় মিৰি ৰাইজক বেচে। এইদৰে নানান ঠাইৰপৰা কপাহ অনাবলৈ দিহা কৰা হ'ল।

কলিকতাৰ পৰা উভতি অহাৰ পিছত খবৰ পোৱা হ'ল যে, মঙ্গলদৈৰ ছিপাঝাৰৰ কানিৰ দোকান জ্বলাই দিয়া হৈছে। এই ঘটনাৰ বাবে দীনেশ্বৰ শৰ্মাক গ্ৰেপ্তাৰ কৰি আনিছে বুলি শুনিবলৈ পালোঁহি। তেওঁক জাহাজত পঠোৱা বাতৰি পাই কংগ্ৰেছ কেম্পৰপৰা কেইবাজনো ঘাটলৈ গৈ তেওঁক লগ ধৰিছিল। জাগীৰোডৰ ঘটনাৰ পিছত এইটো দ্বিতীয় ঘটনা। কপাহ যোগাৰ কৰিলেই সমস্যাৰ ওৰ পৰিব বুলি ভবা হৈছিল। কিন্তু এতিয়া দেখা গ'ল, কপাহ পালেও গুটি গুচোৱাৰ এটা ডাঙৰ সমস্যা, নেওঠনী পোৱা যায় ক'ত? গাঁৱলীয়া নেওঠনীবিলাক প্ৰায়েই অচল অৱস্থাত থকা বাবে অকামিলা হৈছে। এইবিলাকক কেনেকৈ শুধৰাব পাৰি? সেইবাবে মিস্ত্ৰি লগা হ'ল। যি কি নহওক, লক্ষ্মীধৰৰ ককায়েক পিটিৰ (শ্ৰীগিৰিশ শৰ্মা) বেচ উদ্ভাৱনী শক্তি আছে। তেওঁক লগোৱা হ'ল। হেম হাজৰিকাই পাভৈৰ পৰা ঘনশ্যাম মিস্ত্ৰিক পঠালে। এইদৰে তেজপুৰতে তেওঁলোকক পৰীক্ষাৰ ব্যৱস্থা কৰা হ'ল।

এটা এটাকৈ সমস্যা আমাৰ সন্মুখলৈ আহি আছে। এতিয়া কপাহ ধুনা, পাঁজি বটা—এইবিলাক কেনেকৈ কৰিব পাৰি। লেপ তৈয়াৰ কৰা ধুনীয়া এজনক

এই কামত লগোৱা হ'ল আৰু গাঁৱলৈ পঠোৱা হ'ল পাঁজি বটা শিকিবলৈ। এইদৰে লাহে লাহে আমাৰ ব্যৱস্থাই এটা গঢ় ল'বলৈ ধৰিলে।

*　　　*　　　*

মহাত্মা গান্ধী তেজপুৰ এৰি যাবৰেপৰা আমাৰ এইবিলাকেই কাম হৈছে, আৰু এতিয়া নিতৌ সূতা কটাৰ প্ৰদৰ্শনী পাতি আছোঁ। দোকানবিলাকৰ সমুখৰ বাৰাণ্ডাত আমি সকলো বহি এঘণ্টামান সূতা কাটোঁ।

*　　　*　　　*

মহাত্মাজীৰ মাদ্ৰাজৰ বক্তৃতাবিলাকৰ সাৰাংশ চাৰ্ভেণ্ট কাকতত ওলাইছে।

*　　　*　　　*

একৈশ চেপ্টেম্বৰ তাৰিখ। মহাত্মাজীয়ে এটা ডাঙৰ সঙ্কল্প লোৱা বুলি বাতৰি কাকতত ওলাইছে। উনৈশ চেপ্টেম্বৰ তাৰিখে মহাত্মাজীয়ে ত্ৰিচিনপল্লীৰত ডাঙৰ এটা সঙ্কল্প গ্ৰহণ কৰিছে। "মই জানো বহুতেই বিলাতী কাপোৰ এৰি খাদি কাপোৰ ল'বলৈ টান পাব। ভাৰতৰ কোটি কোটি মানুহ ইমান দুখীয়া যে তেওঁলোকে বিলাতী কাপোৰ এৰি সেই জোখাই খাদি কিনিবলৈ টান পাব। তেওঁলোকে কঁকালত এডোখৰ কাপোৰ মেৰিয়াই সন্তুষ্ট হওক। আমাৰ দেশৰ জলবায়ুত গোটেই গা ঢাকিবলৈ কাপোৰ নহ'লেও চলে। মই নিজেই নকৰাকৈ আনক কিবা এটা কাম কৰিবলৈ দিবলৈ টান পাওঁ। সেইবাবে ৩১ অক্টোবৰ তাৰিখলৈ মই মূৰত টুপী, গাত চোলা নিপিন্ধোঁ। কেৱল মাত্ৰ এডোখৰ কাপোৰ কঁকালত মেৰিয়াই সন্তুষ্ট থাকিম। শৰীৰ ৰক্ষা কৰিবলৈ প্ৰয়োজন হ'লে চাদৰ ল'ম। যিসকলে বিলাতী কাপোৰ এৰিবলৈ টান পাইছে তেওঁলোকক দৃষ্টান্ত হিচাপে ময়েই এই ত্যাগ কৰি দেখুৱাইছোঁ। মই ভাবোঁ—এই ত্যাগ মোৰ বাবে প্ৰয়োজন হৈছে। আমাৰ অঞ্চলত অশৌচ পালন কৰোঁতে মূৰত পাগুৰি নমৰাকৈ উদং গাৰে থকা এক সামাজিক নিয়ম আছে।"

মহাত্মাজীৰ এনে সংকল্প পঢ়াত আমাৰ মাজত কথাবাৰ লৈ আলোচনা হ'ল। লক্ষ্মীধৰ শৰ্মাই ক'লে, "সৰহকৈ কাপোৰ ব'বলৈ আমাৰনো ধন ক'ত? অত খৰচ কৰি কেনেকৈ খদ্দৰ কাপোৰ সৰহকৈ কিনিব পাৰোঁ? এতিয়া কাপোৰৰ বাবে অভিভাৱকক টকা খোজাটোও টান।" এইদৰে আলোচনাৰ পিছত আমাৰ কিছুমানে আঠুমূৰীয়া কাপোৰ পিন্ধাটো স্থিৰ কৰিলে। গাত জানিবা বুনিয়ন এটা খাদিৰে চিলাই কৰি লোৱা হ'ল।

তেইশ চেপ্টেম্বৰ তাৰিখ। আজি চাৰ্ভেণ্টত আৰু বিত্তকৈ ওলাইছে। তেওঁ হেনো মুৰ খুৰাই পেলাইছে। যোৱা মাহত তেজপুৰত মহাত্মাজীয়ে চুলি দীঘলকৈ নৰখাৰ কথা আমাক কৈছিল। এই কথাষাৰ আলোচনা হ'ল। চুলি চুটিকৈ কাটিবলৈ ল'লেও মুৰ খুৰোৱা কথাষাৰ কোনেও ল'বলৈ নোলাল। * * * মহাত্মাজীয়ে আৰু এষাৰ কথা কৈছিল, "মই সন্ন্যাসী হ'লোঁ বুলি যেন কোনেও নাভাবে। দক্ষিণ ভাৰতৰ লোকৰ বাবে মোৰ এইদৰে পিন্ধা লাজৰ কথা একোৱেই নহয়। ভাৰতত বহুতো ডাঙৰ ঘটনা অৱশ্যম্ভাৱী। মই জানি-শুনিয়েই এনে এটা সঙ্কল্প লৈছোঁ।"

সাতাইশ চেপ্টেম্বৰ তাৰিখ। হেম বৰুৱাৰ চিঠি এখনত গুৱাহাটীৰ বহুতো কথা পোৱা হৈছে—মহাত্মাজী যোৱাৰ পিছৰেপৰা ফুকনে দ্বিগুণ প্ৰেৰণাৰে কাম কৰি আছে, বহুতো উকিলে আদালত বৰ্জন কৰিছে, মহৰীসকলৰ বহুতেই এইসকলৰ লগতেই আদালত বৰ্জন কৰিছে। এইবিলাকৰ প্ৰভাৱ গাঁৱে-ভূঞে পৰিছে। ফুকন বৰপেটালৈ যোৱাত ডাঙৰ মিটিং হোৱা বুলি জনাইছে। দক্ষিণ গণক গাড়ীত এখন ডাঙৰ মিটিং হৈছিল হেনো। বৰপেটাৰপৰা ফুকন বাহিৰে বাহিৰে ধুবুৰীলৈ গৈছিল। তাত এখন ডাঙৰ সভা বহিছিল। খিলাফতৰ মিটিং। এই সভাত ফুকনে বস্ত্ৰযজ্ঞ কৰিলে। বহুতো মাৰোৱাৰী দোকানীয়ে বিলাতী কাপোৰ আমদানি নকৰে বুলি প্ৰতিশ্ৰুতি লেখি দিছে। বক্তৃতাত কোৱা এষাৰ কথাত ডি. ছি (Col. Playfair) য়ে নোটিছ দিছে—কিয় মুচলীকা দিবলগীয়া নহ'ব তাৰ কাৰণ দৰ্শাওক।" বক্তৃতাত তেখেতে হেনো কৈছিল—পাপৰ ভৰত বৃটিছ ৰাজত্বৰ শেষ হ'ল। এই কথাষাৰতেই ডি.ছিয়ে ধৰিছে। ফুকন ঘূৰি আহিছে— গুৱাহাটীত সকলোৰে মাজত এই কথাষাৰ লৈ উত্তেজনা হৈছে। ল কলেজৰপৰা কোনো নোলালেও মই আৰু মহেশ্বৰ (স্বৰ্গীয় মহেশ্বৰ বৰুৱা, বি.এল্, গোলাঘাটৰ) ওলাম আৰু তেজপুৰলৈ গৈ তোমালোকৰ লগত কামত লাগিম। (মহেশ্বৰেও গোলাঘাটলৈ গৈ কামত লাগিব।) এইবুলি হেম বৰুৱাই লিখিছে।

*   *   *

ত্ৰিশ তাৰিখে ধুবুৰীৰ আদালতত হাজিৰ হ'বলগীয়া হোৱাত গুৱাহাটীত নিতৌ ডাঙৰ ডাঙৰ সভা বহি আছে বুলি খবৰ পোৱা হ'ল। ২৯ তাৰিখে দুপৰীয়াৰ ট্ৰেইনত দেশভক্ত ফুকনৰ লগত কৰ্মবীৰ বৰদলৈ আৰু ৪০ জন সেৱকক লৈ ধুবুৰীলৈ যাওনা হোৱাত ল কলেজ এৰি ২৯ তাৰিখে আৰ্বেলিৰ জাহাজত ৰাওনা হৈ আহি হেমবৰুৱা ৩০ তাৰিখে পুৱা তেজপুৰ পালেহি। ফুকন-বৰদলৈৰ গ্ৰেপ্তাৰৰ পিছত আমিনো কেনেকৈ

কাম কৰিম—তাকে আলোচনা কৰিলোঁ। আন্দোলনৰ উত্তেজনা লাহে লাহে বাঢ়িব ধৰিছে। ফুকনৰ ওপৰত পৰোৱানা ওলোৱা কথা ততালিকে সকলো ঠাইতে ওলাল। ধুবুৰীৰপৰা কি খবৰ আহে তালৈ আমি উত্‍ৰাৱল হৈ বাট চাই আছোঁ। হেম বৰুৱাই ক'লে—"শ্ৰী.......... দাৰোগাৰ ৰিপোৰ্টৰ ওপৰতেই এই নোটিছ হৈছে।"

*   *   *

এক অক্টোবৰ তাৰিখ। পূজালৈ সৰহ দিন নাই। সকলো ঠাইতে পিকেটিং জোৰেৰে চলি আছে বুলি ৰিপোৰ্ট আহি আছে। আনফালে গুৱাহাটীৰ কথাবিলাক জানিবলৈ আমি উত্‍ৰাৱল হৈ আছোঁ। পুৱাতে জাহাজঘাটলৈ থুলেশ্বৰক পঠিওৱা হ'ল—জাহাজৰপৰা নমা যাত্ৰীবিলাকৰ মুখৰপৰা কি বাতৰি সংগ্ৰহ কৰিব পাৰে সকলো গোটাই আনিবলৈ। হেম বৰুৱা এতিয়া পুৰাকৈ কামত লাগিবলৈ অহাত আমাৰ ভাল লাগিছে। উত্তেজনাৰ মাজত সকলোকে স্থিৰেৰে ৰখাটো এটা ডাঙৰ কাম। আনফালে মহাত্মাজীৰ নিৰ্দেশমতে ৩০ চেপ্টেম্বৰ তাৰিখৰ আগতে গাঁৱে গাঁৱে যঁতৰ প্ৰতিষ্ঠা কৰা আদি সকলো কামেই জুমুৰি মাৰি ধৰিছে। পিকেটিং, যঁতৰ প্ৰতিষ্ঠা কৰা, কপাহ-নেওঠনী যোগোৱা সকলো কামৰেই হেঁচা পৰিছে।

*   *   *

লক্ষ্মীধৰৰ ককায়েক পিটি (গিৰিশ বৰুৱা আৰু তুলসী ভট্টাচাৰ্য—নবীন চন্দ্ৰ ভট্টাচাৰ্যৰ ককায়েক) পুৱাতে আহি ওলাল। কাকতত কলিকতাৰ বেৰি কোম্পানীয়ে এখন তাঁত-শালৰ জাননী দিছে। সেইখন উন্নত শাল আৰু তাত দিনটোৰ ভিতৰত ৬ গজ কাপোৰ হেনো বৈ উলিয়াব পাৰি। তেওঁলোকে হেনো তাত ট্ৰেইনিঙো দিব। এইবিলাক কথা জনোৱাত বাতৰি কাকতৰ জাননীখন চোৱা হ'ল। পিটি (গিৰিশ) মিস্ত্ৰি কামত বেছ পাকৈত, উদ্ভাৱনী শক্তিও আছে। তেওঁক আমি ইতিমধ্যে গাঁৱলীয়া যঁতৰবিলাক ভাল কৰাৰ কামত লগাইছোঁ। যি কি নহওক, আমি আলোচনা কৰিলোঁ। মহাত্মাজীৰ এই আন্দোলনৰ দুটা ফাল—এটা হৈছে গাঁৱলীয়া ৰাইজৰ ৰচনাত্মক প্ৰতিভা ফুটাই তোলা, যাতে তেওঁলোকে গাঁৱত স্বৰাজ কৰিব পাৰে। আনফাল হৈছে সম্পূৰ্ণ ৰাজনৈতিক—গাঁৱলীয়া ৰাইজৰ মাজত প্ৰতিৰোধৰ ভাব জগাই অন্তৰত নতুন সাহ আনি দিয়া। কিন্তু এওঁলোক দুজনক ট্ৰেইনিঙলৈ পঠিয়াবলৈ আমি দুজনে (মই আৰু লক্ষ্মীধৰে) কেনেকৈ সিদ্ধান্ত কৰোঁ। এতিয়া কাৰ্যকৰী কমিটিও পতা টান, গাঁৱৰ ফালৰপৰা নিজৰ নিজৰ কেন্দ্ৰ এৰি ঘপহ কৰে মিটিঙত গোট খোৱাও টান। হেম বৰুৱাই ক'লে—"তেজপুৰ টাউনত যি কেইজন কাৰ্যকৰী কমিটিৰ সদস্য আছে তেওঁলোককেই মাতি সোধা।"

তেজপুৰ টাউনত থকা মেম্বাৰকেইজন মহেন্দ্ৰ নাথ দাঁ, নগেন্দ্ৰনাথ গাঙ্গুলী, ডাক্তৰ হেমচন্দ্ৰ দাস, পৰমানন্দ আগৰৱালা, চন্দ্ৰনাথ শৰ্মা (কলিবাবী) আমি এই কেইজন বহি এওঁলোক দুজনক কলিকতালৈ পঠিওৱাৰ সিদ্ধান্ত কৰিলোঁ। সকলোৱে ভাব যে উন্নত তাঁত-শালেৰে সৰহকৈ কাপোৰ বৈ উলিয়াব পাৰিলে স্বদেশীৰ কামত আগ বাঢ়িব পৰা হ'ব। বৰ্তমানে আমি গুজৰাটৰ পাট্টান তালুকৰপৰা খদ্দৰ কাপোৰ আনি আছোঁ। সিদিনা শ্ৰীযুত দাঁই কাপোৰ অনাত পলম হোৱাৰ বাবে টানকৈ কৈছিল। একো একোটা পাৰ্ছেল অহাত দুমাহমান সময়ো লাগে। পূজাৰ সময়ত খদ্দৰ বেচিবলৈকো দিহা কৰা হৈছে। অৱশেষে ৰতনচাঁদ চকমলৰ দোকানখনে খাদিৰ বিষয়ত আমাক বৰ সহায় কৰি আছে। তেওঁলোকে ৰাজপুতনাৰ পৰাও কাপোৰ আনি আছে। তেওঁলোকৰ এজন কৰ্মচাৰীৰ এই বিষয়ত বৰ উৎসাহ। তেওঁ কয় যে, "আমাৰ দেশত 'খাড়ী' কাপোৰ এতিয়াও তৈয়াৰ হয়।" এইদৰে আৰু কেইবাজনো মাৰোৱাৰী দোকানে খাদি কাপোৰ অনাত লাগিল।

কিছুমান কাপোৰ মোটা হ'লেও নিমজ, খহটা নহয়। হাতেকটা সূতা সাধাৰণতে অসমান, একে নম্বৰী সূতা উলিওৱা টান। আমি এতিয়ালৈকে সূতা কটাত এনেদৰে পাকৈত হোৱা নাই। যি কি নহওক, পূজাৰ সময়ত মানুহে কাপোৰ কিনিবলৈ আৰু আনহাতে এই কাপোৰেৰে কিছু অভাৱ গুচাবলৈ সমৰ্থ হব।

* * *

গুৱাহাটীৰ পৰা অহা যাত্ৰীসকলৰপৰা এটা বাতৰি পোৱা হ'ল—গুৱাহাটীলৈ ধুবুৰীৰপৰা তাঁৰ আহিছে যে, আদালতত হাজিৰ হোৱাত ফুকনক এৰি দিলে। তেজপুৰত থকা নলবাৰীৰ ফালৰপৰা দুজনমান দোকানীৰ সম্পৰ্কীয় লোক আহিছে। ত্ৰিশ তাৰিখে ফুকন ধুবুৰীলৈ যাওঁতে ৰেলৰে ষ্টেশ্যনত কিদৰে সম্বৰ্দ্ধনা কৰা হৈছিল তেওঁলোকৰ পৰা তাৰো বাতৰি পোৱা হ'ল। ৰঙিয়া, নলবাৰীকে আদি কৰি সকলো ষ্টেশ্যনতে ফুকনক চাবলৈ অহা মানুহৰ হেনো হৈচা-ঠেলা। সকলোৱে হাতত ফুলৰ মালা। দেশভক্ত ফুকনৰ জয়, কৰ্মবীৰ বৰদলৈৰ জয়—এই ধ্বনিৰেই কাৰাদণ্ড বৰণ কৰিবলৈ যোৱা ফুকনলৈ সম্বৰ্দ্ধনা জনোৱা হৈছে। কথাবিলাক শুনি ভাল লাগিল। কিন্তু বাতৰি কাকতত এতিয়ালৈকে এই বাতৰি অহা নাই। বাতৰিৰ কাৰণে আমি সকলো উত্ৰাৱল হৈ আছোঁ।

* * *

দুই অক্টোবৰ তাৰিখ। আজিও বাতৰি কাকতত ধুবুৰীৰ বাতৰি অহা নাই। কিন্তু ফুকনৰ মুক্তিৰ বাতৰি প্ৰাদেশিক কংগ্ৰেছ অফিচৰপৰা পোৱা হৈছে। আনফালে পূজাৰ আগতে কিছুমান কেন্দ্ৰ ঘূৰি অহাৰ প্ৰয়োজন হৈ আছে—বিশেষকৈ কেন্দ্ৰবিলাকত কিদৰে যঁতৰৰ কাম হৈছে তাৰ ভু লোৱা আৰু সূতাকটা শিপিনীসকলৰ লগত যোগাযোগ ৰাখিবলৈ কৰ্মীসকলক বুজাই দিয়া আৰু ৰিপোৰ্ট পঠিয়াওঁতে যেন কোনোৱে উবা বাতৰিবে ৰিপোৰ্ট নপঠিয়ায়। আমি কামত কিদৰে আগ বাঢ়িছোঁ তাৰ হিচাপ লৈ মহাত্মা গান্ধীক প্ৰকৃত কথাবিলাক জনোৱা উচিত। তেজপুৰ মহকুমাত আমাৰ ওপৰত প্ৰাদেশিকে দায়িত্ব দিছে ১০ হেজাৰ যঁতৰ প্ৰতিষ্ঠা কৰি দহ হেজাৰ শিপিনীক কামত লগোৱা। গাঁৱত আমাৰ সেৱকসকলে সূতা-কটা শিকাই আছে, যঁতৰবিলাক ভাল কৰি দি আছে। গাঁৱৰ মুনিহ কিছুমানে সূতা কটা শিকিলেও কয়, "আমিনো কি কাটিম, এইটো তিৰোতাৰহে কাম।" সকলোৰে উৎসাহ থাকিলেও এই কামত আমি বেছি আগ বাঢ়িব পৰা নাই। কপাহ বেচাৰ হিচাপতে আমি গম পাই আছোঁ। এই কেইমাহৰ ভিতৰত আমি ২০ মোণ কপাহ গাঁৱলীয়া কেন্দ্ৰবিলাকলৈ পঠিয়াইছোঁ। কিছুমান কেন্দ্ৰৰপৰা আৰু কপাহ লাগে বুলি বাতৰি আহিছে। কিছুমানত কপাহ অলপহে বেচিব পৰা হৈছে। কিছুমানে কপাহ কিনিলেও সূতা কাটিছেনে নাই ক'ব নোৱাৰি। সেইবাবে এইবিলাকৰ ভালকৈ ভু লৈ শিপিনী-সকলক উদগনি দিয়াৰে কৰ্তব্য। এইবিলাক নিৰ্দেশ দিবলৈকে আমি ওলাবলগীয়া হ'ল। আমি দুটা দলত ভাগ হ'লোঁ—হেম বৰুৱাক লৈ গুণাভি বিহালীলৈ ষ্টীমাৰত যাব আৰু তাৰপৰা শোৱনশিৰিমুখলৈকে গাঁৱে গাঁৱে ফুৰিব আৰু আমি দুজনে (লক্ষ্মীধৰ আৰু মই) জাহাজেৰে বিশ্বনাথলৈকে গৈ বামেদি চতিয়া-জামুগুৰি হৈ উভতিম। এইদৰে কাৰ্যতালিকা কৰা হ'ল। কেম্পৰ দায়িত্বত কাশীৰাম থাকিব আৰু হঠাতে কিবা জৰুৰী কথা হ'লে আমালৈ খবৰ পঠিয়াব।

* * *

তিনি অক্টোবৰ। আজিৰ 'ছাৰ্ভেণ্ট' কাকতত ধুবুৰীৰ কথাবিলাক ভালকৈ ওলোৱাত ভাল লাগিছে। 'ছাৰ্ভেণ্টে' ভালকৈ প্ৰকাশ কৰিছে। ৩০ তাৰিখে পুৱা গৈ ধুবুৰী ষ্টেশ্যনত নমাত এটা বিৰাট সমদলে তেখেতসকলক (দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈক) আগ বঢ়ালে। হিন্দু আৰু মুছলমানৰ বিৰাট জনতা। খিলাফতৰ মিটিঙত বক্তৃতা দিয়াৰ ফলত দেশভক্তৰ ওপৰত কাৰণ দৰ্শাবলৈ আদেশ জাৰি হোৱাত মুছলমানসকলৰ মনলৈকো এটা উত্তেজনাৰ ভাব আহিছে। আদালতত মেজিষ্ট্ৰেটে ফুকনৰ বিৰুদ্ধে অনা মোকৰ্দমাৰ প্ৰমাণ নাই বুলি তেওঁক মুক্তি দিলে। কিন্তু

লগে লগে দেশভক্ত ফুকনৰ ওপৰত নোটিচ জাৰি হ'ল যে ধুবুৰী, গৌৰীপুৰ, চাপটগ্ৰাম আৰু গোৱালপাৰা—এই ঠাইকেইখনৰ সাত মাইলৰ ভিতৰত কোনো বক্তৃতা দিয়াটো নিষেধ।

ফুকনৰ এটা বিবৃতিও প্ৰকাশ হৈছে—"এই নিষেধ মই মানিবলৈ প্ৰস্তুত নহওঁ। কেতিয়া কোন সময়ত এই আদেশ অমান্য কৰোঁ সেইটো মই ধীৰে-স্থিৰে সিদ্ধান্ত কৰিম। মহাত্মা গান্ধীৰ নিৰ্দ্ধাৰিত উপায় লৈয়েই আমি আগ বাঢ়িম। আজি আমাৰ জনতাক লাগে এফালে সংগঠন, আনফালে নিয়মানুৱৰ্ত্তিতা। মহাত্মা গান্ধীৰ নেতৃত্বত পৰিচালিত হোৱা এই আন্দোলনত অধৈৰ্য হোৱাৰ স্থান নাই। দেশৰ জাগ্ৰত জনতাৰ সঙ্ঘবদ্ধ শক্তি নিয়মেৰে সৈতে পৰিচালিত কৰিব লাগিব। প্ৰতি খোজতে আমি সাৱধানে আগ বাঢ়িব লাগিব।" ফুকনৰ কথাবিলাক ভাল লাগিল।

* * *

যি কি নহওক, আমি বাতৰি কাকত লৈ ষ্টীমাৰত উঠিলোঁ। বিশ্বনাথ নোপোৱালৈকে আমি এইবিলাক কথাই আলোচনা কৰি আছিলোঁ। প্ৰায় ডেৰ বজাত বিশ্বনাথ ঘাট পোৱাত আমি দুয়ো নামিলোঁ। শিৱপ্ৰসাদহঁত ঘাটত ৰৈ আছিল। বুদ্ধি, গঙ্গাকে আদি কৰি সকলো কৰ্ম্মী ঘাটত ৰৈ আছিল। সকলোৰে মুখে মুখে ফুকনৰ কথাই। ধুবুৰীৰ আদালতত ফুকনক খালাচ দিয়াৰ উৰাবাতৰি পালেও বিস্তাৰিত বিৱৰণ পোৱা নাই। যি কি নহওক, 'ছাৰ্ভেণ্ট'ত ওলোৱা কথাবিলাক জনালোঁ।

* * *

আবেলি গৰাহাবি গাঁৱত মিটিং। গৰাহাবিত মিটিং পাতি বিশ্বনাথ চাৰি-আলিৰ কেন্দ্ৰৰ কৰ্ম্মীসকলৰ লগত কথা হৈ আমি ৰাতি চতিয়াত থকাৰ কথা। ৰাতি যাবলৈ দুখন বাইচাইকেলৰ দিহা কৰিছে।

* * *

গৰাহাবি গাঁৱত মিটিং, নামঘৰৰ সমুখৰ মুকলি ঠাইত বহিল। এই গাঁৱৰ সকলো তিৰোতা আহি গোট খালেহি। ওচৰৰ গাঁৱবিলাকৰ পৰাও কিছু আহিছে—বিশেষকৈ ভীৰ গাঁৱৰ। আমি আঁঠুমূৰীয়া চুৰিয়াৰে গাত কেৱল বনিয়ন একোটাৰে সৈতে মিটিঙৰ ঠাইলৈ ওলালোঁ। তিৰোতাবিলাকে বেজাৰ কৰিবলৈ ধৰিলে—"স্বৰাজৰ বাবে ইমান কষ্ট কৰিবলগীয়া হৈছে।" মহাত্মা গান্ধীয়ে দক্ষিণ ভাৰতত কিয় আঁঠু-মূৰীয়া চুৰিয়া আৰু উদং গাৰে থকাৰ সঙ্কল্প ল'বলগীয়া হ'ল—লক্ষ্মীধৰে বৰ ধুনীয়াকৈ বুজাই দিলে। তিৰোতাসকলোৱে চিঞৰি ক'লে—"আমি সূতা কাটিম, আমি সূতা

কাটিম।” বুঢ়ী ছুজনীমানে ক’লে, “দেহি ঐ, মহাত্মা গান্ধীয়ে আমাৰ বাবে ইমান দুখ কৰিবলগীয়া হৈছে। আমি সুতা কাটিম—মহাত্মাক কৌপীন এৰিবলৈ কওক।”

*　　*　　*

স্ব-ইচ্ছাই দুখ বৰণ কৰি মহাত্মা গান্ধীয়ে কিদৰে ভাৰতীয় জনতাৰ অন্তৰলৈ নতুন ভাব আনিব ধৰিছে—তাকেই মনলৈ আহিল। ৰাজনীতিৰ কথা নালাগে, সমূলঞ্চে একো কথাই নজনা এইবিলাক নিৰক্ষৰা আজলী তিৰোতাসকলৰ অন্তৰলৈ কিদৰে নতুন ভাব আহিব ধৰিছে—তাকে ভাবিলোঁ।

*　　*　　*

মিটিঙৰ পিছত চাৰিআলিৰ কেম্পলৈ আহিলোঁ। হেম হাজৰিকা, ডাক্তৰ ভূমিধৰ শৰ্মা (লক্ষ্মীধৰৰ ককায়েক) আৰু নবীনচন্দ্ৰ ভট্টাচাৰ্যৰ যঁতৰৰ কাম কোন গাঁৱত কিদৰে হ’ব ধৰিছে তাৰে ভু ল’লোঁ। ইয়াত কপাহ বিক্ৰী হৈছে। বহুতো বামুণ মানুহৰ ঘৰত দীঘলীয়া আঁহৰ কপাহৰ গছো আছে। (লগুণৰ বাবে) তেওঁলোকে সূতা কাটিবলৈকো কিছুমানে জানে। গৰাহাবি গাঁৱৰ উৎসাহ কেনেকৈ কামত লগাব পাৰি তাৰেই পৰামৰ্শ কৰি চতিয়ালৈ আগ বাঢ়িলোঁ।

*　　*　　*

চতিয়া পাওঁতে গধূলি হৈ গ’ল। চাওঁ, আমাৰ বাবে সকলো বৈ আছে। গঙ্গাধৰ বৰকটকীৰ দোকানেই ক’বলৈ গ’লে আমাৰ কেম্প। তিলক শৰ্মা তেওঁৰ সম্পৰ্কীয়। তেওঁ তাতে থাকি কাম কৰি আছে। গোলোক শইকীয়া, শ্ৰীধৰ কেৰাণী, হৰ চৌধাৰীকে আদি কৰি বহুতো মানুহ আমাৰ বাবে বৈ আছিল। অসহযোগ আন্দোলনৰ গতিলৈ সকলোৰে লক্ষ্য। বিশেষকৈ ফুকনৰ বাতৰি জানিবলৈ সকলো বৈ আছে। বাতৰিকাকত পাওঁতে আৰু পলম হ’ব। হৰ চৌধাৰীৰ এটা মোকৰ্দমাত ফুকন বেৰিষ্টাৰ হিচাপে ১৯১০ চনত তেজপুৰলৈ আহিছিল আৰু বাগিচাৰ লগত হোৱা এটা ফৌজদাৰী মোকৰ্দমাত হৰ চৌধাৰীক খালাচ দিব পৰাত ফুকনৰ এটা নাম হৈছিল। ফুকনৰ বাতৰি জনোৱাৰ পিছত সকলোৱে ধৰিলে—“এবাৰ ফুকন-বৰদলৈক ইয়ালৈ আনিব লাগে।” আমিও ভাল পালোঁ। আমি কলেজৰপৰা ওলোৱা এইকেইজন কৰ্মীৰ কথাই গাঁৱলীয়া ৰাইজে শুনি আছে। তেওঁলোকে বাহিৰৰ লোকৰ কথা শুনিবলৈ পোৱা নাই। সেইবাবে ফুকনৰ কাৰ্য-তালিকা ইয়াত পেলাবলৈ স্থিৰ কৰিলোঁ। * * *

চাৰি তাৰিখ। ৰাতিপুৱা ইটাখুলিলৈ যাবলগীয়া হ’ল। ‘অলপদিন আগৰে পৰা ইটাখুলিত কানি-দোকানৰ পিকেটিং লৈ ডফলা গাঁৱৰ মানুহে জঁকি উঠিছে

বুলি শুনি আছিলোঁ। তাত বিষ্ণুকিঙ্কৰকে আদি কৰি কেইবাজনো সক ল'ৰাই সাহসেৰে সৈতে পিকেটিং কৰি আছে। ডফলা কেইজনমানে 'ভলণ্টিয়াৰ' কাটিম বুলি ভয় খুৱাই আছে। মহলদাৰবো ভিতৰুৱা লগ নথকা নহয়। স্থানীয় ৰাইজে ক'ৰবাত কিবা অঘটন ঘটে বুলি শঙ্কা কৰি আমালৈ খবৰ দিছে। এনে অৱস্থাত আমি নিজে গৈ স্থানীয় পৰিস্থিতি চোৱাৰ প্ৰয়োজন হৈছে। সেইবাবে আমি ইটাখুলিলৈ যোৱাটো স্থিৰ কৰিলোঁ। ইটাখুলিলৈ যোৱাৰ আগতে ইয়াত সূতা কটাৰ কাম কিদৰে আগ বাঢ়িছে তাকো চোৱাৰ প্ৰয়োজন। তিলকে সলাল গাঁৱৰ কিছুমান মানুহৰ ঘৰলৈ নি দেখুৱালে—সক ল'ৰা-ছোৱালী কিছুমানে বৰ উৎসাহেৰে সৈতে সূতা কাটিছে। ভাগৱতীহঁতৰ ঘৰলৈ যোৱা হ'ল। এইদৰে তিলকে হেমধৰ বৰুৱাৰ ঘৰলৈকো নিলে। তাত দেখো আলটাফ আলী দাৰোগা বহি আছে। বৰুৱাৰ ছোৱালী মীনা সূতা কটাত বৰ পাকৈত হৈ উঠিছে। আলী দাৰোগাই জানিবা আমি ক'লৈ যাওঁ সকলো সুধিলে। আমাৰতো লুকাবলগীয়া একো নাই। সকলো জনালোঁ। ইটাখুলিৰ কানিৰ দোকানৰ কথাও কলোঁ। "সাৱধান হ'ব, ডফলাৰ কথা একো বুজিব নোৱাৰি। অঁকৰা মানুহ, ময়ো যাম বুলি ভাবিছিলোঁ, পিছে আজি যাব পৰা নহ'ব।" এইদৰে আলী দাৰোগাই ক'লে।

* * *

এজন মানুহে ক'লে, "গান্ধীয়েনো কিয় এইদৰে সূতা কটাত জোৰ দিছে, আমি নুবুজোঁ। ইয়াত এটা সূতাৰ কল বহুৱাই দিলেই হয় দেখোন।" লক্ষ্মীধৰে তেওঁক ক'লে—"হেৰা, তুমি এটা মৌলিক প্ৰশ্ন তুলিছা। কল বহুৱাই কলেৰে আমাৰ লগা বস্তু তৈয়াৰ কৰিলে জানো তোমাৰ দুখ গুচিব? তোমাৰ, মোৰ আৰু দেশৰ সকলো মানুহৰ দুখীয়া অৱস্থা গুচিবনে? সৌৱা প্ৰতাপগড়, ডিক্ৰাই বাগিচাকে আদি কৰি চাহ বাগিচাবিলাকত চাহৰ কলঘৰ বহিছে। তাত কাম কৰা বনুৱাবিলাকলৈ চোৱাচোন। মহাত্মা গান্ধীয়ে কল বহুৱাই দেশৰ দাৰিদ্ৰ্য গুচাব নোৱাৰে দেখিয়েই এইদৰে সকলোকে সূতা কাটি ল'বলৈ কৈছে।"

* * *

প্ৰায় এঘাৰ বজাত আমি ইটাখুলি পালোঁগৈ। আমি জামুগুৰি হৈ যোৱাত আমাৰ দলটোও লাহে লাহে আগ বাঢ়িল। সাত দিন ডফলাহঁতে কানি কিনিবলৈ অহা নাই। পিকেটিং হৈ থকাত কানি কিনিব নোৱাৰি উত্তেজিত হৈ আছে আৰু ভলণ্টিয়াৰ কাটিম বুলি কৈ ফুৰিছে।

পিকেটিং কৰি থকা সেৱকসকলৰ লগত বিষ্ণুকিঙ্কৰ কলিতা (শ্ৰীবিষ্ণুকিঙ্কৰ কলিতা, তেওঁ ডিব্ৰুগড়ত জৰ্জ স্কুলত শিক্ষকতা কৰিছিল)। আমিও থিয় দিলোঁ। এনেতে দেখোঁ সিফালৰপৰা এজন ডক্লা আহি আছে। দাখন খাপৰপৰা উলিয়াই লৈছে। মুখত "কাটিম, কাটিম"—মানুহজন বৰ উত্তেজিত হৈ থকা যেন লাগিল। এনেতে লক্ষ্মীধৰে মাত দিলে -"হেৰা আজিতো আমাক কাটিবাই, পিছে এটা কথা শুনিবানে? ৰজায়ো কাটিবৰ আগতে শুনে, তুমি নুশুনিবানে?" মানুহজনে বৰ খঙেৰে ক'লে—"কি, কৱ—ক" মানুহজনৰ যেন ৰ'বলৈ সময় নাই। "তোমাৰ বাঁহৰ নলিচাভাল কাটি চাবানে? এইডাল নলিচা কাটিলেও আৰু এডাল লওঁতে একো অসুবিধা নহ'ব, বাঁহৰতো আকাল নাই।" মানুহজনে অলপ ৰ' লাগি আমালৈ চালে। মুখত ভাব—সামান্য বাঁহৰ নলিচাডাল কাটিলেই যেন নিষ্কৃতি পাব আৰু দোকানত সোমাই কানি কিনিব পাৰিব। যি কি নহওক, মানুহজন থিয় দি ৰ'ল। লক্ষ্মীধৰে ক'লে, "বাৰু, তুমি নলিচাডালৰ সোঁমাজেদি ফুটাল কৰাচোন।" তেওঁ ফুটাল কৰাত লক্ষ্মীধৰে ক'লে, "চোৱা, নলিচাডালত সোৰোৰ ক'লা মলি বন্ধ হৈ আছে। তোমাৰ পেটৰ নাড়ীডালতো এইদৰে ক'লা মলি বন্ধ খাই তোমাৰ গাত বিকাৰ আনিছে। নাড়ী বাঁহতকৈ কিমান কোমল, কিদৰে পচি যাব ধৰিছে।" মানুহজন উচাপ খাই উঠিল। তেওঁৰ এটা পৰিৱৰ্তন আহিল। তেওঁ চিএৰি কৈ উঠিল—"যা, আজিৰপৰা কানি নাখাওঁ।"

* * *

আমি ইটাখুলিতেই ৰাতি থাকিলোঁ। কালিলৈ কলদাৰী ঘাটেদি ভৰলী পাৰ হৈ বালিপাৰালৈ যোৱাৰ কথা।

* * *

পাঁচ তাৰিখ। ৰাতিপুৱা কলদাৰী ঘাট পালোঁ। ভৰলীত ঢল আহিছে। সোঁত বৰ প্ৰবল। দিনটোত দুবেলিহে পাৰ কৰিব পাৰে। যি কি নহওক, পুৱাৰ প্ৰথম বাৰতেই আমি পাৰ হ'বলৈ প্ৰথমৰ নাওখনতেই উঠিলোঁ। নৈ দেখাত বৰ বহল। পাৰৰ দাঁতিয়েদি কিছু উজাই গৈ নাৱৰীয়াই নাও এৰি দিলে। বহুতো ভটিয়াই গৈহে পাৰ পোৱা হ'ল। আকৌ কিছু উজাই আহিহে ঘাট পালোঁ। আমি পাৰ হৈ বালিপাৰা পালোঁহি। ইয়াৰ কেম্পত ৰমা শৰ্মা আছে। ইয়াত কিছুমানে সূতা কাটিব জানে আৰু বাণীৰ সূতা কাটি মিলৰ সূতা দীঘত দি কাপোৰ বয়। বিশেষকৈ, এইদৰে বৰ কাপোৰ বৈ লয়। কিছুমান ঘৰত আগৰেপৰা এইদৰেই হেনো চলি আছে। মিৰি গাঁৱৰপৰা কপাহ আনি এইদৰে কিছু কাম কৰে।

যি কি নহওক, মহাত্মাই যে মিলৰ সূতা সমূলঞ্চে নোলোৱাকৈ স্বাৱলম্বী হোৱাৰ কথা কৈছে বুজাবলগীয়া হ'ল।

* * *

খাই-বৈ উঠি লক্ষ্মীধৰক তেজপুৰলৈ পঠিয়ালোঁ। তেওঁ গবৈমাৰী হলেশ্বৰেদি তেজপুৰ পোৱাৰ কথা আৰু মই মিছামাৰীলৈ যোৱাৰ কথা। মই বালিপাৰাৰপৰা বৰজুলি বাগানৰ মাজেদি গৈ ভেলাটাৰৰ গাভৰুঘাট পালোঁহি। গাভৰুতো বৰ ঢল। আজি মিছামাৰীত এখন মিটিঙৰো দিহা হৈছে। মিছামাৰীত মোলান শৰ্মাইঁতে এতিয়া ৰাইজৰ সহায়ত কেম্পঘৰ সাজি লৈছে। ভেলাটাৰৰ ঘাট পাৰ হৈ শিয়ালমাৰী গাঁৱেদি অলপ গ লেই কেম্প পোৱা হ'ব। বৰজুলি, সোণাজুলি বাগানলৈ বস্তীৰপৰা বনুৱা পাবলৈ বুলি বাগানৰ ফালৰপৰা এইটো ঘাঁট কৰি দিছে। নাৱো এখন ৰাখিছে, কিন্তু ঢলত নাওৰীয়াই নাও নিবলৈ সাহ নকৰে। যি কি নহওক, মই বাইচাইকেল ঘাটৈক দি গাভৰু পাৰ হ'ম বুলি স্থিৰ কৰিলোঁ। বস্তীৰ কিছু মানুহ আহি গোট খালেহি। সকলোৰে মুখত "নাযাবি, নাযাবি।" মই ক'লোঁ, "মই সাঁতোৰ ভালকৈ জানোঁ। ব্ৰহ্মপুত্ৰত সাঁতোৰা অভ্যাস। খৰালি পাৰো হৈছোঁ।" এই বুলি পানীত নামি পৰিলোঁ। পৰা মাত্ৰে সোঁতে আৰু ঢৌৱে মোক ভটিয়াই নিলে। মানুহ-বিলাকে ৰৈ চাই আছে। যি কি নহওক, তিতা কাপোৰেৰে গৈ মিছামাৰী পালোঁ। মানুহ বহুত ৰৈ আছিল। কছাৰী মানুহ কিছুমানে ক'লে, "তই আহিবি বুলি ৰৈ আছোঁ।" "তোমালোকে ৰৈ থাকিবা বুলিহে মই এইদৰে গাভৰুৰ ঢলৰ মাজতো আহিছোঁ।" "উহ্, তই বৰ বেয়া কৰিছ, বলীয়া গাভৰু পাৰ হৈ আহিছ। আগলৈ কেতিয়াও এনে কাম নকৰিবি।" এইবুলি কছাৰী মানুহজনে এটা সাধু ক'লে, "চা, আমাৰ বুঢ়াইঁতে কৈছিল বেলশিৰি, ধনশিৰি, মানশিৰি; ভৰলী, ডিক্ৰাই—এই-কেইখন নৈ আচলতে বাই-ভনী। হাবিত ফুৰোঁতে এৰা-এৰি হোৱাত আউলী-বাউলী হৈ ইজনীয়ে সিজনীক বিচাৰি ফুৰে। এনে সময়ত ইহঁতৰ সমুখ নহ'বি।" সৰল মনৰপৰা ওলোৱা কথা কেইষাৰ শুনি ভাল লাগিল। বুঢ়াজনৰ কথাত কিছুমানে হাঁহিলে। কছাৰীৰ মাজত প্ৰচলিত এই সাধু শুনি ভাল পালোঁ।

* * *

মিটিং ভাল হ'ল। মহাত্মাই স্বদেশীৰ ওপৰত কিদৰে জোৰ দিছে বুজাই কোৱা হ'ল। এই অঞ্চলৰ কিছুমান গাঁও বালিপৰীয়া গাঁৱৰ মানুহৰ লগৰ একে খেলৰ। তেওঁলোকে সূতা কাটিবলৈ কিছু জানে আৰু ৰাণীৰ সূতা কাটি লয়। কছাৰী গাঁৱতোঁ এইদৰে এড়ি কটা, কপাহৰ সূতা কটা অলপ-অচৰপ আছেই। কিন্তু

সৰহভাগ মানুহ বাগিচাৰপৰা ওলাই অহা বনুৱা। মদ খোৱা স্বভাৱ বৰ বেছি। কিছুমানে কয়—"আমি চৰকাৰী মদ নাখাওঁ। ঘৰতেই লাওপানী কৰোঁ।" এইবিলাক মানুহো কংগ্ৰেছৰ সদস্য হৈছে। ঘৰে প্ৰতি এটকা তিলক স্বৰাজ ফাণ্ডলৈকো দান দিছে আৰু চাৰি অনা পইচা দি কংগ্ৰেছৰ মেম্বৰ হোৱাটো তেওঁলোকে নিয়ম কৰি লৈছে। মদ খালেও মুখত নাম ল'ব "গান্ধী বাবা"। সূতা কটাৰ কথা ক'লে, "আমি নাজানোঁ, দেশত জানে, আমি নোৱাৰিম?" তথাপি কিছুমান সৰু ছোৱালীয়ে কেম্পলৈ সূতা কটা শিকিবলৈ আহে বুলি খবৰ পালোঁ। মিটিং শেষ হওঁতে আবেলি হ'ল আৰু মোৰো উভতিবৰ সময় হ'ল। শিয়ালমাৰীৰ ঘাট পোৱাত দেখিলোঁ ঢল এতিয়া নামি গৈছে যদিও পানী এতিয়াও শান্ত হোৱা নাই। নাৱৰীয়াই এতিয়াও নাও মেলিবলৈ সাহ নকৰে দেখি আগৰ দৰে পাৰ হৈ আহিলোঁ। মোলানইত ঘাটলৈকে আহিছিল। মিটিঙৰ বাবে সলাবলৈ দিয়া কাপোৰ তেওঁলোকক ঘূৰাই দি তিতা কাপোৰেৰে মই পাৰ হৈ আহিলোঁ। ঘাটৰ পৰা বাইচাইকেলখন লওঁতে ঘাটৈয়ে জানিবা মিঠা মুখেৰে হ'লেও প্ৰতিবাদ জনালে— "আপুনি কেতিয়াবা অঘটন ঘটাব।"

বৰজুলি হাটখোলাৰ ওচৰত থকা তিলক কেৰাণীৰ (কেতেকীবাৰীৰ) ঘৰত কাপোৰ সলালোঁ। তাৰপৰা বাঁহবাৰীলৈ আহিলোঁ। ইয়াত আমাৰ কেম্প সাজিবৰ কথা হৈ আছে। এতিয়া খেতিৰ কাম শেষ হৈছে। ৰাইজো আজৰি হৈছে। সেইবাবে ৰাইজেও কেম্পঘৰ সাজিব বুলি আশ্বাস দিছে। ইয়াত জুনৰ মাহটো শ্ৰীবিশ্বনাথ দাসে (বৰপেটাৰ) কাম কৰিছিল। তিলক স্বৰাজ ফাণ্ডলৈ টকা তোলা, কংগ্ৰেছৰ মেম্বৰ সংগ্ৰহ কৰা-কাম শেষ কৰি বৰপেটালৈ যোৱাত আন কৰ্মী দিব পৰা হোৱা নাই। নবীন বৰুৱাই যেনিবা বিহগুৰি মৌজাৰ লগতে বাঁহবাৰীতো কাম কৰি আছে। স্থানীয় দুজনমান কৰ্মীও ওলাইছে।

* * *

প্ৰবোধ চৌধাৰী ওলালেও বহুতো অসুবিধা আছে। তেওঁৰ দেউতাক স্বৰ্গীয় হাৰাণ চৌধাৰী মৌজাদাৰ আছিল। হাৰাণ চৌধাৰী ঢুকালত প্ৰবোধ সৰু ল'ৰা নাবালক দেখি গৱৰ্ণমেণ্টে সৰবৰাহকাৰ নিয়োগ কৰি এই মৌজাখন চলাই আছে। তেওঁলোকৰে সম্পৰ্কীয় ৰমা শইকীয়াই বৰ্ত্তমান সৰবৰাহকাৰ। প্ৰবোধ চৌধাৰী এতিয়া ডাঙৰ হৈছে আৰু মৌজা চলাব পৰা হৈছে। কিন্তু তেওঁ আন্দোলনত যোগ দিয়া বুলি ৰিপোৰ্ট দিয়াত তেওঁক গৱৰ্ণমেণ্টে মৌজা দিয়া নাই।

* * *

প্ৰবোধৰ ককাদেউতাক স্বৰ্গীয় লক্ষ্মী পাটগিৰিক বালিপাৰাৰপৰা অকাই ধৰি নি বৰ কঠোৰ শাস্তি দি হত্যা কৰা বুলি আমি সকতে শুনিছিলোঁ। সেইবাবে গৱৰ্ণমেণ্টে তেওঁলোকৰ পৰিয়ালক ৰাজনৈতিক বৃত্তিও দি আছিল। স্বৰ্গীয় হাৰাণ চৌধাৰী আৰু পূৰ্ণ চৌধাৰী দুয়ো ভায়েক। মই মোমাইদেউ বুলি মাতো আৰু তেজপুৰত আমাৰ ঘৰৰ ওচৰতে থাকি স্কুলত পঢ়িছিল। বহুতো ভাবি-চিন্তি মই প্ৰবোধৰ ঘৰত নাথাকি ৰাতি বাঁহবাৰীত মৌলান জামাদাৰৰ ঘৰতেই আলহী হ'লোঁ।।

*　　　　*　　　　*

মই গৈ ৰাতি সেইখিনি পোৱাত মানুহ ভৰি পৰিল আৰু সকলোকে বৰ্তমানৰ পৰিস্থিতি বুজাই ক'লোঁ। "আমি এতিয়া সকলোৱেই জেইললৈ যাবলগীয়া হ'ব।"—এইবুলি কোৱাত বুঢ়ী তিৰোতাগৰাকীয়ে মাত দিলে—"বোপা, তেনে কথা নক'ব।" মই যিমানেই বুজাওঁ ফুকন, বৰদলৈহঁতক চৰকাৰে জেইলত দিলে আমিনো কেনেকৈ থাকোঁ, আমিও জেইললৈ যাব লাগিব। বুঢ়ীগৰাকীয়ে একোকেই নুবুজে—"আপোনালোকেনো কি কৰিছে আমি একো বুজি পোৱা নাই।" "বাৰু আইতা আপোনালোকে নুবুজিলেও সূতা কাটি আমাক সহায় কৰিব নোৱাৰিবনে?" "কিয় নোৱাৰিম, সেইটো পাৰিম।"

*　　　　*　　　　*

আজি ছয় অক্টোবৰ। মই ৰাতিপুৱা বাঁহবাৰীৰপৰা আহি তেজপুৰ পালোঁহি। তিনি তাৰিখৰ পিছত এই কেইদিনৰ মাজত সমগ্ৰ ভাৰতত কি হৈছে জানিবলৈ ব্যস্ত হৈ আছিলোঁ। সেইবাবে এই কেইদিনৰ বাতৰি কাকত চোৱাত লাগিলোঁ। হেম বৰুৱাহঁত ছয়দুৱাৰ অঞ্চলৰপৰা উভতি আহি পোৱা নাই।

*　　　　*　　　　*

কৰাচীত বহা খিলাফত সম্মিলনত গৃহীত হোৱা প্ৰস্তাৱৰ বাবে মৌলানা মহম্মদ আলী প্ৰমুখ্যে আঠজনক আগতেই গ্ৰেপ্তাৰ কৰিছে। এইবাবে মহাত্মা গান্ধীয়ে এই একেটা প্ৰস্তাৱকে সকলো ঠাইতে গ্ৰহণ কৰিবলৈ গোহাৰি জনাইছে।

ভাৰতীয় লোকে সৈনিক হিচাপে, চিভিলিয়ান হিচাপে নাইবা যি কোনো হিচাপে এই গৱৰ্ণমেণ্টৰ লগত সহযোগ কৰাটো জাতীয় সন্মানলৈ অপমানজনক। সেইবাবে সকলোকে চৰকাৰৰ কাম এৰি দি আন উপায়েৰে জীৱিকাৰ দিহা কৰিবলৈ কোৱা হৈছে।

বোম্বেত ৫ অক্টোবৰ তাৰিখে কংগ্ৰেছৰ ৱৰ্কিং কমিটি বহিব বুলি বাতৰি ওলাইছে।

আনফালে 'মডাৰ্ণ ৰিভিউ' কাকতত কবি ৰবীন্দ্ৰনাথে এখন গোহাৰি প্ৰকাশ কৰিছে—"সত্যৰ আহ্বান" ('A call for truth')। তেওঁ নাওখন সোঁতৰ বিৰুদ্ধেই চলাবলৈ স্থিৰ কৰিছে। "এটা বাহিৰা শক্তিয়ে মানুহৰ মনত প্ৰভাৱ আনিছে—সকলোৱে একে ধৰণেৰে চিন্তা কৰা, একে সুৰতে কথা কোৱা হৈছে। সকলো ঠাইতে মোক কোৱা হৈছে যে, সংস্কৃতি আৰু যুক্তি এতিয়া সিংহাসন এৰি আহক; এতিয়া আদেশ মানি চলা কথাকেই সিংহাসনত বহুওৱা হওক। বাহ্যিক স্বাধীনতাৰ নাম লৈ আত্মাৰ প্ৰকৃত স্বাধীনতাক চূৰ্ণ-বিচূৰ্ণ কৰাটো অতি সহজ কথা। বাট বৰ জটিল, বাটৰ সন্ধান উলিওৱাটো বৰ কঠিন।" কবিয়ে গান্ধীৰ নিৰ্দেশ সূতা কটা, কাপোৰ বোৱা এইবিলাক ভাল পোৱা নাই। "নতুন ৰচনাত্মক যুগৰ এয়ে বাণীনে? যিদৰে প্ৰতীচ্যত ডাঙৰ ডাঙৰ কলবিলাক বিপদৰ কাৰণ হৈছে, সেইদৰে সৰু-সুৰা যন্ত্ৰবিলাকো আমাৰবাবে বিপদ নহ'বনে?"— এয়ে কবিৰ ভাব।

*　　　*　　　*

ফুকনৰ কাৰ্যতালিকা সম্পৰ্কে প্ৰাদেশিক কংগ্ৰেছৰপৰা চিঠি আহিছে।

৬	অক্টোবৰ	তাৰিখ	—	ফুকন মঙ্গলদৈলৈ যাব
৯	"	"	—	মঙ্গলদৈৰপৰা ঘূৰি গুৱাহাটী পাবহি
১২	"	"	—	তেজপুৰ পাবহি
১৮	"	"	—	নগাঁওলৈ যাব
২০	"	"	—	নগাঁৱৰপৰা ঘূৰি গুৱাহাটী পাবহি
২৩	"	তাৰিখৰপৰা	৩০ অক্টোবৰলৈ—	যোৰহাট-মাজুলী ভ্ৰমণ
৩১	"	তাৰিখ	—	দিল্লীলৈ ৰাওনা হ'ব।

বাৰ তাৰিখে ফুকন তেজপুৰলৈ আহিলে মিটিং পতাৰ কি ব্যৱস্থা কৰিব পাৰি তাৰ দিহাত মন দিলোঁ— কেনেকৈ ক'লৈ নিব পাৰি। আমাৰ ইয়াত যান-বাহনৰ একো সুবিধা নাই। আমি খোজ কাঢ়ি আৰু বাইচাইকেলেৰে সকলো ঠাইলৈ যাব পাৰিলেও ফুকনকতো সেইদৰে নিব নোৱাৰি। অথচ মটৰ গাড়ী তেজপুৰ নগৰত আমি পাব পৰা কেৱল মাত্ৰ বৰগোলাৰ এখন আছে। বৰগোলাৰ মনিব গোবৰ্দ্ধন বাবুৰ লগত কথা হ'লোঁ। তেওঁ মান্তি হ'ল। এতিয়া ১৩ আৰু ১৪ অক্টোবৰ তাৰিখৰ বাবে দুদিনৰ প্ৰগ্ৰেম কৰা হ'ল। তেৰ তাৰিখে বেছেৰীয়া, বিহগুৰিত দুখন ৰাজহুৱা সভা। চৈধ্য তাৰিখে জামুগুৰি আৰু চতিয়াত সভা কৰি সেইদিনাই তেজপুৰলৈ ঘূৰাই আনি ৰাতিৰ জাহাজত তুলি দিয়াটো স্থিৰ হ'ল।

*　　　*　　　*

অহা শনিবাৰলৈ (৮ অক্টোবৰ তাৰিখ) সপ্তমী পূজালৈ মাজতে এদিনহে বাকী আছে। লম্বোদৰ, থুলেশ্বৰহঁতে ঘৰে ঘৰে খাদি কাপোৰ ফেৰি কৰি আছে। পূজাৰ বজাৰত পাৰ্যমানে বিলাতী কাপোৰ নিকিনি থাকিবলৈ কৈ ফুৰা হৈছে। যমুনালাল বাজাজ আহোঁতে বহুতো দোকানীয়ে প্ৰতিশ্ৰুতি দিছিল বিলাতী-কাপোৰ নানিব বুলি। কিন্তু এতিয়া কিছুমানে সেই প্ৰতিশ্ৰুতি ভঙ্গ কৰা বুলি শুনা গৈছে। এই দোকানীসকলক লৈ আমি কি কৰিম? তথাপিও দোকানীকেইজনক লগ ধৰা হ'ল। তেওঁলোকে লাজ পাইছে। ইজনে সিজনক দেখি আনিলে বুলি ক'লে। এজনে যেনিবা স্পষ্ট ভাষাত ক'লে, "আমাৰ মানুহক কেতিয়াও বিশ্বাস নকৰিব। বেপাৰী মানুহ— ক'ত কোনে লাভ কৰে সকলো ভু ৰাখোঁ আৰু আনে টকা কৰা দেখিলে বৈ থাকিব নোৱাৰোঁ। আমি নিজক সংযত কৰিব পৰা হ'লে ভাল মানুহ হ'ব পাৰিলোঁহেঁতেন। কিন্তু লোভেই আমাক মাৰিছে।"

* * *

ন আক্টোবৰ। প্ৰাদেশিক অফিচৰপৰা ফুকনৰ প্ৰগ্ৰেম সলনি হ'ল বুলি বাতৰি আহিছে।

* * *

বাৰ অক্টোবৰ। কছাৰীগাঁও বাগিচাত বৰ গোলমাল হোৱা হঠাতে বাতৰি পোৱা হ'ল। তাৰ বনুৱাবিলাকে উত্তেজিত হৈ চাহাব আৰু কৰ্মচাৰীহঁতৰ ওপৰত শাৰীৰিক আক্ৰমণ কৰিছে। অষ্টমীৰ দিনা দেওবাৰ পৰাত দশমীৰ দিনা হেনো ছুটী দিয়া হোৱা নাছিল। ছুটী লৈয়েই বনুৱাৰ এই উত্তেজনা হৈছে বুলি বাতৰি পোৱা হৈছে। বাগিচাৰ কৰ্মচাৰীসকলৰ ওপৰতো আক্ৰমণ হৈছে। ডেপুটী কমিশ্যনাৰ আৰু পুলিচ চাহাব ঘটনাস্থললৈ আসাম ৰাইফল্‌ছৰ এটা বাহিনী লৈ গৈছে বুলি খবৰ পোৱা হ'ল।

এই পৰিস্থিতিত আমি কি কৰিব পাৰোঁ আৰু আমিনো কি কৰোঁ?— এনে প্ৰশ্ন মনলৈ আহিল। হিংসামূলক ঘটনা হোৱা পৰিস্থিতি এই আন্দোলনৰ সম্পূৰ্ণ বিৰোধী আৰু মহাত্মাগান্ধীয়ে শান্তি ৰক্ষা কৰাত কংগ্ৰেছৰ সেৱকসকলকো কৰ্তৃপক্ষৰ লগত সহযোগ কৰাৰ পৰামৰ্শই দিছে। বোম্বে প্ৰদেশৰ মালেগাঁৱত শান্তি ভঙ্গ হোৱাত বৰ টান মন্তব্যেৰে সৈতে 'ইয়ং ইণ্ডিয়া'ত লিখিছিল। সেইবাবে এই পৰিস্থিতিত আমাৰ কি কৰ্ত্তব্য?— এয়ে প্ৰশ্ন হ'ল। আমি আলোচনা কৰিলোঁ— সহযোগ কৰিবলৈ আমি গুলাম নে অসহযোগ কৰি নগৰত বহি থাকিম? মুখ্যভাৱে এই ঘটনাৱলীৰ লগত আমাৰ একো সম্পৰ্ক নাই সঁচা, কিন্তু আমি এই আন্দোলনেৰে

সমগ্র দেশত এটা প্রতিবোধৰ ভাব জগাই তুলিছোঁ। দেশত এই প্রতিবোধৰ ভাব জগাই তোলাৰ ফলত এই নিৰক্ষৰ বনুৱাৰ অন্তৰত উমাই থকা জুই অকস্মাতে আজি বিস্ফোৰণ হোৱাত আমাৰ কৰ্ত্তব্য কি হ'ব? এইবিলাক কথাই আমাৰ মনলৈ আহিল। ওচৰতে থকা লখ্‌বাৰ (আসাম ৰাইফলছৰ কেন্দ্ৰ) পৰা বাহিনী লৈ এই উত্তেজিত বনুৱা জনতাৰ ওপৰত গুলি চলাই কুকুৰ-মেকুৰীৰ দৰে মাৰি পেলোৱাটো একো টান কথা নহয়। কিন্তু আমাৰ কৰ্ত্তব্য কি?

যি কি নহওক, আলোচনাৰ পিছত স্থিৰ হ'ল—আমি বাগিচালৈ গৈ বনুৱাক শান্ত কৰা কামত লাগিম। ইয়াৰ বাবে ডেপুটী কমিশ্যনাৰ চাহাবলৈ এখন জৰুৰী তাঁৰ দিয়া হ'ল, কাৰণ তেওঁ ৰাঙ্গাপাৰাতেই পুলিচ চাহাবক লৈ আছেগৈ। আমি ডেপুটী কমিশ্যনাৰলৈ তাঁৰ দিলোঁ— "অশান্তিজনক পৰিস্থিতিত আমি বেজাৰ পাইছোঁ, সহযোগ কৰিবলৈ বিচাৰিছোঁ।" (Perturbed dueviolence. Willing to cooperate) বৰজুলি বাগানৰ তাঁৰ-অফিচৰপৰা ততালিকে উত্তৰ আহিল— "Cooperation excellent. Meet me evening at Tezpur club." কিছুমানে আমাক সমালোচনা কৰিবলৈ ধৰিছে—আমি কিয় উপযাচি এই ঘটনাত সোমাবলৈ বিচাৰিছোঁ। কৰ্তৃপক্ষই বহুদিনৰে পৰা বাগিচাত হোৱা ঘটনাৱলীত আমাক জড়িত কৰিবলৈ যত্ন কৰি আছে। এই কেইমাহৰ ভিতৰত হেলেম, জিঙ্গিয়া, আমাৰিবাৰী, বামগাঁওকে আদি কৰি কেইবাখনো বাগানত উত্তেজনাৰ সৃষ্টি হোৱা ঘটনাত আমাক কিদৰে জড়িত কৰিব পাৰে তাৰ বাবে যত্ন নোহোৱা নহয়। এতিয়া আমি নিজৰপৰা উপযাচি আগ বাঢ়ি যোৱাত কৰ্তৃপক্ষই ছলহে পাব – ইত্যাদি কোৱা হ'ল। আমাৰ উত্তৰ হৈছে—আগৰবিলাক ঘটনাত বনুৱাৰ বাগিচাৰ চাহাবৰ লগত ব্যক্তিগতভাৱে সংঘৰ্ষ হৈছিল, সমূহীয়াভাৱে বনুৱাসকল জড়িত হোৱা নাছিল। কিন্তু এতিয়া সমূহীয়াভাৱে বনুৱাবিলাক জড়িত হৈছে। আগতে হোৱা ঘটনাবিলাকৰ লগত এই ঘটনাৰ পাৰ্থক্য বহুতো আছে। এই ঘটনাই গোটেই মহকুমাৰ পৰিস্থিতিত প্ৰভাৱ পেলাব পাৰে। সশস্ত্ৰ আসাম ৰাইফলছৰ বাহিনীৰ সমুখত এই উত্তেজিত বনুৱাই যদি কিবা এটা ঘটনাৰ সৃষ্টি কৰে, তেন্তে গুলি চলোৱাটো খাটাং। গুলি চলাবলগীয়া হ'লে বহুতো মানুহ মৰিব। এনে এটা পৰিস্থিতিত আমি অসহযোগৰ নাম লৈ আঁতৰি থকাটো অনুচিত হ'ব। মালেগাঁৱৰ অসহযোগীসকলে শান্তিভঙ্গমূলক ঘটনাৰ সৃষ্টি কৰাত মহাত্মাই "তেওঁলোক অসহযোগী নহয়, আচলতে সহযোগী" বুলি 'ইয়ং ইণ্ডিয়া'ত লিখিছিল। আৰু "কৰ্তৃপক্ষই এনে ঘটনাৰ সৃষ্টি কৰিবলৈ কিছুমান কৰ্মচাৰীক লগোৱাটোও একো টান কথা নহয়"—ইত্যাদি মহাত্মাই লিখিছিল।

এয়েই আমাৰ উত্তৰ। যি কি নহওক, আমি ডেপুটী কমিশ্যনাৰ চাহাবৰ লগত দেখা কৰিবলৈ সাজু হৈ খবৰ লৈ আছোঁ—তেওঁ জিলালৈ উভতিলে নে নাই।

* * *

তেজপুৰ-বালিপাৰা ৰেলৰ ট্ৰেইনত অহা যাত্ৰীবিলাকৰপৰা বহুতো কথা নগৰত প্ৰচাৰিত হ'ল—চাহাব আৰু কৰ্মচাৰীক মৰা বুলি কিছুমান বনুৱাক গ্ৰেপ্তাৰ কৰি অনাত বাগিচাৰ বনুৱাইঁত বাগিচাৰপৰা ওলাই নগৰলৈ আহিব ধৰিছে। বিন্দুকুৰি ষ্টেশ্যনৰ ওচৰত দেখি অহা বুলি কিছুমানে ক'লে। নগৰৰফালে বনুৱাৰ দলটো অহা বুলি নগৰত প্ৰচাৰিত হোৱা মাত্ৰে নগৰতো এটা ভীতিৰ সঞ্চাৰ হ'ল। এই উত্তেজিত ভোকত অহা জনতাই নগৰত লুট-পাট কৰিব বুলিও কিছুমানৰ আশঙ্কা হ'ল। নগৰৰ ফালে অহা এই উত্তেজিত জনতাক কিদৰে শান্ত কৰিম সেই কথাবিলাকো ভাবিবলগীয়াত পৰিলোঁ। ভোকত প্ৰায় ১৮ মাইল খোজ কাঢ়ি অহা জনতাই আমাৰ কথা কিয় শুনিব? আমি কথা হোৱাৰ আগতে কিহেৰে শান্ত কৰিম—এইবুলি বজাৰত চিৰা-মুৰি-গুড় সংগ্ৰহ কৰাত লাগিলোঁ আৰু দেখা গ'ল সকলোৱেই ৰং মনেৰে এইবিলাক বস্তু দিয়াত লাগিল। এই কাম চলি থকাৰ লগে লগে আমি বাতৰি পালোঁ— জিলাৰ বৰ চাহাব হেনো ক্লাবলৈ আহিল। সেইবাবে লক্ষ্মীধৰ আৰু মই দুয়ো য়ুৰোপীয় ক্লাবৰ ফালে খোজ দিলোঁ। সমুখ পোৱা মাত্ৰে ডেপুটী কমিশ্যনাৰ মিঃ লেই ওলাই আহি ধন্যবাদ জনালে। ক'লে, "এতিয়া যদিও পৰিস্থিতি শান্ত, তথাপিও সিহঁতে গ্ৰেপ্তাৰ কৰা লোকসকলক ঘূৰাই দিব লাগে বুলি চহৰৰ ফালে আহি আছে। সিহঁত বিন্দুকুৰি ষ্টেশ্যন পাৰ হৈ বাটত বৈ থকা দেখি আহিছোঁ। কেতেকীবাৰী পাৰ হৈ চাৰিআলিৰ মূৰত আমি সশস্ত্ৰ বাহিনী ৰাখিছোঁ। আপোনালোকে যদি বুজাই ওভোতাই পঠিয়াব পাৰে তেন্তে ভাল। মই গুলি চলাবলগীয়া পৰিস্থিতি যাতে নহয়, তাকেই কামনা কৰিছোঁ।" দেখিলোঁ ডেপুটী কমিশ্যনাৰৰ মনটো ভাল। তেওঁ গুলি চলাবলগীয়া নোহোৱাকৈ বাগিচাৰ বনুৱাসকলক শান্ত কেনেকৈ কৰিব পাৰি তাকে ভাবিছে। আমি জনালোঁ যে, আমি এই পৰিস্থিতিত কৰ্তৃপক্ষৰ লগত সম্পূৰ্ণ সহযোগ কৰিবলৈ সাজু আছোঁ। এই মানুহবিলাকক বুজাবলৈ সুবিধা লাগে আৰু নগৰলৈ অহা বাতৰি পাই এই ক্ষুধাৰ্ত জনতাক শান্ত কৰিবলৈ আমি চিৰা-গুৰ সংগ্ৰহ কৰিছোঁ বুলি জনালোঁ। ক্ষুধাৰ্ত জনতাই একো নুবুজে। কথা শুনি ডি.চিৰ মনটো আৰু ভাল হোৱা যেন লাগিল—"হয়নে? আপোনালোকে আমাক বহুতখিনি সহায় কৰিছে। কিছুমান মানুহ ভাগৰি পাছ পৰি যোৱাত সিহঁতৰ এটা দলক বিন্দুকুৰিত বৈ থকা পাই

আছিছে। কিন্তু অনুমান কৰোঁ সিহঁত দুপৰ নিশা চাবিআলিৰ ওচৰ পাব আৰু তাতেই আপোনালোকে লগ ধৰা ভাল; কাৰণ নগৰলৈ আহিবলৈ দিয়া হ'বনে নহয় এই কথা মই স্থিৰ কৰা নাই। নগৰত সোমাবলৈ দিলে জানোচা আৰু বেয়া হয় তাকে ভাবি আছোঁ।” আমাৰ উত্তৰ হ'ল—আমাক বিশ্বাক কৰক, আমি পাৰ্যমানে ওভোতাই পঠিয়াবলৈ যত্ন কৰিম। যি কি নহওক, ডেপুটী কমিশ্যনাৰৰ লগত কথা-বতৰা হৈ উভতিলোঁ। আমাৰ কি কথা হ'ল সকলোৱে জানিবলৈ ব্যগ্ৰ। সকলোকে মোটমুটিকৈ ডি.ছিৰ লগত হোৱা কথাবিলাক জনালোঁ। এতিয়া মানুহৰ সমালোচনা নাই। সকলো শঙ্কিত হৈছে— নগৰতো জানোচা কিবা অঘটন হয়। বদুৱাৰ দলটো কোন বাটেদি আহিছে অলপ বুজিলেও সঠিক হ'ব পৰা নাই। ডেপুটী কমিশ্যনাৰে আগ বাঢ়ি অহা সৰু দল এটিক বিন্দুকুৰি ষ্টেশ্যনৰ ওচৰত পাই আছিছে। ৰেলত অহা যাত্ৰীৰ মুখতো সেই একে কথা। ডেপুটী কমিশ্যনাৰৰ অনুমান, পাছ পৰা দলবিলাকলৈ সিহঁত বৈ আছে; আৰু চাবিআলি পোৱাত অনুমান দুপৰ নিশা হ'ব। এইদৰে আলোচনা কৰি থাকোঁতে ন বাজি গ'ল। এনেতে সকলো কামতে আগৰণুৱা হৈ ওলোৱা উৎসাহী শ্ৰীকালীপ্ৰসাদ বৰা ওলাল আগ বাঢ়ি যাবলৈ। তেওঁক কেৱল পৰামৰ্শ দিয়া হ'ল আলেঙে আলেঙে চাবলৈ। তেওঁলোকৰ লগত একো কথা নহ'বলৈকে পৰামৰ্শ দিলোঁ।

জোনাক নিশা, বিজয়া দশমীৰ পিছত দ্বাদশীৰ জোন। আহিন মাহৰ এই জোনাকত এটা শান্ত স্নিগ্ধ ভাব আহিলেও আমাৰ মনত এটা অশান্তিৰ ভাব— এই অশান্ত জনতাৰ প্ৰাণলৈকো যেন প্ৰকৃতিয়ে এটা স্নিগ্ধতা শান্তিৰ ভাব আনে তালৈকে খাটি আছোঁ। যি কি নহওক, আৰু দুজনমান বাইচাইকেল লৈ কালী-প্ৰসাদৰ লগৰীয়া হ'ল। কলিবাৰীৰ ফালৰপৰা হেম বৰুৱা পৰহি উভতি পোৱাত ভাল পালোঁ। কুমুদো কেইদিনমানৰ আগতে আহিছে। গান-বাজনাত বৰ ৰাপ। বাণ থিয়েটাৰত সদায় প্ৰতি বছৰি পূজাৰ সময়ত থিয়েটাৰত তেওঁ সহায় কৰি থাকে। সেইবাবে তেৱোঁ ছয়দুৱাৰ কেম্প এৰি আহিছে। লগতে জ্যোতিও গমিৰিৰপৰা আহিছে। প্ৰফুল্লও (শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ বৰুৱা এম্.পি) মঙ্গলদৈৰপৰা আহিছে থিয়েটাৰত ভাও ল'বলৈ। এইদৰে আমি প্ৰায় সকলো একে লগ হৈছোঁ। সকলো লগ হোৱাত জানিবা এই পৰিস্থিতিত আমাৰ সাহ হৈছে।

* * *

ৰাতি প্ৰায় এঘাৰ বাজিছে। এনেতে কালীপ্ৰসাদহঁতৰ দলটো উভতি পালেহি। তেওঁলোকে জনালেহি যে মানুহবিলাক বিন্দুকুৰি এৰি আহি আছে। মদপী গাঁৱৰ

ওচৰত তেওঁলোকে এৰি আহিছে। এতিয়ামানে চাৰিআলি পাব লাগে। যি কি নহওক, আমি লৰালৰিকৈ ওলালোঁ। বৰগোলাই আনিবা গাড়ীখন দিয়াত সংগ্ৰহ কৰা চিৰা-গুৰ তাতে তুলি আগ বাঢ়িলোঁ। কিছুমানে খোজ কাঢ়ি, কিছুমানে বাই-চাইকেলেৰে আগ বাঢ়িল। বন্দুৱা-তিৰোতাবিলাকক আগত লৈ এই জনতা আহি থকা দেখিলোঁ। চাৰিআলিত মানুহবিলাক অলপ ৰ'ল। লক্ষ্মীধৰে তিৰোতাবিলাকক সুধিলে "মাইঁত ক'লৈ যাব?" সোধা মাত্ৰকে জুইৰ ফিৰিঙতি যেন খাৰ-বাৰুদৰ দ'ম এটাতহে পৰিল। আটাইবিলাকে চিঞৰি উঠিল— "কোন তইঁত, আজি আমাক সুধিবলৈ আহিছ?" কোনোৱে চিঞৰিলে— "মাৰ্, মাৰ্ ইহঁতক।" এই চিঞৰৰ মাজতো লক্ষ্মীধৰে ক'বলৈ ধৰিলে— "মাকে ল'ৰাক মাৰে। তোমালোকে আমাক আজি মাৰিবা; কিন্তু মাৰিলেও আমি তোমালোকক ল'ৰাৰ দৰে ক'ম। মুগুনিবাহে?" এই বুলি কোৰাত সমুখত থকা তিৰোতাবিলাক কিছু শান্ত হ'ল। কিন্তু পিছত থকা তিৰোতাবিলাকে নানান কথা চিঞৰি আছে। যি কি নহওক, আগত থকা তিৰোতাকেইজনীমানে ক'লে, "কি ক'বলগীয়া আছে ক।" লক্ষ্মীধৰে ক'লে, "আজি আপোনালোকক গান্ধীৰ কথা ক'বলৈ আহিছোঁ। কিন্তু গান্ধীৰ কথা ক'বৰ আগতে আপোনালোকলৈ অলপ চিৰা-গুৰ লৈ আহিছোঁ। খাবলৈ নল'বনে? ইমান ভাগৰত আহিছে, অলপ বিশ্ৰাম নল'বনে?" সমুখৰ জনতা কিছু শান্ত হ'লেও পাছৰ ফালে উত্তেজনাৰ শাম কটা নাই। কিছুমানে চিঞৰিবলৈ ধৰিলে—"মাৰ ইহঁতক, ইহঁত পুলিচৰ মানুহ।" টোকোন লৈ থকা এদল জনতাই আমাক বেঢ়ি পেলালে। লক্ষ্মীধৰে তথাপিও ক'বলৈ ধৰিলে—"আমাক মাৰি পেলালে যদি তোমা-লোকৰ দুখ গুচে তেন্তে আমাৰ প্ৰাণ লোৱা। তোমালোকে আজি দিনৰ দিনটো লঘোণে-ভোকে খোজ কাঢ়ি আহিছা। তোমালোকৰ ভোক গুচাবলৈ আমাৰ শক্তিৰ জোখাই চিৰা লৈ আহিছোঁ। সৌৱা মাইঁতে কোঁচত কেঁচুৱা লৈ আহিছে। কেঁচুৱাবিলাকেও ভোকত কলমলাই আছে। আমাক মাৰি পেলাই যদি তোমালোকৰ ভোক গুচে, তোমালোকৰ দুখ গুচে, তেন্তে আমাক নিশ্চয় মাৰিবা। আমিও বুকু পাতি দিম।" কথা শুনি জনতাৰ উত্তেজনা লাহে লাহে শাম কাটিল। চিৰা লোৱাৰ এটা ভাব হ'ল। আমিও চিৰা বিলাবলৈ ধৰিলোঁ।

* * * *

এইদৰে কিছুপৰ যোৱাত আমি গান্ধীৰ কথা বুজোৱাত লাগিলোঁ— "গান্ধীৰ নাম শুনিছানে?" কিছুমানে ক'লে—"ওঁ, ও, দেশত গান্ধী বাবাৰ নাম শুনিছিলোঁ। ইয়াতো হাট-বজাৰে গান্ধী বাবাৰ কথা শুনিবলৈ পাওঁ।"

"গান্ধী বাবাক মানিবানে? নামানি কেনেকৈ থাকোঁ? গোটেই হিন্দুস্থানৰ মানুহে মানে বুলি শুনিছোঁ, আমি নামানি থাকোঁ কেনেকৈ?" মানিলে চাহাব বাবুহঁতক মৰাটো বেয়া হৈছে নহয়।"

"তেন্তে আমি কি কৰিম?"

"আপত্তি থাকিলে, ডেপুটী কমিশ্যনাৰ— জিলাখনৰ বৰ চাহাবক আপত্তি কৰিবা। কিন্তু নিজে এইদৰে মাৰ-ধৰ নকৰিবা। মাৰ-ধৰ কৰিলে গান্ধী বাবাই বেয়া পাব।"

কিছুমানে ক'লে, "আমি বৰ চাহাবকেই লগ ধৰিবলৈ আহিছোঁ। আমি নগৰলৈ যাম।"

লক্ষ্মীধৰে ক'লে, "যদি আমি কালি ৰাতিপুৱা বৰ চাহাবক ইয়ালৈকে আনোঁ, তেন্তে ইয়াতেই তোমালোকে বৰ চাহাবক আপত্তি কৰিব পাৰিবা। নগৰলৈ নগ'লেও হয় দেখোন।"

কিছুমানে ক'লে, "নাই নাই, আমি নগৰলৈ যামেই। নগৰত বৰ চাহাবৰ কাছাৰীলৈ গৈ আপত্তি দিম।"

"নগৰত জ্বালোচা কিবা উপদ্ৰৱ কৰা।"

"নাই একো নকৰোঁ।"

এইদৰে মানুহবিলাকৰ লগত কথা হৈ থাকোঁতে থুলেশ্বৰে ফুচ্‌ফুচাই ক'লেহি, "দাদা, বৰ চাহাব আৰু পুলিচ চাহাব সৌ গছজোপাৰ তলত মটৰগাড়ী ৰখাই বৈ আছে।"

যি কি নহওক হেম বৰুৱা, কালীপ্ৰসাদহঁতক এই মানুহখিনিৰ লগত কথা পাতি আৱদ্ধ ৰাখিবলৈ কৈ আমি পাছলৈ উভতিলোঁ।

"চাওঁ, সঁচাকৈয়ে তেওঁলোক তাত বৈ আছে।"

পুলিচ চাহাব মিঃ ক্ৰেছ্‌ আগ বাঢ়ি আহিল। নাম কাঢ়ি সম্বোধন কৰি ক'লে, "আপোনালোকে আজি যিদৰে পৰিশ্ৰম কৰিছে তালৈ চাই শলাগ লৈছোঁ। আমাৰ মনলৈ শঙ্কা হৈছিল আপোনালোকৰ ওপৰত লাঠি চলাব বুলি আৰু আমিও গুলি চলাবলগীয়া হ'ব বুলি আশঙ্কা কৰি আসাম ৰাইফলছ সাজু কৰি থৈছোঁ।" ডেপুটী কমিশ্যনাৰ মিঃ লেইনীক ক'লোঁ, "এই মানুহবিলাকক ইয়াৰপৰা ওলোটাই পঠিওৱাটো টান। সিহঁতে কাছাৰী ঘৰলৈ গৈ আপোনাক আপত্তি জনাব বুলি কৈছোঁ। আমি আপোনাক ইয়ালৈকে আনি দিওঁ বোলাত সিহঁত মান্তি হোৱা নাই। এনে অৱস্থাত কি কৰোঁ? আমি মানুহবিলাকৰ লগত এতিয়া ইয়াতেই থাকিম। পাছে কালিলৈ পুৱা যাবলৈ ওলালে কি কৰোঁ তাকে সুধিবলৈ যাওঁ

বুলি ভাবি আছিলোঁ।" ডেপুটী কমিশ্যনাৰক চিন্তিত হোৱা যেন লাগিল। তেওঁ শেষত ক'লে, "বাৰু, মানুহবিলাক আহক, মই কাছাৰী ঘৰতেই সিহঁতৰ আপত্তি শুনিম। সিহঁতে কিবা উপদ্ৰৱ কৰিলে শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰাৰ ব্যৱস্থা ল'ব পৰা হ'ব।" শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰাৰ কথা! লগতে আসাম ৰাইফলছ বাহিনী! সকলো কথাই মনলৈ এটা অস্বস্তিৰ ভাব আনিলে। কি কৰোঁ, উপায় নাই।

*　　　　*　　　　*

এই আহিনমহীয়া জোনাক নিশা। জোনৰ তলত দুজন বৃটিছ কৰ্মচাৰীৰ লগত এইদৰে কথা হৈছো। তেওঁলোকৰ মনৰ আচল ভাব কি বুজিবলৈ যত্ন কৰি আছোঁ।

লক্ষ্মীধৰে ক'লে, "লেইনীৰ সৰলতা থকা যেন লাগিছে। যি কি নহওক, আমি মানুহখিনিক শান্তিৰে সৈতে কেনেকৈ ৰাখোঁ এয়েই সমস্যা হৈছে।"

কাছাৰী ঘৰলৈ সিহঁতৰ যোৱাৰ ভাবটোও বিশ্লেষণ কৰি চালোঁ। কাছাৰী ঘৰটোৰ এটা ট্ৰেডিশ্যন আছে—সকলো আপত্তি তাতেই বিচাৰ কৰা হয়—সঁচাই হওক, মিছাই হওক। মানুহৰ এটা ভাব, যেন কাছাৰী ঘৰতহে ন্যায় বিচাৰ পোৱা হ'ব। এইদৰে ভাবি বোধকৰোঁ ডেপুটী কমিশ্যনাৰ মান্তি হ'ল আৰু আমাৰ ফালৰপৰাও এটা অশান্তজনক পৰিস্থিতিত কাছাৰী ঘৰটোৰ ওপৰত থকা জনতাৰ সেই আস্থা, বিশ্বাস ৰক্ষা কৰি চলিবলগীয়া হ'ল। যিটো আস্থা গুচাবলৈ আমি অসহযোগ আন্দোলনলৈ ওলাইছিলোঁ, আজিৰ এই পৰিস্থিতিত তাকেই ৰক্ষা কৰা স্থিৰ কৰিলোঁ। এইদৰে আমি পুনৰ মানুহবিলাকৰ মাজলৈ আহিলোঁ। তেতিয়া জনতাৰ উত্তেজনা সমূলি নাই—দিহাদিহি বাটৰ দাঁতিত ঘাঁহনিত শুবলৈ দিহা কৰিছে। এনে অৱস্থাত আমাৰ কিছুমানক নগৰলৈ ওভোতাই পঠিয়ালোঁ, কালিলৈ ৰাতিপুৱাৰ বাবে সকলো ব্যৱস্থা কৰিবলৈ।

*　　　　*　　　　*

চৈধ্য অক্টোবৰ। পুৱতি নিশা। মানুহবিলাক পুনৰ যাত্ৰালৈ সাজু হোৱাত লাগিল। আমি মানুহবিলাকক পাছত থৈ আগ বাঢ়িলোঁ। কোন বাটেদি নিয়া হ'ব এই প্ৰশ্নও আহিল। "বজাৰৰ মাজেদি যেন্ অনা নহয়"—কিছুমানে পৰামৰ্শ দিলে। "কছাৰীগাঁৱৰ বাটেদি পত্নম পুখুৰী হৈ কছাৰী ঘৰলৈ অহাটো ভাল।" এইদৰে নানান পৰামৰ্শ হ'ল। কিন্তু আমাৰ সমুখত প্ৰশ্ন হৈছে—এক উত্তেজিত ক্ষুব্ধ অবুজ জনতাক কথা ক'লে কিদৰে লয় নাজানোঁ। কছাৰীগাঁৱৰ বাট

দেখুৱালে জানোচা সিহঁতে ভাবে আমি তেওঁলোকক ভুল বাট দেখুওৱা বুলি। সেইবাবে বজাৰৰ দোকান—পোহাৰ কিছুপৰলৈ মুখুলিবলৈ পৰামৰ্শ দিয়া হ'ল।

কালীপ্ৰসাদকে আদি কৰি আমাৰ সেৱকসকল মানুহবিলাকৰ লগে লগে আছে। কছাৰীগাঁৱৰ বাট পোৱাত আমাৰ কিছুমান সেৱক কছাৰীগাঁৱৰ বাটেদি আগ বাঢ়িল। মুখেৰে একো নক'লেও এনে এটা ইঙ্গিতেৰে মানুহবিলাকক নিবলৈ চেষ্টা হ'ল। কিন্তু আমাৰ শব্দহীন এই চেষ্টা ব্যৰ্থ হ'ল। মানুহবিলাক বজাৰৰ বাটলৈ ঘূৰিল। এতিয়া উপায় নাই। বাইচাইকেল থকা কৰ্মীসকলক পঠিওৱা হ'ল—সকলোকে সাৱধান হ'বলৈ জনাবলৈ। এইদৰে মনত নানান শঙ্কা লৈ এই জনতাৰ লগত কাষে কাষে থাকি নগৰলৈ আগ বাঢ়িলোঁ। বজাৰ পোৱাত দেখো দোকান জপাই থৈ মানুহবিলাক বাটৰ কাষত থিয় দি আছে। কাৰো মুখত মাত নাই। মুখত শঙ্কাৰ ভাব। মুটীয়াকিছুমানে "মহাত্মা গান্ধীজীকি জয়" দিবলৈ দিহা লগাইছিল, কিন্তু হাক দিলোঁ। আমাৰ প্ৰশ্ন—আজি মহাত্মাৰ জয় নে পৰাজয়। যি কি নহওক, থানাৰ সমুখেদি আমি এই মানুহবিলাকেৰে সৈতে আগ বাঢ়িলোঁ কাছাৰী ঘৰলৈ। কাছাৰী ঘৰৰ সমুখত মুকলি পথাৰত মানুহবিলাক শান্ত হৈ বহিল।

* * *

প্ৰায় ৮ বজাত ডেপুটী কমিশ্যনাৰ মিঃ লেইনী আহি ওলাল। মানুহহিলাকৰ কি আপত্তি আছে জনাবলৈ ক'লে। তেওঁ কাছাৰী ঘৰৰ বাৰান্দাত চকি-মেজ লৈ বহিল আৰু মুকলিত বহি থকা জনতাৰ মাজৰপৰা কাৰ কি ক'বলগীয়া আছে ক'বলৈ জনালে। এজন এজনকৈ মানুহ আহি নিজৰ নিজৰ কথা জনালে।

* * *

এই নিবন্ধৰ মানুহবিলাকেনো কি আপত্তি জনাব? সিহঁতৰ একো ট্ৰেড্ ইউনিয়ন নাই; সিহঁতৰ আপত্তিবিলাক যুক্তি দেখুৱাই কেনেকৈ কয়? এজন মানুহে ক'লে, "হুজুৰ. মই ডাক্তৰখানালৈ গৈছিলোঁ। তাত মোক এটা দাৱাই খুৱাই লেতেৰা কৰি দিলে।"

"ডাক্তৰক এই কাৰণেই মাৰিলি নেকি?" "নাই হুজুৰ, মই মৰা নাই। ভাল দাৱাই পোৱা নাযায়, মোৰ এয়ে আপত্তি।" আৰু এটা মানুহে ক'লে, "হুজুৰ, ব্ৰিস্কো চাহাব বৰ পুৰণি চাহাব। আমাক বৰ মৰম কৰিছিল। পাছে এতিয়া তেওঁ ছুটীত যোৱাত নতুন চাহাবে আমাক বৰ দিগ্‌দাৰী দিছে।"

"কি দিগ্‌দাৰী দিছে?"

"প্ৰতি বছৰে গোসাঁনী 'ভাসান' চাবলৈ ছুটী পাই আছিলোঁ। এইবেলি 'ভাসান'ৰ দিনাও কামত লগাই দিলে।"

*　　*　　*

আৰু এজনী তিৰোতাই ক'লে, "হুজুৰ মোক বাকচ এটাত থিয় কৰাই মোৰ কাপোৰ খুলি দিলে।" তিৰোতাজনীয়ে এইবোৰ কথা কোৱাত আমি ডি.ছিৰ ওচৰ চাপিলোঁ। "এই কথাষাৰ আপুনি লিখিব লাগে।" ডি.ছিয়ে খংমুৱা হৈ ক'লে, "কি লিখোঁ নিলিখোঁ মোৰ কথা।" এই ক্ষুব্ধ জনতাক সন্মুখত থৈ ডি. ছিৰ লগত তৰ্ক-বিতৰ্ক নকৰাই ভাল বুলি ভাবি স্থিৰেৰে থাকিলোঁ।

*　　*　　*

যি কি নহওক, ডি.ছিয়ে মানুহবিলাকক শান্ত-ভাৱেৰে ক'লে, "তোমালোক এতিয়া বাগিচালৈ উভতি যোৱা। মই তোমালোকৰ বাবে এখন স্পেচিয়েল ট্ৰেইনৰ ব্যৱস্থা কৰিছোঁ। এতিয়া অলপ আহাৰ খাই ট্ৰেইনত গুচি যোৱা। মই সকলো কথা শুনিলোঁ। ইয়াৰ সমুচিত বিচাৰ কৰিম।"

মানুহবিলাকে একো আপত্তি নকৰিলে। সকলো যাবলৈ মান্তি হ'ল। কিছুমানে ক'লে, "এৰা, ঘৰখন এৰি থৈ আহিছোঁ। বস্তু-বাহানি পৰি আছে।" কোনোৱে কৈছে, "এৰা, যোৱাই ভাল। গৰু-দমৰাবিলাক গোহালিতেই পৰি আছে।" মানুহবিলাক যাবলৈ মান্তি হোৱাত আমি ভাল পালোঁ।

*　　*　　*

ডেপুটী কমিশ্যনাৰে আমাক ক'লে, "এক সেৰকৈ একোজনক চিৰা-গুৰ দিবলৈ যিমান বস্তু লাগিব বৰগোলাৰপৰা দিয়াবলৈ মই হুকুম দিছোঁ। আপোনালোকে হাইস্কুলৰ খেল-পথাৰত মানুহবিলাকক খুওৱাৰ ব্যৱস্থা কৰক।"

*　　*　　*

মানুহবিলাকক হাইস্কুলৰ ফিল্ডলৈ নিয়া হ'ল আৰু চিৰা-গুৰ আহি পোৱাত ল'ৰাইঁতে বিলাই দিয়াত লাগিল। এতিয়া বজাৰৰ বহুতো দোকানীও আহি বিলনীয়া হৈ সহায় কৰাত লাগিল। খুওৱা শেষ হ'লত আমি বন্দুৱাসকলক ৰেল-ষ্টেশ্যনলৈ নিবলৈ ধৰিলোঁ। ৰেলৰ ষ্টেশ্যনত পুলিচ চাহাব মিঃ ক্ৰেছ উপস্থিত আছেই। ক্ৰেছ চাহাবে বন্ধুভাৱে ক'লে, "কালি-ৰাতিৰেপৰা শুব পৰা নাই। এতিয়া যাওক, ভালকৈ অৰ্জা বিশ্ৰাম লওকগৈ।"

মনলৈ কত কথা আহিবলৈ ধৰিলে—এই সিদিনা ২১ আগষ্ট তাৰিখে পলোফিল্ডৰ পথাৰত মহাত্মা আহোঁতে হোৱা মিটিঙত চিগাৰেট জুপি থকাত এই

চাহাবৰ লগত মুখ চুপতি মাৰিবলগীয়া হৈছিল। বৃটিছ চৰিত্ৰৰ আন এটা ৰূপ মনলৈ আহিল।

* * *

ট্ৰেইন এৰিলে, আমিও উভতিলোঁ। মনতে ভাবিলোঁ এই ক্ষুব্ধ জনতা আহিছিল গ্ৰেপ্তাৰ কৰি অনা লগৰীয়াইতক জেইলৰপৰা মুকলি কৰি নিবলৈ। কিন্তু কেনেকৈ শান্তভাৱে গুচি গ'ল। অহিংসাৰে কেনেকৈ এই মানুহবিলাকৰ মন অকস্মাতে সলনি হ'ল তাকেই ভাবিলোঁ।

* * *

কি পৰিস্থিতিত আমি সহযোগ কৰিবলৈ ওলাবলগীয়া হ'ল। প্ৰাদেশিক কংগ্ৰেছলৈ বিস্তাৰিত বিৱৰণ পঠিওৱাত মন দিয়া হ'ল। দেশভক্ত ফুকনৰ কাৰ্য-তালিকা মতে অহা হ'লে তেখেতক আমি এই পৰিস্থিতিৰ মাজতেই পালোঁহেঁতেন। কিন্তু ঘটনা-চক্ৰত তেখেত উজনিলৈ যাবলগীয়া হ'ল আৰু আমিয়ে অকলশৰীয়াকৈ এই পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হ'লো। যি কি নহওক, প্ৰাদেশিক অফিচৰপৰা জনোৱা হ'ল—আমাৰ সিদ্ধান্তত একো ভুল হোৱা নাই।

* * *

উনৈশ অক্টোবৰ তাৰিখ। গধূলিৰ জাহাজত ফুকন নগাঁৱৰপৰা আহি পালে। যদি প্ৰয়োজন হয় তেন্তে থাকিব, নহ'লে তেখেত সেই জাহাজতেই গুৱাহাটীলৈ যাব। আমাৰ লগত গোটেই পৰিস্থিতি সম্পৰ্কে কথা হ'ল আৰু আমি এইদৰে কাম কৰাত শলাগ ল'লে। জাহাজঘাটলৈকে গৈ তেখেতক বিদায় দিলোঁ।

বাগিচাৰ বনুৱা সম্পৰ্কে পুৰণি বহুতো কথা মনলৈ আহি আছে। সিদিনা মহাত্মা গান্ধী তেজপুৰলৈ অহাত চাহ বাগিচাৰ বনুৱাৰ কথা বুজিবলৈ বিচাৰিছিল। কিন্তু আমি ৰিপোৰ্টবিলাক যোগাৰ কৰি দিব নোৱাৰিলোঁ। ছাৰ হেন্‌ৰী কটনে যে অসমৰ চাহ বাগিচাৰ বনুৱাৰ কথালৈ বহুতো সমালোচনা কৰিছিল, সকলো ৰিপোৰ্ট তেজপুৰত পোৱা নহ'ল। চীফ কমিশ্যনাৰ হৈও দৰমহাৰ নিৰিখ অতি সামান্য বুলি ছাৰ হেন্‌ৰী কটনে কৈছিল। তেওঁ এটা যুক্তি দিছিল যে দৰমহাৰ নিৰিখ অতি কম দেখি অসমলৈ ভাল বনুৱা আহিবলৈ নিবিচাৰে। এইবাবেই মজদুৰ আৰু মালিকৰ সংঘৰ্ষ হোৱা বুলি মন্তব্য কৰিছিল। আৰু এটা কথা হেন্‌ৰী কটনে উল্লেখ কৰিছিল, সেইটো হৈছে আদালতলৈ বনুৱাৰ মোকৰ্দমা আহিলে মেজিষ্ট্ৰেটৰ উগ্ৰ শাস্তি দিয়া বুলি। কিন্তু আনহাতে, মালিক দোষী সাব্যস্ত হ'লেও আদালতে মালিকক লঘু শাস্তি দিয়ে। কাছাৰৰ উদাৰবণ্ড বাগিচাত এটা ঘটনাত মেনেজাৰ

বেইন চাহাবৰ মোকৰ্দমা লৈয়েই কিমান উথল-মাথল লাগিছিল। সকতে ককাদেউতাৰ পৰা শুনিছিলোঁ। এইবাবে চিভিল ছাৰ্জন কৰ্ণেল শিৱৰাম বৰা বদলি হৈ তেজপুৰলৈ আহিবলগীয়া হ'ল। আৰু তেজপুৰলৈ আহিও ধেন্দাই বাগিচাৰ আৰু এটা ঘটনাত বাগিচাৰ মেনেজাৰৰ বিৰুদ্ধে ৰিপোৰ্ট দিছিল। ককাদেউতাই কোৱা বহুতো কথা মনলৈ আহিছে।

* * *

আন্দোলনৰ উত্তেজনাৰ মাজেদি দিনবোৰ যাব ধৰিছে। এতিয়া কংগ্ৰেছ ৱৰ্কিং কমিটিৰ নতুন নিৰ্দেশ—কৰাচীৰ প্ৰস্তাৱ গাওঁ-ভুঞে সকলো ঠাইতে দোহাৰিব লাগে। সৈনিকৰ পৰা আৰম্ভ কৰি চিভিলিয়ান কৰ্মচাৰীসকলোকে চৰকাৰী কাম এৰি আহিবলৈ ক'বলগীয়া হোৱাত এটা নতুন উত্তেজনাৰ সৃষ্টি হ'বলৈ ধৰিলে।

লখ্ৱাৰপৰা আসাম ৰাইফল্‌ছৰ চিপাহী-চুবেদাৰ কিছুমান মাজে মাজে তেজপুৰলৈ আহি থাকে। তেওঁলোকক লগ ধৰি এইবিলাক কথা বুজোৱাও আমাৰ কাম হ'ল।

* * *

তেজপুৰ নগৰৰ কুৱাৰ পাৰৰ (জ্যোতিষচন্দ্ৰ বসুৰ ঘৰৰ কাষৰ) বাটটোত কেইবাখনো নেপালীৰ চাহ দোকান আছে। তেজপুৰলৈ আহিলে এই দোকান-বিলাকত সোমাই চাহ নোখোৱাকৈ সিহঁত নাযায়। ফুলেশ্বৰেও এই ছেগতে কৰাচীৰ প্ৰস্তাৱ বুজায়। এদিন এজন ডাঙৰ কৰ্মচাৰীক এইদৰে ধৰাত তেওঁ গুজৰি উঠিল। কিন্তু থুলেশ্বৰো সহজে এৰিবৰ ল'ৰা নহয়। তেওঁ বুকুখন উদং কৰি ক'লে, "আপোনাৰ বেল্টত সোটো ৰিভলভাৰ আছেই, তাবে মোৰ বুকুলৈ মাৰক।" মানুহজনে এনে অৱস্থাত কি কৰে? একো মাত নিদি তাৰপৰা গুচি গ'ল।

* * *

গাঁৱে-ভুঞে সকলো ঠাইতে আলোচনা হ'বলৈ ধৰিলে—চৰকাৰী চাকৰিয়াল-সকলে কাম এৰি দিলেতো একেদিনাই ইংৰাজ আমাৰ দেশৰপৰা গুচি যাবলৈ বাধ্য হৈছে। গাঁৱলীয়া সমাজৰ ফালৰপৰাও সামাজিক হেঁচা দিয়াৰো দিহা হ'বলৈ ধৰিলে। বঙালী কৰ্মচাৰী কিছুমানে ক'লে, "অসমীয়া মানুহৰ মাটি-বাৰী আছে, প্ৰৱৰ্তিৰৰ এটা উপায় হ'ব। কিন্তু আমি ক'লৈ যাওঁ? কাম এৰি দি কেনেকৈ সংসাৰ চলাওঁ?" আনফালে শাসনৰ কৰ্তৃপক্ষসকল হতভম্ব হোৱাদি হ'ল, কি কৰে? কেনেকৈ ধৰিব পাৰি— ৰাজদ্ৰোহ (Sedition) কৰা বুলি কিছুমানকহে

ধৰিব পাৰি, কিন্তু গোটেই দেশখনৰ মানুহে যদি একেদৰে Sedition কৰাত লাগে কেনেকৈ ধৰিব পাৰি ? বোধকৰোঁ ইয়াকে ভাবি তেওঁলোকে কাকো নধৰাকৈ আছে।

* * *

ত্রিশ অক্টোবৰ। কালীপূজা। আকৌ ধেনুদাই, সোণাজুলি বাগিচাত গোলমাল হোৱাৰ বাতৰি পোৱা গ'ল। ব্যক্তিগত আক্রমণ কৰা অভিযোগত ৫০ জন বনুৱাক গ্রেপ্তাৰ কৰি আনিলে। আকৌ বনুৱাৰ মাজত বিক্ষোভ হ'ল। তেওঁলোকে তেজপুৰলৈ আহিবলৈ খোজ দিলে। এইবেলিও ডেপুটী কমিশ্যনাৰক জনালোঁ, আমি সহযোগ কৰিম। আবেলি ২ বজাৰ পিছত বনুৱাসকল আহি পালেহি। আগৰবাৰৰ দৰে আমাৰ কর্মচাৰীসকলে চাৰিআলিৰপৰা তেওঁলোকৰ লগ হৈ বুজাই আহিছে। সিহঁতৰ মুখত আন একো কথা নাই -"ধৰি মানুহবিলাক খালাচ দিব লাগে।" দেৱালী কালি হৈ গ'লেও আজি বজাৰত এটা আনন্দৰ ভাব আছে। এই উত্তেজিত জনতা অকস্মাতে আহি পোৱাত সকলোৰে মনলৈ এটা নিৰানন্দৰ ভাব আহিল। দোকানৰ দুৱাৰ জপাই মানুহ বাটত থিয় দিলে আৰু আমিও বজাৰৰ মাজেদি মানুহবিলাকক লৈ কাছাৰী ঘৰৰ ফালে আগ বাঢ়িলোঁ। আগৰবাৰ যিদৰে আত্মবিশ্বাসৰ এটা অভাব বোধ হৈছিল, এইবেলি যেন সেইদৰে হোৱা নাই। মানুহবিলাকক বুজাই-বঢ়াই পঠিয়াব পৰা হ'ব বুলি ভাব হ'ল। যি কি নহওক, কাছাৰী ঘৰৰ সমুখত মুকলিত বহুৱা হ'ল আৰু অলপ পিছত মটৰ গাড়ীৰে লেইনী চাহাব আহি উপস্থিত হ'ল। লেইনী চাহাবে আগৰ দৰে সিহঁতৰ আপত্তি সোধাত চকি-মেজ লৈ বহিল। কিন্তু সিহঁতৰ আপত্তি এটা—"ধৰি অনা মানুহবিলাকক খালাচ দিব লাগে।" কোনোৱে কলে, "মোৰ মতাক ধৰি লৈ আহিছ, এৰি দিব লাগে।" কোনোৱে কলে, "মোৰ ল'ৰাটোক আনিছ, এৰি দিব লাগে।" এইবিলাকেই আপত্তি হ'ল। এনে আপত্তিত বৰ চাহাবেনো কি সমিধান দিব পাৰে ? "এইবিলাকৰ বিচাৰ হ'ব। বিচাৰ হোৱাৰ পিছত কচুৰ নাথাকিলে এৰি দিয়া হ'ব।" —এয়েই সমিধান। কিন্তু মানুহবিলাক অবুজ ; বুজাব নোৱাৰি। লেইনী চাহাব মটৰগাড়ী লৈ যাবলৈ ওলাল। বনুৱাই আগভেটা দি ক'লে "ক'লৈ যাব চাহাব, আমাৰ বিচাৰ নকৰাকৈ ?"

পুলিচৰ হুইছেল বাজিল। চকুৰ পচাৰতে আসাম ৰাইফল্‌ছৰ এটা বাহিনী গিৰিপ্‌কৰে ৰাইফলত কার্টুজ খাজি আঁঠু কাঢ়ি বন্দুক টোঁৱাই বহিল। এই পৰিস্থিতিত কি কৰিব পাৰি ?

ডেপুটী কমিশ্যনাৰৰ ওচৰ চাপি মানুহবিলাকক বুজোৱাত লাগিলোঁ। লক্ষীধৰে ক'লে, "আমাকো এখন্তেক সময় দিয়ক।" যি কি নহওক, আমাৰ বুজনিত মানুহবিলাক অলপ আঁতৰিল। লেইনী চাহাব ধীৰভাৱে আহি কাছাৰীৰ পকীত থিয় দিলে। মানুহবিলাকৰ উত্তেজনা শাম কটা নাই। তিৰোতাবিলাকো চিপাহীৰ সমুখত বহি পৰিল। "মাৰ আমাক"—এইদৰে মুনিহবিলাকো বহি পৰিল। কিন্তু মুখত চিঞৰ আছে—"আমাৰ মানুহ এৰি দিব লাগে।" খাজি লোৱা বন্দুকৰ সমুখত তিৰোতা-বিলাকেও বহি লৈ চিঞৰিছে "মাৰ আমাক।" মুনিহবিলাকে চিঞৰিছে—"চাহাব আমাৰ মানুহবিলাক খালাচ দিব লাগে।"

সমুখেদি মটৰ গাড়ীৰে চাহাব যাব পৰাৰ কোনো সম্ভাৱনা দেখা নগ'ল। বৰ চাহাব কাছাৰী ঘৰত সোমাই অলপ পৰ বৈ পাছফালেদি বঙলালৈ গুচি গ'ল। বন্ধুৱাসকলে জানিবা একো গম নাপালে। যি কি নহওক, আমি বুজোৱাত লাগিলোঁ—"বৰ চাহাব গুচি গ'ল। ইয়াত বহি থাকি কি কৰিবা? স্কুলৰ পথাৰলৈ আহি জিৰণি লোৱাহি। আমি খোৱা বস্তু গোটাইছোঁ, বিলাই দিওঁ। পোনতে সকলোৱে এনে কথাত মান্তি নহ'ল; কিন্তু বেলি মাৰ যোৱাৰ লগে লগে যেনিবা অলপ শান্ত হ'ল আৰু আমিও বুজাই-বঢ়াই স্কুলৰ পথাৰলৈ নিব পাৰিলোঁ। আৰু আমাৰপৰা চিৰা ল'বলৈ মান্তি হ'ল। ৰাতি হোৱাত মানুহবিলাক ভাগৰত মুকলি পথাৰতে শুই পৰিল।

* * *

ৰাতি ১১ বজাত আমি মানুহবিলাক শুই থকা দেখি বাণ থিয়েটাৰৰ ফালে যাবলৈ ওলালোঁ। থিয়েটাৰ চাই মানসিক জিৰণি পাবলৈকো মন গৈছিল। আমি আবেলিৰ পৰিস্থিতি আলোচনা কৰি গৈ আছোঁ - পোষ্টঅফিচৰ কাষেদি জেইলৰ বাটৰফালে আগ বাঢ়িলোঁ। এনেতে হুইছেল্ বাজিল। লগে লগে গিৰ্জনি মাৰি এটা শব্দ আহিল—"হুকুমদাৰ"। কি উত্তৰ দিওঁ নিদিওঁ, এনেতে আমাৰ মাজৰপৰা এজনে চিঞৰি দিলে—'ফ্ৰেণ্ড্'। লগে লগে চিপাহীৰ দলে আহি আমাক বেঢ়ি ধৰি টৰ্চ মাৰিলে। আমাক দেখা পাই ক্ৰেছ চাহাব আৰু লেইনী চাহাব আহি ক'লে, "আপোনালোক! আমি ভাবিছিলোঁ বন্ধুৱাইঁতে জেইল আক্ৰমণ কৰিবলৈ আহিছে।"

সিইঁতে এতিয়া ভাগৰত টোপনি গৈছে। এতিয়া একো ভয় নাই যেন লাগিছে আৰু আমিও mental relaxationৰ বাবে থিয়েটাৰ চাবলৈ আহিছোঁ—এয়ে আমাৰ উত্তৰ হ'ল। 'হয়নে, যাওক' এই বুলি আমাক বাট এৰি দিলে।

আমিও থিয়েটাৰ হলৰ ফালে আগ বাঢ়িলোঁ। অলপ আগ বঢ়াৰ পিছত দেখোঁ, দাৰোগা এজন আহি আমাৰ লগ ল'লে। বুজিলোঁ তেওঁৰ আচল উদ্দেশ্য।

* * *

থিয়েটাৰ হলত যেনিবা শ্ৰীযুত চন্দ্ৰ শৰ্মাই আথে-বেথে আমাক বহুৱালে। গোলমালৰ মাজত মানুহেই হোৱা নাই। সকলোৰে মনতো অশান্তি লাগি আছে ক'ত কি হয় বুলি। যি কি নহওক, প্ৰায় ২ বজা মানত আমি উভতিলোঁ। থিয়েটাৰতো শান্তি পোৱা নাই ক'ৰবাত কিবা অঘটন ঘটে বুলি। লক্ষ্মীধৰে সাধনী নাটক সমালোচনাত লাগিলেও আজিৰ কথাৰে জমাব পৰা নাছিল। হেম বৰুৱাৰো সেইদৰে। সকলোৰ মনত পৰি আছে স্কুল ফিল্ডত এৰি অহা এই অবুজ জনতা আৰু কাছাৰী ঘৰৰ ওচৰত এটা সজ্জিত আসাম ৰাইফলছৰ বাহিনীলৈ।

এই বেলি যেনিবা অহা বাটেদি উভতিবলৈ মন নগ'ল। আকৌ জানোচা চিপাহীহঁতে আগুৰি ধৰে—সেইবাবে পুলিচ লাইনৰ বাটেদি উভতিলোঁ। এন্ধাৰ নিশা পথাৰৰ মাজত কাতিমহীয়া চেঁচাত এই মানুহবিলাক কেনেকৈ পৰি আছে! ভাবিলোঁ এতিয়া মানুহবিলাকৰ আগৰদৰে ভাব নহ'ব। এই বুলি কেম্পলৈ আহি পুৱাৰ বাবে বাট চাই শুই পৰিলোঁ। অতি পুৱাতে মানুহবিলাকক লগ ধৰিব লাগিব। নৈলৈ বাট দেখুৱাই হাত-মুখ ধুওৱাৰ ব্যৱস্থা কৰিব লাগিব।

* * *

দোক্‌মোকালিতে উঠি পুনৰ ওলালোঁ। এজন দুজনকৈ মানুহ কিছুমান উঠিছে। কেঁচুৱা থকা তিৰোতাবিলাক তেতিয়ালৈকে ঘঁাহনিত পৰি আছে। তাৰ মাজতে এইখিনি মানুহ কেনেকৈ পৰি আছে—তাকে মনলৈ আহে। দুখ লৈয়েই যাৰ জীৱন, তাৰ এই নিয়ৰত পৰি থাকিবলৈনো কি কথা। মানুহবিলাক যাতে বজাৰৰ ফালে নাহি নৈলৈ গৈ হাত-মুখ ধুই আহে তাকে দেখুৱাই দিয়া হ'ব।

লেইনী চাহাবে খবৰ দিলে যে মানুহবিলাকে যদি ভাত ৰান্ধি খাবলৈ বিচাৰে তেন্তে চাউল-দালি দিয়া হ'ব। মানুহবিলাকে ক'লে, "ক'ত ৰান্ধিম, চিৰাকেই খাম।" সেইবাবে চিৰা দিয়া হ'ল। মানুহবিলাক এতিয়া দেখাত শান্ত আৰু আমাৰো কিছুমানে বুজোৱাত লাগিল—১০।১১ দিনমানৰ পিছত কিছুমানক এৰি দিব আৰু উকিল ধৰিব পৰা হ'ব। এতিয়া মানুহবিলাক বাগিচালৈ উভতিবলৈ মান্তি হ'ল আৰু বৰ চাহাবেও স্পেচিয়েল ট্ৰেইন এখনৰ দিহা কৰি দিলে। এইদৰে এইবেলিও এই পৰিস্থিতিৰ মাজেদি পাৰ হ'ব পৰা হ'ল।

* * *

আমাৰ মূৰৰ ওপৰেদি ধুমুহা যোৱা যেন লাগিছে। এতিয়া ধুমুহাৰ অন্তত গোটেই পৰিস্থিতি' আমি আলোচনা কৰাত লাগিলোঁ। হেম বৰুৱাই সমাজতত্ত্বৰ কথাত ৰস পায়। সমাজতত্ত্বৰ বিষয়টো কলিকতা বিশ্ববিদ্যালয়ত পাঠ্য বিষয়ত অন্তৰ্ভুক্ত নোহোৱাত তেওঁ এই বিষয় ল'ব পৰা নাছিল। আমাৰ প্ৰদেশত চাহ বাগিচা খোলাৰ লগে লগে বাহিৰৰ পৰা বহুতো বনুৱা আনি চাহ খেতিৰ কামত লগোৱা হৈছে। নিজৰ নিজৰ অঞ্চলৰ সামাজিক জীৱনৰ পৰা আঁতৰি আহি বেলেগ বেলেগ সমাজৰ আৰু আচাৰ-ব্যৱহাৰৰ কিছুমান মানুহ অসমৰ চাহ বাগিচাত একে লগ লাগিবলগীয়া হৈছে। তেওঁলোকৰ গাঁওবিলাকত যি সামাজিক শাসন আছিল, এতিয়া সেই ঠাইত মেনেজাৰৰ শাসন, গাঁৱৰ মুখীয়াল কিছুমানে কৰা শাসনৰ ঠাইত মেনেজাৰৰ শাসনৰ মাজত বহুতো পাৰ্থক্য। অৰ্থনীতিৰ ফালৰ পৰাও একো লগ হ'বলৈকো ট্ৰেড্ ইউনিয়ন গঢ়ি উঠা নাই আৰু বৰ্তমান অৱস্থাত গৱৰ্ণমেণ্টে আৰু মেনেজাৰেও ট্ৰেড্ ইউনিয়ন হোৱাত বাধা দিয়ে।

বাগানৰ মাজেদি অহা-যোৱা কৰাৰেই কিমান অসুবিধা। তাৰো বহুতো উদাহৰণ লক্ষ্মীধৰে দিলে। তিলক স্বৰাজ ভঁৰালৰ বাবে ধন সংগ্ৰহ কৰোঁতে কাবুলৰ (শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী) কি অৱস্থা হৈছিল তাকো তেওঁ ক'লে। ঘোপসধাৰু বাগানৰ মাজেদি প্ৰতাপগড় হৈ চতিয়ালৈ আহি থাকোঁতে মেনেজাৰ বাটতে পাই তেওঁক ঘূৰাই পঠিয়ালে। কাবুল ১৪ বছৰীয়া ল'ৰা অকলে গধুলি বৰষুণীয়া বতৰৰ মাজত কি দুৰৱস্থাত পৰিছিল সকলো লক্ষ্মীধৰে ক'লে। এনে এটা অৱস্থাত ট্ৰেড্ ইউনিয়ন হোৱাটো কেনেকৈ সম্ভৱ হ'ব পাৰে?

গৱৰ্ণমেণ্ট আৰু চাহ বাগানৰ মেনেজাৰ—দুয়ো একেটা হৈও কঢ়া শাসনৰ ব্যৱস্থা কৰা সত্ত্বেও মাজে মাজে নানান ঘটনা হৈ থাকে। হেম বৰুৱাই ক'লে, তাহানি ছাৰ হেন্‌ৰী কটনে বাগিচাৰ বনুৱাৰ অৱস্থা আৰু বাগিচাৰ পৰিচালনা সম্পৰ্কে তীব্ৰ মন্তব্য কৰিছিল। মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাত যি indentured labour (গিৰ্মিটীয়া বনুৱা) সম্পৰ্কে আন্দোলন কৰিবলগীয়া হৈছিল, সেই একে অৱস্থা অসমৰ চাহ বাগিচাতো প্ৰবৰ্তিত আছিল। ১৯০১ চনত এই আইন প্ৰবৰ্তিত হয়। ছাৰ হেন্‌ৰী কটনৰ বছেৰেকীয়া ৰিপোৰ্টত বহুতো কথাৰ উল্লেখ আছিল।

দৰমহা ইমান কম যে পৰিশ্ৰমী লোক এই দৰমহাৰ বাবে অসমলৈ নাহে।

দৰমহাৰ কাৰণে বনুৱা ধাৰতেই থাকিবলগীয়া হৈছে।

এইবাবে মেনেজাৰৰ লগত প্ৰায়েই বনুৱাৰ সংঘৰ্ষৰ বাতৰি পাবলগীয়া হয়। এনেবিধৰ ঘটনাত বনুৱাৰ ওপৰত বৰ কঠোৰ শাস্তি বিধান হয়। বনুৱাৰ কথা লৈ মেনেজাৰৰ দণ্ড বিধানৰ প্ৰয়োজন হ'লে আদালতে তেওঁক লঘু শাস্তি দি এৰে।

ছাৰ হেন্‌ৰী কটনৰ এনেবিলাক মন্তব্যৰ বাবে লণ্ডনত থকা চাহ বাগিচাৰ মালিক সজ্বই তীব্ৰ আন্দোলন কৰিছিল। আনকি লৰ্ড কাৰ্জনে চাহ বাগিচাৰ মালিকসকলে গৱৰ্ণমেণ্টক সন্দেহৰ চকুৰে চায় আৰু অসমৰ মানুহ বৰ এলেহুৱা ইত্যাদি মন্তব্য কৰিছিল। আমি ৰাজহুৱা কাৰ্যক্ষেত্ৰত লগাৰ পিছৰেপৰা তেজপুৰত কেইবাটাও ঘটনা হৈ গ'ল। ফাকুৱাৰ দিনা হেলেমতো ঘটনা ঘটিছিল। তাৰ পিছত জিঞ্জিয়া বাগানত, জুলাই মাহত আমাৰীবাৰীত আৰু পূজাৰ এই কেইদিনতেই কছাৰী গাঁও, সোণাজুলি, ধেন্‌দাই বনুৱা বিক্ষোভে চূড়ান্ত সীমা পালেগৈ।

হেম বৰুৱাই ক'লে, "বাগিচাৰ বনুৱাবিলাক সভ্যতাৰ কি স্তৰত তালৈ মন কৰিব লাগে। আহাৰ আহৰণ কৰা স্তৰৰ সভ্যতাত থকা এইবিলাক মানুহে পানীত মাছ ধৰে, হাবিত কাঁড়-ধনু লৈ চিকাৰ কৰে। এই লগতে মাটিত কেইটামান আঁচোৰ মাৰি যি পায় তাৰে চলাব পাৰে; জীৱনত অভাৱো কম।"

বৃটিছে ভাৰতলৈ সভ্যতাৰ পোহৰ লৈ আহিছে। তেওঁলোকৰ কিছুমানে গৌৰৱ কৰি বহুতো কথা কয়, পৃথিৱীত থকা শ্বেতাঙ্গসকলৰ হেনো এছিয়া আৰু আফ্ৰিকাত পৃথিৱীত এটা ডাঙৰ দায়িত্ব আছে। ইয়াকেই তেওঁলোকে white man's burden বুলি কয়। হেম বৰুৱাই চাৰ্চ্চিলৰ 'My African Journey' বোলা কিতাপ এখনৰো উল্লেখ কৰে। তেওঁ লিখিছে যে, "আফ্ৰিকাত বগা আৰু ক'লাৰ যুঁজ। * * * আফ্ৰিকাখন আমি বগা মানুহৰ দেশ কৰিবলৈ বিচাৰোঁ। আমাৰ কথাবিলাকৰ আঁৰত পাশৱিক শক্তি প্ৰয়োগৰ ভাবো আছে।" চাৰ্চিলে সাৱধান কৰি কৈছিল, "আফ্ৰিকাত বগা. কফি-খেতিয়ক সকলৰ ওচৰত যেন আফ্ৰিকাৰ ক'লা মানুহক সঁপি দিয়া নহয়। বৰ্তমানে এই ক'লা মানুহবিলাকে বগা মানুহবিলাকলৈ যে শ্ৰদ্ধা আৰু বিস্ময়ৰ চকুৰে চায় তাৰ ভেটি অতি দুৰ্বল। এই মানুহবিলাকে এইবাৰ য়ুৰোপলৈ আহি আমাৰ বগা মানুহবিলাক কি দুখ-দুৰ্দশাত আছে এবাৰ চাওকহি; তেন্তে তেওঁ দেখা পাব এই ৰমক জমক সাজ-সজ্জাৰ আঁৰত থকা সৰ্বশক্তিমান বগা মানুহজন এটা প্ৰতাৰণা মাথোন।" এই কথাবিলাকলৈ হেম বৰুৱাই আঙুলিয়ালে।

* * *

এক নৰেশ্বৰ। ভাৰতৰ ৰাজনৈতিক পৰিস্থিতি লাহে লাহে গহীন হৈ আহিছে। মহাত্মা গান্ধীয়ে 'ইয়ং ইণ্ডিয়া'ত এটা প্ৰবন্ধ লিখিছে—"মৃত্যুলৈ ভয়" (Fear of death)। প্ৰবন্ধটো পঢ়ি ভাল পালোঁ। এইটো আমাৰ সকলো কৰ্মীয়ে যাতে পঢ়িবলৈ পায়, সেইবাবে অসমীয়া ভাঙনি কৰি লিথো কৰি উলিওৱা হ'ল আৰু সকলো কেন্দ্ৰলৈ পঠিওৱা হ'ল।

স্বৰাজৰ ব্যাখ্যা কৰি মহাত্মাই লিখিছে যে—"স্বৰাজ হৈছে মৃত্যুলৈ ভয় বৰ্জন। আমি যেতিয়া স্বৰাজ পাম, আমাৰ বহুতৰেই মৃত্যুলৈ ভয় নোহোৱা হ'ব। সেয়ে নহ'লে আমি স্বৰাজ নাপাওঁ। যেতিয়া মানুহ — ল'ৰা-ছোৱালী নাইবা বয়সীয়াল মানুহ মৰে, তেতিয়া আমি কিয় অস্থিৰ হওঁ? পৃথিৱীত এনে এটা মুহূৰ্ত নাই, যি মুহূৰ্তত কোনোবা এজন জন্ম লাভ কৰা নাই নাইবা কোনোবা এজনৰ মৃত্যু হোৱা নাই। আত্মা আছে বুলি যিসকলে বিশ্বাস কৰে, তেওঁলোকে জানে যে আত্মা অমৰ। এইদৰে ভাবিলে আমি মৃত্যুলৈ ভয় বৰ্জন কৰিব পাৰিম। যাৰ মৰণলৈ ভয় নোহোৱা হৈছে, তেওঁৰ বাবে কাৰাদণ্ড কি? মই আজি এই বিষয়টো লৈ লিখিবলৈ বহিছোঁ, কাৰণ আমি এবছৰৰ ভিতৰত স্বৰাজ পাবলৈ হ'লে এই মানসিক অৱস্থা পাব লাগিব। সাহিয়ালে হাঁহি মুখে মৃত্যুক বৰণ কৰিব পাৰে। অহিংস সংগ্ৰামত বুদ্ধিহীন লোকৰ অঁকৰালিৰ ঠাই নাই। এটা নীতি বিগৰ্হিত কাম কৰি জেইললৈ যোৱা নাইবা মৃত্যুদণ্ড লোৱাৰ কথা অহিংস যুঁজত নাই। গৱৰ্ণমেণ্টৰ দুৰ্নীতিপৰায়ণ অত্যাচাৰী আইন প্ৰতিৰোধ কৰি ফাঁচীৰ জৰিদাল হাঁহি মুখে আঁকোৱালি ল'ম।"

ভাৰতৰ ভীৰু কাপুৰুষ জনতাৰ অন্তৰলৈ নৈতিক শক্তিৰে মহাত্মাই কেনেকৈ সিংহৰ সাহ-বল আনিব ধৰিছে তাকে ভাবিছোঁ। লক্ষ্মীধৰ, হেম বৰুৱা আৰু আমাৰ আন সকলোৱেই ইয়াৰেই কথা হৈ আছোঁ। সেইবাবে এই প্ৰবন্ধটো ভাঙনি কৰি সকলো কেন্দ্ৰতে প্ৰচাৰ কৰাত পলম কৰা নহ'ল।

* * *

অসহযোগৰ দৰে এটা বিৰাট ৰাজনৈতিক আন্দোলন ক'বলৈ গ'লে মহাত্মাই অকলেই পৰিচালনা কৰি আছে। ভাৰতৰ লব্ধপ্ৰতিষ্ঠ বাগ্মী ৰাজনৈতিক নেতাসকলক বুজাই তেওঁলোকৰ সমৰ্থনৰ দিহা কৰা আৰু ভাৰতৰ এই কোটি কোটি জনতাক এটা নতুন বাটেদি চলাই লৈ যোৱা— সকলো মহাত্মাই কেনেকৈ কৰি আছে তাকে আমি আলোচনা কৰোঁ। হেম বৰুৱাই ক'লে—"লৰ্ড কাৰ্জনে ১৯০৫ চনত স্বদেশী আন্দোলনৰ সময়ত হাঁহিছিল। ভাৰতৰ ৰাজনৈতিক নেতাসকলৰ উচ্ছ্বাস হৈছে ছোডা-পানীৰ বটলৰ বুৰবুৰণি; কিন্তু গান্ধীয়ে কেনেকৈ জনতাৰ উচ্ছ্বাসক নিয়ন্ত্ৰিত কৰি

গৱৰ্ণমেণ্টৰ লগত সংঘৰ্ষলৈ নিব ধৰিছে। মহাত্মাই কিবা এটা কৰিব পাৰিব বুলি সকলোৱে মনলৈ এটা আশা আহিব ধৰিছে।"

* * *

কবি ৰবীন্দ্ৰনাথৰ প্ৰবন্ধৰ (সত্যৰ আহ্বান) উত্তৰত মহাত্মাই 'ইয়ং ইণ্ডিয়া'ত লিখিছে—"শান্তিনিকেতনৰ কবিয়ে এই আন্দোলন সম্পৰ্কে এটি ধুনীয়া প্ৰবন্ধ লিখিছে। ক্ষমতাৰ বলেৰে কাম কৰোৱা নাইবা দ মনোবৃত্তি নাইবা দেখাক দেখি একো মুখুজাকৈ ভয় কৰি নাইবা কিবাৰ আশাত কাম কৰিবলৈ ওলোৱাৰ বিৰুদ্ধে তেওঁৰ প্ৰবন্ধ হৈছে শক্তিশালী প্ৰতিবাদ। আমি যিমানেই ভাণ্ডৰ নহওঁ, আমাৰ নিজ ক্ষমতাৰে আনক নিৰ্দেশ দি যেন একো নকৰাওঁ। আমাৰ মতেৰে কাম নহ'লে যেন আমি অধৈৰ্য নহওঁ। ইয়াকেই কবিয়ে আমাক বুজাইছে। সকলো কৰ্মীয়ে যেন কবিৰ কথাবিলাক গ্ৰহণ কৰে। .... স্বৰাজ পাবলৈ হ'লে যি কোনো মূল্য দিবলগীয়া হ'লেও আমি সত্যকেই আঁকোৱালি ল'ব লাগে। সংস্কাৰ আকাঙ্ক্ষী লোকে তেওঁৰ কথা কোনেও মুশুনা বুলি খণ্ডত বলিয়া হ'লে, তেওঁ বনবাসলৈ যোৱা উচিত; বনবাসলৈ গৈ সকলো কথা চোৱা, সময়লৈ বাট চোৱা আৰু প্ৰাৰ্থনা কৰা উচিত। কবিৰ কথা সকলোৱে সৰ্বান্তকৰণেৰে সমৰ্থন কৰা উচিত। সত্য আৰু যুক্তিৰ আশ্ৰয় কৰিবলৈ কবিয়ে কোৱা কথাবিলাকৰ বাবে তেখেতৰ ওচৰত আমি সকলোৱে কৃতজ্ঞ হোৱা উচিত।" এয়ে মহাত্মাৰ প্ৰত্যুত্তৰ।

* * *

"যুক্তিক বিসৰ্জন দি আজি ভাৰতৰ বাইজে অন্ধৰ দৰে মোৰ কথা গ্ৰহণ কৰিছে বুলি কবিৰ আপত্তি। মই বাৰে বাৰে মানুহৰ যুক্তিলৈ নিবেদন জনাইছোঁ। বিজ্ঞানৰ যুগত যঁতৰলৈ যাবলৈ কোৱাতেই কবিৰ আপত্তি। দেশৰ বাইজে যঁতৰেৰেই প্ৰাচুৰ্য আনিব বুলি বিশ্বাস কৰিলে, মই আশ্বাস দি ক'ম যে মোৰ এই বিশ্বাস বহুদিন পৰিশ্ৰমশীল চিন্তাৰ পিছতহে আহিছে। শিক্ষিত ভাৰতে যঁতৰত কি সত্য নিহিত আছে সেইটো উপলব্ধি কৰিব পাৰিছে নে নাই মই ক'ব নোৱাৰোঁ। কবিয়ে ভালকৈ বিচাৰ কৰক, মানুহে অন্ধ বিশ্বাসতেই লৈছে নে যুক্তিৰে বিচাৰ কৰি প্ৰয়োজনৰ বাবে লৈছে। * * * খুলনাত আজি মানুহে ভোকত কলমলাই আছে। তাৰ মানুহে যে কাম কৰিব নোৱাৰে সেইটো নহয়, কিন্তু তেওঁলোকৰ কাম-বন নাই। * * * মই উন্নতি বিচাৰোঁ, মই আত্মনিয়ন্ত্ৰণ বিচাৰোঁ, মই স্বাধীনতা বিচাৰোঁ, কিন্তু মই এই সকলোবিলাক আত্মাৰ বাবে বিচাৰোঁ।' তাহানিৰ সেই শিলৰ যুগতকৈ আমাৰ এই তীখাৰ যুগতহে আমাৰ কিবা উন্নতি হৈছে বুলি মই সন্দেহ কৰোঁ। আমাৰ বুদ্ধি-বৃত্তি, আমাৰ সকলো শক্তি আত্মাৰ ক্ৰমবিকাশৰ

বাবেই পৰিচালিত হ'ব লাগে। * * * আজি ভাৰতে পৃথিৱীৰ লগত কিহৰ অংশীদাৰ হ'ব পাৰে? অৱনতি, দাৰিদ্ৰ্য আৰু মাৰি-মৰকৰ ভাগ পৃথিৱীক দিবলৈনে? আমাৰ পুৰণি শাস্ত্ৰবিলাক পৃথিৱীলৈ আমি পঠিয়াব পাৰোঁনে? এই শাস্ত্ৰবিলাকৰ বহুতো সংস্কৰণ প্ৰকাশ হৈছে, কিন্তু কোনেও এইবিলাকলৈ মন নিদিয়ে, কাৰণ ভাৰতীবাসীয়েই এইবিলাক লৈ জীৱনত খোজ নিদিয়ে। এইবিলাক থাপনাতহে থয়।"

মহাত্মাৰ এইবিলাক কথাই আমি আলোচনা কৰি আছোঁ। লক্ষ্মীধৰে ক'লে, "মহাত্মাই ভাৰতৰ অন্তৰৰ কথা প্ৰকাশ কৰিছে দেখিহে সকলোৱে মহাত্মাৰ পিছ লৈছে। কবিয়ে লিখনীৰে অন্তৰৰ কথা কবিতাত প্ৰকাশ কৰিছে, কিন্তু মহাত্মাই জীৱনত অন্তৰৰ বেদনাৰ ৰূপ দি ফুটাই তুলিছে। কটন কলেজৰ অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ কথাও তেওঁ উল্লেখ কৰে—"কবিয়ে ছিন্ধৰ কাপোৰ ৰঙাই ত্যাগৰ, বৈৰাগ্যৰ ৰূপ দিছে।"

* * *

কৰাচীৰ প্ৰস্তাৱতেই এটা সংঘৰ্ষৰ সম্ভাৱনা হ'ব বুলি হেম বৰুৱাই কৈ আছে। এই সংঘৰ্ষৰ বাবে তৈয়াৰ কৰিবলৈকে মহাত্মাই মৃত্যুলৈ ভয় বৰ্জন কৰিবলৈ এই প্ৰবন্ধ লিখিছে।

* * *

একত্ৰিশ অক্টোবৰ তাৰিখে শ্ৰীযুত ফুকন বৰদলৈ, কুলধৰ চলিহা, শ্ৰীযুত ৰজনীকান্ত বৰুৱা, মৌলবী ফিজনুৰ আলী প্ৰভৃতি দিল্লীলৈ যোৱা বুলি বাতৰি কাকতত প্ৰকাশ হৈছে। দিল্লীত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশন ৪ নবেম্বৰ তাৰিখে বহাৰ কথা। আমি এই কমিটিত কি হয় নহয় তালৈ বৈ আছোঁ। ইতিমধ্যে কৰাচীৰ প্ৰস্তাৱ ভাঙনি কৰি লিখো কৰাই সকলো কেন্দ্ৰলৈ পঠিয়াইছোঁ। বৰ্তমানে কাশীৰাম অসুস্থ হোৱাত অফিচত ধাৰ-স্থিৰ দক্ষ বৰুৱাক বহুওৱা হৈছে।

* * *

পাঁচ নৱেম্বৰ তাৰিখ। কমিশ্যনাৰ মি. বি.ছি. এলেন আহি পালেহি। কাছাৰী ঘৰত এই সম্পৰ্কে বহুতো কথা হেনো ওলাইছে। তেওঁ ডি. ছি. লেইনীৰ ওপৰত হেনো বৰ বিৰক্ত। ডি. ছিয়ে কিয় আসাম ৰাইফলছ থকা সত্ত্বেও তাৰ সহায়েৰে বন্দুৰা বিক্ষোভৰ সমাধান নকৰি 'নন্ কোপাৰেটৰ'ৰ সহায় ল'লে— এই লৈ লেইনীৰ ওপৰত বিৰক্ত হৈছে আৰু লেইনীক এইবাবে বদলি কৰিবৰ কথাও হেনো তেওঁ গৱৰ্ণমেণ্টলৈ লিখিছে।

এলেন চাহাব উগ্ৰ প্ৰকৃতিৰ। এইবাবেই তেওঁ ঢাকাত গুলি খাবলগীয়া হৈছিল। বুঢ়ী গঙ্গাৰ পাৰত ফুৰি থাকোঁতে বিপ্লৱবাদী ডেকা এজনে বিভলভাৰেৰে গুলি মাৰি নৈত জাঁপ মাৰি সাঁতুৰি হেনো পলাই গৈছিল।

* * *

আজি আবেলিও হেনো এটা ঘটনা হ'ল— তেওঁ বজাৰৰ বাটেদি ফুৰিবলৈ যাওঁতে বজাৰৰ সক সক ল'ৰা কিছুমানে মহাত্মা গান্ধীৰ জয়ধ্বনি দিলে। এইবাৰেও তেওঁ খণ্ডত জামদগ্ন্য হোৱাদি হৈছে। কিছুমানে আহি কৈছে—“তোমালোকক গ্ৰেপ্তাৰ কৰিবলৈ এওঁ অৰ্ডাৰ দিয়ায় নেকি ?” আমাৰ উত্তৰ হ'ল— এই আন্দোলনত গ্ৰেপ্তাৰ এতিয়া একো কথা নহয়। মহাত্মা গান্ধীয়ে বৰ্তমান মৃত্যুলৈ ভয় বৰ্জন কৰিবলৈ কেনেকৈ বুজাইছে তালৈ মন কৰক।

* * *

সাত নৱেম্বৰ তাৰিখ। আজি ‘ছাৰ্ভেণ্ট’ কাকতত দিল্লীৰ প্ৰস্তাৱ ওলাইছে। নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে সকলো প্ৰাদেশিক কংগ্ৰেছক সত্যাগ্ৰহ সম্পৰ্কে সিদ্ধান্ত কৰি পৰিচালনা কৰিবলৈ দায়িত্ব দিছে। আইন অমান্য আন্দোলনৰ ভিতৰত খাজানা বন্ধও সুমাব পৰা হ'ব। এই আন্দোলনৰ নিস্বাৰ্থ ৰূপ ৰক্ষা কৰিবলৈ আৰু কোৱা হৈছে যে সত্যাগ্ৰহীসকলে নাইবা তেওঁলোকৰ পৰিয়ালে কংগ্ৰেছৰ পৰা কোনো বিধৰ আৰ্থিক সহায় ল'ব নোৱাৰিব।”

যদিও প্ৰাদেশিক কংগ্ৰেছ কমিটিবিলাকক পৰিস্থিতি বিচাৰ কৰি সমূহীয়াকৈ আইন অমান্য কৰিবলৈ ক্ষমতা দিয়া হৈছে, তথাপি বস্তুতো চৰ্ত বান্ধি দিয়া হৈছে; যেনে— আঞ্চলিক স্বাৱলম্বনৰ কথা বিচাৰ কৰিবলৈ কোৱা হৈছে। কাপোৰ-কানি, বাহিৰৰ পৰা অহা বস্তু সকলো কথাতে স্বাৱলম্বী অৱস্থা আনিবলৈ চেষ্টা হ'ব লাগিব। মানুহে সূতা কাটি প্ৰয়োজনীয় কাপোৰৰ ব্যৱস্থা কৰিব পৰাটোও এটা ডাঙৰ চৰ্ত। যি কি নহওক, বাতৰি কাকতত মৌলানা হজৰত মোহানীৰ কথা এটা ওলাইছে। তেওঁ বিচাৰে সকলো ঠাইতে একেলগে আইন অমান্য কৰিবলৈ দিহা কৰা। একে সময়ত সকলো ঠাইতে আইন অমান্য আন্দোলন চলিবলৈ দিব লাগে। তেওঁ কয় যে সুকীয়াকৈ একো একোটা ঠাইত আইন অমান্য হ'লে গৱৰ্ণমেণ্টে সকলো শক্তি প্ৰয়োগ কৰি দমন কৰিব আৰু আইন অমান্য আন্দোলন কৃতকাৰ্য নহ'ব।

এই প্ৰস্তাৱ লৈ আমি আলোচনা কৰিবলৈ ধৰিলোঁ। বাহ্যিক উত্তেজনাৰ ফালৰ পৰা চালে মৌলানা হজৰত মোহানীৰ যুক্তি সমৰ্থন কৰিবলৈ কিছুমানৰ আগ্ৰহ। যি কি নহওক, চৰ্তবিলাক বুজিবলৈ যত্ন কৰিলোঁ। আৰু লগে লগে প্ৰস্তাৱটো ভাঙনি কৰি লিখো-কৰাই প্ৰচাৰ কৰিবলৈ দিয়া হ'ল।

* * *

এই প্ৰস্তাৱটোত মানুহৰ উৎসাহ বাঢ়িছে যদিও আমাৰ মনত প্ৰশ্ন হ'ল— প্ৰস্তাৱটো ভালকৈ উপলব্ধি কৰিব পাৰিছেনে ? সকলো কেন্দ্ৰৰপৰা গাঁৱলীয়া মানুহ আহি আছে, মুখত এটা কথা—“আমাৰ কথা বিচাৰ কৰিব লাগে।

প্ৰাদেশিকৰপৰা আমাক আইন অমান্য কৰিবলৈ অনুমতি অনাই দিয়ক।" বিহুগুৰিৰ দীঘলা (তেওঁক সকলোৱে দীঘলা বুলি মাতে) আহিছে— খাজনা বন্ধ কৰিবলৈ দিব লাগে। আমি বিহুগুৰীয়া ৰাইজ তৈয়াৰ আছোঁ।

হেম বৰুৱাই চৰ্তবিলাক বুজাবলৈ ধৰিলে—"চোৱা, জধেমধে হেলৌ হেছৌ কৰি এই কাম নহ'ব। ত্ৰিশ বছৰ আগতে দৰং আৰু কামৰূপত খাজনা বন্ধ কৰিবলৈ ৰাইজে দিহা কৰিছিল; কিন্তু পুলিচে গুলি চলোৱাত কিছুমান মানুহ মৰিল। খাজনা বন্ধৰ আন্দোলন ফুত উৰি গ'ল। এইবেলি সেইদৰে হ'ব নোৱাৰে।" ভৱিষ্যতৰ পাৰিস্থিতিত চিপাহী-চন্তৰীৰ লগত সংঘৰ্ষত ৰাইজ ৰ'ব নোৱাৰিব। আমি বুজালোঁ হয়, কিন্তু দীঘলাই নুবুজে।

* * *

শোৱণশিৰি অঞ্চলৰ মিৰি ল'ৰা দুজন আহি পুৱাতে ওলাল। তেওঁলোক ৰাওনামুখৰপৰা আহিছে। গজালী মিৰিয়ে পঠিয়াইছে। লগতে এখন চিঠিও পঠিয়াইছে— "তইঁত কলাবাৰীলৈকে আহি গুচি যাব, আমাৰ এইবিলাক গাঁওলৈ নাহ। আমি গান্ধী ৰজাৰ কথা শুনিবলৈ উত্ৰাৱল হৈ আছোঁ। সিদিনা ফুকন মাজুলীলৈ অহাৰ বাতৰি পাই আমাৰ কিছুমান মাজুলীলৈকে গৈ ফুকনক চাই আহিছে; কিন্তু সকলো গঞা ৰাইজেতো চাব পৰা নাই। আমি হাবিৰ মাজত সোমাই আছোঁ। তইঁতে খোজ কাঢ়ি আহিব নোৱাৰিলে আমি কলাবাৰীলৈ হাতী পঠিয়াম।" মিৰি ৰাইজৰ উৎসাহ দেখি ভাল লাগিল। আৰু আমি ৰাওনামুখ, পিছলামুখকে আদি কৰি সকলো মিৰি গাঁওলৈ যাম বুলি জনাই বাপুটী মিৰিক ওভোতাই পঠিয়ালোঁ। কিয় ক'ব নোৱাৰোঁ, সৰল এই মানুহবিলাকলৈ এটা মৰমৰ ভাব আগৰেপৰা আমাৰ আছে। শ্ৰীযুত ৰজনী বৰদলৈৰ মিৰি জীয়ৰীয়েই এই-বিলাক মানুহক আমাৰ ইমান আপোন কৰিছে। বি.এ শ্ৰেণীৰ ছাত্ৰ হিচাপে উপন্যাস-খনৰ সমালোচনা কৰিছিলোঁ। আধুনিক সাহিত্যত লিখাৰ যি কৌশল (art of delineation) তাৰ অভাৱ বোধ কৰি এনে মন্তব্য কৰিছিলো, কিন্তু আজি মোৰ মনলৈ আহিল ৰজনী বৰদলৈয়ে এই হাবিতলীয়া শোৱণশিৰিৰ মানুহবিলাক কিমান আপোন কৰি দিছে।

* * *

আমাৰ ভ্ৰমণ তালিকা তৈয়াৰ কৰোঁৱা হ'ল। মহাত্মাই কোৱামতে এবছৰৰ ভিতৰত স্বৰাজ পাবলৈ মাথোন এই নৱেম্বৰ আৰু ডিচেম্বৰ মাহ আছে। ৰাইজে খেতিৰ কাম শেষ হ'লেই সকলো কেন্দ্ৰতে আমাক অফিচ ঘৰ সাজি দিব বুলি কৈছিল। সেইবাবে সকলো ঠাইতে এই কাম যাতে সোনকালে শেষ হয় তাৰ বাবে,

যত্ন কৰিবলগীয়াও হৈছে। আৰু অলপ দিনৰ পিছতেই ৰাইজৰ পুনৰ ব্যস্ততা আহিব ধান চপোৱা কামত। এফালে কৰাচীৰ প্ৰস্তাৱ আৰু আনফালে দিল্লীৰ প্ৰস্তাৱ বুজোৱাৰ লগে লগে কংগ্ৰেছ অফিচ সজোৱাৰ সকলো কাম আমি দিহাদিহি লগাই ললোঁ। প্ৰত্যেক কংগ্ৰেছ কমিটিৰপৰা নিৰ্বাচিত প্ৰতিনিধিৰে সৈতে জিলা কংগ্ৰেছ কমিটিও পাতিবলগীয়া হৈছে। দিল্লীত নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে যুৱৰাজৰ (প্ৰিন্স অব্ ৱেলছ) ভাৰত অৱতৰণৰ দিনা সোতৰ নৱেম্বৰ তাৰিখে হৰতাল পালন কৰিবলৈ নিৰ্দেশ দিছে।

* * *

আজি পোন্ধৰ নৱেম্বৰ তাৰিখ। আজি পুৱাতে বাতৰি পোৱা গ'ল যে মেইল জাহাজতে ডিব্ৰু-দৰং বাগানৰ এজন বনুৱাক গ্ৰেপ্তাৰ কৰি আনিছে। থুলেশ্বৰ পুৱা ঘাটলৈ যোৱাত খবৰ পাই আহিছে। এই মানুহজনৰ নাম কি, অভিযোগ কি ইত্যাদি সকলো বাতৰি আনিবলৈ কেইবাজনকো পঠিওৱা হ'ল।

* * *

শ্ৰীকালীপ্ৰসাদ বৰাই খবৰ লৈ আহি জনালে যে, মানুহজনৰ নাম শ্ৰীঅৰ্জুন ঘাটোৱাৰ, ডিব্ৰু-দৰং বাগিচাৰ বনুৱা। তেওঁৰ অপৰাধ, তেওঁ হেনো বাগিচাত মিটিং পাতি বাগিচাৰ মানুহক গান্ধীৰ কথা বুজাইছিল।

* * *

অলপ দিনৰ আগতে ঢেকীয়াজুলিলৈ যাওঁতে দেখিছিলোঁ কিছুমান বনুৱা আহি কেম্পত সোমায়। বিশেষকৈ দেওবাৰে হাটৰ দিনা হাট কৰিবলৈ অহা বহুতো মানুহ সোমায় আৰু ল'ৰাহঁতেও চাহ দি সোধপোছ কৰে, ভাগৰো পলায় আৰু দেশৰ কথাও বুজিবলৈ যত্ন কৰে। অৰ্জুন ঘাটোৱাৰে এইদৰে বাগিচাতো মহাত্মা গান্ধীৰ মিটিং পতাৰ দিহা কৰে।

* * *

এক বজাত খবৰ পালো, আজিয়েই অৰ্জুন ঘাটোৱাৰৰ বিচাৰ হ'ব। কালী-প্ৰসাদে কাছাৰী ঘৰলৈ অহা-যোৱা কৰি খবৰ আনি আছে। অৰ্জুন ঘাটোৱাৰক আমি কি কৰোঁ? এই প্ৰশ্ন আমাৰ মনলৈ আহিল। এওঁ অসহযোগী নহয় যে আদালত বৰ্জন কৰিব। যদিহে আদালত বৰ্জন নকৰে তেন্তে উকিল লগোৱা হ'ব নে নহয়, এইবিলাক ভাবি আমিও কাছাৰী ঘৰৰ ফালে গ'লোঁ। গাঙ্গুলীকে আদি কৰি কেইবাজনো উকিলক এই মোকৰ্দমা চাবলৈ অনুৰোধ কৰিলোঁ। মিঃ বিঙ্গাম্যান বুলি নতুন এছিষ্টেণ্ট কমিশ্যনাৰ এজন আহিছে। তেওঁৰ আদালততেই এই মোকৰ্দমাৰ শোধ হ'ব। বাগিচাৰ চুপাৰিণ্টেণ্ডেণ্ট মিঃ থমছন আৰু মেনেজাৰকে

আদি কৰি কেইবাজনো লোক আছিছেই। চাহ বাগিচাৰ মালিক সজ্ঘই আজি বহুত দিনৰ পৰা অসহযোগ আন্দোলন দমন কৰিবলৈ কঠোৰ ব্যৱস্থা ল'বলৈ দাবী আছিল; আজি এনে এটা সুবিধা গৱৰ্ণমেণ্টে জানোচা নোলোৱাকৈ থাকে সেইবাবে তেওঁলোকৰ পক্ষৰপৰা এটা শক্তিশালী দল লৈ আহিছে।

*   *   *

আদালতত মোকৰ্দমাৰ শোধ আৰম্ভ হওঁতে আমিও আদালতলৈ গ'লোঁ। ইংৰাজৰ এটা কথা আছে, তেওঁলোকে কামত ওভোতা কৰিলেও নৈতিকতাৰ মুখা পিন্ধি ল'ব, ন্যায়পৰায়ণতাৰ ভাও জুৰিব। সেইদৰে বিঙ্গাম্যান চাহাবে সুধিলে মোকৰ্দমাত উকিল লগাব নে নাই? ঘটোৱাৰেও জানিবা টপৰাই উত্তৰ দিলে— "মই গান্ধীৰ মানুহ, আদালত নামানো।" কোৰ্ট ছাব ইন্সপেক্টৰে ক'লে—"ছাৰ, contempt of court". বিঙ্গাম্যানে জানিবা একো মাত নামাতিলে। মুখ ৰঙা হৈ উঠিল। বাগানৰ বনুৱা, অশিক্ষিত মানুহ, তাৰ গাতো এনে এটা হাৱা লাগিল যে, আদালত নমনাই হ'ল। কিন্তু আঁঠুৱাৰ তলৰ মহ মাৰিবলৈ উথপ্‌থপ্‌ লগাবৰ একো প্ৰয়োজন নাই। আজি ভালকৈ সুমুৱাই থ'ব পৰা হ'ব।

বিচাৰ আৰম্ভ হ'ল। বিচাৰত থম্‌চন চাহাবেও সাক্ষ্য দিলে। এঘণ্টাৰ ভিতৰতে বিচাৰ শেষ কৰি ছয় মাহৰ সশ্ৰম কাৰাদণ্ডৰ আদেশ দিলে। আদেশ দিয়াৰ লগে লগে কালীপ্ৰসাদ, থুলেশ্বৰহঁতে আগৰেপৰা দিহা কৰি লৈ অহা মালাধাৰি ঘাটোৱাৰৰ ডিঙিত পিন্ধাই "জয় মহাত্মা গান্ধী কি জয়" বুলি ধ্বনি দিলে। মিঃ বিঙ্গাম্যান নতুনকৈ আহি কামত যোগ দিছেহি, এনে এটা পৰিস্থিতিত তেওঁ একো মাত নামাতি লাহেকৈ আদালত এৰি গুচি গ'ল। বাগিচাৰপৰা অহা থম্‌চন চাহাবকে আদি কৰি কেইবাজনেও বোধকৰোঁ পেটে পেটে খঙত জ্বলি-পকি আঁতৰি গ'ল। আনফালে কোৰ্ট ইন্সপেক্টৰে "হেৰা অমিয়, হেৰা মোৰ চাকৰি নামাৰিবা" বুলি চিঞৰি অৰ্জুন ঘাটোৱাৰক হাতকেৰেয়া মাৰি নিলে। * * *

যি মানুহজনে আত্মপক্ষ সমৰ্থন কৰিবলৈ উকিল নিদিয়াকৈ ছয় মাহৰ সশ্ৰম কাৰাদণ্ড বৰণ কৰি ল'লে, সেই মানুহজন পলাই যাবনে? "ব'লা, আমিও তোমাৰ লগতে এওঁক জেলখানাত থৈ আহোঁগৈ।" এই বুলি হেম বৰুৱাই কোৰ্ট ইন্সপেক্টৰক ক'লে। জেইলত দিবলগীয়া কাগজ-পত্ৰ তৈয়াৰী নকৰাকৈ জেইলখানালৈ অৰ্জুন ঘাটোৱাৰক লৈ যাবলৈ ওলালত আমাৰ ল'ৰাহঁতো লগতে ওলাল। বাটত এটা ডাঙৰ সমদল হৈ পৰিল। দাৰোগা বৰ নাৰ্ভাছ হৈ পৰিল। বাটত গান্ধীজীৰ জয়ৰ লগত জয় অৰ্জুন ঘাটোৱাৰৰ জয় বুলি ধ্বনি দিবলৈ ধৰিলে। দাৰোগাই কি কৰে উপায়বিহীন হৈ ঘাটোৱাৰক লৈ লৰিবলৈ ধৰিলে আৰু লগতে সমদলো

লৰিবলৈ ধৰিলে। যি কি নহওক, হাঁহি-ধেমালিৰ পৰ্বৰে সৈতে জেইলৰ দুৱাৰমুখত অৰ্জুন ঘাটোৱাৰক থৈ অহা হ'ল।

* * *

অৰ্জুন ঘাটোৱাৰৰ কথাই আমি আলোচনা কৰি আছোঁ। হেম বৰুৱাই ক'লে, "এই মানুহজনেই বমুৱা আন্দোলনৰ প্ৰতীক।" Winston Churchill'এ লিখা এখন কিতাপৰ কথাও আমাৰ আলোচনা হ'ল। তেওঁ 'My African Journey' বোলা এখন কিতাপ আগতে লিখিছিল। আফ্ৰিকাত ব্ৰিটিশে কি কৰে নকৰে এই সম্পৰ্কে ভাবি স্থিৰ কৰিব পৰা নাই।

ব্ৰিটিশে একালে নৈতিকতাৰ ওখ আদৰ্শৰ লগত খাপ খুৱাব পৰাকৈ কি নীতি ল'ব পাৰে, তাকে গুণি-গাঁথি দোধোৰ-মোধোৰত পৰিছে। চাৰ্চিলে আফ্ৰিকাৰ এই পিছপৰা লোকসকলক স্বাৰ্থপৰ এমুঠি বগালোকৰ হাতত সঁপি দিয়াৰ কি বিপদৰ সম্ভাৱনা আছে আলোচনা কৰিছে। তেওঁ কৈছে—"আজি আফ্ৰিকাৰ ক'লা মানুহৰ বগা মানুহলৈ যি শ্ৰদ্ধাৰ ভাব আছে সেইটো অতি দুৰ্বল ভেটিত স্থাপিত হৈছে। এই মানুহবিলাকৰ পুৰণা ধৰ্ম গুচাই খৃষ্টান ধৰ্ম দিয়া হৈছে। কিন্তু খৃষ্টান ধৰ্মৰ প্ৰতীক ব্ৰিটিশসকলেই কিদৰে খৃষ্টান ধৰ্ম পালন কৰিছে। খৃষ্টান ধৰ্মৰ এক বিবাহৰ আদৰ্শৰ কথা কৈ কিছুমান বগালোকে বেগম মহল লৈ ব্যভিচাৰত মগ্ন।

"এই ক'লা মানুহে যদি আমাৰ দেশলৈ গৈ আমাৰ কিছুমান বগা মানুহে কি দুৰৱস্থাত থাকিবলগীয়া হৈছে দেখা পায় তেন্তে এই ক'লা মানুহৰ বগালৈ শ্ৰদ্ধা সমূলঞ্চে নাইকিয়া হ'ব। আমাৰ এই সোণালী-ৰূপালী সাজ-সজ্জাৰ আঁৰত থকা আচল কথাবোৰ দেখা পালে তেওঁৰ মনলৈ এই সৰ্বশক্তিমান বগা মানুহজন যে এটা বিৰাট প্ৰতাৰণা তাক নাভাবিবনে?" কথাবোৰ বহুতদিন আগতেই লিখা। সেই সময়ত মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাত ভাৰতীয়ৰ অধিকাৰ লৈ সত্যাগ্ৰহত ব্যস্ত। চাৰ্চিলে আফ্ৰিকাৰ আদিবাসীসকলৰ সমস্যাৰ কথাই সেই সময়ত ভাবিছিল। তেওঁ এঠাইত কৈছে—"আফ্ৰিকাৰ এই আদিবাসীসকল সভ্যতাৰ অতি তল খাপত পৰি আছে। তেওঁৰ একোৱেই নাই, অথচ নথকাতো তেওঁৰ মনলৈ অভাৱৰ ভাবো অহা নাই। আনফালে সভ্য সমাজত সদায় অভাৱৰ বাবে দুশ্চিন্তা, অন্তৰত এটা গধুৰ বোজা লৈ ইংলণ্ড আৰু স্কটলেণ্ডত কি দুখৰ মাজত জীৱন নিয়াবলগীয়া হৈছে। অথচ ইয়াৰ মাজতো জ্ঞানৰ পোহৰত অন্তৰত মৰীচিকাৰ দৰে আশাৰ জুইয়ো জ্বলি আছে। এই দুটা অৱস্থাৰ কথা বিচাৰিলে মোৰ ভৰিৰ তলৰ মাটিডোখৰত কঁপনি উঠাৰ ভাব আহে। সঁচাকৈয়ে আজি আফ্ৰিকাৰ সমস্যাই পৃথিৱীৰ সমস্যা। আজি আধুনিক সমাজত সামাজিক, জাতিগত আৰু অৰ্থনীতিগত যিবোৰ হৈচা আহিছে, সকলো সমস্যাৰ ক্ষুদ্ৰ সংস্কৰণ ইয়াত আছেই।"

* * *

অসমত বগা মানুহৰ আজি এটা ৰাজনৈতিক সমস্যা হৈছে। যোৱা শতাব্দীত তেওঁলোকে অসমত চাহগছ আৱিষ্কাৰ কৰিলে। লাহে লাহে চাহ বাগিচাৰ খেতিত লাগিল। অসমৰ সৌন্দৰ্য, জলবায়ু সকলোতে তেওঁলোক মুগ্ধ হ'ল। অসমত বগাসকলৰ বাবে উপনিৱেশ পতাবো ভাব আহিল। কিন্তু ব্ৰিটিশ গৱৰ্ণমেণ্টে এটা নৈতিক আদৰ্শৰ কথা আগতে কোৱাত এই চাহ খেতিয়কসকলৰ কথালৈ মন দিব নোৱাৰিলে। এইদৰে আমি বহুতো কথা আলোচনা কৰিলোঁ।

* * *

পোন্ধৰ নৱেম্বৰ তাৰিখ। কংগ্ৰেছৰ সংগঠন গাঁৱে গাঁৱে হ'লেও আনুষ্ঠানিকভাৱে আমাৰ সংগঠন হৈ উঠা নাই। গাঁৱে গাঁৱে আমি কংগ্ৰেছৰ সদস্য ভৰ্তি কৰি আছোঁ আৰু জিলাৰপৰা জিলা কংগ্ৰেছ কমিটি বুলি কাম চলাই আছোঁ। কিন্তু সকলো মৌজাৰপৰা নিৰ্বাচিত প্ৰতিনিধিসকলেৰে জিলা কংগ্ৰেছ গঠিত কৰা হোৱা নাই। এপ্ৰিল মাহত কংগ্ৰেছ সদস্য ভৰ্তি কৰাৰ কাম হাতত লোৱা হৈছিল আৰু ৩০ জুন তাৰিখে সদস্য ভৰ্তি কৰাৰ কাম শেষ কৰা হ'ল। নিৰ্দিষ্ট দিনৰ ভিতৰত আমাৰ বাবে নিৰ্দ্ধাৰিত দহ হেজাৰ সংখ্যাৰ সদস্য ভৰ্তি কৰাৰ কাম শেষ কৰিলেও এতিয়াও ঠায়ে ঠায়ে সদস্য ভৰ্তি হৈ আছে। এতিয়া সংগঠন ভৱিষ্যতৰ সত্যাগ্ৰহৰ বাবে প্ৰয়োজনীয়ভাৱে গঢ়াৰ প্ৰয়োজন হ'ল। সেইবাবে আজি কিছুদিনৰপৰা মৌজা কমিটিবোৰ গঠন কৰি প্ৰত্যেক মৌজাৰপৰা নিৰ্বাচিত প্ৰতিনিধিৰে জিলা কংগ্ৰেছ কমিটি গঠন কৰাৰ দিহা হ'ল। এঘাৰ তাৰিখ। সকলো ঠাইৰেপৰা প্ৰতিনিধিসকল অহাত জিলা কংগ্ৰেছ কমিটিৰ আনুষ্ঠানিক অধিবেশন পতাৰ ব্যৱস্থা হ'ল। সেইবাবে তেজপুৰৰ টাউন হলতেই এই মিটিং বহুওৱা হ'ল।

* * *

তেজপুৰৰ টাউন হলটো তেজপুৰৰ গাঁৱলীয়া বাইজৰ ৰাজনৈতিক চেতনাৰ এটা অভিব্যক্তি। যোৱা শতাব্দীত ৰায়ত সভাৰ আন্দোলন কৰোঁতেই ৰাণী ভিক্টোৰিয়াৰ জুবিলীৰ সময়তেই এই ঘৰটো সজা হৈছিল। ৰাজনৈতিক আন্দোলনৰ বাবে এটা ভাল লাইব্ৰেৰীও ইয়াত প্ৰতিষ্ঠিত কৰা হৈছিল। কিন্তু এই শতাব্দীৰ আৰম্ভণিতে উঠি অহা শিক্ষিত ডেকাসকল চৰকাৰৰ চাকৰিজীৱী হ'বলগীয়া হোৱাত আৰু ৰায়তসভাৰ আন্দোলনবো অৱসাদ অহাত এই ঘৰটোৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব মিউনিচিপেলিটিৰ হাতত সঁপি দিয়া হ'ল আৰু আমিও এইটো ৰাজহুৱা ঘৰ বুলি ইয়াতেই আমাৰ প্ৰথম অধিৱেশন পাতিবলৈ দিহা কৰিলোঁ। ছতৰঞ্চ পাতি মজিয়াতেই সকলো প্ৰতিনিধিক বহুওৱা হৈছে।, তেজপুৰ নগৰ কংগ্ৰেছ কমিটিৰ প্ৰতিনিধিসকলো উপস্থিত হৈছে। এই প্ৰথম মিটিংখন বৰ গাম্ভীৰ্যপূৰ্ণভাৱে পতাৰ

আয়োজন হোৱাত সকলোৰে মনত এটা নতুন উৎসাহ আছিল। তেজপুৰ নগৰৰ বয়োবৃদ্ধ উকিল শ্ৰীযুত মহেন্দ্ৰ নাথ দাঁ, শ্ৰীযুত লক্ষ্মীকান্ত বৰকাকতী, শ্ৰীযুত পৰমানন্দ আগৰৱালা, শ্ৰীযুত নগেন্দ্ৰনাথ গাঙ্গুলী, শ্ৰীযুত চন্দ্ৰনাথ শৰ্মাকে (কলিবাৰী) আদি কৰি তেজপুৰ নগৰৰ বহুতো লোকো উপস্থিত আছে। জামুগুৰিৰপৰা শ্ৰীযুত গঙ্গা বৰুৱা, শ্ৰীযুত থানেশ্বৰ ভূঞা, চতিয়াৰ শ্ৰীযুত গঙ্গানাথ বৰকটকী, শ্ৰীগোলোক শইকীয়া, শ্ৰীযুত হৰ চৌধুৰী ইত্যাদি বহুতো লোক আহি উপস্থিত হৈছে। চাৰিআলি বিশ্বনাথ অঞ্চলত স্থানীয় ৰাইজে সমৰ্থন কৰিলেও স্থানীয় নেতাসকলে দায়িত্ব লৈ অনুষ্ঠানত যোগ নিদিয়াত শ্ৰীশিৱপ্ৰসাদ আগৰৱালা, শ্ৰীহেমচন্দ্ৰ হাজৰিকা, শ্ৰীভূমিধৰ শৰ্মা আহিছে। নাগশঙ্কৰ মৌজাৰ পৰাও প্ৰতিনিধি আহিছে। পাভৈ অঞ্চলৰপৰা হেম হাজৰিকাই ঘনশ্যাম মিস্ত্ৰিক লৈ আহিছে।

বিহালীৰপৰা ছবিলাল উপাধ্যায়, পোৱাল বৰা, শ্ৰীমোহনচন্দ্ৰ শৰ্মা আদি আহিছে। বুৰৈ নৈৰ সিপাৰৰপৰা গহপুৰলৈকে আমাৰ সংগঠন ভাল হোৱা নাই। অৱশ্যে গমিৰী অঞ্চলত কেইবাজনো ডেকা ওলাইছে। সেই অঞ্চলৰপৰা জ্যোতিপ্ৰসাদ, কুমুদ শৰ্মাই তেওঁলোকক লৈ আহিছে। কলাবাৰী, ডুবিয়া অঞ্চলৰপৰা শ্ৰীযুত হনু গগৈকে আদি কৰি কেইবাজনো সদস্য উপস্থিত। বিহগুৰি, হলেশ্বৰ, বালিপাৰা, ঢেকীয়াজুলি, মিছামাৰী সকলো অঞ্চলৰপৰা জিলা কংগ্ৰেছৰ প্ৰতিনিধি হৈ আহিছে। বৰগাঁও মৌজাৰপৰা শ্ৰীযুত লোকনাথ গোস্বামী জিলা কংগ্ৰেছৰ প্ৰতিনিধি হৈ অহাত ভাল হৈছে। তেওঁৰ লগতে এটা কছাৰী প্ৰতিনিধিৰ দলো আহিছে। শ্ৰীৰুদ্ৰ শৰ্মা, নিত্যানন্দ, মোলান শৰ্মা, তিলক শৰ্মা, বগীৰাম শইকীয়া, ৰমা শৰ্মা, এইদৰে সকলো এই অধিৱেশনত যোগ দিয়াত এই অধিৱেশনৰ গাম্ভীৰ্য আৰু আনুষ্ঠানিক শক্তি বঢ়া বুলি অনুভৱ হ'ল। আমি সভা পাতিবলৈ ধৰিছোঁ, এনেতে এজন পুলিচ কৰ্মচাৰী আহি উপস্থিত হ'ল। তেওঁৰ উপস্থিতিত কিছুমান সদস্যৰ আপত্তি হ'ল। বিশেষকৈ গাঁৱৰ ফালৰপৰা দুজনমানে আপত্তি কৰিলে—"এইটো আমাৰ ৰাইজৰ ঘৰ। ইয়াত গৱৰ্ণমেণ্টৰ একো অধিকাৰ নাই। এইটো বায়ত সভাৰ সম্পত্তি। ইয়াত আমি পুলিচৰ মানুহ থাকিবলৈ দিব নোৱাৰোঁ।" সভা আৰম্ভ নৌহওঁতেই এই উত্তপ্ত পৰিস্থিতিত কি কৰিব পাৰি তাকে আমি ভিতৰুৱাকৈ আলোচনা কৰাত লাগিলোঁ আৰু শেহত সেই পুলিচ কৰ্মচাৰীজনৰ লগত কথা হ'লোঁ। তেওঁ ক'লে, "এই মিটিঙত থাকিবলৈ মোৰ অলপো ইচ্ছা নাছিল কিন্তু মোৰ ওপৰত নিৰ্দেশ হোৱাত মই কি কৰোঁ। এইটো বায়ত সভাৰ সম্পত্তি হ'লেও মিউনিছিপেলিটিৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব সঁপি দিয়াত আইনমতে

মোক ইয়াৰপৰা উলিয়াই পঠিয়াব নোৱাৰিব। পাৰিলে এই মিটিংখন কাৰোবাৰ ঘৰলৈ নি বহুৱাওক, কাৰোবাৰ ঘৰত হ'লে মোকো যাবলৈ নিদিয়াকৈ থাকিব পাৰিব” যি কি নহওক, এতিয়া মিটিংখন বহুৱাই হঠাতে আন ঠাইলৈ নিবলগীয়া হ'লে গোটেই মহকুমাৰ ৰাইজৰ মাজত গাঁৱে গাঁৱে বিকৃত এটা ধাৰণা হোৱাৰ সম্ভাৱনা। সেইবাবে ইয়াতে মিটিং পাতি পুলিচক সমুখত ৰাখি সকলো কথা প্ৰকাশ্যে আলোচনা কৰাটো স্থিৰ হ'ল। মহাত্মা গান্ধীৰো আন্দোলন প্ৰকাশ্য আন্দোলন। ইয়াত গোপন কথা একো নাই। সেইবাবে আমাৰ প্ৰতিনিধিসকলক সকলো কথা বুজাই দিয়াত তেওঁলোকে পুলিচ কৰ্মচাৰীজনক মিটিঙত থাকিবলৈ দিয়াত আৰু আপত্তি নকৰিলে।

* * *

সংগঠনৰ কথা, ৰাজনৈতিক পৰিস্থিতি, কৰাচীৰ প্ৰস্তাৱ, সত্যাগ্ৰহ সম্পৰ্কে মহাত্মাৰ পৰামৰ্শ, দিল্লীৰ অধিবেশনৰ প্ৰস্তাৱ, যুৱৰাজৰ ভাৰত আগমন উপলক্ষে হৰতাল, এইবোৰ কথাকে বুজোৱা হ'ল। এপ্ৰিল মাহত কেনেকৈ কংগ্ৰেছ কমিটি গঠিত হ'ল আৰু ৰাইজে আমাৰ ওপৰত দায়িত্ব নিদিয়াকৈও আমি আগবাঢ়ি এই গঠিত কৰিলো আৰু এতিয়া ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ উপস্থিতিত আমি বাব শোধাই নতুনকৈ সংগঠন পাতিবলৈ জনোৱা হ'ল। ইমান দিনলৈকে শ্ৰীযুত চন্দ্ৰনাথ শৰ্মাই (বিহগুৰি) এই জিলা কংগ্ৰেছৰ সভাপতি হিচাপে কাম কৰিছিল। এতিয়া তেওঁ অসুস্থ হৈ আঁতৰত থাকিবলগীয়াত মোৰ ওপৰতেই প্ৰতিনিধিসকলে সেই দায়িত্ব দিলে আৰু সাধাৰণ সম্পাদক হিচাপে শ্ৰীলক্ষ্মীধৰ শৰ্মা আৰু হেম বৰুৱাক দিলে আৰু কাৰ্যনিৰ্বাহক সভাও এইদৰে নতুনকৈ গঠিত হ'ল।

এইদৰে মিটিঙৰ কাম শেষ হ'ব ধৰিছে। এনেতে থুলেশ্বৰে জনালেহি নৰনাথ ডেকা, মিঠাইৰ দোকানী আৰু পাণ্ডাৱী মিঠাইৰ দোকানীহঁতে মিঠৈ, জলপান খুৱাব বিচাৰে। সকলেৱে ৰং মনেৰে সম্মতি দিলে। আমি পুলিচৰ কৰ্মচাৰী-গৰাকীক মিঠৈৰো অংশ ল'বলৈ অনুৰোধ কৰিলোঁ। আজিৰ এইখন সভা এইদৰে এখন লেখত ল'বলগীয়া সভা হ'ল।

* * *

সভাৰ শেষত সোতৰ তাৰিখৰ বাবে প্ৰস্তুতিৰ কথা সকলোৱে মিলি আলোচনা কৰা হ'ল। সোতৰ নৱেম্বৰ তাৰিখে বুধবাৰ পৰিব। কোন অঞ্চলত কি হাট পৰিব আৰু সেই হাট নোহোৱাকৈ কেনেকৈ বন্ধিব পাৰি তাৰ বাবে প্ৰচাৰ কাৰ্য চলাবলৈ সকলো কথা আলোচনা কৰা হ'ল।

* * *

সোতৰ নৱেম্বৰ তাৰিখ। আজি তেজপুৰ নগৰত শান্তিপূৰ্ণভাৱে হৰতাল পালন কৰা হ'ল। জাহাজঘাটত অলপ উত্তেজনা হোৱা শুনা গ'ল। কথাষাৰ হৈছিল— ষ্টীমাৰৰ খালাছীবিলাকেও হৰতাল পালন কৰিবলৈ দিহা কৰিছিল। এইবাবে কলিকতা, গুৱাহাটী আদি ঠাইত যত্নও হৈছিল। পীৰ বাদছা মিঞা নামৰ এগৰাকী পূৰ্ববঙ্গৰ জাতীয়তাবাদী মুছলমান নেতায়ো চেষ্টা কৰিছিল আৰু খালাছীবিলাকেও ভেখেতৰ কথা শুনি হৰতাল কৰিবলৈ ওলাইছিল। কিন্তু এই হৰতাল অসমত হোৱাটো সম্ভৱ নহ'ল। আলোচনা কৰি বুজা গ'ল যে ষ্টীমাৰ কোম্পানীৰ খালাছীসকল কোম্পানীৰ পোনপটীয়া কৰ্ম্মী নহয়। তেওঁলোকৰ লগত কোম্পানীৰ একো বন্দোৱস্তি চুক্ত হোৱা নাই। তেওঁলোকৰ দৰমহা, খোৱা-বোৱা, ছুটী ইত্যাদি সকলো কথাৰ বাবে জাহাজৰ ছাৰেংজনৰ লগতেই কোম্পানীৰ বন্দোৱস্ত। ছাৰেঙে নিজৰ ইচ্ছামতে মানুহ বাছি ল'ব পাৰে নিজৰ ইচ্ছামতে কামৰপৰা বৰখাস্ত কৰিব পাৰে। ক'বলৈ গ'লে খালাছীবিলাক ছাৰেঙৰ নিকিনা গোলাম। তেওঁ নিজৰ নিজৰ মানুহ গোটাই লৈ তেওঁলোকৰ নিজৰ হিচাপমতে দৰমহা দি ৰাখে। জাহাজত খোৱা-বোৱা সকলো তেওঁৰ খৰচতেই হয়। তাৰ উপৰি খালাছীবিলাকক সামান্য দৰমহা দি খটুওৱা হয়। মুটীয়াবিলাকে আজি হৰতাল কৰিবলৈ মাল নমাবলৈ অস্বীকাৰ কৰাত খালাছীবিলাকৰ হতুৱাই কাম কৰোৱা হ'ল। এই লৈ তেজপুৰ ঘাটত মুটীয়া আৰু খালাছীৰ মাজত গোলমাল হোৱাৰ সম্ভাৱনা হৈছিল। কিন্তু মহাত্মা গান্ধীৰ কথা আৰ্থাৎ কাৰো ওপৰত বলপ্ৰয়োগ নকৰাকৈ থাকিব লাগে বুলি বুজাই কোৱাত গোলমাল বিয়পি নগ'ল।

* * *

দোকানবিলাকত আনবাৰৰ দৰেই বেচা-কিনা বন্ধ ৰখা হৈছিল। আসাম ভেলী দোকানৰ য়ুৰোপীয় বিভাগ জানিবা খোলা ৰাখি য়ুৰোপীয় গ্ৰাহকক বস্তু যোগোৱা হৈছে। দেশী বিভাগ জানিবা বন্ধ ৰখা হৈছে। দোকানৰ কৰ্ম্মী-সকলৰ অসহযোগ আন্দোলনত সম্পূৰ্ণ সহানুভূতি থাকিলেও নিৰুপায় হৈ আজি দোকান চলাবলগীয়া হৈছে। সেইদৰে বেপাৰীসকলৰো অৱস্থা। তেওঁলোকে পুলিচৰ মানুহ আৰু চাহাব গ্ৰাহকৰ সোধ-পোছ কৰিছে। এইবিলাক কথা লৈ কিছুমানৰ মনত উত্তেজনা নহাটো নহয়। কিন্তু আজিৰ দিনটোত যেন ক'তো বলপ্ৰয়োগ নহয়, তাৰ বাবে চকু ৰাখিবলগীয়া হ'ল।

* * *

গধূলি খবৰ পোৱা গ'ল, মাজুলীগৰ, বেদেতী ইত্যাদি। কেইৰাখনো বুধবৰীয়া বাগিচাৰ হাট দোকানী নৌহোৱাত নবহিল অৰ্থাৎ গাঁৱলীয়া কৰ্ম্মীসকলে

এইবাবে যথেষ্ট পৰিশ্ৰম কৰিবলগীয়া হৈছিল। বাতিটো সেৱকসকলে বাটে বাটে ফুৰি বাগিচাৰ হাটলৈ যোৱা গাড়ীবোৰ ঘূৰাই পঠালে।

*   *   *

যোৱা এপ্ৰিল মাহতেই বেদেতী বাগানৰ হাটত মোহন শৰ্মাৰ (শ্ৰীতিলক শৰ্মাৰ ককাইদেৱেক) মেনেজাৰ হোৱাইট চাহাবৰ লগত তৰ্কাতৰ্কি হোৱাৰ ফলত মেনেজাৰে তেওঁক হাটৰপৰা উলিয়াই দিছিল। এই লৈ সেই অঞ্চলত এটা উত্তেজনাও হৈছিল আৰু গাঁৱলীয়া ৰাইজে গাঁৱৰ ভিতৰত বেলেগ এখন হাট পাতিছিল। কিন্তু শেহত ৰাইজৰ হাট ভাগি গ'ল। আগৰেপৰা চলি থকা হাটৰ লগত ফেৰ মৰাকৈ স্বকীয়া ৰাজহুৱা হাট পতাৰো আইনৰ ফালৰপৰা যথেষ্ট বিঘিনি পোৱা হৈছিল। দ্বিতীয়তে এদিন দুদিনলৈ অৰ্থনৈতিক ক্ষতি স্বীকাৰ কৰিবলৈ গাত ল'লেও সৰহ দিনলৈ বেপেৰুৱা মানুহে এনে ক্ষতি স্বীকাৰ কৰিবলৈ টান পায়।

*   *   *

যি কি নহওক, সোতৰ তাৰিখৰ দিনটো তেজপুৰত ভালমতেই পালন কৰা হ'ল। বিশ্বনাথ, চতিয়া, বিহালীৰ পৰাও খবৰ পোৱা হ'ল। সকলো ঠাইতে মিটিংবিলাকত কৰাচীৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে আৰু শান্তিপূৰ্ণভাৱে সকলো ঠাইতে হৰতাল পালন কৰা হৈছে।

*   *   *

উনৈশ তাৰিখ। আগৰ নিৰ্দ্ধাৰিত কাৰ্যসূচীমতে আমি ছয়দুৱাৰলৈ ৰাওনা হ'লোঁ। ইয়াৰ বাবে শ্ৰীকুমুদ শৰ্মা আহি তেজপুৰতে আছেহি। ছাৰ্ভেণ্ট কাকতখন লৈ আমি জাহাজত উঠিলোঁ। ছাভেণ্ট কাকতত সোতৰ তাৰিখৰ হৰতাল সম্পৰ্কে বহুতো বাতৰি ওলাইছে। বোম্বেৰ ঘটনাবিলাকৰ বিৱৰণ চকুত পৰিছিল। বোম্বেত হৰতাল সম্পূৰ্ণই হৈছিল। পিছে কিছুমান এংলো-ইণ্ডিয়ান, য়ুৰোপীয় আৰু পাৰ্ছী লোকে হৰতাল পালন নকৰাত সেৱকসকলৰ লগত সঙ্ঘৰ্ষ হোৱাৰ বাতৰি ওলাইছে। কিছুমান ধনী হিন্দু আৰু মুছলমান সদাগৰেও হৰতাল পালন কৰা নাই হেনো। সেই সময়ত মহাত্মা গান্ধী হেনো বোম্বেত আছিল। পাৰেলত (বোম্বে মহানগৰীৰ এটা অঞ্চল) মহাত্মা গান্ধীয়ে এখন ৰাজহুৱা সভাত বক্তৃতা দি আছিল। তাত বিলাতী কাপোৰৰ দ'ম এটাত জুই লগোৱা হৈছিল। বক্তৃতাত মহাত্মাই বৰদোলীত কেনেকৈ সত্যাগ্ৰহ কৰা হ'ব সকলো বুজাই কৈ আছিল। এই সত্যাগ্ৰহত গৱৰ্ণমেণ্টে সৈন্যবাহিনী প্ৰয়োগ কৰিব পাৰে আৰু গুলীবৰ্ষণো হ'ব পাৰে। কিন্তু যি হওক নহওক লাগে বোম্বেৰ ৰাইজে যেন উত্তেজনাত শান্তিভঙ্গ নকৰে। এইদৰে মহাত্মাই শান্তি ৰক্ষাৰ বাবে পাৰেলত বক্তৃতা দি থাকোঁতে বোম্বেৰ আন

এটা অংশত এটা গুণ্ডাৰ দলে হৰতাল পালন নকৰি যান-বাহনত যোৱা বাটৰুৱাৰ ওপৰত বলপ্ৰয়োগ কৰাত লাগিল আৰু যান-বাহনৰ চলাচল বন্ধ কৰি দিলে। এইদৰে অলপ কৃতকাৰ্য হোৱাত জনতাৰ উত্তেজনাৰ মাত্ৰা চৰমসীমা পালেগৈ। এইবিলাক বন্ধ কৰিবলৈ ততালিকে মহাত্মা ওলাল।

পাৰ্চী সম্প্ৰদায়ে সাধাৰণতে পাশ্চাত্য সভ্যতা গ্ৰহণ কৰিছে আৰু তেওঁলোকৰ এটা লেখত লোৱা অংশই হৰতালৰ বিৰোধিতা কৰিছিল। ৰেল্‌ছৰ যুৱৰাজ জাহাজৰপৰা নমা আৰু তেওঁৰ আনুষঙ্গিক উৎসৱত তেওঁলোকে যোগ দিবলৈ বিচাৰিছিল। কংগ্ৰেছৰ ফালৰপৰা যুৱৰাজৰ আদৰণি-উৎসৱ বৰ্জন কৰিবলৈ গোহাৰি জনোৱা সত্বেও তেওঁলোকে আদৰণি-উৎসৱত যোগ দিবলৈ বিচাৰিছিল। এইবাবে উত্তেজিত জনতাৰ খং তেওঁলোকৰ ওপৰতেই বেছিকৈ পৰিল।

তেওঁলোক আদৰণি-উৎসৱত যোগ দি উভতি আহোঁতে উত্তেজিত জনতাই তেওঁলোকৰ মূৰৰপৰা হ্যাট, গাৰপৰা বিদেশী কাপোৰ খহাই বস্ত্ৰযজ্ঞ কৰাত লাগিল। আনকি তিৰোতাৰ ওপৰতো আক্ৰমণ কৰিবলৈ পিছ নুহুকিল। মদৰ দোকান ভাঙি পেলোৱা (কাৰণ মদৰ দোকান পাৰ্চীসকলৰ আছিল), ট্ৰাম গাড়ী আদি জুই লগাই দিয়া ইত্যাদি ঘটনা কৰাত লাগিল। এটা পুলিচ থানাতো হেনো জুই লগাই দিলে। এইবোৰ ঘটনা চলি থাকোঁতে মহাত্মা গান্ধী আহি ঘটনাস্থলীত উপস্থিত হ'ল। মহাত্মা গান্ধীক দেখা পাই জনতাৰ উত্তেজনা আৰু বাঢ়িল। তেওঁলোকে "মাহাত্মা গান্ধী কি জয়" বুলি দুগুণ উৎসাহেৰে এইবোৰ কামত লাগিল। মাহাত্মাজীয়ে জনতাক তিৰস্কাৰ কৰি এই গোলমালত যি কেইজন পুলিচ কৰ্মচাৰী আহত হৈছিল তেওঁলোকৰ শুশ্ৰূষাত লাগিল। ইয়াৰ পিছত আস্পাতাললৈ তেওঁলোকক পঠোৱাৰ দিহা কৰি সেই ঠাই এৰি গুচি গ'ল। মাহাত্মা গান্ধীয়ে নিজৰ চকুৰেই উত্তেজিত জনতাৰ তাণ্ডৱলীলা দেখিলে আৰু ইয়াৰ পিছত বোম্বেৰ সকলো ঠাইৰেপৰা নানান ঘটনাৰ বিৱৰণ তেওঁৰ ওচৰলৈ আহিবলৈ ধৰিলে।

* * *

এইবোৰ বিৱৰণেৰে সৈতে বাতৰি কাকতলৈ কুমুদৰে সৈতে (শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা) জাহাজত উঠিলোঁ। আজি জাহাজ এৰাত পলম হ'ল। আহোঁতে পলম হোৱা বাবে জাহাজ এৰোঁতে প্ৰায় তিনি বাজিল। যি কি নহওক, জাহাজত বাতৰি কাকত পঢ়ি আমাৰ মাজত আলোচনা কৰাত লাগিলোঁ। আমাৰ মনলৈ এটা আশা হৈছিল যে এইবেলি মহাত্মাই বৰদৌলিত সত্যাগ্ৰহ আৰম্ভ কৰিব। সোতৰ তাৰিখে হৰতালৰ পিছত মহাত্মা বৰদৌলিলৈ যোৱাৰ কথা আছিল। এতিয়া

বৰদোলৈলৈ যোৱাটো বন্ধ কৰা বুলি কাকতত ওলাইছে। এতিয়া এই অৱস্থাত মহাত্মাই কি কৰিব? এয়ে আমাৰ প্ৰশ্ন হ'ল। যোৱা এপ্ৰিল মাহত বোম্বেৰ মালেগাঁৱত হোৱা ঘটনাবোৰৰ পিছত ইয়ং ইণ্ডিয়াত লিখা কথাবোৰ মনলৈ আহিল। শান্তিপূৰ্ণ আন্দোলনত যিসকলে সংযম হেৰুৱাই শান্তিভঙ্গ কৰে, তেওঁলোক অসহযোগী নহয়, সহযোগীহে। তেওঁলোকে পুলিচ কৰ্তৃপক্ষৰ এজেণ্ট হৈ কাম কৰে মাথোন ইত্যাদি মহাত্মা গান্ধীয়ে মন্তব্য কৰিছিল। এই কেইমাহ আমি ইয়ং ইণ্ডিয়াত মহাত্মা গান্ধীৰ কথাবোৰ যিদৰে বুজি আছিলো, তাকে ভাবি বোম্বেৰ পৰিস্থিতিয়ে মনলৈ এটা অশান্তি আনিলে।

* * *

আজি অলপদিনৰ আগগে ইয়ং ইণ্ডিয়াত ওলোৱা মহাত্মাৰ এষাৰ কথা কুমুদে (শ্ৰীকুমুদ চন্দ্ৰ শৰ্মাই) আঙুলিয়াই দিলে—"সমূহীয়াকৈ আইন অমান্য এটা প্ৰচণ্ড ভুইকঁপৰ দৰে। ৰাজনৈতিক ক্ষেত্ৰত ই এটা সমূহীয়া উত্থান। যদিহে এই আইন অমান্যত শান্তিপূৰ্ণতাৰ অভাৱ হয়, আৰু ইয়াত যদিহে বাহাদুৰী দেখুওৱা উত্তেজনা নাইবা প্ৰতিশোধৰ ভাব থাকে, তেতিয়া এই অমান্য 'ছিভিল' হৈ নাথাকি 'ক্ৰিমিনেল' হয়। সেইবাবে এনে এটা আইন অমান্যত সকলো কৰ্মীয়েই যোগ্য বুলি বিবেচিত হ'ব নোৱাৰে। মহাত্মাজীৰ এনে এটা মন্তব্যৰ তাৎপৰ্য বুজিবলৈ আমি যত্ন কৰিলোঁ। বলপ্ৰয়োগ, পাশৱিক শক্তি লৈয়েই ৰাজনীতিৰ ক্ষেত্ৰত কাম চলি আছে, এনে এটা ক্ষেত্ৰত অহিংসাৰ ডাঙৰ পৰীক্ষা কৰিবলৈ মহাত্মা ওলাইছে। কিন্তু এতিয়া মহাত্মাই বোম্বেৰ ঘটনাৰ পিছতে কি কৰে? আৰু এটা কথা আমাৰ মনলৈ আহিল, মহাত্মাজীয়ে অলপ দিনৰ আগতে এটা মন্তব্য কৰিছিল—"এই আন্দোলন সমূহীয়াভাৱে আইন অমান্য আন্দোলন; আন্দোলন চলি থাকোঁতে দেশৰ কোনো ঠাইত যদি শান্তিপূৰ্ণ অৱস্থাৰ বিঘিনি হয়, তেন্তে এই আন্দোলন চলাই থকাটো নিৰাপদজনক নহ'ব। এই আন্দোলন চলাবলৈ মই পৰামৰ্শ দিব নোৱাৰিম।" এই কথাষাৰে মনলৈ নানান আশঙ্কা আনিলে। জানোচা মহাত্মাই বৰদোলৈৰ আইন অমান্য স্থগিত কৰে। মনলৈ এনেবোৰ ভাব আহিলেও কাতিমহীয়া ব্ৰহ্মপুত্ৰৰ দৃশ্যই আমাৰ মনলৈ অহা ৰাজনীতিৰ কথাবোৰ তল পেলালে। ডাঙৰ ওখ পৰা কেনেকৈ ব্ৰহ্মপুত্ৰই খহাব ধৰিছে। আনফালে ঠায়ে ঠায়ে চকচকীয়া বালি ওলাইছে। কাতিমহীয়া ব্ৰহ্মপুত্ৰৰো এটা ৰুদ্ৰমূৰ্তি বিস্ময়েৰে সৈতে চোৱাত লাগিলোঁ। এইবোৰ ঠাইত জানিবা মানুহৰ বসতি নাই।

* * *

শিলঘাট, বিশ্বনাথ ঘাট—সকলো ঘাটতে চিনাকি মানুহ পোৱা হ'ল। সকলোতে সেই একে কথা— সোতৰ তাৰিখ কেনেকৈ পালন কৰা হ'ল তাৰে বাতৰি।

বোম্বেৰ ঘটনাৱলী এতিয়াও ভালকৈ ওলোৱা নাই। বিশ্বনাথ ঘাটত এটা বাতৰি শুনিলোঁ। শিৱপ্ৰসাদে হেনো সোতৰ তাৰিখে ডাকঘৰ বন্ধ নকৰাত ডাকঘৰৰ পোষ্টমাষ্টৰজনৰ লগত কথা কটাকটি কৰিছিল।

শিৱপ্ৰসাদ (শ্ৰীশিৱপ্ৰসাদ আগৰৱালা, তেওঁ কলেজ এৰি অসহযোগ আন্দোলনত যোগ দি কাৰাদণ্ডিত হয় আৰু পিছত তেওঁ ব্যাৰিষ্টাৰী পঢ়িবলৈ বিলাতলৈ যায়। বৰ্তমানে কলিকতাত প্ৰেকৃটিছ কৰি আছে) ঘাটলৈ আহিলত এই কথাবাৰ আলোচনা কৰিলোঁ। অহিংসসেৱক প্ৰতি খোজতে সাৱধান হোৱাৰ প্ৰয়োজন। শিৱপ্ৰসাদে ক'লে, "পোষ্টমাষ্টৰৰ লগত আমাৰ বন্ধুত্ব আছে আৰু বন্ধুভাব আছে দেখিহে টান কথা কৈছিলোঁ।" তথাপি তেওঁ এটা চৰকাৰী বাব লৈ আছে আৰু এটা কাৰ্যক্ষেত্ৰত চৰকাৰৰ প্ৰতিনিধি। শিৱপ্ৰসাদৰ ককায়েক শ্ৰীৰামপ্ৰসাদ আগৰৱালা, বুদ্ধি, গঙ্গা সকল্লোকে পোৱা গ'ল। বিশ্বনাথ পাওঁতে আঁঠ বাজিল, এবোঁতে প্ৰায় ন বাজিল। কুঁৱলী হ'লে জাহাজ নচলাব বুলি আমি শুই পৰিলোঁ। পুৱতী নিশা আমি গৈ গমিৰিঘাট পালোঁ। ঘাটবাবু বিনন্দ বৰুৱাক (ভূতপূৰ্ব এম পি শ্ৰীযুত হেম বৰুৱাৰ দেউতাক) পালোঁ। বৰ্তমান ঘাট হেনো টেটোন আলিৰ মূৰত। পথাৰৰ চমু বাটেদি গমিৰিলৈ এতিয়া যোৱা টান হ'ব; সেই-বাবে আলিয়েদি ঘূৰি যোৱাৰ কথা তেওঁ ক'লে।

* * *

যি কি নহওক, আমি বাটেদি ঘূৰি গলোঁ গমিৰিৰ কেম্প নৌপাওঁতেই বাটত জ্যোতিহঁতক লগ পালোঁ। আমি কালিয়েই অহাৰ কথা আছিল আৰু আমি পঠোৱা কাৰ্যক্ৰমমতে তেওঁলোকে কাউৰীপথাৰত এখন মিটিং পাতিছে। সেইবাবে আমি আহি নোপোৱাত তেওঁলোকেই তালৈ পুৱাতেই খোজ লৈছে। যি কি নহওক, এতিয়া আমি আহি পোৱাত তেওঁলোকো ঘূৰিল আৰু কেম্পলৈ আহি আমাৰ বাবে জলপানৰ ব্যৱস্থা কৰাত লাগিল। গমিৰিৰ কেম্প মানে ৺হৰিবিলাস আগৰৱালাৰ পুৰণি ভেটি চকিদাৰৰ জিম্মাত পৰি থকা বাবে জ্যোতিয়ে ইয়াতেই থকাৰ দিহা কৰি লৈছে। আমাৰ সকলো কৰ্মী ইয়াতে থাকেহি। এজন মুছলমান কৰ্মীও ইয়াতে আছে। আমি জলপান খাই পুনৰ কাউৰীপথাৰলৈ খোজ ললোঁ। আমাৰ এই কেম্পৰ পৰা প্ৰায় আঠ মাইলমান যাব লাগিব।

হেলেম বাগিচাৰ কাষেদি গৈ আমি দুপৰীয়া কাউৰীপথাৰ পালোঁ। নেপালী মহাজন শ্ৰীসুব্বাই আমাৰ বাবে খোৱাৰ দিহা কৰি থৈছেই। এতিয়া গা ধোৱাৰ দিহা কৰিব লাগে মাথোন। ইয়াত পানীৰ অলপ অসুবিধা বুলি শুনিবলৈ পালোঁ।

সেইবাবে পাহাৰৰ দাঁতিত থকা এটা নিজৰালৈ যাবলগীয়া হ'ল। কিন্তু আমাক পাই শ্ৰীসুব্বাৰ ইমান উৎসাহ হ'ল গা ধুবলৈ বুলি দূৰলৈ যাব নিদিয়ে। তেওঁ ক'লে, "মোৰ ইয়াত গাখীৰৰ অভাৱ নাই; আজি আপোনালোকে গাখীৰেৰে গা ধোৱক।" কথাষাৰ শুনি হাঁহি উঠিল। তেওঁৰ অনুৰোধ জানিবা ৰক্ষা কৰিবলৈ মান্তি নহ'লোঁ। কুমুদ আৰু জ্যোতিৰ লগত এই মানুহজন সম্পৰ্কে শ্ৰীছবিলাল বাবুৱে কোৱা এষাৰ কথা হলোঁ। এই মানুহজনৰ সম্পৰ্কে সাৱধান হোৱাৰ কথা ছবিলাল বাবুৱে কৈছিল। যি কি নহওক, আজি আবেলি ইয়াত ভালদৰে মিটিং হৈছিল। ক'বলৈ গ'লে এইবোৰ অঞ্চলত Administration বোলা কথাষাৰৰ কোনো অস্তিত্ব নাই। অজান্তিমূলুকৰ সীমাত ইয়াত গোলমাল কৰি হাবিলৈ গৈ অজান্তিমূলুকত সোমাই সাৰি থাকিব পাৰি। বালিপাৰা সীমান্তৰ আউটপোষ্ট দিকালমুখ আৰু গাঁৱৰ মাজত অটব্য হাবি আৰু ডয়সা পৰ্বত। ইয়াত ধুনীয়া ভূমিকা এটাই Administration ৰ অস্তিত্বৰ চিনাকি দিয়ে।

গধূলি উভতি গমিৰিৰ কেম্প পাওঁতে ভালেখিনি পলম হ'ল। এই অঞ্চলত আগতে ভালুকৰ বৰ উপদ্ৰৱ আছিল। অকলশৰীয়াকৈ বাটকৰা পালে ভালুকে আক্ৰমণ কৰে। শ্ৰীসুব্বাই জানিবা আমাক এটা বুদ্ধিও দিলে। ভালুকলৈ ভয় কৰিব নালাগে। নাকলৈ চাই এটা কোব মাৰিলেই ভালুক পলাব। কিন্তু কথা হৈছে কাৰ্যক্ষেত্ৰত 'নাৰ্ভ' কি অৱস্থাত থাকে তাৰ ওপৰত নিৰ্ভৰ কৰে। যি কি নহওক, হিংসা, অহিংসা মৃত্যুলৈ ভয় বৰ্জন ইত্যাদি মহাত্মা গান্ধীৰ কথা আলোচনা কৰি আহোঁতে দীঘলীয়া বাট কেনেকৈ শেষ হ'ল ক'ব নোৱাৰিলোঁ। জ্যোতিয়ে খোৱা-বোৱাত বেছ মন দিয়ে। সেইবাবে খোৱাৰ ব্যৱস্থা ভাল কৰিবলৈ বস্তু গোটোৱাত লাগিল।

* * *

আজি এৰৈশ নৱেম্বৰ তাৰিখ। আজি আমি ধাঁহি গাওঁ বৰঙাবাৰী এই অঞ্চলতেই ফুৰিলোঁ। কিছুমানে সূতা কটা, এৰি পোহা কামত ভালকৈ লাগিছে। বিশেষকৈ ৰংনাথ গগৈয়ে আগৰেপৰা এইবোৰ কাম কৰি অহাত এতিয়া দুগুণ উৎসাহেৰে কামত লাগিছে। বৰদোলিত মহাত্মা গান্ধীয়ে সমূহীয়া সত্যাগ্ৰহ কৰিবলৈ ওলাইছে আৰু মহাত্মা গান্ধীয়ে দেশত কিদৰে শান্তিজনক পৰিস্থিতি বিচাৰে সকলো বুজাই কোৱা হ'ল। পুলিচে কাৰোবাক উদগনি দি অসংযত কাম কৰাব পাৰে, তালৈকেও যেন সকলো সাৱধান হয়।

* * *

আজি বাইশ নৱেম্বৰ। বৰঙাবাৰী আৰু গহপুৰ—এই দুখন ঠাইতেই আমি এতিয়ালৈকে অসহযোগৰ বাবে প্ৰয়োজনীয় বতৰ সৃষ্টি কৰিব পৰা নাই। সেইবাবে এইবোৰত সময় নিদি ডুবীয়া, কলাবাৰীলৈকে যোৱা ভাল বুলি সেই অঞ্চলতেই কাৰ্যক্ৰম পেলোৱা হৈছে। এইবাবে আমি সোনকালে খাই বৈতাই ডুবীয়ালৈ খোজ ল'লোঁ। প্ৰায় ১৬।১৭ মাইল যাবলগীয়া হ'ল।

* * *

ডুবীয়া পাওঁতে গধূলি হ'লেও চাওঁ মানুহ বৈ আছিল। সকলোৰে বৰ উৎসাহ। এই অঞ্চলৰ বহুতো মানুহ যোৰহাটৰপৰা উঠি আহি ইয়াত বহিছে। ধানখেতিৰ বাবে বৰ উপযুক্ত মাটি। সকলোৰে খেতিপথাৰ ভাল। কলেজ এৰি আহি জয়ৰামে (শ্ৰীজয়ৰাম দাস— কটন কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণীৰপৰা কলেজ এৰি আহিছিল। তেওঁ ১৯৩২ চনত ভালুকৰ আক্ৰমণত প্ৰাণ ত্যাগ কৰিবলগীয়া হ'ল) অকলে ১০ পুৰামান মাটিত খেতি কৰিলে। বলী মানুহ। বৰঙাবাৰী, গহপুৰৰ নিৰুৎসাহৰ পিছত ডুবীয়াৰ উৎসাহে মনলৈ এটা আনন্দ আনিলে। সকলোৰে মনত এটা ভাব— ধান চপাই লওঁ, তাৰ পিছত আমিও আইন অমান্য আন্দোলন কৰিম। এটা কথা মনলৈ আহিল। উৎসাহ বেছি হ'লেও সংযতভাৱে ভালকৈ পৰিচালিত কৰিব নোৱাৰিলে বিপদৰো সম্ভাৱনা হ'ব পাৰে। কুমুদে ক'লে—"ছব-ডেপুটিক মৰা, পুলিচক মৰা আৰু পিছত হালে হালে মানুহক সাঙুৰি নিয়া ঘটনা ইয়াত কেইবাটাও শুনিবলৈ পোৱা হৈছে।" যি কি নহওক, এওঁলোকৰ উৎসাহ ৰচনাত্মক কামত কেনেকৈ লগাব পাৰি? এই অঞ্চলত মুগা পোহাৰ কামৰ বেছ প্ৰচলন আছে। মুগা-এৰী পোহাতেই জোৰ দিয়াৰ কথা আমি ভাবিলোঁ।

* * *

তেইশ তাৰিখ। আজি কলাবাৰী হৈ ৰাঙণামুখৰ মিৰি গাঁৱলৈ খোজ ল'লোঁ। কলাব ীত বাপুটি মিৰি বৈ আছিল। কলাবাৰীৰপৰা ওলাওঁতে বেলি ভাটি দিব ধৰিছে। কলাবাৰীৰপৰা দুজনমান স্কুলৰ পণ্ডিতো আমাৰ লগ ল'লে। পথৰুৱা বাট, মাজে মাজে ইকৰাণি বৰতানি। পাঁচ মাইলৰ বাট বুলি কোৱা হৈছিল। এতিয়া যেন বাটৰ অন্ত নপৰে। আৰু কিমান দূৰ, সুধিলে উত্তৰ পোৱা হয়— "এই তামোলখনৰ বাট।" আনহাতে কৃষ্ণপক্ষৰ জোন ওলাওঁতেও পলম। মূৰৰ ওপৰত আকাশত তৰা জিলিকি আছে, তাৰ পোহৰত খোজ লোৱা হৈছে। ঠায়ে ঠায়ে চপৰাণিত উজুটিও খোৱা হয়। কাতি মাহৰ পশ্চিম আকাশত ডোটা তৰা মাৰ যাবলগীয়া হ'ল। তথাপি তামোখনৰ বাটৰ যেন অন্ত নাই। এজনে সুধিলে—"হেৰা বাপুটি, তোমাৰ তামোল-চুপাৰী, চোবাই শেষ কৰিব পৰা নাই।"

এইদৰে খেমালিৰ মাজেদি আমি গৈ নৈ এখন পালোঁহি। এতিয়া বাপুটিৰ জানিবা সাহ হ'ল। ক'লে, "সৌৱা পালোঁহি।" নৈৰ সিপাৰে গাওঁ, মানুহৰ মাত শুনিবলৈ পোৱা যায়। বাপুটিয়ে নাও বিচৰাত লাগিল। অলপপৰ বিচাৰি ক লেহি, "এহ্, কোনোবাই নাওখন সিপাৰত থ'লে।" এইবুলি তেওঁ নাওখন আনি দিবলৈ চিঞৰাত লাগিল। বাপুটিৰ চিঞৰৰ প্ৰতিধ্বনি এন্ধাৰত শুনিবলৈ পালোঁ। কিন্তু ক্ষন্তেকৰ আগতে গাঁৱত যি মানুহৰ কোৰ্হাল শুনিবলৈ পোৱা গৈছিল, সেইবোৰ নোহোৱা হ'ল। বেচেৰাই চিঞৰেহে চিঞৰে গাঁৱৰপৰা কাৰো একো সঁহাৰি নাই। এজনে ক'লে. "কিমাননো বহল, সাঁতুৰি গৈ নাওখন আনিবগৈ পাৰি।" কিন্তু বাপুটি অধৈৰ্য হ'ল। তেওঁ মিৰি দোৱানত খঙেৰে কিবা চিঞৰিবলৈ ধৰিলে। এনেতে মানুহৰ আকৌ চিঞৰ শুনিবলৈ পোৱা হ'ল। কিছুমান মানুহ লৰি আহিবলৈ ধৰিলে। মুখে৲া ক'লে, "এই ৰাতিখন ভূতে মাতিছে বুলিহে ভাবিছিলোঁ। তহঁত আহিছ বুলি আমি বুজিব পৰা নাছিলোঁ। কোনোবা অবুজ মানুহে নাওখন ইপাৰত থ'লেহি। তহঁতৰ বাবে আমি বৈ আছোঁ।" এইদৰে আমি গৈ গাঁও পালোঁহি।

* * *

এটা স্কুল ঘৰ। তাতে আমাৰ থকাৰ দিহা হ'ল। স্কুল ঘৰটোত মানুহ ভৰি পৰিল।

* * *

গজালী মিৰি আহি ওলাল। আনন্দত তেওঁৰ তৎ নাইকিয়া হ'ল। তেওঁ আমাৰ বংশ-পৰিচয় লোৱাত লাগিল। "মই হৰ্গিলাছ'ৰ ঘৰখন জানো (৺হৰবিলাস আগৰৱালা)। আমি সকতে জিলালৈ গ'লে তেওঁৰ বাৰীতে থাকোঁগৈ।" এইদৰে তেওঁ আমাৰ চিনাকি ল'লে। "মই তহঁতলৈ হাতী পঠাওঁ বুলি ভাবি আছিলোঁ, তহঁতে 'আতী' পঠাবলৈ কিয় হাক দিলি?" গজালীৰ হেনো সাতোটা হাতী। আমাৰ উত্তৰ হ'ল—"আমি হাতীত উঠিবলৈ ভাল নাপাওঁ। জোকাৰণিত গা বিষায়। খোজ কাঢ়ি অহাত একো টান পোৱা নাই। কেৱল নৈ পাৰ হওঁতেহে অলপ ব'বলগীয়া হৈছিল।"

"এহ্ আমাৰ মিৰি মানুহে ৰাতি মতা শুনিলে ভয় খায়, ভূতে মতা বুলি ভাবে। আমি হ'লে তহঁতৰ কাৰণে বাট চাই আছিলোঁ। এতিয়া আমাৰ নিয়ম, ছোৱালীহঁতে নাচি তহঁতক আদৰিব লাগে। ছোৱালীহঁতক মতাই আনো।"

* * *

এতিয়া ৰাতিখন ছোৱালীহঁতক আমনি কৰিব নালাগে।" এয়ে আমাৰ উত্তৰ। "তহঁত জিলাৰপৰা ডাঙৰ মানুহ আহিছ, আমাৰ নিয়ম ডাঙৰ মানুহক

নাচি মান দেখুৱাব লাগে। বাৰু, তইঁতে যেতিয়া আপত্তি কৰিছ, কালিলৈ কৰা হ'ব। হোৱালীইঁতেও সাজি-পাৰি আছিল। এতিয়া শুবলৈ দিহা কৰিছে।

* * *

মোৰ মনলৈ ছাট কৰে বহুতো কথা আহিল। আমি যি সংস্কাৰৰ মাজত ডাঙৰ হ'লোঁ, সেইমতে বিহুনাচ আৰু গীত যেন সভ্য সমাজৰ বাহিৰৰ কথা। স্কুলত পঢ়োতে আমাৰ লগৰ এজনে বিহুতলিলৈ যোৱা বাবে শাস্তি ভোগ কৰিবলগীয়া হৈছিল ইত্যাদি।

আমি এটা ৰাজনৈতিক আন্দোলনত ইয়ালৈ আহিবলগীয়া হৈছে। আমি যিবিলাক শক্তিৰ বিৰুদ্ধে থিয় দিছোঁ সেইবিলাক শক্তি বৰ বলী। কিছুদিনৰ আগতে আমাৰ এজন কৰ্মীৰ বিৰুদ্ধে এজন মৌজাদাৰে বহুতো বেয়া কথা উলিয়াবলৈ যত্ন কৰিছিল। কাৰণ চাহবাগিচাৰপৰা ওলাই গাঁৱত বহা নিৰক্ষৰ লোকসকলক শোষণ কৰাত তেওঁ কৰ্মীসকলৰ বাবে বাধা পাবলগীয়া হৈছিল। গাঁৱে গাঁৱে আমাৰ কেম্প হোৱাত গাঁৱলীয়া জীৱনত যিবিলাক ঘটনা হৈ আছে তাৰ স্পষ্ট আভাস পোৱাত ব্ৰিটিশতকৈও এই শ্ৰেণীৰ মানুহেই আমাৰ বিৰোধী হৈ উঠিছে। তেখেতৰ বিপক্ষে ৰিপোৰ্ট দিয়াত আলি দাৰোগাই জানিবা মোৰ লগত ভিতৰুৱাকৈ আলোচনা কৰিছিল আৰু শেষত তেওঁ অভিযোগ মিছা বুলি ৰিপোৰ্ট দিছিল— এইবোৰ কথাই মনলৈ আহিল।

* * *

গজালীৰ প্ৰশ্ন—"বেছ আমি গাঁৱে গাঁৱে পঞ্চায়তৰ মেলেৰে গাঁওবিলাক চলালোঁ, কিন্তু ওপৰত কি কৰিব? ওপৰত এজন ৰজা নহ'লে কেনেকৈ চলিব? আমাক এজন ৰজা লাগিবই। তইঁতে যদি ৰজা নাপাত, আমি ফুকনক ৰজা পাতি গাদীত বহুৱাম। ফুকন নহ'লে নবীন বৰদলৈ, কুলধৰ চলিহা কোনোবা এজনক বহুৱাম। তইঁতৰ কথা আমি হ'লে বুজি পোৱা নাই। মূৰ নোহোৱাকৈ গাটো কেনেকৈ থাকে।"

গজালীক বুজাবলৈ সকলো চেষ্টা ব্যৰ্থ হোৱাত মই ক'লোঁ—"বাৰু, ইংৰাজৰ ৰজাজনক গুচাওঁ আহাঁ। তাৰ পিছত ৰাইজে যাকে পাতে পাতক।

গজালী ইয়াতে মান্তি হ'ল—"এৰা, তই ভাল কৈছ। ইংৰাজৰ ৰজা গ'লে আমি এজনক ৰজা পাতিম।" এইদৰে নিশা ভালেখিনি হ'লহি। আমাৰ খাববো হ'ল। গজালীয়ে ক'লে, "আমাৰ মিৰি মানুহৰ গাঁৱত তইঁতকনো আমি কি খুৱাব পাৰোঁ। আমাৰ হালধি নাথায়, আমাৰ আজ্ঞাতনো কি জুতি উঠিব। ফাগুন মহীয়া হ'লে কাছকণী দমাই দিব পাৰিলোঁহেঁতেন, আঘোণমহীয়া, তাকো নাই। পাছে শুবলৈ আমনি নাপাবি, জিম দমাই দিম।"

* * *

আঘোণ মাহ। নৈৰ দাঁতিত ফেৰ্‌ফেৰীয়া বতাহৰ মাজত জিম কাপোৰৰ মাজত যেন উমত শুব পৰা হৈছে। ৰাতি এন্ধাৰ থাকোঁতেই গাঁৱত কোৰ্হাল লাগিল। ঢেঁকী আৰু উৰলত ধান খুন্দাৰ শব্দ কাণলৈ আহিবলৈ ধৰিলে। এনেতে এজন মানুহ আমাৰ ওচৰলৈ আহি ক'লে, "বাবু, উঠিলিনে? সাৰপালেও এন্ধাৰ পুৱতি নিশা জিম কাপোৰৰ উমত চাৰি এখনত শুই আছিলোঁ। তেওঁ জানিবা ক'বলৈ ধৰিলে," আমাৰ মিৰি মানুহে এই সময়ত শুই থাকিব নোৱাৰে। কুকুৰাই মতাৰ লগে লগে উঠি হাল বাবলৈ ওলাব। পুৱাতে কুকুৰাই মাতে—'ককাইটি ঐ, উঠ, উঠ।" কুকুৰাৰ এই মাত শুনা মাত্ৰকতে মিৰি মানুহ উঠি কামলৈ ওলাবলৈ দিহা কৰিব। তিৰোতাই ধান খুন্দা, পানী অনাত লাগিব, মতা মানুহ হাল লৈ ওলাব।" মানুহজনৰ লগত জিমৰ জাপৰ তলৰপৰা কথা হৈ থাকোঁতে গজালী আহি ওলাল। "তইঁতলৈ চাহপানী সিজাবলৈ দিহা হ'ব ধৰিছে। লগতে কুকুৰা-কণীৰো দিহা হৈছে, খাবি নহয়?"

*   *   *

পুৱা ৮ বজাত আমি গাঁওখন চাবলৈ ওলালোঁ। গাঁওখন ডাঙৰ। ৬০ ঘৰ মানুহ থকা বুলি ক'লে। একো একোটা পৰিয়াল ডাঙৰ হৈ গৈছে। দীঘলীয়াকৈ সজা চাংঘৰ দুশাৰীৰ মাজেদি আহল-বহল বাট। জাৰকালি নৈৰ দাঁতি, বেলি ওলাই আহিছে। সিমান জাৰ নাই আৰু চাৰিওফালৰ মুকলিৰ প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত থকা মুকলি মনৰ এই সৰল মিৰিবিলাকৰ সৌন্দৰ্যত মনলৈ এটা আনন্দ আহিছে। কিছুমান ঘৰৰ চাঙৰ তলত বুঢ়ী তিৰোতাই জিম ব'বলৈ ব'দত শালখন পাতি লৈছে। জিম কাপোৰ বোৱা আগতে দেখা নাছিলোঁ। সেইবাবে বৰ কৌতূহলেৰে সৈতে জিম বোৱা শালখন চালোঁ। এইদৰে গাঁৱৰ মাজে মাজে গৈ গজালীৰ চাং পালোঁগৈ। তেওঁ আমাক চাঙলৈ নিলে। সমুখত চাঙৰ ওপৰত অলপ ঠাই মুকলি কৰি ৰখা হৈছে। তাতে মানুহ আহিলে বহুওৱা হয়। সোঁমাজেদি এখন দুৱাৰ। এই দুৱাৰৰ পোনে পোনে মানুহ অহা-যোৱা কৰিবলৈ বাট আৰু কাষেদি দুয়োফালে সৰু সৰু খোঁটালি। পৰিয়াল বঢ়াৰ লগে লগে খোঁটালিও হেনো বঢ়াই যায়। কোন ক'ত শোৱে, বিয়া নোহোৱালৈকে ডেকা ল'ৰা ক'ত শোৱে, গাভৰু ছোৱালী ক'ত শোৱে তেওঁলোকৰ ব্যৱস্থা দেখুৱালে। দীঘলীয়া ঘৰৰ আনটো মূৰে বন্ধা-বঢ়াৰ দিহা। তাৰত এটা বৰ ডাঙৰ কেৰাহীত এমোন চাউল অঁটাকৈ চাউল বহুওৱা দেখি আচৰিত হৈ সুধিলোঁ—"এইটো কি?" গজালীয়ে উত্তৰ দিলে—"ইয়াত ভাতৰপৰা মদ কৰিব। মদটোপা নহ'লে আমাৰ নচলে নহয়। আমি চৰকাৰী মদ নাখাওঁ। প্ৰানীৰ সলনি ইয়াকেই আমি খাওঁ।"

পেটে পেটে বেয়া পালেও গজালীৰ লগত মদৰ অপকাৰিতা বুজাবলৈ মন নগ'ল। যি কি নহওক, গাঁও ফুৰি অহাৰ পিছত তেওঁলোকে মিটিঙৰ বাবে সকলো বাইজ গোট খালেহি আৰু ভাল ডাঙৰ মিটিং হ'ল। কুমুদ (শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা—চতুৰ্থ বাৰ্ষিক বি. এ শ্ৰেণীৰপৰা এৰি আহি অসহযোগ আন্দোলনত যোগ দিছিল। তেওঁ বৃত্তিধাৰী আছিল) আৰু ময়েই সকলো কথাকবলগীয়া হ'ল। সেইবাবে আমি ক'বলগীয়া কথা ভাগ কৰি ল'লোঁ। গান্ধীয়ে কিয় অসহযোগ কৰিবলগীয়া হ'ল, কিয় আমি দুখীয়া হৈ থাকিবলগীয়া হৈছে, পৃথিৱীৰ আনবিলাক মানুহ কেনেকৈ আগ বাঢ়ি যাব ধৰিছে আৰু মাহাত্মা গান্ধীয়ে কি নীতিৰে সৈতে স্বৰাজ পাবলৈ যত্ন কৰিছে—সকলো বুজাই কোৱা হ'ল। আজি এইখন ডাঙৰ সভাত গজালীয়ে স্বৰাজত এজন ৰজা পাতি লোৱাৰ কথা জানিবা নক'লে।

* * *

আজি মিটিঙত এটা নজনা কথা গম পালোঁ। এজন মানুহে ক'লে, "আমাৰ ইয়াত মূৰে প্ৰতি খাজনা মাটিৰ জোখমতে নহয়। মানুহজনে যিমান পাৰে মাটিত খেতি কৰিব পাৰে, সিমান মাটিকেই দখল কৰিব পাৰে। পিছে এতিয়া মানুহজনে প্ৰতি খাজনা দিব লাগে। আগতে ঘৰখনে প্ৰতি আছিল। কথাষাৰ আমি জনা নাছিলোঁ, ভৱিষ্যতলৈ এই সম্পৰ্কে স্বৰাজত কি ব্যৱস্থা হ'ব তাকেই প্ৰশ্ন কৰিছিল। কিন্তু এই প্ৰশ্নটো সুবুজাকৈ একো কোৱা নহ'ল। মাথোন উত্তৰ দিয়া হ'ল, ৰাইজৰ লগত আলোচনা কৰিয়েই ব্যৱস্থা কৰা হ'ব। প্ৰশ্ন কৰোঁতাজনেও আৰু বেছি একো নুসুধিলে।

* * *

মিটিং শেষ হোৱাৰ পিছত আমাৰো খোৱাৰ দিহা হ'ল। কলাবাৰীৰপৰা আমাৰ লগত অহা শিক্ষক দুজন কলাবাৰীলৈ উভতিবলৈ ওলাল। গজালীয়ে ক'লে, "এতিয়া লুইতৰ পাৰে পাৰে গমিৰিলৈ যাওঁতে সৰহ সময় নালাগিব। কিয়, কলাবাৰী, গহপুৰ হৈ গমিৰিলৈ যাবি। আমাৰ ল'ৰাইঁতে গমিৰিত থৈ আহিব।" বাট চমু হ'ব বুলি গজালীৰ কথাত মান্তি হ'লোঁ। আমি ওলাব ধৰোঁতে গজালীয়ে ক'লে, "তহঁত গ'লে আমাৰ হ'লে বৰ বেয়া লাগিব। তহঁত আমাৰ গাঁৱতে থকা কৰিলে আমি হ'লে বৰ ভাল পালোঁহেঁতেন।" মোৰ মনলৈকো এই মানুহবিলাকৰ মাজত থাকিবলৈ ভাব আহি আছে। সৰলচিতীয়া এই মিৰি মানুহ যে আমাৰ কিমান আপোন তাকে মই ভাবি আছো। ভাল বাট দেখুৱাই এই মানুহবিলাকক কেনেকৈ উন্নতিৰ বাটত আগ বঢ়াই নিব পাৰি, কত যে কল্পনা মোৰ মনৰ মাজেদি আহি আছিল। কিন্তু আনফালে আমাৰ সমুখত দেখা পোৱা

অনিশ্চয়তাৰ ক'লা ডাৱৰ ছটাই আমাক ক'লৈ নিব তাকো ভাবি আছোঁ। দহ-এখাৰ মাহ অসহযোগৰ কাম কৰাৰ পিছত এতিয়া ব্ৰিটিশ সিংহই কিদৰে আমাৰ নগত গুঁজ দিয়ে তাকো ভাবিছোঁ। সোতৰ নৱেম্বৰ তাৰিখৰ হৰতালৰ পিছত কি কৰে বোম্বেত হোৱা ঘটনাৱলী যি অলপ ভু পাই গুচি অহাৰ পিছত এতিয়া ক'ত কি হৈছে, ব্ৰিটিশ চৰকাৰে আমাক আক্ৰমণ কৰিবলৈ সাজু হ'ব, তাকো একো বুজি পোৱা নাই। উদ্বিগ্নতাৰপৰা আঁতৰি এইদৰে ফুৰিবলৈ ভাল লাগিলেও খবৰৰ বাবে মন ব্যাকুল হৈ উঠিছে। গজালীৰ নিমন্ত্ৰণৰ কি সঁহাৰি দিওঁ ভাবি ক'লোঁ, "পোনতে স্বৰাজ হওক, স্বৰাজ হোৱাৰ পিছত তোমালোকৰ মাজত থাকি কাম কৰিবলৈ দিহা কৰিম।"

* * *

ৰাওনামুখৰ মৰমসনা স্মৃতি লৈ উভতিবলৈ ওলালোঁ। কেইমাইলমান খোজ কাঢ়ি পিছলা পালোঁ। নৈ পাৰ হ'বলগীয়া হ'ল। আজি জানিবা নাওৰ বাবে অসুবিধা পাবলগীয়া হোৱা নাছিল। এখনৰ পিছত আনখন মিৰি গাঁও। সকলোৰে আমালৈ কৌতূহল—সৌৱা স্বৰাজৰ মানুহ।" খোজ কাঢ়িবলৈ বাট সিমান ভাল নহয়। বাট অসমান। ঠায়ে ঠায়ে সৰিয়হতলীৰ মাজেদিয়েই খোজ দিবলগীয়া হৈছে। মাজে সময়ে লুইতৰ পাৰেদি খোজ দিবলগীয়া হৈছে। লুইতে উত্তৰৰ ফালে গৰা খহাই আছে। গৰা খহি যোৱা শব্দ আহিয়েই আছে। সেইবাবে বেছি কাষলৈ যাবলৈকো টান। ৰৰতামুলীৰ মিৰি গাঁও পালেই আমি গমিৰি পাম বুলি কৈছে। মিৰি গাঁও পালেই সোধো, "ৰৰতামুলীলৈ কিমান দূৰ?" "সৌৱা, ছটা পাক ঘূৰিলেই পাবি।" আঘোণ মাহৰ বেলি। লুইতৰ পানীতেই যেন ৰঙা হৈ বেলি আঁৰ হ'ল। এতিয়া এন্ধাৰ হ'ব ধৰিছে। আমি এন্ধাৰৰ মাজেদি গৈ ৰৰতামুলী পালোঁ। "ঘাট কিমান দূৰ?" "সৌৱা বিঙিয়ালেই পায়।" বিঙিয়াই পোৱাৰ দূৰত্ব কিমান অনুমান কৰিলেও এতিয়া পোৱাৰ আশা হ'ল আৰু অলপ আহি টেটোনৰ আলিৰ মূৰ পালোঁ। ঘাটৰ বাবু শ্ৰীবিনন্দ বৰুৱাকো পালোঁ। তেওঁ ক'লে, ঘাট সলাবলগীয়া হৈছে। অলপ ভটিয়াই ঘাট হ'ব আৰু কালিৰপৰা মেইন জাহাজৰো সময় অলপ আগুৱাইছে।" যি কি নহওক, এইদৰে প্ৰায় সাত বজা মানৰ পিছত আমি কেম্প পালোহি।

* * *

চব্বিশ তাৰিখ। সোনকালে খোৱা-বোৱা শেষ কৰি আমি ঘাটলৈ বুলি ওলালোঁ। আজিৰ জাহাজত গৈ গধূলি তেজপুৰ পায়েই গুৱাহাটীলৈ ওলোৱাৰ কথা। ২৬ তাৰিখে গুৱাহাটীত প্ৰাদেশিকৰ মিটিং। কেম্পৰ পৰা আহি ঘাটৰ ওচৰ পাইছোঁহি, এনেতে দেখোঁ "হক" (Hawk) জাহাজ এৰিব ধৰিছে। লৰা-চপৰা কৰি খোজ দিলোঁ।

কিন্তু জাহাজ এৰি গ'ল। কি উপায়? কালিলৈ ২৫ তাৰিখলৈ ভটিয়াই যোৱা মেইল জাহাজ নাই। আকৌ ২৬ তাৰিখলৈহে জাহাজ পোৱা হ'ব। বিনন্দ বৰুৱাই ক'লে, "আপোনালোকলৈ বুলি দহ মিনিটমান ৰখালোঁ। আজিৰ পৰা সময় আগুৱাই দিছে। কি কৰোঁ?"

* * *

যি কি নহওক, নাও বিচাৰিবলৈ ক'লোঁ। বিশ্বনাথলৈকে নাৱেৰে গৈ কালিৰ মেইল জাহাজ ধৰিব পাৰিলেও প্ৰাদেশিকৰ মিটিং পোৱা হ'ব। প্ৰাদেশিকৰ এইখন মিটিং গুৰুত্বপূৰ্ণ। দেশভক্ত ফুকন আৰু বৰদলৈয়ে মহাত্মা গান্ধীক লগ পাই আহিছে। মহাত্মাই সত্যাগ্ৰহ কেনেকৈ কৰিব সকলো বু্জোৱাৰ কথা। আমাৰ ইয়াতো কিছুমানে সমূহীয়া সত্যাগ্ৰহৰ সম্পূৰ্ণ দায়িত্ব মুৰুব্বাকৈও খাজনা বন্ধ কৰাৰ কথা উন্মুকিয়াইছে। সদৌ ভাৰতৰ পৰিস্থিতিত অসমেনো কিদৰে খোজ ল'বলৈ দিহা কৰিব সকলো বুজিব পৰা হ'ব।

* * *

"আপোনালোকক বিশ্বনাথলৈ নিয়ানো কি কথা। এতিয়াই থৈ আহিম।" এনে বিধৰ কথা শুনি ভাল পালোঁ। কিন্তু কামত দেখো নাওৰীয়াহঁতৰ ওলোৱা নহয়েই। 'কি হৈছে, সোধাত শুনো, খোৱা হোৱা নাই। প্ৰায় তিনি বাজিবলৈ ধৰোঁতে দুজন ডেকা ওলালহি। সোনকালে যাব পৰাকৈ নাও এখন বাছিলে। এনেতে এজনে ক'লে, "যাচোন, অমুকাৰ ডাৰপাট আনগৈ। তাৰ ডাৰপাট ভাল।" এইদৰে আৰু অলপ সময় নিয়াৰ পিছত নাও এৰিব পৰা হ'ল।

* * *

নাও মেলি অলপ দূৰ ভটিয়াই গ'লোঁ। নাওত কুমুদ আৰু মই। লগত দুজন গমিৰিৰ ডাইনী গাঁৱৰ ডেকা। আঘোণমহীয়া লুইতৰ সোঁত ধীৰ, শান্ত। মাজ নৈত নাও এৰি দিয়া হৈছে। এনেতে সমুখৰ পশ্চিম আকাশত দেখোঁ এছটা ক'লা ডাৱৰ। চাওঁতে চাওঁতে বতাহ আৰু বৰষুণ আৰম্ভ হ'ল। ডেকাহঁতে ঢৌত নাও বাব নোৱাৰি এটা চাপৰিত নি নাও ৰাখিলে। আমি তেনেই তিতিলোঁ। বতাহ-বৰষুণ দুঘণ্টামান চলাৰ পিছত শান্ত হ'ল।

কিন্তু এন্ধাৰ। নাওৰীয়াহঁতে ক'লে, "এতিয়া বাট ভুল হ'ব। সুঁতি ভুল হ'লে ইয়াতেই ঘূৰি থাকিব লাগিব।" কি কৰোঁ? একো উপায় নাই। নাওৰীয়াহঁতে বালিলৈ খৰি গোটাই আনিলে আৰু একুৰা জুই জ্বলালে। তিতা গাৰে জুইৰ কাষত বহিলত কাপোৰ জানিবা শুকাল। * * *

পঁচিশ তাৰিখ। পুৱতি নিশা আকাশত কৃষ্ণপক্ষৰ জোন। একাদশী কি দ্বাদশী। জুইৰ কাষত কেতিয়া যে আমাৰ টোপনি আহিল ক'ব নোৱাৰিলোঁ। এনেতে নাৱৰীয়া এজনে ক'লে, "দেউতা, এইখন কাজিৰঙাৰ চাপৰি। অলপ ভটিয়াই গ'লেই ম'হ-খুটী পাম। তালৈকে নাও নি গাখীৰ-চাহৰ অলপ দিহা কৰোঁ?" "হ'লা, আপত্তি নাই।"

* * *

দেখোঁ, আমি বিহালীৰ ভটিয়নীত কাজিৰঙাৰ চাপৰিত থাকিবলগীয়া হৈছিল। খুটীৰপৰা সকলো দিহা কৰি নাৱৰীয়াইঁতে চাহ কৰি নিজেও খালে, আমাকো খুৱালে। বেলিও ওলাই আহিছে। "সৌৱা বিশ্বনাথ", বুলি নাৱৰীয়াইঁতে এতিয়া নাও মেলি দিলে আৰু দহ নৌবাজোতেই বিশ্বনাথ পালোঁহি।

* * *

বিশ্বনাথত চণ্ডুলাল ৰামপ্ৰসাদৰ দোকানৰ মুখ পাওঁতেই বহুতো মানুহ চাপি আহিল। আজি হেনো খানাতালাচ হ'ল। শিৱপ্ৰসাদৰ দেউতাকৰ মন বৰ বেয়া। তেওঁৰ ঘৰ খানাতালাচ হোৱাত অপমান পোৱা দি পাইছে। শিৱপ্ৰসাদ থকা খোঁটালিটোহে হেনো তালাছী কৰিলে। তেজপুৰ আৰু আন আন ঠাইত কি হৈছে মনতে ভাবিলোঁ।

* * *

জাহাজত কুমুদ আৰু মই। শিৱপ্ৰসাদকো লৈ আহিলোঁ। তেওঁলোকৰ ঘৰত অশান্তিৰ পৰিস্থিতি দেখি তেওঁকো তেজপুৰলৈ আহিবলৈ কোৱাত তেওঁ ভাল পালে। গধূলি তেজপুৰ ঘাট পোৱাত চাওঁ আমাৰ কৰ্মীসকল ঘাটত ৰৈ আছেহি। হাঁহি মুখেৰে হেমো (ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা) ৰৈ আছেহি।

* * *

যোৱাকালি ৰাতি তেওঁ লখ্নৌৰ আসাম ৰাইফল্ছৰ এটা বাহিনী আহি তেজপুৰ পোৱাৰ কথা গম পাই খানাতালাচ আৰু ব্যাপক গ্ৰেপ্তাৰৰ আয়োজন কিবা এটা হ'ব বুলি অনুমান কৰিব পাৰিছিল। তেওঁ পুলিচ লাইনৰ কাষতেই ককাইদেৱেকৰ লগত থাকে আৰু সেইবাবে পুলিচ-ব্যৱস্থা দেখি সকলো অনুমান কৰি ৰাতিয়েই আহি কেম্পত থকা সকলোকে সাৱধান কৰি দি গ'ল আৰু তালাছী কৰিবলৈ আহিলে তেওঁক খবৰ অনাবলৈ ক'ব লাগে বুলি নিৰ্দেশ দিলে। ৰাতিপুৱা ৪ মান বজাত হেনো চিপাহীয়ে ঘৰ বেঢ়ি পেলালে। চিপাহীৰ শব্দ শুনি ল'ৰাইঁতে হৈৰাব মেলা মাত্ৰে ছুওঁনী লগোৱা ৰাইফেল টোঁৱাই আগভেটা দিলে। যি কি নহওক, পুলিচ চাহাব আৰু বৰ চাহাব অহা মাত্ৰে জানিবা এজন,

মানুহ পঠোৱা হ'ল হেম বৰুৱাক মতাবলৈ। আমাৰ ঘৰতো সেই একে অৱস্থা। হৰিবিলাস বাবুৰ ঘৰত তেওঁৰ পুতেক টঙ্কেশ্বৰ আছিল। আজি চহৰত এই লৈয়েই কথা হৈ আছে। এটা কথা শুনি বেজাৰ পালোঁ— ইতিমধ্যে দুজনমানে আজি কাৰ্যনিৰ্বাহক সভাৰপৰা পদত্যাগ কৰিছে।

এইদৰে হেম বৰুৱাই সবালবিকৈ খানাতালাচীৰ সকলো বিৱৰণ দিলে। আমাৰ অফিচৰ search list খন দেখুৱালে। আমাৰ লিথোমেশ্বিন (আচলতে এইটো চন্দ্ৰ শৰ্মাৰ), ক্যেশ বাকচ (এইটোও চন্দ্ৰ শৰ্মাৰ) ৩ জনৰে সৈতে নিলে। ফাইলবোৰৰ তালিকা, সভ্যসকলৰ তালিকা-বহী, কেন্দ্ৰবোৰৰ কামৰ ৰিপোৰ্ট, মেল-মোকৰ্দমাৰ মিট্‌মাট্ (Arbitration File), খদ্দৰ প্ৰচলনৰ হিচাপ সকলো সামৰি লৈ গ'ল হেনো। এজনে Arbitration Fileটো তন্নতন্নকৈ চালে হেনো। তাত এজন কৰ্মীৰ বিৰুদ্ধে অভিযোগ দেখা পাই কৰ্মচাৰীজনে জঁাপ মাৰি উঠিল। "ইয়াতেই পোৱা হ'ব" বুলি ভালকৈ পৰীক্ষা কৰিবলৈ ধৰিলে। পিছে আমাৰ নিৰ্দেশ দেখি তেওঁলোকৰ মুখ বন্ধ হ'ল। গাঁৱলীয়া মেলত মিট্‌মাট্ কৰোঁতে আমাৰ স্পষ্ট নিৰ্দেশ আছিল cognisable case কেনেবোৰ আৰু কেনেবোৰ Non-cognisable আৰু cognisable case বোৰ লৈ সামাজিক হৈচাবে মিট্‌মাট কৰিবলৈ কোনেও যেন যত্ন নকৰে বুলি নিৰ্দেশ দিয়া হৈছে। কাগজ-পত্ৰ চাই বুজিলে যে শ্ৰীশৰ্মাৰ বিৰুদ্ধে যি অভিযোগ অনা হৈছিল সেই অভিযোগ ভিত্তিহীন। তথাপি কাগজ-পত্ৰ সকলো লৈ গ'ল। এতিয়া ইয়ং-ইণ্ডিয়াত ওলোৱা কথাবোৰ আমি কেনেকৈ প্ৰচাৰ কৰোঁ? ইও এটা সমস্যা হ'ল।

* * *

আমাৰ ঘৰ তালাচীতো ডেপুটী কমিশ্যনাৰ মিঃ লেইনীয়ে বৰ ভদ্ৰ ব্যৱহাৰ কৰিছিল হেনো। মোমাইদেউক (৺ব্ৰহ্মানন্দ বৰকাকতী) ক'লে, "মই আপোনা-লোকৰ গোটেই ঘৰ চাবলৈ নাযাওঁ। কোনটো খোঁটালিত আপোনাৰ ভাগিন অমিয় কুমাৰ দাস থাকে দেখুৱাওক। তাকে চাই আমি যাম।" মোৰ শোৱা কোঠালি দেখি হেনো সুধিলে—"ইয়াতেই তেওঁ থাকেনে? এখন কম্বলতেই শোৱেনে?" "তেওঁ কংগ্ৰেছ কেম্পতেই থাকে। মাজে সময়ে কেতিয়াবাহে আহে। আহিলে তাতেই শোৱে।" "তেওঁৰ কিবা কাগজ-পত্ৰ আছেনে দেখুৱাওক।" "কাগজ-পত্ৰৰ কথা আমি একো নাজানো। সৌ আলমাৰীটো চাওক।" আলমাৰীত কিতাপবোৰ চালে। দাদাভাই নৌৰজী, ৰমেশচন্দ্ৰ দত্ত, 'ডিগবী, ছাৰ জন ছীনীকে আদি কৰি যিবোৰ কিতাপ আছিল চালে। গান্ধীৰ হিন্দ্-স্বৰাজ, ৰামানন্দ

চাটাৰ্জীৰ Towards Home Rule সকলো চালে। এইদৰে চাই ক'লে, এইবোৰ কিতাপ লৈ কি হ'ব। এইবোৰ seditious কিতাপ নহয়।

* * *

জাহাজত গুৱাহাটীলৈ বুলি ৰাওনা হ'লোঁ। শিৱপ্ৰসাদো লগতে। ছাব্বিশ তাৰিখে পুৱা ৯ বজাত গুৱাহাটী পালোঁহি। শিৱপ্ৰসাদ আৰু মই কুমুদ গোসাঁইৰ ঘৰত নামিলোঁ। লক্ষ্মীধৰো ইয়াত আছে।

* * *

যি কি নহওক, মই আৰু লক্ষ্মীধৰ শ্ৰীযুত বৰদলৈৰ ঘৰলৈ গ'লোঁ। আমাক দেখি বৰদলৈ ওলাই আহিল। "হেৰা অমী, দোকমোকালিতে বাহিৰত মানুহৰ শব্দ শুনি ওলাই আহিলোঁ। দুৱাৰ খোলা মাত্ৰকতে চাওঁ, ৰিভলভাৰ টোৱাই ছাৰ্জেণ্টে আগভেটা দিলে। ক'লে, "You cannot go out. I have instructions to shoot." শুনা "সখিৰ" instruction ! ছাৰ্চ ৱাৰেণ্ট দেখুৱালত ছাৰ্চ কৰোঁতে লণ্ডভণ্ড কৰি চালে। ছাৰ্চৰ শেহত প্ৰমোদ বানাৰ্জী দাৰোগা আৰু ছাৰ্জেণ্ট চাহাবে ক্ষমা খুজি ক'লে, আমাক কোৱা হৈছিল আপুনি বৰ উগ্ৰ প্ৰকৃতিৰ (violent) আৰু তালাচী কৰিবলৈ বাধা দিব। এতিয়া দেখিছোঁ আপুনি সম্পূৰ্ণতে ওলোটা— ইমান মিঠা স্বভাৱৰ (so sweet natured)! ৰিভল্‌ভাৰ point কৰা বাবে ক্ষমা কৰিব।" এইদৰে ছাৰ্চৰ গোটেইবোৰ কথা শুনিলোঁ। এইদৰে লতাশিলৰ কংগ্ৰেছ অফিচলৈ খোজ ললোঁ। চাওঁ, বিষ্ণুৰাম মেধি, গোপী বৰদলৈ, গৌৰী তালুকদাৰ, কালীৰাম বৰ্মন, দেহীৰাম বৰ্মন—এইদৰে বহুতো মানুহ গোট খাইছেহি। তৈয়বুল্লা, কালীপ্ৰসাদ মহীবুদ্দিনহঁতো অফিচতেই আছে। আজি প্ৰাদেশিকৰ মিটিং। সময় গধূলি ৬ বজাত। উজনিৰপৰা প্ৰতিনিধিসকল আহি পাওঁতে দুপৰীয়া হ'ব। কংগ্ৰেছ অফিচতো এইখন মিটিং পাতিবলৈ আহল-বহল ঠাই নাই। সেইবাবে ফুকনৰ ঘৰতেই মিটিং পতাৰ দিহা হৈছে।

* * *

দিনটো আমি মানুহৰ ঘৰে ঘৰে ফুৰিলোঁ। কৃষ্ণ বাপুৰ ঘৰলৈ গৈছিলোঁ। তেওঁৰ দেউতাক তেজপুৰত জেইলাৰ আছিল (শ্ৰীনীলকণ্ঠ বৰুৱা)। কৃষ্ণবাপুৰ মাকে হ'লে বৰ সাহ দেখুৱাইছে। দেউতাকে জেইলাৰৰ কাম কৰিলেও আন্দোলনত সহানুভূতি দেখুৱাইছে। মাকে ক'লে, "বোপা, আমি তিৰোতাসকল বৈ নাথাকো, আমিও ওলাম।" কথাকেইষাৰ শুনি বৰ ভাল লাগিল। তিৰোতাবিলাকে আন্দোলনত লগাৰ ছবি এখন মনতে আঁকিলোঁ। ভাবিলো, ভাৰতৰ জনতাই যদি এইদৰে সাৰ পাই উঠে তেন্তে ইংৰাজৰ কি সাধ্য, আমাক বলেৰে হেঁচা মাৰি ৰাখে। চিপাহী-চক্ৰৱৰ্তীৰ পৰা

আৰম্ভ কৰি সকলো চৰকাৰী চাকৰিয়ালে সহযোগ এৰিবাই ল'লে ইংৰাজে কেনেকৈ চলাব? আমি যে তেজপুৰত আসাম ৰাইফলছৰ চিপাহী, চুবাদাৰ সকলোৰে মাজত কৰাচীৰ প্ৰস্তাৱ কেনেকৈ চাহৰ দোকানবোৰত বুজাই আছোঁ তাকে ক'লোঁ।

*   *   *

দিনটো এইদৰে গ'ল। আবেলিতেই আমি দেশভক্ত ফুকনৰ ঘৰলৈ খোজ ল'লোঁ। চাওঁ, উজানবজাৰৰ পৰা বহুতো খোজ কাঢ়ি আহিছে। নৈৰ দাঁতিয়েদি গ'লো। শুক্লেশ্বৰ পোৱাৰ পিছত সমদল হোৱাদি হ'ল। আজি প্ৰাদেশিকে কি নিৰ্দেশ দিয়ে তাকে লৈয়েই জল্পনা-কল্পনা। বকো সমূহীয়া সত্যাগ্ৰহৰ বাবে তৈয়াৰী কৰাবো কথা ওলাইছিল। কিন্তু এতিয়া মহাত্মাৰ লগত আলোচনা কৰাৰ পিছত অসমত ক'তো সমূহীয়া সত্যাগ্ৰহৰ ক্ষেত্ৰৰ ব্যৱস্থা কৰাৰ কথা হোৱা নাই। জাঁজী-তামুলীছিগা অঞ্চলতো কিছুমানৰ মনলৈ এই ভাব আহিছিল। ৱাকিং কমিটিৰ প্ৰস্তাৱটো আমি আলোচনা কৰিলোঁ। এই প্ৰস্তাৱে বহুতো কথাৰ বিচাৰ কৰিছে। সমূহীয়া সত্যাগ্ৰহ হ'লে একো একোটা অঞ্চল বিচ্ছিন্ন হৈ যোৱাৰ সম্ভাৱনা। এনে এটা পৰিস্থিতিত সেই অঞ্চলৰ বাইজৰ অকল সাহৰ সমলেই নহয়, জীৱন ধাৰণৰ লাগতিয়াল বস্তুবোৰৰ কি কৰিব পাৰি তালৈ লক্ষ্য ৰাখি স্বাৱলম্বনৰ ওপৰত জোৰ দিয়া হৈছে। এনে এটা অৱস্থা হোৱা বুলি কোনো এটা অঞ্চলে দাবী কৰিব পাৰেনে?

গধূলি দেশভক্ত ফুকনৰ ঘৰত মিটিং বহিল। আজিৰ মিটিঙত ৱাকিং কমিটিৰ প্ৰস্তাৱটো আলোচনা কৰা হ'ল।

*   *   *

আজিৰ আলোচনাত বকোৰ কথা বহুতো শুনিবলৈ পোৱা হ'ল। বকোৰ মানুহে কেনেকৈ চাউলপাত গোটাই আনি বকোত লগ হয়হি আৰু চাৰিখন মৌজাৰ লোকে একো একোটা কাম কৰিবলৈ সিদ্ধান্ত কৰে আৰু সেইখন মেলত যিটো স্থিৰ হয়, তাকে সকলো ৰাইজে কৰে। অক্টোবৰ মাহত ৰেব্‌ষ্টাৰ চাহাব বকোলৈ গৈছিল। তেওঁ তাত ৰচদ-পাতি একো নাপালে হেনো, কাৰণ ৰাইজৰ মেলত স্থিৰ হৈছে, চৰকাৰী চাকৰিয়ালক একো ৰচদ-পাতি নিদিয়াটো। আগতে বকোৰ বঙলাত চাহাব বহা মাত্ৰকতে মুখিয়াল মানুহবিলাক গোট খায়হি। কণী, জহা চাউল, শাক-পাচলিৰ সিধা দিয়েহি। এইবেলি সিধা দিয়ক চাৰি বজাৰতো একো নাপালে। ৰেব্‌ষ্টাৰ চাহাবৰ হেনো বৰ খং উঠিছে। বোধাম চাহাবৰো হেনো এনেকুৱা হৈছিল। চাহাব-সকলৰ ৰম্যভূমি বকোৰ এনে এটা পৰিবৰ্তনত চৰকাৰৰ হেনো বৰ খং। ইয়াতেই তেওঁলোকে হাবিয়ে-বননিয়ে ফুৰি হাঁহ, পঁছু, বাঘ নানান জন্তু চিকাৰ কৰে। জাৰৰ দিনকেইটা এইদৰে মফচল কৰি আনন্দেৰে দিন নিয়ায়। এইবেলি কি হ'ল!

গান্ধীৰ কথাত কেনেকৈ মানুহৰ মন ঘূৰিল—এইবাবে খণ্ডত জামদগ্ন্য হোৱাদি হৈছে। প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সকলোৰে বেছ উৎসাহ দেখা গৈছে। উজনীৰ পৰা ৰজনী বৰুৱা, প্ৰসন্ন বৰুৱা, ফিজুৰুৰ আলি, যোগেশ গোহাঁই, লক্ষেশ্বৰ বৰুৱা, ভুবন গগৈ, কুলধৰ চলিহা, কৃষ্ণ শৰ্মা, দেবেশ্বৰ শৰ্মা, বিষ্ণু শৰ্মা, কনক পণ্ডিত, হলধৰ ভুঞা, বৃন্দাবন চন্দ্ৰ গোস্বামীকে আদি কৰি বহুতো লোক আহিছে। বাজাজে খাদীৰ বাবে দিয়া টকা লৈ বৰ তৰ্ক-বিতৰ্ক হৈছিল।

* * *

চৰকাৰী ঘোষণামতে প্ৰাদেশিক কংগ্ৰেছ কমিটি, ভলন্টিয়াৰ দলটো ক্ৰিমিনেল এমেণ্ড্‌মেণ্ট এক্টমতে বে-আইনী কৰা হৈছে। দেশভক্ত ফুকনে ক'লে, "এতিয়া সমূহীয়া সত্যাগ্ৰহ কৰিবলৈ আমি একো দিহা কৰিবৰ প্ৰয়োজন নাইকিয়া হৈছে। চৰকাৰে এতিয়া বলেৰে আমাৰ ওপৰত এই আইন জাৰি কৰি জানিবা সত্যাগ্ৰহ কৰিবলৈ নিমন্ত্ৰণ জনাইছে। এতিয়া ওলোৱা জেইললৈ।" ধেমালিৰ সুৰেৰে ফুকনে কথা কেইআষাৰ ক'লেও দৃঢ়তা আছে। "ভলন্টিয়াৰ বুলি এইখন কাকতত চহী দিয়া মাথোন, তুমি আৰু একো কৰিব নালাগে, টোপোলা বান্ধি বজাৰ আলহী হোৱাগৈ।" ৰাতি ৯ বজালৈকে মিটিং চলিল। সভাত ক্ৰিমিনেল ল এমেণ্ড্‌মেণ্ট আইনৰ ১৭ ধাৰা (ক আৰু খ মতে) কৰা ঘোষণাৰ বিৰুদ্ধে কাৰ্য কৰাটোৱেই স্থিৰ হ'ল। ভলন্টিয়াৰ বুলি ঘোষণা কৰি আইন ভঙ্গ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াত দুটা কথা আছে—খ মতে ভলন্টিয়াৰ দলটো মেনেজ্‌ কৰা কথাষাৰ আছে। সকলো জিলাতে জিলা কংগ্ৰেছ পাতি কাৰ্যপদ্ধতি স্থিৰ কৰিবলৈ কোৱা হৈছে। * * *

আমি বহুতো ফুকনৰ ঘৰৰপৰা ৰাতি মিটিঙৰ শেহত উজানবজাৰলৈ খোজ ল'লোঁ। নৈৰ দাঁতিৰ বাটেদিয়েই আহিলোঁ। বাটে বাটে তৰ্ক-বিতৰ্ক কোৰ্হালৰ মাজেদি আহিলোঁ। দুজনমানে সম্ভাৱনাবিলাক বিশ্লেষণ কৰিবলৈ যত্ন কৰিছে। আমাৰ কিছুমানক এতিয়া গ্ৰেপ্তাৰ কৰিব—এইটো খাটাং। ইয়াৰ পিছত গৱৰ্ণমেণ্টে কি কৰিব?

বিষ্ণুৰাম মেধিয়ে গ্ৰেপ্তাৰৰ পিছত মানুহৰ উৎসাহ নকমাকৈ থাকিলে গৱৰ্ণমেণ্টে আইনৰ ফালৰপৰা কি খোজ ল'ব তাকে বিচাৰ কৰিবলৈ যত্ন কৰিছে -- এই লৈয়েই তৰ্ক। যি কি নহওক, তেওঁলোকৰ সকলো কথা শুনি লগে লগে আহিলোঁ। বিষ্ণুৰাম মেধিয়ে ভৱিষ্যতলৈ চাকৰিয়ালসকলে আৰু চিপাহীহঁতে কাম এৰি দিলে গৱৰ্ণমেণ্টে কি কৰিব তাকো ভাবিবলৈ যত্ন কৰিছে। তেওঁ কয়— এনে এটা পৰিস্থিতিত চৰকাৰে বগা সৈন্যবাহিনী আনিব ইত্যাদি। যি কি নহওক

এই সম্ভাৱনাবোৰ ভাবি মনলৈ আনন্দও আহিছে। কিন্তু উৎসাহ-আনন্দৰ মাজত ক'ৰবাত শান্তি-ভঙ্গৰ ঘটনা যাতে নঘটে তাৰ কথাও মনলৈ আহিছে। যোৱা সোতৰ তাৰিখে বোম্বেৰ হৰতালৰ পিছত মহাত্মাৰ কথাই আমাৰ মনলৈ আহিছে। মহাত্মাই ৰাইজৰ উৎসাহ নিয়ন্ত্ৰণৰ মাজত ৰাখিবলৈ সকলো দিহা লৈছে। পাৰ্চী তিৰোতা, এংলো-ইণ্ডিয়ানসকলৰ ওপৰত বোম্বেৰ জনতাই বলপ্ৰয়োগ কৰা কথা-বিলাকে আন্দোলনৰ কিমান বিঘিনি আনিছে তাকো মনলৈ আহিছে।

উনৈশ তাৰিখৰ পিছত মহাত্মা গান্ধীৰ কথা বাতৰি কাকতত বহুতো ওলাইছে। মহাত্মাই বোম্বেৰ ঘটনাৱলীৰ বাবে নিজকে জগৰীয়া কৰি অনশন ব্ৰত লৈছে। "মই জনতাৰ ওপৰত কিয় প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই, মোৰ অহিংসাৰ শক্তি ক'লৈ গ'ল? মই কি কৰিব লাগিব? যিবিলাক লোকে এই ঘটনাৱলীত অসুবিধাত পৰি অভিযোগ কৰিব পাৰে, তেওঁলোকক কিয় মই গৱৰ্ণমেণ্টৰ সহায় ল'বলৈ ক'বপৰা নাছিলোঁ। তেওঁলোকক কিয় এইদৰে কাম কৰিবলৈ নোকোৱাকৈ আছিলোঁ। ন্যায় কৰিবলৈ আমাৰ পঞ্চায়ত নাছিল। শান্তি স্থাপন কৰিবলৈ মই ওচৰ চাপিব পৰা কোনো লোক নাছিল। জনতাৰ ওচৰত লাঞ্ছিত হোৱা লোকসকলক মই কি সান্ত্বনা দিব পাৰোঁ! যিবিলাক পাৰ্চী আৰু খৃষ্টান লোক উত্তেজিত হৈছিল আৰু তেওঁলোক উত্তেজিত হোৱাটো অন্যায় হোৱা নাছিল, তেওঁলোকৰ ওচৰত মই নিজকে সঁপি মৃত্যু বৰণ কৰা হ'লে তেজৰ সোঁত আৰু বেছিকৈ ব'লিলহেঁতেন। সৈনিক হিচাপে অপৰিহাৰ্য বিপদ মই কেতিয়াও পৰিহাৰ কৰিব নালাগিছিল, আনফালে আগ-পাছ নভবাকৈ মৃত্যুক বৰণ কৰাটোও উচিত নহ'লহেঁতেন— এনে অৱস্থাত মই কি কৰিব লাগিছিল।

"মই মানুহৰ হাতত মৰিবলৈ নিজক আত্মসমৰ্পণ নকৰি থাকিবলৈ হ'লে ভগৱানে মোৰ প্ৰাৰ্থনা সুশুনাকৈ থকালৈকে মই আহাৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি তেৱেঁই মোক নিবলৈ সঁপিম। মোৰ একো সম্বল নাইকিয়া হৈছে। মই দেউলীয়া— ইয়াৰ বাহিৰে মোৰ আন উপায় কি? জনতাৰ নিৰ্দোষিতাৰ পৰা মই ল'ব পৰা সমল নাই। মই সোতৰ তাৰিখে দিয়া 'চেক' তেওঁলোকে ল'বলৈ অস্বীকাৰ কৰিলে। মই এতিয়া কোনোমতে হেৰোৱা সম্মান ঘূৰাই পাবলৈ যত্ন কৰিব লাগিব নাইবা ইয়াতেই জাহ যাব লাগিব। ভগৱানৰ কাম কৰিবলৈ হ'লে মই ভগৱানৰ পৰাই মূলধন ধাৰে ল'ব লাগিব। এইখিনি কৰিবলৈ হ'লে মই তেওঁৰ চৰণ-ধূলিত মূৰ দোঁৱাই তেওঁ দিয়া আহাৰ নোখোৱাকৈ থাকিব লাগিব। হাজাৰ উপায়েৰে মই প্ৰমাণ দিব লাগিব যে একাগ্ৰতাৰ অভাৱ মোৰ হোৱা নাই। মই যদি তেওঁৰ কাম কৰিবলৈ অযোগ্য হৈছোঁ, তেন্তে তেওঁ মোক ওভোতাই

দিয়ক, নাইবা তেওঁৰ যোগ্য হ'বলৈ আৰু তেওঁৰ মতে কাম কৰিবলৈ উপযুক্ত কৰি মোক নতুনকৈ গঢ় দিয়ক।"

* * *

মহাত্মা গান্ধীৰ এইখিনি কথাৰ আধ্যাত্মিক তত্ত্ব পূৰাকৈ বুজি নাপালেও এটা কথা মনলৈ আহিছে যে এই আন্দোলনৰ অশান্তিজনক পৰিৱেশ মহাত্মাজীয়ে সহ্য নকৰে।

* * *

উনৈশ নৱেম্বৰ তাৰিখে পুৱতি নিশা মহাত্মাই চাৰে তিনি বজাত 'ইয়ং ইণ্ডিয়া'লৈ প্ৰবন্ধ লিখোঁতে লিখিলে—

"এই দুদিন মই কি মানসিক যন্ত্ৰণাত আছিলোঁ সেইটো মই কেনেকৈ বৰ্ণাও। এতিয়া ৩॥০ বজাত মই এইখিনি কথা সম্পূৰ্ণ শান্তিত লিখি-আছোঁ। দুঘণ্টা প্ৰাৰ্থনা আৰু ভগৱানৰ ধ্যান কৰাৰ পিছত এই শান্তি মই পাইছোঁ। যেতিয়ালৈকে বোম্বেৰ হিন্দু আৰু মুছলমানসকলে পাৰ্চী. খৃষ্টান, ইহুদীসকলৰ লগত শান্তি নকৰে আৰু অসহযোগীসকলৰ লগত শান্তি নকৰে, তেতিয়ালৈকে মই আহাৰ গ্ৰহণ কৰিবলৈ আনকি পানীৰ বাহিৰে পনীয়া খাদ্যও গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছোঁ।" এইদৰে উনৈশ তাৰিখৰপৰা বাইশ তাৰিখলৈকে মহাত্মাই অনশন কৰিলে।

* * *

"এই কেইদিন মই স্বৰাজৰ যি নমুনা দেখা পালোঁ তাৰপৰা মোৰ নাক কোঁচ খাইছে। হিন্দু-মুছলমানৰ একতা এমুঠি পাৰ্চী আৰু খৃষ্টান আৰু ইহুদীৰ বাবে বিপদৰ কথাত পৰিণত হৈছে। অসহযোগীসকলে যি হিংসানীতি ল'লে সেইটো সহযোগীসকলৰ হিংসাতকৈও জঘন্য। মুখত অহিংসাৰ নাম লৈ যিসকলে আমাৰ মত লৈ চলা নাছিল, তেওঁলোকক আমি ভয় খুৱাবলৈ যত্ন কৰিছোঁ আৰু এনেদৰে আচৰণ কৰি ভগৱানক অস্বীকাৰ কৰিছোঁ। আমি যি কোনো ধৰ্মৰ নহওঁ লাগে, আমাৰ সকলোৰে বাবে এজন ঈশ্বৰ। মোৰ ঈশ্বৰ সত্য আৰু প্ৰেম— ইংৰাজ নাইবা যি কোনো লোককেই মই বিদ্বেষ কৰিব নোৱাৰোঁ। মই ইংৰাজ আৰু তেওঁলোকে পতা অনুষ্ঠানবিলাকৰ সমালোচনা কৰি আহিছোঁ হয়, আৰু তেওঁলোকৰ অনুষ্ঠানবিলাকৰ নিন্দা কৰিছোঁ যদিও মানুহজনক ভুল কৰা নাই। মই নিজক যিদৰে ভাল পাওঁ, সেইদৰে তেওঁলো ভাল পোৱাটো মোৰ ধৰ্মই বিচাৰে।" এইদৰে মহাত্মাই ইয়ং ইণ্ডিয়াত লিখিছে।

সাতাইশ নৱেম্বৰ। তেজপুৰত আমি কিদৰে সত্যাগ্ৰহ কৰিম, লক্ষীধৰৰ লগত ভাবে আলোচনা কৰি আছোঁ। তেজপুৰত আমাৰ কৰ্মী বৰ কম। গুৱাহাটীত যিদৰে ইমানবিলাক উকিলে আদালত বৰ্জ্জন কৰি অসহযোগ আন্দোলনত লাগিছে সেইদৰে তেজপুৰত ওলোৱা নাই। তেওঁলোকে নৈতিক সমৰ্থন জনালেও গাঁৱে গাঁৱে ফুৰি গাঁৱলীয়া ৰাইজৰ মাজলৈ ওলোৱা নাই। সেইবাবে আমি সাৱধানে কাম কৰিব লাগিব। কাম কৰি থাকোঁতে গ্ৰেপ্তাৰ কৰে কৰক, কিন্তু আমি নিজৰ-পৰা একেলগে ধৰা নিদিওঁ। একোজনকৈ থাকি সত্যাগ্ৰহ কৰাটো ভাল হ'ব আৰু গাঁৱত ধৰা দিলে গাঁৱলীয়া ৰাইজে উৎসাহ পাব। কেইখনমান মৌজাত মাটিৰ খাজনা নিদিবৰ কথা কিছুমানে ভাবিছে। খাজনা বন্ধ কৰা কামটো যে কিমান টান সেইটো তেওঁলোকে বুজি পোৱা নাই। মধে মধে খাজনা বন্ধ কৰিলে যি নিৰ্যাতন হ'ব তেনে পৰিস্থিতিত আমাৰ ৰাইজৰ মনোবল কমি যাবৰ সম্ভাৱনা। আমি প্ৰণালীবদ্ধভাৱে একোজনকৈ সত্যাগ্ৰহ কৰাটো ভাল—লক্ষীধৰে এইদৰে ভাবিছে বুলি ক'লে। আমি এইদৰে আলোচনা কৰি আছোঁ। এনেতে খবৰ আহিল যে আজি দেশভক্ত ফুকন, কৰ্মবীৰ বৰদলৈ, বিষ্ণুৰাম মেধিক গ্ৰেপ্তাৰ কৰিবলৈ ৱাৰেণ্ট হেনো হৈছে। কথাষাৰ শুনি আমি ওলালোঁ। লতাশিলৰ প্ৰাদেশিক কংগ্ৰেছ অফিচলৈ যাওঁতে বিষ্ণুৰাম মেধিৰ ঘৰত সোমালোঁ। তেওঁ গ্ৰেপ্তাৰ হ'বলৈ তৈয়াৰী হৈছে। লতাশিলৰ কংগ্ৰেছ অফিচৰ সমুখত মানুহ ভৰি পৰিছে।

কালি তৈয়বুল্লা চাহাবৰ ঘৰলৈ গৈছিলোঁ। জেইললৈ যাবলগীয়া হ'ব পাৰে বুলি শিৱসাগৰলৈ গৈ বিয়া কৰাই আহিছে বুলি কৈছিল। তৈয়বুল্লা চাহাবে জেইললৈ যাবলগীয়া হ'ব বুলি বিয়া কৰাই আহিছে বুলি কোৱাত আচৰিত হ'লোঁ।

লক্ষীধৰক লগত লৈ পাণবজাৰত অধ্যাপক বাণী কাকতিৰ ঘৰত সোমালোঁ। কাকতিয়ে আমাক দেখা পাই ক'লে, "স্বৰাজ আশ্ৰমলৈ কেতিয়া যাব?" ছাত্ৰাৱস্থাৰে-পৰা কাকতিয়ে ধেমালিকৈ 'স্বামীজী' বুলি সম্বোধন কৰি আহিছে। মুখেৰে কথাষাৰ ক'লেও কাকতিৰ মনত যেন শান্তি নাই। বলেৰে ধেমালি কৰা যেন লাগিল। মই কলোঁ, "কাকতি, 'ৰিকুইট' বিচাৰি মই আপোনাৰ ওচৰলৈ আহিছোঁ। কলেজৰ ভাল ল'ৰা কোন কোন ওলাব পৰা আছে কওক।" কাকতিয়ে কেই-জনমানৰ নাম দিলে। তেওঁলোকক লগ ধৰাত দেখিলোঁ, তেওঁলোক দোধোৰ-মোধোৰত আছে। তেওঁলোকে কলেজ বৰ্জন কৰি ওলাই প'লেও অসহযোগ আন্দোলনত সক্ৰিয় অংশ ল'বনে একো স্থিৰ কৰা নাই। কাকতিৰ ঘৰৰপৰা ওলাই আমি ভৰলুমুখলৈ গৈ দেশভক্তৰ ঘৰ ওলালোঁ। ফুকনৰ ঘৰত বহুতো মানুহ গোট খাইছে।

আমাক দেখা পাই ফুকনে হাহি-ধেমালিৰে মৈতে ক'লে, "হেৰা, এতিয়া সজ আচৰণৰ শিক্ষা ল'বলৈ স্বৰাজ আশ্ৰমলৈ যাবলগীয়া হ'ল।"

ভবলুমুখৰপৰা আমি উজানবজাৰলৈ উভতিলোঁ। লতাশিলৰ কংগ্ৰেছ অফিচতো মানুহ ভৰি পৰিছে। শ্ৰীযুত মেধি আৰু কৰ্মবীৰ বৰদলৈক গ্ৰেপ্তাৰ কৰা বাতৰি ওলোৱাত মানুহ আহি বৈ আছিল। সকলোৰে মনৰ ভাব --"বৰদলৈ, ফুকন, মেধি প্ৰভৃতিৰ দৰে লোক যেতিয়া জেইললৈ যাবলগীয়া হ'ল যেতিয়া বাহিৰত কোন থাকে; সকলোৱে জেইললৈ যাবলগীয়া হ'ল।"

উনত্ৰিশ নবেম্বৰ। এক ডিচেম্বৰ তাৰিখে দেশভক্তদ্বৈতৰ বিচাৰ হ'ব বুলি খবৰ ওলোৱাত লক্ষ্মীধৰক তেজপুৰলৈ পঠাই দিলোঁ। মই গুৱাহাটীৰ পৰিস্থিতি চাই দুই তাৰিখে যোৱাটো স্থিৰ কৰিলোঁ।

এক ডিচেম্বৰ তাৰিখ। ফুকন-বৰদলৈৰ বিচাৰৰ দিন আছিল। জেইলতেই হেনো বিচাৰৰ ব্যৱস্থা হ'ল। গুৱাহাটীৰ নিশি জেইলাৰ তেজপুৰত কাম কৰা। তেজপুৰত থাকোতে চিনাকি হৈছিল। সেইবাবে তেওঁক লগ ধৰিলোঁ। কিন্তু মানুহজনৰ সম্পূৰ্ণ পৰিৱৰ্তন হৈছে। মুৰ দাঙি কথাই নকয়— জনালে সোমাবলৈ দিয়া নহব। পিছত খবৰ ওলাল বিচাৰ এঘাৰ ডিচেম্বৰ তাৰিখলৈ হোহোকাই দিছে। সেইবাবে গুচি আহিলোঁ। জেইলৰ সমুখৰ বাটত জনতা বৈ আছিল। সুৰেশ ভট্টাচাৰ্য, উমেশ বৰদলৈ, কৃষ্ণ বৰুৱাইঁতে এই জনতাই যাতে গোলমাল নকৰে তাৰ বাবে যত্ন কৰি আছে। আবেলি তিনি বজাৰ জাহাজত তেজপুৰলৈ ৰাওনা হলোঁ।

* * *

মনটো উগুল-থুগুল—তেজপুৰৰ পৰিস্থিতিত ভৱিষ্যতলৈ কি কৰিব পৰা হব। বাগিচাৰ বনুৱাৰ মাজত উত্তেজনা হৈ আছে। তেওঁলোক অবুজ—গাঁৱলীয়া জনতাৰ উৎসাহ যথেষ্ট। বাগিচাৰ কেইবাখনো হাটত সজ্ঘৰ্ষ হৈছে। চাহাবে মুৰৰ পৰা গান্ধীটুপী পেলাই দিয়ালৈ গাঁৱলীয়া ৰাইজে তৎক্ষণাতে হাট বন্ধ কৰিবলৈ দিহা কৰে। •হাটলৈ নোযোৱাকৈ দোকানীবিলাকক ৰখাটোও ডাঙৰ কথা—অৰ্থ-নীতিৰ কথা। ৰাইজে নতুনকৈ হাট পাতে—কিন্তু ৰখা টান হয়। কাৰণ প্ৰতিষ্ঠিত হাট এখন ভাঙি নতুনকৈ আন এখন হাট পতাত আইনে আমাক সহায় নকৰে। বেদেন্তী বাগানৰ হাটত মোহন শৰ্মাৰ লগত ৰাইট চাহাবৰ গোলমাল হোৱাত নতুনকৈ হাট বহুৱাই আমি ৰাখিব নোৱাৰিলোঁ। •দোকানীবিলাকক নোযোৱাকৈ ৰাখিবলৈ গাঁৱলীয়া সেৱকসকলে কত যত্ন কৰিবলগীয়া হৈছিল। নোৱাৰিলে। সামাজিক শাসন কৰিবলৈকো এই দোকানীবিলাকৰ সৰহ ভাগেই বাহিৰা। তেওঁলোকে পেটৰ ভোকত অসমলৈ আহিছে লক-সুৰা বেঁপাৰ কৰি পেট প্ৰবৰ্ত্তাবলৈ।

তেওঁলোকে গান্ধীৰ নাম ল'লেও আৰু ছাবি অনা পইচা দি কংগ্ৰেছৰ

মেৰৰ হ'লেও হাটলৈ নোযোৱাকৈ ক্ষতিগ্ৰস্ত হবলৈ মাস্তি নহয়। ভৱিষ্যতলৈ এনে সজ্ঞাৰ্যত কি হব এয়ে চিন্তা হব ধৰিছে।

*　　　*　　　*

দুই ডিচেম্বৰ—তেজপুৰ পাওতে পলম হ'ল। কুঁৱলিৰ বাবে শিঙৰীঘাটৰ পৰা জাহাজ এবাৰ পলম হৈছিল। জাহাজঘাটলৈ লক্ষ্মীধৰ, হেম বৰুৱা, তিলক শৰ্মা সকলো আহিছিল। কালি গধূলি মিটিং হৈ গ'ল। মিটিঙত সকলো কৰ্মীয়েই প্ৰকাশ্যে ঘোষণা কৰিলে ভলণ্টিয়াৰ বুলি; আৰু সকলোকে ভলণ্টিয়াৰ দলত যোগ দিবলৈ আহ্বান জনালে। এখন কাকতত চহীও কৰিলে।

হেম বৰুৱাই ক'লে তোমাৰ কথা ঠিক আছিল। কিন্তু জাননী দিয়াৰ পিছত মিটিং নপতাকৈ থকাটো উচিত নহব বুলি মিটিং পতা হ'ল। "মিটিং পাতিলেও ৰাজনৈতিক পৰিস্থিতি বুজাই দিলেও হ'লহেঁতেন।" এয়ে মোৰ উত্তৰ হ'ল। যি হওক "এতিয়া আহা,-ভৱিষ্যতলৈ আমি কি কৰোঁ তাৰে দিহা কৰোঁ। তোমালোকতো আজি ন'হলে কালিলৈ গ্ৰেপ্তাৰ কৰিবই। আমাৰ সকলোকে গ্ৰেপ্তাৰ কৰাৰ পিছত তেজপুৰৰ কংগ্ৰেছ অফিচ উদং হৈ যাব। এতিয়াই আমাৰ সমৰ্থকসকলৰ ভিতৰত নগৰৰ কিছুমানে পদত্যাগ কৰিলেই।"

"একত্ৰিশ ডিচেম্বৰত স্বৰাজ হবই।" এজনে ক'লে,

"উঃ মোৰ এনে এটা বিশ্বাস থকা হ'লে!" এয়ে মোৰ উত্তৰ হ'ল।

এতিয়া আমাৰ কথা হৈছে একালে ৰাইজক ভৱিষ্যতৰ সজ্ঘৰ্ষৰ বাবে সাজু কৰোৱা, দ্বিতীয় হৈছে— মহাত্মা গান্ধীৰ কাথাবিলাক প্ৰচাৰ কৰা। আমাৰ যি এটা লিখো যন্ত্ৰ আছিল তাকো লৈ গ'ল অথচ মহাত্মাৰ কথাবিলাক প্ৰচাৰ কৰাৰ প্ৰয়োজন। যি হওক এটা যন্ত্ৰ অনোৱা স্থিৰ হ'ল।

*　　　*　　　*

বোম্বেৰ পৰিস্থিতিৰ পিছত মহাত্মাই বেজাৰেৰে সৈতে বহুতো কথা লিখি আছে,—

"হিন্দু আৰু মুছলমানসকলে যদি পাৰ্চীসকলক আৰু তেওঁলোকৰ সম্মান প্ৰাণ দি হ'লেও ৰক্ষা কৰিবলৈ যত্ন নকৰে তেন্তে তেওঁলোক স্বাধীনতাৰ বাবে অযোগ্য হব। হিন্দু আৰু মুছলমানসকলে যদি মুকলি মনেৰে পাৰ্চীসকলৰ ওচৰত অনুতাপ প্ৰকাশ নকৰে, তেতিয়ালৈকে মই পাৰ্চী মুনিহ আৰু তিৰোতাৰ সকৰুণ চকুলৈ চাব নোৱাৰো। সোতৰ আৱিখে তেওঁলোকৰ যি সকৰুণ দৃষ্টি মই দেখিছিলোঁ তালৈ চাই মই তেওঁলোকৰ সন্মুখীন হব নোৱাৰোঁ। ভাৰতীয় খ্ৰীষ্টানসকলক— যিসকলক আমাৰ নিজৰ ভাই-ভনীৰ দৰে ৰক্ষা কৰাটো কৰ্ত্তব্য, তেওঁলোকৰ ক্ষতিপূৰণ নকৰালৈকে মই আফ্ৰিকাৰ পৰা এওজ উভতি পালেও মই তেওঁৰ সন্মুখীন হব

নোৱাৰিম। আত্মৰক্ষা কৰিবলৈ নাইবা প্ৰতিশোধ লবলৈ তেওঁলোকৰ কিছুমানে কিবা কৰিলেও তালৈ মন কৰিব নালাগে।

"মই পৰিচালনাৰ যন্ত্ৰ হৈ থাকোতে এমুঠিমান মুনিহ আৰু তিৰোতাই যি পাশৱিক অত্যাচাৰ ভোগ কৰিবলগীয়া হৈছিল, তাৰ যথেষ্ট ক্ষতিপূৰণ মই দিব লাগিব, এইটো সকলোৱে স্পষ্ট বুজি পাইছে। প্ৰত্যেকজন হিন্দু আৰু মুছলমানক মই এনে কৰিবলৈ কওঁ।"

"কিন্তু আন কোনেও মোৰ লগত লঘোন দিয়াটো মই নিবিচাৰোঁ। অনশন প্ৰাৰ্থনাৰ প্ৰত্যুত্তৰত কৰিলে, আৰু আত্মাৰ আগ্ৰহ অনুভূতিৰ পৰা কৰিলে ভাল। প্ৰত্যেকজন হিন্দু আৰু মুছলমানক কওঁ, তেওঁলোক যেন নিজৰ ঘৰতে সোমাই থাকি ক্ষমা-ভিক্ষা কৰি ভগৱানক প্ৰাৰ্থনা কৰে। যিবিলাক সম্প্ৰদায়ে এই গোলমালত দুখ-নিৰ্যাতন ভোগ কৰিবলগীয়া হৈছিল অন্তৰৰ অনুভূতিৰ পৰা তেওঁলোকক সহায় কৰিবলৈ যত্ন কৰা।"

"মোৰ লগত সহানুভূতি জনাবলৈ কোনেও যেন এক মুহূৰ্ত্তও খৰচ নকৰে। মোৰ সহানুভূতিৰ প্ৰয়োজন নাই, সহানুভূতিৰ মই যোগ্যও নহওঁ। বোম্বেত যিটো গুণ্ডা শ্ৰেণী আছে, তেওঁলোকক আয়ত্তাধীন কৰিবলৈ যত্ন কৰিবলৈ আহ্বান জনাওঁ। আমি অসহযোগ আন্দোলনৰ বাটত আগ বাঢ়িবলৈ হ'লে আমি নিজৰ অন্তৰ শুদ্ধ কৰাটো প্ৰয়োজন।"

"মুছলমান ভাইসকলক সুকীয়াকৈ এষাৰ কথা কবলৈ বিচাৰোঁ। খিলাফত এটা পৱিত্ৰ কথা বুলি মই লৈছোঁ। হিন্দু-মুছলমানৰ যাতে একতা হয়, তাৰ বাবে মই যত্ন কৰি আছোঁ। কাৰণ এইটো নহ'লে ভাৰতবৰ্ষ স্বাধীনভাৱে জীয়াই থাকিব নোৱাৰে। আমি প্ৰত্যেকে প্ৰত্যেকক জন্মৰে পৰা শত্ৰু বুলি পৰস্পৰে পৰস্পৰক ভাবিলে ভগৱানক অস্বীকাৰ কৰিম। মই আজি ভ্ৰাতৃ দুজনাৰ বাহুৰ মাজত নিজক সঁপি দিছোঁ, কাৰণ মই ভাবোঁ তেওঁলোক দুজন প্ৰকৃত আৰু ভগৱানক ভয় কৰা লোক। এই দুদিনৰ হত্যাকাণ্ডত মুছলমানসকলেই মুখ্য অংশ লৈছে বুলি মই গম পাইছোঁ। প্ৰত্যেকজন মুছলমান কৰ্মীয়ে যেন তেওঁৰ ধৰ্মৰ প্ৰতি কৰ্ত্তব্য উপলব্ধি কৰি এই হত্যাকাণ্ড বন্ধ কৰে।"

এইবিলাক কথাত মহাত্মাজীক বুজিবলৈ যত্ন কৰি আছো।

* * * *

"গ্ৰেপ্তাৰ হব বুলি হয়াত বহি থকাৰ প্ৰয়োজন নাই। দুই এদিনতে গ্ৰেপ্তাৰ কৰিব, এইটো ঠিক। যোৱা, কেইদিনমান গাঁওবিলাক ফুৰি আহা৷ ৰাজনৈতিক পৰিস্থিতি বুজাই ভৱিষ্যতলৈ সাজু হবলৈ গাঁৱৰ কৰ্মীসকলক বুজাই আহা। হৰিবিলাস বাবুৰ লগত হেম বৰুৱা বিহালীলৈ গ'ল। তিলক শৰ্মা আৰু

লক্ষ্মীধৰ চতীয়ালৈ গ'ল। শিৱপ্ৰসাদ বাঁহমাৰীলৈ গ'ল। সকলো কাকত-পত্ৰ পুলিচে নিয়াত অফিচ পুনৰ নতুনকৈ সংগঠন কৰিবলগীয়া হৈছে।

চাৰি তাৰিখে গাঁৱে গাঁৱে ভলণ্টিয়াৰ গঠন কৰিবলৈ নির্দেশ দিয়া হ'ল আৰু ছফী দৰ্জিক টুপী চিলাবলৈ দিয়া হ'ল। বাত্তি দাৰোগাই লগ ধৰিলেহি। পুলপা উজীৰ—আমাৰ লগত ইমান ঘনিষ্ঠতা—তেৰোঁ আজি ধৰিবলগীয়া হোৱাত চিন্তান্বিত হৈছে। তেওঁ ক'লে, "ৱাৰেণ্ট হৈছে। লক্ষ্মীধৰক ধৰিবলৈ ৱাৰেণ্ট গাঁৱলৈ পঠোৱা হোৱা নাই। উভতিলেই ধৰিব। সকলো দুই-এদিনতে ঘূৰি পাবহি।"

*　　　*　　　*

ছয় তাৰিখ—কালি নিশাৰ জাহাজত লক্ষ্মীধৰ পালেহি। উজীৰে পুৱাতে খবৰ পঠালে দহ বজামানত যাব। জেইললৈ যোৱাৰ আগতে লক্ষ্মীধৰক খুৱাবলৈ কিছুমানে নিমন্ত্ৰণ জনাইছে। যি হওক লক্ষ্মীধৰ সাজু হ'ল। থানাত উজীৰে ক'লে, "সকলো কাকত-পত্ৰ জেইললৈ পঠোৱা হৈছে, তালৈকেই যাওক। জেইললৈ আমি দুয়ো খোজ কাঢ়ি গৈছোঁ। বাটে বাটে সকলোৱে সোধাত কৈছো জেইলৰ গেটত ছাৰেণ্ডাৰ কৰিবলৈ কৈছে সেইবাবে তালৈকে গৈছোঁ। এইদৰে লক্ষ্মীধৰক গেটত এৰি আহিলোঁ।"

*　　　*　　　*

আঠ তাৰিখ—জামুগুৰিৰ পৰা বগীৰাম শইকীয়া আৰু গঙ্গা বৰুৱা আজি আহিছে। তেওঁলোকে আজি ইয়াতেই ধৰা দিলে। এইদৰে তিলক শৰ্মা, ছবিলাল বাবু, মোহন শৰ্মা, পোৱাল বৰা, কালীপ্ৰসাদ বৰা, লালপত সিং সকলোৰে ওপৰত ৱাৰেণ্ট ওলোৱাত জেইলত আত্মসমৰ্পণ কৰিলে।

*　　　*　　　*

মঙ্গলদৈতো শ্ৰীকুমুদ চন্দ্ৰ বৰা আৰু তপেশ্বৰ শৰ্মাৰ গ্ৰেপ্তাৰ হোৱাৰ খবৰ আহিছে। খিলাফত কৰ্মী খবিৰুদ্দীন আহম্মদকো গ্ৰেপ্তাৰ কৰাৰ বাতৰি আহিছে। চাৰিওফালৰ পৰা কেৱল গ্ৰেপ্তাৰৰ খবৰেই আহি আছে।

*　　　*　　　*

লক্ষ্মীধৰহঁতৰ বিচাৰৰ তাৰিখ এঘাৰ তাৰিখে হব বুলি ওলাইছে। এঘাৰ তাৰিখে ফুকনৰো বিচাৰ। মই গুৱাহাটীলৈ ফুকনৰ বিচাৰৰ দিনা যাবলৈ আগতে ঠিক কৰা হৈছিল। সেইবাবে পৰ্বতীয়া হৈ বেছেৰীয়ালৈ গলোঁ। তেজপুৰত এইটোৱেই প্ৰথম ৰাজনৈতিক মোকৰ্দমাৰ বিচাৰ, সেইবাবে মোৰ অনুপস্থিতিতো তেওঁলোকৰ বিচাৰৰ সময়ত আদালতৰ বাহিৰত ৰাইজৰ যেন সমাবেশ হয়। শ্ৰীচন্দ্ৰ কুমাৰ নাথে উৎসাহেৰে ক'লে, "ভাইটিহঁতৰ মোকৰ্দমাত আমি নোযোৱাকৈ থাকিব পাৰোনে? আপুনি গুৱাহাটীলৈ যাওক। ফুকন, বৰদলৈৰ কি হয় জানিবলৈ ৰাইজ উদ্বিগ্ন হৈ আছে। আমি দলে-বলে গৈ কছাৰী-ঘৰৰ মুকলি পথাৰত থাকিম।"

জনতাৰ উত্তেজনা-উৎসাহ নিয়ন্ত্ৰণ কৰিবলৈ সাৱধান হবলৈ ক'লোঁ। মই বেছেৰীয়ালৈ যোৱাত তাত এখন মিটিং বহি গ'ল। তাত বাইজে কংগ্ৰেছৰ ঘৰ সজাৰ কামত ব্যস্ত আছিল। মাটিডোখৰ চন্দ্ৰ কুমাৰ নাথৰ। তেওঁৰ মাটিতেই এই ঘৰটো সজোৱা হব ধৰিছে। বৰ্তমানৰ পৰিস্থিতি, কৰাচীৰ প্ৰস্তাৱ, বোম্বেৰ ঘটনাৱলীত গান্ধীৰ বেজাৰ ইত্যাদি ভালেখিনি কথাই ক'বলগীয়া হ'ল। গভৰ্ণমেণ্টৰ লগত ৰাইজৰ সজ্ঘৰ্ষ অনিবাৰ্য। এনে সজ্ঘৰ্ষত শান্তি ৰক্ষা, ধৈৰ্য সহিষ্ণুতাৰ ওপৰতেই কৃতকাৰ্যতা নিৰ্ভ'ৰ কৰিছে। এইদৰেই বুজাই ক'লোঁ। এজনে প্ৰশ্ন কৰিলে, "প্ৰভু! খাজনা দিয়া বন্ধ কৰিবলৈ হুকুম দিয়ক।" খাজনা বন্ধ কৰি সমূহীয়া সত্যাগ্ৰহ কৰিবলৈ গান্ধীয়ে কি চৰ্ত দিয়ে বুজাই ক'বলগীয়া হ'ল। কংগ্ৰেছে খাজনা দিয়া বন্ধ কৰিবলৈ হুকুম দিলেই যেন স্বৰাজ হব, এনে এটা ভাব ৰাইজৰ মাজত অত্যন্ত চিন্তান্বিত হ'লোঁ।

সমূহীয়া সত্যাগ্ৰহ, খাজনা বন্ধ কৰাৰ তাৎপৰ্য নুবুজাকৈ এইবোৰ আলোচনা কৰাটো দায়িত্ববিহীনতাৰ কাম বুলি বোধ হ'ল। উভতি পাওঁতে গধূলি হ'ল।

* * *

কংগ্ৰেছ অফিচত আমি কেইজনমান বহি আছোঁ—এনেতে ৰাতি ন মান বজাত এজন মানুহে ভুমুকি মাৰিলেহি। তেওঁ মোৰ লগত কথা হবলৈ বিচাৰে। দক্ষ আৰু থুলেশ্বৰ আঁতৰি গ'ল। তেওঁ ক'লে, "হুজুৰ, মই হিন্দুস্থানৰ মানুহ। মোৰ দিল আপোনালোকৰ লগত। মই বৰ চাহাবৰ বেহাৰা কাম কৰিবলগীয়া হৈছে। বৰ চাহাবৰ ওচৰলৈ গৈ কোনে কি কথা লগায় সকলো মই শুনি থাকোঁ। মোৰ খং উঠিছে। দুজনমানে আগৰৱালাৰ পকী ঘৰত আপোনালোকৰ লগত একেলগে চাহ খায় আৰু বৰচাহাবৰ ওচৰত আপোনালোকক গ্ৰেপ্তাৰ কৰিবলৈ কয়। আনকি আগৰৱালাৰ বুঢ়া দেউতাকো (৺পৰমানন্দ আগৰৱালা) ধৰিবলৈ বৰ চাহাবক কয়গৈ। এইবিলাক মানুহৰ পৰা সাৱধান হব বুলি ক'বলৈকে আহিছো।" তেওঁক বুজাই ক'লোঁ, "গ্ৰেপ্তাৰ কৰিলে কৰিব, তাৰ বাবে কি কথা আছে!" "নহয়, হুজুৰ আমাৰ দেশৰ এই কুলাঙ্গাৰবিলাকক আমি নিৰ্মূল কৰিব লাগিব, তাকেহে ক'বলৈ আহিছোঁ।" যি হওক মানুহজনক বুজালোঁ। তেওঁলোকে আমালৈ বিৰোধৰ ভাব ৰাখিলেও আমি তেওঁলোকলৈ হিংসাৰ ভাব ৰাখিব নালাগে। "যি হওক এই মানুহজনৰ আগত আপোনালোকে ভিতৰুৱা কথা একো নকব।" বুলি কৈ মানুহজন গুচি গ'ল।

* * *

বিহুগুৰি আৰু বাঁহৰাবীৰ পৰা ঘূৰি আহিলোঁ। আজি দহ তাৰিখ। আজিৰ মেইন জাহাজত গুৱাহাটীলৈ বুলি ৰাওনা হ'লোঁ।

*   *   *

এঘাৰ তাৰিখ—পুৱা গুৱাহাটী পালোঁহি। এই কেইদিনৰ ভিতৰতে আৰু বহুতো মানুহক গ্রেপ্তাৰ কৰাৰ খবৰ পোৱা হ'ল। শ্রীযুত আনন্দ চন্দ্ৰ আগৰৱালা পুলিচ চাহাব হৈ বৰ জেদত লাগিছে বুলি ঘৰে ঘৰে তেওঁৰ সমালোচনা হব ধৰিছে। তেওঁৰ কবিতাই যে সকতে আমাৰ মনলৈ স্বদেশপ্ৰেমৰ ভাব জগাইছে বুলি সোঁৱৰাই দিবলৈ যাম বুলি ভাবিছোঁ।

ফুকন আৰু বৰদলৈৰ বিচাৰ চাবলৈ জেইলৰ ফালে ওলালোঁ। জেইলৰ সমুখলৈ যাবলৈ নিদিলে। বাটত মানুহৰ হেঁচা-ঠেলা। পুলিচ যাবলৈ দিয়া নাই। প্ৰায় এক বজামানত খবৰ পোৱা হ'ল ফুকনৰ এ বছৰ বিনাশ্রমৰ কাৰাদণ্ড আৰু বৰদলৈৰ বিচাৰ আৰম্ভ হোৱা বুলি। বৰদলৈক ১৭ (২) ধাৰামতে ডেৰ বছৰৰ সশ্রম কাৰাদণ্ড দিয়া বুলি খবৰ ওলাল। বেজাৰ মনেৰে উভতিলোঁ। কালিপ্রসাদে ক'লে তেওঁকো আৰু দুই-এদিনতে গ্রেপ্তাৰ কৰিব। প্রাদেশিক কংগ্রেছৰ নেতৃত্ব কোনে লয় তাকে আলোচনা কৰাত লাগিলোঁ। শ্রীগোপীনাথ বৰদলৈক নাপালোঁ। তেওঁ দক্ষিণপাৰৰ গাঁওবিলাকলৈ গৈছে।

*   *   *

বাৰ তাৰিখ— পুৱা শ্রীকুমুদ চন্দ্ৰ গোস্বামীৰ ঘৰলৈ গৈ পৰিস্থিতি সম্পৰ্কে আলোচনা কৰি আছোঁ—এনেতে নাপিত এজন আহিল। তেওঁৰ ডাঢ়ি খুৰোৱা হ'লত ময়ো বহিলোঁ মূৰৰ চুলি খুৰাবলৈ। তেওঁ হাক দিলে—"মূৰ খুৰায় কিয় ?" মোৰ উত্তৰ হ'ল, "মহাত্মা গান্ধীৰ ত্ৰিচিনপল্লীৰ বক্তৃতাৰ পিছত লক্ষ্মীধৰ আৰু মই আঠুমূৰীয়া চুৰীয়া লৈছোঁ আৰু আজি ফুকনকে আদি কৰি নেতৃস্থানীয় লোকসকলৰ কাৰাদণ্ডৰ পিছত চুলি খুৰাবলৈ সঙ্কল্প লৈছো।" মহাত্মাই তেজপুৰত সেৱকসকলক কোৱা কথাষাৰ কলোঁ।

আবেলিৰ জাহাজত তেজপুৰলৈ ৰাওনা হলোঁ। ৰাতি দুই বজামানত শিঙৰী-ঘাট পোৱাত জাহাজত হুলস্থুল হোৱাত সাৰ পাই উঠিলোঁ। চাওঁ, ঢেঁকীয়াজুলীৰ পৰা শ্রীৰুদ্ৰ শৰ্মা আৰু শ্রীনিত্যানন্দ শৰ্মাক গ্রেপ্তাৰ কৰি আনিছে। তেওঁলোকৰ লগতে বহি কথা পাতি পুৱা আঠ বজাত তেজপুৰ-ঘাট পালোঁহি। ফ্লাটত পুলিচ চাহাব ক্ৰেছ আৰু বহুতো চিপাহীৰে সৈতে দাৰোগাইঁত বৈ আছিল। বুজিলোঁ ঢেঁকীয়াজুলীৰপৰা অনা ৰুদ্ৰ শৰ্মাইঁতক নিবলৈ আহিছে। যি হওক ছিৰি পেলোৱাত মোক সকলোৱে বাট এৰি দিলে। মোক দেখি ক্ৰেছ চাহাব হঠাতে লৰি আঁতৰ

হৈ গ'ল। পাৰ পাই তেওঁ মটৰত উঠি গুচি গ'ল। ক্রেছ চাহাবে কিয় এনে ব্যৱহাৰ কৰিলে বুজি নাপালোঁ। যি হওক বন্দী দুজন রুদ্র শৰ্মা আৰু নিত্যানন্দক পুলিচে বেৰি ধৰিলে আৰু আমিও তেওঁলোকৰ পাছে পাছে গৈ জেইলৰ দুৱাৰমুখত থৈ আহিলোঁ।

* * *

তেৰ তাৰিখ— তেজপুৰ কংগ্রেছ অফিচত বহি আলোচনা কৰিছোঁ গাভৰুৰ সিপাৰৰ এই বিৰাট অঞ্চলটোত কেনেকৈ কাম কৰা যায়? রুদ্র শৰ্মাই এই অঞ্চলত সংগঠনৰ কাম ভালকৈ কৰি আছিল। এতিয়া সেই ঠাইত কোনে চম্ভালিব? আমাৰ এয়ে প্রশ্ন হ'ল। কছাৰী সমাজত ডেকা আৰু বুঢ়াসকলৰ মাজত এটা সঙ্ঘৰ্ষ আহিব ধৰিছে। ডেকাসকলে মদ, কুকুৰা, গাহৰি এৰুৱাবলৈ যত্ন কৰিছে। সমাজ-সংস্কাৰ কৰিবলৈ যত্ন কৰাটো বেয়া হোৱা নাই, কিন্তু তেওঁলোকে গাঁৱে গাঁৱে সোমাই গাহৰি, কুকুৰা বলেৰে মাৰি পেলাব ধৰিছে। এই কথাষাৰ লৈ কিছুমানে কংগ্রেছলৈ দৰ্খাস্ত দিছেহি। কংগ্রেছৰ ভলণ্টিয়াৰসকলে গাহৰি, কুকুৰা বলেৰে মাৰি পেলাইছে। আৰু ইয়াৰে সুবিধা লৈ কংগ্রেছৰ ভলণ্টিয়াৰসকলৰ বিৰুদ্ধে আদালতলৈ দৰ্খাস্ত দিব লাগে বুলি কিছুমানে উদগাই আছে। কছাৰী-লৈকে সিদিনা দৰ্খাস্ত দিবলৈ মানুহ কিছুমানক লৈ আহিছিল বুলি শ্ৰীযুত নগেন গাঙ্গুলীয়ে মোক কৈছে। যি হওক তেওঁলোকে বুজাই বৰাই ওভোতাই পঠালে। সেইবাবে কছাৰী গাঁওবিলাকত এই সম্পৰ্কে ভালকৈ বুজোৱাৰ প্রয়োজন। এইটো ঠিক যে অসহযোগ আন্দোলনৰ ফলত সকলোৰে এটা আত্মা শুদ্ধিৰ ভাব আহিব ধৰিছে। অসহযোগ আন্দোলনত আমি মদ এৰিবলৈ কৈছোঁ সঁচা কিন্তু আমিতো গাহৰি এৰিবলৈ কোৱা নাই আৰু কুকুৰাতো আমাৰ বহুতেই খায়। কছাৰী ডেকা-সকলৰ আন্দোলনৰ মাজত আমি নোসোমোৱাটো স্থিৰ কৰিছোঁ। অৱশ্যে আমাৰ কৰ্মীসকলৰ ভিতৰত কিছুমানৰ ভাব কছাৰীসকলৰ শৰণ দি মহাপুৰুষীয়া সমাজত সুমুৱা। কিন্তু আমাৰ আন্দোলন সম্পূৰ্ণতে ৰাজনৈতিক। এই আন্দোলনত ধৰ্মান্তৰ কৰাৰ কথাতো নাই। সেইবাবে আমি আনুষ্ঠানিকভাৱে নহ'লেও নিজৰ ভিতৰত আলোচনা কৰিছোঁ। বৰগাওঁ অঞ্চলৰ কছাৰী গাঁওবিলাকত এই কথাষাৰ লৈ ডেকাদলৰ লগত বুঢ়াসকলৰ মনোমালিন্য হৈ থকাত আমি মণিৰামহঁতৰ (৺মণিৰাম বড়ো—১৯৪২ চনত ঢেঁকীয়াজুলী থানাৰ সমুখত গুলি চলোৱা ঘটনাত ২০ চেপ্টেম্বৰ তাৰিখে শ্বহীদ হৈছিল) লগত আলোচনা কৰিছিলোঁ। অসহযোগ আন্দোলনত বল প্রয়োগৰ কথা একো থাকিব নোৱাৰে। কিন্তু ডেকাসকলে এইদৰে উত্তৰ দিলে— "গাহৰি পোহাৰ কাৰণে বাৰীত একো শাক-পাচলি ৰব নোৱাৰে। গাহৰিয়ে যে

আমাৰ কিমান অনিষ্ট কৰে। গাহৰি পোহাৰ কাৰণে অসমীয়াই আমাক ঘিণ কৰে, অসমীয়াৰ নাম-ঘৰতো সোমাবলৈ নিদিয়ে। ইফালে খেতি-বাতিৰ ফালৰ পৰাও আমাৰ হানি হয়।”

গোৱালপাৰাত আমি শুনিবলৈ পাওঁ যে আমাৰ কিছুমানে গাহৰি, কুকুৰা মদ এৰি দি ব্ৰহ্ম হৈছে। আমাৰ মানুহবিলাককো আমি একৰাও বুলি লাগিছোঁ। আমাৰ উত্তৰ “ভাল কথা একৰা। কিন্তু গান্ধীৰ নাম লৈ গাহৰি, কুকুৰাবোৰ নামাৰিবা। কংগ্ৰেছৰো নাম নলবা। কছাৰী সমাজৰ পৰা তোমালোকে সমাজ-সংস্কাৰ সম্পৰ্কে যি সিদ্ধান্ত লোৱা লবা। কিন্তু গান্ধী আৰু কংগ্ৰেছৰ নাম লৈ গাঁৱৰ গাহৰি, কুকুৰা মাৰি নেপেলাবা।”

তথাপি এই আন্দোলনটো ভিতৰি ভিতৰি চলি থকা খবৰ পাইছোঁ। সমুখত এটা ৰাজনৈতিক আন্দোলন আৰু এই আন্দোলনত আমাৰ বহুতেই কাৰাবৰণ কৰিবলগীয়া হব, এনে অৱস্থাত গাঁৱলীয়া সমাজৰ মাজত ঘৰুৱা যুঁজ এখন চলি থকাটো ভাল কথা নহব বুলি ভাবি কছাৰী সমাজৰ এই সমস্যা কেনেকৈ অহিংসভাৱে সমাধান কৰিব পাৰি তাকে ভাবিছোঁ। এতিয়া শ্ৰীযুত ৰুদ্ৰ শৰ্মাৰ অবিহনে এই অঞ্চলত কেনেকৈ কাম চলাব পৰা হব এয়ে প্ৰশ্ন হ'ল। যি হওক দক্ষৰাম বৰুৱাক (৺দক্ষৰাম বৰুৱা—তেজপুৰ হাইস্কুলৰ পৰা প্ৰথম বিভাগত কেইবাটাও বিষয়ত লেটাৰ পাই মেট্ৰিকুলেচন পৰীক্ষাত উত্তীৰ্ণ হৈছিল। বিশ টকীয়া বৃত্তিও পাইছিল। কিন্তু অসহযোগত কলেজ এৰি দি তেজপুৰত আন্দোলনত কাম কৰি ছ-মাহৰ কাৰাদণ্ড খায়। পিছত ১৯২৪ চনৰ পৰা নিউপ্ৰেছত মেনেজাৰৰ কাম সুখ্যাতিৰে কৰিছিল) তালৈ পঠোৱা স্থিৰ কৰা হ'ল। ৰুদ্ৰ শৰ্মা আৰু নিত্যানন্দ শৰ্মাক থানালৈ অনাৰ কথা আছিল আৰু থুলেশ্বৰে থানাত খবৰ কৰি আছিল। কিন্তু পোৱা হ'ল যে তেওঁলোকক থানালৈ নানি পোনে পোনেই জেইললৈ নিয়া হ'ল আৰু জেইলৰ গেটত থুলেশ্বৰইঁতে তেওঁলোকৰ খবৰ লৈ আহিল।

* * *

আজি জাহাজঘাটত ক্ৰেচ চাহাবৰ ব্যৱহাৰৰ (অৰ্থাৎ উচপ খাই লৰি অহা) কাৰণ পিছত জানিব পৰা হ'ল। থানালৈ আহি হেনো তেওঁ ক'লে, “Omeo babu has become a political fanatic. He is determined to drive us.” চুলি-মুৰ থুৱোৱাত তেওঁ আচৰিত হৈ লৰি আঁতৰিল।

চৈধ্য ডিচেম্বৰ—বাতৰি কাকতত কেৱল গ্ৰেপ্তাৰৰ বাতৰি। সকলো প্ৰদেশতেই হুলস্থুল। ডাঙৰ ডাঙৰ নেতাসকলক গ্ৰেপ্তাৰ কৰি আছে। মহাত্মাই লাহোৰত পঞ্জাৱ প্ৰাদেশিক কংগ্ৰেছ বহি থাকোতে লালা লাজপত ৰায়কে আদি কৰি সকলো

নেতাক গ্ৰেপ্তাৰ কৰাত "Lopping off the tall popios" শিৰোনামা দি এটি টোকা ইয়ং ইণ্ডিয়াত প্ৰকাশ কৰিছে। প্ৰিন্স অব ৱেলছৰ ভ্ৰমণ তালিকাত যিবোৰ নগৰ সুমুৱা হৈছে, সেইবোৰ নগৰতেই বয়কটৰ প্ৰস্তাৱ কাৰ্যত কৰিবলৈ কংগ্ৰেছ কৰ্মীসকল লাগিছে আৰু ইয়াৰ থানাত কৰ্তৃপক্ষই ১৭ ধাৰাৰ প্ৰয়োগ কৰি গ্ৰেপ্তাৰ কৰাত লাগিছে। এইবাবে সমগ্ৰ দেশত এটা উত্তেজনাৰ সৃষ্টি হৈছে। কিছুমান ঠাইত চৰকাৰী চাকৰিয়ালে চাকৰি এৰি দিয়াৰ বাতৰিও ওলাইছে। দেশভক্ত ফুকনৰ কাৰাদণ্ডৰ পিছত তেওঁৰ ককাইদেৱেক শ্ৰীযুত নবীন ৰাম ফুকন ছিৰস্তদাৰৰ কাম এৰি দিলে। তেখেতৰ দৰে এজনা খ্যাতনামা লোকে ছিৰস্তদাৰৰ পদ এৰি দিয়াত গোটেই জিলাখনৰ লোকৰ ওপৰত এটা প্ৰভাৱ পেলাইছে। কছাৰীঘৰত চাকৰিয়ালসকলৰ মনত শান্তি নাই। সকলোৰে মনত এটা ভাৱ কোনে কাম এৰে। আমাৰ মনলৈকো এটা ভাৱ হব ধৰিছে যে চৰকাৰী চাকৰিয়াল-সকলে চাকৰি এৰিলে স্বৰাজ হোৱাত কোনেও বাধা দিব নোৱাৰে। এইবাবে মানুহৰ মনলৈ উৎসাহ দুগুণ হব ধৰিছে। চাৰিওফালৰ পৰা মিটিঙৰ বাতৰি আহি আছে। কৰাচীৰ প্ৰস্তাৱ কামত প্ৰয়োগ কৰিবলৈ গাঁৱলীয়া ৰাইজেও দুগুণ উৎসাহেৰে লাগিছে।

* * *

দক্ষ বকৰাক ঢেঁকীয়াজুলীলৈ পঠোৱাৰ পিছত, জিলা অফিচৰ দায়িত্ব লব পৰাটো এটা সমস্যা হব ধৰিছে। সকলোৰে মনত এটা ভাব হৈছে বাহিৰত থকাতকৈ জেইলত সোমোৱাটোৱেই ভাল। গুণাভি শৰ্মাক চন্দ্ৰ শৰ্মাৰ সেৱা শুশ্ৰূষাৰ বাবে পঠোৱা হৈছিল। জগন্নাথ গোস্বামী আগতে আছিল। তেওঁ অহাত গুণাভিক পঠোৱা হৈছিল। কিন্তু নবীয়া-পাটীৰ পৰা দেশৰ পৰিস্থিতি লক্ষ্য কৰি থাকি চন্দ্ৰ শৰ্মাই গুণাভিক পঠাই দিলে—"যোৱা, মোৰ লগত লাগি থকাতকৈ তেজপুৰত গৈ কাম কৰাগৈ।" এইবাবে গুণাভি আহি তেজপুৰ পালেহি। ময়ো উশাহ লব পৰা হ'লো।

* * *

"আজি এটা বৰ বেয়া বাতৰি পোৱা গ'ল। কিছুমান বঙালী ভদ্ৰলোকে পৰোৱা বাগানত হেনো মিটিং পাতি গৱৰ্ণমেণ্টক জনালে যে অসমীয়াই চাকৰি এৰি দিলে তেওঁলোকে চাকৰিয়াল যোগাবলৈ দিহা কৰিব।" কথাষাৰ শুনিবৰে পৰা মনটো বৰ বেয়া লাগি আছে। বঙালীসকলৰ স্বদেশী আন্দোলনতেই আমি জাতীয়তা ভাবৰ প্ৰেৰণা পালোঁ। সেই সময়ত তেওঁলোকে মিটিং আদিত অসম সম্পৰ্কে কটু মন্তব্য কৰিলেও আমি ভ্ৰূক্ষেপ নকৰি নিৰ্দ্বিধাই সমদলত যোগ দিছিলোঁ।

চন্দ্ৰ শৰ্মায়ো এই মিটিংবিলাকত যোগ দিছিল। সেইবাবে এনে এটা বাতৰি শুনি মনটো বৰ বেয়া লাগিল। কেইবাজনো বঙালী বন্ধুক এই সম্পৰ্কে শুধিলোঁ। এখন কিবা মিটিং হৈছিল হেনো। কিন্তু কথাষাৰ ভাঠি অস্বীকাৰ, নকৰিলে।

মনলৈ বহুতো প্ৰশ্ন আহিবলৈ ধৰিলে। ভাৰতীয় কংগ্ৰেছৰ জন্মদাতা সুৰেন্দ্ৰ নাথ বানাৰ্জী, বঙ্গদেশৰ ডেকাদলক জগাই তোলা অৰবিন্দ ঘোষ আৰু বিপিন চন্দ্ৰ পালৰ কথা সত্যেন কানাই ক্ষুদিৰামহঁতে কেনেকৈ আলিপুৰ জেইলত ফাঁচ জৰিডালক চুমা খাই ডিঙিত সুমুৱাই লৈছিল। এই বিলাকেইতো আমাক প্ৰেৰণা আনি দিছিল। তেজপুৰৰ যিসকল বঙালী নাম লৈ থকা লোকে এনে কথাত অংশ ল'লে তেওঁলোক নিশ্চয় বঙ্গ মাতৃৰ সন্তান নহয়।

* * *

পোন্ধৰ ডিচেম্বৰ—পুৱাতে খবৰ পোৱা হ'ল বালীপাৰা ৰমা শৰ্মাক গ্ৰেপ্তাৰ কৰি কোৱাৰ্টাৰ গাৰ্ডত সুমুৱাই থোৱা হৈছে। চাৰিদুৱাৰৰ পলিটিকেল এলাকা। একো আইন কানুন নাই—এতিয়া তেওঁৰ ওপৰত কি শাস্তি বিধান হয়! সিদিনা মহাত্মা আহোতে পলোফিল্ডৰ মিটিঙত পলিটিকেল অফিচাৰ লেভিল চাহাৱে ছিগাৰেট হুপি থকাত মানুহৰ আপত্তি হোৱাত তেওঁৰ মুখৰ পৰা ছিগাৰেট পেলোৱা হৈছিল। যি হওক, আজি তেওঁ কি কৰে? সোনকালে বালীপাৰালৈ ৰাওনা হৈ ওলাবলগীয়া হ'ল আৰু কমাৰীগাঁৱৰ নামঘৰত বহি খবৰ ল'বলৈ দিহা কৰিলোঁ। এই অঞ্চলৰ গাঁৱলীয়া মানুহৰ চাৰিদুৱাৰলৈ অহা-যোৱা আছেই। সেইবাবে তেওঁলোকে সকলো আনি থাকিব পাৰিব। ৰমাও এই গাঁৱত সজা কেম্পতেই আছিল; পিছে চেঙেলীমৰাৰ পৰা শুকান আহি ওলাল। (শুকান কোঁচ এই অঞ্চলৰ এজন কৰ্মী আছিল। এতিয়া স্বৰ্গী। তেওঁ কেইবাবাৰো জেইল খাটিছিল। এবাৰ তেওঁ অশ্বমেধ যজ্ঞৰ দৰে ছয়জন সেৱাদলৰ সেৱকৰে সৈতে ঘোঁৰা এটা কছাৰী ঘৰত উপস্থিত হোৱাত গ্ৰেপ্তাৰ কৰিছিল। ঘোঁৰাৰ পিঠিত এখন জাননী আঁৰি দিছিল। তেওঁ সত্যাগ্ৰহৰ এটা নতুন উপায় উলিয়াই কাৰাবৰণ কৰিছিল। তেওঁ নিজৰ চিনাকি দিছিল বাণ ৰজাৰ বংশৰ) চেঙেলীমৰীয়া ৰাইজে গান্ধীৰ কথা শুনিবলৈ সভা এখন পাতিছে—আহিব লাগে। এই গাঁওখন পলিটিকেল অঞ্চলত আৰু এইবাবে ৰমা শৰ্মা শুকানৰ লগত নেভিল চাহাবৰ বঙলাৰ আগেদি গৈ আছিল। ৰমাৰ মূৰত গান্ধী টুপী চাহাবে দেখা পাই মতাই নিয়ালে আৰু চেঙেলীমৰালৈ যোৱা বুলি শুনি গৰ্জি হুকুম দিলে—Put him into quarter guard. ৰমা বৰ ৰং মনেৰে আছে বুলি গাঁৱলীয়া মানুহে খবৰ লৈ আহিছে। পহৰাৰ লগত কথা

পাতি কৰাটো প্ৰস্তাৱৰ কথাও বুজাবলৈ যত্ন কৰি আছে। যি হওক ৰাতিটো বালী-পাৰাত থাকি তেজপুৰলৈ উভতিলোঁ।

* * *

তেজপুৰলৈ আহিয়েই খবৰ পোৱা হ'ল যে ঢেঁকীয়াজুলীতো দক্ষ বকল্লাই ভলণ্টিয়াৰ দল গঠন কৰিবলৈ হেনো এখন মিটিং পাতিবলৈ দিহা কৰিছে। মোৰ পৰামৰ্শ আছিল—কাম কৰি থাকাগৈ, গ্ৰেপ্তাৰ হ'লে হবা। কিন্তু মিটিং পাতি ভলণ্টিয়াৰত দলটো গঠন কৰিলোঁ বুলি গ্ৰেপ্তাৰ হবৰ একো প্ৰয়োজন নাই। ভাৰতৰ ৰাজনৈতিক অৱস্থা বৰ সংকটজনক হৈ পৰিছে। এফালে জনতাৰ অপূৰ্ব উৎসাহ, এই উৎসাহ নিয়ন্ত্ৰণ কৰি চলোৱাটোৱেই ডাঙৰ কথা। ৰাইজৰ এটা ভাব আহিব ধৰিছে যে এইবেলি খাজনা বন্ধ কৰিব। অথচ খাজনা বন্ধ কৰিবলৈ হ'লে যি সংগঠন আৰু যি ত্যাগৰ প্ৰয়োজন, সেইখিনি হোৱা নাই। মহাত্মা গান্ধীৰ কথাবিলাক আমি যিদৰে বুজি আছোঁ তাৰ পৰা মনলৈ আহিছে যে বিশৃঙ্খল অৱস্থা মহাত্মাৰ আন্দোলনৰ অন্তৰায় হব। বৰ চিন্তিত হৈ ঢেঁকীয়া-জুলীলৈ ওলালোঁ।

* * *

সোতৰ তাৰিখ— মই আহি পোৱাৰ আগতেই মিটিং হৈ গ'ল। এই অঞ্চলত মানুহে পুৱাতে খাই-বৈ মিটিঙলৈ ওলায় আৰু বাৰ বজাৰ লগে লগে মিটিং কৰি দিহা দিহি গুচি যায়। যি হওক মানুহ কিছুমানক পোৱা হ'ল। কংগ্ৰেছ কেম্পত আলি দাৰোগাও বহি আছিল। এই আন্দোলনটো কেনেকৈ নিয়ন্ত্ৰিত ভাৱে চলাব লাগিব, এফালে শৃঙ্খলা ৰক্ষা কৰাটো আৰু আনফালে সংগঠন শক্তি-শালী কৰাৰ প্ৰয়োজনীয়তা সকলো বুজাই কোৱা হ'ল। আলি দাৰোগাই ক'লে, "মই আপোনাৰ বক্তৃতাৰ কথাও ৰিপোৰ্ট দিম— আচল মিটিংখন শেষ হ'লেও কিছু মানুহ আছে।" "দিব দিব নিশ্চয় দিব—আপুনি আপোনাৰ কৰ্ত্তব্যত ত্ৰুটি নকৰিব।"

ঢেঁকীয়াজুলী অঞ্চলত এতিয়া আমাৰ কেইবাটাও কেম্প হৈছে— নাৰায়ণপুৰ, ভুমভুমা, বোমাৰী।

* * *

ওঠৰ তাৰিখ— বিশ্বনাথলৈ ৰাওনা হবলগীয়া হ'ল। জাহাজেৰে আহিলোঁ। চাৰিআলিৰ কেম্পলৈকে আহিলোঁ। লক্ষ্মীধৰ গ্ৰেপ্তাৰৰ পিছত তেওঁলোকৰ ঘৰত সকলোৰে মনত এটা ভাব—কেনেকৈ জেইলৰ দুখ সহ্য কৰিব? তথাপি বেছ ভালৰে আছে। লক্ষ্মীধৰৰ মাকেও বং মনেৰেই কথা হ'ল। কবলৈ গ'লে,তেওঁৰ তিনিটা ল'ৰাই এই আন্দোলনত লাগিছে— ডাক্তৰ ভুমিধৰ, লক্ষ্মীধৰ, গুণাভি। ডাক্তৰ

ভূমিধৰ চাবালীৰ কেম্পতেই হাজৰিকাৰ লগত আছে। তেওঁলোকৰ সম্পৰ্কীয় কিছুমান মুখিয়াল লোকে এই আন্দোলনটো ভাল পোৱা নাই। শুনিবে পৰা তেওঁলোকৰ তৰ্ক আছিল লক্ষ্মীধৰৰ লগত। যি হওক এই অঞ্চলৰ গাঁওবিলাকত ফুৰিবলৈ দিহা হ'ল।

কিছুমান গাঁৱত সূতা কটা কাম কিছু হৈছে। কিন্তু খাদী উৎপাদন সম্পৰ্কে আগ বঢ়াটো উচিত আছিল। সেইদৰে ক'তো হোৱা যেন নালাগিল। সক সক ল'ৰা-ছোৱালীবিলাকে সূতা কটা শিকা যঁতৰবিলাক সূতা কটাৰ বাবে কিছু উপযোগী হ'ল কিন্তু যি সামান্য উৎপাদন হয়, তাৰে এখন চুৰীয়া নাইবা ছোলাৰ কাপোৰৰ জোখাই নহয়। সিদিনা প্ৰাদেশিক কংগ্ৰেছৰ মিটিঙত শ্ৰীযমুনা লাল বাজাজে অসমত খাদী উৎপাদনৰ বাবে এক লাখ টকা দিয়াৰ কথা ওলাইছিল। এইবাবে শ্ৰীফুকনৰ ওপৰত মিকিৰ পাহাৰত কপাহ কিনি কপাহ যোগাবলৈ দায়িত্ব দিয়া হৈছে। এতিয়া এই কামটো কেনেকৈ শৃঙ্খলাৰে কৰিব পাৰি। এই বিষয়ত অসমে সন্তুষ্ট হব পৰাকৈ কাম কৰিব পৰা নাই—তাকে মনলৈ আহে। হেম হাজৰিকা আৰু ডাক্তৰ ভূমিধৰৰ লগত কেইবাখনো গাঁৱত মিটিং পাতি খাদী উৎপাদন আৰু প্ৰত্যেক অঞ্চল এই বিষয়ে স্বাৱলম্বী হোৱাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজাই কোৱা হ'ল। কিছুমান গাঁৱত শিপিনীয়ে বাঁচৰ কথাও ক'লে, "হাতে কটা সূতাৰ কাপোৰ বব পৰাকৈ আমাৰ বাঁচ নাই। বাঁচ দিব লাগিব"— তেওঁলোকে লগতে ক'লে যে মঙ্গলদৈৰ ছিপাঝাৰ অঞ্চলত বাঁচ তৈয়াৰ কৰা মানুহ আছে। তালৈ খবৰ পঠালেই হব। যি হওক এই সম্পৰ্কে যথাবিহিত ব্যৱস্থা লোৱা হব বুলি আশ্বাস দিয়া হ'ল।

এইদৰে এই অঞ্চলত এই কেইদিন ফুৰি আজি ২১ তাৰিখে গধূলি তেজপুৰ পালোঁহি। দেখো, ঘাটত শ্ৰীকুমুদ শৰ্মা বৈ আছেহি। মই নমা মাত্ৰে তেওঁ ক'লে, "দাদা, আপুনি আহ্‌মদাবাদ কংগ্ৰেছলৈ যাব লাগিব। সকলো ঠিক হৈ আছে।" কি কোৱাহে—যাবলৈ খৰচ ক'ত হব? তিলক স্বৰাজ ফাণ্ডৰ পৰাটো এই খৰচ কৰিব নোৱাৰি। খৰচ ক'ত পাম।" "আপুনি ভাবিব নালাগে .... বজাৰত আপোনাৰ অহা-যোৱা খৰচ ২০০ টকা তুলিছেই। এতিয়া আপুনি ওলাব লাগে মাথোন।"

তেওঁৰ লগত নামি আহিলোঁ। তেজপুৰত সকলোৰে মনত এটা ভাব যে এইবেলি আহমদাবাদত কংগ্ৰেছ বহিবলৈকে দিয়া নহব। চাৰিওফালে যিদৰে গ্ৰেপ্তাৰ চলি আছে তালৈ চাই সেইদৰেই মনলৈ ভাব হয়। আহ্‌মদাবাদ কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হৈছিল দেশবন্ধু চিত্তৰঞ্জন দাস। তেওঁক গ্ৰেপ্তাৰ কৰাৰ বাতৰি আহিছে। তেওঁৰ সৈণীয়েক শ্ৰীমতী বাসন্তী দেৱী, ভনীয়েক উৰ্মিলা দেৱী, পুতেক

চিত্তৰঞ্জন—সকলো গ্ৰেপ্তাৰ হৈছে। বঙ্গদেশৰ বহুতো লোক জেইলত বন্দী। খিলাফত আৰু কংগ্ৰেছৰ স্বেচ্ছাসেৱক বাহিনী বে-আইনী বুলি ঘোষণা কৰা হৈছে। চাওঁ যে তেজপুৰৰ পৰা এটা ডাঙৰ দল কংগ্ৰেছলৈ বুলি ওলাইছে। শ্ৰীযুত পৰমানন্দ আগৰৱালা, শ্ৰীজ্যোতিপ্ৰসাদ, শ্ৰীযুত চন্দ্ৰনাথ শৰ্মা, উকিল (কলিবাৰীৰ), মৌলবী আবুল হুচেইন, শ্ৰীযুত বসন্ত কুমাৰ দাস সকলোৱে ধৰিলে—"হেৰা, তুমি নহ'লে আমি কি উৰাদিহ পাম, ওলোৱা।" যি হওক ইতিমধ্যে টকা লৈ শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা ওলালহি। ময়ো ঘৰলৈ গৈ দেখা কৰিলোঁ। মোৰ বাবে মাৰ বেজাৰ আৰু চিন্তা হ'লেও একো নক'লে। মাৰ সদায় চিন্তা, মই যেন কিবা বিপদত পৰোঁ! মনত তেনে আশঙ্কা থাকিলেও মুখেৰে কুশল হওক বুলি আশীৰ্বাদ দিলে।

* * *

জ'হাজ এৰিলে। জাহাজৰ মুদী বিহাৰৰ মানুহ। গান্ধী আৰু কংগ্ৰেছত তেওঁৰ বৰ আস্থা। তেওঁ হিন্দীত প্ৰচাৰিত হোৱা বহুতো জাতীয় গীতৰ কিতাপ আনি লৈছে আৰু গীত গোৱা অভ্যাস কৰিছে। যঁতৰো আনি সূতা কাটিবলৈ শিকি লৈছে। তেওঁ জাহাজত সূতা কাটি স্বৰাজৰ গীত গায় আৰু মুদীৰ দোকান-খনো চলায়। কবলৈ গ'লে তেওঁ আমাৰ এজনা প্ৰচাৰকৰ দৰে হৈছে। জাহাজত যোৱা যাত্ৰীসকলেও তেওঁৰ এই উৎসাহ দেখি প্ৰেৰণা পায়। জাহাজ এৰা মাত্ৰে তেওঁ গীতত লাগিল, জ্যোতিও তেওঁৰ লগ হোৱাত গোটেই জাহাজখন স্বৰাজ সঙ্গীতৰ ধ্বনিত মুখৰিত হ'ল। পুহ মাহ। জাহাজ ভটিয়াই যাব ধৰিছে। ব্ৰহ্মপুত্ৰৰ গতিত অস্থিৰতা নহ'লেও, সঙ্গীতে আমাৰ সকলোৰে মন অস্থিৰ কৰি তুলিলে। জাহাজখনতেই যেন স্বৰাজৰ তীৰ্থলৈ যাবলৈ ওলাইছোঁ এনে এটা ভাব আনিলে।

বাইশ তাৰিখ— গুৱাহাটী পাওতে পলম হ'ল। পুৱতী নিশা খাৰুপেটীয়া-ঘাট পাৰ হৈ অহাৰ পিছত হেনো কুঁৱলিয়ে ছাটি ধৰিলে। কুঁৱলিত কোনফালে বাম, কোনফালে দ একো গম নাপাই ছাৰেঙে জাহাজ বান্ধিলে। ৰাতি দহ বজাত কুঁৱলি মুকলি হোৱাত জাহাজ এৰি বাৰ বজাত উজান বজাৰৰ ঘাট চপালে। ইয়াত মোৰ প্ৰধান কাম হৈছে প্ৰতিনিধিৰ ছাৰ্টিফিকেট কাকতবিলাক প্ৰাদেশিক অফিচৰ পৰা দিহা কৰি লোৱা। কথা হ'ল লগৰীয়াসকল পোনে পোনেই আমিনগাঁৱলৈ গৈ ট্ৰেইনত উঠিব আৰু মই প্ৰাদেশিক অফিচৰ পৰা ছাৰ্টিফিকেট কাকতবিলাক লৈ চাৰে বাৰ বজাৰ ট্ৰেইন ধৰি পাণ্ডুঘাটৰ ফেৰীৰে পাৰ হৈ আমিনগাঁৱত তেওঁলোকৰ লগ হম।

* * *

যি হওক লৰালৰিকৈ উজানবজাৰলৈ গলোঁ। মোৰ প্ৰথম কথা হ'ল হেমবৰুৱাৰ ককাইদেউ শ্ৰীশ্ৰীধৰ বৰুৱাক লগ ধৰা। তেওঁ পুলিচৰ কোৰ্ট ইন্সপেক্টৰ হিচাপে কাম কৰি আছিল। কিন্তু সিদিনা হেমবৰুৱাক উমেশ

বৰদলৈ, কৃষ্ণ বৰুৱা, মহেন্দ্ৰ ফুকন, সুৰেশ ভট্টাচাৰ্যৰে সৈতে গ্ৰেপ্তাৰ কৰি সশ্ৰম কাৰাদণ্ড দিয়াত, তেওঁ পুলিচৰ ক্ৰচবেল্ট আদি দলিয়াই "জয় মহাত্মা গান্ধী জি কি জয়" বুলি কাম ইস্তফা দি ওলাল। এই মানুহজনক, মোৰ কৰ্তব্য হৈছে সেৱা জনোৱা। সেইবাবে তেওঁক লগ ধৰিলোঁ। তেওঁ মোক দেখা পাই আনন্দৰে চিঞৰি উঠিল—"হেৰা অমিয়, ওলালো তোমালোকৰ লগত।" এই মানুহজনৰ ত্যাগ আৰু সাহ দেখি তেওঁক মোৰ সশ্ৰদ্ধ নমস্কাৰ জনালোঁ। জীৱনৰ ভৱিষ্যতলৈ একো ভ্ৰূক্ষেপ নাই। দেশলৈ কৰ্তব্য সুঁৱৰি সকলো বিপদ মূৰ পাতি লবলৈ আগ বাঢ়ি ওলাইছে। পৰিয়ালো ডাঙৰ। তেওঁৰ ঘৰৰ পৰা ওলাই শ্ৰীশিশিৰ বৰুৱাক লগ ধৰিলোঁ। বৰ্তমানে তেৰেঁই প্ৰাদেশিকৰ দায়িত্ব লৈছে। তেওঁৰ ছাৰ্টিফিকেট দি ক'লে, "আপুনি train কেনেকৈ ধৰিব। ট্ৰেইন পোৱা টান। মোৰ বাই-ছিকলখন লৈ যাওক। ষ্টেশ্যনতেই কাৰোবাক দি যাব মই অনাই লোৱাম।"

লৰা-লৰিকৈ ৰেলৰে ষ্টেশ্যনলৈ ওলালোঁ। কিন্তু ষ্টেশ্যন পাওঁতেই ট্ৰেইনে এৰি দিলে। কি কৰোঁ ভাবিছোঁ, এনেতে টিকট চেকাৰে ক'লে, "আপুনি বাইছিকলেৰে গলে পাণ্ডুত ফেৰী ধৰিব পাৰিব। তাত ভালেখিনি ৰাখে।" যি হওক তেওঁৰ কথামতে পাণ্ডুলৈ বুলি ৰাওনা হলোঁ। কামাখ্যা পাৰ হলোঁ—এনেতে বাইছিকলৰ চেইন ছিঙিল। কি কৰোঁ উপায় নাই। চাওঁ শ্বিলঙৰ পৰা অহা গাড়ীবিলাকে মোৰ কাষেদি যাত্ৰী লৈ গৈ আছে। মোৰো উপায় নাই—লৰি যাব ধৰিছোঁ। বাইছিকল থবলৈকো ক'তো ঠাই নাই। লৰি যাব ধৰিলোঁ। লৰি লৰি গৈ পাণ্ডু ঘাট অৱশেষত পালোঁ। কিন্তু পাৰ পোৱা মাত্ৰে জাহাজ এৰিলে। তাত চেকাৰ কাম কৰা মাছখোৱাৰ আহমদক দেখি তেওঁক বাইছিকলখন শিশিৰক গতাই দিবলৈ কৈ এৰিবলগীয়া নাও এখনত জঁাপ মাৰি উঠিলোঁ আৰু এইদৰে পাৰ হলোঁ। চাওঁ জাহাজত মোক নেদেখি সকলো মোৰ বাবে চিন্তাত পৰিছিল। এতিয়া মোক দেখা পাই তেওঁলোক জানিবা আশ্বস্ত হ'ল।

* * *

আমি কলিকতা পালোঁহি। ৩ নম্বৰ হেৰিশ্যন ৰোডত থকা মেডিকেল কলেজৰ মেছটোলৈকে গলোঁ। শিয়ালদহ ষ্টেশ্যনৰ দাঁতিতে লগা। বংশী বৰুৱা, সুৰেন দত্ত, বত্ৰিশ গগৈ, ভূঞাইঁত ইয়াতেই থাকে। কলিকতাত চলি থকা হুলস্থূল-বিলাকৰ কথা শুনিলোঁ।

কালিয়েই হেনো কংগ্ৰেছৰ প্ৰতিনিধিসকলক লৈ এখন স্পেশ্যাল ট্ৰেইন গ'ল। যি হওক আহমদাবাদলৈ কোন বাটেদি যাব পৰা হব সেই সম্পৰ্কে বাতৰি কাকতত জনোৱা হৈছে। এটা বাট হৈছে বোম্বেলৈকে গৈ তাৰ পৰা আহমদাবাদলৈ যোৱা—বাট দীঘলীয়া আৰু খৰচো অলপ বেছি। আৰু এটা বাট হৈছে হাওৰা-দিল্লী এক্স-

প্ৰেছত টুণ্ডলা জংশনলৈ গৈ আগ্ৰাত নামি বিয়ানা বোলা ষ্টেশ্যন হৈ মিটাৰ গজেৰে যোৱা। শ্ৰীযুত চন্দ্ৰ নাথ শৰ্মা (কলিবাৰী) ছাত্ৰ অৱস্থাত আগ্ৰা, দিল্লী আদি ফুৰি অহা। তেওঁ এই বাটেদি যোৱাই ভাল বুলি কোৱাত সকলোৱে সমৰ্থন কৰিলে। শ্ৰীযুত গোপী বৰদলৈ, শ্ৰীযুত কামাখ্যা ৰাম বৰুৱা আৰু মৌলবী ৰাজিদ আলিইঁত হেনো আগদিনা বোম্বেৰ বাটেদি ৰাওনা হৈ গৈছে। এইদৰে আমি সকলো ৰাওনা হলোঁ। মঙ্গলদৈৰ পৰা শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱাও আহি আমাৰ লগ হ'ল। আমাৰ সৰহভাগেই কেৱল কলিকতালৈকে অহা ; তাতকৈ কোনো আঁতৰ ঠাইলৈ কেতিয়াও যোৱা নাছিলোঁ। সেইবাবে আমাৰ যাত্ৰা আনন্দৰেই হ'ল। নতুন দৃশ্যাৱলী আৰু আন্দোলনৰ আলোচনা— এইদৰেই গৈ আছো। মৈমনসিঙৰ এজন উকিল শ্ৰীঅনাথ সেনক পালোঁ। তেওঁ প্ৰতিনিধি হিচাপে ওলাইছে। মানুহজনৰ লগত কথা পাতি ভাল লাগিল। আমি কেনেকৈ গাঁৱত পঞ্চায়ত পাতি সমান্তৰাল গভৰ্ণমেণ্ট কৰাত মন দিছো ; কোৱাত তেওঁ আচৰিত হ'ল। তেওঁ ক'লে, "আমাৰ ইয়াত (বঙ্গদেশত) কাম বিশেষ একো হোৱা নাই। সংগঠনৰ ফালৰ পৰা কাম হোৱা নাই। হৈ চৈ agitational কথাবিলাকেই হৈছে গাঁওবিলাকত। আমি কাম কৰিবলৈ ধৰা নাই। সকলোৱে চাই থাকে কলিকতাৰ বাতৰি কাকতলৈ। কলিকতাৰ একো একোটা ঘটনাই সাময়িক উত্তেজনাৰ সৃষ্টি কৰে। আমি স্বদেশী আন্দোলনৰ দিনৰ পৰাই এইদৰে কাম কৰিছো। সূতা কটাৰ ফালৰ পৰাও আমাৰ বেছি কাম হোৱা বুলি ক'ব নোৱাৰি। মানুহজনৰ লগত এইদৰে কথা হৈ ভাল লাগিল।"

* * *

আগ্ৰা পাওতে আঠ বাজি গ'ল। খোৱাৰ কি কৰিব পাৰি—আমি দুজন-মান ওলালোঁ হোটেল বিচাৰি ষ্টেশ্যনৰ পৰা। ওলায়েই যেন উজুটি খালোঁ। সমুখত এখন প্ৰকাণ্ড ওখ বেৰ—যেন খুন্দা খাই পৰিম। একোৱালাৰৰ হেঁচাঠেলা মুৰ দাঙি ওখ বেৰখনলৈ চালোঁ—দুৰ্গৰ গঢ়ৰ দৰে। তেতিয়াহে বুজিলোঁ আমি আগ্ৰা-কোৰ্টৰ সমুখতেই আছোঁহি। হোটেল বিচাৰি আগ বাঢ়ি গৈছো, এটা ৰমক-জমক দৃশ্যই মোক অভিভূত কৰিলে। ধুনীয়া জোনাক। এই জোনাকত নৈৰ সিপাৰত চাৰিটা গম্বুজৰে সৈতে এটা কাৰেং জিলিকি থকা দেখি বিস্ময়ত সেই দৃশ্য চাবলৈ ধৰিলোঁ। আমি যে আগ্ৰাত—সউৱা বাদশা ছাজাহানৰ তাজমহল। যি দৃশ্য চাবলৈ দুৰ দুৰান্তৰৰ পৰা কত লোক আহে—আজি আমি এই দৃশ্যত উজুটি খোৱা দি খালোঁহি। আবুল হোছেনে ক'লে, "ভাই ইয়াত থাকি আগ্ৰাখন চাই যাওঁ।" মোৰ উত্তৰ হ'ল, "তোমা আমি আহিছো কংগ্ৰেছ আৰু খিলাফত সম্মিলনত যোগ দিবলৈ। এতিয়া যদি বাটে বাটে নামি চাই চোৱাত লাগোঁ তেন্তে আমাৰ

উদ্দেশ্য সিদ্ধি নহ'ব। আমি হোটেলত খাই অঁতাই আতৰৰ পৰাই এই দৃশ্য চাই উভতিলোঁ। ষ্টেশ্যনৰ প্লাটফৰমতেই শুই থাকিলোঁ।

* * *

আজি চবিবশ ডিচেম্বৰ তাৰিখ। মিটাৰ গজৰ ৰেলত আগ্ৰাৰ পৰা ৰাওনা হ'লোঁ। আগ্ৰাৰ পিছতেই ফতেহপুৰ ছিকৰী—বুৰঞ্জীৰ কত কথা মনলৈ আহিবলৈ ধৰিলে। আকবৰ বাদশাই হিন্দু আৰু মুছলমানক কেনেকৈ লগ কৰিবলৈ যো-জা কৰিছিল। আজি পুনৰ বুৰঞ্জীয়ে আমাক একে লগ হৈ লগ হোৱাৰ বাট দেখুৱাইছে। মিটাৰ গজৰ এই বাটটো বৰ আমনি লগা। খোৱা বস্তু পোৱাৰ সুবিধা নাই। পুৰী আৰু জলকীয়াৰ আচাৰ—ভাতৰ ক'তো ব্যৱস্থা নাই। কিন্তু এটা কথা দেখি বৰ ভাল লাগিছে—ম'ৰা আৰু হৰিণাৰ জাঁক। হেজাৰে হেজাৰে হৰিণা আৰু ম'ৰা চৰাই দেখি কি যে ভাল লাগি আছে। এঠাইত ৰেল ৰখাই দিলে। হৰিণাৰ জাঁকটোক ইঞ্জিনৰ সমুখেদি ৰেলৰ আলি পাৰ হ'বলৈ সুবিধা দিলে। আমি ৰেলৰ পৰা নামি এই জাঁকটোক চালোঁ। মানুহলৈ সিহঁত নিৰ্ভয়। অসমত এনে এটা জাঁক দেখা হ'লে আমাৰ মানুহ কিদৰে বলীয়া হ'লহেঁতেন তাকে আমি আলোচনা কৰিলোঁ। বানপানীত উটি আহে হাবিৰ পহু আশ্ৰয় বিচাৰি, কিদৰে নিষ্ঠুৰভাৱে আমাৰ মানুহে টাঙনিয়াই মাৰে তাকে মনলৈ আহে। শ্ৰীযুত শৰ্মাই ক'লে ইয়াত পহু চিকাৰ কৰাটো নিষিদ্ধ। এইবাবে ইয়াৰ পহুৱেও মানুহ দেখি আতঁৰ হোৱাৰ কথা নাজানে।

* * *

পাঁচিশ তাৰিখ। গধুলি হোৱাত আমি আহমদাবাদ ষ্টেশ্যনত নামিছোঁ। এনেতে চাওঁ এজন মানুহে মোক সেৱা কৰি আপেল এপাচি দিলেহি। মই সুধিলোঁ, "কি হৈছে।" তেওঁ উত্তৰ দিলে, "মহাৰাজ, আপোনাৰ সেৱাৰ বাবে দিছোঁ।" মই ক'লোঁ, "মই মহাৰাজ নহওঁ, মই কংগ্ৰেছলৈ আহিছোঁ। মোক ভুল নকৰিব। আন কোনোবা মহাৰাজক দি সেৱা জনাওক।' মানুহজনে নেৰে। গ্ৰহণ কৰিবই লাগে। লগৰীয়াসকলে চিঞৰি উঠিল—"হেৰা এই দুদিন লঘোনে-ভোকে আহিছোঁ। কেৱল পুৰী আৰু জলকীয়া—পেট গৰম হৈ উঠিছে। মানুহজনে তেওঁ তোমাক বাবাজী বুলি এপাছী লোভ লগা বঙা আপেল যাচিছেহি। তুমি লোৱা আমি আছোঁ নহয়।" এইদৰে ৰং-ধেমালিৰ মাজত এই আপেলখিনি গ্ৰহণ কৰা হ'ল।

* * *

আমি কংগ্ৰেছৰ বাহৰ পালোঁহি। "চাও কাপোৰেৰেই দীঘলীয়া দীঘলীয়া ঘৰ সাজি থোৱা হৈছে। ভিতৰত খেৰ-টোলি খোঁটালি কৰি ভগোৱা হৈছে। পুহ মাহ হ'লেও জাৰ বেছি নাই। পুৱতী নিশা হেনো অলপ জাৰ পৰে আৰু গা ধুবলৈ বাস্তি-

পুৱা গৰম পানী দিয়া হয় বুলি এজন স্বয়ং সেৱকে ক'লে। এই কেইবাদিনীয়া ট্ৰেইনৰ যাত্ৰাৰ পিছত গা-পা ধুই চাফ হ'লো। আমাৰ ওচৰৰ এটা খোঁটালিত শ্ৰীযুত গোপীনাথ বৰদলৈইঁত আছোঁহি। তেওঁলোক খোঁটালিত ভেতিয়া নাছিল। যি হওক আমাৰ দলটো দুভাগ হৈ দুটা খোঁটালি ল'লে। প্ৰফুল্লই ক'লে, “দাদা আমি অফিচ হিচাপে আৰু এটা খোঁটালি লওঁ। সকলো প্ৰদেশৰ কেম্পতেই এটা খোঁটালিত অফিচ পাতি বহিছে। আমাৰো এইদৰে বহিব লাগিব।” এনেতে শ্ৰীযুত বৰদলৈ আৰু বকৰা ওলালহি “হেৰা আমি প্ৰদৰ্শনী চাই আহিলোঁ। এই কেইমাহৰ ভিতৰত খদ্দৰত যে কিমান উন্নতি হৈছে সেইটো ভাবিবই নোৱাৰিবা। দগধা অসমান সূতাৰ মোটোহা কাপোৰ এতিয়া নাই। এতিয়া কাপোৰ বেছ ভাল ওলাব ধৰিছে। কত ৰকমৰ ছাপ দি দেখাত কি ধুনীয়া কৰিছে আৰু দহ বছৰৰ ভিতৰত খদ্দৰত বহুতো উন্নতি হব। কিজানি মিলৰ কাপোৰ যাব।” এইদৰে বৰদলৈয়ে ক'লে, “কিন্তু আমি যে অসমত বৰ বেছি আগ বাঢ়িব পৰা নাই। নগাঁৱৰ জালুগুটী, ৰহা, ফুলগুৰি বাৰপূজীয়া অঞ্চলত কিছু উৎপন্ন হৈছে; কিন্তু একে নিয়মেৰে হৈ আছে, বৰকাপোৰ চুৰিয়া লগিলে চুৰিয়া পাবলৈ নাই, বৰকাপোৰেৰেই সকলো পূৰাব লাগে। তিৰোতা-ল'ৰা-ছোৱালীৰ মন যোগাব পৰাকৈ কাপোৰ তৈয়াৰী নহয়। উৎপন্নৰ ফালৰ পৰা আমি একো হিচাপ দিব নোৱাৰো। গাঁও কিছুমানত চুৰিয়া একো একোখন বৈ লৈছে যদিও হিচাপ একো দিব নোৱাৰোঁ। কংগ্ৰেছে বিচাৰি আছে হিচাপ।

— x —